আশাৰ

অন্তৰালত

STATE
Call N
ASSAM

ASHAR ANTARALAT—An Assamese Novel by Premnarayan, Published by Sri M. K Dutta, M. A., Mani Manik Prakash, Guahati, Assam. First Published March 1963, 2000 copies. Price—Rs. 6·00 n.P. Printed by Shri R. R. Basak, Sreekanta Press (P) Ltd, 75. Baithakkhana Road, Calcutta-9.

প্ৰকাশ কৰিছে
শ্ৰীমনোজ কুমাৰ দত্ত, এম, এ
মণি-মাণিক প্ৰকাশ
গুৱাহাটী

প্ৰথম প্ৰকাশ
মাৰ্চ্চ—১৯৬৩

বেটুপাত ৰূপায়ণত
শ্ৰীপ্ৰসাদ বানাৰ্জ্জী
কলিকতা

ছপা কৰিছে
শ্ৰীৰাধাৰমণ বসাক
শ্ৰীকান্ত প্ৰেছ প্ৰাইভেট লিঃ
৭৫, বৈঠকখানা ৰোড
কলিকতা—৯

মূল্য—ছটকা

ভক্তি-অৰ্ঘ্য

মানৱী জনমৰ প্ৰথম আৰু প্ৰত্যক্ষ

দেৱী-দেৱতা আৰু গুৰু

স্বৰ্গত

মাতৃ-পিতৃৰ

শ্ৰীশ্ৰীচৰণ কমলত

প্ৰেমনাৰায়ণ—

গ্ৰন্থকাৰ

পাতনি

'আশাৰ অন্তৰালত' বৰ আশা কৰি লিখিবলৈ আৰম্ভ কৰিছিলো ২০।৭।৫৬ তাৰিখে। প্ৰথম দুই অধ্যায়মান কিজানি লিখা হৈছিল। সেই সময়তে মোৰ বেছিভাগ কিতাপ ছাতে লিখা অৱস্থাতে (অৰ্থাৎ কৰলৈ হলে, লিখি থকাৰ মাজতেই দুই-চাৰি পাতকৈ হলেও আধালিখা অৱস্থাতে) পঢ়ি ৰসোপভোগ কৰি উৎসাহ দিয়া, আৰু সাহিত্য-কমলৰ কলিবোৰ মুকুলিত কৰিবলৈ পোণ-প্ৰথমে সাৰথিৰ ভাওলোৱা, বন্ধুতো অধিক প্ৰফেচাৰ শ্ৰীকালী নাথ শৰ্মা দেৱে, সেইকণকে পঢ়ি কৈছিল "লিখি থাকক, কলম কোঁচ খুৱাই নানিব, ডাঙৰ হওক কোনো আপত্তি নাই।" (তাৰ পিছত তেখেতে বিলাতলৈ গৈ ডক্টৰেটলৈ আহিল।)

তেতিয়া মই আপত্তি কৰিছিলো যে কিতাপৰ কলেৱৰ ডাঙৰ হলে বেছি মূল্য দি কিনি কোনোবাই পঢ়িব জানো? জানেই নহয়, আমাৰ দেশৰ পঢ়ুৱৈ ..."

মোৰ কথাত বাধা দি তেখেতে কৈছিল "ভয় নাখাব, ভাল কিতাপৰ চাহিদা আছে আৰু আজিকালি কিতাপ কিনি পঢ়াৰ অভ্যাস মানুহৰ হৰ ধৰিছে। ইতিপূৰ্বে প্ৰকাশিত কিতাপবোৰেই তাৰ প্ৰমাণ..." এইদৰে আৰু নানান আলোচনা।

তাৰ পিছত এদিন অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বন্ধুবৰ শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা দেৱে আগে পিছে খা-খবৰ কৰি থকাৰ দৰে "এতিয়া কি সামাজিক উপন্যাস লিখিছে?" বুলি সোধোতে মই 'আশাৰ অন্তৰালত' বুলি উচ্চাৰণ কৰিলো। সেই কথাতেই লেঠা লাগি ভাল বান্ধখাই পৰিলো। সেই দিন ধৰি মোৰ লগত দেখা হলেই কিতাপখন সম্পূৰ্ণ হলনে নাই তেখেতে সোধে আৰু সোনকালে লাগে বুলি জোৰেৰে তাগিদা দিয়ে। তেখেতৰ

অকৃত্রিম সাধু-ইচ্ছাৰ যোৰত পৰি আধামান লিখি শেষ কৰিছিলো, তথাপি নানান আহুকালত পৰি 'আশাৰ অন্তৰালত' পুথিখন নিজৰ নিৰাশাৰ আন্ধাৰতে পেলাই থবলৈ বাধ্য হৈছিলো।

ইতিমধ্যে উৎসাহ-দাতা প্ৰথম গৰাকী 'এডিনবৰা' পালেগৈ আৰু দ্বিতীয় গৰাকীৰ সৈতে দেখা সাক্ষাৎ, মোৰ অসুখৰ বাবে, বহুত পাতলিল। কিতাপখন সম্পূৰ্ণ কৰাৰ কথা পাহৰিয়েই গৈছিলো। অৱশ্যে ৰৰ পাতলকৈ হলেও হাজৰিকা দেৱে মোৰ মনত পেলাই দিবলৈ নাপাহৰিছিল; তথাপি কোনোপধ্যেই লিখা কাম হৈ উঠা নাছিল।

এইদৰে থাকোতেই দুবছৰ ন মাহ উকলি গল। এইখিনি সময়ৰ ভিতৰতে চাৰিখন মান ভিন ভিন পুথি লিখা আৰু প্ৰকাশ কৰাও হৈ গল কিন্তু এইখনৰ আশা এৰি বহি থকাত আধালিখা বহীদুখন কাকতৰ মাজতে পৰি থাকিল।

হঠাতে ২৯।৪।৫৯ তাৰিখে এবাৰ নোৱাৰা কাৰণত কলিকতালৈ আহিবলগীয়া হোৱাত লৰাহতে আধালিখা পাণ্ডুলিপিবোৰো চোলা-কাপোৰৰ সৈতে স্যুট্‌কেচত সুমাই দি সাধনি ধৰিলে যে পুথি-দুখনো (এখন ভিন কিতাপৰ আধালিখা পাণ্ডুলিপি) এই সুযোগতে কলিকাতাতে যেনেতেনে সম্পূৰ্ণ কৰি নিব লাগিব।

শাস্ত্ৰই কৈছে 'নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ...'তাৰ মানে নথকা (অসৎ) বস্তুৰ সত্তাৰ (উৎপত্তি) হব নোৱাৰে আৰু সৎ (থকা) বস্তুৰ অভাৱ (বিনাশ) হব নোৱাৰে। এই পৰম সত্য কেৱল জগৎসৃষ্টিৰ ব্যৱহাৰতে নহয়—সকলোক্ষেত্ৰতে প্ৰযোজ্য। সেই কাৰণেই সাহিত্য-সৃষ্টিতো এই সনাতন নিয়মৰ বাহিৰে যাব নোৱাৰে, এই কথা ঠিক। এতেকে গল্প, উপন্যাস আদি যিয়েই নহওক সেইবোৰো নেদেখা শুনা বা নঘটা ঘটনা নহয়। তথাপি কেৱল বাস্তৱ ঘটনাৰ বৰ্ণনা কাহিনী এটা থিয় কৰালে সি সৃষ্টিধৰ্মি সাহিত্য নহৈ বাতৰি কাকতৰ সংবাদতকৈ কোনোগুণে অধিক মূল্যৱান হব নোৱাৰে।

সেইকাৰণেই 'আশাৰ অন্তৰালত'* পুথিখনিৰ বিষয় বস্তু বাস্তৱ-সত্য হলেও তাক ৰূপদান কৰিবলৈ যি পৰিকল্পনা কৰি চৰিত্ৰাৱলীৰ ঐকান্তিক সূক্ষ্ম অনুভূতিৰে, উন্নত ভাবধাৰাৰ সৈতে কল্পনাৰ ৰহন সানি, প্ৰাঞ্জল ভাষাৰে আগবঢ়োৱা চিত্ৰিত কৰা হৈছিল, ঠিক সেই ভাব, ভাষা, দৃষ্টিভঙ্গী আৰু সাবলিল-গতি আদিৰ সমতা ৰক্ষা কৰি তিনিবছৰৰ মূৰত শেষৰ ছোৱা জোৰা লগাই সম্পূৰ্ণ কৰা প্ৰায় অসম্ভৱ যেনেই লাগিছিল।

বহু চেষ্টাৰ অন্তত কামটো সমাপন কৰিব পৰা হৈছে যদিও ল'ৰাইতে চিঠিৰে সঘণে সোঁৱৰাই দি থকাবাবেহে হৈছে বুলি স্বীকাৰ কৰিবই লাগিব। সেইবাবে সিহঁত আশীৰ্ব্বাদ পোৱাৰ যোগ্য।

কাহিনীটো সম্পূৰ্ণ কৰাৰ পিছতো নিখুঁত নহল যেন ভাবি নিজৰ মনোটোৱে কিবা খুঁত-খুত কৰিছিলে হবলা। সেই কাৰণে প্ৰথমে প'ঢ় চাই ল'ৰাইঁতে মুখ দুখন কেনে কৰে তাকে লক্ষ্য কৰিছিলো।

তাৰ পিছত হাণ্ডৰিকা দেৱে আনকেখনৰ নিচিনা এইখনতো তেখেতৰ আন্তৰিক চেনেহৰ পৰশ সানি বাইজৰ আগত উলিয়াই দিবলৈ মনোবল দিয়াবাবে তেখেতক কেৱল শলাগৰ শৰাই আগবঢ়ালে যথোচিত মূল্য দিয়া নহয়। কিয়নো মোৰ জীৱনত সাক্ষাৎ পোৱা নিৰ্ব্বাভিমানী, নিস্বাৰ্থ, সহৃদয় তিনি গৰাকী হিতাকাঙ্খী বন্ধুৰ ভিতৰত তেখেত অন্যতম। তেখেতে পঢ়ি উঠি যি মন্তব্য কৰিছিল সি এই ধৰণৰ—"…শেষ কাৰ্ব পাঢ় ভাল পালো… আপুনি কিতাপখন লিখোতে নিশ্চয় ইয়াৰ কলেৱৰ ডাঙৰ কৰো বুলি ভাবিছিল আৰু এতিয়া revise কৰিবৰ সময়ত কলেৱৰ সৰু কৰো বুলি ভাবি ললে ভাল হব। …মুঠতে কিতাপখনে আকৌ এবাৰ আপোনাৰ কলমৰ পৰশ পালে অধিক মনোগ্ৰাহী হব। ·· মোৰ মন্তব্যবোৰ মনত নেলাগিলে বাদ দিব। শ্ৰীহাণ্ডৰিকা, ২২।১০" (লগতে কৃতজ্ঞতাৰে স্বীকাৰ কৰি থওঁ যে মন্তব্যবোৰলৈ মন কৰি revise কৰা হৈছে।)

আন এজন বন্ধুৱে এদিন হঠাৎ মোৰ ঘৰলৈ আহোতে মই কপিকাৰ

থকা পাণ্ডুলিপিখন হাতত লৈ কেইটামান পাত জুটিয়াই বগবাই পঢ়ি উপমা সম্পৰ্কে এটা উপদেশ যাচিছিল। সেই কথাবাৰকে মই আন এদিন 'সাহিত্য সমালোচনা' আৰু অন্যান্য কিতাপৰ গ্ৰন্থকাৰ, সাহিত্যিক বন্ধু অতুলচন্দ্ৰ বৰুৱা দেৱক কৈ উপমাবোৰ দেখুৱাইছিলো। তেখেতে পঢ়ি চাই এই কথা কৈছিল,—Creative art cannot stand the spirit of criticism. As soon as criticism enters into it—it is smashed.—Critism should follow creative art and should not precede it,... According to a famous critic, mathematical critics are the pests of creative art.

"Inauguration ceremony (আৰম্ভনী উৎসৱ), অলঙ্কাৰ শাস্ত্ৰত ইয়াক 'মালোপমা' বোলে। এই উপমাত কেতিয়াবা কেবেলাতকৈ গুটি দীঘল হয় অৰ্থাৎ উপমাৰ বস্তু উপমেয়তকৈ বেছি ৰমকজমকৈহে পাঠকৰ খন্তেকৰ কাৰণে আত্মবিস্মৃত কৰে। উপমাৰ উদ্দেশ্যই হৈছে—পাঠকৰ পাঠক্লান্তি দূৰ কৰা আৰু মনত প্ৰফুল্লতা অনা ; যাতে বুজাত সুবিধা হয়।"

গতিকে উপমাবোৰৰ সালসলনি আৱশ্যক বুলি ভাবিব নোৱাৰি। হাজৰিকাদেৱেও এই বিষয়ে কোনো মন্তব্য কৰা নাই।

সামৰণিত পুথিখন ছপাই উলিওৱাত পলম হোৱা বিষয়ে কৈফিয়ৎ এটা দিয়াৰ আৱশ্যক হৈ পৰিল। আমাৰ ইয়াত কিতাপ ছপা কৰা কামটো এক প্ৰকাৰ দুঃসাধ্য কাম যেন হৈ পৰিছে। ছপাশাল পালেও তুলাপাত আদিৰ সমস্যাটো বৰ বেছি। সেই কাৰণে প্ৰকাশকে নিজে কলিকাতালৈ গৈ কিতাপখন ছপাই আনিবলৈ চেষ্টা কৰিলে কিন্তু তাতো এটা সমস্যাৰ উদ্ভৱহৈ বিপদত বাককৈয়ে পেলালে। চাহিদা মতে কাকত নাপাই অলপ-অচৰপকৈ সংগ্ৰহ কৰি বাধ্যত পৰি পুথিখন দুইখণ্ড কৰি উলিয়াব লগিয়াত পৰিল।

এই বিষয়ত মোৰ ভাই শ্ৰীৰাধাগোবিন্দ বসাক মহাশয়ৰ উত্তম আৰু প্ৰচেষ্টা প্ৰশংসা কৰিবলগীয়া। তেওঁৰ এই সাহায্য নোপোৱা হলে ই আৰু বহুদিনলৈ ওলোবাৰ কোনো উপায় নাছিল। এইখিনি বসাক ভায়াক মোৰ আন্তৰিক প্ৰীতি, মৰম আৰু ধন্যবাদ জানালো। লগতে শ্ৰীকান্ত প্ৰেছকো আশীৰ্ব্বাদ দিলো।

প্ৰথমখণ্ড ছপা কৰি লগতে আনি পঢ়ুৱৈ সমাজৰ হাতত তুলি দিয়াৰ এমাহমানৰ পিছতে দ্বিতীয় খণ্ডও ওলাব বুলি প্ৰকাশকে আশা কৰিছে। আশ্যকৰো পঢ়ুৱৈ সমাজে প্ৰকাশকৰ এই অনিচ্ছাকৃত ত্ৰুটি মাৰ্জ্জনা কৰিব।

অৱশেষত 'আশাৰ অন্তৰালতে' আগৰবোৰ পুথিৰ দৰে সকলোৰে মনোৰঞ্জন কৰিব পাৰিলেই আমাৰ শ্ৰম সাৰ্থক মানিম।

ওঁ তৎ সৎ

ৰাইজৰ সেৱক

প্ৰেমনাৰায়ণ

প্ৰকাশকৰ এষাৰ

বৰ্ত্তমান অৱস্থাত কিতাপ প্ৰকাশৰ লাগতিয়াল সকলো সামগ্ৰীৰে দাম বঢ়াত আৰু লগতে ছপা খৰছো বেছি হোৱাত আমাৰ অনিচ্ছা স্বত্বেও কিতাপ খনৰ মূল্য যৎ সামান্য বঢ়াবলৈ বাধ্য হলো ।

একে অসুবিধাৰ বাবেই কিতাপৰ দ্বিতীয় খণ্ড একেলগে পঢ়ুৱৈ সমাজৰ হাতত দিব নোৱাৰি আমি দুখীত । কিতাপখনৰ দ্বিতীয় খণ্ডও সোনকালেই দিব পাৰিম বুলি আশা কৰো ।

আমাৰ এই অনিচ্ছাকৃত দোষৰ বাবে আপোনালোকৰ ওচৰত কৰযোৰে মাফ খুজিলো ।

ধন্যবাদেৰে

মণি-মাণিক প্ৰকাশ
গুৱাহাটী ।

—প্রথম খণ্ড—

আশাৰ অন্তৰালত

— এক —

"তুমি আজি যাবাগৈ নেকি কল্যাণ দাদা ?"

"এতিয়াও সুধিবলগীয়া আছেনে ?" বুলি আশালতাৰ প্ৰশ্নৰ উত্তৰত মূৰ নোতোলাকৈয়ে কল্যাণে উত্তৰ দিলে "সকলো বস্তু-বাহানি সামৰি লোৱা হলেই। এতিয়া এই ট্ৰাঙ্কটোত তলা লগাই গা ধুই আহি ভাত খায়েই ৰাওনা হব লাগিব, নহলে ৰেল ধৰিব পৰা নাযাব।" বুলি কৈ হাতত থকা গামোচাখন ট্ৰাঙ্কত জাপি থৈ তলা লগাবলৈ ধৰিলে।

দ্বিতীয় প্ৰশ্ন নকৰি আশালতাই উভতি খোজলৈ খোকাথুকি মাতেৰে কলে "তেনেহলে ও-লো-ৱা…"

তাইৰ বিকৃত মাত শুনি হঠাতে মূৰ দাঙি চাই কল্যাণে কলে "ৰ'বা আশা, নাযাবা। উভতি লৰ মাৰি পলাব খুজিছা কিয় ?" বুলি কৈ আশাৰ সমুখলৈ গৈ তাইৰ চকুত পানী দেখি আচৰিত হৈ সুধিলে "কি হৈছে আশা ? কান্দিছা কিয় ?"

আশালতাই উচুপি উচুপি উত্তৰ দিলে "মা'ৰ কিবা হৈছে। মাতিলেও মাত নিদিয়ে, চকু নেমেলে, কেনেখন কৰিছে! মোৰ বৰ ভয় লাগিছে।" ধাৰাসাৰে তাইৰ চকুপানী ববলৈ ধৰিলে।

"এঁ···কি হৈছে? আকৰ্ষীজনী ক'ৰবাৰ ··· তাকে কবলৈ আহি অথনিৰ পৰা কিয় চুচুক-চামাক কৰি আছিলা? মই ব্যস্ত হৈ থকা বাবে তোমাৰ মুখলৈ চোৱাই নাছিলো। বলা কি হৈছে চাওঁগৈ।" বুলি কৈ আশাৰ হাতত ধৰি প্ৰায় টানি নিয়াদি লৰি গল।

কল্যাণহতৰ চৌহদৰ সীমাতে আশালতাহঁতৰ ঘৰ। চোতালখন পাৰহৈ ভঁৰালঘৰৰ কাষেৰে আশাহঁতৰ চোতাল পালেগৈ। ঘৰত সোমাই দেখিলে যে আশালতাৰ মাক মৰাৰ দৰে পৰি আছে। উশাহ-নিশাহ লৈছে যদিও ধীৰে ধীৰে। কল্যাণে দুবাৰ মাতিলে "খুৰীদেও, খুৰীদেও ··· ?"

মুদখাই থকা গাতত সোমোৱা চকুযুৰি অলপ কঁপি উঠিল যদিও মেল নাখালে। ওঠ দুটাও কঁপিল কিন্তু কথা নোলাল। মুখ মেল নাখালে। তাকে দেখি কল্যাণে কলে "আশা, তুমি তেওঁৰ মূৰত বিচি থাকা, মই লৰি গৈ কবিৰাজক মাতি আনো।" বুলি বাহিৰ ওলাই লৰ মাৰিলে।

কল্যাণে হুৰামুৰাকৈ লৰি যোৱা দেখি বাটত লগ পোৱা কেবাজনেও কাৰণ সোধাত কতো থিয় নহৈ কেৱল সংক্ষেপতে উত্তৰ দি গল "কবিৰাজৰ ঘৰলৈ যাম, খুৰীদেওৰ কিবা অসুখ হৈছে।" কল্যাণে আশালতাৰ মাকক খুৰীদেও বুলি মাতে। গাঁওখনৰ প্ৰায় মানুহেই তেওঁক বামুণীখুৰী বুলি মাতে।

কবিৰাজৰ ঘৰ গাঁৱৰ এমূৰত। কল্যাণহঁতৰ ঘৰৰ পৰা প্ৰায় আধা মাইলমান দূৰ হব। কল্যাণে হেপাই ফোঁপাই কবিৰাজৰ ঘৰৰ নঙলা পাই দেখিলে যে কবিৰাজে হোকাটো হাতত লৈ হুপি

ছুপি পদূলিতে ইফাল সিফালকৈ টহল দি আছে। সি লৰি অহা দেখি ব্যস্ত ভাবে তেওঁ সুধিলে "কি হৈছে অ' বাপা? কিয় ইমান লৰি আহিছ?"

একে উশাহতে কল্যাণে উত্তৰ দিলে "খুৰীদেওৰ···বামুণী খুৰীৰ সাংঘাতিক নৰিয়া। কি হৈছে ময়ো কব নোৱাৰো, মাতবোল নাই।" বুলি কোৱাত কবিৰাজে তত্তালিকে ভিতৰলৈ গৈ দৰবৰ মোনাখন আৰু কান্ধত চেলেংখন লৈ ওলাই আহি কল্যাণৰ সৈতে বেগেৰে খোজ ললে।

তেওঁলোকে আশালতাহঁতৰ চোতাল পাই দেখিলে যে ইতিমধ্যে চোতালত কেবাজনো মানুহ গোট খাইছে। কবিৰাজে পোনেই ঘৰ সোমাই দেখিলে যে আঠজনমান মুনিহ-তিৰোতা মানুহে ৰোগিণীক আগুৰি মুখৰ ফালে চাই আছে। কবিৰাজে ওচৰলৈ গৈ নাড়ী পৰীক্ষা কৰি চাবলৈ ধৰিলে।

কল্যাণৰ বাপেক মনথিৰ মণ্ডলো আন মানুহৰ লগত চোতালতে থিয়হৈ আছিল। কল্যাণক দেখি অলপ বিৰক্ত মনেৰে কলে "হেৰ' বোপা, তই পলম কৰিলে ৰেল নাপাবি সোনকালে যাগৈ।"

কল্যাণে মূৰ খজুৱাই উত্তৰ দিলে "আজি আৰু মোৰ যোৱা নহল দেউতা। খুৰীদেউক এনেকুৱা অৱস্থাত এৰি থৈ মই কোনোপধ্যে যাব নোৱাৰো।"

বাপেকৰ খং উঠিল। চকু থিয় কৰি কলে "নগলে কলেজত নাম লগাবি কেনেকৈ? তই যাবই লাগিব। আমি ইয়াত ইমান-বিলাক মানুহ আছো, তই নাথাকিলে কোনো ক্ষতি নাই।

থাকিলেও নো তই কিটো সহায় 'কৰিবি ? ঘৰলৈ যা, ভাতখাই এতিয়াই শুলাই যাগৈ ।"

কল্যাণে আপত্তি কৰি কলে "আজি যেতিয়া যাত্ৰা ভঙ্গ হল আজি যোৱা ভাল নহব। ভাল দিন বাৰ চাই এদিন যাম। নাম লগোৱাৰ সময় আৰু পোন্ধৰ দিন আছে, দেউতা।" বুলি কৈ বাপেকক কবলৈ সুবিধা নিদি ঘৰৰ ভিতৰলৈ সোমাই গল। কবিৰাজে নৰিয়া চাই কিবা বড়ি উলিয়াইছিল। কল্যাণক দেখি আদাৰ ৰস আৰু মৌৰে মাৰি আনিবলৈ দিলে। লৰমাৰি কল্যাণে নিজৰ ঘৰলৈ গৈ কবিৰাজে কোৱামতে বড়ি মাৰি আনি দিলে কিন্তু ৰোগিনীৰ মুখ মেল নাখায়। কবিৰাজে ৰোগিনীৰ মুখত চামুচ সুমাই দি কোনোমতে মুখত ঔষধ ঢালি দিলে।

ইতিমধ্যে দুই এজনকৈ মানুহ আহি চোতালত কুৰিজনমান গোট খালে। বামুণীখুৰীক সকলোৱে মৰমৰ চকুৰে চায়। কবলৈ হলে গাঁওৰ মানুহবিলাকৰ আদৰ আৰু অযাচিত অনুগ্ৰহতে তেওঁ দুবেলা দুসাজ খাই আশালতাৰে সৈতে বৰ্ত্তি আছে। আশালতাৰ পিতাক সেই গাঁও আৰু তাৰ চাৰিওফালৰ গাঁওৰ মানুহবিলাকৰ পুৰোহিত আছিল। সাধাৰণতে বহুত পুৰোহিতে ক্ৰিয়াকলাপ আদি ব্যৱসায় হিচাবেই চলোৱা দেখা যায় যদিও আশালতাৰ পিতাক তেনেকুৱা বিধৰ মানুহ নাছিল। পুৰোহিত শব্দৰ অৰ্থই যি গুণ থকা বুজায় তেওঁৰ গাত সেইবোৰ গুণ পূৰা মাত্ৰাই আছিল। একে আষাৰতে কবলৈ হ'লে তেওঁ সকলোৰে পুৰোহিত অৰ্থাৎ শ্ৰেষ্ঠ উপকাৰী আছিল আৰু সেইবাবেই তেওঁ সকলোৰে প্ৰিয়পাত্ৰ আছিল। তেওঁৰ মৃত্যুৰ পিছতো আজিলৈকে অসহায়া বিধবা ঘৈণীয়েক আৰু

জীয়েকক গঞাৰাইজে উপযাচি সহায় কৰি আছে। সেই নিমিত্তে তেওঁ জীয়াই থাকোতে যেনেকৈ আকালো নাছিল ভঁৰালো নাছিল তেনেকৈ তেওঁৰ মৃত্যুৰ পিছতো ঘৈণীয়েক আৰু জীয়েকে আজি দুবছৰে ভঁৰাল নথকাতো সমূলি আকাল অনুভৱ কৰা নাই।

বড়ি খুৱাই উঠিও কবিৰাজে ওচৰতে বহি ৰোগিনীৰ অৱস্থা লক্ষ্য কৰি আছে। মাজে মাজে নাড়ীৰ গতি পৰীক্ষা কৰি চাইছে। ৰোগিনীক বেঢ়ি থকাকেজনে এবাৰ ৰোগিনীৰ ফালে আনবাৰ কবিৰাজৰ ফালে চাই হতাশ মনেৰে নীৰব দৰ্শকৰ ভাও লৈ আছে। কোনেও একো সহায় কৰা নাই অথবা সহায় কৰিবলৈ কাৰো কোনো শক্তিও নাই। মাকৰ মূৰৰ ওচৰত নিস্পন্দ শিলৰ মূৰ্ত্তিটোৰ দৰে বহি আশালতাই একচিত্তেৰে মাকৰ মুখলৈ চাই আছে। তাৰে ওচৰতে অলৰ-অচৰ ভাবে থিয় হৈ কল্যাণে বাৰে বাৰে কবিৰাজৰ মুখলৈ চাই কিবা সুধিব খোজে কিন্তু চকুৰ ঠাৰেৰে কবিৰাজে তাক মনে মনে থাকিব কোৱাত নিমাত হৈ থাকে।

বন্তি নুমাবৰ আগতে এবাৰ দপ্‌কৰে জ্বলি উঠাৰ দৰে হঠাতে আশাৰ মাকৰ চকুযুৰি মেল খালে। চকুৰ দৃষ্টি ঘূৰাই প্ৰথমে কল্যাণ আৰু তাৰ পিছতে আশালতাৰ মুখলৈ চালে। একে সময়তে কল্যাণে 'খুৰীদেও' আৰু আশালতাই 'মা' বুলি উচ্চাৰণ কৰিলে। সেই দৃষ্টিৰে তেওঁ কল্যাণক অন্তিমৰ অনুৰোধ কৰিবও পাৰে, কোনে কব? যি নহওক—

দীঘল হুমুনিয়াহৰ দৰে নিশাহ এটা বামুণীখুৰীৰ নাকেৰে ওলাল। ততালিকে চকুৰ দৃষ্টি নিষ্প্ৰভ হ'ল। চকু মুদ খালে।

দুয়ো চকুৰে পানী ববলৈ ধৰিলে। হঠাতে মূৰটো গাৰুৰ পৰা যেন কিহবাই আজোৰ মাৰি পেলাই দিলে। মুখেৰে শেষ নিশাহ বাহিৰ ওলাই প্ৰাণবায়ু বতাহৰ লগত মিলি গল। মুখখন মেলাই ৰল।

ঘৰৰ ভিতৰত থকা দৰ্শককেইজনে চকুত কাপোৰ দিলে। আশালতাই 'মা' বুলি চিঞৰ মাৰি মাকৰ মূৰটো গাৰুৰ ওপৰলৈ টানি আনিবলৈ চেষ্টা কৰি নোৱাৰি মাকৰ বুকুত পৰি হুক্ হুকৃকৈ কান্দিবলৈ ধৰিলে। কল্যাণে মাটিতে বহি মূৰে কপালে হাত দি উচুপিবলৈ ধৰিলে। কবিৰাজে 'ওম্ শান্তিঃ, ওম্ শান্তিঃ, ওম্ শান্তিঃ' বুলি উচ্চাৰণ কৰি দৰবৰ মোনাখন লৈ বাহিৰ ওলাল। বাহিৰত গাঁওৰ বহুতবিলাক মানুহ গোট খাইছিলহি। কবিৰাজৰ মুখত শেষ বাতৰি শুনি মৃতকৰ বাবে হা-হুমুনিয়াহ কঢ়াৰ বাহিৰে কৰিবলৈ কাৰো আন উপায় নাছিল।

তাৰ পিছত গঞাৰ কৰ্ত্তব্য ওলাল, শৱৰ সংকাৰ কৰা বিষয়ে। গতিকে উপযাচি যেয়ে যি আছিল! পালে নিজ নিজ ঘৰৰ পৰা আনি যা-যোগাৰ সম্পূৰ্ণ কৰিলে। ঠিক সেই সময়তে ডাঙৰ সমস্যা এটা আগত লৈ উপস্থিত হলহি পঞ্চানন বেদ-বিদ্যানিধি দেউ। তেওঁ সেই গাঁওৰ উপৰিও তাৰ চাৰিওফালে থকা গাঁওবোৰৰ সমাজপতি অথবা বৰমেলৃকী আৰু বিধি-ব্যৱস্থা দিওঁতা পণ্ডিত। তেওঁ চোতালত থিয় হৈয়েই আপত্তি তুলি কলে "তোমালোকে বাহিৰা সকলো বন্দবস্ত সম্পূৰ্ণ কৰা দেখি মই ভাল পালো। পিছে ঘাই কামটোৰ বিষয়ে কিবা স্থিৰ কৰিছানে? মৃতকৰ মুখাগ্নি কৰিব কোনে আৰু শ্ৰাদ্ধাদি কোনে কৰিব?"

সেই কামটোৰ কথা আগধৰি কোনেও ভবা নাছিল।

পুৰোহিতৰ 'বসুধৈব কুটুম্বকম্' আছিল যদিও অঙহী-বঙহী কেৱে কতো নাছিল। তেওঁৰ মৃত্যুত ঘৈণীয়েকে প্ৰেতকাৰ্য্য সমাধা কৰিছিল। এতিয়া আশালতাৰ মাকৰ মৃত্যুত পঞ্চানন বেদ-বিদ্যানিধিয়ে বিধি উলিয়াই কলে যে আশালতাক গোত্ৰ ছিঙি উলিয়াই দিয়া হৈছিল সেই বাবে তাইৰ মাকৰ প্ৰেতকাৰ্য্য কৰিবলৈ অধিকাৰ নাই।

তেওঁ দিয়া বিধি শুনি সকলোৱে তলমূৰকৈ ভাবিলে, তেনেহলে উপায়··· ?

সেই সময়তে অধ্যাপক মুক্তাৰাম বেদান্তবাগীশ পালেহি। তেওঁৰ নিজৰ ঘৰতে সংস্কৃত টোল এখন আছে, তাতে অধ্যাপনা কৰে। তেওঁ পূৰ্ব্বতে আশালতাৰ পেহীয়েকক বিয়া কৰাইছিল কিন্তু কোনো সন্তান নোহোৱাকৈ পত্নী বিয়োগ হোৱাত দ্বিতীয়বাৰ বিয়া কৰাইছে, হৰিপ্ৰিয়াক। মুক্তাৰাম অধ্যাপক দেউ শাস্ত্ৰত ডাঙৰ পণ্ডিত যদিও ডাঙ্কোপ মাৰি কথা কৈ 'মইবৰ' বুলি প্ৰচাৰ কৰি ফুৰা স্বভাৱ তেওঁৰ নাই। মানুহজন সৎ, ধীৰ, স্থিৰ, গম্ভীৰ। উচিত কথা সদায় কয় কিন্তু লোকে নুসুধিলে নিমাত হৈ থাকে। সমাজপতিয়ে উলিওৱা সমস্যাটোৰ কথা শুনি কিন্তু তেওঁ মাত লগালে "তুমি অজ্ঞৰ দৰে কথা কোৱা যেন লাগিলহে বিদ্যানিধি দাদা! মই কওঁ, সকলো কৰ্ম্ম কৰিবলৈ আশালতাৰ সম্পূৰ্ণ অধিকাৰ আছে।"

কঠুৱা মাতেৰে পঞ্চাননে গাজনি মাৰিলে "মনে মনে থাকাহে বেদান্ত বাপু। তোমাক আজি বিধি সুধিব লাগিব নেকি? মই পঞ্চানন বেদ-বিদ্যানিধিয়ে পঞ্চাশখন গাঁওত বিধি-ব্যৱস্থা দি

ফুৰোতে আধা বয়স পাৰ হ'ল। এতিয়া তোমাক সুধিহে মই শাস্ত্ৰৰ বিধান দিম? মই সমাজপতি আৰু ব্যৱস্থাপক পণ্ডিত যেতিয়া মোৰ বিধি মতে সকলোৱে চলিবলৈ বাধ্য।"

বেদত কি আছে নজনাকৈয়ে বহুতে বেদৰ দোহাই দিয়ে। শাস্ত্ৰ মেলি নোচোৱাকৈয়ে বহুতে শাস্ত্ৰৰ বিধি বুলিকৈ তৰ্কপাতে। ফটামুখখন থাকিলে চালেবেৰে কোবাই যিহকে পায় তাকে কৈ নজনাৰ আগত পণ্ডিত বোলাবলৈ উজু। পঞ্চাননে বেদ-বিদ্যানিধি উপাধিটো কথাই কথাই সকলোৰে আগত ডাঙৰকৈ উচ্চাৰণ কৰে সঁচা কিন্তু শাস্ত্ৰ সমূহৰ ভিতৰত কি আছে তাক পঢ়ি চাবলৈ তেওঁ আৱশ্যক বিবেচনা নকৰে। মুঠৰ ওপৰত তেওঁ যিহকে কয় বা ব্যৱস্থা দিয়ে তাকে সকলোৱে মানি লবলৈ বাধ্য। কিয়নো তেওঁ সমাজপতি বা বৰমড়ল আৰু ব্যৱস্থা দিওঁতা পণ্ডিত।

পঞ্চানন দেৱে শাস্ত্ৰ নেমেলাৰ কাৰণ তেওঁৰ হেনো চাৰিওখন বেদ কণ্ঠস্থ হৈ আছে। যেতিয়াই তেতিয়াই য'ৰে ত'ৰে পৰা সূত্ৰ গাই শুনাই দিব পাৰে। সৰ্ব্বসাধাৰণে তেওঁ কিবা গালে তাত ভুল ধৰিবলৈ জোখৰে বিদ্যা নাই। গতিকে তেওঁ যি কয় তাকে বেদবাক্য বুলি মানিবলৈ বাধ্য।

সমাজপতি বেদ-বিদ্যানিধিয়ে শাস্ত্ৰ মেলি পঢ়া কোনেও কেতিয়াও দেখা নাই সঁচা কিন্তু তেওঁ নিজে লিখা বহী এখন মাজে সময়ে উলিয়াই পঢ়ে। সেই বহীখনৰ প্ৰথম ছোৱাত বহুত বিধি নিয়ম লিখা আছে আৰু শেহৰ ছোৱাত লোকৰ দোষবোৰ অৰ্থাৎ কোন কেতিয়া বাদ-অপবাদ আদিত অভিযুক্ত হয় সেইবোৰ ধাৰাবাহিক ভাবে লিখা থাকে। তদুপৰি নতুন নতুনকৈ তাত লিখিয়েই থাকে।

সেই সকল মানুহে যেতিয়া কিবা নাম-সৱাহ, পূজা-পাৰ্ব্বণ ভোজ আদি পাতে তেনে সময়ত পূৰ্ব্বৰ দোষৰ কথাবোৰ খুচৰি উলিয়াই জব্দ কৰে। সেই মানুহজনে দণ্ড নিদিয়েমানে সমাজপতিয়ে তেওঁক এঘৰীয়া কৰি ৰখাৰ ব্যৱস্থা কৰে। হোকা, জুই-পানী বৰ্জ্জিত কৰি গঞাৰ কোনেও সেই মানুহৰ চোতালত ভৰি নিদিয়ে।

দুযোজনৰ তৰ্ক লাগিছিল, বেদান্তবাগীশে শাস্ত্ৰৰ কথাৰে আৰু বেদ-বিদ্যানিধিয়ে মুখৰ জোৰেৰে। উপস্থিত সকলো মানুহে দুয়োজনৰ তৰ্ক শুনি আছিল। অধৈৰ্য্যহৈ কল্যাণৰ পিতাক মনথিৰ মণ্ডলে মাত লগালে "বিদ্যানিধি খুৰা, আপুনি মিছাকৈ তৰ্ক কৰি সময় নিয়াইছে। বেদান্তবাগীশে বেদ নজনা বুলি কব খোজে নেকি? তদুপৰি সকলোৱে জানে যে জীয়েক আশালতাৰ বাহিৰে মৃতকৰ অঙহী-বঙহী কোনো কতো নাই। তেনেস্থলত শৱৰ সংকাৰ কাৰ্য্য নোহোৱাকৈ থাকিব নেকি? তাইৰ যদি মাকৰ প্ৰেতকাৰ্য্য কৰাৰ অধিকাৰ নাই তেনেহলে কাৰ আছে কওক? আপুনি এজনৰ ওপৰত সেই ভাৰ নিদিয়ে কিয়?"

পঞ্চাননে চকু ঘোপা কৰি মণ্ডললৈ চাই কলে "মণ্ডল বাপা, তুমি মাটি-বাৰী আদিৰ ব্যৱস্থা আৰু আইনতহে গাঁওত ৰজা। শাস্ত্ৰ-সদাচাৰ আদি বিষয়ত তুমি কি বুজাহে? গতিকে নলগা জেওঁাত লাগি কিয় মুখ মেলিছা? মই পঞ্চানন বেদবিদ্যানিধি সমাজপতি......"

কল্যাণে বাহিৰলৈ আহি কেতিয়াবাৰ পৰা কথাবোৰ শুনি আছিল। তাৰো ধৈৰ্য্যৰ সীমা পাৰ হল। সি পঞ্চাননৰ কথাত বাধা দি খঙেৰে কলে "আপোনাৰ অন্যায় আসোঁৱাহ আৰু মিছা

তৰ্কবোৰ শুনি থাকিলে খুৰীদেওৰ শৱৰ সংকাৰ হবনে আতা? যদি মুখাগ্নি কৰাৰ অধিকাৰ আশাৰ নাই তেনেহলে আমি মুখাগ্নি নকৰাকৈয়ে শৱ দাহ কৰিম। চাওঁচোন পোৰে নে নোপোৰাকৈ থাকে।"

চকু ৰঙা কৰি খঙেৰে পঞ্চাননে কলে "হেৰ', অল্প বুদ্ধি মূৰ্খ নাবালক, তই প্ৰবেশিকা পাছ কৰি বৰ পণ্ডিত হলি নেকি যে মোৰ সমুখত মোৰ মুখৰ কথাৰ আগত মাতিবলৈ সাহ কৰিলি? আঁতৰি যা ভালে ভালে, নহলে..."

মণ্ডলৰ খঙেও চুলিৰ আগ পালেগৈ। পঞ্চাননৰ কথাত বাধা দি গাজনি মাৰিলে "নহলে, কি কৰিব খুৰা? তাক গালি পাৰি ভূত কৰিছে কিয়? বিপদে-আপদে কল্যাণক বাদে বামুণী-বৌক কোনে সহায় কৰিছিলহি? কেইদিন আপুনি বামুণীবৌৰ চোতালত ভৰি দিছিলহি, এতিয়া যে জাপমাৰি পৰি কেজাং লগাইছে? বামুনীবৌৱে তাক মাকতো অধিক চেনেহ কৰিছিল। কোনে লৰি গৈ কবিৰাজক মাতি আনিলে? গুৱাহাটীলৈ যাবলৈ যাত্ৰা কৰি ওলায়ো যাব নোৱাৰিলে, ভাত পানী এৰি ইয়াতে লাগি থাকিল, তেনেস্থলত আপুনি তাক যিহকে পায় তাকে কৈ গালি পাৰে কোন সাহেৰে?"

বাকীবিলাক মানুহে মণ্ডলৰ কথাত হয়, হয়, কৰিলে। মনথিৰ মণ্ডল গাঁওৰ মুখিয়াল মানুহ। তেওঁক পঞ্চাননে পেটে পেটে দেখিব নোৱাৰিলেও মুখত কেতিয়াও অখাটিৰ কৰিব নোৱাৰে। বিশেষকৈ মাটিৰ গোলমাল এটাৰ কাৰণে ভয়ো কৰে। মণ্ডলৰ খং দেখি ততালিকে পঞ্চাননৰ সুৰ কোমল হল। সেই

স্বভাৱ তেওঁৰ চিৰকলীয়া। মুখত অলপ হাঁহিৰ ভাও দেখুৱাই কলে "তাক গালি পাৰিম কিয় মণ্ডল বাপা? কল্যাণ মোৰ নাতি; তাৰ লগত ধেমালি কৰি কথা কলো তাতেই তুমি উগ্ৰমূৰ্ত্তি ধৰিব লাগেনে? তুমি জনাবুজা শিক্ষিত মানুহ। কল্যাণ যে আশাৰ মাকৰ লৰাৰ নিচিনা আছিল মই নাজানা বুলি ভাবা নেকি? পিছে এটা কথা, মণ্ডল বাপা, তুমি নিজেই ভাবি চোৱাচোন—মৃতা গৰাকী নৈষ্ঠিক ব্ৰাহ্মণৰ বিধবা। তেওঁৰ শৱ বিধিমতে সংকাৰ হলে নিশ্চয় আত্মাই উৰ্দ্ধগতি পাই মুক্ত হব। মই সেই নিমিত্তেহে চেষ্টা কৰিছো যাতে আত্মাই সদ্গতি পায়। মই কেজাং লগাব খোজা নাই জানিবা।"

মণ্ডলে কলে "আপুনি কথাৰ সলনি কৰি বেলেগ অৰ্থ কৰি দেখুৱাব খুজিছে যদিও উপস্থিত ৰাইজে শুনি আছে নহয় খুৰা আৰু সকলোৱে আচল কথাটো টং কৰি চাইছে। নৈষ্ঠিক ব্ৰাহ্মণৰ বিধবা বুলি আপুনি কব লাগিছেনে? এই অঞ্চলৰ সকলোৱে জানে। কিন্তু খুৰা তেওঁৰ অন্তিমত সহায় কৰা দূৰৰ কথা আপোনাৰ নিচিনা ব্ৰাহ্মণেই আহি বিঘিনি ঘটাবলৈ অপচেষ্টা কৰিছে। গতিকে শূদ্ৰ হলেও হক কথাত আমি নামাতি থাকিম কিয়? শৱৰ নিশ্চয় আমিয়েই সংকাৰ কৰিম আৰু নিৰাশ্ৰয়া আশালতাকো মোৰ ঘৰত আশ্ৰয় দি ৰাখিম। উটি-ভাহি যাবলৈ দিম বুলি ভাবিছে নেকি?"

বেদ-বিদ্যানিধিৰ মনত আৰু ভয় লাগিল। যি উদ্দেশ্যলৈ আহি কন্দলখন পাতিছিল তাৰ বিপৰীত ফল হোৱা দেখি ততালিকে সুৰ আৰু বেছিকৈ নমাই কলে "তুমি মিছাকৈ খং কৰিছা

মণ্ডল বাপা আৰু খণ্ডৰ কোৱত আচৰিত কথা এষাৰ শুনালা। পঞ্চানন বেদ-বিদ্যানিধি মৰা নাই আৰু মই জীয়াই থাকোতে বামুণৰ বিধবা ছোৱালী এজনীক শূদ্ৰৰ ঘৰত আশ্ৰয় দিয়া কথা সম্ভৱ হবই নোৱাৰে। আশালতা আইটীৰ সম্পূৰ্ণ ভাৰ মোৰ ওপৰত আৰু সেই ভাৰ লবলৈয়ে মই উপযাচি আহিছো। তোমালোকে চুবুৰীয়া আৰু মুখৰ আপোন হব পাৰা কিন্তু আশ্ৰয় দিবলৈ অধিকাৰ নাই। নহয় জানো, ৰাইজ সকল ?"

পঞ্চাননৰ কথাত উপস্থিত কোনেও মত প্ৰকাশ নকৰা দেখি সকলোৰে ফালে এবাৰ চাই আকৌ কলে "মই স্থিৰ কৰিছো, কোনোবা সদ্‌ব্ৰাহ্মণে যদি আশা আইৰ ভাৰ লয় লওক, নহলে ময়ে তাইৰ ভাৰ লম বুলি ৰাইজৰ আগত প্ৰতিজ্ঞা কৰিলো। মাকৰ মুখাগ্নি আৰু তেৰাত্ৰীয় প্ৰেতকাৰ্য্য কৰিবলৈও মই বিধি দিলো। পিছে ৰাইজ, এই অন্যায় ব্যৱস্থা দিয়া বাবে মই প্ৰায়শ্চিত্ত হব লাগিব। তাৰ খৰচৰ বাবে পাঁচ টকা মোক গঞাই দিয়ক।"

তেওঁৰ মতলব তেতিয়াহে সকলোৱে বুজি পালে কিন্তু টকা দিবলৈ কেৱে আগ নাবাঢ়িল। তেতিয়া উদাৰ ভাব দেখুৱাই নিজকে নিজে কলে "নিদিলেও ক্ষতি নাই। ছোৱালীজনীক যেতিয়া নিজৰ বুলি ললো তাইৰ মুখ চাই মই সকলো কৰ্ত্তব্য কৰি যাম।"

অধ্যাপক মুক্তাৰাম দেৱে বুজিলে যে পঞ্চাননৰ অন্তৰ্নিহিত গোপন উদ্দেশ্য কিবা এটা আছে ; মুখেৰে তেওঁ একোকে নামাতিলে। বামুণী খুৰীৰ সৎকাৰ কাৰ্য্য হৈ গল।

মণ্ডলৰ ঘৰৰ পৰা সকলো খা-খৰচ বহন কৰি আদ্য শ্ৰাদ্ধাদিৰ

কামো শেষ কৰি দিলে। এসপ্তাহৰ পিছত আশাৰ ওচৰত বিদায়লৈ কল্যাণ গুৱাহাটীলৈ যোৱাৰ সময়ত আশাই এষাৰ কথাও কব নোৱাৰিলে। কেৱল পাৰে মানে কান্দিলে। তাৰ পিছত নিজৰ অনিচ্ছা সত্বেও সেইদিনাই পঞ্চাননৰ ঘৰলৈ যাবলৈ বাধ্য হল।

— দুই —

আশালতা। মাপ-বাপেকৰ একমাত্র সন্তান তাই। বাৰ বছৰ বয়সত ভৰি দিয়াৰ লগে লগে বাপেকে গৌৰী-দান কৰি অক্ষয় পুণ্য আৰ্জ্জি স্বৰ্গলৈ যোৱাৰ বাটটো মুকলি কৰাৰ অভিপ্ৰায় ক'ৰলে। আচলতে কন্যাৰ আঠ বছৰ বয়সত বিয়া দিলেহে গৌৰীদান বোলা হয় কিন্তু বাৰ বছৰৰ ভিতৰত বিয়া দিও বহুতে গৌৰীদান বুলি ভাবি লয়। তেনেকৈ বিয়া দিলে অক্ষয় পুণ্য সঞ্চয় হোৱাৰ উপৰিও পুষ্পিতা হোৱাৰ পূৰ্ব্বে বিয়া দিলে ব্ৰাহ্মণৰ জাতি ৰক্ষা হয়। কেই বছৰমান আগলৈকে এই প্ৰথা নিকপকপিয়াকৈ চলি আহিছিল। তাৰ লৰচৰ নাহৈছিল। সেইমতে আশাৰ বাপেকে বহুত চেষ্টা কৰি গাঁওৰ পৰা কুৰি মাইল নিলগত দৰা ঠিক কৰি বিয়াৰ বন্দবস্ত কৰিছিল। দৰা বেছ স্বাস্থ্যবান আৰু ৰূপে-গুণে বিচক্ষণ। তদুপৰি ঘৰৰ অৱস্থা বৰ ভাল। ইপিনে আশালতাও ৰূপৱতী। ছোৱালী চাই

পছন্দ হোৱাত উভয় পক্ষই আগ্ৰহান্বিত হোৱা বাবে শুভ কাম অতি শীঘ্ৰে সম্পন্ন কৰিবলৈ লৰালৰিকৈ বিয়াৰ দিন-বাৰ ঠিক কৰিলে। বিয়াৰ দিনা যথা সময়ত দৰা পালেহি। আনন্দ-উৎসাহ, ৰং ধেমালিৰ মাজেৰে বিবাহ কাৰ্য্য সমাধা হৈ গল। বিয়াৰ অন্তত দৰা নিজ ঘৰলৈ উভতিল। যিখন মটৰত উঠি দৰাই বিয়া কৰাবলৈ আহিছিল সেইখন মটৰতে উঠি ঘৰলৈ যাত্ৰা কৰাৰ অলপ পিছতে কন্যা আৰু কন্যাৰ বাপেকে সৈতে আন দুজনী তিৰোতা মানুহ আৰু বয় বস্তু লৈ অইন এখন মটৰে যাত্ৰা কৰিলে।

দুৰ্ভাগ্যক্ৰমে মাজ বাটত আলিৰ দলং এখন ভাগি দৰাৰ মটৰ তলত বাগৰি পৰিল। দৰাৰে সৈতে আন দুজন বৰযাত্ৰী থিতাতে মৰিল। কেবাজনৰো হাত-ভৰি ভাগিল। প্ৰায় বিলাকে আঘাত পাইছিল যদিও কোনোমতে আলিৰ ওপৰলৈ উঠি আহিবলৈ সমৰ্থ হল। কইনাৰ মটৰে কেইমিনিটমান পিছতে ঘটনাস্থলত উপস্থিত হ'ল। অভাৱনীয় দুৰ্ঘটনা দেখি কন্যাৰ বাপেকৰ মূৰত বিনামেঘে বজ্ৰপাত হল।

ইপিনে দৰাৰ বাপেকৰ অৱস্থাও অতি শোচনীয়। নিজৰ হাত এখন ভাগিছিল যদিও সিমান ডাঙৰ কথা হয়তো নাছিল কিন্তু চকুৰ আগতে অপঘাতহৈ লৰা ঢুকালত তেওঁ বলিয়াৰ দৰে হৈ পৰিল। সেই সময়তে জীয়েকৰ সৈতে পুৰোহিত আহি পোৱা দেখি তেওঁ দিগ্বিদিক জ্ঞানশূন্য হৈ পাৰেমানে বাপেক-জীয়েকক অশ্লীল ভাষাৰে গালি পাৰি পাৰি শাও দিলে। শাখিনী ছোৱালীৰ বাবেই যে এনেখন দুৰ্ঘটনা ঘটিল তাক বৰযাত্ৰী সকলে ইনাই-

বিনাই কৈ আছিল। পুতেকক মাৰিলে যেতিয়া শাখিনীক আৰু এখোজ আগবাঢ়িব দিলেই ঘৰৰ আটাইখনকে খাই শেষ কৰিব।

পুৰোহিতৰ বাহ্য জ্ঞান লোপ পালে। তেওঁ শিলৰ মূৰ্ত্তি-টোৰ দৰে বহি থাকিল। জীয়েকৰ মুখলৈ চোৱা দূৰৰ কথা মূৰ দাঙিবকে নোৱাৰিলে। বিয়েয়েকৰ সকলো কদৰ্য্য গালি আৰু শাওপাত শুনি মুখেৰে এষাৰো কথা নোলাল। হয়তোবা নুশুনিলেই অথবা শুনিও নীৰবে মূৰপাতিলৈ বহি থাকিল। উভতি কেতিয়া ঘৰ পালেহি কবকে নোৱাৰে। কোনোবাই হাতত ধৰি মটৰৰ পৰা নমাই নিয়াৰ সময়তহে তেওঁ সম্বিত ফিৰাই পাই দুয়ো হাতেৰে মুখ ঢাকি আন্ধাৰ চুকলৈ গৈ বহি থাকিল। মন ভাগি গল। মুখেৰে কথা নোলায়।

সেইদিন ধৰি তেওঁৰ পেটলৈ ভাত-পানী নোযোৱা হল। সদায় অকলশৰে বহি মুখেৰে বিৰ্‌বিৰ্‌কৈ কিবা বকি থাকে। মানুহক মাত বোল নিদিযে। কোনোবাই কিবা সুধিলেও হয়তো কাণত নোসোমায় অথবা কোনো উত্তৰ দিব নোৱাৰি ফেলফেলকৈ চাই থাকে। কেতিয়াবা কিবা উত্তৰ দিব খুজিলেও মাজে মাজে পাহৰি যায়। কেতিয়াবা মানুহ চিনিও নাপায়। এইদৰে অৰ্দ্ধচেতন অৱস্থাত অতি কষ্টেৰে তেওঁৰ দিন যাবলৈ ধৰিলে।

আশালতাই বিয়াখন পুতলা-খেল বুলিয়েই মনতে ভাবি লৈছিল। তাইৰ মনত বিয়াৰ প্ৰভাৱ সমূলি পৰা নাছিল। বিয়াৰ পিছত পিতাকৰ লগত শহুৰেকৰ ঘৰ বুলি যাত্ৰা কৰি গৈ আধা বাটৰ পৰা উভতিবলৈ পোৱাত মনত আনন্দহে পাইছিল। দৰাৰ মৃত্যু স্থানৰ ওচৰত মটৰ বোৱাত দুৰ্ঘটনাৰ সংবাদ পাই।

আৰু মটৰত বহিয়েই নিজ চকুৰে দেখিও তাৰপৰা তাইৰ কি হানি হল তেতিয়া সমূলি উপলব্ধি কৰিব পৰা নাছিল। অৱশ্যে শহুৰেকৰ গালি শুনি আৰু পিতাকৰ নিশ্চল অৱস্থা দেখি কিবা এটা অজানিত আতঙ্কৰ আশঙ্কাত তাই উচুপিছিল। তাৰ পিছত উভতি ঘৰ পোৱাত মাকে যেতিয়া হিয়া ঢাকুৰি কান্দিছিল তেতিয়াই বুজিছিল যে তাইৰ কিবা এটা বৰ ডাঙৰ লোকচান হল। তাই ফুলবাঁৰি হোৱা বুলি তাত উপস্থিত সকলোৱে কোৱাকুই কৰি দুখ কৰা শুনিলে কিন্তু বাপেক-মাক থাকোতে ফুলবাঁৰী হোৱাতনো কিয় ইমান দুখ কৰিবলগীয়া হৈছে সেইকথা সমূলি বুজিব নোৱাৰিলে।

সেই দিনৰ পৰাই আশালতা বিধবা হল। প্ৰচলিত সমাজৰ ঘৰ-সংসাৰ, সুখ-ভোগৰ পৰা অভাৱনীয় ৰূপে, অকালতে আৰু নিজৰ অজানিতে চিটিকি সামাজিক আইনৰ দ্বাৰা নিপীড়িত, সমাজৰ দ্বাৰা অৱহেলিত আৰু অনাদৰণীয় অথচ কঠোৰ নৈতিক আচাৰ-নিয়ম-নিষ্ঠাৰে সুশৃঙ্খলিত বিশেষ শ্ৰেণী এটাত পৰিলগৈ। তথাপি সেইভাব তাইৰ মনত ওপজা দূৰৰ কথা অভাগী বিধবাহে তাইৰ কিবা লোকচান হল বুলি মনত সঁচ বস্তুৱাব নোৱাৰিলে। জ্ঞান হোৱাৰ পূৰ্বৰ পৰাই নিজৰ ঘৰতকৈ তাই কল্যাণহতৰ ঘৰতহে বেছি সময় কটাইছিল। কল্যাণ আৰু তাৰ ভায়েক-ভণীয়েক হঁতেই নিজৰ ভায়েক-ভণীয়েক-ককায়েক বুলি ধৰি লৈছিল। একেলগে উমলিছিল, খোৱা-বোৱা কৰিছিল, কল্যাণৰ মাকৰ কোলাত বহি সাধুকথা শুনি কেতিয়াবা কেতিয়াবা টোপনি গৈছিল। কল্যাণৰ মাক-বাপেকেও তাইক নিজৰ ছোৱালীৰ

দৰে মৰম কৰিছিল। আশালতাই মাজ বাটৰ পৰা উভতি ঘৰলৈ আহিবলৈ পাই ভাবিছিল যে তাইক কোনোবাই ক'ৰবালৈ —বস্তুত দূৰলৈ, লৈ যাব খুজিছিল কিন্তু নিব নোৱাৰিলে। এতিয়াও তাই আগৰ দৰেই ৰং-ধেমালিৰে চলি থাকিব পাৰিব। কল্যাণ আৰু ভায়েক-ভণীয়েকহঁত আছে যেতিয়া চিন্তা কিহৰ ?

আগলৈ চালে পাছলৈ নাই। মাক-বাপেকৰ চেনেহৰ পুতলা. নয়নৰ মণি, একমাত্ৰ জীয়েক চিৰসুখী হ'ব বুলি আশা কৰি উপযুক্ত ঘৰ-বৰ চাই পাত্ৰস্থ কৰি অভাৱনীয়ৰূপে ফলা বিপৰীত ফলৰ দুৰ্ব্বহ আঘাতে পুৰোহিতৰ অন্তৰ দেই-পুৰি ছাই কৰিলে। মন ভাগি পৰিল। তেওঁৰ কোমল হিয়াত যি ঘাঁ হ'ল সি আৰু দুশুকাল। সময়ে সকলো পাহৰায় বুলি মানুহে কয় কিন্তু তেওঁ দুখৰ কথা পাহৰিব নোৱাৰিলে। দুৰ্ঘটনাৰ ছবিখন সকলো সময়তে তেওঁৰ চকুৰ আগতে ভাহি যেন থাকিবলৈ ধৰিলে। ঘৈণীয়েকৰ বৃজনি আৰু কাবৌ-কোকালিত তেওঁ ভাতৰ পাতত বহেগৈ কিন্তু মুখত ভাত সুৰুচে; খাব নোৱাৰে। দিনক দিনে তেওঁ ক্ষীণাই শুকাই যাবলৈ ধৰিলে। কৰ্ত্তব্য হিচাবে সকলো কাম কৰিব খোজে যদিও আগৰ নিচিনাকৈ মনোযোগ দিব নোৱাৰে। তেওঁৰ অন্তৰত কি প্ৰচণ্ড ধুমুহাৰ তাণ্ডৱ নৃত্য দিনে-নিশাই চলিব লাগিছে আনে বাহিৰৰ পৰা তাক বুজিবৰ সাধ্য নাই। তেওঁৰ চেহেৰা দেখি সকলোৱে কিবা ৰোগ হোৱা বুলিয়েই ভাবিলে আৰু নানা সজ পৰামৰ্শ দি বহুতে উপযাচি সাহায্য কৰিবলৈও ওলাল কিন্তু তেওঁৰ পৰা কোনো উত্তৰ নাপাই সা-সহায়ৰ থল নাপালে।

মৃত আৰু জীৱন্মৃতৰ ভিতৰত উপকৰা দৃষ্টিত প্ৰথম বিধ বেছি ভয়ঙ্কৰ আৰু ক্ষতিকৰ যদিও সেইটোৱে জগতৰ সনাতন নিয়ম আৰু একমাত্ৰ সত্য। সময়ে মৃত্যুৰ শোক সহ্য কৰিব পৰা কৰে আৰু বহুত ক্ষেত্ৰত তাৰ দ সাঁচ ক্ৰমে মচখাই যায় কিন্তু দ্বিতীয়বিধ মৃত্যুতকৈ ভাষণতৰ। তাৰ সাঁচ মচখাব নোৱাৰে। দুখুনী জীয়েকক সদায় সমুখতে দেখি তেওঁৰ পুৰণি ক্ষতৰ ওপৰতে খোচ লাগি ঘাডোখৰ নতুনকৈ ৰাহে হৈ পৰে। আশ্মলতাৰ প্ৰতি কৰা সুখ আশাৰ কল্পনা কাল-পছোৱাৰ প্ৰতিকূল কোবে উলট-পালট কৰি দি পুৰোহিতৰ মনত জ্বলন্ত বিভীষিকাৰ সৃষ্টি কৰিলে। চকুৰ আগতে দিনে নিশাই জীয়েকৰ এই জীৱন্মৃত অৱস্থা দেখি কোন হৃদয়বান বাপেকে শান্ত মনেৰে থাকিব পাৰে?

অভাগিনী আশালতাৰ কপালত জুইলগাৰ পৰা এবছৰৰ পিছত ঘৈণীয়েক আৰু জীয়েকক কন্দুৱাই, বন্ধু-বান্ধৱ, যজমান সকলক দুখৰ সমভাগী কৰি থৈ হঠাতে এদিন পুৰোহিতৰ হৃদ-যন্ত্ৰৰ ক্ৰিয়া বন্ধহৈ মৃত্যু হল তেওঁৰ মৃত্যুত ঘৈণীয়েকৰ মন ভাঙি পৰিল। আশাৰ দুৰ্ভাগ্যৰ আঘাতত গিৰিয়েকক সান্ত্বনা দিবলৈ মুখত যিকণ ধৈৰ্য্য অতি কষ্টেৰে ৰাখিছিল সেইকণো নোহোৱা হল। ওপৰাউপৰিকৈ পোৱা দুটা আঘাতে আউসীৰ ঘোৰ আন্ধাৰৰ মাজত তেওঁক বুৰাই দিলে। কেনিও অলপো পোহৰৰ ৰেঙনি নেদেখা হল। একমাত্ৰ চকুলোৱে তেওঁৰ সমল হল। তাৰ বাহিৰে আৰু একো নাই। মণ্ডল-মণ্ডলনী আৰু গাঁওৰ মানুহে উপযাচি কৰা সাহায্য আদিৰ নিমিত্তে জীয়েকৰ সৈতে তেওঁৰ খোৱা পিন্ধা আদি কোনো বিষয়তে চিন্তা নাছিল সঁচা

কিন্তু দপদপ্ কৰে জ্বলি থকা মনৰ জুই কুৰাতো কোনেও নুমাই দিব নোৱাৰে। সেই শক্তি সামৰ্থ্য কাৰো নাই। মণ্ডল-মণ্ডলনীৰ প্ৰবোধ পাই আৰু আশাৰ কোমল মুখখনিলৈ চাই দিনত কেৱল হা-হুমুনিয়াহ পেলাই কোনোমতে চকুপানী ৰোধ কৰি থাকে আৰু ওৰে ৰাতি চকুপানীৰে নৈ বোৱাই দুশ্চিন্তাৰ অকূল সাগৰত ভাহি থাকে। গিৰিয়েক মৰাৰ পিছত এইদৰে আজি এবছৰ ধৰি কোনোমতে জীৱটো ধৰি আছিল।

কেতিয়াবাৰ পৰাই তলে তলে ৰোগত ভুগি আছিল যদিও প্ৰথমে তাক নিজেই জনা নাছিল। আজি এমাহমানৰ পৰা নানান উপসৰ্গই হেচি ধৰিছিল যদিও কাৰো আগত সেইকথা প্ৰকাশ নকৰি তেওঁ দৈনন্দিন কামবোৰ সমাধা কৰি আছিল। কিন্তু জুইক কাপোৰেৰে ঢাকি ৰাখিব নোৱাৰাৰ নিচিনাকৈ ৰোগক অখাটিৰ কৰি তল পেলাই ৰাখিব নোৱাৰি। সেইদিনা ৰাতিৰ পৰা ৰোগে উকদি উগ্ৰমূৰ্ত্তি ধৰিলে। পিছদিনা পুৱা আশালতাক অকূল সাগৰত পেলাই থৈ তেওঁকো মহাকালে নিজৰ বুকুত সামৰি ললে।

মাকৰ মৃত্যুত আশালতা সমূলি নিঠৰুৱা হল। তাইৰ পেটে পেটে দৃঢ় বিশ্বাস আছিল যে মণ্ডল খুৰাক আৰু মণ্ডলনী খুৰীয়েকে কেতিয়াও তাইক নিৰাশ্ৰয় নকৰে। তদুপৰি তাইৰ কেল্যাণ দাদাক আছে যাক তাই পৰ বুলি সপোনতো ভাবি নাৱাৰে। গতিকে কল্যাণ বৰ্ত্তমানে তাইৰ কোনো চিন্তাই নাই। এই ভাব তাইৰ মনত সুদৃঢ় ভাৱেই বদ্ধমূল হৈ আছিল···কিন্তু সমাজপতি পঞ্চাননে হঠাতে জাপমাৰি ওলাই সকলো ওলট-পালট কৰি দিলে।

আশালতাক পঞ্চাননে জোৰ কৰি নিজৰ ঘৰলৈ লৈ গল। তেওঁৰ সেই কামত কোনেও বাধা দিব নোৱাৰিলে। গঞাৰ যি শ্ৰেণীয়ে তাইক আশ্ৰয় দিব পাৰিলেহেঁতেন তেওঁলোকে গলগ্ৰহ এটাহে হব বুলি ভাবি নিমাতহৈ থাকিল আৰু আনটো শ্ৰেণীয়েতো আশ্ৰয় যচাৰ প্ৰশ্নই নুঠে। একমাত্ৰ মনথিৰ মণ্ডলে বৰ চেষ্টা কৰিছিল যাতে মাউৰী আশালতাক নিজৰ সন্তানৰ দৰে ৰাখি তাইক পিতৃ-মাতৃ-স্বামী বিয়োগৰ দুখ-কষ্ট আৰু শোক-তাপ আদি পাহৰাই ৰাখিব পাৰে। আশালতায়ো স্পষ্টকৈ জনাই দিছিল যে তাই পঞ্চাননৰ ঘৰলৈ কেতিয়াও নাযায়। কিন্তু কলে কি হব, তাই যে অসহায়া নাবালিকা। তাইৰ হকে কোনে উদ্ধত পঞ্চানন মৈল্কিৰ লগত কাজিয়া কৰিবলৈ যাব? গাঁওৰ বেছি ভাগেই মনথিৰ মণ্ডলক মানে আৰু তেওঁৰ কথাত মুখেৰে হয়, হয়, কৰে কিন্তু পঞ্চাননৰ আগত মুখ ফুটাই মাতিবলৈ সাহস নকৰে। গতিকে অকলে মণ্ডলে চেষ্টা কৰিও কৃতকাৰ্য্য নহল।

আৰু চেষ্টা কৰিছিল কল্যাণে। পঞ্চাননৰ অভিপ্ৰায় জনাৰ দিনাখনৰ পৰাই কল্যাণে গাঁওৰ প্ৰায সকলোবিলাক মানুহৰ ঘৰে ঘৰে গৈ খাটিছিল যাতে আশালতাক তাৰ মাকৰ আশ্ৰয়ত ৰাখি সুখ-শান্তিৰে চিৰকাল থাকিবলৈ সুবন্দবস্ত কৰি দিব পাৰে। তাৰ কথাত সকালোৱে সম্মতি জনাইছিল যদিও কামত একোকে নকৰিলে। সমাজত উপস্থিত হৈ কাৰো মুখৰ পৰা এষাৰো মাত নোলাল। অহো পুৰুষাৰ্থ কৰিও সি কোনো সুবিধা কৰিব নোৱাৰিলে। তাক সকলোৱে ভাল পায়, মৰম কৰে কিন্তু তাৰ নিচিনা কম বয়সীয়া তৰুণ এজনৰ মতে চলি কোনেও সমাজপতিৰ

ৰোষাগ্নিত পৰিবলৈ সাহস নকৰে। তাৰ সকলো চেষ্টা অথলে যোৱা দেখি সমাজখনৰ ওপৰত বিৰূপ ভাব এটা মনত সাঁচি লৈ কল্যাণ গুৱাহাটীলৈ গল।

আশালতাই আজি দুবছৰে মাকৰ ব্যৱস্থামতে বিধবাৰ ধৰ্ম্ম পালন কৰাৰ বাবে কেৱল মাছ-মাংসহে বাদ দিছিল তাৰ বাহিৰে আনবোৰ খাদ্য আৰু খোৱা বোৱা সময়ৰ কোনো বাছ-বিচাৰ কৰি চলা নাছিল কিন্তু পঞ্চাননৰ ঘৰলৈ অহা দিনধৰি তাইক তেওঁ ধৰাবন্ধা নিয়মত চলিবলৈ বাধ্য কৰিলে। তেওঁ তাইক ওচৰলৈ মাতি আনি ভালকৈ লগোৱা মাতেৰে কলে "শুনিছ আই আশালতা, তই নিষ্ঠাবান ব্ৰাহ্মণৰ কন্যা আৰু বামুণৰ বিধবা। এতেকে বৈধব্য ধৰ্ম্ম ঠিক মতে পালন কৰিব লাগিব। তেতিয়াহে স্বৰ্গবাসী হব পাৰিবি নিয়মমতে দিনৰ দিনটো লঘোনে থাকি গধূলি হবিষ্যান্ন ভক্ষণ কৰাহে বিধি। তদুপৰি নিৰ্জলা আঁউসী-একাদশী পালন কৰিবই লাগিব। মূৰৰ ওপৰত কৃচ্ছ সাধন কৰিব লাগে। পিছে, তোৰ কোমল মুখখনিলৈ চাই দুবেলা দুসাজ নিৰামিষান্ন ভোজন কৰিবলৈ বিধি দিলো। তদুপৰি পৰ্ব্ব-একাদশী আদি ব্ৰতৰ দিনত আবেলি কেচা-পকা ফলমূল কিবা পালে সামান্য ভাবে মুখত দিবলৈও অনুমতি দিলো।"

কথাষাৰ শুনি আশালতাৰ চকু চলচলীয়া হল। তাই তলমূৰকৈ অসহায় ভাবে থাকিল। ভৰিৰ বুঢ়া আঙুলিৰে মাটি খুচৰিবলৈ ধৰিলে। অলপ সময় সেইদৰে থাকি তাই ভয়ে ভয়ে কলে "কিন্তু জেঠাদেও, পিতাই কৈছিল যে কেৱল নিৰামিষ ভোজন কৰিবহে লাগে। তাৰ বাহিৰে খোৱাৰ কোনো ধৰাবন্ধা নিয়ম

নাই। জা-জলপান আদি খোৱাত কোনো বাধা নাই! বয়স হলে অঁাউসী-একাদশী আদি পালন কৰিব লাগিব বুলি কৈছিল অৱশ্যে।"

পঞ্চাননে কাঠ-হাঁহি এটা মাৰি কলে "হেৰ' আই, তোৰ পিতাৰতো এজন যাজনকাৰ্য্য কৰা পুৰোহিত বামুণহে আছিল। সি নো শাস্ত্ৰৰ বিষয়ে কি জানিছিল? কেইখনমান্ যজুৰ্ব্বেদীয় পূজাপদ্ধতি, তৰ্পণবিধি, শ্ৰাদ্ধদৰ্পন আদিৰ বাদে অইন কিবা শ্ৰাস্ত্ৰ চকুৰে দেখিছিলনে? বেদাদি শাস্ত্ৰ সমূহ সি পাঠকৰা দূৰৰ কথা চকুৰেও দেখা নাছিল বুলি মই ভালকৈ জানো।"

পঞ্চাননৰ অসত্য কথা শুনি আশালতাৰ মুখখন আৰু ক'লা পৰিল। মনটোৱে বিদ্ৰোহ কৰি উঠিল। তাই ভালকৈ জানে যে পিতাক স্মৃতি-তীৰ্থ উপাধি পোৱা এজন পণ্ডিত আছিল। সেই কথা পিতাকে তাইক কেবাদিনো কৈছিল। তেওঁৰ বহুত বিলাক গ্ৰন্থও ঘৰত আছিল। সেইবিলাকৰ নাম আশাই ভালকৈ নাজানে যদিও সকলোবোৰ যে ধৰ্ম্মশাস্ত্ৰ তাই তাক ভালকৈ জানে। পিতাক মৰাৰ পিছত সেই গ্ৰন্থসমূহ মাকে ঘৰত নাৰাখি মণ্ডলৰ ঘৰত থৈ দিয়াৰ সময়ত কল্যাণৰ সৈতে তায়ো তাৰে কিছুমান কঢ়িয়াই নিছিল। অলপ গৰ্ব্ব ভাৱেৰে তাই কলে "নহয় জেঠাদেও, আপুনি নাজানে। আমাৰ পিতাৰ বহুত শাস্ত্ৰ আছিল—ব-হু-ত। সেই বিলাক মাজে মাজে পঢ়িছিল আৰু তাৰপৰা মোকো বহুতবোৰ কথা শিকাইছিল। পিতা স্মৃতি-তীৰ্থ পণ্ডিত আছিল…"

পঞ্চাননে অইনক বিদ্বান বুলি স্বীকাৰ কৰিবলৈ ভাল নাপায়। হোৱাই নোহোৱাই অইনৰ পাণ্ডিত্যৰ ওপৰত অৱজ্ঞা ভাব দেখুৱাই

মানুহৰ আগত বদনাম গাই নিজকে ডাঙৰ পণ্ডিত বুলি জাহিৰ কৰি ফুৰে। আশালতাৰ কথাই পঞ্চাননৰ বুকুত আঘাত কৰিলে। তাইৰ কথাত বাধা দি হুটা মাতেৰে তেওঁ কলে "থ' হেৰ' ছোৱালী, তাৰ পণ্ডিতালিৰ কথা মোক নুশুনাবি। সি কিমান পানীৰ মাছ আছিল মই ভালকৈ জানো। পণ্ডিত আছিল নে অধামূৰ্খ আছিল মই নজনা বুলি ভাবিছ হবলা? শাস্ত্ৰৰ একোকে নাজানি-নুবুজি জনাৰ ভাও ধৰি মানুহক ঠগাই ফুৰাটো মহাপাপ। নহলেনো তাৰ এনেকুৱা ভাগ্য-বিপৰ্য্যয় ঘটিলহেঁতেন নে? জীৱনত পুত্ৰমুখ নেদেখিলে তাৰবাবে তো ... থাওক বাৰু। একমাত্ৰ ছোৱালী বিয়াৰ দিনাই ফুলবঁাৰী হল। তদুপৰি নিজে অকালতে তিৰোতা আৰু জীয়েকক নিঠৰুৱা কৰি এৰি থৈ গল। এইবোৰ শাস্ত্ৰজ্ঞ আৰু ধাৰ্ম্মিক পণ্ডিতৰ লক্ষণ নেকি? যি নহওক তাৰ কথা এৰিলো বাৰু। এতিয়া কও শুন, মই তোক মৰমতে অনুগ্ৰহ কৰি আশ্ৰয় দিছো কিন্তু ব্যভিচাৰত চলিবলৈ প্ৰশ্ৰয় দি মহাপাতকত পৰিব নোৱাৰো। মই দিয়া বিধি মানি সকলো নিয়ম পালন কৰি চলিবই লাগিব ...।"

পঞ্চাননৰ প্ৰত্যেকটো অসত্য আৰু বিদ্বেষপূৰ্ণ নিৰ্ম্মম-নিষ্ঠুৰ তীক্ষ্ণ বাক্যবাণে আশাৰ মৰ্ম্মস্থানত অসহ্য আঘাত হানিলে। এই নিদাৰুণ কথাৰ প্ৰতিবাদ কৰিবলৈ তাইৰ সম্বল আৰু ইচ্ছাও আছিল কিন্তু সাহস বা শক্তিয়ে নুকুলালে। তৎকালে নিন্দুক মিথ্যাবাদী মানুহজনৰ প্ৰতি ঘৃণা আৰু দাৰুণ ক্ৰোধ উপজি অগ্নিবৰ্ষী দৃষ্টিৰে পঞ্চাননৰ মুখলৈ চালে কিন্তু তেওঁ তলমূৰ কৰি নিৰ্ব্বিকাৰ ভাবেৰে চিলিমত ফুঁৱাব লাগিছে। অসহায় আশাৰ চকুত পানী

ওলাল। একেচাবেই গৈ ঘৰৰ আন্ধাৰ চুকত সোমাই পাৰেমানে কান্দিবলৈ ধৰিলে।

পঞ্চাননে ইচ্ছা কৰিয়ে চিলিমত ফুৱাইছিল। কিয়নো তেওঁ যেতিয়া কদৰ্য্য বাক্যবাণেৰে কোনোবাক অন্যায় আক্ৰমণ কৰে অথবা মেলত কাৰোবাৰ বিৰুদ্ধে অন্যায় ৰায় দিয়ে তেতিয়া সেই মানুহজনৰ মুখলৈ নাচায়, যদি কেনেবাকৈ মনটো কুমলি কথাবোৰ পাতলহৈ পৰে, এই ভয়ত। আশা আতৰি যাবলৈ ধৰাত তেওঁ মূৰ দাঙি তাই যোৱাৰ ফাললৈ চাই থাকিল। দাঁত কামুৰি মূৰ দুপিয়ালে ? তাৰপিছত হোকাটো জোৰেৰে হুপিবলৈ ধৰিলে।

তাৰ পিছদিনাৰ পৰা আশালতাৰ কৰ্ত্তব্য বাঢ়িল। ৰাতিপুৱা আন্ধাৰে পোহৰে উঠি চোতাল সৰাৰ পৰা আৰম্ভ কৰি বাহীবন-বোৰ শেষ কৰা, ঘৰ মচা, গোবৰ পেলোৱা আদি সকলো কাম শেষ কৰি গা-পা ধুই বেদ-বিদ্যানিধিৰ গোসাঁইঘৰটো মচিব লাগিব। তাৰ পিছত গোসাঁই পূজাৰ বাচন আদি ধুই ঠিক কৰি থব লাগিব। তাৰ পিছত পানী তপতাই পঞ্চাননক চাহ কৰি খুৱাব লাগিব। তামোল কাটি দি সময়ত ধপাত চিলিমো যোগাব লাগিব। পুৱাৰ সাজ খাইবৈ পঞ্চাননে গাঁও ফুৰিবলৈ ওলাই যায়।

তাৰ পিছত বাত-বিষত পঙ্গুহৈ পৰি থকা পঞ্চাননৰ ঘৈণীয়েকক শুশ্ৰূষা কৰি, গা ধুবলৈ পানী তপতাই দি উঠি ৰন্ধাবঢ়াৰ বস্তু-বাহানি যোগাৰ কৰি ভাত ৰান্ধিব লাগে। বেলা ভাটী দিলেহে বিদ্যানিধি গাঁও ফুৰি উলটি ঘৰলৈ আহে। তেওঁ খোৱাবোৱা কৰি উঠিলে ধপাত-তামোল যোগাই ঘৈণীয়েকক ভাত খুৱাব লাগে। তাৰ পিছত চুৱা বাচনবোৰ ধুই, ঠাই অতাই গা ধুই

আহি নিজৰ বাবে এমুঠি চাউল সিজাই কেতিয়াবা এটা আলুগুটি ভাতত দি অথবা আলু নাথাকিলে শুদা লোণ-তেলেৰে পঞ্চাননৰ ঘৰৰ পঞ্চামৃত বুলি ভাবি এমুঠি গিলি উঠে মানে আবেলি তিনি-চাৰি মান বাজে। তাৰ পিছত পঞ্চাননক আবেলিৰ চাহ্-তামোল-ধপাত যোগাই ঘৰ-চোতাল সাৰি ৰাতিৰ বাবে পানী-তুনি, খৰি-খেৰ যোগাৰ কৰি আনি থৈ লেম-চাকিত তেল ভৰাই আহৰিহৈ গাইজনী বান্ধি উঠে মানে সাজ লাগে। লেম-চাকি জ্বলাই গা ধুই ৰাতিৰ সাজ ৰান্ধিবলৈ যায়। ইয়াৰ মাজতে পঞ্চাননৰ সৈণীয়েকৰ আলপৈচান ধৰা কামো তাইৰ ওপৰত। গতিকে জিৰণি লোৱাৰ কথা তাই ভাবিবও নোৱাৰে। ভাগৰ লাগিলে বহি বা কামত অৱহেলা কৰি সময় নষ্ট কৰিবও নোৱাৰে। কিযনো কাম তাইৰ হাত দুখনেৰে শেষ কৰিবই লাগিব।

ৰাতিৰ সাজতো একেই নিয়ম। দাইল বেদ-বিদ্যানিধিয়ে কোনো দিনে কিনি নাখায়! মাটিমাহ আৰু কলামাহ খেতিয়ক সকলক খুজি-মাগি বতৰতে আনি ঘৰত জমা কৰি ৰাখে। তাকেই সৰতে ভাতত পিহি দাইল কৰিব লাগে। এতিয়াৰ পৰা সেই ভাৰো আশাৰ মূৰতে পৰিল। আশালতাই ৰাতিৰ সাজ ৰান্ধিবাঢ়ি খুৱাই নিশাৰ কাম শেষ কৰি গা ধুই নিজৰ বাবে এমুঠি শুদা চাউল সিজাবলৈ দোভাগ ৰাতিৰ আগেয়ে কেতিয়াও সময় নাপায়। তেতিয়া ওচৰ চুবুৰীয়াবিলাকে হয়তো এঘুমটি মাৰি সাৰ পায়। ভাত আঞ্জা সোনকালে ৰন্ধা হলেও পঞ্চাননে গাঁওৰ ইঘৰ-সিঘৰত পৰচৰ্চ্চা কৰি ভাং-ধপাত-তামোলৰ শৰাধ কৰি পাতল কথা চোবাই, ঘৰলৈ উভতি আহেমানে নিশা বহুত হয়। ভাত-

আঞ্জাৰ চরু ৰখি আশালতাই বহি টোপনিয়াই থাকে। ধুতিগাৰে তাইৰ বিছনা চুব নোৱাৰে। আনপিনে, আমিষ ভাত ৰন্ধা চরুত ভাত ৰান্ধি নিজৰ নিৰামিষৰ চাউল সিজাব নোৱাৰে। সেয়ে পঞ্চানন বেদ-বিদ্যানিধিৰ বিধি। এতেকে তেওঁক আৰু ?ঘৃণীয়েকক খুৱাই-বুৱাই সকলো কাম শেষ কৰি যিমান ৰাতিয়েই নহওক গা ধুবই লাগিব। তেতিয়া আৰু দাইল সিজাই এঘণ্টা পলম কৰিবলৈ ভাগৰুৱা শৰীৰত অকণো উৎসাহ নাথাকে। অইন আঞ্জা ৰান্ধিবলৈ উপকৰণকে বা পাব ক'ত? কথা-ছলাহী পঞ্চানন বৰমেল্‌কিয়ে বাহিৰতহে বৰ মানুহ বোলাই ফুৰে কিন্তু ঘৰ-গৃহস্থীত ভিখাৰীতকৈও অধম। শাক-পাচলি আদি দূৰৰ কথা আলু-কচুও তেওঁৰ ঘৰত সদায় নাথাকে। ইপিনে হাৰ-ভগা পৰিশ্ৰমৰ অন্তত বেচেৰী আশালতাৰ পেটেও কলমলাই থাকে। তদুপৰি লঘোনে থাকিলে তাৰ পিছদিনা আবেলিলৈকেতো পেটত পানী এটোপাও পৰাৰ উপায় নাই, অথচ পঞ্চাননৰ ঘৰৰ যাবতীয় কাম তাইৰ হাত দুখনেৰে শেষ কৰিবই লাগিব। এতেকে শুদা লোণ-তেলেৰে যি পাৰে দুই এগৰাহ গিলি শুই থকাৰ বাহিৰে তাইৰ আন উপায় নাই।

পঞ্চাননৰ ঘৰলৈ অহাৰ পিছদিনাৰ পৰাই তেওঁৰ বিধিমতে দুখুনী আশালতাৰ কেউপিনেৰে কৃচ্ছসাধন ভালকৈ কামত পৰিণত হবলৈ ধৰিলে। সাদিন মানতে তাইৰ ধুনীয়া মৰম লগা চেহেৰা শুকাই গল। সতেজ শৰীৰটো শেতা পৰিল। গালৰ হাড় ওখহৈ উঠিল। চকু গাতত সোমাল। মুখৰ কমনিয়তা লোপ পালে। মুখ শুকাই টেমী যেন হল।

পিতাকে আশালতাক সৰুৰে পৰা বৰ যত্নেৰে লেখাপঢ়া শিকাইছিল। পিতাকে ভাটৌ পঢ়োৱাদি শিকোৱাৰ গুণতেই আৰু লগতে নিজৰ তীক্ষ্ণ বুদ্ধিৰ বাবে তাই মাত্ৰ বাৰ বছৰ বয়সতে মাইনৰ পাছ কৰিব পাৰিছিল। তাইৰ সমান বয়সৰ ছোৱালীয়ে তেতিয়াহে প্ৰাইমাৰী পাছ কৰিছিল। মাইনৰ পাছ কৰি উঠাৰ পিছত পঢ়িবলৈ সেই গাঁওত কোনো সুবিধা নথকাৰ বাবে আৰু পিতাকে ছোৱালীক উচ্চ ইংৰাজী শিক্ষা দিয়াত অপক্ষপাতী বাবেও তাইৰ স্কুলত পঢ়া সিমানতে শেষ হৈছিল সঁচা কিন্তু পিতাকে বৰ আগ্ৰহেৰে তাইক ঘৰতে যিমানখিনি সময় পাৰে সংস্কৃত শিকাইছিল। তদুপৰি উপদেশ দিছিল যে তাই জীৱনত যেন সংস্কৃত অধ্যয়ন আন কৰ্ত্তব্যৰ দৰে কৰি থাকিবলৈ কেতিয়াও নেৰে। সেই উদ্দেশ্যৰে ব্যাকৰণ, কাব্য, সংহিতা, উপনিষদ আদি নানান ধৰণৰ কেবাখনো পুথি সংগ্ৰহ কৰি আনি তাইক দিছিল। পিতাকৰ অকাল বিয়োগৰ পাছৰ বছৰটো আশাই সেই উপদেশ মতে সদায় অধ্যয়ণৰতাহৈ চলিছিল। পিছে বৰ্ত্তমান অৱস্থাত অধ্যয়ন কৰা দূৰৰ কথা পঢ়াৰ কথা ভাবিবলৈও তাই সময় নাপায়। পঞ্চাননৰ ঘৰলৈ আহিবৰ সময়ত বান্ধি অনা পুথিবিলাকৰ টোপোলাটো মেলি চাবলৈকেও সময় পোৱা নাই।

মাউৰী অসহায়ী আশালতাৰ গৃহস্থীৰ বাচনবৰ্ত্তন আদি আন যিমানবোৰ বস্তু বাহানি আছিল সেই আটাইবোৰ বস্তু আনি পঞ্চাননে নিজে শোৱা ঘাইঘৰত সুমাইছে আৰু সেইদিন ধৰি নিজৰ সম্পত্তিবোৰৰ ওপৰত দাবী কৰিবলৈ তাইৰ স্বত্বও নোহোৱাহৈ পৰিছে। কেৱল তাইৰ চাউলমুঠি সিজাই খাবলৈ

এটা অকণমান পিতলৰ টৌ, এখন কৰচ (হেতা) আৰু এযোৰ কাঁহী-বাঁটিহে পঞ্চাননে তাইক দিছে। আৰু দিছে পানীখাবলৈ এটা লোটা। সেই পিনেৰেও তাইৰ কৃচ্ছ্রসাধন অর্থাৎ মান-মোহ-অহংকাৰ নাশ কৰিছে। পঞ্চাননৰ মতে বেছি সা-সম্পত্তি আৰু ভাল ঘৰে সৈতে আৱশ্যকতকৈ বেছি ব্যৱহার্য্য বস্তু চকুৰ আগত থাকিলেও মনলৈ মান-মোহ-অহংকাৰ আহে। তেতিয়া মনৰ কৃচ্ছ্রসাধন নহয়! এয়ে বেদৰ বিধি। এতেকে বিধবা আশালতাৰ ধৰ্ম্ম ৰক্ষাৰ বাবে এইটোৱেই প্রধান কর্ত্তব্য আৰু সেইবাবেই বেদ-বিদ্যানিধিৰ এয়া সুব্যৱস্থা।

ভাল ভাল কাপোৰ-কানি আৰু আ-অলঙ্কাৰেৰে সৈতে ট্রাঙ্কটো মাক থকাতেই মণ্ডলৰ ঘৰত নিৰাপদে ৰাখিবলৈ থৈ দিছিল আৰু মাকৰ মৃত্যুৰ পিছত নিত্য ব্যৱহার্য্য বাচনবর্ত্তন আদি ৰাখি প্রায় ভাগ বস্তু ডাঙৰ কাঠৰ পেৰা এটাত ভৰাই কল্যাণৰ সৈতে বুদ্ধি কৰি কল্যাণৰ মাকৰ হাতত গটাই দিছিল। সেইবোৰ সম্পত্তিৰ কথা পঞ্চাননে একোকে নাজানে। তেওঁ অৱশ্যে কিবা এটা সন্দেহ কৰি আন সম্পত্তি আছিল নে নাই আৰু সেইবোৰৰ কি হল বুলি কেবাদিনো আশাক সুধিছিল। তাৰ উত্তৰত মণ্ডলনীয়ে শিকাই দিয়া মতে তাই উত্তৰ দিছিল যে মাকে কি কৰিছে তাই কব নোৱাৰে। তাইৰ উত্তৰত পঞ্চাননৰ মনৰ সন্দেহ নুগুছিল। তেওঁ ভৱিষ্যতে সেই ৰহস্য জানিবলৈ আশা কৰি থাকিল।

আশালতা সমাজপতিৰ ঘৰলৈ আহিবৰ সময়ত মণ্ডলনীয়ে তাইক বাৰে বাৰে কৈ পঠিয়াইছিল যে তাই যেন নিতৌ আবেলি এবাৰকৈ গৈ মণ্ডলনীৰ ঘৰত জা-জলপান খাই কথা-বার্ত্তা পাতি

আহে। যাব বুলি তাই কথা দিও আহিছিল। এতিয়াও তাই সদায় যাবলৈ হেঁপাহ কৰে, মনটোৱে উত্ৰাৱলহৈ সকলো সময়তে লৰি যাব খোজে কিন্তু কামৰ হেচাত সম্ভৱ হৈ নুঠে। নিতৌ স্থিৰ কৰে, কালিলৈ—যেনেতেনে যাব। এইদৰে দহদিন ঘোৰাৰ পিছত সেইদিনা আবেলি পৰত কল্যাণৰ মাকৰ ওচৰলৈ গল। প্ৰথমে নিজৰ ঘৰটো দেখি তাইৰ ধাৰাষাৰে চকুৰ পানী ববলৈ ধৰিলে। মণ্ডলনীয়ে দূৰৈৰ পৰা আশালতাক দেখি আগবাঢ়ি আহি সাৰটি ধৰি আদৰি নিলেহি। তাইৰ অৱস্থা দেখি তেওঁৰো চকু পানী ওলাল। আশাক কোলাত বহুৱাইলৈ পাৰেমানে কান্দিলে। বহু পৰলৈ কাৰো মুখত কোনো কথা নোলাল। শোকৰ অৱস্থাটো অলপ শাম কটাত আশালতাই তাইৰ সকলো দুৰৱস্থাৰ কথা বিস্তাৰিত ভাবে বৰ্ণাই গল। চকুৰ পানী মচি মচি মণ্ডলনীয়ে তাইক চেনেহৰে নানান প্ৰবোধ দিলে। তাৰ পিছত কলে যে গিৰিয়েকৰ সৈতে আলোচনা কৰি কিবা এটা সুব্যৱস্থা যেনেতেনে কৰিব।

কল্যাণৰ মাকে তাইক ভালকৈ জা-জলপান খুৱাই বুদ্ধি-পৰামৰ্শ দিলে। তাৰ পিছত নিতৌ এবাৰ আহি জলপান খাই যাবলৈ বাৰে বাৰে অনুৰোধ কৰিলে। মাকতকৈও আশালতাই মণ্ডলনীক বেছি ভাল পাইছিল। তেওঁক এৰি আশালতাই কলৈকো যাবই নুখুজিছিল কিন্তু জোৰ কৰি পঞ্চাননে নি দুখৰ সাগৰত পেলাই দিলে যদিও কেনেকৈনো সেই সাগৰৰ পাৰ পাব পাৰে তাকেই সদায় চিন্তা কৰি থাকে। কল্যাণ সম্প্ৰতি হাতে ঢুঁকি পোৱাত নাই গতিকে মণ্ডলনীৰ বাদে তাইক উদ্ধাৰ কৰোতাও কোনো নাই।

তেওঁৰ আগত কৈ দুখৰ বোজাটো পাতলোৱাৰ বাহিৰে তো তাইৰ যে সুখ-দুখৰ কথা এষাৰ পাতিবলৈও কোনো নাই। অতি আগ্ৰহেৰে তাই সম্মত হল আৰু কথা দিলে যে নিশ্চয় তাই নিতৌ এবাৰকৈ আহিব।

আশালতা যেতিয়া উভতি বিদ্যানিধিৰ ঘৰ পালেগৈ তেতিয়া সাজ লাগিছিল। এইমাত্ৰ পঞ্চাননে ক'ৰবাৰ পৰা উভতি আহি চোতালত ভৰি দিছে। গাই-দামুৰি বন্ধা নাই, তুলসীতলত চাকি জ্বলোৱা নাই, গোসাঁই ঘৰত চাকি আৰু ধূনা দিয়া নাই, বৰঘৰত সাজ-জুই ধৰা নাই, ইত্যাদি দোষবোৰ দেখি তেওঁ খঙতে অগ্নিশৰ্ম্মা হৈ উঠিল। তাতে আকৌ আশালতা বাহিৰৰ ফালৰ পৰা অহা দেখি তেওঁৰ খঙে চুলিৰ আগ পালেগৈ। কৰ্কশ মাতেৰে গৰ্জ্জন কৰি কলে "হেৰ' হতভাগী ব্যভিচাৰিণী, তই গা ঘেলাই গাঁও ফুৰিবলৈ গৈছিলি? তোৰ ইমান সাহস? মোৰ ঘৰতে আশ্ৰয় লৈ খাইবৈ মোজ কৰি থাকিবি আৰু মোৰ কথা অমান্য কৰি লুকাই চুৰকৈ গাঁও ফুৰি ব্যভিচাৰ কৰি ফুৰিবি? ইমান ৰাতিলৈকে মোৰ ঘৰ আন্ধাৰ কৰি ৰাখ, গোসাঁই ঘৰত ধূপ-ধূনা-চাকি দিয়া নাই। লক্ষ্মীচাৰী! তোক মই ইমান দিনে কি শিকাইছিলো আৰু গাঁওফুৰি স্বভাৱ নষ্ট কৰি ব্যভিচাৰ কৰি ফুৰিবলৈ মানা কৰিছিলো নে নাই ক? এই চৰিত্ৰ লৈ তই মোৰ ঘৰত…"

ভয়ে ভয়ে কঁপা মাতেৰে আশালতাই কলে "মই কলৈকো যোৱা নাছিলো জেঠাদেও। আমাৰ ঘৰটো চাই মণ্ডলনী খুৰীক মাত এষাৰ লগাই আহিছো। যোৱাৰ বেছি সময় হোৱা নাই।"

পঞ্চাননে আকৌ গাজনি মাৰিলে "কৈফিয়ৎ নালাগে;

কাক সুধি গৈ'ছিলি ক? তই মোঁৰ অনুমতি বিনে ওলাবি কিয়? তোৰ ঘৰ বুলিবলৈ তাত কিটো আছে? কালিলৈ মই তাক ভাঙি আনিম অথবা জুই লগাই পুৰি পেলাম। আৰু সেই অসৎ মণ্ডলৰ ঘৰলৈ গৈছিলি কিয়? বাৰে বাৰে তোক মই তালৈ যাবলৈ মানা কৰি দিছিলো নে নাই? নিলাজৰ সঁচ নিলাজী, দুশ্চৰিত্ৰা ব্যভিচাৰিণী, মাৰিম নে চুৰা মুখত কেইটামান লাথি, পিশাচী ..." বুলি দাঁত কামুৰি হুঙ্কাৰ দি কেইখোজমান আগুৱাই গল। পাৰলে যেন তাইক কেঁচাই কেঁচাই গিলিহে থব। ভয়তে আশালতাই দুখোজ পিছুৱালে।

কেতিয়াবা আহি পাছফালে থিয়হৈ ৰৈ থকা অধ্যাপক মুক্তাৰাম বেদান্তবাগীশে সেই সময়তে "কি কৰাহে বিদ্যানিধি দাদা? ৰ'বা ক্ষান্ত হোৱা। খঙত জ্ঞান-শূন্য হৈ ছোৱালীজনীক গালি-গালাজ কৰি ভূত কৰিও সন্তুষ্ট হোৱা নাই, আকৌ লথিয়াবলৈ আহিছা? তাই এনেকুৱা কি সাংঘাতিক অপৰাধ কৰিলে যে ..."

মাত শুনি চক্‌খাই ঘূৰি পঞ্চাননে মুক্তাৰামক এচৰতে দেখি খংটো দুগুণে চৰিল যদিও নিজৰ দোষ ঢাকিবলৈ মনটো সংযত আৰু মাতটো কোমল কৰি কলে "এঁ, অধ্যাপক বাপু...হিঃ হিঃ... তুমি আকৌ চোৰৰ দৰে লোকৰ চকুৰ গোন্ধ সুঙি ফুৰিছা দেখিছো। তেনেহলে কওঁ শুনা, এইজনী নিৰাশ্ৰয়া আৰু অসহায়া বিধবাক পুতৌ কৰি মই তাইৰ ভালৰ বাবে নিজৰ ঘৰত ঠাই দি ৰাখিলো। কিন্তু ইমান মানা কৰা সত্বেও তাই নিজৰ স্বভাৱ নেৰে। মোৰ হাক বচন নামানি তাই গাঁও ফুৰিবলৈ যায়,

মণ্ডলনীৰ ঘৰলৈ চুৰাপাত চোলেকিবলৈ যায নে ৰূপ দেখুৱাবলৈ যায কেনেকৈ জানিম? জাত চাইহে পাত, বিধান চাই ভাত। ভাল বংশৰহে সন্তান ভাল হয। দহাকৰা বামুণৰ সন্তান, মাক-বাপেক চাইহে…”

সচৰাচৰ খং নুঠা, স্থিৰ-গম্ভীৰ সদাশয মুক্তাৰাম অধ্যাপকৰো পঞ্চাননৰ অকথ্য আৰু ইতৰ জনোচিত নীচ আৰু অসত্য কথাবোৰ শুনি খং উঠিল। হঠাত ডিডিৰ সুৰ চৰল। খঙেৰে কলে “হেৰা ৰ’বাহে ৰ’বা, মনে মনে থাকা। লাজ নালাগেনে? তাইৰ বাপেক যি নাছিল তাকে কৈ তুমি তাইক ইতৰ ভাবে গালি পাৰিবলৈ ধৰিছা যে নাক কটা নাযায় নে? স্মৃতিতীৰ্থ এই অঞ্চলৰ কোনে নাজানেহে? তুমিহে দেখোন ক’ৰবাৰ পৰ ধুমকেতুৰ দৰে আহি চপনীযাহে থাকি ফটা মুখৰ জোৰত বৰমানুহহে পৰিছা। স্মৃতিতীৰ্থ পুৰণি মানুহ, ছুবিঘা মাটি বাৰীও আছে। তোমাৰ দেখোন ভাং ভাজি খাবলৈ খোলাও নাই। আশালতাই আশ্ৰয দিবলৈ তোমাক ধৰিত ধৰিছিল নে তাইৰ মাটি-বাৰী ছুবিঘাৰ কাৰণে লোভ কৰি জোৰকৈ তাইক নিজৰ ঘৰলৈ আনিছা? আনিছা যদি আদৰ-যত্ন কৰি ভালকৈহে ৰখা উচিত আছিল। তাকে নকৰি এনেকুৱা ইতৰ ব্যৱহাৰ কৰিবলৈ তোমাৰ কি অধিকাৰ আছে?”

অধ্যাপকৰ কথাই পঞ্চাননৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে বৰ চেষ্টা কৰি মাতটো উলিযাই অলপ নৰম সুৰত কলে “কিয? মোৰ অধিকাৰ নাই যদি কাৰ আছেহে? অসহাযা অৱস্থাত অকল পঞ্চানন বেদ-বিদ্যানিধিৰ বাদে জানো তাইক আশ্ৰয

দিবলৈ কোনোবাই আগ বাঢ়িছিল ? মই দয়া কৰি আশ্রয় নিদিয়া হলে তাইৰ কি গতি হ'লহেঁতেন, তুমিয়েই কোৱাচোন ? তদুপৰি মই সমাজপতি, মোৰ ব্যৱস্থা নামানি তাই অসৎ কৰ্ম্ম কৰি ফুৰিব কিয় ?"

মুক্তাৰামে কলে "ধৰি ললো বাৰু যে তুমি তাইক দয়া কৰিহে ইয়ালৈ আনিছা আৰু তুমিয়েই যেনিবা গোটেই সমাজৰ লাইখুটা। পিছে, তাইনো কি সমাজ বিগৰ্হিত কাম কৰা দেখিলা যে অসৎ কৰ্ম্ম আৰু ব্যভিচাৰ কৰি ফুৰা বুলি গালি পাৰিছা ?"

পঞ্চাননে আন্ধাৰতে দাঁত কামুৰিলে যদিও অধ্যাপকে নেদেখিলে। তাৰ পিছত অলপ আচৰিত হোৱা ভাবেৰে কলে "কি কোৱাহে বেদান্ত ? তুমি জানো নিজে নুশুনিলা যে তাই মনথিৰ মণ্ডলৰ ঘৰলৈ গৈছিল। এতিয়া ধৰা পৰি নিৰুপায়হে তাকে কৈছে যদিও কেনেকৈ বিশ্বাস কৰিবা, আৰুবা কলৈ গৈ মিছা মাতিছে। মই ঘৰত নথকাত তাই এইদৰে সদায় ঘূৰি ফুৰে'। ইয়াক তুমি ভাল স্বভাৱ বুলি কব খোজা নেকি, বেদান্ত বাপু ? ইয়াক ব্যভিচাৰ নকৈ কি কব লাগেহে ?"

কঁপি কঁপি আশালতাই উচ্চাৰণ কৰিলে "মই কোনো দিনেই কলৈকো যোৱা নাছিলো, পেহাদেও। আজি আমাৰ ঘৰটো চাবলৈ যোৱাত মণ্ডলনী খুৰীয়ে···"

পঞ্চাননে হুৰাদাবি দি কলে—"মনে মনে থাক হতভাগী···"

খণ্ডেৰে অধ্যাপকে কলে "মনে মনে থাকিব লাগে কিয় ? নিজৰ ঘৰটো চাবলৈ কিয় নাযাব আৰু মণ্ডলনীৰ ঘৰলৈ এবাৰ কিয় এশবাৰ যাব, তুমি মানা কৰিবলৈ কোনহে পঞ্চাদা ? আৰো

অইনৰ ঘৰে ঘৰে ঘুৰি ফুৰা বুলি যে মিছা বদনাম গাইছা, লাজ নালাগেনে ? তুমি দেখিছিলা নেকি ?"

পঞ্চাননে মিছা বদনাম দি লাজ পোৱা দূৰৰ কথা মুক্তাৰামে আশাৰ পক্ষে ওকালতি কৰাৰ খংটো দমন কৰি ৰাখিব নোৱাৰিলে। মুখ বিকটাই হুঙ্কাৰ দিলে "হুঁঃ, বৰ উকীলডাল ওলালহি, বোলো হেৰা বিদ্যাৰ ফোপোলা চুঙা, তুমি নাজানা নেকি যে পঞ্চানন বেদ-বিদ্যানিধিৰ বিধিমতে পঞ্চাশখন গাঁওৰ মানুহ চলে। মোৰ বিধি অমান্য কৰিবলৈ কাৰ সাহস আছেহে ? এইতো অতি নগণ্য জীৱ—পোক-পৰুৱা বিশেষকৈ মোৰ আশ্ৰিতা…"

অধ্যাপকে কলে "হেৰা পঞ্চাদা, পাবত গজা সমাজপতি হৈ তোমাৰ দৰ্পই আকাশ লঙ্ঘিছে। সমাজৰ দোহাই দি তুমি ইমানদিনে বহুতৰ অন্যায় কৰি আহিছা। সমাজৰ ভয়ত মানুহে তোমাৰ অন্যায বিধি-ব্যৱস্থা মানি চলিবলৈ বাধ্য হৈছিল সঁচা কিন্তু তোমাৰ এই গৰ্ব্ব বেছি দিনলৈ নাথাকে জানিবা। সমাজৰ চকু মেল খাব ধৰিছে। তোমাৰ কূট-কৌশল, মিছা-চক্ৰান্ত আদি বুজিবলৈ বহুতৰ বাকী নাই। সমাজপতি বুলি নিজকে জাহিৰ কৰি তুমি নিজে ব্যভিচাৰ কৰি ফুৰিছা। এতিয়া সমাজেই তোমাৰ বিচাৰ নকৰিব বুলি ভাবিছা নেকি ? যদি তুমি সমাজপতি তেন্তে নিজে যথেচ্ছাচাৰ কৰি ফুৰিবৰ অধিকাৰ আছে নেকি ? আশালতাৰ কথাকে ধৰো, তাইক তুমি ধৰ্ম্মৰ দোহাই দি, সমাজৰ ভয় দেখুৱাই গাৰ বলেৰে আনি বান্দী কৰিছা। ইয়াৰ পৰিণাম ভাল নহব জানিবা।"

এই তৰ্কাতৰ্কি শুনি ইতিমধ্যে চাৰিজনমান মানুহ নওলা মুখত

CENTRAL LIBRARY

গোট খাইছিল। মুক্তাৰাম অধ্যাপকে কোনো নথকাত গালি পাৰিলেও পঞ্চাননৰ সিমান খং নুঠিলহেঁতেন কিন্তু মানুহবিলাকে অধ্যাপকৰ কথাবোৰ শুনা দেখি হিতাহিত জ্ঞান লোপ পালে। খঙতে আটাহ পাৰি তেওঁ কলে "শুচি যোৱা ভালে ভালে, মোৰ সমুখৰ পৰা আঁতৰি যোৱা, তুমি ফোপোলা বাঁহৰ চুঙা মুক্তাৰাম পণ্ডিত, লৰা পঢ়োৱাগৈ। সাৱধান, ভৱিষ্যতে সমাজপতি পঞ্চানন বেদ-বিদ্যানিধিক উপদেশ দিবলৈ নাহিবা।"

মুক্তাৰামে বিদ্রূপৰ হাঁহি এটা মাৰি কলে "ল'ৰা পঢ়াবলৈ যাওঁ সঁচা কিন্তু যোৱাৰ আগেয়ে পাবত গঙ্গা সমাজপতি বেদ-বিদ্যানিধি কু-চক্রী, কূট-কৌশলী পঞ্চানন শৰ্ম্মাক এষাৰ কথা কৈ যাওঁ যে আশালতা তোমাৰ বিনা বানচৰ বান্দী নহয় আৰু তাইৰ পৈতৃক সম্পত্তি মাটি কেইবিঘা কোনোমতে তুমি নোপোৱা।" বুলি কৈ বেগেৰে ঘৰমুৱা হ'ল।

আশালতাক ইতিমধ্যে পঞ্চাননে হাতৰ ঠাৰেৰে ভিতৰলৈ পঠিয়াইছিল। অধ্যাপক পাছ দিলত পঞ্চাননে সেই ফাললৈ চাই মুখ বিকৃত কৰি দাঁত কামুৰি এটা ভঙ্গী কৰিলে। তাৰ পিছত নাকেৰে 'হুঁঃ' উচ্চাৰণ কৰি নঙলা মুখৰ মানুহকেজনক দেখিও নেদেখা ভাও ধৰি মুক্তাৰামৰ বদনাম গাই গাই ভিতৰ চোতাল পালেগৈ।

—তিনি—

পঞ্চানন বেদ-বিদ্যানিধি। তেওঁ এই গাঁৱৰ অৰ্থাৎ গোপাল-পুৰৰ থলুৱা মানুহ নাছিল। পঁচিশ বছৰ পূৰ্ব্বে ঘৈণীয়েক আৰু ডাঙৰ ল'ৰাটিৰে সৈতে যেতিয়া গোপালপুৰ পাইছিলহি তেতিয়া তেওঁৰ অৱস্থা—নান্নং নবস্ত্রং। বানপানীয়ে উটুৱাই নিয়া গাঁও কপালছিগাৰ পৰা ভগনীয়া হৈ আহি ইয়াতে চপনীয়াহৈ আশ্রয় লৈছিল। তেওঁ যি ভেটিত আজিও বাস কৰি আছে সেই ঠাইত বিধবা এগৰাকী আছিল। তেৱেঁই অনাশ্রয়—অসহায়—আতুৰ জীৱ তিনিটাক আশ্রয় দিছিল। তেওঁৰ ভিন গাঁওত জীয়েক-জোঁৱায়েক হালৰ বাদে আপোন বুলিবলৈ কেৱে কতো নাছিল। বিপদে-আপদে সা-সহায় পাব আৰু অনাথ-আতুৰ, নিৰাশ্রয়ক আশ্রয় দিয়াও পুণ্যৰ কাম, ইয়াকে ভাবি পঞ্চাননৰ তিনিজনীয়া পৰিয়ালটোক তেওঁৰ ঘৰত আশ্রয় দিছিল।

গাঁওৰ বিধবা, খা-খৰচ তেনেই তাকৰ। এমুঠি চাউল, ছুডালমান শাক-পাত, কেইডাল কচু অথবা এমুঠি ঢেঁকীয়া নাইবা ছুটা আলু আৰু এচিকটা লোণতেল হলেই এসাজ ভালদৰে চলি যায়। সূতা কটা, কাপোৰ-কানি বোৱা কামত যি ছুই-চাৰি অনাকৈ লাভ হয় সেইবোৰৰ পৰা খৰচতকৈ জমাৰ ফালেহে বেছিকৈ থাকে আৰু সেই সাঁচনীয়া বিতকণ বেৰত আঁৰি থোৱা বাঁহৰ চুঙাত নাইবা ফটা কানিৰ টোপোলাত অলপ অচৰপ ৰাখি বেছি ৰভাগটো গাৰুৰ ভিতৰত সুমুৱাই সিয়নি দি থয়। সেইটো

ভঁৰালৰ গম চোৰে সতকাই নাপায় আৰু কেনেবাকৈ পালেও চুৰ কৰিব নোৱাৰে।

এইদৰে জমা কৰি থোৱা ধন বিধবা গৰাকীৰ পঞ্চানন অহাৰ সময়ত প্ৰায় ছকুৰিমান আছিল। গাৰুৰ ভঁৰালটো মুখুলি চুঙা আৰু ফটাকানিৰ টোপোলাত বিচাৰি অলপ অচৰপকৈ দি দি প্ৰায় একুৰিমান টকা পঞ্চাননক দিছিল। তাৰেই অতি লাগতিয়াল বস্তু-বাহানি কিনিমেলি আৰু খুজি-মাগি জোগাৰ কৰি পঞ্চাননে বিধবাৰ ঘৰতে নিজৰ সংসাৰখন পাতি লৈছিল। আশাতীত ভাবে আশ্ৰয় পাই পঞ্চাননে তেওঁক আই বুলি মাতিলে আৰু তেৰোঁ পঞ্চাননক পোষ্যপুত্ৰ হিচাপেই ধৰি ললে। তেওঁ জীয়াই থকা দিন কেইটাত পঞ্চাননে তেওঁক বৰ ভক্তি কৰিছিল আৰু সহৃদয়া বিধবা গৰাকীয়েও পঞ্চাননক নিঃশেষে গাঁঠিৰ ধনবোৰ দিয়াৰ ওপৰিও মৃত্যুৰ পূৰ্ব্বে তেওঁৰ ঘৰ সহ ভেটিমাটিকণ মুখে মুখে পঞ্চাননকে দান কৰি দি গৈছিল।

পঞ্চানন টেঙৰ মানুহ। গোপালপুৰ পায়েই গাঁওখনৰ সমৃদ্ধিশালী অৱস্থা দেখি বৰ মুগ্ধ হৈছিল। কি বামুণ কি শূদ্ৰিৰ গাঁওৰ সকলো মানুহৰ পৰা তেওঁ আশাতীত ভাবে সহায় আৰু সহানুভূতি আদায় কৰি লৈছিল। উপযাচি যাকে তাকে যেতিয়াই তেতিয়াই শাৰীৰিক আৰু মৌখিক সহায় কৰিছিল। ছলাহী কথাৰে মানুহৰ মন জয় কৰাত সাত ঘাটৰ চেঙেলী পঞ্চাননৰ অতি উজু কাম। ৰাজহুৱা সকলো কামতে পঞ্চাননে আগৰণুৱা হৈ সকলোৰে আগত প্ৰথম খোজ লৈছিল। গোপালপুৰ আৰু তাৰ চাৰিওফালৰ গাঁওবোৰ ঘণ বসতি প্ৰধান ঠাই। গতিকে খোৱা-

বোৱাৰ জোখাৰে ধানকেইটা যোগাৰ কৰি লবলৈ পঞ্চাননৰ সমূলি অসুবিধা নহৈছিল।

সাধাৰণতে স্বাৰ্থ আৰু পৰশ্ৰীকাতৰতাক ভেটি কৰি মানুহৰ, বিশেষকৈ গাঁওত, হিংসা-দ্বেষ, মাৰামাৰি, বাদ-বিসম্বাদ আদি নানা ধৰণৰ কাজিয়া পেচাল ঘটি থাকে। তাৰে প্ৰায় ভাগ গাঁওৰ সমাজেই নিষ্পত্তি কৰে। মেল্‌কি বা মেলুৱৈ নাইবা মড়ল সকলৰ দ্বাৰাই এইবোৰৰ নিষ্পত্তি হয়। অইনৰ উত্তেজিত প্ৰৰোচনা নাপালে আৰু হাতত টকা-পইচাৰ বল নাথাকিলে সহজতে মানুহে কাচাৰীলৈ যোৱাৰ ইচ্ছা নকৰে।

যিহেতু পঞ্চাননৰ নিজৰ কোনো কাম-বন নাইবা ব্যৱসায় নাছিল সেইবাবে দিনৰ দিনটো ওচৰৰ গাঁওবোৰত ঘূৰি ফুৰে। ক'ত কি দ্বন্দ্ব খৰিয়ালৰ সৃষ্টি হয় আৰু মেল বহে তাকে চাই ফুৰে। নিজকে নিজে বেদ-বিদ্যানিধি উপাধি পাছকৰা পণ্ডিত বুলি প্ৰচাৰ কৰি ফুৰে। বিবাদমান পক্ষ দুটাৰ এটাক লগ ধৰি তেওঁক মেল্‌কি মানিবলৈ খাটি ফুৰে। সেই পক্ষই সন্মত নহলে আনপক্ষৰ ওচৰলৈ যায়। সেইদৰেই পোন প্ৰথমে নিজক মেল্‌কি নামত প্ৰতিষ্ঠা কৰি লৈছিল। তাৰ পিছত নিজ উদ্ধত স্বভাৱ আৰু কূটবুদ্ধিৰ বলত বৰ মেলকি হবলৈ বেছি পলম নালাগিল।

ৰজাৰ শাসনে সমাজখনক ভালকৈ ঢুকি নাপায় অৰ্থাৎ সাধাৰণতে ৰজাৰ শাসনে ৰাজহ আদায় কৰা আৰু শান্তিৰক্ষা কৰা আদি কেইটামান বিষয়তে সীমাবদ্ধহৈ থাকে। তাৰ বাদে সুশৃঙ্খল সমাজ এখন গঠন কৰা আৰু সুসংযত ৰূপে পৰিচালনা

কৰা আদি কাম ৰাজ শাসনৰ আয়ত্তাধীন নহয়। অথচ সকলো সময়তে আৰু সকলো অৱস্থাতে মানুহক সমাজ এখন লাগে। সমাজে মানুহক শাসন কৰি উচ্ছৃংখল হব নিদিয়ে আৰু অধোগতিৰ পথৰ পৰা ৰক্ষা কৰে, যদিহে সমাজৰ গঠন, সুশৃংখল আৰু নীতি নিয়মৰ ব্যৱস্থাবোৰ সুদৃঢ় হয়। সেই ভাৰটো সমাজৰ মুখিয়াল বা মেলুৱৈ, মেলকি অথবা মড়ল সকলৰ হাতত থাকে। অৱশ্যে সকলো ৰাইজে সমাজ পাতি বহে কিন্তু আলোচনা বা বিচাৰ কৰি বিধি ব্যৱস্থা দিয়াৰ ভাৰটো মুখিয়ালকেইজনৰ হাতত থাকে। সেইকেইজনে বিচাৰ কৰি দিলে তাতে প্ৰধান মেলকি বা সমাজপতি-জনে যি ৰায় দিয়ে তাক বিনা প্ৰতিবাদে সকলোৱে মানি লবলৈ বাধ্য। লৰচৰ কৰিবলৈ উপায় নাই। গাঁওত মেলুৱৈ বা মুখিয়াল বিলাকৰ প্ৰতিপত্তি আছে কিন্তু তাৰ ওপৰতো বৰ মেলকি বা সমাজপতি জনৰ প্ৰভাৱ এটা আছে। কথক হলেই আৰু বুদ্ধি থাকিলেই মেলকি হব পাৰে সঁচা কিন্তু কূট-কৌশল আৰু শাস্ত্ৰজ্ঞান নাথাকিলে বৰ মেল্‌কিৰ আসন দখল কৰিব নোৱাৰে।

পঞ্চানন সমাজপতিৰ দুয়োটা গুণ আছে। তদুপৰি, কবলৈ হলে নিজৰ কোনো ব্যৱসায় নথকাত অনাহকত লোকৰ চকুৰ ভাতৰ গোন্ধ শুঙি ঘূৰি ফুৰি তোল-নোতোল লগাই ফুৰিবলৈ আৰু ঠায়ে ঠায়ে দুই চাৰিজনৰ লগত বহি নানান অসাৰ আৰু অনাৱশ্যকীয় কথাৰ তৰ্কজাল পাতি, লোকৰ দোষ খুচৰি পৰচৰ্চ্চা কৰা আৰু ভাং-ধপাত হুপি, চাহপানী খাই ফুৰা গুণবোৰ তেওঁৰ ওপৰঞ্চি হিচাবে আছে। নিজৰ কোনো কাম নথকাত সময়ৰ অভাৱ তেওঁৰ সমূলি নাই। পঞ্চাননৰ ভাং হোপা অভ্যাস

বহুদিনীয়া। কানিৰ খোলা, ভঙুৱাৰ মেল আৰু মদৰ আড্ডা আদিতেই বাজে কথা চোবোৱা আৰু লোকৰ অহিত চিন্তা কৰা হয় বেছিকৈ। গতিকে নানা বিষয়ত হীন চক্ৰান্তৰ আহিলা পাতি গোটাবলৈ তেওঁৰ সমূলি অসুবিধা নহয়। সেইবোৰকে সম্বল কৰি ভৱিষ্যতে মেলত জিকিবলৈ উজু হয়। তেওঁ বাদ-বিবাদ নিষ্পত্তি কৰি যি পায় তাতকৈ বেছি পায় বিবাদমান পক্ষ দুটাৰ পৰা আগধৰি আদায় কৰা ভেটী বা ঘোচত। অৱশ্যে এনেকুৱা আৰ্জ্জন আনৰ পক্ষে একোৱেই নহয। কিয়নো বহুত ক্ষেত্ৰত সি অনাতেই থাকে, টকা পূৰা হবলৈ কেতিয়াও নাপায আৰু বহুত ক্ষেত্ৰত কেৱল লাও-বেঙেনা-কল-কুঁহিয়াৰ আদিতে শেষ হয়। কিন্তু তেওঁৰ পক্ষে সেয়ে সোলাৰ মুখত মাখি। অৱশ্যে ব্যভিচাৰ আৰু গোবধ আদি দোষত পতিত হোৱা বোৰক উদ্ধাৰৰ বাবে প্ৰায়শ্চিত্ত আদিৰ ব্যৱস্থা দি মাজে সময়ে দুই এটকা ঘটিব পাৰে আৰু ধন দিব নোৱাৰা বিলাকৰ পৰা সেই জোখাৰে ধান আনে কিন্তু এনেকুৱা দোষত পতিতৰ সংখ্যা অতি বিৰল, কদাকাচিৎহে দুই এজন হয়। শাক-পাচলি লাও বেঙেনা আদি দেখিলে কেতিয়াবা তেওঁ খুজি মাগি আনি দুই এসাজ খায়। কোনো খোৱা বস্তু কিনি অযথা হাতৰ ধন খৰচ নকৰে। তেওঁৰ আৰ্জ্জন কাপোৰ-কানি আৰু লোণ-তেল, তদুপৰি বিশেষকৈ প্ৰধান বস্তু ভাং কিনোতে শেষ হয়। এইদৰেই তেওঁ গৃহস্থীখন কোনোমতে চলায়। ভাং-খোলা বিচাৰি প্ৰায়েই তেওঁ গধূলি পৰত ওলাই যায়। তেতিয়া হলে ভাং হুপিবলৈ নিজৰ খৰচ নালাগে আৰু পৰচৰ্চ্চা কৰি সময় কটাবলৈ সুযোগ পায়। আন

ঠাইত ফাও মাৰিব নোৱাৰিলে অগত্যা নিজৰ ঘৰতে আড্ডাখন পাতে। গাঁওৰ কেইজনমান ভাঙুৰীয়ে নিতৌ গধূলি এবাৰকৈ তেওঁৰ ঘৰলৈ আহে। তেওঁক লগ পালেতো কথাই নাই, লগ নাপালেও চোতালতে বহি বহুত ৰাতিলৈ বাটচাই থাকে। ইবিলাক তেওঁৰ হাতৰ মানুহ, লাগ বুলিলেই পায়। পাচিলেই কাম কৰি নিদিয়াকৈ নাথাকে। খা-খবৰ যোগাৰ কৰি দিয়া আৰু ন্যায়-অন্যায় নিবিচাৰি মেলত তেওঁক সমৰ্থন কৰা অনুচৰ।

সমাজপতি বেদ-বিদ্যানিধি মুখৰ জোৰত বাহিৰত বৰ মানুহ যদিও ঘৰখনত তেওঁৰ মুঠেই সুখ-শান্তি নাই। ঘৈণীয়েক কদমী কেবা বছৰৰ পৰা বাতবিষত ভুগিভুগি কোঙা আৰু আধামৰাহৈ পৰি আছে। দৰব বা চিকিৎসাৰ কোনো ব্যৱস্থা নাই। গাঁওৰে বেজৰ পৰা বিনামূল্যৰ কিবা তেল কেতিয়াবা আনি দিয়ে; তাকে মালিচ কৰিয়েই হওক নাইবা সেক-পোত দিয়েই হওক কেতিয়াবা অকমান সকাহ পালে কোনোমতে উঠি অসময়ত হলেও বৰ কষ্টেৰে এমুঠি চাউল নিজাই দিয়ে নহলে আখলত জুই নজ্বলে। তেতিয়া পঞ্চাননে বেলি ভাটী দিয়াত আহি নিজে বান্ধি আবেলি পৰত খায়। ৰাতিৰ সাজৰ বাবে পঞ্চাননৰ কোনো আগ্ৰহ নাই। কদমী অকৰ্ম্মণ্য হোৱা দিন ধৰি তেওঁৰ বান্ধনীঘৰে জুইৰ পোহৰ দেখা নাই বুলিলেও হয়।

ডাঙৰ পুতেকো কম বয়সৰ পৰাই ভঙুৱা। বুদ্ধি-বৃত্তিৰ তেনেই অভাৱ। ঘৰ-গৃহস্থীৰ বিষয়ে সম্পূৰ্ণ উদাসীন। ঘৰত থকাতকৈ বাহিৰত অৰ্থাৎ গাঁওত ঘূৰি ফুৰে বেছি সময়। ঘৰলৈ আহি ভাত নাপালে মাকক গালি পাৰি খং কৰি শুই থাকে।

এইবোৰ দেখি নিতৌ ভাত মুঠি পোৱাৰ আশাকৰি আৰু গৃহস্থালিৰ কামবোৰ নিয়াৰিকৈ চলাব বুলি ভাবি পঞ্চাননে ডাঙৰ পুতেকক বিয়া কৰাই দিছিল। বোৱাৰীয়েক আহি ঘৰখনৰ আটাইবোৰ অকলে কৰিবলগীয়া হোৱাত কোনোমতে এমাহমান থাকি সেই যে বাপেকৰ ঘৰলৈ গ'ল তেতিয়াৰ পৰা আজি পাঁচ বছৰে শহুৰেকৰ ঘৰমুৱা হোৱা নাই। বোৱাৰীয়েকে পঞ্চাননৰ ঘৰ এৰাৰ পিছতে বৰ পুতেকেও শহুৰেকৰ ঘৰতে আশ্ৰয় ললেগৈ। কদাচিৎহে একোদিন আহি ৰুগীয়া মাকৰ খা-খবৰ লৈ পিছদিনাই আকৌ গুচি যায়।

সৰু পুতেক ষড়ানন অঘাইতং। ছটা মূৰৰ সমানে বুদ্ধি নিশ্চয় তাৰ আছে কিন্তু তাক সজ পথেৰে পৰিচালিত নকৰি সদায় অসৎপথেৰে চলায়। কবলৈ হলে তাৰ স্বভাৱ সদায় 'নলগা তামোলত জেং বান্ধি ফুৰা' বিধৰ। সি সদায় উদ্দেশ্যবিহীন অপকৰ্ম্মতহে ৰতহৈ থাকে। অহৈতুক লোকৰ অপকাৰ কৰা তাৰ অতি প্ৰিয় নিত্য-নৈমিত্তিক কাম হৈ পৰিছে। তদুপৰি লগৰীয়া-কেজনমানৰ সৈতে লোকৰ বাৰীৰ ফল-মূল আদি চুৰ কৰি খোৱা, হাঁহ-পাৰ এনেকি পঠা ছাগলী পৰ্য্যন্ত চুৰ কৰি নি কোনোবা এজনৰ ঘৰত অথবা পঞ্চাননৰ অনুপস্থিতিৰ সুযোগলৈ তাৰেই ঘৰত বান্ধি সকলোৱে খোৱা আদি বিদ্যাত সি পাকৈত।

মুঠ কথা, বিদ্যানিধিয়ে পুতেক দুজনৰ এজনকো মানুহ কৰিবলৈ সকৰে পৰা কোনো চেষ্টা কৰা নাছিল। জীয়েক দুজনী বিয়াদি উলিয়াই দিছে। তাৰে এজনী বিধৱা হৈছে। উলিয়াই দিয়া দিন ধৰি কোনো জনীয়েই মাক-বাপেকৰ ঘৰলৈ এদিনৰ বাবেও

আহিবলৈ ইচ্ছা নকৰে। কদাচিৎ বাধ্যত পৰি আহিলেও পিছদিনাই উভতি যায়গৈ।

গৃহস্থালিখন পঞ্চাননৰ ঘৰ গুচি বাঁহতলহে হৈছে। ঘৰখনৰ এনেকুৱা পয়মাল অৱস্থা দেখি তেওঁৰ নিজৰো বিৰক্তি লাগে। ঘৰ এৰি ক'ৰবালৈ গুচি যাবৰহে মন যায় কিন্তু নিৰুপায়। পঞ্চাননে ঘৰ এৰি বেছি ভাগ সময় বাহিৰে বাহিৰে ঘূৰি ফুৰাৰ সিও এটা কাৰণ। খোৱা-বোৱা আদিৰ বিষয়ে আগ্ৰহ আৰু আৱশ্যক থাকিলেও কোনো সুবন্দবস্ত কৰিব নোৱাৰে। অগত্যা ভোজনতকৈ উপবাসৰ সংখ্যা সৰহ হয়গৈ। এইদৰেই অসুখ-অশান্তিৰ মাজেদি তেওঁৰ দিনবোৰ গৈ আছিল। সম্প্ৰতি আশালতা নিঠৰুৱা হোৱা দেখি নতুন আশা এটা অন্তৰত বান্ধি লৈ তেওঁ বৰ বুদ্ধি কৰি তাইক আনি চপাই ললে। প্ৰথমতে ঘৰখনৰ যাৱতীয় কাম তাইৰ মূৰত জাপি দি গৃহস্থীখন সুচল কৰিব পাৰিব। তদুপৰি প্ৰধান কথা এই যে উপবাসে থাকিব নালাগিব। অন্ততঃ গুদাই-নিকাই দুবেলা দুসাজ খাবলৈ পাব। দ্বিতীয়তে আশাৰ পৈতৃক সম্পত্তি অস্থাৱৰখিনি তাই লগতে আনিলেই, স্থাৱৰ মাটি যি দুবিঘা আছে তাকো নিজৰ নামত কৰি লবলৈ অসুবিধা নহব। এয়ে তেওঁৰ মনৰ গোপন অভিলাষ।

বৰ পুতেক-বোৱাৰীয়েকে ঘৰ এৰি যোৱাত পঞ্চানন হতাশ আৰু অসহায়হে পৰিছিল। তেওঁৰ সুখৰ আশাত ছাই পৰিল। গৃহস্থীখন তেনেই চেদেলি-ভেদেলি হৈ পৰিল। ক'ৰ বস্তু ক'ত থাকে বিচাৰি পোৱা টান। পানী এলোটা লাগিলেও নিজে বাৰীৰ পাছৰ খালৰ পৰা তুলি আনিবগৈ লাগে। সৰু পুতেকে

সকলো কাম কৰিব পাৰিলেহেঁতেন কিন্তু তাক ঘৰত বিচাৰি পোৱা নাযায়। ক'ত থাকে, কি কৰে কি খায় সেইবোৰৰ খা-খবৰ পঞ্চাননে নাপায় আৰু তাৰ পাছে পাছে ঘূৰি ফুৰি খা-খবৰ লবলৈ সময়ো নাথাকে, আগ্ৰহো নহয়। পুৱা উঠিও তাক নেদেখে আৰু ৰাতি কেতিয়া আহি শুই থাকে তাকো গম নাপায়। নিশা বেছিভাগ তাৰ কোনোবা বন্ধুৰ লগতে শুই থাকে, ঘৰলৈ যে নাহে তাকো পঞ্চাননে কব নোৱাৰে। গতিকে নিঃসহায় পঞ্চানন বেদ-বিদ্যানিধিয়ে ৰাতিপুৱা শুই উঠি বাহীবনবোৰ কৰি গাইজনী খীৰাই, গোবৰ পেলাই, গা-পা ধুই ফোঁট-তিলক মাৰি গোসাঁই ঘৰত সোমাই গায়ত্ৰী জপ কৰি আহি নিজে নিজেই চাহ পানী এবাঁটি কৰি খাই ধপাত এচিলিম পুৰি ছাই কৰি লৰালৰিকৈ ওলাই যায়। কদমী নামৰ জীৱ এটা যে আনটো ঘৰত চেপেটা লাগি পৰি আছে সেই কথা মনত হয়তো নপৰেই আৰু পৰিলেও ভ্ৰূমুকি মাৰি নাচায়। ঘৰৰ পৰা ওলাই যোৱাটো যেন তেওঁৰ এটা ব্যাধি। ওলাই আঁতৰ হব পাৰিলেই যেন মনৰ সকলো জ্বালা-যন্ত্ৰণাৰ অৱসান হয়। আনপিনে গাঁওবোৰত ঘূৰি লোকৰ খা-খবৰ সংগ্ৰহ কৰি নুফুৰিলে তেওঁৰ মুখৰ ব্যৱসায় অচল। সেই অঞ্চলত গাঁওৰ সংখ্যাও তেনেই তাকৰ নহয়। এবাৰ ওলাই গলে ঘৰলৈ উভতিবলৈ মন নাযায় আৰু ইজন-সিজনৰ লগত মেল পাতি ভাং-ধপাত হুপি উভতি ঘৰ পায়হি মানে প্ৰায় আবেলি হয়। কেতিয়াবা কদমীয়ে যদি অলপ সকাহ পাই এমুঠি সিজাই থয় তেতিয়া ভাত পায়। কদমী পৰি থাকিলে নিজেই সিজাই খায়। কেতিয়াবা কেতিয়াবা ঘৰত চাউল নাথাকিলে লঘোনে থাকে।

নিজে ঢেঁকীত ধান বানি চাউল উলিয়াই ভাত খাব নোৱাৰে। তেতিয়া বানতী মাতি আনি কেদিনমানৰ জোখাৰে চাউল উলিয়াই থয়।

পঞ্চাননৰ জীৱনত যি পোৱা নাছিল আৰু যাক পাব বুলি সপোনতো ভাবিব পৰা নাছিল আশালতা অহাৰ পৰা তাকেই পালে। এপিনে যেনেকৈ ঘৰখনৰ যাৱতীয় কাম-বন কৰা বিনা-বানচৰ বান্দী আনপিনে তেনেকৈ ঠিক সময়ত চাহ-ভাত যোগান ধৰা ৰান্ধনী, তদুপৰি তামোল-ধপাত যোগোৱা চাকৰৰ কামো আশালতাৰ ওপৰতে পৰিল। ইয়াৰ উপৰিও কদমীৰ আলপৈচান ধৰা, তেল মালিচ কৰা, গা-পা ধুৱাই ভাত খুওৱা পৰ্য্যন্ত তাই অকলেই কৰিবলগীয়াত পৰিল। পঞ্চাননে পুৱাৰ চাহ-তামোল খাই উঠি ধপাত হুপি হুপি ঘৰৰ কামবোৰৰ বিষয় এবাৰ সোঁৱৰাই দি চুপৰীয়াৰ সাজ ঠিক মতে ৰান্ধি থবলৈ উপদেশ দি ওলাই যায়। চাউল-দাইল নাথাকিলে তাই ধান বানি চাউল উলিয়াই মাটিমাহ দলি দাইল কৰি ভাত ৰান্ধিব লাগে। তাই অহাৰ পৰা পঞ্চাননে বানতী মাতিবও এৰিছে।

ইপিনে কদমীৰ সাধনিও কম নহয়। তেওঁ আশালতাৰ ওপৰত কিবা সূত্ৰে যেন সম্পূৰ্ণ অধিকাৰ পালে। যি কদমীয়ে আজি ইমান বছৰে জীয়াতে মৰাহৈ শেতেলিতে পৰি মৃত্যুৰ দিন গণনা কৰিছিল, যাৰ মনে কোনো বস্তুৰ কিবা প্ৰয়োজন আছে বুলি ভাবিবলৈও সাহ নকৰিছিল, যেয়ে মৃত্যু শয্যাত কেঁকাই-গেঠাই পৰি থাকি অইন বস্তু-বাহানি চকুৰে দেখা দূৰৰ কথা সময়ত এটোপা পানীও নাপাইছিল, এনেকি মানুহৰ মুখ এখন দেখা নাইবা মাত

এষাৰ শুনাও যাৰ ভাগ্যত বেছি ভাগ নঘটিছিল, সেই কদমীৰো এতিয়া প্ৰয়োজনৰ কোব চৰিছে। আশালতা অহাৰ পূৰ্ব্বে পঞ্চাননে পানী এলোটা দিবলৈ গৈও পাঁচবাৰ গালি পাৰিহে দিছিল। ভাত এমুঠি দিবলৈ হলেতো আধাঘন্টা মান আগৰ পৰা মুখেৰে নানান অশ্লীল গালি-গালাজ ওলায়েই আছিল, যেন গালিৰ মন্ত্ৰেৰে ভাতবোৰ বিষাক্ত কৰি দিছিল আৰু তাকে খাই ঘৈণীয়েকৰ মৃত্যু হলেই যেন তেওঁ উদ্ধাৰ হব বুলি ভাবিছিল। ইমান নৰকৰ নিকাৰ ভুঞ্জিও কদমীৰ মৃত্যু নহল সঁচা কিন্তু সংসাৰৰ সকলো আশা-আকাঙ্ক্ষাই তাইৰ মনৰ পৰা বিদায় লৈছিল। পতি-পুত্ৰ-কন্যা এনেকি এই সংসাৰখনৰ কাৰো ওচৰত যেন তাইৰ কোনো পাওনা বা চাহিদা নাই, সকলো প্ৰয়োজন শেষহৈ গৈছে। উদাসীন মনটোৱে ফটাকানিৰ টোপোলাটোৰ দৰে শেতেলীত পৰি থকাৰ বাদে ভাবিবলৈ একো নাছিল। সেই কদমীৰো মন আশালতাৰ আগমনে সজীৱ কৰি পেলালে। ষড়ৰীপু মনলৈ ঘূৰি আহিল। গাতো যেন নতুন বল পালে। প্ৰথমে চুই এদিন বৰ মৰম কৰি চুই এটা নিতান্ত দৰকাৰী কামৰ বাবেহে তাইক পাচিছিল। লাহে লাহে উৰাহে-পিয়াহে ফাই-ফৰমাচ সুগুচাত পৰিল আৰু নিজৰ পূৰ্ব্ব প্ৰকৃতিটো ঘূৰাই পাই মুখখনেৰে সদায় খিট্-খিট্, খেং-খেং কৰি আশালতাক জ্বালাতন কৰিবলৈ ধৰিলে। অইনবোৰ সেৱা-শুশ্ৰূষাৰ উপৰিও আশালতা অহাৰ চাৰিদিনমান পিছৰপৰা কদমীক ঘৰৰপৰা আশালতাই দাঙি নিয়াৰ দৰে ৰ'দলৈ উলিয়াই নি তেল মালিচ কৰি তপত পানীৰে গা ধুৱাই কাপোৰকানি সলাই দিয়া, তিতা

কাপোৰ ধুইমেলি শুকাই চপাই দিয়া আদি যাৱতীয় কাম আশালতাই বিনা ওজৰে কৰিবলগীয়া হ'ল।

কেদিনমানৰ পিছৰ পৰা আশালতাৰ কাম ইমান বাঢ়িল যে এখন্তেক বহি জিৰণি লবলৈও তাইৰ সময়ৰ অভাৱ হল। তাইৰ শৰীৰ অৱশহৈ পৰে, কাম নকৰো বুলি মনটোৱে সদায় বিদ্ৰোহ কৰে কিন্তু পঞ্চাননৰ ভয়ত বহি থাকিব নোৱাৰে। পঞ্চাননৰ কঠ্ঠৰা আৰু কুশ্ৰী মুখখনৰ কথা মনত পৰি তাইৰ বুকুখন কঁপি উঠে। আকৌ দীঘল হুমুনিয়াহ এটা কাঢ়ি চকুপানী মচি কামত লাগে। বাৰে বাৰে কিবা এটা সদুপায়লৈ ভাবে কিন্তু বিচাৰি নাপায়। অনবৰত মাকৰ চেনেহ-সনা মুখখনিলৈ মনত পৰে আৰু মনত পৰে কল্যাণৰ সৈতে মণ্ডলনীৰ মুখলৈ। মণ্ডলনীৰ ওচৰলৈ লৰি যাবলৈ ইচ্ছা হয় কিন্তু সময় উলিয়াব নোৱাৰি মনৰ হেঁপাহ মনতে মাৰ নিয়াই মন ডাঠ কৰি অনিচ্ছা সত্ত্বেও আধকৰা বনত ধৰে। মন যিমানেই ডাঠ নকৰক চকু দুটাই যেন নামানে। কেইটোপালমান তপত পানী ওলাই গালেৰে বাগৰি যায়, হাতৰ কাম কৰাত বাধা দিয়ে। আকৌ বোৱাৰ আঁচলেৰে চকু মচি কামত লাগে। পঞ্চানন আৰু ধৈণীয়েকক খুৱাই বুৱাই কামবোৰ শেষ কৰি উঠোতেই আবেলি হয়। তেতিয়া গা ধুই নিজৰ নিমিত্তে এমুঠি সিজাই লোণ-তেলেৰে গিলাৰ বাহিৰে উপায় নাই। দাইল সিজোৱাৰ সময় নাথাকে, আঞ্জাৰ কথা ভাবিবও নোৱাৰে। পেটৰ নাড়ীয়ে যেতিয়া কলমলাই থাকে তেতিয়া 'ভোকেহে ভাতৰ আঞ্জা' বুলি কোৱা কথাৰ প্ৰমাণ বাক্কৈয়ে উপলব্ধি কৰে। আশালতাৰ মনলৈ কচি-অকচিৰ

বাছ-বিচাৰ নাহে, আহিব নোৱাৰে। পেটৰ জ্বলি থকা জুইকুৰাক কিহেৰে তলালিকে নুমোৱা যায় সেয়েহে চিন্তা। সমুখত যি লয় সেয়ে পঞ্চামৃত। লৰালৰিকৈ গিলি যিমান পাৰে লোটাৰ পৰা পানী খাই দিনৰ দিনটো শুকাই লেটু-সেটুহৈ পোৰণিত তৎ হেৰুওৱা পেটৰ নাড়ীকেডালক জীপ দি শঁাত পেলায়।

ষড়াননে আগৰ নিছিনা এতিয়াও উদ্ভণ্ডালি কৰি ঘূৰি ফুৰে সঁচা কিন্তু আশালতা অহাৰ দুসপ্তাহমান পিছৰ পৰাই হঠাৎ যেন তাৰ স্বভাৱৰ পৰিবৰ্ত্তন হব খোজে অৰ্থাৎ ঘৰত তাৰ মন বহিব ধৰিছে। এতিয়াও অৰণ্যে বাহিৰলৈ যায়, কুকৰ্ম্মও কৰি ফুৰে আৰু দেউতাক ঘৰত থাকে মানে ঘৰমুৱা নহয় কিন্তু দেউতাক ওলাই যোৱাৰ পিছতেই ঘৰলৈ আহে। অনৰ্থক কিবা বিচাৰি ইঘৰ-সিঘৰ সোমাই পলম কৰে, আশালতাক কিবাকিবি নোহোৱা বস্তুৰ কথা সোধে, বিচাৰি দিবলৈ খাটে। আশালতাই তাৰ কথাত কাণ নিদি নিজৰ কৰ্ত্তব্য কৰি ফুৰা দেখিলে অগত্যা সি ওলাই যায় কিন্তু কিছু পৰৰ মূৰত আকৌ ওলায়হি। তাইৰ লগত কথা পাতিবলৈ চেলু বিচাৰি ফুৰে। তাৰ চকু-মুখৰ ভাব আৰু কথাৰ ধৰণ আশাই ভাল নাপায় গতিকে তাৰ লগত কথা নাপাতে। তেতিয়া সি ওলাই যায় সঁচা কিন্তু ওচৰতে ক'ৰবাত লুকাই থাকি আশালতাৰ গতিবিধি দূৰৈৰ পৰা লক্ষ্য কৰি থাকে। সেইদৰে কেদিনমান কটোৱাৰ পিছত তাৰ সাহস বাঢ়িল। সম্প্ৰতি ষড়াননে কিবা এটা নহয় এটা চেলু উলিয়াই আশালতাৰ পাছে পাছে ঘূৰি ফুৰিবলৈ চেষ্টা কৰে। তাই গা ধুবলৈ গলে তাৰো বাৰীৰ ফালে কাম ওলায়, ভাত ৰান্ধিবলৈ গলে ধপাতৰ চিলিম

লৈ ঘণাই আঙঠা খুজিবলৈ যায়। তাই কদমীৰ গাত তেল ঘঁহিব ধৰিলে সি ওচৰতে বহি মাকৰ খবৰ সোধে আৰু নানা বাজে কথা পাতে। তাৰ কামবোৰ দেখি আশাই তাক দুচকুৰে দেখিব নোৱাৰা হল। তাৰ প্ৰতি তাইৰ ঘৃণা উপজিল কিন্তু তাই সাহ কৰি মুখেৰে কোনো কথা কব নোৱাৰিলে। সি দুৰ্দ্দান্ত আৰু দুশ্চৰিত্ৰ বুলি আশাই ভালকৈ জানে। (গাঁওৰ কোনেও নজনা নহয়)। তাই তাক পেটে পেটে ভয় কৰে সেই কাৰণে প্ৰথমে দুই চাৰি দিনমানলৈ তাক কোনো কথা কবলৈ সাহ নকৰিলে কিন্তু তাইৰ ভিতৰৰ সিংহীয়ে অন্তৰতে গুজৰি-গুমৰি থাকিল।

সেইদিনাখন কদমীৰ শুশ্ৰূষা শেষ কৰি আশালতাই ঘৰৰ পাছফালে বাৰীত থকা কেঁচা নাদৰ পাৰলৈ গৈ দেখিলে যে অলপ দূৰৈত থকা মধুৰীআম জোপাত উঠি আৰামকৈ বহি ষড়াননে একেথিৰে তাইৰ ফাললৈ চাই আছে। সেইদৰে তাক দেখি তাই খঙেৰে কলে "আঁতৰি নোযোৱা কিয় ষড়ানন? মই গা ধুবলৈ আহিছো, দেখা পোৱা নাই নেকি?"

ষড়াননে আশাৰ মুখলৈ চাই কুৎসিত হাঁহি এটা মাৰি কলে "আঁতৰি যাব লাগে কিয় অ', মইনা? মই ইয়াত থাকিলে তোৰ গাটো পমি যাব নে জহি-খহি পৰিব?"

"তেনেকৈ কবলৈ লাজ নালাগিলনে, ষড়ানন?" বুলি আশাই চকু থিয় কৰি গাজনি এটা মাৰিলে। কিন্তু সি তাইৰ কথালৈ ভ্ৰূক্ষেপ নকৰি হাঁহিয়েই থকা দেখি তাই খঙেৰে আদেশ দিলে "যোৱা, গুচি যোৱা, আঁতৰি যোৱা বেগেতে, নহলে..."

"অ' আই, খং কৰিবও জানেহে!" বুলি হিঃ হিঃ কৰে হাঁহি মাৰি যড়াননে কলে "নামি যাব লাগে কিয় অ' মইনা? তোৰ হুকুমত চলিব লাগে নেকি? মই মধুৰীআম খাবলৈ আহিছো, খোৱা হলে নিজ ইচ্ছামতে যাম। ইচ্ছা কৰিলে তই গা ধুব পাৰ, নহলে তাতে থিয় হৈ থাক, মই তোৰ মুখলৈ চাই থাকো, হিঃ হিঃ..." বুলি ভৰি নচুৱাবলৈ ধৰিলে।

আশাৰ খং চৰিল। চকুৰে অগ্নি বৰষি বিকৃত মাতেৰে কলে "বেগতে আঁতৰ হোৱা, নহলে কথা ভাল নহব।"

ষড়ানন আচৰিত হল। অসহায়া আশালতাৰ ইমান সাহ! তাক আদেশ দিবলৈ ভয় নকৰিলে? তাৰ পুৰুষত্বত আঘাত লাগিল। কৰ্কশ মাতেৰে সি কলে "হেৰ' মোৰ ঘৰত বান্দী খাটি আকৌ মোকেই হুকুম কৰিবলৈ তোৰ ভয় নালাগিল, আশা বান্দী?"

আশাৰ ধৈৰ্য্যৰ সীমা পাৰহৈ গল। তুঁহৰ জুইৰ দৰে উমি উমি জ্বলি থকা বুকুৰ জুইকুৰা দপ্ কৰে জ্বলি উঠিল। পাহৰি গল, স্থান-কাল-পাত্ৰ,—তাই যে অসহায়া, অনাশ্ৰিতাহৈ পঞ্চাননৰ কপট দৃষ্টিৰ বন্দীশালত আশ্ৰিতা আৰু তাই যে অবলা-দুৰ্ব্বলা। আনপিনে সমুখতে যে পঞ্চাননৰ পুতেক উদ্ধত আৰু পাশৱিক শক্তিশালী দুৰ্ব্বৃত্ত ষড়ানন সেই কথাও তাই তেনেই পাহৰি গল। নৃশংস ষড়াননে কুকুৰনেচীয়া বাঘে ছাগলী ধৰা দি জাপমাৰি এতিয়াই তাইক ডিঙিত কামুৰি ধৰি তেজ পিলে তাইক যে সহায় কৰিবলৈ কেৱে কতো নাই সেইকথা ভাবিবকে নোৱাৰিলে। তাই গৰ্জ্জন কৰি উঠিল "কি কলি অধম কুকুৰ, মই

তহুঁতৰ বান্দী ? নাজান বদমাচ, তোৰ বাপেৰেই মোক ভৰিত ধৰি আনিছে। বদমাচ, তই দিনৰ দিনটো মোৰ পাছে পাছে কুকুৰৰ দৰে ঘূৰি ফুৰ। শুন নিলাজ পশু, তই মোৰ ভৰিৰ তলুৱা চেলেকিবৰো যোগ্য নহয় ......"

ইয়াতকৈ বেছি শুনিবলৈ ষড়াননৰ ধৈৰ্য্য নাথাকিল। আশাৰ ৰণচণ্ডী মূৰ্ত্তি দেখি আৰু কঠিন মুখৰ কৰ্কশ কথা শুনি সি প্ৰথমে অলপ থতমত খাইছিল যদিও পিছ মুহূৰ্ত্ততে তাৰ পশু প্ৰবৃত্তিয়ে মূৰ জোকাৰি উঠিল। হিতাহিত জ্ঞান-শূন্যহৈ উগ্ৰমূৰ্ত্তি ধৰি খঙেৰে চিঞৰ মাৰি কলে "হঞে বান্দী, চুৱাপাত চেলেকা কুকুৰণী, ইমান সাহ, ৰ'হ বাপেকে তোৰ চুৱামুখখনকে কোবাই ভাঙো। তোৰ কোন বাপেৰে ৰাখেহি চাওঁ..." বুলি সি মধুৰীআমৰ ডাল এটা ভাঙিবলৈ ধৰা দেখি আশালতাৰ জ্ঞান চাপিল। নিজৰ দুৰ্ব্বল আৰু অসহায় অৱস্থাটো মনত পৰাত তাই ভয়তে উধামুধাকৈ লৰ মাৰি পলাই গৈ ঘৰত সোমাই দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি দিলে। ষড়াননেও ডালটো হাততলৈ একে জাপে গছৰ পৰা নামি তাইৰ পাছে পাছে চোঁচা ললে কিন্তু সি দুৱাৰ মুখ পোৱাৰ আগেয়ে তাই দুৱাৰ বন্ধ কৰিবলৈ সমৰ্থ হ'ল। সি প্ৰথমে দুৱাৰ হেচি চালে। তাৰ পিছত দুৱাৰত কেইটামান লাথি মাৰিলে। দুৱাৰ মেলিব নোৱাৰি ডালটোৰে দুৱাৰতে কেইটামান কোব মাৰি দুৱাৰ মুখত থিয়হৈ গুমুৰিয়ালে "আজি ময়ো ইয়াতে বহিলো। তই ওলালে তোৰ মুখখন লথিয়াই ভাঙিম, পিঠিখন কোবাই ফালিম। কোন বাপেৰে ৰক্ষা কৰে চাম। তেতিয়াহে ষড়াননক চিনি পাবি।"

বুলিকৈ চোতালত বহি আৰু নানা অশ্লীল-অশ্ৰাব্য কথাৰে পাৰেমানে গালি পাৰিবলৈ ধৰিলে।

কদমী থকা ঘৰতে আশালতাকো থাকিবলৈ দিছিল। তাইৰ ঘৰৰ পৰা অনা ভাল ভাল খাট তিনিখন পঞ্চাননৰ নিজা ঘৰত ৰাখি সৰুখন তাইৰ বাবে তাতে পাৰি দিছিল। তাতেই উবুৰিহৈ দীঘলদি পৰি তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। এই নিঃসহায়া অৱস্থাত দুৰ্দ্দান্ত দৈত্যৰ হাতৰ পৰা ৰক্ষা পৰিবলৈ শৰীৰত শকতি নাই। ওচৰত সা-সহায়ো কোনো কতো নাই। চকুপানীয়েই তাইৰ একমাত্ৰ সম্বল। আৰু সম্বল নেদেখাজন, যদিহে ক'ৰবাত আছে কিন্তু ওপৰাউপৰিকৈ দুৰ্ভাগ্যৰ গচকনিত নিপীড়িতাহৈ নেদেখাজনৰ অস্তিত্বত বিশ্বাস নকৰিবলৈও তাইৰ মনোবল নাই। মনত পৰিল মাক-বাপেকৰ মৰমৰ মুখ দুখন। কান্দোনৰ মাত্ৰা চৰিল। কাতৰ কান্দোনেই যদি তেওঁলোকক কেনেবাকৈ বাতৰি দিবগৈ পাৰে। কদমীয়ে ঘৰৰ আনমূৰে পৰি আছে। তেওঁ বাত-বিষত কোঙা, গতিকে কি হৈছে সুধিবলৈ ওচৰলৈ যাব নোৱাৰে। তাৰ পৰাই কেবাবাৰো মতাতো আশাই কোনো উত্তৰ নিদি কান্দিয়েই থাকিল।

কুলাঙ্গাৰ পুতেকৰ অকৰ্ম্ম-কুকৰ্ম্মৰ কথা কদমীয়ে আগৰ পৰাই ভালকৈ জানে। বাহিৰত তাৰ তৰ্জ্জন-গৰ্জ্জন আৰু কাণত আঙুলি দিবলগীয়া অশ্লীল গালি-গালাজ শুনি আৰু ভিতৰত আশালতাৰ কান্দোন দেখি প্ৰকৃত ঘটনাটো অনুমান কৰিবলৈ কদমীৰ পলম নহল। কেবাবাৰো নিজৰ ক্ষীণ

মাতটোৰে পুতেকক মাতিলে, কাবৌ-কোকালি কৰিলে কিন্তু তাইৰ কথা কোনে শুনে? সকলোৰে পৰাই ষড়াননে মাকৰ কথা নামানে। মাকক মানুহ বুলিও নাভাবে। বাপেক আৰু ককায়েকৰ নিচিনা সিও, কদমী নামেৰে মানৱাকৃতি জন্তু এজনী যে ঘৰৰ আন্ধাৰ চুকত নৰিয়া পাটীত পৰি আছে আৰু তাইক কিবা এফেৰা সেৱা-শুশ্ৰূষা অথবা মাতকথা দিয়াৰ যে আৱশ্যক সেই কথা কোনো দিনেই নাভাবে।

কবলৈ হলে কদমীৰ বাত-বিষৰ মূল কাৰণ পঞ্চানন। আগৰ কাল ছোৱাত সৰু-সুৰা দোষতে পঞ্চাননে কদমীক বৰকৈ মাৰধৰ কৰিছিল। সেইবোৰ আঘাতৰ ফলত উৎপত্তি হোৱা মৰা-তেজবোৰ আৰু গাৰ বিষ লৈও কদমীয়ে মৰিপৰি ঘৰখন নিয়ঁৰিকৈ চলাই আছিল। দেউতাকৰ আৰ্হি দেখিয়েই হবলা ষড়াননেও হকে-বিহকে মাকক ভুকুটো চাপৰটো শোধাইছিল। আৰু শেষত, আজি পাছ বছৰ আগেয়ে এদিন পইচা খোজোতে নিদিয়া দেখি সি খঙতে ঢেঁকীথোৰা এটা মাকৰ গালৈ মাৰি পঠিয়ায়। সেইটো আঠুত পৰি থিতাতে কদমী বাগৰি পৰি লৰচৰ কৰিব নোৱাৰা হয়। মাকৰ অৱস্থা দেখি হাঁহি হাঁহি সি ওলাই যায়। ফুৰিবলৈ অহা গাঁওৰ তিৰোতা এজনীয়ে দেখি কোনোমতে তুলি নি বিছনাত পেলাই থয়। জীৱটো ওলাই নগল যদিও তেতিয়াৰ পৰা কদমী আধামৰাহৈ থাকিল। বাত-বিষে হেচি পঙ্গু কৰি পেলালে, নৰিয়া পাটীতে পচি পচি আজি পাঁচ বছৰে নৰকৰ নিকাৰ ভুঞ্জি আছে।

এয়ে পঞ্চাননৰ পত্নী-প্ৰেম আৰু ষড়াননৰ মাতৃভক্তি। শুনিবলৈ শ্ৰুতিকটু হলেও আৰু বহুতৰ মনত অস্বাভাৱিক যেন লাগিলেও আজিৰ যুগতো এনেকি শিক্ষিত সম্প্ৰদায়ৰ মাজতো ধুনীয়া চাহাবী সাজপাৰ অথবা পবিত্ৰ খদ্দৰৰ সাজপাৰ পিন্ধি বাহিৰত সাধুৰ বেশলৈ মুখত দেশ-কল্যাণ মন্ত্ৰৰ ফুলজাৰী উৰুৱাই মাকক অকথ্য গালি-গালাজৰ ভক্তি-ফুল-অৰ্ঘ্য দি চৰাবলৈ খেদি যোৱা অথবা ঘৈণীয়েক আৰু মাকৰ গালিযা গালিৰ মাজত সোমাই ঘৈণীয়েকৰ ফলীয়া হৈ মাকৰ ডিঙিত ধৰি গটিয়াই বগৰাই দিয়া মাতৃভক্ত সন্তান দেখাৰ আছে। মাকৰ মুমূৰ্ষু অৱস্থাৰ কথা চিঠিত পঢ়িও ঘৰলৈ নহাত টেলিগ্ৰাম দি মতাই অনা চেনেহৰ পুতেকে কষ্টেৰে নিশাটো কটাই ৰাতিপুৱাই বেলত উঠি নিজ স্থানলৈ উভতি যোৱাৰ সময়ত বন্ধুজনৰ আগত কৰা মন্তব্য, “মৰা গৰুৰ মুখত ঘাঁহ দি থাকিনো কি হব...” আচৰিত লাগিলেও অবিশ্বাস কৰিব নোৱাৰি। অথবা গাৰ বিষত উঠিব নোৱাৰি বিছনাত কেঁকাই-গেঠাই চকুপানী মাচ পৰি থকা মাকক যেতিয়া হিতোপদেশ দিয়ে যে “মা তুমিতো আৰু মৰিবাই, যি দুদিন থাকা এই দৰবকে ব্যৱহাৰ কৰি শান্তিহে থাকা, চিকিৎসাৰ বাহুল্যত টকাবোৰ পানীত পেলালে কি লাভ হব...” ইত্যাদি সুমধুৰ মাতৃ-ভক্তি-অৰ্ঘ্যৰ কথা শুনিলে আচৰিত হবলগীয়া কথা সমূলি নাই। এনেকুৱা গৰ্হিত উদাহৰণ যথেষ্ট আছে। ষড়াননতো জন্মাবধি আদৰ্শৰ নাম নজনা, মুখ নেদেখা আৰু শিক্ষাৰ গোন্ধ নোপোৱা উদ্ধত ডেকা। তাৰ পক্ষে এই কাম সমূলি অস্বাভাৱিক নহয়।

বেলি ভাটী দিয়াৰ পিছত পঞ্চাননে ঘৰ পালেহি। ধূৰ্ত্ত ষড়াননে বাপেক অহা গম পাই হঠাৎ অন্তৰ্দ্ধান হ'ল! কিয়নো সি যিমানেই দুৰ্দ্দান্ত নহওক বাপেকক বাঘৰ দৰেই ভয় কৰে। পঞ্চাননৰ খং উঠিলে কাকো শুদাই নেৰে। যেদি লগ নাপালে হাতত দা-কটাৰী যি থাকে অথবা সমুখত যি দেখে তাকে তুলিলৈ গালৈ মাৰি পঠিয়ায়। এই অভিজ্ঞতা ষড়াননৰ বঢ়িয়াকৈ আছে। সি ভাবিছিল যে আশালতাৰ নিচিনা অসহায়া আৰু পঞ্চাননৰ আশ্ৰিতা নগণ্য গাভৰুজনীয়ে তাৰ দৰে দুৰ্বৃত্তৰ সমুখত মাত মাৰি দিয়া দূৰৰ কথা মেকুৰীৰ আগত পৰা নিগনিৰ দৰে হবলৈ বাধ্য হব। কিন্তু তাইৰ অগ্নিমূৰ্ত্তি আৰু তীক্ষ্ণ বাক্যবাণে তাৰ ভুল ভাঙি দিলে। নিজৰ অপৰাধ উপলব্ধি কৰি পিতাকৰ উগ্ৰ শাস্তিৰ হাত সাৰিবলৈ পলোৱাৰ বাদে আন উপায় তাৰ নাই।

পঞ্চাননে চোতালত ভৰি দিয়েই মাত লগালে "অ' আশালতা, কলৈ গলি? তই বেগেতে মোক ধপাত এচিলিম লগাই দে আৰু মই গা ধুই আহো মানে ভাত বাঢ়ি দেগৈ।"

ইতিমধ্যে আশালতাৰ চকুপানী শুকাইছিল। তাৰ সলনি প্ৰচণ্ড বতাহৰ সংঘাতত মেঘৰ মাজত উদ্ভৱ হোৱা বিদ্যুতৰ দৰে তাইৰ অন্তৰৰ ধুমুহাত ক্ৰোধাগ্নিৰ বিজুলীপ্ৰবাহ উৎপন্নহৈ গোটেই শৰীৰত প্ৰবাহিত হৈছিল। মহাশক্তিয়ে যেন নিজৰ অংশ স্বৰূপা আশালতাক অদৃশ্য শক্তিদান কৰি ৰণচণ্ডী মূৰ্ত্তিৰে সজাই তুলিছিল। পঞ্চাননৰ মাত শুনি নিমিষতে ওলাই আহি কৰ্কশ মাতেৰে গাজনি মাৰিলে "মোক নাথাই-নবৈ বান্দী খাটিবলৈ

আৰু আপোনাৰ দুৰ্বৃত্ত বংশধ্বজ নৰপশু ষড়াননৰ হতুৱাই অত্যাচাৰ কৰাবলৈ সমাজৰ দোহাই দি আপোনাৰ ঘৰলৈ জোৰ-জুলুম কৰি টানি আনিছিল নেকি সমাজপতি দেৱতা ? নে মই আপোনাক বিনা বানচৰ বান্দীবুলি দাসী-খত লিখি দি আহিছো ? আপুনি যদি সমাজৰ মুখিয়াল, বৰমেলকি তেন্তে নিজৰ গুণ্ডা-লম্পট পুতেকক কিয় শাসন নকৰে ? কোন সাহেৰে সি মোৰ ভৰি চেলেকিবলৈ চুৱাখোৱা কুকুৰৰ দৰে পাছে পাছে ঘূৰি ফুৰে ? গা ধুবলৈ গলে কিয় মধুৰীআমৰ গছত উঠি বেয়া চকুৰে চাই অশ্লীল কথা কয় ? আপুনি ধৰ্ম্ম ৰক্ষাৰ ভাওধৰি নিজৰ কুলাঙ্গাৰ পুত্ৰৰ হতুৱাই মোৰ ধৰ্ম্ম নষ্ট কৰিব খোজে ? আপোনাৰ নাক কটা নাযায় ? লাজ নালাগে ? সি মোক বান্দী বোলে, ইমান সাহস ! তাক গালি পাৰি নামি আহিবলৈ কোৱাত সৌডাল আপোনাৰ সমুখত পৰি থকা মধুৰীআমৰ ডাল ভাঙি মোক মাৰিবলৈ খেদি আহিছিল। তাৰ ভাগ্য ভাল, মোৰ হাতত একো নথকা বাবে ভয়তে লৰি আহি দুৱাৰ জপাই থাকিলো। দা এখন হাতত থকা হলে নিশ্চয় তাক দুছোৱা কৰি কাটি মুখত লথিয়ালোহেঁতেন। নিজৰ ইতৰ পশু-পুতেকক যেয়ে শাসন কৰিব নোৱাৰে সি কোন মুখেৰে সমাজৰ ব্যৱস্থা দিওঁতা সমাজপতি বুলি গৰ্ব্ব কৰি ফুৰে··· ?" খণ্ডতে আশালতাৰ মাত বন্ধ হ'ল, দাঁত কামুৰি পঞ্চাননৰ ওচৰলৈ আগবাঢ়ি আহিল। নাকেৰে কেঁটী সাপৰ দৰে ফোঁচফোচ্‌কৈ শব্দ হল। তাইৰ হাত-ভৰি, সকলো শৰীৰ থৰ্‌থৰ্‌ কৰে কঁপিবলৈ ধৰিলে। আগুৱাব নোৱাৰি তাই থিতাতে ৰহিল।

পঞ্চাননৰ অৱস্থাও বৰ্ণনাতীত। আশালতাৰ এনেকুৱা ৰণচণ্ডী মূৰ্ত্তি তেওঁ সপোনতো কল্পনা কৰিব পৰা নাছিল। তাই যেন এটা অগ্নি-স্ফুলিঙ্গ অথবা বিজুলীৰ প্ৰভা। এতিয়াই যেন পুৰি ভস্ম কৰিব। তাইৰ দুই চকুৰে যেন হুকুৰা জুই আহি এতিয়াই পঞ্চাননক পুৰি মাৰিব, হাতৰ দাঁখনেৰে যেন একে ঘাপতে দুছোৱা কৰিব !! উদ্ধত আৰু বাগ্মীবীৰ পঞ্চাননো হতবাক্ হ'ল, অন্তৰখন কোঁচ খালে। আশাৰ বাক্যবাণে যেন শক্তিশেলৰ দৰে বুকে-পিঠিয়ে শালি পেলালে। আনপিনে দুৰ্ব্বৃত্ত ষড়াননৰ দুশ্চৰিত্ৰৰ কথা তেওঁৰ অবিদিত নহয়। তাৰ কুকৰ্ম্মৰ প্ৰমাণ মধুৰীআমৰ ডালটো তেওঁৰ সমুখতে পৰি আছে। সেইটোৰে আশালতাৰ মূৰত একোব বহুৱালে তাই তেতিয়াই মৰি থাকিল হেঁতেন, হাতে-ভৰিয়ে মাৰিলে ভাগি ছুটুকুৰা হ'লহেঁতেন। পুতেকৰ অপকৰ্ম্মৰ সাক্ষী দিবলৈ মধুৰীআমৰ ডালটোৱে যেন তেওঁৰ চকুৰ আগতে নাচিবলৈ ধৰিছে। তদুপৰি ৰোগ-শয্যাৰ পৰা কদমীয়ে পুতেকৰ কুকীৰ্ত্তিৰ কথা ৰং চৰাই মাতটো যিমান পাৰে ডাঙৰকৈ উলিয়াই বৰ্ণাব ধৰিছে। পঞ্চাননৰ খঙে চুলিৰ আগ পাইছিলগৈ। কদমীৰ মাতে যেন জ্বলা জুইত ঘিউহে ঢালিলে। হিতাহিত জ্ঞান লোপ পালে। খঙতে সৰ্ব্বশৰীৰ কঁপিল। মুখখন হিংস্ৰজন্তুৰ দৰে বিকৃত কৰি দাঁত নিকটাই হুংকাৰ দিলে "কুলাঙ্গাৰ নৰপশুক আজি কাটি দুছোৱা কৰিম···" বুলিকৈ আশালতাৰ হাতৰ পৰা দাখন টানমাৰি লৈ তেওঁ ওলাই গল।

— চাৰি —

তাৰে এঘণ্টামান পিছত। মণ্ডলনী আহি চোতালত ভৰিদি দেখিলে যে আশালতাই মূৰে-কপালে হাতদি মাজ চোতালত মাটিতে বহি বাহ্যজ্ঞান লুপ্ত হোৱাৰ দৰে হৈ কিবা ভাবি আছে। মণ্ডলনী অহাৰ কথা তাই গমকে নাপালে। পঞ্চানন গুলাই যোৱা সময়ত তাই য'তে বহি আছিল তাৰপৰা লৰচৰ কৰা নাই।

পিতৃ-মাতৃৰ অকাল বিয়োগৰ যি কুৰা জুই অহৰহ আশাৰ কোমল অন্তৰখনত ধাৰণৰ চিতাৰ দৰে দপ্দপ্ কৰে জ্বলি আছিল সেই লেলিহান শিখাৰ লগতে মাকৰ মৃত্যুৰ শেষ পৰিণতি হিচাবে সমাজপতি ভিকন্ত পঞ্চাননৰ ঘৰত আশ্ৰয়লৈ বান্দী খাটিবলগীয়া হোৱাৰ অসহনীয় শাৰীৰিক কষ্ট আৰু মনৰ অসহ্য গ্লানিয়ে তাইৰ অন্তৰত আৰু একুৰা জুই যোগ কৰি দি দেই-পুৰি ছাই কৰি পেলাইছিল। তথাপিও উপায়ান্তৰহৈ প্ৰবল চেষ্টা কৰি নিজৰ বিদ্ৰোহী মনক সংযত কৰি ৰাখি যন্ত্ৰৰ দৰে সকলো কাম কৰি গৈছিল যদিও প্ৰথম দিনাৰ পৰাই সদুপায় চিন্তা কৰি আছিল। পৰামৰ্শ এটা সুধিবলৈ কাকো লগ নাপায়। তাইৰ দুখ পতিয়াই সহানুভূতি দেখুৱাবলৈ অথবা এষাৰ প্ৰবোধ দিবলৈ কোনো নাই। মনৰ অসহন বোজাটো কাৰোবাৰ আগত কৈ পাতলোৱা দূৰৰ কথা এষাৰ কথা পাতি এখন্তেকৰ বাবে হলেও পাহৰিবলৈ কোনো এজনক লগ নাপাই দিনে নিশাই তাইৰ মনত সেই একেটা চিন্তা আৰু প্ৰতিকাৰৰ কোনো উপায় উদ্ভাৱন কৰিব নোৱাৰি অগত্যা

অনিচ্ছা সত্ত্বেও বিনাবাক্যব্যয়ে পঞ্চাননৰ বিনাবানচৰ বান্দীকাম কৰাৰ বাহিৰে উপায় নাছিল।

মাক ঢুকোৱাত তাইৰ সকলো আশা-ভৰসা আছিল একমাত্ৰ কল্যাণৰ ওপৰত। সৰুৰ পৰাই তাই তাৰ ওপৰত নিৰ্ভৰশীলা আৰু তাইৰ মনত একমাত্ৰ এৰিব নোৱাৰা আপোনজন। সি দূৰলৈ যাবলগীয়া হোৱাত তাই হতাশ হৈছিল যদিও তেতিয়াৰ পৰা তাৰ মাকৰ ওপৰতে সকলো ভৰসা কৰি মন ডাঠ কৰিছিল। কল্যাণ আৰু মণ্ডলনীৰ বাদে এই সংসাৰত আপোনজন কোনোবা আছে বুলি আজিলৈক তাই বিচাৰি পোৱা নাই। তাই জানে কল্যাণে যোৱাৰ আগৰ পৰা তাইক নিজৰ ওচৰত ৰাখিবলৈ মাকক বাৰে বাৰে অনুৰোধ কৰিছিল আৰু মণ্ডলনীয়েও চেষ্টা নকৰা নহয় কিন্তু অৱশেষত আশ্ৰয় দিব নোৱাৰিলে। মণ্ডলেও তাইৰ পক্ষ লোৱা বুলি শুনিছিল কিন্তু নিজৰ ঘৰত হেনো ৰাখিব নোৱাৰিলে, গঞাৰ কাৰণে—সমাজৰ কাৰণে। কিয়নো তাইক সকলোৱে মিলি হাতে-ভৰিয়ে বান্ধি পানীত পেলাই দিয়াৰ দৰে পঞ্চাননৰ কৱলত পেলাই দি জীৱন্ততে তিলতিল্‌কৈ মৰিবলৈ এৰি দিলে সেই কথাৰ নিষ্পত্তি বহুত ভাবিও তাই আজিলৈকে কৰিব পৰা নাই……

মণ্ডলনীয়ে তাইক অৱশেষত বুজাইছিল যে সমাজৰ শাসন কোনোমতে উলাই কৰিব নোৱাৰি সেইবাবেহে সমাজৰ নিৰ্দ্দেশ মতে আগ্ৰহ থকা সত্ত্বেও তাইক নিজৰ ঘৰত আশ্ৰয় দিব নোৱাৰি পঞ্চাননৰ আশ্ৰয়ত ৰাখিবলৈ বাধ্য হৈছে। মণ্ডলনীৰ মুখত সেই কথা শুনাৰ পৰাই আশালতাৰ মনৰ আশা, উৎসাহ তেনেই লোপ

হয়। তাইৰ মনত সদায় ভাব হয় যে এইখন কিহৰ সমাজ? যি সমাজে আশ্ৰয়হীনা, অনাথা অসহায়া ছোৱালী এজনীক নিৰাপদ আশ্ৰয়ত থাকিবলৈ নিদি ডিঙিত জৰী লগাই বলিশাললৈ জোৰকৰি ঠেলি পঠিয়ায় সেই সমাজখন কিহৰ বাবে? দুৰ্ব্বলক ৰক্ষা নকৰি নিৰ্য্যাতন কৰাই সমাজখনৰ কাম নেকি? তাই দেখোন জানি বা নাজানি কোনো দোষ কৰা নাই, তেনেহলে কি অপৰাধত সমাজখনে তাইক কঠোৰ শাস্তিৰ ব্যৱস্থা কৰি অকালতে বিনাশ কৰিব খুজিছে? দৈৱই তাইক সা-সহায়হীনা কৰিলে, জীৱনৰ কোনো মূল্য নোহোৱা হ'ল, ভৱিষ্যত আশা-আকাঙ্ক্ষা একো নাই। সেই নিমিত্তে তাই জীয়াই থকাৰো কোনো প্ৰয়োজন নাই যদি সমাজখনে তাইক একেবাৰে মাৰি পেলোৱাৰ বন্দবস্ত নকৰি অসহনীয় কষ্ট ভুগি ভুগি তিল্‌তিল্‌কৈ পলে পলে মৰাৰ ব্যৱস্থা কৰিলে কিয়? সদায় তাই নিজকে নিজে প্ৰশ্ন কৰে— কিয়, কিয়, কিয়···? কিন্তু কোনো সমাধান বিচাৰি নাপায়। এই প্ৰশ্নকে সেইদিনা মণ্ডলনীৰ ঘৰলৈ যোৱাত তেওঁকো কৰিছিল, কিন্তু মণ্ডলনীয়েও কোনো ভাল উত্তৰ দিব নোৱাৰি বহুত পৰলৈ তলমূৰকৈ থাকি অৱশেষত চকুপানী কেইটোপামান পেলাই নিজৰ অসহায় অৱস্থাৰ কথা কৈ উত্তৰ দিছিল "আমি যে শূদিৰ আই, আমাৰ ঘৰত তেওঁলোকে কিয় থাকিব দিব?"

কিন্তু সেই উত্তৰ শুনি আশালতা সমূলি পতিয়ন নগল। কবলৈ হলে সৰুৰ পৰাই তাই মণ্ডলনী খুৰীয়েকৰ ঘৰতে খাই-বৈ তেওঁৰ লৰা-ছোৱালীকে নিজৰ ককায়েক-ভায়েক-ভনীয়েক বুলি ধৰিবলৈ আজিকোপতি চলি আহিছিল। মাকৰ মৃত্যুৰ পূৰ্ব্ব

মুহূৰ্ত্তলৈতো তাইক কোনো সমাজে বাধা দিব অহা নাছিল। তেতিয়ালৈকে তাই কল্যাণ আৰু মণ্ডলনীৰ লগত কোনো ভেদ-ভাৱ বুজি পোৱা নাছিল আৰু মাকেও কোনো দিনে তাইক তেনে কথা কোৱা নাছিল। তেনেহলে ভাগ্য-পছোৱাই তাইক থান্‌বান্ কৰাৰ লগে লগে সমাজ-বা'মৰালীয়ে একে কোবতে উৰুৱাই নি কিয় পঞ্চাননৰ পোতাশালত পেলাই দিলে? এই কথাকে মণ্ডলনীক আকৌ এবাৰ সুধিছিল "কিয় দিলে খুৰীদেও, মৰিবলৈ নে জীয়াই থাকিবলৈ? কওক জীয়াই থাকি মোৰ কি লাভ আৰু তাত নাখাই-নবৈ কোনোদিনে নকৰা হাড়ভগা কামবোৰ কৰি কেইদিনলৈ মই জীয়াই থাকিম?"

মণ্ডলনীৰ মনতো সেই একেটা প্ৰশ্নৰেই উদয় হৈছিল। আশাক এইদৰে খালত পেলাবলৈ এৰি দি নিজৰ বুকুৰ একাল যেন ক'লা পৰি গৈছিল। আকাশ-পাতাল ভাবিও কোনো সমিধান নাপাই অৱশেষত আশাৰ ডিঙিত সাৱটি তাইৰ মূৰটো নিজৰ বুকুত সুমাইলৈ চেনেহৰে নানান উপদেশ দিছিল আৰু তাৰ পিছত প্ৰবোধ দি কৈছিল "ভয় নকৰিবি আই, কেইদিনমানলৈ ধৈৰ্য্য ধৰি কষ্ট সহ্য কৰি থাকিবই লাগিব। কিয়নো আমাৰতো কোনো শক্তি নাই। তোক তালৈ পঠাই মোৰো বুকুখন উদং হৈছে। তোক মোৰ বুকুৰ মাজলৈ নিশ্চয় আনিম আৰু মই নমৰো মানে মোৰ লগত ৰাখিম। ইতিমধ্যে কল্যাণ ঘৰলৈ আহক, সি আহিলে নিশ্চয় কিবা এটা দিহা হবই হব, জানিবি।"

মণ্ডলনীৰ অন্তৰৰ অকৃত্ৰিক চেনেহৰ-এভাগ তাইৰ প্ৰতিও আছে বুলি আশাই ভালকৈ জানে। মণ্ডলনীৰ এই কথাত

তাই মনত বহু পৰিমাণে বল পাইছিল। তেওঁৰ কথাত তাই কেতিয়াও অবিশ্বাস কৰা নাই, তেতিয়াও নকৰিলে। তেওঁৰ মৰমৰ উপদেশ আৰু আশ্বাস-বাণী শুনি সেইদিনা পঞ্চাননৰ ঘৰলৈ উভতি আহি গালি · খাইছিল যদিও তেতিয়াৰ পৰা উদ্ধাৰৰ আশা এটাই মনত বল দিছিল আৰু সেই বলতে বলীয়ানহৈ মৰিপৰিও পঞ্চাননৰ যাবতীয় কাম কপালক ধিয়াই কোনোমতে চলাই আছিল। মনত সদায় ভাবে কলেজ বন্ধ হলেই কল্যাণ আহিব আৰু তায়ো উদ্ধাৰ হব পাৰিব। তালৈ বেছি দিন নাই কিন্তু হঠাতে আজিৰ এই ঘটনাই আকৌ সকলো ওলট-পালট কৰি দিলে। ভোক-পিয়াহত জৰ্জ্জৰিত আধামৰা অৱশ শৰীৰেৰে কৰা অসহ্য পৰিশ্ৰমতকৈও আজিৰ এই নিৰ্ম্মম আঘাতে মৰ্ম্মস্থলত মৰ্ম্মান্তিক বেদনা দিলে। ইয়াৰ প্ৰতিকাৰৰ উপায় কি?… মৃত্যু…নে আৰু কিবা আছে? তাৰেই পথ বিচাৰি মনটোৱে কোনোবা অপাৰ সাগৰৰ অতল তলিত আশ্ৰয় বিচাৰি বিচৰণ কৰি ফুৰাবাবে মণ্ডলনী অহাৰ কথা গম পোৱা নাছিল।

আশাক সেইদৰে আউলী-বাউলী চুলি আৰু লেতেৰা অসংযত কাপোৰ-কানিৰে মন মাৰি বহি থকা দেখি মণ্ডলনীৰ বুকুখন কঁপি উঠিল। তেওঁ ওচৰলৈ আহি তাইৰ গাত ধৰি মৰমৰ মাতেৰে কলে "কি হৈছে অ' আই? উঠ, তোক সদায় একোবাৰ যাবলৈ মই কৈছিলো নহয়, পিছে ক'তা? মই সদায় আশাকৰি হতাশ হৈ নিজেই লৈ যাবলৈ আহিছো। ব'ল আই মোৰ লগতে…"

মণ্ডলনীয়ে গাত ধৰাত প্ৰথমে আশাই চক্ খাই উঠিল। মূৰ দাঙি তেওঁৰ মুখলৈ চালে। তেওঁ কিবা কোৱা শুনিলে

কিন্তু কোনো কথা তাইৰ কাণত নোসোমাল। মণ্ডলনীৰ গাত সাৰটি ধৰি হুক্ হুক্ কৰে পাৰেমানে কান্দিবলৈ ধৰিলে। মাকৰ মৃত্যুত তাই এইদৰে হুৰাওৱাৰে কান্দিছিল। তাৰ পিছতো সদায় দিনে নিশাই চকুপানীৰে আহ্বান কৰি দৈনন্দিন কামবোৰ কৰি ফুৰিছিল আৰু ৰাতি বিছনাত পৰি কান্দিছিল যদিও কোনো দিনে ইমান অধৈৰ্য্য হৈ ডাঙৰকৈ কন্দা নাছিল।

মণ্ডলনীৰ চকুৰেও পানী ববলৈ ধৰিলে। মুখৰ মাত নোলোৱা হ'ল। কোনো কথা নোসোধাকৈয়ে তাইক সাৱটি ধৰি বৰ চেষ্টা কৰি কথমপি উচ্চাৰণ কৰিলে "আহ আই, তই মোৰ ছোৱালী...মোৰ বুকুৰ মাজত থাকিবিহঁক...ব'ল...।" কাৰো মুখত কোনো কথা নাই। সাৱটা-সাৱটিকৈ ধৰি সেইদৰেই উভয়ে 'গুলাই মণ্ডলনীৰ ঘৰ পালেগৈ।

মনথিৰ মণ্ডলে ধপাত হুপি হুপি চোতালতে বহি আছিল। তেওঁ দেখিলে যে আশাই ফেকুৰি ফেকুৰি কান্দিছে আৰু ঘৈণীয়েকৰ গালেৰেও চকুলো বৈ পৰিব লাগিছে। আচৰিতহৈ ততালিকে থিয়হৈ সুধিলে "কি হ'ল, কি হ'ল ?" বুলি তেওঁ আগবাঢ়ি গল কিন্তু এজনীৰ মুখৰ পৰাও উত্তৰ নোলাল। তেওঁৰ ওচৰেৰে উভয়ে সেইদৰেই ভিতৰ চোতাললৈ গ'ল। আশাৰ লগত মণ্ডলনীও পিৰালিতে বহিল। মণ্ডলো পাছে পাছে গৈছিল। ব্যগ্ৰভাবে বাৰে বাৰে তেওঁ ঘৈণীয়েকক সুধিলে "কি হৈছিল সোনকালে কোৱা ? নোকোৱা কিয় ? ইস্, এইকেদিনতে ছোৱালীৰ যিহে দুৰৱস্থা হৈছে...এতিয়া কি হৈছে...কোৱা সোনকালে..."

মণ্ডলনীয়ে যি দেখিছিল তাকেহে বৰ্ণালে। আশালতাৰ অৱস্থা তেতিয়াও শান্ত হোৱা নাই। বহুত পৰলৈ মূৰে-গাঁয়ে হাত বুলাই, বুজাই বৰাই শান্ত কৰিলে। তাই থোকাথুকি মাতেৰে এফালৰ পৰা সকলো কথা বৰ্ণালে। কথা শুনি থাকোতে মনথিৰ মণ্ডল উত্তেজিত হ'ল। খঙতে চকু ৰঙা পৰিল। আশাৰ কথা শেষ হোৱাত তেওঁ থিয়হৈ কলে "তুমি ছোৱালীজনীক খুৱাই-বুৱাই সুস্থ কৰা, ইয়াৰ প্ৰতিকাৰ কৰিবই লাগিব। মই বেদান্ত দাদাক লগ ধৰি আহোগৈ।" বুলি তেওঁ বেগেৰে ওলাই গ'ল।

মুক্তাৰাম অধ্যাপক গুটি লগা গছৰ নিচিনা বিদ্যাত যেনেকৈ চহকী সেইদৰে স্বভাৱতো শান্ত-শিষ্ট আৰু বচনতো গহীন-গম্ভীৰ। অনাৱশ্যকীয় কথা তেওঁৰ মুখেৰে নোলায় কিন্তু যি কেষাৰ কথা ওলায় সেইখিনিৰ ওজন বৰ গধুৰ। হোৱাই নোহোৱাই সঁচাই মিছাই যিহকে পায় তাকে কব নোৱাৰে বাবেই তেওঁ কথকী নহয়। গাঁওৰ মেলত তেওঁ উপস্থিত থাকে সঁচা কিন্তু মেলকি বুলি তেওঁৰ খ্যাতি সমূলি নাই। মেল্‌কি বুলি খ্যাতি নাথাকিলেও গাঁৱৰ সকলোৱে কিন্তু তেওঁক যথেষ্ট মান-সন্মান কৰে। তেওঁ এগৰাকী নিষ্ঠাবান, সাত্ত্বিক আৰু সাধু পুৰুষ। কোনোবাই বিপদত পৰি দিহা-পৰামৰ্শ সুধিলে তেওঁ নিজৰ সমস্যা বুলি ভাবিলৈ সজ পৰামৰ্শ দি সহায় কৰে।

মনথিৰ মণ্ডলক বহিবলৈ দি তেওঁ অহাৰ উদ্দেশ্য সোধাত মণ্ডলে আশালতাৰ অসম্ভৱ হাৰভগা পৰিশ্ৰম, অমানুষিক গালি-শপনি, অতিৰিক্ত নিয়ম-নিষ্ঠাৰ অত্যাচাৰ আৰু অৰ্দ্ধাহাৰ-অনাহাৰ আদিৰ কথা বৰ্ণাই উঠি আজিৰ পৈশাচিক ঘটনাৰ কথা কলে। বেদান্ত-

বাগীশে সকলো বৰ্ণনা মনোযোগেৰে নিমাতহৈ শুনি আছিল। আশালতাৰ দুখ-দুৰ্গতিৰ কথা শুনি তেওঁৰো বৰ খং উঠিল, চকু-মুখ ৰঙা পৰিল। দুখুনী আশাৰ অবৰ্ণনীয় দুৰৱস্থাৰ কথা শুনিলে কাৰনো খং মুঠাকৈ থাকিব পাৰে? তদুপৰি ক্ৰোধ নামক ৰিপুটো জীৱৰ সহ-জাত শত্ৰু। কিন্তু যি মানুহে খঙৰ বশৱৰ্ত্তী নহৈ তাকহে বশীভূত কৰিব পাৰে তেৱেঁইহে জ্ঞানী আৰু তেৱেঁই যথাযথ ভাবে সকলো সময়তে কৰ্ত্তব্য স্থিৰ কৰিব পাৰে। উত্তেজনাই তেওঁক সজ পথৰ পৰা পিছল খুৱাব নোৱাৰে। সেইদিনা গধূলিও মুক্তাৰাম অধ্যাপকৰ খং উঠিছিল আৰু খঙৰ মাজতেই ভাবি চিন্তি উচিত কৰ্ত্তব্য স্থিৰ কৰি আশাৰ বাবে পঞ্চাননক সাৱধান কৰি দি শাসন-বাণী শুনাই আহিছিল।

মণ্ডলৰ কথাৰ শেষত অধ্যাপকে সেইদিনাৰ ঘটনাটোৰ কথাকৈ পঞ্চাননক সাৱধান কৰি দি অহাৰ কথাও কলে। তাৰ পিছত তলমূৰকৈ ভাবিবলৈ ধৰিলে। তেওঁ বহু পৰলৈ নিমাতহৈ থকা দেখি মণ্ডলে মনতে অলপ উচ্‌পিচ্‌ কৰি শেষত নিজেই কলে যে আশালতাক তেওঁ নিজৰ ঘৰতে ৰাখিব, পুনৰায় পঞ্চাননৰ ঘৰলৈ কেতিয়াও নিব নিদিয়ে।

মুক্তাৰামে মনখিৰৰ মুখলৈ একোৰেখৰে চাই আছিল আৰু চিলিমত জুই নথকা হাতৰ হোকাটোত মাজে সময়ে দুই এহোপা মাৰিছিল। তাৰ পিছত দীঘলকৈ এহোপা মাৰি চিলিমলৈ চাই কলে "তুমি এখন্তেক বহাদেই, মণ্ডল বাপু, মই নতুনকৈ এচিলিম লগাই আনোগৈ।" বুলি বেগাবেগিকৈ ভিতৰ সোমাই গল। অলপ পিছতে ধপাত হুপি হুপি আহি আকৌ বহিল।

মনথিৰ মণ্ডলে সুধিলে "তুমি কি দিহা দিয়া বেদান্তদা ?"

দীঘলকৈ এহোপা মাৰি চিলিমটো আৰু কলপাত এটুকুৰা মণ্ডললৈ আগবঢ়াই দি তেতিয়াহে অধ্যাপকে গহীনকৈ মাত লগালে "মইনো কি কম মণ্ডল বাপু, অথনিৰ পৰা ময়ো তাকেই ভাবিছো। তুমি দেখোন সকলো জানায়েই, তথাপি সুধিলা যেতিয়া কওঁ শুনা, ছোৱালীজনীৰ কষ্ট হৈছিল বুলি আৰু নীচমনা পঞ্চাননে তাইক ইতৰ ব্যৱহাৰ কৰা বুলি মই জানো। তাইৰ কষ্টৰ কথা ভাবিলেই পুতৌ ওপজে কিন্তু প্ৰতিকাৰৰ পথ নাপাওঁ। সেইদিনা গধূলি পঞ্চাননক সাৱধান কৰি দি আহি ভাবিছিলো যে সি ভবিষ্যতে তাইক বেয়া ব্যৱহাৰ কৰিবলৈ সাহ নকৰিব কিন্তু এতিয়া দেখিছো ওলোটাটোহে কৰিছে। তাৰ অমানুষিক অত্যাচাৰৰ কথা শুনি মোৰো অন্তৰখনে কান্দিছে। বিশেষকৈ ষড়াননৰ কথা শুনি মই স্তম্ভিত হৈছো। গাঁওখনক সি জ্বালাতন কৰিবলৈ বাকী ৰখা নাই। এতিয়ালৈ তাক যে কিয় পুলিচত দিয়া নাই কব নোৱাৰো কিন্তু মোৰ বিশ্বাস তালৈ বেছি দিন আৰু নাই। যি নহওক, আশাৰ প্ৰতি মোৰো কৰ্ত্তব্য নিশ্চয় আছে কিন্তু তোমাক কি কম মণ্ডল বাপু, সেই বিষয়ত মই নিৰুপায়..."

মনথিৰ মণ্ডলে বুজিলে যে অধ্যাপকে ঘৈণীয়েকৰ নিমিত্তে আশালতাক নিজৰ ঘৰত আশ্ৰয় দিব নোৱাৰে। সেই কথাৰ উল্লেখ নকৰি ক'লে "তাইক আপুনি আশ্ৰয় দিয়াৰ কথা ভাবিবলৈ মই কোৱা নাই বেদান্ত দা, মই সুধিছো মোৰ ঘৰত..."

মুক্তাৰাম বেদান্তবাগীশে মাত লগালে "জানো মণ্ডল বাপু, তাকেহে অথনিৰ পৰা ভাবি স্থিৰ কৰিব পৰা নাই। কওঁ শুনা, অভাগিনী, দুখুনী আশালতাৰ মুখলৈ চাই তাইক তুমি নিজৰ ঘৰত আশ্ৰয় দিয়া নিতান্ত উচিত হব। তায়ো নিজৰ ঘৰত থকাদি নিশ্চিন্ত মনেৰে সুখত থাকিব। সকৰ পৰাইতো তোমালোকৰ ঘৰতে তাইক লালন-পালন কৰিছা, এই কথা মই ভালকৈ জানো। তাত থাকিলে তাই মাক-বাপেকৰ কথাও পাহৰি থাকিব। আনপিনে মই কওঁ, সমাজে তোমাক বা তাইক কোনো শাসন কৰিবলৈ অধিকাৰ নাই। অৱশ্যে কুটিল আৰু হিংসুক পঞ্চানন তোমাৰ চিৰ শত্ৰু হব আৰু সি নানা ৰকমে অন্যায় কৰিবলৈ চেষ্টা কৰিব, পিছে তাকো মই সমূলি ভৱা নাই। কিন্তু বাপু, ..." বুলি আকৌ নিমাত হ'ল।

"কিন্তু কি বেদান্তদা?" মণ্ডলে সুধিলে।

চিলিমটো মণ্ডলৰ পৰা আনি আকৌ দুহোপামান মাৰি মুক্তাৰামে কলে "মই ইয়াকে কব খোজো যে এইটো এটা ডাঙৰ সমস্যা উপস্থিত হৈছে। তোমাৰ আগ-পাছ ভাবিবলৈ বহুত কথা আছে। সেইবোৰ তুমি এতিয়ালৈকে নিশ্চয় ভাবি চোৱা নাই। ধৰা, তোমাৰ ল'ৰা কল্যাণৰ লগত সৰুৰে পৰা ককায়েক-ভনীয়েকৰ দৰে ডাঙৰ হলেও আচলতে সম্পৰ্ক একেবাৰেই নাই। আশালতাৰ সম্প্ৰতি ভৰ যৌৱন আৰম্ভ হলহি আৰু তোমাৰ কল্যাণো সৰু হৈ থকা নাই। অৱশ্যে দুয়োৰে স্বভাৱ-চৰিত্ৰ সৰুৰে পৰা ভাল কিন্তু বয়সৰ ধৰ্ম্ম এটাও আছে নহয়।

কল্যাণৰ কথা এৰিলো বাৰু, পিছে তোমাৰ ঘৰলৈ আহ-যাহ কৰা মানুহ, মিতিৰ-কুটুম আদিৰ সংখ্যা নিচেই তাকৰ নহয়। তাইৰ উজনি মুৰা বয়স তাতে আকৌ বিধবা। বিয়া দি উলিয়াই দিয়াৰ প্ৰশ্ন নুঠেই। ইপিনে ভৱিষ্যতে তাইতো তোমাৰ ঘৰ এৰি যাবলৈ কতো ঠাই নাই, হয়নে নহয় বাৰু, মণ্ডল বাপু?"

"ঠিক কথা বেদান্তদা, ভৱিষ্যতৰ এইবোৰ সমস্যাৰ কথা মই সমূলি ভাবি চোৱা নাছিলো।" মণ্ডলে কলে, "পিছে আৰু এটা কথা, ভৱিষ্যতৰ এইবোৰ সমস্যাৰ কথা ভাবি চকুৰ আগতে আশালতাৰ এই অৱস্থা দেখি কাপুৰুষৰ দৰে মই চাই থাকিব নোৱাৰো। কিবা এটা প্ৰতিকাৰ…"

মুখৰ কথা কাঢ়ি নি বেদান্তবাগীশে কলে "তাকেহে ময়ো কব খুজিছো বাপু, নীৰৱ সাক্ষীহৈ চাই থাকিব তুমিও নোৱাৰা, ময়ো নোৱাৰো। মনুষ্যত্ব থকা কোনো মানুহেই নোৱাৰে। এতিয়া প্ৰতিকাৰৰ উপায় কি সেয়েহে হৈছে আচল কথা। বাঁধা নোহোৱা হলে তুমি নিজৰ ধন খৰচ কৰি বিয়াদি উলিয়াই দিব পাৰিলাহেঁতেন। আশালতা নতুনকৈ ফুলা ফুল পাহিৰ দৰে পবিত্ৰ, নিষ্কলঙ্ক আৰু ধুনীয়া কিন্তু তাই যে ভাগ্য-নিপীড়িতা বিধবা! আনপিনে চোৱা, আমাৰ সমাজখন তেনেই শাওণৰ মেঘৰ নিচিনা ক'লা, পঙ্কিল আৰু কলুষেৰে আবৃত। তথাপি এই সমাজখনৰ মনতো তাই এটা আতঙ্ক আৰু চকুত বিভীষিকা। আমি এই সমাজখনৰ মাজতে বাস কৰি আছো আৰু থাকিব লাগিব। এই কলুষৰ ভয়ৰ পৰা যদি তাইক তুমি

ৰক্ষা কৰি ৰাখিব পাৰা তেনেহলে নিশ্চিন্ত মনেৰে আশ্ৰয় দিয়াগৈ যোৱা। আৰু যদিহে চিৰদিনলৈ আশ্ৰয় দিয়াৰ কিবা বাধা-বিঘিনি ওলায় তেতিয়া পিছে পৰেও আমি কিবা এটা সুবন্দবস্ত কৰিব পাৰিম। সম্প্ৰতি কিছুদিনতো তাইক তোমাৰ ঘৰত ৰাখিবই লাগিব। এয়ে মোৰ শেষ সিদ্ধান্ত জানিবা।"

অধ্যাপকৰ যুক্তিবোৰ মনথিৰ মণ্ডলে অগ্ৰাহ্য কৰিব নোৱাৰিলে। এইবোৰ বিষয়ে মণ্ডলে ইতিপূৰ্বে সমূলি ভবা নাছিল। তেওঁ বৰ বিমোৰত পৰিল। আশালতাকো এৰিব নোৱাৰে আৰু মুক্তাৰামৰ যুক্তিপূৰ্ণ কথাও দলিয়াই পেলাব নোৱাৰে। অৱশেষত কলে, "এৰা সমস্যাৰ কথা। বৰ চিন্তাত পৰিলো বেদান্তদাদা ··· এপিনে গজহস্তি আনপিনে মালখাৰৈ অথবা তলে গোবধ ওপৰে ব্ৰহ্মবধ। এতিয়া কি যে কৰো ··· ?"

মুক্তাৰামে কলে "নিশ্চয় চিন্তাৰ বিষয়। পিছে, মণ্ডল বাপু তুমি এতিয়াই বিবুদ্ধি হোৱাৰ আৱশ্যক নাই। কিয়নো সম্প্ৰতি কিছুদিনলৈ তাইক তুমি নিজৰ ঘৰত আশ্ৰয়দি ৰখাত কোনো বাধা নাই, লাহে ধীৰে ভাবি চিন্তি কিবা এটা উপায় কৰিলেও হব। ময়ো আজি নিশা দকৈ ভাবি চাম আৰু কি কৰিলে ভাল হব ভৱিষ্যতে তোমাৰ লগত আলোচনা কৰি স্থিৰ কৰিম। তুমি সম্প্ৰতি আগবাঢ়া দেই, ময়ো অলপ পিছতে যাব লাগিছো। ছোৱালীজনীক চাই মাত-কথা এবাৰ দি আহিমগৈ।"

মনথিৰে ঘৰ পাই দেখিলে যে মণ্ডলনীয়ে ইতিমধ্যে আশালতাক গা-পা ধুৱাই নিজৰ কাপোৰ-কানি পিন্ধাই জা-জলপান খুৱাই তাইৰ কাৰণে চাউল এমুঠি সিজাবলৈ লগাই

দি নিজে বাহিৰলৈ আহি মণ্ডললৈ বাটচাই বৈ আছে। আশাৰ আগত তাইৰ বিষয়ে আলোচনা কৰি সিদ্ধান্ত লোৱা অন্যায়। কিয়নো তেওঁ ভালকৈ জানে যে তাই সৰুৰে পৰা বৰ অভিমানী; তাতে আকৌ ওপৰাউপৰিকৈ ৰাহু-কেতুৰ নিপীড়ন আৰু নিষ্ঠুৰ পঞ্চাননৰ নিগ্ৰহে তাইৰ কোমল মনটো তেনেই অপ্ৰকৃতিস্থ কৰি পেলাইছে। হঠাৎ কেতিয়া যে কি কৰি পেলায় তাৰ কোনো স্থিৰতা নাই। হয়তো পাগলী হবলৈ বেছি দিন নাই' এইবোৰকে ভাবি আশালতাক পাকঘৰতে ব্যস্ত কৰি থৈ ওলাই আহি চ'ৰা ঘৰৰ সমুখত ব্যগ্ৰভাবে বৈ আছিল। গিৰিয়েক আহি পোৱা দেখি চ'ৰা ঘৰতে বহুৱাই সুধিবলৈ ধৰিলে। মণ্ডলৰ মন গধুৰ. মুখ গম্ভীৰ, সটকাই তেওঁ কোনো উত্তৰ দিব নোৱাৰি মূৰে কপালে হাত দি বহিল। অৱশেষত ঘৈণীয়েকৰ খেচখেচনিত নিমাতহৈ থাকিব নোৱাৰি বেদান্তবাগীশে কোৱা কথাবোৰ এফালৰ পৰা বৰ্ণাই গল। তাৰ পিছত কলে "গুৰুতৰ সমস্যাত পৰিলো, শুনিছা কল্যাণৰ মাক, বিবুধি হলো। কি কৰা উচিত হব সমূলি স্থিৰ কৰিব পৰা নাই। এইবোৰ কথা মোৰ মনত মুঠেই খেলোৱা নাছিল।"

ঘৈণীয়েকে দৃঢ় কণ্ঠেৰে কলে "সমস্যা কিটো আছে? অধ্যাপকে কলেই হ'লনে? কোনো ভয় নাই মই আছো। মই নমৰো মানে আশালতাক মোৰ বুকুৰ মাজত ৰাখিম। পঞ্চাননৰ বলিশাললৈ তো ঠেলি নিদিওঁৱেই, অইন কলৈকো যাব নিদিওঁ জানিব।"

দীঘল হুমুনিয়াহ কাঢ়ি শান্ত মাতেৰে মণ্ডলে কলে "হেৰা

বোপাৰ মাক, তুমিতো জানা যে ছোৱালীজনীক সকলে পৰা নিজৰ ছোৱালীৰ দৰেই মৰো মৰম কৰি আহিছো। আমাৰ কেইটাৰ লগতে তায়ো ডাঙৰ হৈছে। ইহঁতৰ নিচিনা অভাৱ-অনাটনৰ কথা তায়ো কোনো দিনলৈ গম পোৱা নাছিল। আমাৰ ঘৰত ৰাখিবলৈ মাক মৰাৰ সময়ত জানো আমি কম চেষ্টা কৰিছো? পিছে ৰাখিব পাৰিলো ক'তা? এতিয়াও ৰাখিম বুলিয়েই গৈছিলো কথাষাৰ আগধৰি বেদান্ত দাদাৰ কাণ ছুৱাবলৈ আৰু ইয়াতে ৰাখিব পাৰিলে মোৰো মনে তৃপ্তি পায়। পিছে সম্প্ৰতি সকলো বিষয়ে ভাবি মানে মই কব খুজিছো যে ...”

অলপ খং মনেৰে ঘৈণীয়েকে কলে “অধ্যাপকে যিয়েই ভয় সুখুৱাওক আৰু আপুনি যিয়েই নাভাবক তাইক মোৰ ঘৰত ৰাখিমেই জানিব। আপোনাৰ কোনো ভয় নাই। চাওকচোন বাৰু, তাই দৈৱ দুৰ্বিপাকত পৰি নিঠৰুৱাহৈ অসহায়ৰ অতল সাগৰত পৰি ককবকাব লাগিছে সেই বাবেই তাইক সা-সহায় কৰাৰ সলনি বাটৰ কুকুৰৰ দৰে ছেই ছেই, লেই লেই কৰি খেদি দিব লাগিলনে? ইয়াতকৈ ৰেছি নিষ্ঠুৰতা আৰু মহাপাতকৰ কথা কিবা আছেনে? বৰ দুখৰ কথা, বৰ লাজৰ কথা। তেনে কথা মই ভাবিবও নোৱাৰো। অধ্যাপক আৰু আপোনাৰ যুক্তি মতে ইয়াতে কেইদিনমানলৈ ৰাখিলে বাৰু, তাৰ পিছত ...? তাৰ পিছত কি কৰিব? কাটি মাৰি নৈত উটাই দি আহিব নে পঞ্চাননৰ দৰে আন কোনোবাৰ বালিশালত সুমাই দিব?”

মণ্ডলে কুম দুটাত জোৰেৰে টিপি ধৰি অলপ সময়লৈ তলমূৰ কৰি নিমাতহৈ বহি থাকিল। ঘৈণীয়েকৰ কথাবোৰে তেওঁৰ অন্তৰত বাৰুকৈয়ে আঘাত দিছে। তেওঁৰ মনৰ সংকল্পও ঘৈণীয়েকৰ লগত মিলে—আশালতাক নিজৰ আশ্ৰয়ত ৰখাৰ তেৰো সম্পূৰ্ণ পক্ষপাতী আৰু তাকে কৰিব বুলি স্থিৰ কৰিহে বেদান্তবাগীশৰ ওচৰলৈ গৈছিল। নিজৰ কথা ভাবি নহয়, তাইৰ ভৱিষ্যত কল্যাণৰ কথা ভাবি। তেওঁৰ ঘৰত ৰখা বাবে যাতে পঞ্চাননৰ দলটোৱে তাইৰ কোনো ৰকমৰ অন্যায় কৰিব নোৱাৰে। তদুপৰি নিষ্ঠাবান পণ্ডিত মুক্তাৰাম দেউ সপক্ষে থাকিলে অইন কালৈকো ভয়েই নাই। কিয়নো অকল কুটিল পঞ্চাননে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে দিয়া অন্যায় বিধিয়ে আশালতাক জাতি-চ্যুৎ কৰিব নোৱাৰে বুলি মণ্ডলে ভালকৈ জানে। পিছে মুক্তাৰাম অধ্যাপকে ৰাখিবলৈ অনুমতি দিলে সঁচা কিন্তু লগতে যে তেওঁ মণ্ডলৰ ঘৰৰ আৰু আশালতাৰ ভৱিষ্যত কেলেঙ্কাৰীৰ ইঙ্গিত দি ভয় খুৱাই দিলে সেই কথাতহে মণ্ডল দোধোৰ-মোধোৰত পৰিল। মণ্ডল জনাবুজা মানুহ, সাহসো নথকা নহয় কিন্তু দৃঢ় মনোবলৰ অভাৱ। অধ্যাপকে অনুমানতে আঙুলিয়াই দেখুৱা মতে ভৱিষ্যতৰ কথা ভাবি তেওঁ ভয় খালে। তেওঁৰ নাম-যশ থকা বংশৰ অমৰ্য্যাদা আৰু আশালতাৰ কলঙ্কৰ কথা একোপধ্যেই তেওঁ ভাবিব নোৱাৰে। সেই ভীতিয়েই তেওঁৰ সকলো সদিচ্ছা আৰু যুক্তি তল পেলাই দিলে। ঘৈণীয়েকৰ মুখলৈ মূৰ দাঙি চাব নোৱাৰি ওপৰলৈ চাই মণ্ডলে কলে “কিন্তু উপায় কি, তুমিয়েই কোৱাচোন বাৰু?” বুলি অলপ

সময় বৈ ঘৈণীয়েকৰ পৰা কোনো উত্তৰ নাপাই আকৌ কলে "এৰা, ভাবিবলগীয়া বহুত কথা আছে, তদুপৰি লগতে সমাজৰ শাসনো আছে নহয়। সমাজখন এৰি তাৰ অনুশাসন নামানি কোনেও অকলে থাকিব নোৱাৰে।"

ঘৈণীয়েকে কলে "তেনেকুৱা সমাজৰ মাজত থাকিনো আমাৰ কি লাভ? মানে যি সমাজে নিৰাশ্ৰয়ক আশ্ৰয় নিদি খেদি দিয়ে, অসহায়ক সহায় কৰা দূৰত থাকক আকৌ এটা নতুন বিপদৰ মাজলৈ ঠেলি দিয়ে, অসহায়ৰ অথাই পানীত পৰি কক-বকাব ধৰা নিৰীহ জীৱ এটাক ডিঙিত ডোল লগাই বলিশাললৈ ঠেলি দি অকালতে তিল্ তিল্‌কৈ যমৰ ঘৰলৈ পঠোৱাৰ দিহা কৰে তেনেকুৱা সমাজত থাকিব লাগে কিয়? তেনেকুৱা সমাজ থকাতকৈ নথকাহে শতগুণে ভাল।"

মনথিৰ মণ্ডলে কলে "তোমাৰ কথা সঁচা কিন্তু ..." বুলি মূৰ দাঙি ঘৈণীয়েকৰ মুখলৈ চাই আকৌ কলে "শুনিছা কল্যাণৰ মাক, ইয়াৰ ভিতৰত আমাৰ ফালৰ পৰাও কথাটো বিবেচনা কৰিবলগীয়া আছে নহয়," বুলি অধ্যাপকে কোৱা আশালতাৰ উঠনমুৱা চঞ্চল যৌৱন, মণ্ডলৰ ঘৰলৈ আহ-যাহ কৰা আ-আলহী আদিৰ উপৰিও নিজৰ ল'ৰা কল্যাণ আদিৰ কথা আকৌ এবাৰ বৰ্ণালে। এইবোৰেই যে এই বিষয়ত ডাঙৰ আৰু ভাবিবলগীয়া সমস্যা হৈ পৰিছে তাকো কলে। এনেবোৰ কাৰণতেই যে আশালতা বা তাইৰ নিচিনা বিধবা বিলাক সমাজৰ মনত আতঙ্ক আৰু চকুত বিভীষিকা হৈ পৰে তাকে বুজাই দিলে।

মণ্ডলনীয়ে ইমান দকৈ ভাবি চোৱা নাছিল। মণ্ডলৰ যুক্তি শুনি তেওঁৰ যুক্তিবোৰ দলিয়াই পেলাব নোৱাৰি সতটকাই উত্তৰ দিব নোৱাৰিলে। মণ্ডলেই আকৌ কলে “মোৰ মনতো এই সমস্যাটো এটা গুৰুতৰ সমস্যা হৈ পৰিল। সম্প্ৰতি মই··” মণ্ডলৰ কথা শেষ নহল।

সেই সময়তে দুয়োজনৰ পাছফালে আন্ধাৰত হঠাৎ আশালতাই হুক্ হুক্ কৰি কান্দি উঠিল। দুয়োজনে তাইৰ কান্দোন শুনি চক্ খাই উঠিল। দুয়োজনৰে অন্তৰত কঁপনি উঠিল। কথাত ইমান তন্ময়হৈ আছিল যে অৰ্তাকিতে আশালতা কেতিয়া আহি পাছফালে থিয় হৈছিল তেওঁলোকে তাক সমূলি গম পোৱা নাছিল আৰু কিমানখিনিৰ পৰা বা তেওঁলোকৰ আলোচনা শুনিলে তাকো বুজিব নোৱাৰিলে। দুয়োজনে মনত বৰ লাজ পালে। বেচেৰী আশালতাৰ অৱস্থা দেখি আৰু অমানুষিক উৎপীড়নৰ কথা তাইৰ মুখে শুনাৰ পৰাই মণ্ডলনীৰ মনটোৱে যন্ত্ৰনাত ছট্ফটাই আছিল আৰু প্ৰতিকাৰৰ একমাত্ৰ উপায়, আশালতাক নিজৰ চেনেহৰ টাঁত ৰাখিব বুলি মনতে স্থিৰ কৰিছিল। গিৰিয়েকেও তেওঁৰ লগত অমত নহয় বুলিয়েই বিশ্বাস কৰিছিল কিন্তু সম্প্ৰতি মণ্ডলে বৰ্ণনা কৰা সমস্যাবোৰৰ কথা শুনি তেওঁৰ যেন মূৰ আচন্ত্ৰাই কৰিলে। মন ভাগি গল। চিন্তাৰ অথাই সাগৰত ডুবি পাৰ নেদেখা হল। আটাহ পাৰি কান্দিবৰ মন গল। তথাপি বৰ যত্নেৰে তাক ৰোধ কৰি আছিল কিন্তু হঠাৎ আশাৰ কান্দোন শুনি ওলাই আহিব খোজা প্ৰবল সোঁতক তেওঁ আৰু বাধাদি ৰাখিব

নোৱাৰিলে। তেওঁৰো কান্দোন ওলাল আৰু ততালিকে উঠি আহি আশালতাক বুকুত সাৱটিলৈ পোনেই পাকঘৰলৈ গল। চৌকাৰ জুই কেতিয়াবাই মুমাইছিল। চৰুত বহাই দিয়া চাউল চাউলেই আছে। সেইফাললৈ চকু দিয়াৰ অৱস্থা এজনীৰো নাছিল। মাটিতে বহি দুয়োজনীয়ে পাৰেমানে কান্দিবলৈ ধৰিলে।

ইফালে পঞ্চানন বেদবিদ্যানিধিয়ে মনৰ খণ্ডত হাতত দাখন লৈ পগলাৰ দৰে গোটেই গাঁওখন ঘূৰি ফুৰিলে. পুতেকৰ লগৰীয়াবোৰৰ ঘৰে ঘৰেও বিচাৰি চালে। যাকে যতে লগ পালে তাকেই ষড়াননৰ কথা সুধিলে কিন্তু তাৰ কোনো ফুটকে নাপালে। তাক কেৱে কতো দেখা নাই বুলি কোৱাত তেওঁ হতাশ মনেৰে ঘৰলৈ উভতিল। ঘৰে বাহিৰে আশালতাক বিচাৰি চাই কতো নেদেখি ধপাত এচিলিম লগাই আনি হুপি ছাই কৰিলে। ধোঁৱা নোলোৱা হলত আকৌ এচিলিম লগাই আনি তাকো ছাই কৰি অৱশেষত বহুত পৰলৈ মূৰে-কপালে হাতদি কিবা ভাবি থাকিল। তাৰ পিছত উঠি মণ্ডলৰ ঘৰলৈ বুলি লাহে লাহে খোজ ললে।

মণ্ডলৰ পদূলি পোৱাৰ আগৰে পৰা লাজতে পঞ্চাননৰ মূৰটো দোঁ খালে। পদূলি পাই ভুমুকি মাৰি চাই ভিতৰত মুক্তাৰাম অধ্যাপককো মণ্ডলৰ লগত দেখি তাৰ পৰাই পলাই যাবলৈ ইচ্ছা হল। অধ্যাপক আৰু মনথিৰ মণ্ডলক মুখ দেখুৱালেও যেন নিজৰ নাকটো কটা যাব. তেওঁ অলপ সময়লৈ থমকি ৰ'ল। তাৰ পিছত মন সংযত কৰি বুদ্ধি এটা উলিয়াবলৈ

কূট-কৌশলী পঞ্চাননৰ বেছি পৰ নালাগিল। যুঁজত জয়-পৰাজয় থাকে কিন্তু সেইবুলি পঞ্চাননে পৰাজয়ৰ ভয়ত মনৰ সংকল্প কেতিয়াও এৰি নিদিয়ে। তেওঁ ভিতৰলৈ সোমাই গল।

চোতালতে ঢাৰিত বহি অধ্যাপক আৰু মণ্ডলে তেতিয়া নিমাতহৈ ধপাত হুপি আছিল। নিশব্দে পঞ্চাননে ওচৰলৈ গৈ আন এখন ঢাৰিত বহিল। বাকী দুজনে দেখিছিল যদিও কোনেও মাতকে নলগালে। পঞ্চাননে বৰ সৰুকৈ• অনুতপ্ত হিচাপে নিজকে নিজে বকিবলৈ ধৰিলে। পুতেকক পাৰেমানে গালি পাৰিলে, শাও দিলে, তাক বিচাৰি লগ পোৱা হলে যে আজিয়েই কাটি টুছোৱা কৰিলেহেঁতেন তাকো ডুবাৰমান উচ্চাৰণ কৰিলে। তাৰ অপকৰ্ম্মৰ বাবে যে নিজৰ নাকটো কটা গল তাকো স্বীকাৰ কৰিলে।

ইতিমধ্যে তেওঁৰ পাছফালে নিশব্দে আহি যিকেজন মানুহ বহিছিল তেওঁলোকে দেখি আচৰিত হল যে এইজন আগৰজন পঞ্চানন যেন নহয়! আজি পঞ্চাননৰ মুখত দম্ভ-অহঙ্কাৰ, বা বৰকথা সমূলি নাই, ক'ৰবাত যেন' সেইবোৰ বিসৰ্জ্জন দি আহিছে। উদ্ধত সমাজপতি যেন ভিজা মেকুৰীটোহে!

অৱশেষত পঞ্চাননে যেতিয়া দেখিলে যে তেওঁৰ কথাত কোনেও নামাতে আৰু প্ৰতিবাদো নকৰে তেতিয়া নিজেই কথাৰ মোখানি মাৰি কলে "তুমি আছা মণ্ডল বাপু আৰু আমাৰ অধ্যাপক বেদান্ত বাপুও আছে, মই সঁচাকৈ কৈছো তাক মই আজিৰ পৰা ত্যজ্য-পুত্ৰ কৰিলো। মোৰ ঘৰলৈ অহা দেখিলেতো

তাক কাটি ছুছোৱা কৰিমেই, বাটে-পথে লগ পালেও নিশ্চয় কাটিম। তেহেলৈ মোৰ যি দণ্ড হয় হওক।"

তেওঁৰ কথা শেষ হোৱাত মুক্তাৰামে গহীন ভাবেৰে মাত লগালে "পঞ্চা দাদা, এদিন তোমাক মই সাৱধান কৰি দিছিলো, নামানিলা। এতিয়া কওঁ শুনা, তুমি যি সমাজখনৰ মুখিয়াল বুলি ইমান দিনে গৰ্ব্ব কৰি ফুৰিছিলা এতিয়া সেই সমাজখনেই তোমাক শাসন কৰিব।"

পঞ্চাননে কলে "তোমাৰ কথা ঠিক, বেদান্ত বাপু, আৰু সেই দণ্ডৰ ব্যৱস্থা সমাজপতি হিচাবে মই নিজেই কৰি নিজেই মূৰ পাতি ললো। এতিয়াৰ পৰা আশা আইৰ আৰু কোনো ভয় নাই।"

"ইমান সহজতে নহব পঞ্চাদা।" অধ্যাপকে কলে "যদি তুমি আশালতাক আকৌ তোমাৰ ঘৰলৈ নিব খোজা তেনেহলে আজি এই সমাজৰ আগত তুমি প্ৰতিজ্ঞা কৰিব লাগিব যে তাইক বান্দী বুলি ভাবি বান্দীৰ দৰে ব্যৱহাৰ নকৰা। তদুপৰি অমানুষিক অত্যাচাৰ কৰি তাইক অকালতে বধ নকৰা। তাৰ উপৰিও তোমাৰ কুলাঙ্গাৰ, দুৰ্ব্বৃত্ত, দুৰ্দ্দান্ত পশুতুল্য পুতেৰাৰ পৰা তাইক সততে নিৰাপদে ৰাখিবা বুলিও অঙ্গীকাৰ কৰিব লাগিব।"

পঞ্চাননে বঢ়িয়াকৈ জানে যে মনত যিয়েই নাথাকক লাগিলে, কাৰ্য্য সিদ্ধি কৰিবলৈ হলে উপস্থিত ক্ষেত্ৰত সেওঁহে এওঁলোকৰ কথা মানি চলাৰ বাহিৰে আন উপায় নাই। আজিৰ সমাজৰ মুখপাত্ৰ হিচাবে মুক্তাৰাম দেৱে যিহকে কলে নিতান্ত বাধ্য হৈ তাকেই মানিলৈ সমজুৱা কেজনৰ আগত সেই প্ৰতিজ্ঞা কৰিলে।

ভিতৰত মণ্ডলনীৰ জোৰত পৰি আশালতাই কান্দি কান্দি কোনোমতে চাউলকেইটা আৰু আলু দুটামান সিজাই আগত ললে। লগতে মণ্ডলনীয়ে দিয়া গাখীৰ বাটিও ললে আৰু অনিচ্ছাসত্বেও দুই এগৰাহ মুখত দিলে যদিও সি ভিতৰলৈ যাব নোখোজে। যেন সকলোবোৰ কিবা বিহহে। দিনটোৰ লঘোন তথাপি যেন পেটটো ভৰি আছে। মুখত দিলে ওকালি আহিব খোজে। মণ্ডলনীয়ে হকা-বাধা কৰাৰ আগতে হঠাতে কাঁহীত পানী ঢালি দি নিজে উঠি মুখ ধুলে। গিৰিয়েক-ঘৈণীয়েকৰ আলোচনা শুনাৰ পৰা এক দণ্ডও এই ঘৰত থাকিবলৈ তাইৰ ইচ্ছা নাই। তাইৰ ক্ষত-বিক্ষত অন্তৰখন ভাগি-ছিগি চূৰমাৰহে পৰিছিল। আজিহে তাই বঢ়িয়াকৈ উপলব্ধি কৰিলে যে এই সংসাৰখনত সা-সহায় এনেকি মুখৰ সহানুভূতি দেখুৱাবলৈও তাইৰ কোনো নাই। মণ্ডলনী খুৰীয়েক, যাক আজিকোপতি তাই বৰ আপোন বুলি ভাবি আছিল তেৱোঁ। তাইৰ কোনো নহয়। দয়া-মায়া, মৰম-চেনেহ সকলো মিছা, সকলো ভুল, মায়া-মৰীচিকা, ভ্ৰম···নিশাৰ সপোন।

নিজেই ওলাই আহি আশালতাই পঞ্চাননৰ পাছে পাছে তেওঁৰ ঘৰলৈ গল। মণ্ডলনী, মণ্ডল বা পেহাক অধ্যাপকে কি কৈছিল তাইৰ কাণত নোসোমাল। বাটে বাটে পঞ্চাননেও কিবাকিবি বকি গৈছিল, এষাৰ কথাও তাই নুবুজিলে। তাইৰ গ্লানিৰে ভৰা মন আৰু ক্লান্ত অৱশ শৰীৰটোৰ ভাৰ বহন কৰি লৈ ফুৰাও যেন অসম্ভৱ হৈছিল। হাত-ভৰি দাঙিবই নোৱাৰে। তথাপি পঞ্চাননৰ ঘৰ পাই এৰিব নোৱাৰা কৰ্ত্তব্য হিচাবেই

সকলো কাম সমাধা কৰি এমুঠি ৰাঙ্ঘি পঞ্চানন আৰু ঘৈণীয়েকক খুৱাই বাকী কামবোৰ শেষ কৰি নিজৰ শেতেলীত দীঘলদি পৰিল।

ইমান অৱশ হৈছিল যদিও আজি আশালতাৰ টোপনি নাহিল। চাকিটো নুমাই দি পাৰেমানে কান্দিলে। চকুৰ পানীৰে গাৰু তিতিল। চকুৰ পানীয়ে তাইৰ আজি একমাত্র সম্বল আৰু সা-সহায়, তাৰ বাহিৰে এই বিশাল জগৎখনত আৰু কোনো নাই...

বস্তুত পৰলৈ কন্দাৰ পিছত তাই ভাবিবলৈ ধৰিলে -- সমাজখনৰ কথা। যি ঠাইত ওপজি সৰুৰে পৰা তাই ডাঙৰ-দীঘল হ'ল সেই ঠাইৰ সমাজখনে তাইক আজি বাটৰ কুকুৰৰ দৰে ছেই-ছেই, লেই-লেই কৰে কিয়? কিয় তাইক হীন-চকুৰে চায়? তাইতো ক'তো কাৰো অনিষ্ট কৰিবলৈ যোৱা নাই, তেনেহলে তাইক সমাজে ভয় কৰে কিয়? তাইৰ দুৰ্দ্দশা দেখি অকণ সা-সহায়, এষাৰ সহানুভূতি বা এটা বিষাদৰ হুমুনিয়াহ পেলাওক ছাৰি হাতে-গলে বান্ধি হেচি-ঠেলি তাইক খালত পেলাই দিলে কিয়? তাইৰ মাক-বাপেক মৰাত নিঠৰুৱা হল বুলিয়েই নেকি? কিন্তু তাইতো সেই বিষয়ত জগৰীয়া নহয়, মাক-বাপেকৰ মৃত্যুত বাধা দিবলৈ তাইৰ কি হাত আছিল? আনপিনে দৈৱ-দুৰ্বিপাকত পৰি বাঁৰী হোৱাটোত বা তাইৰ অপৰাধ ক'ত? তেনেহলে তাইক মানুহৰ সমাজখনে হিংস্র জন্তুৰ দৰে ভয় কৰে কিয় আৰু দুৰাৰোগ্য ব্যাধিগ্রস্ত ৰোগীৰ নিচিনা অথবা ইতৰ-অস্পৃশ্য জীৱ-জন্তুৰ দৰেই বা ব্যৱহাৰ কৰে কিয়?

তাইৰ মনটোৱে বাৰে বাৰে প্ৰশ্ন কৰে—কিয়, কিয়, কিয়…
কিন্তু সেই প্ৰশ্নৰ কোনো সদুত্তৰ নাপায়। কোনে সমিধান
দিব ……?

পৰ্ব্বতৰ শুকান, তপত শিলৰ বুকু ফাটি শীতল পানীৰে উপাচ শিলৰ মাজে মাজে বৈ অহা জুৰিটিৰ দৰে তাইৰ পোৰা বুকু ফাটি ওলাই অহা প্ৰখৰ সোঁতটোৱে নয়নযুগল প্লাৱিত কৰি দুয়ো গালেৰে অনবৰত বৈ থাকিল। তাক প্ৰতিৰোধ কৰিবৰ তাইৰ শক্তি নাই আৰু ইচ্ছাও নাই, এই চকুলোৱেই যে তাইৰ বাকী জীৱনৰ সহায়-সাৰথি, একমাত্ৰ সম্বল…

— পাঁচ —

কল্যাণ। আশালতাৰ ভাগ্য-বিপৰ্য্যয়ৰ শোকে কল্যাণকো অভিভূত কৰি পেলাইছিল আৰু দুৰ্ভাগ্য গুণে তাই পঞ্চাননৰ ঘৰত আশ্ৰয় লবলগীয়া হোৱাত কল্যাণৰো অন্তৰত বৰ আঘাত লাগিছিল। কিয়নো আশালতাক সি তেতিয়ালৈকে নিজৰ ভনীয়েকৰ বাহিৰে ভিন বুলি ভাবিবই পৰা নাছিল। সি ভাবিছিল, আশাৰ মাক মৰিল যদিও তাৰ মাকতো আছে। গতিকে তাইৰ চিন্তাই নাই। তাৰ মাকৰ চেনেহৰ ছাঁত থাকি পৰম সুখেৰে থাকিব পাৰিব।

আশাতকৈ কল্যাণ চাৰি বছৰে ডাঙৰ। নিচেই সৰুৰে পৰাই

তাই প্ৰায় কল্যাণহঁতৰ ঘৰতে খাই-বৈ থাকি ডাঙৰ হোৱা বুলি কলেও ভুল নহয়। আশাৰ মাকেও কল্যাণ আৰু তাৰ ভায়েক-ভনীয়েকহঁতক আশাৰ সমানে মৰম কৰিছিল আটাইকেইটাক একে পৰিয়ালৰ বুলিহে জ্ঞান কৰিছিল। নিজেও বেছি ভাগ সময় মগুলনীৰ ঘৰত তেওঁৰ লগতে কটাইছিল।

সৰুৰে পৰা আশাৰ কাম আছিল কল্যাণৰ পাছে পাছে ঘূৰি ফুৰা, তাৰ লগত খেলা, তাৰ আল-পৈচান ধৰা আৰু মাজে সময়ে তাৰ ভুকু-চৰ-চাপৰ খোৱা। কল্যাণেও তাইক লগত নি নিজৰ বাৰীৰ লেচু, আম, লেতেকু, পনীয়াল, জলপাই, বগৰী আদি বতৰৰ ফলবোৰ পাৰি নিজেও খায়, তাইকো খুৱায়। কেতিয়াবা হঠাৎ তাই নগলে নিজে কঢ়িয়াই আনি ঘৰত দিয়েহি। সময়ত খং উঠিলে মাৰে আৰু তাই কান্দিলে হাতত কিবাকিবি দি নিচুকায়ো।

লৰালি কালছোৱা সেইদৰেই অতিবাহিত হৈছিল। স্কুলত পঢ়াৰ সময়তো আৱশ্যকীয় কিতাপ, কাকত, পেঞ্চিল আদি যাৱতীয় সামগ্ৰী সদায় কল্যাণেই যোগাইছিল। কল্যাণক দেখি আশালতাৰ পঢ়াশুনাত বৰ ধাউতি জন্মিছিল আৰু তায়ো সদায় তাৰ ওচৰত বহি পঢ়িছিল। কিতাপ-কাকত আদি যোঁতিয়াই যি লাগে মাক-বাপেকক নুখুজি তাকহে খুজিছিল।

আশা বিধবা হোৱাত কল্যাণে তাইৰ দুৰৱস্থাৰ কথা বুজিছিল যদিও দকৈ ভাবি চাই তাইৰ ভৱিষ্যত যে কিমান আন্ধাৰ হল অথবা তাইৰ জীৱনত নো কিমান বেছি ক্ষতি হল তাক তেতিয়া উপলব্ধি কৰিব নোৱাৰিলে। কিজানি সিমান দূৰ ভাবিবলৈ

বয়স বা জ্ঞান নোহোৱাৰ নিমিত্তেই ভাবিব নোৱাৰিলে। কিন্তু আশাৰ পিতাকৰ যেতিয়া মৃত্যু হল তেতিয়াহলে কল্যাণে বঢ়িয়াকৈ উপলব্ধি কৰিলে যে দুখুনী আশাৰ ভৱিষ্যত গাঢ় আন্ধাৰে আৱৰি ধৰিলে। তেতিয়াৰ পৰা সি তাৰ অন্তৰৰ অকৃত্ৰিম চেনেহ আৰু সহানুভূতিকণ আগতকৈ বেছি কৰি যেন উবুৰিয়াই ঢালি দিছিল। আশাই যাতে পিতৃবিয়োগৰ শোকত ভাগি নপৰে আৰু তাৰ বাবে যেন কোনো দুখ-কষ্টত নপৰে তালৈকে সি সদায় সচেতন আছিল।

অৱশেষত আশাৰ মাতৃ-বিয়োগৰ শোকে কল্যাণকো অভিভূত কৰি পেলালে। তদুপৰি পঞ্চাননৰ নিজ স্বাৰ্থৰ বাবে ছল-চক্ৰান্ত কৰি আশালতাক বলেৰে তেওঁৰ ঘৰলৈ লৈ যোৱা কামবোৰে কল্যাণৰ মন বিষাক্ত কৰি পেলালে। তাইক নিজৰ ঘৰত ৰাখিবলৈ অহো পুৰুষাৰ্থ কৰি বিফল হোৱাত তাৰ মন বিদ্ৰোহী হৈ উঠিল। তথাপি কোনো সুব্যৱস্থা কৰিবলৈ সি সক্ষম নোহোৱাত হতবুদ্ধি হল। কিশোৰ এৰি যৌৱনত ভৰি দিয়া অভিজ্ঞতা-হীন কল্যাণ, এইবোৰ বিষয়ত তাৰ শক্তি-সামৰ্থ্য সমূলি নাই। তথাপি তাৰ মনে নামানে। তাইৰ দুৰ্গতি মোচনৰ অৰ্থে, আৰু উপস্থিত সমস্যাৰ সমাধান বিচাৰি তাৰ অপৈণত মনটোৱে বহুত ভাবিলে কিন্তু সদুপায় বিচাৰি নাপালে। অৱশেষত গাঁওৰ সমাজখনৰ প্ৰতি ঘৃণা আৰু বিদ্ৰোহৰ ভাব এটা মনত সাঁচিলৈ আৰু আশাৰ দুখৰ বোজাটো নিজৰ বুকুত বান্ধিলৈ সি গুৱাহাটীলৈ ৰাওনা হল। যোৱাৰ সময়ত মাক বাপেকক সদায় আশাৰ বাতৰি জনাবলৈ অনুৰোধ কৰিলে। আশালতাক চিঠি দিবলৈ পৰামৰ্শ দি চাৰিটা

পোষ্টকাৰ্ডো তাইৰ হাতত দি থৈ গল। তাই পোষ্টকাৰ্ডকেখন তেতিয়াই যে কিতাপৰ লগত বান্ধি থৈছিল তাৰ পিছত উলিয়াই হাতত লবলৈও সময় পোৱা নাই।

গুৱাহাটীৰ পৰা কল্যাণে মাক-বাপেকলৈ চিঠি লিখোতে প্ৰত্যেকখনতে আশালতাৰ কথা সুধি পঠিয়ায়। তাইলৈও বেলেগে প্ৰথমে কেইখনমান চিঠি পঠিয়াইছিল কিন্তু কোনো খনৰে উত্তৰ নাপাই পিছলৈ লিখিব এৰি দিলে। মণ্ডলৰ চিঠিত তেওঁ কেৱল লিখে যে আশালতা ভালে আছে আৰু কল্যাণৰ চিঠি তাইক দিয়া হৈছে। ইয়াৰ বেছি খবৰ দেউতাকে কোনো দিনে তাক জনোৱা নাই। আশালতাই তাৰ চিঠিৰ কিয় উত্তৰ নিদিলে তাৰ কাৰণ কল্যাণে বুজিব নোৱাৰিলে। অৱশ্যে সি জানে যে আশালতাই সদায় চিঠি পঠোৱাৰ সুবিধা নাই। কিয়নো গাঁওৰ পৰা ডাকঘৰলৈ তিনি মাইল দূৰ। তথাপি সি ভাবে যে তাই চিঠিখন লিখি তাৰ দেউতাকৰ হাতত দিলে তেওঁ নিশ্চয় পঠিয়ালেহেঁতেন। বহুত ভাবিও তাই চিঠি নিদিয়াৰ কাৰণটো বিচাৰি নাপায়।

'পাছ দিলে পৰ্ব্বতক পিঠি', নতুন ঠাইত নানান ন-ন বন্ধু-বান্ধৱ লাভ কৰি, ন-ন হুজুগ, আমোদ-আহ্লাদ, মেল-মিটিং, খেল-ধেমালি, চিনেমা-থিয়েটাৰ আদি উপভোগ কৰাত বেছি ভাগ সময় ব্যস্ত হৈ থাকি ক্ৰমে ঘৰৰ কথা, আশালতাৰ কথা কল্যাণৰ মনৰ পৰা স্বভাৱতে আঁতৰি যাবলৈ ধৰিলে।

তাৰ আন এটা কাৰণো নিশ্চয় আছে। সকৰে পৰা কল্যাণ একৰকম বাক্‌স্ বুলি কলেও বেছি কোৱা নহয়।

তাৰ স্বাস্থ্য সুন্দৰ, শৰীৰ বলবান। খেল-ধেমালি, হাই-কাজিয়া এনেকি মৰামৰি কৰাতো সি সুদক্ষ আৰু দলৰ অগ্ৰণী। সেই অনুপাতে তাৰ মনো উচ্চ আৰু বহল। সময়ত নিজৰ কাম ক্ষতি কৰি হলেও সি আনক সহায় কৰিবলৈ উপযাচি আগবাঢ়ি যায় কিন্তু অন্যায়ক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে। জানি শুনি নিজে অন্যায় কাম নকৰে আৰু আনে অন্যায় কাম কৰা দেখিলেও সমূলি সহ্য নকৰে। সেই কাৰণেই গাঁওত থকাত সি মাজে সময়ে অন্যায়ৰ বিৰুদ্ধে থিয়হৈ হাই-কাজিয়া এনেকি মৰামৰিৰ সন্মুখীন হব লগীয়াতো পৰিছিল। কেতিয়াবা হয়তো দল এটাৰ বিপক্ষে অকলেই ফেৰ পাতি থিয় হৈছিল। সি চেমনীয়া দল এটাৰ দলপতি আছিল। স্কুলতো সমনীয়া বিলাকৰ ওপৰত যথেষ্ট প্ৰভাৱ আছিল আৰু স্কুলৰ খেলত সি কেপ্টেইন আছিল। তাৰ চেমনীয়া দলটোৱে বৰ উদ্যোগীহৈ গাঁওত ভালেমান সংগঠনৰ কাম কৰি কেখনমান গাঁও বহু পৰিমাণে উন্নত কৰিছিল। সি গুৱাহাটীলৈ আৰু দলৰ কেজনমান আন আন ঠাইলৈ যোৱাত সম্প্ৰতি দলটো পৰিচালনাৰ অভাৱত অলস হৈ পৰিছে।

কল্যাণে গুৱাহাটীলৈ আহি নিজৰ উদ্যম আৰু কৰ্ম্মতৎপৰতা এৰি দিব নোৱাৰিলে। কলেজৰ সকলো খেল-ধেমালিত আহিয়েই যোগ দিলে। সভা-সমিতি আদিত উপস্থিতহৈ নেদেখা বস্তু দেখি, নুশুনা কথা শুনি অভিজ্ঞতা আহৰণ কৰিবলৈ ধৰিলে। অলপ পুৰণি হোৱাত ৰাজহুৱা কামতো ভাগ লবলৈ বিচাৰিলে। বানপানী আদি প্ৰাকৃতিক- দুৰ্য্যোগত দুৰ্দ্দশাগ্ৰস্ত

হোৱা সকললৈ সাহায্যৰ বাবে অন্যান্যৰ লগত বৰঙণি বিচৰা কামতো লগ লাগিল। কলেজৰ থিয়েটাৰ আদিতো অংশ গ্ৰহণ কৰিলে। লাহে লাহে তাৰ অজ্ঞাতসাৰেই ইয়াতো সৰু দল এটা গঠন হৈ পৰিল আৰু প্ৰথম প্ৰথম তাৰ দলপতি হব নোৱাৰিলেও প্ৰথম উদ্যোক্তা হল কল্যাণ।

পঢ়া শুনাত কল্যাণ বেয়া নাছিল কিন্তু পানীত ডুব মাৰি বেছি সময়লৈ ৰৈ থাকিব নোৱাৰাৰ দৰে তাৰ অন্তৰৰ ইমানবোৰ তজবজীয়া ভাবক চঞ্চল মনটোৰে বেছি সময়লৈ সুসংযত কৰি ৰাখি কিতাপত বুৰ মাৰি থাকিব নোৱাৰে। সেই কাৰণে মেধা থাকিও পৰীক্ষাৰ পিছত মেধাবী বুলি প্ৰশংসা নাপায়। অৱশ্যে যিকণ সময় পঢ়ে পৰীক্ষাত পাছ কৰিবলৈ তাৰ পক্ষে সেয়ে যথেষ্ট।

বিজ্ঞান শ্ৰেণীতে ভৰ্ত্তি হব বুলি সি স্থিৰ কৰি আহিছিল যদিও ছীট নাপাই কলাকে ললে। পলমকৈ অহা বাবে হোষ্টেলতো ঠাই নাপাই মেচত থাকিবলৈ ঠাই বিচাৰি ফুৰিলে কিন্তু তাতো ঠাই পাবলৈ নাই। অৱশেষত চাৰিজন লৰাই লগহৈ থকা মেছ এটাত তাক আশ্ৰয় দিবলৈ সম্মত হল সঁচা কিন্তু তাতো থকা ঠাইৰ নাটনি। মেছৰ সমুখত এচুকত ঘৰোৱা কাম কৰা মানুহ এজন থকা খেৰৰ সৰু পঁজা এটা খালি পৰি আছিল। তাতেই সি থাকিবলৈ লৈ মেছৰ লগতে খোৱাবোৱা কৰি থাকিল। পঁজাটো ডাঙৰ গছ এজোপাৰ তলত আৰু নৈৰ পাৰতে। সমুখ ফালটো তেনেই মুকলি। অকণমান হলেও নিৰ্জ্জন পঁজাটোত অকল-শৰীয়াকৈ থাকিবলৈ পাই তাৰ মনত আনন্দ হল। সময়ে অসময়ে নৈৰ পাৰৰ আলিৰে মুকলি বতাহত ফুৰি সি গা-মন জুৰ পেলায়।

মাজে মাজে কিছু সময়লৈ নৈৰ পাৰৰ গছ তলিতে বহি থাকেগৈ। তাৰ পিছত উঠি আহি পঢ়া শুনা কৰে কিন্তু একেবাৰে পাঠ্য-কিতাপত বেছি সময়লৈ মনোযোগ দিব নোৱাৰে। বাজে কথাকৈ সময় নষ্ট কৰিবলৈ তাৰ পঁজাত বন্ধু-বান্ধৱ নাই। গতিকে তাৰ অৱসৰৰ সময় বেছি। সেই সময়খিনি বহি-শুই কটোৱা তাৰ পক্ষে অসম্ভৱ আৰু সদায় নৈৰ পাৰত ফুৰি বা বহি কটোৱাও বিৰক্তিকৰ। তাৰ মন গল সাহিত্য-চৰ্চ্চা কৰিবলৈ আৰু লগে লগে আৰম্ভ কৰিলেই। কবিতা, গল্প, প্ৰবন্ধ আদি যেতিয়াই যি ভাব মনত খেলায় তেতিয়াই লিখে। কিবা হওক বা নহওক সেই কথালৈ তাৰ ভ্ৰূক্ষেপ নাই, লিখিবৰ মন যায় লিখে। পিছত পঢ়ি চাই বেয়া হোৱা দেখিলে ফালি পেলাই জুইত দি জইন মাৰে। কোনোবাটো নিজৰ মনত ভাল লাগিলে বৰ যতনেৰে বাকচৰ ভিতৰত সুমাই থয়।

গাঁওৰ পৰা আহি গুৱাহাটী পোৱাৰ লগে লগে আন আন নতুনকৈ অহা ল'ৰাৰ নিচিনা কল্যাণৰো জানিব, শিকিব আৰু দেখিবলগীয়া বহুত বিষয় ওলাই পৰিল। কলেজৰ কৰ্ত্তব্য আৰু খেল-ধেমালিৰ বাহিৰেও চহৰখনত নিতৌ ন-ন হুজুগ, সভা-সমিতি, খেল-ধেমালি, আমোদ-প্ৰমোদ আদি নানা ধৰণৰ আকৰ্ষণীয় সমাৰোহ হৈ থাকে। সি প্ৰায়বোৰতে উপস্থিত হব নোৱাৰিলেও বেছি ভাগতে উপস্থিতহৈ অভিজ্ঞতা আহৰণ কৰাও তাৰ এটা কৰ্ত্তব্যৰ দৰেই হৈ পৰিল। তদুপৰি মাৰাঠী লাঠিয়াল এজন আহি লাঠি-খেল শিকোৱা ক্লাব বা পালোৱানী আখ্‌ৰা এটা স্থাপন কৰিছে। তাতো সি ভৰ্ত্তি হৈ ললে।

বাপেক-মাকৰ পৰা ঘৰলৈ এবাৰ যাবলৈ ঘণাই আদেশ আহি আছিল যদিও কল্যাণে কেবামাহো ঘৰলৈ যোৱা নাছিল। পূজাৰ বন্ধও গুৱাহাটীতে উপভোগ কৰি কটাইদি লক্ষ্মীপূজাৰ পিছদিনাহে ঘৰলৈ ৰাওনা হ'ল। কলেজ খুলিবলৈ তেতিয়া কেদিনমানহে বাকী আছে।

কল্যাণ যেতিয়া ৰেলৰ পৰা নামিল তেতিয়া সাঁজ লাগিছে। ষ্টেশ্যনৰ পৰা তাৰ গাঁও গোপালপুৰলৈ তিনি মাইল দূৰ। ৰেলৰ পৰা নামিয়েই অকণো পলম নকৰি নদন-বদন-শস্য-শ্যামল পথাৰৰ মাজে মাজে অকাই-পকাই যোৱা সৰু আলিটোৰে ঘৰলৈ বুলি সি বেগাই খোজ ললে।

পথাৰখন মুকলি, তেনেই মুকলি। খেতিপথাৰ, তাত গছ-বিৰিখ নাথাকে। কেৱল দূৰে দূৰে বাঁহ আৰু গছ-গছনিৰে ভৰা দুই এখন গাঁও, স্পষ্টকৈ মণিব নোৱাৰি, ৰোনাকৰ পোহৰত ছবিৰ দৰে লাগে। আকাশত শাৰদীয় বগা মেঘৰ অন্তৰালত লুকা-ভাকু খেলি প্ৰথম কলাহীন জোনটো ক্ৰমে ওপৰলৈ উঠি আহিবলৈ ধৰিছে। তাৰ কিৰণ আছে, বিকিৰণ নাই। প্ৰভা আছে, দীপ্তি নাই। পথাৰ ওপচোৱা সুস্থ সবল, সেউজীয়া ধান-গছবোৰে মূৰ দাঙি বুকু ফুলাই পথাৰখন এখন সেউজীয়া ৰঙৰ গালিচাৰ আভৰণেৰে আবৃত কৰি ৰাখিছে। সজীৱ যদিও মলয়াৰ অভাৱত নিষ্কম্প—স্পন্দনহীন। প্ৰখৰ কিৰণৰ অভাৱত প্ৰভাহীন। তুলিৰে অঁকা চিত্ৰতকৈও সুদৃশ্য আৰু মনমোহা চিত্ৰটোৱে তাৰ প্ৰাণ-মন মুগ্ধ কৰে।

কল্যাণে একোবাৰ জোনটোলৈ চায়। মেঘৰ সুৰুঙাৰ মাজেৰে

একোবাৰ একোটা হাঁহি মাৰে যদিও তাত উচ্ছ্বাসৰ অভাৱ, সি সজীৱ পথাৰৰ সেউজীয়া ৰঙত চিকমিকনি তুলিব নোৱাৰে। এবাৰ ওলাই, থিতাতে নাইকীয়া হয়, আকৌ অকণমান দেখাদি পুনৰ লুকায়, যেন লুকা-ভাকুহে খেলিছে···

জোনৰ লুকা-ভাকুৰ লগতে নিজৰ মনৰ অলেখ অসংযত ভাববো লুকা-ভাকুই তাক জুমুৰি দি ধৰে। এটাৰ পাছত আনটো লগ-বান্ধ নোহোৱা ভাবত তন্ময়হৈ আহি আহি হঠাতে কল্যাণে নিজ গাঁওৰ মাজত ভৰি দিয়াৰ লগে লগে মানুহৰ মাতবোল শুনি ইঘৰ সিঘৰত চাকিৰ পোহৰ দেখি বাস্তৱলৈ উলটি আহিল। অন্যমনস্কহৈ থকা বাবে তিনি মাইল বাট কেতিয়া যে পাৰহৈ আহিল কবই নোৱাৰে। তেতিয়াহে ঘৰলৈ, মাক-বাপেক, ভায়েক ভনীয়েকহঁতলৈ মনত পৰিল আৰু মনত পৰিল আশালতালৈ। সি বৰ বেগাই খোজ দিলে। কেইমিনিটমান পিছতে ঘৰ পাই প্ৰথমে সাক্ষাৎ হ'ল দেউতাকৰ লগত।

মণ্ডলে নিতৌ বহা অভ্যাসমতে কেইজনমান মানুহৰ লগত চোতালতে বহি কথা পাতি আছিল। কল্যাণক হঠাতে দেখি ততালিকে উঠি আহি মৰমৰ অভিযোগ কৰিলে "দেখিছনে কাণ্ডখন, বোলো বোপাই, এইদৰে যে হঠাৎ ওলালিহি আগধৰি বাতৰি এটানো দিব নোৱাৰিলি কিয়? ইমান কষ্ট কৰিব লাগেনে? মই চাইকল পঠিয়াই দিলোহেঁতেন। আগধৰি খবৰ নিদিলি নাই বাৰু, পিছে, ষ্টেশ্যনৰ পৰা গৰুগাড়ী এখনকে ধৰি উঠি নাহিলি কিয়?"

কল্যাণে উত্তৰ দিলে "মোৰ কোনো কষ্টই হোৱা নাই দেউতা।

তিনি মাইল বাটনো মোৰ পক্ষে কি কথা? ভৰি দুখনে কেতিয়া লৈ আহিল গমকে নাপালো। মুকলি আকাশৰ তলত ধানগছ বোৰেৰে উপচি পৰা বহল সেউজীয়া পথাৰখনত জন-প্ৰাণী নাই, তেনেই নিৰ্জ্জন, বৰ ভাল লাগিল, দেউতা……"

তাৰ কথাত বাধা দি মনথিৰ মণ্ডলে কলে "শুনিছা তোমালোকে, এই টিপচীকণৰ কথা? ল'ৰাৰ উগ্ৰ সাহ চোৱা…"

"কি উগ্ৰ সাহ কৰা দেখিলে দেউতা?" কল্যাণে সুধিলে।

মণ্ডলে উত্তৰ দিয়াৰ আগেয়ে বহি থকা মানুহ এজনে কলে "আজি কেদিনমানৰ পৰা বাঘ এটাই উৎপাত কৰিছেহি। সিদিনা ভাগৱতী দেউৰ ছাগলী এটা নিলে…"

মণ্ডলে মাত লগালে "ধানৰ মাজত ক'ৰবাত বৈ থাকে, গধূলি হলেই ওলায়। দুদিন দুটা দামুৰিও মাৰিলে, বাটটো কেইদিন মানৰ পৰা বৰ বিপদজনক হৈ উঠিছে। সেয়েহে কৈছো বাচা, পথাৰখনৰ মাজেৰে অকলে অহাটো…তইনো আগধৰি খা-খবৰ এটা দিব নাপাৰনে…?"

হাঁহি মাৰি কল্যাণে ক'লে "নিৰাপদে পালোহিয়েই যেতিয়া এতিয়া আৰু ভয় কিহৰ দেউতা? বাঘে দামুৰি খালেই যেনিবা, মই জানো এতিয়াও দামুৰিৰ সমানতে আছো? দামুৰি খোৱা কুকুৰ নেচিয়াই মোক কি সাহত জোকাব?"

আটাই বিলাক মানুহে কল্যাণৰ কথা শুনি গিৰ্জ্জনি মাৰি হাঁহি দিলে। হাঁহি হাঁহি মণ্ডলে কলে "এৰা ল'ৰা পুৰঠ হ'ল, দামুৰি গুচি সিংহ হৈ পৰিল। যা সোনকালে ভিতৰলৈ। হাত-ভৰি ধুই জলপান খাগৈ।" বুলিকৈ নিজেই তাকলৈ ভিতৰলৈ

গল আৰু ধৈৰ্ণীয়েকৰ ওচৰত দি থৈ উভতি আহি আকৌ বহিল।

মাকৰ লগত ভায়েক-ভনীয়েকহঁত বান্ধনী ঘৰতে আছিল। মাত শুনিয়েই আটাইবোৰে লৰি আহি চোতালতে কল্যাণক আগুৰি ধৰিলে। তাৰ হাতৰ টোপোলা আৰু স্যুটকেচটো লৈ কাড়াকাড়ি লাগিল। মাকে সেই দুটা হাততলৈ আটাইবোৰকে ঘৰৰ ভিতৰলৈ নি কলে “চাওঁ, আমনি নকৰিবি ৰহ, মই ভগাই দিম। যাচোন বৰ মইনা, তই ততালিকে হাত-ভৰি ধুই আহ। মই জলপান দিওঁ। চাহ খাবি নেকি? নে এবাটি গাখীৰকে...”

কল্যাণে কলে “ৰ’বা মা, আগেয়ে সেই টোপোলাটো খুলি ইহঁতক ভগাই দিয়া। আশাকো অলপ দিব লাগিব নহয়, তাই এতিয়া নাহিব নেকি? কোন সময়তনো তাই আহে? এজনৰ হতুৱাই তাইক মাতি পঠিওৱা, গোপাকাইনো কলৈ গল?”

প্ৰশ্ন শুনি মাকে দীঘল হুমুনিয়াহ এটা কাঢ়িলে। সতকাই কোনো কথা মুখেৰে নোলাল। মাকৰ মুখ দেখি কল্যাণৰ বুজিবলৈ বাকী নাথাকিল যে কিবা এটা গোলমাল নিশ্চয় হৈছে। একেথিৰে মাকৰ মুখলৈ অলপ পৰ চাই থাকি সি সুধিলে “কি হৈছে মা, নোকোৱা কিয়?”

মাকে কলে “ক’তা, কি হোৱা দেখিলিনো? একো হোৱা নাই যা। তই হাত-ভৰি ধুই আহি খাই ল। ইমান দূৰৰ পৰা আহিছ, মুখখন শুকাই গৈছে, যা বেগেতে ·”

কল্যাণৰ কৌতূহল বাঢ়িল। কিবা এটা ডাঙৰ ঘটনা হোৱা বুলি সি বুজিলে। নহলে মাকে নিশ্চয় লৰালৰিকৈ কোনোবা

এজন লগুৱাক পঠিয়াই দি আশাক মতাই অনালেহেঁতেন। সি কলে "কি হৈছে আগেয়ে মোক কোৱাচোন, নকলে ময়ো নাখাওঁ। বুলি কৈ মাকৰ ওচৰতে বহিল।

কল্যাণে অনা টোপোলাটোৰ পৰা মিঠাই, বিস্কুট, চকলেট আদি বাকীকেইটাৰ হাতে হাতে দি মাকে আকৌ এবাৰ হুমুনিয়াহ কাঢ়ি কলে "কি কম বাচা, তাইনো এনেকুৱা কপালখন লৈ আহিছিল নে?" বুলি আশালতাৰ সকলো কাহিনী এফালৰ পৰা বৰ্ণালে। শেষত ষড়াননৰ কু-ব্যৱহাৰৰ কথা আৰু মাকে তাকে দেখি নিজৰ লগত ৰাখিব বুলি তাইক লৈ অহাৰ পিছত অধ্যাপক আৰু গিৰিয়েকে যুক্তি কৰি পুনৰ তালৈ ওভোতাই পঠোৱাৰ কথাও কলে। গিৰিয়েকে সৈতে আলোচনা কৰি থাকোতে কেনেকৈ আশাই মনে মনে শুনিছিলগৈ আৰু কান্দিকাটি অস্থিৰহৈ নোখোৱা নোবোৱাকৈ গুচি গৈছিল তাকো নোকোৱাকৈ নাথাকিল। তাৰ পিছৰ পৰাই যে আশাই এইমুৱা হব নোখোজে আৰু বৰ জোৰ কৰিহে মণ্ডলনীয়ে মুঠেই দুদিনহে অলপ সময়ৰ বাবে আনিব পাৰিছিল, তাকো কলে।

কল্যাণে মাকৰ মুখলৈ ৰ'লাগি চাই আছিল। মাকে কথা কৈ থাকোতে যে তেওঁ কেবাবাৰো চকুপ্ৰাণী মচিলে তাকো লক্ষ্য কৰিলে। কল্যাণে ভালকৈ জানে যে মাকে আশালতাক সিহঁতকৈও বেছি মৰম কৰে। তাইৰ কষ্ট দেখি মাকে অন্তৰত কিমান আঘাত পাইছে সেইকথা উপলব্ধি কৰিবলৈ তাৰ আৰু বাকী নাথাকিল। হঠাতে সি থিয়হৈ কলে "মা, তুমি পানী তপত কৰা মানে মই লৰ মাৰি আশাক লৈ আহোগৈ। একেলগে বহি চাহ-জলপান

খামহি।” বুলি উত্তৰলৈ বাট নাচাই সি বেগাই ওলাই গল।

পঞ্চাননৰ ভিতৰ চোতালত থিয়হৈ কল্যাণে মাত লগালে “আশা…অ’ আশা…”

আখল ঘৰত আশাই কেৰাহিত চাউল বহাইছিল। কল্যাণৰ মাত শুনি সকলোবোৰ ঠেকেচা মাৰিথৈ “কল্যাণদা…কল্যাণদা আহিলা…?” বুলি একেজাপে উঠি হাতত কেৰচিনৰ চাকি এটা লৈ লৰি ওলাই আহি কল্যাণৰ সমুখত থিয় হৈ তাৰ মুখলৈ চাই বৈ থাকিল। মুখেৰে এষাৰ কথাও নোলাল। অলপ সময় তাই সেইদৰে থাকি তাৰ মুখলৈ চাই থাকিব নোৱাৰি তলমূৰ কৰি তলৰ ওঠটো দাঁতেৰে কামুৰি ধৰি বৰ চেষ্টা কৰি চকুপানী বন্ধ কৰি ৰাখি অলৰ-অচৰহৈ থাকিল, যেন শিলৰ মূৰ্ত্তি এটাহে।

আশালতাক দেখি কল্যাণৰ মনটোৱে চিৰিং কৰে উঠিল। হঠাতে এই মূৰ্ত্তিটো দেখিলে আশা বুলি সি চিনি নাপালেহেঁতেন। তাৰ মনটো ক’লা পৰি গল। ভাবিলে এই জনীয়েই সেই ৰাংচালী আশালতানে? সি দেখিলে যে আশালতাৰ এইটো জীৱন্ত জঁকা। তাইৰ শৰীৰৰ সকলো আছে অথচ একো নাই…জালি কোমোৰাটোৰ দৰে সুঠাম সুন্দৰ শুৱনি শৰীৰটো শুকাই-ক্ষীণাই লাৱণ্য আৰু পৰিপুষ্টিহীন হৈ পৰিছে। গালৰ হাড় ডুডাল ওখহৈ এটা ত্ৰিভুজ আকাৰ লৈছে। গাৰ ছালখন হাড়ত লিপিত খাই ধৰিছে। ছালখন ঠেলি ওখহৈ উঠা হাতৰ সিৰবোৰ যেন গছৰ শিপা। আভৰণহীণ অৱয়বৰ আৱৰণত দৰিদ্ৰ জনোচিত অতি মলিন মেখেলাৰ সৈতে ফটা-ছিটা ৰিহাৰ

কানি এডোখৰে ৰূপৰ জেউতি গ্ৰাস কৰি কলঙ্কৰ নিচিনাকৈ ওলমি আছে। অত্যাচাৰ—অনাচাৰত প্ৰপীড়িত, অৰ্দ্ধাহাৰ অনাহাৰ ক্লিষ্ট, কমনীয়তাহীন কোমল মুখখনি যেন ক্লেদ-কালিমাৰ আৱৰণেৰে আবৃত…

কল্যাণৰ বিষাদৰ দীঘল হুমুনিয়াহ এটা ওলাই আহিল। তাৰ মনত পৰিল, অলপ আগেয়ে দেখা মেঘাবৃত চন্দ্ৰমালৈ। দুয়োৰে সাদৃশ্য মনতে ৰিজাই চালে—আশাৰ ইন্দু-আননতো কলাহীন চন্দ্ৰমাৰ নিচিনা সকলো থাকিও কিবা এটাৰ অভাৱ। শুকান আমঠু যেন হোৱা মুখখনিৰ এতিয়াও সৌন্দৰ্য্য আছে, নাই সুষমা—ৰূপৰ প্ৰভা ম্লান। কোটৰগত কোমল নয়নত দৃষ্টি আছে, নাই—দীপ্তি। মুখত দালিম গুটীয়া দাঁত আছে, নাই—হাঁহিৰ ৰেখা। নিস্তেজ শুকুলা ওঠত নাই—ভঙ্গী। শুকান শৰীৰৰ ধমনিত শোণিত প্ৰবাহ তীব্ৰতা-হীন। মন আছে, নাই—উৎসাহ। প্ৰাণ আছে, নাই—উচ্ছ্বাস…নাই প্ৰাণ-ধৰ্ম্মৰ বিকাশ। অৰ্দ্ধ-বিকশিত যৌৱনৰ নাই—তৰঙ্গৰ চঞ্চলতা…

এই জনীতো কল্যাণৰ অবালা-নগৰী, চেনেহ-অনুশাসনৰ পাত্ৰী, চাটোৰ দৰে পাছে পাছে ঘূৰি ফুৰা, ৰূপহী-ৰাংঢালি আশা নহয়—তাইৰ প্ৰেত শৰীৰ। সি প্ৰমাণ পালে যে অত্যাচাৰী পঞ্চাননৰ নিষ্ঠুৰ বলিশালত পৰি তাৰ অতি মৰমৰ আশালতাডাল অকালতে লেৰেলি সমূলে বিনাশ হোৱাৰ উপক্ৰম হৈছে। তাইৰ অৱস্থা দেখিয়েই তাৰ চকু চলচলীয়া হল। মুখেৰে কোনো কথাকে নোলাল। কেৱল হাত আগবঢ়াই উচ্চাৰণ কৰিলে "আহা আশা…"

মণ্ডল দম্পতিৰ বিৰুদ্ধমুখী আলোচনা শুনাৰ দিনাখনৰ পৰা আশাৰ মনটো একেবাৰে ভাঙি পৰিছিল। মণ্ডলনীৰ প্ৰতি আপোন বুলি তাইৰ মনৰ কোনত যি অকণমান দাবী আছিল সিও সম্পূৰ্ণকৈ লোপ হৈছিল। তাই নিজৰ মনতে কৈছিল যে এতিয়া আৰু তাইৰ একমাত্ৰ আপোন জন 'যম'। হতাশা আৰু অভিমানত তাইৰ বিদ্ৰোহী মনটো আৰু বেছি বিদ্ৰোহী হৈ প্ৰতিজ্ঞা কৰিছিল যে পঞ্চাননৰ ঘৰতে নৰকৰ নিকাৰ ভুঞ্জি যমৰাজৰ আৰাধনা কৰি মৃত্যু কামনা কৰিব সেয়ে একমাত্ৰ পথ, তথাপি মণ্ডলনীৰ ঘৰলৈ ভৱিষ্যতে আৰু কেতিয়াও নাযায়, গাঁওৰ কোনো প্ৰাণীক নিজৰ দুৰ্দ্দশাগ্ৰস্ত পাপ মুখ নেদেখুৱায়। সেই প্ৰতিজ্ঞা মানিও চলিছিল। কেৱল মণ্ডলনীৰ কান্দোন দেখি আৰু প্ৰৱল অনুৰোধ উপেক্ষা কৰিব নোৱাৰি নিজৰ অনিচ্ছা সত্ত্বেও দুদিন গৈ খন্তেক মাত্ৰ থাকি উভতি আহিছিল। আজি কিন্তু কল্যাণৰ 'আহা আশা' বুলি কোৱা একে আষাৰ কথাই তাইৰ সকলো প্ৰতিজ্ঞা বালিৰ বান্ধৰ দৰে ভাঙি-ছিঙি উটুৱাই লৈ গল। প্ৰতিজ্ঞাৰ কথা হয়তোবা মনতে নপৰিল। আপত্তি কৰক ছাৰি মুখেৰে মাত এষাৰকে নোলাল। মনটোৱে উৰা মাৰিলে। হাতৰ চাকিগচ চোতালতে থৈ মন্ত্ৰমুগ্ধা ফনিণীৰ দৰে কল্যাণৰ হাতত ধৰি লগে লগে খোজ ললে। এনেকি আখললৈ যোৱা কাপোৰখন যে সলাই যাব লাগে সেই কথাও মনত নপৰিল। উভয়ে নিমাত, নিজ নিজ ভাবত তন্ময়…

কল্যাণে গুৱাহাটীলৈ যোৱাৰ আগতে আশালতাক পঞ্চাননৰ ঘৰত নথৈ নিজৰ ঘৰত ৰাখিবলৈ অহো-পুৰুষাৰ্থ কৰিছিল।

তাৰ নিমিত্তে গাঁওৰ বেছি ভাগৰে ঘৰে ঘৰেগৈ খাটি ফুৰিছিল। সিবিলাকে সহায় কৰিব বুলি তাক কথা দিছিল যদিও সময়ৰ মূৰত বেছি ভাগেই দেখাকে নিদিলে। যিকেইজন আছিছিল তেওঁলোকৰ মুখেৰেও এষাৰ কথাকে নোলাল। তেতিয়াই সি হতাশ হৈ সকলোৰে প্ৰতি বিৰূপভাব লৈছিল আৰু তেতিয়াৰ পৰাই তাৰ মনত যি উষ্মা জাগিছিল সি আজিকোপতি মাৰ যোৱা নাছিল। মাকৰ মুখে আজি সকলো ঘটনাৰ বৰ্ণনা শুনি থাকোতেই ভিতৰি ভিতৰি প্ৰথমে পঞ্চাননৰ প্ৰতি, তাৰ পিছতে অধ্যাপক মুক্তাৰাম আৰু তাৰ দেউতাকৰ প্ৰতি, অৱশেষত গঞ্জাৰ প্ৰতিও, জুইত সুমাই দিয়া লোহা ৰঙা হোৱাৰ নিচিনা কল্যাণৰ মনটো খণ্ডতে ৰঙাহৈ পৰিছিল। কিবা এটা সদুপায়ৰ চিন্তা কৰি কৰিয়ে আশাৰ ওচৰলৈ গৈছিল। তাইৰ দুৰৱস্থা দেখিয়েই জ্বলা জুইতহে যেন ঘিউ পৰিল। তেতিয়াই তাৰ ইচ্ছা হৈছিল যে হাতত টোকোন এডাল লৈ এফালৰ পৰা যাকে য'তে লগ পায় মৰিয়াই প্ৰতিশোধ লব, কিন্তু সেই কাম কৰা অকলে সম্ভৱ হব নোৱাৰে। তাৰ পিছত মনতে স্থিৰ কৰিলে যে সকলোৰে বিৰুদ্ধে সি অকলে থিয়হৈ সিয়েই আশালতাক ঘৰত আশ্ৰয় দিব। দেউতাকে বাধা দিলে তাইক লৈ সি দেশান্তৰিতহে যাবলৈও সাজু...এইবোৰকে ভাবি গৈ থাকোতে আশাৰ লগত কথা পাতিবলৈ তাৰ মনৰ অৱস্থা নাছিল।

আকৌ আশালতাই... ? সাগৰত নাও বুৰি ঢৌৰ কোবত এবাৰ উঠি এবাৰ তললৈ গৈ কোনোফালে পাৰ নেদেখি শেষ নিশাহ পেলাবলৈ সাজুহোৱা মানুহে হঠাতে সমুখতে জাহাজ

এখন দেখি পৰম নিশ্চিন্তহৈ উদ্ধাৰৰ সকলো প্ৰচেষ্টা এৰি নিষ্ক্ৰীয়হৈ পৰাৰ দৰে, তায়ো অসহায় সাগৰৰ ঢৌত তল-ওপৰ কৰি আছিল। অভাৱনীয়ৰূপে আচম্বিতে কল্যাণক পাই সকলো ভাৰ তাৰ ওপৰত সমৰ্পণ কৰি পৰম নিশ্চিন্ত হ'ল। নিজৰ মনত আৰু কোনো সমস্যা যেন নায়েই। নিজৰ দুখ-কষ্ট, দুৰৱস্থা এনেকি নিজ সত্তাকো যেন পাহৰি গ'ল। কল্যাণ কেতিয়া আহিল, কি বাতৰি তাকো সুধিব পাহৰিলে। তাইৰ মনত কোনো ভাবেই নাই নিৰ্ব্বিকাৰ উদাসীনৰ দৰে কল্যাণৰ হাতত ধৰি তাই খোজ দি আছে…

মণ্ডলৰ চোতালত আগতকৈও কেজনমান মানুহ বেছিকৈ গোট খাইছিলহি। গধূলি হলে সদায় এইদৰে মানুহবিলাক গোট খায়হি। নানান কথা-বাৰ্ত্তা প'তে, তামোল-ধপাত আদি খাই ৰাতিৰ সাজ খোৱাৰ সময় হোৱা দেখিলে মেল ভাঙি সকলোৱে ঘৰাঘৰি যায়গৈ।

কল্যাণ ওলাই যোৱা মণ্ডলে দেখি মনতে ভাবিছিল যে জা-জলপান খাই হয়তো আশালতাক মাত এষাৰ দিবলৈ গৈছে। এতিয়া কল্যাণৰ হাতত ধৰি আন এটা মূৰ্ত্তি অহা দেখি দূৰৈত থকা প্ৰেমৰ পোহৰত মণিব নোৱাৰি সুধিলে "কলৈ গৈছিলি অ' বৰ বোপা? লগত সেইটো কোন?" আনবিলাক মানুহবো কেবাজনেও কল্যাণক 'কেতিয়া আহিল, কেনে আছে' আদি নানান প্ৰশ্ন কৰিলে।

কল্যাণে আশাৰে সৈতে এফলীয়াহৈ ভিতৰলৈ যাব ধৰিছিল। হঠাতে দেউতাক আৰু মানুহ বিলাকৰ প্ৰশ্ন শুনি তাৰ খঙে

চুলিৰ আগ পালেগৈ। হঠাতে সি উদ্ধত কাম এটা কৰি পেলালে, মানুহৰ মাজেৰে জাপ মাৰিগৈ মেলৰ মাজৰ পৰা লেমটো আনি আশাৰ মুখৰ ওচৰলৈ দাঙি ধৰি চিঞৰি কলে "ৰাইজসকল, এইজনী কোন চিনি পাইছেনে, কেনেকৈ চিনিব, আগেয়ে দেখা নাই, নহয়নে? মই চিনাই দিওঁ, এইজনী বামুণী-খুৰীৰ ছোৱালী আশালতা। এইৰ অসহায় অৱস্থা দেখি আপোনালোকেই এদিন সমাজ-পতি, ঘাতক পঞ্চাননৰ বলিশাললৈ পঠিয়াই দি অকালতে যমপুৰীলৈ পঠোৱাৰ বন্দবস্ত কৰি সহায় কৰিছিল। তাইক এইদৰে নৰকৰ নিকাৰ ভুগি তিলে তিলে মৰিবলৈ পঠোৱা বাবে আপোনালোকে নৰকলৈ যাব লাগিব। আপোনালোকৰ নিষ্ঠুৰতা দেখি স্বৰ্গৰ পৰা পুৰোহিত খুৰা আৰু বামুণী-খুৰীৰ আত্মাই অভিশাপ দি পুৰি মাৰিব।" বুলিকৈ লেমটো মাটিত ঠেকেচা মাৰি থৈ আশাৰ হাতত ধৰি ভিতৰলৈ গল।

উপস্থিত মানুহবিলাকৰ মুৰত যেন কল্যাণৰ কথাই একোটা ধনঞ্জয় কোবহে মাৰিলে। আটাইবিলাকে শিলপৰা কপৌ যেন হল। তদুপৰি নিজ নিজ চকুৰে ধুনীয়া আশাজনীৰ বৰ্ত্তমান মৃতপ্ৰায় অৱস্থা দেখি সকলোৰে মন ক'লা পৰিল। সকলোৱে নিমাত, কিহবাই যেন টেটুত চেপা মাৰি ধৰি আটাইকে বোবা কৰিলে। কল্যাণ আৰু আশা যি বাটেৰে সোমাই গৈছিল সেই ফাললৈ একেথিৰে চাই থাকিল।

পঞ্চাননৰ ঘৰলৈ যোৱাৰ পিছত আশালতাৰ যে কষ্ট হৈছিল সেই কথা পৰম্পৰে পৰস্পাৰৰ মুখত শুনিছিল সঁচা কিন্তু তাইৰ এনেকুৱা কঙ্কালসাৰ অৱস্থা এটা কেৰে অনুমানকে

কৰিব পৰা নাছিল। আশালতাক সকলোৱে ভাল পায়। অন্তৰত তাইৰ প্ৰতি যিকণ মৰম আছিল এতিয়াও নথকা নহয়। পিছে সকলোৱেই কামৰ মানুহ, নিজ নিজ কামত দিনটো ব্যস্তহৈ থাকে। তাৰ মাজত আশালতাৰ কথা ভাবিবলৈ মনত নপৰাটোৱেই স্বাভাৱিক। তদুপৰি তাইৰ অৱস্থা পঞ্চাননৰ ঘৰলৈ গৈ চাই অহাটো কাৰো কৰ্ত্তব্যৰ ভিতৰত নপৰে। কেতিয়াবা কোনোবাই হঠাতে তাইক দেখিগৈ কলেও তাইৰ প্ৰকৃত অৱস্থাটো বুজিব নোৱাৰে। কষ্টত পৰা বাবে আন্তৰিক সহানুভূতি ওপজে আৰু তাকেই গধূলিৰ মেলত উলিয়াই সভা-সমিতিত প্ৰস্তাৱ লোৱাৰ নিচিনা সকলোৱে একোবাৰ 'হায় হায়' কৰে। সিমানতে কৰ্ত্তব্যৰ ওৰ পৰে। কাৰোবাৰ মনত বেছি পৰলৈ থাকিলেও মেল ভাঙিগৈ ঘৰ পোৱাৰ পিছত পাহৰি যায়।

এই কথা ঠিক যে মৃত পুৰোহিত আৰু তেওঁৰ মৃত পত্নীৰ কথা সকলোৱে প্ৰায় পাহৰিয়ে গৈছিল। তেওঁলোকৰ স্মৃতি সজীৱ কৰি মনত ৰাখিবলৈ নাইবা সময়ত তেওঁলোকৰ কিবা আলোচনা কৰিবলৈতো কাৰো কোনো আৱশ্যক নকৰে। সম্প্ৰতি কল্যাণৰ একে আষাৰ কথাই দুয়োজনৰ প্ৰতি সকলোৱে সুপ্ত স্মৃতি সজাগ কৰি দিলে। জীয়াই থাকোতে যি দুজনাক ইমান শ্ৰদ্ধা-ভক্তি কৰিছিল আজি ঢুঁকোৱাৰ দুবছৰ নৌ হওতেই তেওঁলোকৰ একমাত্ৰ ছোৱালীক খালত পেলাইদি খা-খবৰ এটাকে নলৈ যেন তাইৰ বং চোৱাহে হৈছে। এই ভাবে যেন সকলোৱে নাক-কাণ কাটিলে। তদুপৰি হাড়-ছালেৰে আশালতাক

জঁকাটো আৰু তাইৰ নির্বিকাৰ নিমাত অৱস্থাটোৱে যেন সকলোৰে মুখত ছাই সানি থৈ গল।

মণ্ডলৰ অন্তৰত আশাৰ প্ৰতি আগৰ নিচিনা মৰম আছে। অধ্যাপকে সকলো কথা খোলা হিচাবে আলোচনা কৰাৰ পাছত ভৱিষ্যতলৈ ভয় কৰিহে তাইক জোৰ কৰি নিজৰ ঘৰত আশ্ৰয় নিদি আকৌ পঞ্চাননৰ ঘৰলৈ পঠিয়াইছিল। সেইবাৰ আশা-লতাক দেখাৰ পাছত ঘৈণীয়েকে ইতিমধ্যে তাইক চুবাৰ আনিছিল যদিও মণ্ডলে নিজে দেখাৰ সুযোগ পোৱা নাই। কামৰ মানুহ, ঘৰতকৈ বাহিৰতে বেছি ভাগ থাকে। উপস্থিত ঘটনাই তেওঁৰ বুকুতো শেল হানিলে। বস্তুত পৰলৈ মেলখন কাঁহ-পৰি-জীণ-যোৱাৰ দৰে হৈ থাকিল। অৱশেষত অনুতাপৰ সুৰত তেওঁৰ মুখেৰে ওলাল “আয়ে দেহি! এনেকুৱা অৱস্থা হোৱা বুলি সপোনতো ভাবিব পৰা নাছিলো। হায় হায়, কল্যাণৰ মাকে সিদিনা কোৱাত মই নিজেই চাই আহিব লাগিছিল। এৰা, তাৰ কথাই ঠিক, পুৰোহিত দাদা আৰু বামুণীবোৰ আত্মাই নিশ্চয় মোক শাও দিব।”

ইয়াৰ পিছত সকলোৱে নিজৰ নিজৰ ভাব প্ৰকাশ কৰিলে। আটাইবিলাকে পঞ্চাননৰ প্ৰতি বিদ্ৰোহীহৈ উঠিল। তাৰে উগ্ৰ স্বভাৱৰ দুজনমানে গালাগালিও দিলে। সমুখত পালে হয়তো হাতকে দাঙিলেহেঁতেন। তেতিয়াই সকলোৱে স্থিৰ কৰিলে যে ভৱিষ্যতে আশালতাক আৰু পঞ্চাননৰ ঘৰলৈ নপঠিয়ায়। কল্যাণৰ কথা সকলোৱে একবাক্যে স্বীকাৰ কৰিলে—‘এৰা, পঞ্চানন এজন ঘাতক’—তাক সমাজৰ বাহিৰ কৰি থব পাৰিলেই মঙ্গল।

আনপিনে, কল্যাণে মাকৰ কথা শেষ হোৱাৰ আগেয়ে জাপ মাৰি উঠি পলাই যোৱাত মণ্ডলনীয় মূৰে কপালে হাতদি একে ঠাইতে বহি আছিল। ভাবিছিল আশালতা নিশ্চয় আহিবলৈ সন্মত নহব অথবা কল্যাণৰ কথা পেলাব নোৱাৰি আহিলেও হয়তো কল্যাণে অন্ততঃ এঘণ্টামান অনুৰোধ কৰিবলগীয়া হব পাৰে। সি গুলাই যোৱাৰ অলপ সময়ৰ পিছতে বাহিৰত সি কব ধৰা তেজোদ্দীপ্ত মাত শুনি তেওঁ ভাবিলে যে সি তেতিয়াও আশাৰ ওচৰলৈ যোৱাই নাই, তাতে হয়তো কথা পাতিছে। শেষৰ ফালে তাৰ উত্তেজিত মাতটো আটাহৰ দৰে ডাঙৰকৈ ওলোৱা শুনি কি হল বুলি ভাবি ওলাই যাবলৈ থিয় হৈছেহে, এনেতে সিহঁত দুজন ভিতৰ চোতাল পালেহি।

অভাৱনীয় কাণ্ড দেখি মণ্ডলনীৰ মনত আনন্দৰ সীমা নোহোৱা হল। আশাৰ গালৈ চাই লৰালৰিকৈ বাকচৰ পৰা কাপোৰ উলিয়াই দিলে। তাই গা ধুই নতুন কাপোৰ পিন্ধি অহাত দুয়োজনকে জলপান খাবলৈ দিলে। তেওঁ দেখি আচৰিত হল যে, যি আশালতাই ইয়াৰ আগেয়ে তেওঁ দিয়া জলপান খাবকে নোখোজে আৰু খালেও বাছি বাছি দুই এবিধহে মুখত দি কোনো ৰকমে নিয়ম-ৰক্ষা কৰে সেই আশালতাই আজি বাছ-বিচাৰ এৰি বিনা আপত্তিৰে এফালৰ পৰা গিলিব লাগিছে। তেওঁৰ মনটো তৃপ্তিৰে ভৰি পৰিল। দীঘল হুমুনিয়াহ এটা ওলাল। মনতে ভাবিলে, দুখুনী আশা, কিমান দিন তাইক হেঁপাহ পলুৱাই খুৱাব পৰা নাই…

কাৰো মুখত কোনো কথা নাই, যেন কবলৈ কোনো কথা নায়েই। খোৱা প্ৰায় শেষ হৈছিল। আশাৰ পাতলৈ চাই কল্যাণে প্ৰথমে মৌনতা ভঙ্গ কৰিলে, "মা, আশাক আৰু এবাটি গাখীৰ দিয়া। দুখন সন্দেশো দিয়া।"

সৰুৰে পৰা শুনা আশাৰ সেই চিৰকলীয়া সুপৰিচিত মাতটোৱে মণ্ডলনীৰ কাণত মৌ বৰষিলে—"নিদিব খুৰীদেও, পেট ফাটিব। তদুপৰি দিনটোৰ লঘোনৰ পাছত শুদা পেটত যেছি গাখীৰ পৰিলে পেটৰ অসুখ হব।"

মাকে কিবা কবলৈ মুখ মেলিলে কিন্তু কল্যাণৰ প্ৰশ্ন আগেয়ে ওলাল, "দিনটোৰ লঘোন কিয় আশা? আজিতো একাদশী নহয়, প্ৰতিপদ···"

আশাৰ মুখত আগৰ ধুনীয়া হাঁহিটি ফুটি ওলাল। তাই কলে, "একাদশী পঞ্জিকাত নাথাকিলে কি হব, তাৰ ঘৰত মাহে কেবাটাও একাদশী হয়। চাউল থাকিলেহে তুমি ভাত খাব পাৰা, আজি ভিখাৰীৰ ঘৰত চাউলেই নাছিল···" বুলি কৈ আকৌ হাঁহিলে।

আজি ছমাহৰ মূৰত সেই চিৰ পৰিচিত সুমধুৰ হাঁহিটিয়ে মণ্ডলনীৰ মন-প্ৰাণ শাঁত পেলালে। তেওঁ একেবাৰে আশাৰ মুখখনিলৈ চাই থাকিল। ইতিমধ্যেই যেন তাইৰ নিস্তেজ শেতা মুখখনলৈ সতেজ ভাব এটা আহিছে। কিবা যাদু-মন্ত্ৰই যেন তাইৰ সকলো দুখ-শোকৰ বোজা ক'ৰবালৈ উৰুৱাই দি গধুৰ মনটো তুলাৰ দৰে পাতল কৰিলে। মণ্ডলনীৰ ভাব হল যেন দুখৰ সপোন দেখি টোপনিত কান্দি থাকি সাৰপাই উঠি প্ৰকৃতিস্থহে সকলো পাহৰি নিজৰ আচল অৱস্থা ফিৰাই পোৱাৰ দৰেই

আশায়ো এই ছমাহৰ দুখ-কষ্টৰ কথা দুঃস্বপ্নৰ দৰে সমূলি পাহৰি গল। তাইৰ মনত যেন কোনো গ্লানিয়েই নাই, নিৰ্ব্বিকাৰ, নিশ্চিন্ত…

আকৌ কিবা কবলৈ মুখ মেলিছিল যদিও মগুলনীৰ মুখ মেলাই থাকিল। তেওঁৰ ফালে নাচাই কল্যাণৰ মুখলৈ চাই আশাই কলে "শুনিছা কল্যাণদা, তাৰ পুৰণি ধান শেষ হৈছে। মাজে সময়ে ক'ৰবাৰ পৰা অলপ অচৰপ ধান আনি দিয়েহি। তাকে বানি চাউল উলিয়াই ৰান্ধি খুৱাওঁ। আজি বানিবলৈও ধান নাছিল। আবেলি পৰতহে ধান এমোনা আনি দিছিল। তাকে বানি উঠি তুমি গৈ পোৱাৰ সময়ত কেৰাহিত চাউল বহাই দিছিলো।"

কল্যাণৰ চকু চলচলীয়া হ'ল। মাকে আঁচলেৰে চকু পানী মচিলে। পৰিবেশটো সলনি কৰিবলৈ হঠাতে কল্যাণে কলে "মা, চাহ একো বাটিকে দিয়া।"

মাকে 'ওঁ' বুলি উচ্চাৰণ কৰি চাহ কৰিবলৈ লাগিল। কল্যাণে আশাৰ মুখলৈ চাব নোৱাৰি সৰু ভনীয়েকজনীক আনি কোলাত বহুৱাই ললে। আশাই কল্যাণৰ মুখলৈ একেৰাহে চাই আছিল। এতিয়াহে তাইৰো মনত পৰিল হবলা, তাইৰ অতি মৰমৰ কল্যাণৰ ধুমলীয়া ভায়েকটোলৈ চাই হাত মেলিলে। ততালিকে সি ওচৰলৈ আহি তাইৰ দিঙিত ধৰি কোলাত বহিল। তাৰ মূৰত তাই হাত বুলাই দিলে। আজি ছমাহৰ মূৰত সি তাৰ ভাল-বাইদেওৰ কোলাত বহিবলৈ পাই সন্তোষৰ হাঁহি মাৰিলে। তাইৰ গাল দুখনত তাৰ হাতেৰে ধৰি কিবাকিবি সুধিবলৈ মন গল কিন্তু এটাও প্ৰশ্ন মুখেৰে ওলাই নাহিল।

দুয়োজনকে চাহ দুবাটি দি মণ্ডলনীয়ে ভাত বন্ধাৰ বাবে প্ৰথমে আশালতাক যতনাই দি নিজৰ ফালবো যা-যোগাৰ কৰি ললে। আশাই ভাত ৰান্ধিব ধৰিলে কল্যাণ অলপ দূৰত বহিল। কল্যাণে অনুৰোধ কৰিবই নালাগিল, তাই নিজেই তাইৰ জীৱনৰ এই ছমহীয়া অধ্যায়টো কবলৈ আৰম্ভ কৰিলে। প্ৰথমেই আৰম্ভ কৰিলে তাইৰ দৈনন্দিন অপৰিহাৰ্য্য কৰ্ত্তব্যৰ কথা—দোকমোকালিতে পঞ্চাননে চোতালৰ পৰা বিহুমুখেৰে বকিবলৈ ধৰিলে উঠি আহি চোতাল সৰাৰ পৰা ঘৰ মচা, বাচন ধোৱা, গোবৰ পেলোৱা আদি আটাইবোৰ বাহীবন শেষ কৰি গা ধুই গোসাঁইঘৰ মচি দিব লাগে আৰু সি গোসাঁই ঘৰত সোমাই অলপ পিছতে ওলাই আহিলেই তাক চাহ-তামোল যোগান ধৰি ধপাত এচিলিম লগাই দিব লাগে। কেতিয়াবা কেতিয়াবা চুচিলিমো লগাই দিব লাগে। তদুপৰি ওলাই নাযায় মানে তাৰ ইখন-সিখন আলপৈচান ধৰা কামতো আছেই। তাৰ পিছত সি লাহে-ধীৰে ওলাই গলে বাত-বিষত পঙ্গু হৈ পৰি থকা কদমীৰ গাত কবিৰাজী তেল মালিচ কৰি দিব লাগে। তাইক বাহিৰলৈ উলিয়াই নি ব'দত থোৱা, গা ধুৱাই দি কাপোৰ কানি পিন্ধাই ঘৰলৈ আনি চাহ খুওৱা আদি শেষ কৰি তেতিয়া ঢেঁকীত ধান বানি চাউল উলিয়াব লাগে। তাৰ পিছত কদমীৰ কাপোৰবোৰ তিয়াই মেলি দি আকৌ এবাৰ গা ধুই হে ভাত ৰান্ধিব যাব পাৰে। দাইল নাথাকিলে যাঁতত মাহ দলি দাইল উলিয়াই ৰান্ধিব লাগে। সময়ত বাৰীৰ ঢেঁকীয়া কচু আদি পাচলি আনি ৰান্ধিব লাগে। পঞ্চাননে দাইল নিকিনে আৰু শাক পাচলিৰ খেতি নকৰে। অথচ খাবৰ

সময়ত পাতত একো নেদেখিলে গালি পাবি চৈধ্য পুৰুষৰ পিণ্ড দিয়ে।

ভাত ৰন্ধা শেষ হয় মানে বেলা ভাটী দিয়েই। কেতিয়াবা কেতিয়াবা ভাত ৰান্ধি বাটচাই বহি থাকিব লাগে। আবেলি দুইমান বজাত সি আহি ভাত খায়। কেতিয়াবা তাতকৈও পলম কৰি আহে। তাক খুৱাই বুৱাই তামোল ধপাত যতনাই দি কমমীক ভাত খুৱাই উঠি বায়নবোৰ ধুই তৃতীয়বাৰলৈ গা ধুই তেতিয়াহে নিজৰ নিমিত্তে এমুঠি চাউল সিজাব পাৰে। তেতিয়া আৰু পেটৰ পোৰণিত মাটি মাহৰ দাইল সিজাই থাকিবলৈ সময় আৰু ইচ্ছাও নহয়। কোনোমতে কিবা এসোপা গিলি পেটৰ পোৰণি মাৰিব পাৰিলেই ৰক্ষা। তাৰ ঘৰত শাকপাচলি তো নায়েই, সময়ত আলু এটাও নাথাকে। গতিকে লোণ আৰু এচিকটা তেল সানি কেই গৰাহমান গিলি পানী এলোটা পি ভোক পলুৱাই থকাৰ বাহিৰে উপায় নাই। খাই উঠে মানে কেতিয়াবা কেতিয়াবা প্ৰায় গধূলি হয়েই। ইতিমধ্যে পঞ্চাননক আকৌ এবাৰ চাহ যোগাব লাগে, লগতে ঘৈণীয়েককো। তদুপৰি আলপৈচান ধৰা কামতো আছেই।

তাৰ পিছত সাজ লগাৰ আগেয়ে ঘৰ-চোতাল সাৰি, গাই দামুৰি বান্ধি, খৰি-খেৰ আনি সাজ-জুই ধৰি, চাকি জলাই, আকৌ গা ধুই আখল ঘৰত সোমাব লাগে। ৰাতিৰ সাজ ৰান্ধি উঠিও কেতিয়াবা কেতিয়াবা ৰান্ধনীঘৰতে বাটচাই টোপনিয়াই থাকিব লাগে। বহুত ৰাতিতহে পঞ্চানন ওলায়হি। কেতিয়াবা আকৌ ভঙুৱা বা ভাঙুৰীবোৰ আহি চোতালতে ভাং হুপি বাজে কথা

পাতি থাকোতে বহুত ৰাতি হয়। পঞ্চাননে ৰাতিৰ সাজ খাই উঠে মানে তেতিয়ালৈ ওচৰ চুবুৰীয়া কোনো সাৰে নাথাকে। সিহঁতক খুৱাই উঠি বাচনবোৰ সামৰি, ঠাই অঁতাই আটাইবোৰ কাম শেষ কৰি উঠিলে আৰু লৰচৰ কৰিবলৈ শক্তিকে নাথাকে। আকৌ নিজৰ বাবে ভাত ৰান্ধি খাব লাগিলে পুনৰ গা ধুবও লাগে। গতিকে খোৱাৰ আশা এৰি ভাগকৰা শৰীৰটো বিছনাত পেলাই দীঘল দি মৰাৰ দৰে পৰি থাকে। ইয়াৰ মাজতে পাণৰ পৰা চূণ খহি পৰিলেও পঞ্চাননৰ অভদ্ৰ গালি শপনিয়ে সহ্যৰ সীমা চেৰাই যায়গৈ কিন্তু মুখ বন্ধ কৰি তাকো সহি থকাৰ বাহিৰে গত্যন্তৰ নাই।

একাদশীৰ দিনা নিজে উপবাসে থাকিও সিহঁতক ৰান্ধি খুৱাব লাগে। ক'ৰবাত কেতিয়াবা খুজি মাগি মাছ আনিলে তাকো তাই ৰান্ধি দিবই লাগে। প্ৰথমে তাই আপত্তি কৰিছিল কিন্তু তাৰ নানান গালিৰ উপৰিও মাৰিবলৈ খেদি অহা দেখি ভয়তে তাৰ হুকুম মানি ৰান্ধি দিবলৈ বাধ্য হয়। মাছ যিদিনা ৰান্ধিবলগীয়া হয় সেইদিনা আৰু তাইৰ ভাত খোৱা নহয়। মাছৰ গোন্ধ সহ্য কৰিব নোৱাৰে। গা ধুই উঠিলেও যেন নাকত গোন্ধটো লাগি থাকে, মুখখন বতিয়াওঁ বতিয়াওঁ লাগে। তাৰপিছত ডাঙৰ সৰু সকলো ঘটনা অলপো বাদ নিদিয়াকৈ তাই বৰ্ণাই গল।

আশালতাৰ কথাৰ মাজতে খণ্ডতে কল্যাণে উঠি চোঁচা লবৰ মনেৰে হবলা, ছুবাৰো উঠিবলৈ দোপ্ দিছিল কিন্তু মুঠি আকৌ বহি শুনি থাকিল। তাৰ মুখখন ৰঙা পৰিছে। চকু দুটাত যেন দুকুৰা জুই। মণ্ডলনিৰো আধা কুটা পাচলি হাতত থাকিল।

তাইৰ কথা শুনি তেওঁ চকুপানী মচি আছে। আশাৰ চকুত হলে অকণো পানী নাই। মনতো যেন কোনো দুখ নাই। দুঃস্বপ্নৰ কাহিনী এটাহে যেন তাই বৰ্ণাব লাগিছে। ছমাহৰ সকলো বেদনাৰ ভাৰ কল্যাণৰ আগত উবুৰিয়াই দি নিঃশেষ কৰিব পাৰিলেহে অন্তৰখন পাতল হব আৰু মন মুকলি হব। এই বোজাটো তাই যে আৰু অকলে বহন কৰিব নোৱাৰে আৰু ইয়াৰ কিবা প্ৰতিকাৰ আছেনে নাই তাকো তাই নাজানে। সকলো ঘটনা শুনি কল্যাণে যি ভাল দেখে কৰক, তাই আৰু ভাবিব নোৱাৰে।

তাইৰ কথা শুনি থাকোতেই কল্যাণে এটা সমস্যাৰ স্থিৰ সিদ্ধান্ত কৰিছিল যে তাইক মাকৰ ওচৰৰ পৰা কলৈকো যাব নিদিয়ে। আন এটা সমস্যাৰ কথা সি এতিয়াও সমাধান কৰিব পৰা নাই। সেইটো হল প্ৰতিহিংসা। কোনোবাই যেন তাৰ মনটোক বাৰে বাৰে উচটাই দিছে, প্ৰতিশোধ লব লাগে। সি মনতে স্থিৰ কৰিছে যে পঞ্চাননৰ ওপৰত প্ৰতিশোধ লব। কিন্তু কিদৰে তাকেহে স্থিৰ কৰিব পৰা নাই। নিজৰ মনতে নিজে কলে, ইমান লৰালৰিকৈ নহয়। ভাবিব লাগিব, কিবা এটা উপায় উলিয়াবই লাগিব। অলপ শান্তহে আশাৰ মুখলৈ চাই সি সুধিলে "তুমি এই শৰীৰেৰে ভোকে-লঘোনে থাকি ইমানবোৰ কাম কেনেকৈ কৰিছিলা আশা ?"

"নহলে উপায় কি কল্যাণদা ?" আশাই উত্তৰ দিলে "তাৰ গালি-গালাজক ভয় কৰিবলৈ এৰিয়েই দিছিলো। পিছে বিনা দোষতে মানে সময়ৰ অভাৱত আৰু দেহাৰে টানিব নোৱাৰাত কিবা কামৰ অলপ হেৰ-ফেৰ হলেই সি যি মূৰ্ত্তি ধৰি চোঁচালৈ

আছে দেখিলে খাতু উৰি যায়। পাৰিলে যেন মোক কেঁচাই কেঁচাই গিলিহে থলেহেঁতেন। এদিন মোক চুলিত ধৰি বগৰাই দিছিল বুলি আগেয়ে কৈ গলো নহয়...”

খঙেৰে কল্যাণে কলে “নৰপশুই ইমান দূৰলৈ নামিছে ? তাৰ উপযুক্ত প্ৰতিশোধ লৈহে এৰিম। পিছে...” বুলি আশাৰ অসহায় অৱস্থাটো নাভাবি হঠাতে কৈ পেলালে “তুমি বৰ আঁজলী ছোৱালী আশা। ইমান দূৰ সহ্য কৰিও তাৰ হাতৰ মুঠিত থাকি মৰিবলৈ ওলাইছিলা ?”

হঠাতে আশাৰ চকুত বাৰিষাৰ ধল নামি দুয়ো গালেৰে বাগৰি যাবলৈ ধৰিলে। তলমূৰ কৰি আঁচলেৰে চকু মচি বৰ চেষ্টা কৰি তাই মনটো ডাঠ কৰিলে যদিও আগৰ মাত নোলাল। যেন কৰবাৰ দূৰৈৰ পৰা অহা ক্ষীণ মাত এটা কল্যাণ আৰু মাকৰ কাণত পৰিল “উপায় কি কল্যাণদা ? মা-দেউতাক বিচাৰি যোৱাটোৱেই যে সম্প্ৰতি মোৰ সমুখত একমাত্ৰ পথ। মইতো মানুহ নহও, মই যে সমাজখনৰ মনত এটা বিভীষিকা। মই অসহায়া ডেকেৰী-বাঁৰী, মোৰ সংস্পৰ্শত সমাজখন কলুষিত হব। মোৰ দংশনত পুৰি ছাই হৈ যাব। মোৰ নিশাহতো বিষ ওলাই সমাজক ধ্বংস কৰিব। মোৰ পৰা সমাজখনৰ পদে পদে বিপদৰ সম্ভাৱনা। সেয়েহে মোক নিৰ্য্যাতন কৰি পোক-পৰুৱাৰ দৰে ভৰিৰে পিহি যিমান সোনকালে পাৰে মাৰি নিঃচিহ্ন কৰিব পাৰিলেই সমাজখন ৰক্ষা পৰে...”

কল্যাণৰ চকুপানীয়ে এইবাৰ বাধা নামানিলে দেখি ততালিকে সি থিয়হৈ সাউৎকৰে বাহিৰ ওলাই গল। কিন্তু যিমানেই লৰালৰি

নকৰক তাৰ চকুলো আশাৰ দৃষ্টিত নপৰাকৈ নাথাকিল। কল্যাণ যোৱাৰ ফাললৈ তাই একেথিৰে চাই থাকিল।

চৌকাৰ জুই কেতিয়াবাই নুমাই গৈছিল। অলপ সময়লৈ মণ্ডলনীয়ে নিজৰ চকুপানী মচি থাকি লাহে লাহে উঠি গৈ জুই একুৰা আনি আশাৰ হাতত দি কলে "হোঁ আই, চৌকাত জুইকুৰা ধৰ। ময়ো আমাৰ আখলত জুই ধৰোগৈ।" বুলিকৈ নিজৰ পাগৰ কাষলৈ গল।

ছয় —

পঞ্চাননে আহি চোতালত ভৰি দিয়েই চোতালৰ জ্বলি থকা চাকিটো দেখি তেওঁৰো খংটো দপ্ দপ্ কৰে জ্বলি উঠিল। বৰ ডাঙৰকৈ গাজনি মাৰিলে "হেৰ' বেটী খাদহী, নিলাজী, হতভাগী গজমূৰী, বোলো চোতালত চাকি জ্বলাইথৈ ক'তগৈ মাৰিলি হোঁ? ভাত হৈছে যদি চাকিটো নুমাই নথলি কিয়, হোঁ? এইদৰে দেৱালী পাতিবলৈ তোৰ মৰা বাপেৰই কেৰাচিন যোগাইছে নে পঞ্চাননে বুকুৰ তেজ পানী কৰি ঘটা পইচাৰে কিনিছে? হয়েও নিধকী এইদৰে মোৰ পইচাকেটা পুৰি ছাই কৰিব ধৰিছ? ছাল ছিগাৰ সঁচ, লক্ষ্মীছাড়ীক চপাই আনি মোৰ গৃহস্থীকে পানী কৰিলো। বোলো কথা কাণলৈ গৈছে নে নাই হেৰ' হাইজাত জাতী, ফুট গধূলিতে মৰ-ঘুমটিয়ে পাইছে! আখলৰ গাৰে শেতেলীত মৰিবলৈ

মানা কৰিছিলো নে নাই ? এতিয়া আকৌ গা ধুব লাগিব। যা বেগেতে ধপাত এচিলিম লগাই দি উঠি গা ধুই গোসাঁই ঘৰত চাকি আৰু ধূনা জ্বলাই দেগৈ...” বুলিকৈ তেওঁৰ ঘৰত সোমাই হাতৰ টোপোলা আৰু গাৰ চাদৰখন থৈ আকৌ ওলাই আহি আশালতাক নেদেখি পুনৰ গাজনি মাৰিলে “মৰ ঘুমটি নাভাগিল খাইমূৰী, ৰ'হ আজি তোক চুলিত ধৰি খাটৰ পৰা পেলাই চোচোৰাই টানি আনো। তেতিয়াহে কাল ঘুমটিয়ে এৰা দিব...” বুলি কৈ দাঁত কামুৰি চাকিটো হাততলৈ আশা থকা ঘৰ সোমাইগৈ দেখিলে যে বিছনা উদং। খাটৰ তলত আৰু ঘৰৰ চুককেইটাত চালে। কতো নেদেখি তাৰ পৰা ওলাই ৰান্ধনী ঘৰত আৰু তাৰ পিছতে বাৰীৰ ফালেও চাই আহিল। তাৰ পিছত দাঁত নিকটাই ঘৈণীয়েকক অশ্লীল গালিৰে আদৰ কৰি আশাৰ কথা সুধিলে। ঘৈণীয়েকে কোনো বতৰা দিব নোৱাৰিলে। কিয়নো কল্যাণ অহাৰ সময়ত কদমীৰ টোপনি আহিছিল। এতিয়াহে গিৰিয়েকৰ গৰ্জ্জনত সাৰপাই কেঁকনি মাৰিছে।

আশালতাক কতো নেদেখি পঞ্চাননৰ মনত দৃঢ় বিশ্বাস হল যে ষড়াননৰ দলটোৱেই তাইক টানি লৈ গল। সিহঁতে এই কাম কৰিব বুলি পঞ্চাননৰ অনুগতা গাঁওৰে বাঁৰী তিৰোতা ছুজনীৰ মুখে গোপনে শুনিছিল। তেওঁৰ মূৰত যেন ষড়াননে বজ্ৰ আঘাত কৰিলে। খঙৰ ওপৰতে লাজে-ছুখে-অপমানে তেওঁক বলিয়াৰ দৰে কৰিলে। কৰ্ত্তব্য স্থিৰ কৰিবলৈ তেওঁৰ অলপো পলম নহল। হাতৰ চাকিটো থৈ দাখন হাতত লৈ বেগেৰে ওলাই গল। মণ্ডলৰ পদূলি পোৱাৰ আগেয়ে তেওঁৰ চোতালৰ পৰা অহা উত্তেজিত মাত

পঞ্চাননৰ কাণত পৰিল। একে সময়তে কেবাজনেও কৰ ধৰাত দূৰৈৰ পৰা আন কথা নুবুজিলে যদিও নিজৰ নামটো আৰু বামুণী-খুৰী শব্দটো ভালদৰে শুনিলে। পঞ্চানন সাৱধান হ'ল। দুই এখোজকৈ আগবাঢ়ি পদূলি মুৰত থকা জবা ফুল জোপাৰ আঁৰত থিয়হৈ অলপ সময় শুনি থাকি প্ৰকৃত ঘটনাটো বুজি পালে। তেতিয়াই দুৰ্ব্বুদ্ধি এটা সাজি লাহে লাহে আগবাঢ়ি তেওঁ চোতালত ভৰি দিলেগৈ। আও-ভাও নুবুজাৰ দৰে শান্ত মাতেৰে কৈ উঠিল "কিবা নাম-সৰাহ আছিল নেকিহে মণ্ডল বাপু? মোৰ অলপ পলম হ'ল হবলা, নাম হৈ গল নেকি ?"

পদূলিৰ ফালে বেছি ভাগে পাছমুখদি বহিছিল। যি কেজনে সেইমুৱাহে বহিছিল মানুহ এজন সোমাই অহা দেখিলেও তেওঁলোকে সেইজন পঞ্চানন বুলি আন্ধাৰত চিনিব পৰা নাছিল। তদুপৰি আগেপিছে বেদ বিদ্যানিধি এনেকুৱা সমাজলৈ আহিলে বাটৰ পৰাই নাদনি মাৰি বাৰে-ভচহু কথা বকি বকি আহে। আজি তেওঁৰ মুখত মাতবোল নাই। ইতিমধ্যে আৰু কেইজনমান মানুহ আহি প্ৰায় পচিশ ত্ৰিশজনমান হৈছিল আৰু সকলোৱে ঘটনা শুনি আশালতাক নেদেখিও পঞ্চাননৰ প্ৰতি উত্তেজিত হৈ আছিল। সমাজপতিৰ মাত শুনি আটায়ে সেইফালে চালে। আজি মূৰ থিয় কৰি বুকু ফিন্দাই অহা নাই, পকা ধানৰ দৰেই যেন সেওহৈ আহিছে। তেওঁক দেখি খণ্ডত উতলি থকা কিছুমানে যেয়ে যিহকে পালে তাকে কলে। সমজুৱাৰ মাজত বাককৈয়ে কোলাহল উঠিল।

তাৰে ললীত নামৰজনে থিয়হৈ ডাঙৰকৈ কলে "বাইজ মনে মনে থাকাহঁক, আমাৰ সমাজপতি বেদনিধি দেউ আহিছে। তেৰাক

খং উঠিলে কাক কোনখন নৰকলৈ পঠোৱাৰ ব্যৱস্থা কৰি উদ্ধাৰৰ বাবে কেইধেনুকৈ প্ৰায়শ্চিত্তৰ বিধি দিয়ে ঠিক নাই।” বুলিকৈ পঞ্চাননলৈ হাতযোৰ কৰি ব্যঙ্গৰ সুৰত সুধিলে “বেদনিধি প্ৰভু, স্ত্ৰীবধ, ব্ৰহ্মবধ আৰু অসহায় অবলাৰ ওপৰত নিষ্ঠুৰতা পাপত কোন কোন নৰকত পৰে আৰু কেইধেনুকৈ প্ৰায়শ্চিত্ত হলে উদ্ধাৰ হব পাৰে দয়া কৰি বিধি এখন দিয়ক।”

পঞ্চাননৰ খং তো নায়েই, একো নজনাৰ ভাও ধৰি উচ্চ হাঁহি মাৰি কলে “ললীত, তুমি থুহুতীয়া কথাৰে বৰ ইঁহুৱাব জানাহে। চহৰে-নগৰে থকাহলে থিয়েটাৰ-চিয়েটাৰত তোমাক বহুৱাৰজা পাতিলেহেঁতেন…”

বাধা দি ললীতে কলে “সেয়া মোৰ প্ৰশ্নৰ উত্তৰ নহল প্ৰভু। মোক বিধিখনহে লাগে।”

“কিয়, কাৰ নিমিত্তে? যদি কোনোবা সেই পাপত লিপ্ত হয় উচিত মূল্যৰে সৈতে মোৰ ওচৰলৈ গলে…”

ভোগীৰথ বোলাজন পোনপটীয়া মানুহ। কথা চোবাই থাকিব নাজানে। পঞ্চাননৰ কথাত বাধা দি হুৰহুৰাই উঠিল “কি চুপতিখন পাতিলাহে ললীত? বোলো অ’ পঞ্চানন দাদা, তুমি নিজে গাহে বামুণীখুৰীৰ ছোৱালীজনী তাইৰ মাটি দুবিঘা পোৱাৰ আশাৰে মাৰি খাবলৈ কিবা বোলেনে খতম্ কৰিবলৈ নিছিলা নেকি? তাই বাচি থাকিলেও তো মাটিখিনি খাই থাকিব পাৰিলাহেঁতেন। তিৰী-হত্যা আৰু ব্ৰহ্মহত্যা পাপ কৰিলা। তদুপৰি হাতে আৰু ভাতে মাৰিছা, তাৰ বিচাৰ ধৰ্ম্মৰজাই কৰিব।”

দুয়োখন কাণত আঙুলিৰে সোপাদি পঞ্চাননে কলে "শ্ৰীবিষ্ণুঃ – হৰিঃ—ওম্ ··· ছিঃ, তুমি শিক্ষিত সবল মানুহজনে কি অকথ্য বাক্য উচ্চাৰণ কৰিলাহে ভোগীৰথ বাপু ? আজি নিৰ্জ্জলা উপবাস কৰিবলগীয়াত পেলালা। কালিলৈ প্ৰায়শ্চিত্ত কৰিহে জলস্পৰ্শ কৰিব পাৰিম।"

লাহিৰাম নামৰ জনে সুধিলে "কিয় দেউ ?"

পঞ্চাননে কাহ এটা মাৰি কলে "এয়া শাস্ত্ৰৰ নিৰ্দ্দেশ। তই শাস্ত্ৰৰ কি বুজ অ' লাহিৰাম, মনে মনে থাক।"

"হেৰা পঞ্চানন দাদা," ভোগীৰথে খঙেৰে সুধিলে "লাহিহে নালাগে তোমাৰ বাদে আৰু এই ৰাজ্যখনত কোনেও শাস্ত্ৰৰ কথা নাজানে—নুবুজে। পিছে, তোমাৰ দৰে শাস্ত্ৰ-জ্ঞান নাই যদিও এইকণ জ্ঞান আছে যে কোনোবাই স্ত্ৰীবধ, অসহায় অবলাৰ ওপৰত নিষ্ঠুৰ নিপীড়ন কৰিব ধৰোতে যদি তোমাৰ শাস্ত্ৰই মানা নকৰে অথচ সিজনক নৰঘাতক বুলি কলে শাস্ত্ৰই ৰাতিটো উপবাসে থাকি পুৰা পেট ভৰাই খাই পাপ খণ্ডাবলৈ নিৰ্দ্দেশ দিয়ে তেনেকুৱা শাস্ত্ৰ ধোঁৱাচাঙত সযতনে সাঁচি নাৰাখি পুৰি পেলোৱাহে উচিত বুলি আমি নিশ্চয়কৈ জানো।"

পঞ্চাননে খং নেদেখুৱাই সুৰটো চৰাই কলে "হেৰা ভোগী, তুমি সদ্ বংশৰ বামুণহে ইয়াকো নাজানানে যে শাস্ত্ৰ অৱজ্ঞা বা উপলুঙা কৰা মহাপাপ। কেইপাতমান ইংৰাজী পঢ়িছিলা বাবেই জাপমাৰি শাস্ত্ৰ-সদাচাৰৰ ওপৰেৰে পাৰহৈ যাব খোজা, তোমাৰ নৰকতো স্থান নহব।"

ব্যঙ্গ কৰি ললীতে কলে "বঢ়িয়া কথা কলে বেদনিধি প্ৰভু,

এৰা, ভোগীৰথে নৰকত স্থান নাপায়। সেইবাবে নিশ্চয় স্বৰ্গ লৈ যাব। এই দুই ঠাইৰ বাহিৰেতো যাবলৈ স্থান নাই। পিছে আপুনি নৰহত্যা, বিশেষকৈ আশ্ৰিতা নাৰীৰ তেজপানী শুহি তিলে তিলে মাৰি ক'ত স্থান পাব বুলি আপোনাৰ শাস্ত্ৰই কৈছে, দয়া কৰি কওকচোন ?"

পঞ্চাননে জানে যে এই কেইজনৰ লগত তক কৰি থাকিলে হত্যাহত্যী হোৱাৰ ভয়ো নথকা নহয়। গতিকে ললিতৰ ব্যঙ্গত কাণ নিদি লুগুনা ভাও জুৰি আগুৱাই গল। সমাজৰ আন আন লোকেও যাৰ মুখত যি আহিছে তাকে কৈ বাক্যবাণ প্ৰহাৰ কৰিছে। সেইবোৰেও একোপাত শেল অহাদি আহি যদিও তেওঁৰ বুকুত একোটা আঘাত কৰে তথাপি তেওঁ উত্তেজিত সমাজখনলৈ চাই প্ৰতিবাদ কৰাৰ সাহস নকৰিলে। সকলোকে অগ্ৰাহ্য কৰি একলীয়াকৈ মণ্ডল য'ত বহি আছিল তাৰে ওচৰতে থকা খালি ঠাইখিনিত বহি তেওঁ বৰ আপোন ভাৱেৰে সুধিলে "মণ্ডল বাপু, কুশল হওক। এই লম্বা মঙাৰ কথা শুনি খং কৰিম ছাৰি তাঁতিহে উঠে।" বুলি হিঃ হিঃ কৰে কাঠ হাঁহি এটা মাৰি ইফালে সিফালে চাই দূৰত মণ্ডলৰ লগুৱাটোক দেখি কলে "তৰা আঘনা, বোলো ধপাত এচিলিম লগাই আন বেগেতে। পিছে মণ্ডল বাপু আশা-আইক হবলা তোমাৰ পৰিবাৰে আনিলেগৈ ? ছোৱালীজনীক অহা-যোৱা কৰি থাকিবলৈ সদায়েই মই কৈ থাকো। পিছে তাই নিজৰ ঘৰটো দেখি সহিব নোৱাৰে বাবেই আহিবলৈ সমূলি ইচ্ছা নকৰে।"

মণ্ডলৰ মনতো পঞ্চাননৰ ওপৰত বৰ খং উঠি আছিল। তথাপি পঞ্চাননৰ প্ৰশ্নৰ উত্তৰত উষ্মা প্ৰকাশ নকৰাৰ শান্ত ভাবেই

উত্তৰ দিলে "মাকৰ লগত অহা নাই। আজি আমাৰ কল্যাণ আহিছে নহয়, সিয়েই লৈ আহিছেগৈ।"

মনথিৰ মণ্ডলৰ মুখৰ পৰা কথাষাৰ ওলোৱাৰ লগে লগে পঞ্চাননৰ কুবুদ্ধিৰ মোনাখন মেল খালে। ইমান সময়লৈ উপযুক্ত আহিলা নাপাইহে যুঁজত নামিবলৈ সক্ষম হ'ব পৰা নাছিল। কল্যাণৰ নাম শুনিয়েই তেওৰ অন্তৰত ৰণবাদ্য বাজি উঠিল। যেন দুৰ্ভেদ্য কবচ আৰু চোকা অস্ত্ৰ উভয়কে লাভ কৰিলে। ধান খেৰৰ জুইৰ দৰেই মনৰ খংটো দপ্ দপ্ কৰে জ্বলি উঠিল কিন্তু অৱস্থা বুজি মনক সংযত কৰি চলিব পৰা শক্তি তেওঁৰ প্ৰবল। খেৰৰ জুই গচকি মুমোৱাৰ দৰে মনৰ খং দমন কৰি বৰ নৰম সুৰত তেওঁ কলে "অবোধ ল'ৰা মানুহ, তাৰ ওপৰতনো কি খং কৰিম? মই ঘৰত নথকা অৱস্থাত এইদৰে গধূলি গৈ তাইক লগত লৈ আনি অন্যায় কৰিছে। এৰা, বৰ অবিবেচনাৰ কাম কৰিছে। মানুহৰ মুখত নো তুমি কেনেকৈ সোপা দিবা, নানান জনে নানান কথা কব পাৰে। নে মই মিছা কৈছো? যি নহওক, তাৰ মুখলৈ চাই এইবাৰলৈ মই তাক ক্ষমা কৰিলো..."

মণ্ডলে টান কথা এটা কব খুজিও মত সলনি কৰি নকলে। শান্ত মাতেৰেই সুধিলে "কিহৰ বাবে ক্ষমা কৰিলা খুৰা? সি কিবা অপৰাধ কৰিছে নেকি?"

"অপৰাধ?" বুলি যেন অতি আচৰিতহে পঞ্চাননে মুখ মেলি এবাৰ মণ্ডলৰ মুখলৈ আৰু এবাৰ আনবিলাক মানুহৰ ফালে চকু ঘূৰাই চাই কূট বুদ্ধিটো পাতি দৃঢ় ভাবেৰে কলে "এৰা অপৰাধ নিশ্চয় কৰিছে। কওঁ শুনা, তাই বিধবা গাভৰু। তাইক সমাজে

মোৰ তত্ত্বাৱধানত ৰাখিছে। মোৰ অনুমতি নহলে তাই উতনুৱা ডেকা এটাৰ লগত গুচি অহাৰ কথাকে নকওঁ যাবে তাৰে আগত কথা পাতিবও নোৱাৰে ..”

“তোমাৰ কুলাঙ্গাৰ ষড়া...” বুলি মণ্ডলে কবলৈ আৰম্ভ কৰিছিল। তেওঁৰ কথা তলপেলাই ভোগীৰথে গোৰ্গোৰাই উঠিল “এৰা, অইনৰ আগত ওলাব দিলে যে তাইৰ তেজ-মংস শুহি খাই জঁকাটোহে ৰাখছে বুলি তেওঁ ধৰা নপাৰিব জানো ”

পঞ্চাননে আৰু নোৱাৰিলে টিকিচি বিকিচি হৈ হুঙ্কাৰ দিলে “.হৰ কাউৰা, তই ব্ৰাহ্মণ বংশৰ কলঙ্ক। নৰাধম ভোগী, তই অধোগতি যাব। তোৰ চৈধ্য পুৰুষ নৰকত পৰিব...”

ভোগীৰথৰ আৰু সহ্য নহল। জাপ মাৰি থিয় হৈ “হয়নে কটা চপনীয়া, ধতুৰা ভিকহু...” বুলি হাত দাঙি চোঁচা ললে।

পঞ্চাননক আগুৰি ভোগীক ভেটাদি মণ্ডলে কলে “শান্ত হোৱা ভোগী বাপু, মোৰ চোতালত ..” তেওঁৰ নাত কোলাহলত তল পৰিল।

আনবিলাক মানুহেও যেয়ে যিহকে পায় কবলৈ ধৰাত কোলাহল উঠিছে। তাৰে দুজনে ভোগীৰথৰ সবল হাতত আৰু আন এজনে কঁকালত ধৰি বাধাদি ৰখাত পঞ্চাননে ভোগীৰথৰ মাৰৰ হাত সাৰিল। মুখত বীৰত্ব পূৰ্ণ কথা ওলালেও পঞ্চাননৰ শাৰীৰিক বলত সমূলি বিশ্বাস নাই। হতাহতীৰ কথা ভাবিলে কঁলজাটো কোঁচ খাই যায়। বেগতিক পৰিস্থিতি দেখি উঠি পলাবলৈ তেওঁৰ মনে বাৰে বাৰে সোঁৱৰাই দিলে ‘যঃ পলায়তি স জীৱতি।’ কিন্তু নিৰুপায়, মানুহবিলাকৰ দাঁতিৰে যোৱাৰ সময়ত আনে নহলেও

ভোগীয়ে একে জাপতে তেওঁৰ টেট্টত চেপি ধৰিব। নপলাই ইয়াত বহি থাকিলে পুনৰায় যদি মনৰ দাহত আন কিবা গৰম কথা ওলাই পৰে তেতিয়া হলে কোনোবাই হাড়কেডাল গুৰি কৰিব। তেওঁ উভয় সঙ্কটত পৰিল। এই বেতুৰ মাজৰ পৰা কেনেকৈ ওলোৱা যায়···

শুভ গ্ৰহৰ আৱিৰ্ভাবৰ দৰে হঠাতে কল্যাণৰ উপস্থিতিয়ে তেওঁক উপস্থিত সঙ্কটৰ পৰা ৰক্ষা কৰিলে আশাৰ লগ এৰি বাহিৰলৈ অহাৰ লগে লগে আগচোতালৰ গোলমাল শুনি লৰমাৰি কল্যাণ তালৈ আহি ভোগী আৰু তেওঁক বাধা দিয়া মানুহৰ টনা-আঁজোৰা দেখিলে আৰু যেযে যি পায তাকেই কৈ পঞ্চাননক গৰিহণা দিব ধৰা শুনিলে। ৰাইজৰ ভয়ত কি কৰ্ত্তব্য বিমূঢ় হৈ কেনেকৈ চাই পলাবলৈ সচেষ্ট হৈ থকা পঞ্চাননে হঠাতে কল্যাণক সন্মুখত দেখি উপায় বিচাৰি পালে। ততালিকে বৰ মৰমৰ মাতেৰে তেওঁ কলে "আহঁক দেহি, নাতি। কেতিয়া পালাহি চেহেৰাখন ধুনীয়া হৈছে, দেখি চকু জুৰ পৰিল। ঈশ্বৰে কুশল কৰক···।"

কল্যাণক দেখি আনবিলাকেও কথা বন্ধ কৰিলে। সকলোৱে শুনিলে, সমাজপতিয়ে একে লেঠাৰিয়ে কৈ আছে "···মই আশীৰ্ব্বাদ দিছো, তোৰ মঙ্গল হওক এৰা নাতি, চেহেৰাখন বেছ ধুনীয়া হৈছে, দেখি বৰ সন্তোষ পালো। পিছে বাপু, আশা আইটিক মাতি আনগৈ, মই লগতে লৈ যাওঁ। মোৰ আকৌ সন্ধ্যা আহ্নিক কৰাৰ সময় পাৰহৈ যায···"

তেওঁৰ মিঠামুখৰ অভিনয়ে কল্যাণৰ খং চৰালেহে। কৰ্কশ মাতেৰে সি কলে "কিয় বিদ্যানিধি আতা, তাইৰ হাড়কেডাল গুৰি

ছাই কৰিবলৈ নাপায় মানে আপোনাৰ মনটো সন্তুষ্ট নহয় নেকি? তাইক মাৰিবলৈনো ক'ত বাকী ৰাখিছে? তাইক খাব-লবলৈ নিদিয়ে, লঘোনে-ভোকে লৰচৰ কৰিব নোৱাৰিলেও পেটত গাঁঠি দি আপোনাৰ যাৱতীয় কাম কৰি দিব লাগে কিয়? তাই আপোনাৰ বিনা বানচৰ বান্দী নেকি? বাটৰ কুকুৰ-মেকুৰীৰ দৰে বামুণী খুৰীৰ ছোৱালীক…”

বাধা দি পঞ্চাননে মুৰ থিয় কৰি কৈ পেলালে “বদমাচৰ সঁচহে তেওঁ এইবোৰ লক্ষ্মীছাড়ীয়ে…”

সমজুৱাৰ মাজৰ পৰা কেবাজনেও একেলগে গোৰ্গোৰাই উঠিল। পঞ্চাননে পাহৰি যোৱা অৱস্থাটো আকৌ মনত পৰি নিমাতীহৈ ভুলসুৰ কৰিলে। কল্যাণে সমজুৱা সকলৈ চাই কলে “শুনিলেনে বাইজসকল, সমাজৰ আগতে এওঁৰ চুৱা মুখেৰে কি গালি ওলাল? ঘৰত অসহায় অৱস্থাত পাই আশালতাক পোতাশালৰ বন্দীৰ দৰে ব্যৱহাৰ কৰিও নেৰে, তাইক কেনো কেঁচাই কেঁচাই গিলি খব খোজে…”

“শ্ৰীবিষ্ণুঃ, শ্ৰীহৰিঃ, ওম্ ” পঞ্চাননে উচ্চাৰণ কৰি আৰু কিবা কিবি বকিলে।

কল্যাণে তেওঁৰ কথাত কাণ নিদি কৈ থাকিল “…তেওঁ ভিক্ষা কৰি খান পালে লঘোনে-ভোকে তাকে বান্ধি কেতিয়াবা তাই শুদা ভাত এসাজ খাবলৈ পায় নহলে নাপায়। এওঁতো বাহিৰত লোকৰ ঘৰত চেলেকি ফুৰে। মৈণীয়েকে দিনে-নিশাই বিছনাত চেপেটা লাগি যেনিবা লঘোনেই থাকিল কিন্তু আশালতাই নাখাই নবৈ থাকিও এওঁৰ ঘৰৰ যাবতীয় কাম চলাব লাগে। অলপতে

এদিন আগদিনা তাই একাদশীৰ উপবাস কৰি থাকি তাৰ পিছদিনাও চাউলৰ অভাৱত লঘোনে থাকি সকলো কাম চলাইছিল। পানী এঘটি খাই ভোক পলুৱাই তাই শুই আছিল। তাৰ পিছদিনা উঠি মূৰ আচন্ৱাই কৰাত তাই শুইছিল, এও তাইৰ চুলিত ধৰি বগৰাই দিছিল...”

মানুহ বিলাকৰ ধৈৰ্য্যৰ সীমা পাৰহৈ গল। গালিৰ উপৰিও ভোগীৰথে আকৌ জাপমাৰি চোঁচা ললে। কল্যাণে হাতযোৰ কৰি কলে “মোক আগেয়ে কৈ শেষ কৰিবলৈ দিয়ক, তাৰ পিছত আপোনালোকে বিচাৰ কৰিব।”

এইবাৰ শান্ত মাতেৰে পঞ্চাননে কলে “এইবোৰ তেনেই মিছাকথাহে কল্যাণ বাপু, তাই খঙতে যিহকে পায় তাকে কৈছে তাই যে লঘোনে থকাৰ কথা কৈছে বুলি ক'লা, সেইটো তেনেই মিছা। তাইৰ হাততে চাউল-চক, গতিকে নিজে ৰান্ধিব আৰু খাব। মই তাইৰ চাউল সিজাই দিব লাগেনে? ইচ্ছা কৰিলে দুসাজৰ ঠাইত তিনি সাজো খাব পাৰে। নে মই মিছা কৈছো? ভঁৰালৰ ধান চাউল যদি শেষ হৈছে হয় আগধৰিয়ে তাই কব পাৰে, সমূলি নোহোৱা নহয় মানে কিয় মোক নকনায়? এদিন তেনেকুৱা কিবা এটা লেঠা হোৱা মনত পৰে, কিন্তু দুপৰীয়াই মই চাউল আনি দিছিলো...”

বাধা দি কল্যাণে কলে “আপোনাৰ কথাহে তেনেই মিছা মইতো বিশ্বাস নকৰোৱেই, ৰাইজেও নকৰে। বাৰু কওঁকচোন সমাজপতি আতা, আপুনি সমাজক নানা ৰকমৰ বৰকথা কৈ যে শাসন কৰি ফুৰে নিজৰ কুলাঙ্গাৰ বংশধৰ ষড়াননক কিয়

শাসন নকৰে ? সি সম্প্ৰতি কাঁহীতলীত থাকি তাৰ পৰাই তাৰ গুণ্ডা দলটো লৈ কুকুৰৰ দৰে আশালতাৰ পাছত লগা কথাটো আপুনি আসৈ মাতিব পাৰে নেকি ? যোৱা দুই নিশা সিহঁতে আপোনাৰ ঘৰৰ দুৱাৰখন বাহিৰৰ পৰা বান্ধিথৈ তাইক টানি নিবলৈ আহিছিল। এবে ৰাতি তাই হাতত দাখনলৈ দুৱাৰৰ ওচৰত বহি থকা বাবে ভিতৰ সোমাবলৈ সাহ নকৰিলে। যাবৰ সময়ত কালি হেনো সি শপত খাই কৈ গৈছে যে আজি নিশা তাইক খাটেৰে সৈতে দাঙি নিনিয়ে যদি সি পঞ্চাননৰ পুতেকেই নহয়…”

হঠাৎ লগতে কথাৰ মাজতে ফোৰণ দিলে “অ-হ…শুনক বেদনিধি দেৱতা, বাপ্‌কা বেটা, শুনি কাণ জুৰ পৰিল…” আন বিলাকৰ মাজত কোনোবাই হাঁহিলে, কোনোবাই কিবা মন্তব্য কৰিলে। কেইজনমানে কান্ধৰ গামোচা ককালত বান্ধি সাজু হল। ভোগীৰখে আগৰ পৰাই সাজুহৈ আছিল। বাঘে জাপমাৰি গৰুৰ ডিঙিত কামুৰি ধৰাৰ দৰে কোন মুহূৰ্তত নো জাপিমাৰি পঞ্চাননৰ ডিঙিত চেপি ধৰিব পাৰে তাৰেহে সুযোগলৈ বাটচাই আছিল।

পঞ্চাননে বাহিৰৰ পৰা দেখাত তেনেই নিৰ্বিকাৰ ভাবেৰে বহি আছিল যদিও কেঁৰচকুৰে উত্তেজিত জনতাৰ ভয়াল মূৰ্ত্তি দেখি ভিতৰি ভিতৰি কঁপি আছিল। তাৰে একজনৰ লগত যুঁজ দিবলৈও তেওঁৰ শক্তি নাই। ইমানবোৰৰ আগৰ পৰা কেনেকৈ প্ৰাণটো লৈ পলোৱা যায় সেয়ে একমাত্ৰ চিন্তা। তেওঁৰ ভয়তে অণ্ঠ-কণ্ঠ শুকাল। অৱশেষত মনতে স্থিৰ কৰিলে যে বেগতিক দেখিলে পোনেই ভিতৰলৈ লৰদি মণ্ডলনীৰ শৰণ লবগৈ।

কল্যাণে পঞ্চাননক সম্বোধন কৰি কলে “সমাজপতি বিদ্যানিধি

আতা, এইবোৰ কামত আপোনাৰ নাক কটা নাযায় ? এতিয়াও আপুনি ভদ্ৰলোক বুলি কৈ, শিক্ষিত বুলিকৈ, সমাজৰ মুখিয়াল বুলি গৰ্ব্ব কৰি ফুৰিবলৈ সাহস কৰেনে ? আপোনাক জীয়াই জীয়াই মাটিত পুতি থলেও উচিত শাস্তি দিয়া নহয়…"

উত্তেজিত জনতাক আৰু বাধা দিব নোৱাৰা হল। কথা বিষম দেখি মণ্ডলে থিয় হৈ হাতযোৰ কৰি কলে "ৰাইজ সকল মোৰ চোতালত মৰামৰি কৰি যেন কু-খিয়াতি নকৰা। সকলোকে মই হাতযোৰ কৰিছো ভাইই…"

মানুহবিলাকে মণ্ডলৈ চাই পঞ্চাননৰ প্ৰতি খঙ্কেৰ বাবে অন্যমনস্ক হৈছিল। সেই সুযোগতে পঞ্চাননে বাটচাই আছিল। সেই মুহূৰ্ত্ততে আনে গম পোৱাৰ আগেয়ে উঠি সুৰুক্ কৰে লৰমাৰি পোনেই পদূলি পালেগৈ তৎপৰতাই আটাহ পাৰি তেওঁ কৈ গল "মই মনথিৰ মণ্ডল, ভোগী, লালত, শান্তি, বস্তি, পুৰবাম, এইকেজনক এঘৰীয়া কৰিলো ইহঁত ভুইপানী বৰ্জ্জিত হৈ থাকিব লাগিব। ব্যভিচাৰক মই প্ৰশ্ৰয় নিদিওঁ। কালিলৈ মই চাৰিখন গাঁৱৰ মেলুৱৈ সতি আনি সমাজ পাতিম।" বুলিকৈ বেগেৰে খোজ লৈ কিছু ঘৰমুৰা নহৈ গাঁৱৰ পশ্চিম ফাললৈহে বেগ দিলে। সেইফালে ডুজনী বিধবা তিৰোতা থাকে, যাৰ আপোন বুলিবলৈ কেৱে একো নাই। লোকৰ টোলৰ এচুকত পঞ্জা একোটা কৰি আছে। ইহঁতৰ সিঘৰত ধান বানে, পূজা-পৰ্ব্ব-বিয়া-সৰাহ উপলক্ষে কাম-বন কৰিদি ধান-চাউল, টকা-সিকা আদি পাই পেট প্ৰবৰ্ত্তায়। ইহঁতলৰ স্বভাৱো বাকচৈকয়ে আছে। এইনৰ ঘৰত কাম কৰা দিনা খোৱা-বোৱাকণো তাতেই

সমাধা কৰে। তদুপৰি লোকৰ পৰা সূতা আনি আধি হিচাবে কাপোৰ বই দিয়ে। পিন্ধা উৰাৰ জোখাৰে ৰাখি বাকী কাপোৰ বেচিও ধন ঘটে। কেবা ৰকমেও ধন ঘটে যদিও সেই ধন খৰচ কৰি কিবা কিনি খাবলৈ সিহঁতৰ কোনো দৰকাৰেই নহয়। গতিকে দেখাত ছাললিছিগা হলেও কুবেৰৰ ভঁৰালৰ দৰে সিহঁতৰ ধনৰ ভঁৰাল সাধাৰণ গৃহস্থতকৈ টনকিয়াল। মাটিৰ তলত, খটাৰ পাৰত, গাৰুৰ ভিতৰত, কঁথাৰ জাপৰ মাজত এনেকি পানীখোৱা কলহৰ তলিতো সিহঁতৰ ধন-ভঁৰাল। বাঁৰী তিৰোতা দুজনী পঞ্চাননৰ হাতৰ মানুহ আৰু সিহঁতে ভাবে যে তেওঁ সিহঁতৰ হাতৰ পুতলা—প্ৰধান আশ্ৰয়। আশাক নিয়াৰ আগেয়ে সিহঁতেই পঞ্চাননৰ ধান বানি, গাইৰ কাম-বনো সময়ত কৰি দিছিল। সিহঁতৰ কথা লৈ বস্তুতে পঞ্চাননৰ চৰিত্ৰৰ বিষয়ে কাণাকাণি কৰি থাকে যদিও সাত সাটৰ চেঙেলীক জালত পেলাব নোৱাৰাৰ দৰে তেওঁকো হাতেলুতে দেখা পোনপটীয়াকৈ অভিযোগ কৰোঁতা এতিয়ালৈকে কোনো ওলোৱা নাই।

মাক-বাপেক নাইবা অভতী-বভতীৰ দৰং আশ্ৰয়লৈ থকা বিধবা সকলো সেই সেই পৰিয়ালৰে একোজন। গতিকে সিবিলাকৰ বিষয়ে কবলৈ কোনো কথা নাথাকে। সিবিলাকৰ বাহিৰে সাধাৰণতে প্ৰায়বোৰ গাঁৱতে দুই এজনী সা-সহায়-হীনা, সম্বলহীনা নিৰাশ্ৰয়া বাঁৰী তিৰোতা থকা দেখা যায়। কোনোবা সহৃদয় নাইবা স্বাধপৰ গৃহস্থৰ বস্তিৰে এচুকত পঁজা আদি সাজি থকা ঠাইকণ পালেই সিবিলাকৰ পেট পুহিবলৈ বেছি চিন্তা কৰাৰ আৱশ্যক নহয়। নিজৰ কষ্টত হাত-ভৰিৰ জোৰত ঈশ্বৰ সিমৰত সা-সহায় কৰি

নাইবা দিনতীয়াকৈ ঠিকা কাম কৰি খোৱা-লোৱাৰ কথাই নাই, নিজৰ দৰকাৰতকৈ বেছি ধন সিহঁতে ঘটিব পাৰে। যেতিয়া যে'নো কাম নাথাকে তেতিয়া সিবিলাকৰ অবসৰ বহুত। চিৰ-চলীয়া অভ্যাস মতে সেই সময়বোৰ পঞ্জাত বহি-শুই কটাব নোৱাৰি গাঁও ফুৰিবলৈ ওলাই যায়। ইঘৰ-সিঘৰত বহি তামোলছালি খাই কথা চোবাই থাকোতে পৰচৰ্চ্চা কৰে, ভাল'ৰি লগাবলৈ এজনৰ বদনাম আনজনক কয়, আনজনৰ বদনাম আৰু এজনক কৈ তোল-নোতোল লগাই ফুৰা আৰু লোকৰ চকুৰ গোন্ধ লৈ তিলকে তাল কৰি প্ৰচাৰ কৰাটোৱেই যেন সিবিলাকৰ কৰ্ত্তব্য। তাকে নকৰিলে যেন তাইহঁতৰ পেটৰ ভাত জীণ নাযায়। এই বিলাকে নজনা খা-খবৰ নায়েই, যেন এককখন গেজেট বিশেষ। টুটকীয়া কথা কোৱাত তাইহঁতৰ সমান কেনো নাই।

পঞ্চানন বেদবিদ্যানিধিয়ে যি দুজনীৰ ওচৰলৈ গল তাৰে এজনীৰ নাম লটপটী, আনজন বগীৰ মাক নামে জনাজাত। লট্‌পটীৰ স্বভাৱৰ পৰাই সেই নাম প্ৰখ্যাত। সেই নামৰ প্ৰচলন হোৱাৰ পৰা তাইৰ আচল নাম তল পৰি গৈছে। আকৌ বগীৰ মাক বোলাজনীৰ কেতিয়াবা বগী নামৰ ছোৱালী আছিল যদি তাক কোনেও নাজানে। দুয়োজনীয়ে এঘৰৰ বাৰীৰ পাছফালে ৰজভৰা গোসাই ঘৰৰ ওচৰত থকা খালি ঠাই এডোখৰত ওচৰাওচৰিকৈ পঁজা দুটা বান্ধি বহুত বছৰৰ পৰা দখল কৰি আছে। উভয়ে উভয়ৰ বান্ধৱী, সা-সহায়, সহকৰ্ম্মিণী আৰু সময়ত ভীষণ শত্ৰুও। কেতিয়াবা দুয়োৰো মাজত এনেকুৱা নোহোৱা নহয় কিন্তু দুই এদিন পিছতে পুনৰ গাখীৰ-মিঠৈ হৈ পৰে। খল লগাই ফুৰাত

কোনজনী কম কোনজনী বেছি তাক নিৰ্ণয় কৰা টান। গোকাট মিছা কোৱা দিনকে ৰাতি কৰা, থিতাতে হঁহা, থিতাতে কন্দা আদি সকলো বদগুণ দুয়োৰে গাত সমভাবে বৰ্তমান। দুয়োৰে ফটামুখ যদি কেনেবাকৈ মেল খালে সেতিয়া আৰু দুগাতে জাপ নাপায়। কেতিয়াবা কোনোবাই জোকাই ললেও ৰক্ষাই নাই, যেন কাউৰীৰ বাহতহে খোঁচ মাৰিলে। এই দুজনী সময় মতে পঞ্চাননৰ অমোঘ অস্ত্ৰ অৰ্থাৎ মেলত জিকিবলৈ শিখণ্ডীৰ দৰে-দৰবৈল ইতস্ততঃ নে কৌশলেৰে তেওঁ উপস্থিত কৰে যে গান সংকল্প অবিশ্বাস কাৰবৰ খলকে নাপায়।

পঞ্চাননে লটপটীৰ পঞ্জাৰ সমুখ পাই মাতবোল নিদিয়াকৈ কান্দিনৰীটিত থকা দুখনমান চেলি ভিতৰ সোমাই গল। তেওঁক দেখি লটপটীয়ে চক খাই উঠিল। তাৰ পিছত তেওঁৰ মুখলৈ চাই হাঁহি কলে "উস ৰাম..." বুলি নিজৰ প্ৰকৃত হাতেৰে সকু সৰুকৈ থাপৰাই 'থুই থুই' বুলি শেতেলিৰ পৰা কাপোৰ এখন লৈ গাত। তাৰপিছ কলে "হিচে চক খুৱালে দেউ, এতিয়াও বুকুখনে ধপধপাই আছে। মই এবাৰ দি সোমাব নোপাৰনে?" কাই বহি থকা শেতেলীৰ পৰা নামি গাৰ কাপোৰ সামৰিলৈ পীৰা এখন পাৰি দি কলে "বহক দেউ, উসৰাম, মোৰ বুকুখন .."

পঞ্চাননে তাইলৈ চাই মিচিকিয়াই হাঁহি কলে "হেচে আক, ভাও কৰিব নালাগে। মানুহ এজনক দেখিয়েই যদি বুকুখনে তিনি পৰলৈ ধান বানে তেন্তে বাঘ-ভালুক দেখিলে কি কৰিবা?"

তাইয়ো কম নহয়। অভিমান কৰি শেতেলীত বহি কলে "আপুনি মোক ভাও কৰা বুলি কলে, দেউ? আজি দুপৰীয়াৰ পৰা

মূৰৰ ঘূৰণিত উঠিব নোৱাৰি শুই আছো। কিনো কম, কনা বিধাতাই এইখন কপাল দি পঠিয়াইছিল। খা-খবৰ এটা লবলৈতো তিনিও লোকত মোৰ কেৱে কতো নাই, হঠাতে আপুনি বাট পাহৰি আজি আহিনো মোক ভাওজুৰাতে বদনাম দিবলৈ পালেনে, দেউ? কপাল…মোৰ ভগা কপাল…”

পঞ্চাননে পীৰাত বহি হাঁহিমাৰি কলে “হৈছে, দিয়া তামোলছালিকে এখন দিয়া বাৰু। মই আহিলো মানে বহুত দিন দেখা শুনা নাই, বোলো খা-খবৰকে লৈ যাওঁ…”

কথাৰ পাতনি দেখি লটপটীৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁ আজি কিবা ডাঙৰ বিপদত পৰি আহিছে। মুখখন চাই দেখিলে, তেওঁ তাইক দেখুৱাবলৈ হাঁহি মাৰিছে যদিও মুখৰ ৰং যেন গভীৰলৈকে কলা। তেতিয়াই তাইৰ কৰ্তব্য স্থিৰ কৰিবলৈ পলম নালাগিল মূলা বঢ়াব লাগিব…। মুখেৰে কলে “হয় মোৰ গোসাঁই, আপুনি তামোল এখন খুজিব লাগিলহঁতেন নে, দেউ। পোৰা কপাল মোৰ, আপোনাৰ দৰে মানী পুৰুষজনে দয়া কৰি দুখুনীৰ কপালত ভাৰ ধূলি পেলাই পবিত্ৰ কৰিলে, তাকেহে ভাবিছো কিহেৰে মান-সৎকাৰ কৰিম? কৈছো নহয় আজি গাঁও ফুৰিবলৈ যাবও নোৱাৰিলো, পাণ এখিলা নহলেনো কিহেৰে কৰিখন আগবঢ়াওঁ…” সাঁচতীয়া পাণ আছিল যদিও তাই তামোল নিদি নিজৰ অসুখ প্ৰমাণ কৰিলে।

পঞ্চাননে কলে “সঁচাকৈ মৰ ঘৰাইছিল? ক'তা আগেপিছেতো তোমাৰ এই অসুখৰ কথা শুনা নাছিলো…”

দীঘল উমুনিয়াহ কাঢ়ি কন্দোন-মুৰাহৈ তাই নিজকে নিজে

কলে "বোলে কাৰ আগত কম, কোনে পতিয়াব, য'ৰ আ'গত কম সিয়ে লথিয়াব···হতভাগী, গজমূৰী···" দুয়ো হাতেৰে তাই মুখখন ঢাকিলে

তেওঁ গম্ভীৰতাৰে অনুতাপ কৰি কলে "সচাকৈ কৈছো লট্‌পটী, মই দেমাগ্লি কৰা বুলি ভাবিছিলো। বেয়া নাপাবাদেই। পিছে মই এটা জৰুৰী কামত আহিলো। বগীৰ মাককো মাত দিয়াচোন, তিনিওজনে পৰামৰ্শ এটা কৰোহঁক।"

"বগীৰ মাক বাই এৰি যোৱাৰ পৰা টোপনিত নপৰাকৈ আছেনে দেউ? সাক্ষাতে মানে ফুলি ধূলি ভোৰাৰ লগে লগে তাই বান্ধি মোকো [illegible] নিজেও [illegible] শুলে হবলা। মই দিনটো শুই থকা বাবেহে [illegible] পালন কৰিছো" [illegible] কেমাৰ তাই উত্তৰকৈ কলে যাতে বগীৰ মাকে নিজৰ ঘৰৰ পৰাই শুনা পায়। [illegible] জানে বগীৰ [illegible] অলপ পিছতে [illegible] লট্‌পটীৰ লগত [illegible] কথা [illegible] এইদৰে কলে বগীৰ মাকে [illegible] কথাটো বুজি পাব

[illegible] বগীৰ মাকে [illegible] পঞ্চাননৰ [illegible] শব্দ শুনি বেৰৰ জলঙাৰে চাই তেওঁক দেখিছিল। চাঁৰটো ধুমাই [illegible] লট্‌পটীৰ ঘৰলৈ আহিব খোজোতেই পঞ্চাননক চিনি পাই দুৱাৰ নেমেলি অলপ পৰলৈ থিয় হৈ থাকিল। তেওঁ লট্‌পটীৰ [illegible] মোমে-বাৰ লগে লগে হাতত সাৰে ভৰিত সাৰে [illegible] লট্‌পটীৰ দুৱাৰৰ বাহিৰত চুপি থাকি সকলো কথা শুনিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে পঞ্চাননে কিবা বৰ টানত পৰি সহায় বিচাৰি আহিছে। লট্‌পটীৰ অভিনয় শুনি তাইৰ একোবাৰ হাঁহি বন্ধ কৰি

ৰখা টানেই হৈ উঠিল যদিও নিঃশব্দে কোনোমতে ৰৈ থাকিল। লট্‌পটীৰ শেষ কথাষাৰ শুনি ততালিকে তাই নিজৰ পঁজালৈগৈ দুৱাৰ মাৰি শুই থাকিল।

পঞ্চাননে থিয়হৈ "মই মাতি আনোগৈ ৰ'বা।" বুলি কৈ তাৰ পৰা গুলাই বগীৰ মাকৰ ঘৰৰ দুৱাৰ হেচি চালেগৈ। বন্ধ দেখি অলপ সৰুকৈ মাতিলে। তাৰ পিছত অলপ ডাঙৰকৈ মাতিলে। দুৱাৰতো টকৰিয়'লে। বহু সময়ৰ মূৰত সাৰ পোৱাৰ ভাও কৰি তাই আহি দুৱাৰ মেলি মাতিলে "দুপৰ নিশা যে গুলাগুলি সাজৰ পৰা কিয় আহিব নোৱাৰে দেউ? মানুহে দেখিলে তো কথাই নাই মাত শুনিলে কি ভাবিব বাৰু?"

বেদ বিদ্যানিধিয়ে মনতে ভাবিলে 'অতো নষ্টঃ ততো ভ্ৰষ্টঃ,' আজিনো কি গ্ৰহ বিপাকত পৰিলো। সকলো ঠাইতে দেখোন গুলো'টাটোহে শুনো।' মাতটো সৰু কৰি কলে "ক'তনো দুপৰ নিশা হোৱা দেখিলাহে বগীৰ মাক? বগুতে এতিয়াও আখলৰ জুই জ্বলোৱাই নাই। লট্‌পটীৰ হেনো অসুখ, আহ'চোন তালৈ যাওঁগৈ।"

বগীৰ মাকে বুজিলে যে নিজৰ উদ্দেশ্যটো গোপন কৰি তেওঁ লট্‌পটীৰ দুখতহে উথলি উঠিল। অথচ লটপটীৰ যে কোনো অসুখ হোৱা নাই তাইতকৈ বেছি কোনেও সেই কথা নাজানে তাই পেটে পেটে হাঁহি তেওঁৰ লগে লগে লটপটীৰ ঘৰত সোমালগৈ। লট্‌পটীৰ ওচৰতে বহি গাত হাত ফুৰাই দি কলে "অকণমান সকাহ পাইছনে লটী? তোৰ কপাল ভাল, আজি দেউৰে আশালতাক এৰি তোৰ খবৰ লবলৈ আহিছে।"

কথা কৈছিল যদিও দুয়োজনীৰে চকু আছিল পঞ্চাননৰ মুখৰ প্ৰতি … দেখিলে তেওঁৰ মুখখনে হঠাতে এবাৰ শেতা বং ধৰিলে। …ৰ পিছতে কাণ-মূৰ ৰঙা পৰিল। কিন্তু তেওঁৰ চিৰকলীয়া অভ্যাস মতে … তালিকে স্বাভাৱিক অৱস্থালৈ মনটো টানি আনি …ৰ ভাবেৰে হাঁহিটো মাৰি কলে "ছিঃ, কি বাজে কথা …ৰ বগীৰ মাক, ৰাম-বিষ্ণু। নিৰাশ্ৰয়া দুখুনী ছোৱালীজনীৰ …কত অশ্লীল ইঙ্গিত কৰা অনুচিত। বেচেৰী বৰ শান্ত-শিষ্ট …ৰাল …"

…তেওঁৰ মুখৰ কথাত বাধা দি লাটুপটীয়ে কলে "এৰা সেয়েহে …ৰ ষড়ানন বাপুৱে আনি মোৰ ইযাতে ৰাখিব …জিছিল "

…টো দপ কৰে জ্বলি উঠাত তেওঁ প্ৰায় চিঞৰ মাৰি কলে, … কলা? … কুলাঙ্গাৰ ইয়ালৈ আহিছিল নেকি?"

দুয়ে জনীয়ে একেলগে হাঁহি উঠিল। বগীৰ মাকে কলে … লাটি, দেউ যেন মুখৰ মাখি খেদিব নোৱাৰা, আৰৈ … গোন্ধ নে পোৱা…"

সচাকৈ সুধিছো বগীৰ মাক।" তেওঁ কলে "আচল কথাটো … কোৱাচোন, সি কেতিয়া আহিছিল, কি কৈছিল? সি এতিয়া ক'ত আছে?"

বগীৰ মাকে আকৌ এটা হাঁহি মাৰি কলে "কেতিয়া আহিছিল মানে? সদায় আহে, আপুনি আশালতাক পাই আমাৰ খা-খবৰ নকৰা হল বুলি তেওঁ জানো আমাক এৰি দিব পাৰে? আমাক কোনে সা-সহায় কৰে? শাক-পাচলি, হাঁহ-পাৰ, মাছ-পুঠী,

ছাগলীৰ মঙহ আমি কৰ পৰা কিনি খাম? নে আমাক চুৰ কৰিবলৈ যাবলৈ কয়?"

পঞ্চাননে চকু দুটা ঘোপা কৰি সুধিলে "কি! ইমান দূৰ? তোমালোক দুজনীক মই ইমান আপোন বুলি ভাবো। তোমালোকে তাক অপকৰ্ম্ম-কুকৰ্ম্মত সহায় কৰি মোৰ নাক-কাণ কাটিব খুজিছা?"

লটপটীয়ে হাঁহি মাৰি ক'লে "নাক-কাণ কাটে যদি দেউ, আপোনাৰ ল'ৰাইহে কাটিব। আমি কাটিব খুজিলো। দেখিছে তেওঁক ইয়াৰ পৰা খেদি দিছো। ইয়াৰ পিছত মানে আমি দুজনীৰ ঘৰত তেওঁ সাদিন থাকিল শেষত যেতিয়া আশালতাক লৈ উলিয়াই আনিবলৈ খুজিলে তেতিয়াহে আমি তেওঁক খেদি দিলো।"

"কুলাঙ্গাৰে এতিয়া ক'ত আড্ডা পাতিছেগৈ কোৱা? তাক ক'ত বিচাৰিলে পাম?" হাতৰ দা'খন তেতিয়াও তেওঁৰ হাততে আছিল। যেন ষড়াননক লগ ধৰি একে ঘাপতে দুচোৰা কৰিব।

বগীৰ মা'কে হাঁহি হাঁহি ক'লে "বিচাৰিলে ক'ত পাব দেউ! আপোনাৰ লৰাহে। বুধিৰে আপোনাতকৈও এখোপ চৰা। এই গাঁওত বিচাৰিলেও নাপায়। আৰু বিচাৰিবও নালাগে। যোৱা দুৰাতি দেখোন নিজৰ চোতালতে বহি আছিল নধৰিলে কেলেই? আজিও কেজনমানে সৈতে আশালতাক নিবলৈ আহিব তেতিয়া তাতেই ধৰিব পাৰিব।"

যোৱা দুনিশা তেওঁৰ দুৱাৰ বাহিৰৰ পৰা বান্ধি থোৱা কথা তেওঁ বটিয়াকৈ গম পায় কিন্তু মনতে ধাৰণা কৰিছিল যে সেইটো

কোনোবা শত্ৰুৰহে কাম। এতিয়া সকলো কথা পৰিষ্কাৰ হল। মনৰ জুয়ে নিজকে পুৰি মাৰিবলৈ ধৰিলে। তেওঁ নিজৰ মঙহ নিজেই যেন চোবাব। আজি আশালতাক নিবলৈ আহিব বুলি শুনি জ্বলা হৈ তহে যেন ঘিঁউ পৰিল। দুয়োজনীৰ আগতে তেওঁ টিকনিত ধৰি প্ৰতিজ্ঞা কৰিলে যে তেওঁ আজিয়েই তাক কাটি দুছোৱা কৰিব। আশালতাৰ সম্পৰ্কে পেটে পেটে নিশ্চিন্ত হল যে তাই আজি ঘৰত নাই। তাৰ পিছত হঠাতে মনটো সংযত কৰি তেওঁ শান্ত মাতেৰে কলে "হেৰা লটী আৰু বগীৰ মাক, মই তোমালোকক কেবাটাও দিনত বচাই দিছিলো, মনত নিশ্চয় আছে। তোমালোকেও মোক বহুত বাৰ সা-সহায় কৰিছা। মই পাহৰি যোৱা নাই জানিবা। কলৈ হলে উভয়ে উভয়ৰ টানে মচকিলে. বিপদে-আপদে…"

বাধা দি বগীৰ মাকে কলে "হেৰা, পূৰ্ব্বতে মানে আগেয়ে আছিলো তুৰনা-মুৰন". পৰালে বুলিছিল আই, এতিয়া দেৱে চকু মুদিলে আশালতাক পাই…" লটপটীয়ে ডাঙৰকৈ হাঁহিলে।

"তোমাৰ ফকৰা পিছত মাতিবা" বুলি তেওঁ খং নকৰি কলে "আজি মই বৰ বিপদত মানে বিপদ নহলেও বৰ আশা কৰি এটা কামৰ বাবে তোমালোকৰ সহায় বিচাৰি আহিছো। কওঁ শুনা, আশালতাক সি ভাৱমানে মনোধৰ মণ্ডলৰ পুতেক কল্যাণে মই গধূলি ঘৰলৈ অহাৰ আগেয়েই বাহিচাৰ কৰি…"

লটপটীয়ে তেওঁৰ মুখৰ কথা কাঢ়ি নি কলে "ছিঃ দেউ. কল্যাণ বোপা আপোনাৰ ষড়াননৰ দৰে নহয়। সকলো পৰা আমি তেওঁক পাইছো, বৰ ভাল লৰা। তেওঁৰ বিষয়ে বেয়া কথা নকব. শুনি মই বৰ বেয়া পাওঁ।"

"আগেয়ে মোৰ কথাখিনি শুনাচোন, পিছতো ভকতনী হবা।" বুলি পঞ্চাননে বগীৰ মাকলৈ চাই কলে "শুনিছা বগীৰ মাক. তাইক সি পলুৱাই লৈ আহিল। পিছে, বুজিছা মই…"

বাধা দি বগীৰ মাকে কলে "বুজিছো দেউ, কবই নালাগে অথনিৰ পৰানো নকৈছিল কেলেই ? ৰ'ব চাউল কেইটামান আনি দিওঁ, লৈ যাওক, নিজে সিজাই খাই শুই থাককগৈ "

আনদিনাখন হলে পঞ্চাননে ইহঁতৰ কথাবোৰত আমোদ পালে হেঁতেন কিন্তু আজি অপমান পাই আহি তেওঁৰ কটা ঘাত যেন কলা খাৰৰ চিটিকনি পৰা যেনহে পালে আনদিনা ইহঁতে এইদৰে খং তোলালে তেওঁ হোৰ‌হোৰাই-গোৰ‌গোৰাই উঠি গাল পাৰি ভূত কৰিলেহেঁতেন কিন্তু আজি ছলা জুইত ঘিউ ঢলাতো বৰ কষ্টেৰে সহ্য কৰি অন্তৰখন দেই-পুৰি ছাই কৰিলে নিচি মুখখন বৰফ যেন চেঁচা কৰি ৰাখিছে তেওঁ নিৰুপায়, কাৰ্য্য সিদ্ধি কৰিব লাগিলে ইহঁতক লাগিবই। গাভৰুক মিঠামুখেৰে কলে "হেৰা বুজিছা. চাউল-পাত নালাগেহে। পেটৰ ভোকত মই অহা নাই, আহিছো অপমানৰ দাহত। অন্তৰৰ পোৰণিত তৎ নাপাই আহিছো। মন্মথৰ, ভোগী, ললিত, লাহিয়া, বস্তি আৰু পুৱাৰামহঁতক এঘৰীয়া কৰি জুই-পানী বৰ্জ্জিত কৰিছো। সিহঁতে মোক অপমান কৰিছে। এৰা, সমাজৰ মাজত অপমান কৰিছে, সিহঁতৰ পোতক তুলিছে এৰিম। তোমালোক দুয়ো -"

দুয়োজনীয়ে প্ৰায় একেলগেই কলে "আমি তেওঁলোকক এৰিব নোৱাৰো দেউ। আপুনি ভালেই পাওক বা বেয়াই পাওক, মণ্ডল দেউতা, ভোগীদেউ আৰু ললিতদেউ, এওঁলোকৰ

পৰাই আমি বাচি আছো, খাই পাত ফালিব নোৱাৰো। খেমা কৰক দেউ।"

"হেৰা, বোলো মোতকৈও সিহঁত তোমালোকৰ আপোন হল নে?" বুলি আচৰিত হৈ পঞ্চাননে সুধিলে।

"হবতোন, কিয় নহব?" লট্‌পটীয়ে কলে "আপুনি কথাৰ মহলা মাৰি বুকুত চেঁচা হাত বুলাই খোৱা মানুহ। তেওঁলোক পয়মন্ত গিৰি। টানে মচকিলে সদায় হাত পাতোগৈ। তেওঁলোকে এদিনলৈ এষাৰ বেয়া কথা কোৱা আমি শুনা নাই।"

বগীৰ মাকে কলে "জানে দেউ, সিবাৰ মণ্ডলনীআয়ে মোক কেমান উপকাৰ কৰিছিল? মই তেওঁলোকৰ বিৰুদ্ধে মিছা সাখী দিব নোৱাৰিম। আপুনি সমাজ পাতিলেও তালৈ নাযাওঁ। যিকেজনৰ নাম কলে এজনৰ বিৰুদ্ধেও মিছা সাখী নকওঁ, এয়ে মোৰ খাটাং কথা।"

পঞ্চাননে জানে ইহঁত দুজনী কম ডেওৰ তিৰোতা নহয়। সম্মত তো হবই লাগিব। অলপ দাম বঢ়াইছে। মিঠা মুখেৰে কলে "হেৰা বগীৰ মাক আৰু লট্‌পটী মই এনেয়ে খট্টৰাম বুলি তোমালোকে ভাবিছাহঁক নেকি? আপদে বিপদে তোমালোকেই কেৱল মোৰ সহায় আৰু ময়ো…"

অলপ খং দেখুৱাই লট্‌পটীয়ে কলে "এতিয়া নৰমত পৰি যাব নালাগে। আজি কেইমাহ আপুনি আমাৰ খা-খবৰ লোৱা নাই? কিয় লোৱা নাই বাৰু? বামুণী খুৰীৰ ডুগুনী ছোৱালীজনীক পাই, হয়নে নহয়? তাইক এতিয়া মণ্ডলনী আয়ে নি সুখত ৰাখিব, ভাল হব। আমিও ভাল পাইছো। আপুনি কিয় বেয়া পায়?

তাই আপোনাৰ বান্দী নেকি? নিজৰ বৰ বোৱাৰীয়েকক আনি নাৰাখে কিয়?"

পঞ্চাননৰ মুখখন ক'লা পৰিল কিন্তু অলপ সময়ৰ বাবেহে। তাৰ পিছত কলে "হেৰা, লটী, বাজে কথা নকবাচোন, নিজৰ ঘৰত মানুহক অপমান কৰিব নাপায়, বিশেষকৈ কোনোবাই টানত পৰি কিবা সহায় বিচাৰি আহিলে পুৰণি কথা ঘুঁকুতি উলিয়াই অপমান কৰিব নাপায়।"

"শুনক দেউ," লটপটীয়ে কলে "মই খোলা কথাৰ মানুহ, যি কৈছো উচিত কথাকে কৈছো। এইখন আপোনাৰ নিজৰ ঘৰ বুলি আপুনি সদায় নকয় জানো? এতিয়া অপমান কৰা হল কেনেকৈ? তদুপৰি নিজৰ পুতেক বোৱাৰীয়েকক ঘৰলৈ আনি ঘৰখন লখিমীযুক্ত কৰিবলৈ কলে অপমান কৰা হয় নেকি?"

পঞ্চানন নিৰুপায়। উদ্ধত স্বভাৱৰ মনটোৱে একোবাৰ ভিতৰতে উগ্ৰমূৰ্ত্তি ধৰি থিয় হব খোজে। হাতৰ দাখনেৰে দুয়োজনীৰে মূৰ দুটা যেন কাটি থৈ যাব কিন্তু তেতিয়াও নিজৰ সমস্যা সমাধান নহয়। অগত্যা আকৌ শান্তহে খাটে "তোমালোকে বেছি একোকে কৰিব নালাগে, কেৱল..."

দুয়োজনীয়ে একে সময়তে বাধা দি কয় "আমি এই গাঁওতে থাকিব লাগিব। এইকেজনে ইচ্ছা কৰিলে আমাক একেদিনাই খেদি দিব আপুনি ৰাখিব পাৰিবনে? আমি মিছা সাখী নিদিওঁ।"

এই কথা মিছা নহয় আৰু পঞ্চাননেও তাক বাঢ়িয়াকৈ জানে।

সেই বিষয়ে আৰু জোৰ নকৰি ইতিমধ্যে তেওঁ আন এটা কৌশল উলিয়ালে। তাৰ পিছত কলে "সাক্ষী দিবলৈ ভয় কৰা যদি নালাগে বাৰু। পিছে মোৰ হকে এটা কাম কৰি দিব লাগে কিন্তু।" বুলি নতুন উপায়টোৰ কথা কলে।

শুনিয়ে দুয়োজনীয়ে জাপমাৰি উঠিল "আমি নোৱাৰো, আমি নোৱাৰো, ধৰ্ম্মই আমাক..."

পঞ্চাননে বহুত বুজালে, অনুনয়-বিনুনয় কৰিলে, তথাপি সিহঁত সন্মত নহল। অৱশেষত এটকাকৈ যাচিলে কিন্তু সিহঁত যেন অলৰ-অচৰ। বগীৰ মাকে খং কৰি উঠিল "আমি দুজনীয়ে আপোনাক দুটকা দিবও পাৰো কিন্তু সেই কাম কৰিব নোৱাৰো।"

তেৱোঁ দৃঢ় প্ৰতিজ্ঞ, তেওঁৰ জিদ পূৰ্ণ কৰিবই। বঢ়াই নি নি পাঁচ টকাকৈ প্ৰত্যেককে দিয়াৰ প্ৰতিজ্ঞা কৰি তেতিয়াই পাঁচ টকা আগধন হিচাবে দিলে। তাৰ পিচত তেওঁ মনতে সিহঁতক ভৱিষ্যতে ইয়াৰ পোতক তুলিবলৈ শপত খালে। শেষত তেওঁ প্ৰফুল্ল মনেৰে যেতিয়া নিজৰ মনতে গুণ্ গুণকৈ কিবা আওৰাই ঘৰলৈ উভতিল তেতিয়া গাঁওখনত কেৱে কতো সাৰে নাই। সকলোৱে টোপনিত লালকাল। ইমান সময় এবাৰলৈও তেওঁৰ ঘৰলৈ মনতে পৰা নাছিল। অলপ দূৰ আহি হঠাতে লটপটীয়ে কোৱা ষড়াননৰ কথাষাৰ মনত পৰিল। ভাবিলে এই সুবিধাতে তাক পালে ভালকৈ এসেকা নিশ্চয় দিব। তাকে ভাবি তেওঁ চোৰৰ দৰে নিঃশব্দেৰে যাবলৈ ধৰিলে। নঙলাৰ পৰা আন্ধাৰঘৰটোলৈ এবাৰ চালে। কিহবাৰ শব্দ এটা অস্পষ্ট ভাবে তেওঁৰ কাণত পৰিল। সাউৎকৰে তেওঁ ভিতৰ চোতাল পালেগৈ।

তেওঁ দেখিলে, তেওঁ থকা ঘৰৰ দুৱাৰখন বাহিৰৰ পৰা জৰীৰে কটকটীয়াকৈ বান্ধি থৈ দুৰ্ব্বৃত্ত পুতেক ষড়াননে তাতে থিয়হৈ আছে। আন চাৰিজনে আশালতা বুলি ভাবি কদমীৰ খাটখনেৰে সৈতে তাইক দাঙি আনিব ধৰোতে কদমীয়ে চিঞৰ মাৰি দিয়াত সিহঁতে ভয়তে দুৱাৰমুখতে খাটখন ঠেকেচা মাৰি থৈ বাহিৰ ওলাল। আৰু ৰক্ষা নাই, দা দাঙি পুতেকলৈ চোঁচা ললে। দেউতাক শুই থকা বুলি বিশ্বাস আছিল যদিও ষড়াননো সতৰ্কহৈ পহৰা দি আছিল। তেওঁ চোতালত ভৰি দিয়া মাত্ৰেই সি যেন থিতাতে অন্তৰ্দ্ধান হল। তেওঁ তকিবকে নোৱাৰিলে। তেওঁ তালৈ বুলি চোঁচা লওঁতে বাকী চাৰিজনেও উধামুধাকৈ লৰ দিয়াত অশ্লীল গালি আৰু আটাহ পাৰি তেৰেঁা পাছে পাছে খেদা দিলে যদিও এজনকো লগ নাপালে। বাটতে থিয়হৈ গালি-গালাজ কৰি থাকোতে চুবুৰীয়া চাৰিজন সাৰ পাই চোৰ ধৰিবলৈ লৰি আহিল। কি নিলে, কেনি গল আদি প্ৰশ্ন সুধি আহি চোতাল পাই কদমীৰ কেঁকনি-গেঠনি আৰু বৰ্ণনা শুনি আচল কথাটো জানিব পাৰি মানুহ চাৰিজনে তেওঁক খাটখনে সৈতে দাঙি আগৰ ঠাইত থৈ ঘৰাঘৰি গল। যোৱাৰ সময়ত পঞ্চাননক মাত একাষাৰো নলগালে। চাৰিওজনে গধূলিৰ মেলত মণ্ডলৰ চোতালত উপস্থিত আছিল। পঞ্চাননে চোতালতে বহি শিলপৰা কপৌৰ দৰে বহুত সময়লৈ বৈ থাকিল। শিশুৰ কান্দোনেই সম্বলৰ নিচিনা তেওঁৰ মুখৰ অশ্লীল গালিয়েই সম্প্ৰতি সম্বল। তাকেই বহুত পৰলৈ চলাই থাকি নিমাত হল। হাতৰ দাখন তেওঁৰ নিজৰ ডিঙিতে মাৰিবলৈ

মন গল। তেওঁৰ সকলো মান-সম্মানৰ গৰ্ব্ব ধূলিৰ লগত মিলি গল। প্ৰত্যেকটো প্ৰতিকূল ঘটনাই দোপকদোপে তেওঁক অধোগামী কৰি যেন ৰসাতললৈ পঠিয়ালে।

ধন-সম্পত্তিৰ পিনেৰে ভাল-দৰিদ্ৰ, বংশ-পৰিয়ালৰ পিনে থাকিও নথকা, সুখ-শান্তিৰ মুখ নেদেখা বেদ-বিদ্যানিধি পঞ্চাননৰ থকাৰ ভিতৰত আছিল সমাজৰ মুখিয়াল হিচাবে মান-সম্মান, আৰু দম্ভ-অহংকাৰেৰে আত্মগৌৰৱ। আৰু তাকেইলৈ লোকতকৈ এখোপ ওপৰত বুলি ভাবি লভিছিল তেওঁ আত্মতুষ্টি কিন্তু আজিৰ ঘটনা-বোৰে সকলোকে পানী কৰিলে। আজি তেওঁ সম্পূৰ্ণ বিক্ত—দেউলীয়া হল। ইয়াতকৈ বেছি পৰিতাপৰ বিষয় একো নাই। তেওঁ ভাবিলে, তেওঁৰ কুলাঙ্গাৰ পুতেকে এই অপকৰ্ম্ম কৰি অকল তেওঁৰ নাক-কাণ কাটিয়ে নেৰিলে, সি তেওঁক মাটিৰ লগত মিলাই থৈ গল। এই কলঙ্কৰ কলুষ মুখত সানি তেওঁ লোকৰ আগত মুখ দেখুৱাই জীয়াই থকাতকৈ মৰাহে শত গুণে ভাল আছিল। তেওঁৰ বাকী থকা সম্বলৰ ভিতৰত হিংসা-অসূয়া আৰু কূটবুদ্ধিৰে ভৰা মনটোৰে সৈতে চিৰকলীয়া উদ্ধত স্বভাৱটো থাকিল।

পঞ্চাননৰ চিন্তাৰ শেষ নাই, বস্তুত পাণ্ডিলে বস্তুত ভাঙিলে কোনোটোৱেই নিজৰ মনোমত নহয়। জুই—কেৰাকুৰাও জুই তেওঁৰ গাত দপদপকৈ জ্বলিব লাগিছে। চকুত জুই, মূৰত জুই, লম্বোদৰীয়া পেটত জুই আৰু সৰাতোকৈ তীব্ৰ মনৰ জুইকুৰা, সেয়ে যেন তেওঁক দাহ কৰিব ধৰিছে, এতিয়াই পুৰি যেন ছাই কৰি পেলাব। কিমান সময় সেইদৰে চোতালৰ মাটিত বহি থাকিল তাৰ জ্ঞান নাই—তেওঁৰ সকলো বাহ্যজ্ঞান লুপ্ত হৈ পৰিছে।

অৱশেষত শেষ ৰাতি তাৰ পৰা উঠি আন্ধাৰে মুধাৰে ঘৰত সোমাই বিছনাত পৰি ধৰ ফৰ্-ছট্‌ফট্ কৰি বাগৰি থাকিল।

তাৰ পিছদিনা। দুয়োজনী নাৰদীয় তিৰোতাই পঞ্চাননৰ দিহামতে কল্যাণ আৰু আশালতাৰ কলঙ্ক ৰটনা কৰি ফটামুখেৰে অপপ্ৰচাৰ কৰিবলৈ ৰাতিপুৱাই ওলাই গল। লট্‌পটীয়ে এমূৰৰ পৰা আৰু বগীৰ মাকে আনমূৰৰ পৰা যাকে য'তে লগ পায় তাকে আগতে যেন গোপনে গোপনে কথাষাৰ কৈ নিজেই নাক কোঁচাই নিজৰ কামলৈ আগবাঢ়ে। প্ৰত্যেক ঘৰতে অভ্যাস মতে সোমাই ঘৰৰ তিৰোতা মহলত কথা পাতে, তামোলছালি খায় আৰু মিছা বদনামটো গাই আনঘৰলৈ যায়। কথা বুলিলে বতাহ একাণ দু-কাণ, সমস্ৰ-কাণ···প্ৰক্ৰম মহলতো কথাষাৰ প্ৰচাৰ হবলৈ সমূলি পলম নালাগিল। কালি গধূলি মণ্ডলৰ চোতালত উপস্থিত থকা সকলে পঞ্চাননৰ চক্ৰান্ত বাৰুকৈয়ে গম পালে। উপস্থিত নথকা মণ্ডলৰ ফলীয়া সকলে কথাষাৰৰ সত্যাসত্য বুজিব নোৱাৰি দোধোৰ মো'ধোৰত পৰিল। আনপিনে পঞ্চাননৰ অনুগত ভাণ্ডাৰীৰ দলে শুনা মাত্ৰকে এগুণতে সাতগুণ ৰহণ চৰাই ঢৌভুলি ফুৰিবলৈ ধৰিলে।

ইপিনে পঞ্চাননে পুৱাৰাতিতে ওলাইগৈ ভিন্ ভিন্ তিনিখন গাঁওৰ পৰা আঠজন মেল্‌কি মাতি আনি তেওঁৰ চোতালত সমাজ পাতি বাচি বাচি গাঁওৰ কেইজনমানকো মাতি আনি বহুৱালে। তাৰ পিছত আচামী হিচাবে মনথিৰ মণ্ডল, কল্যাণ, আশালতা, ভোগীৰাম, ললিত, লাহিৰাম, বঙ্কি আৰু পুৱাৰামক তেওঁক অনুচৰ এজনৰ হতুৱাই তলবদি পঠিয়ালে কিন্তু কোনেও তেওঁৰ

চোতাললৈ নাহিল। সেইবেলা মেল নবহিল। মেলুৱৈ সকল ঘৰাঘৰি গল। যোৱাৰ সময়ত পৰামৰ্শ কৰি পঞ্চাননৰ অনুৰোধ মতে আবেলি পৰত মণ্ডলৰ ঘৰলৈ তেওঁবিলাক আহিব বুলি স্থিৰ কৰি গল।

পঞ্চাননে নিশ্চেষ্টহৈ বহি নাথাকিল। অধ্যাপক মুক্তাৰামৰ ঘৰলৈ গৈ প্ৰথমে নানান ছলাহী কথাকৈ নিজৰ পক্ষৰ পৰা তেওঁক মেলকি মানি আহিল। তাৰ পিছত পাঁচ মাইল দূৰৰ গাঁও ভুখনৰ পৰাও চাবিজনক তেওঁৰ ফালৰ পৰা আনিলেগৈ। মণ্ডলৰ চোতালত আবেলি পৰত সমাজ বহিল। পঞ্চানন আজি গাছৰীয়া গতিকে মেলুৱৈ হব নোৱাৰে। সেইবাবে তেওঁ মেলুৱৈ সকললৈ চাই প্ৰস্তাৱ কৰিলে যে উপস্থিত মেলুৱৈ সকলৰ মাজত এজনক বৰ মেলকি পতা উচিত আৰু পঞ্চাননৰ মতে মুক্তাৰাম বেদান্তবাগীশকে সেই বাব দিলে বেয়া নহয়। সেই মেলত বেদান্ত বাগীশৰ সমান বিদ্বান আৰু মানীলোক এজনো নাছিল। সকলোৱে আনন্দেৰে সন্মত হ'ল।

বেদ-বিদ্যানিধিয়ে গোচৰ আৰম্ভ কৰিলে যে কালি গধূলি তেওঁৰ অনুপস্থিতিত কল্যাণে তেওঁৰ ঘৰলৈ গৈ মাশালতাৰ লগত ব্যভিচাৰ কৰি শেষত তাইক ফুচুলাই মণ্ডলৰ ঘৰলৈ লৈ আহে। ইয়াৰ ভিতৰত মনথিৰ মণ্ডল, ভোগী, ললিত, লাহি, বগি আৰু পুৰাৰামৰো টিপ আছে। কল্যাণে কেৱল তাইক লৈ অহা হলেও তেওঁ মনে মনে থাকিলহেঁতেন কিন্তু সি তেওঁৰ ঘৰত সোমাই বাকচ খুলি ৰূপৰ বাচন চাৰিখনেৰে সৈতে পাঁচতোলা সোণ আৰু নগদ ছকুৰি টকা চুৰ কৰি লৈ আহিছে।

কালি গধূলি কোৱামতে বগীৰ মাক আৰু লটৃপটী সাক্ষী দিবলৈ নাহিল। তেওঁ আজি আৰু দহটকা যাচিও তাইহঁতক সন্মত কৰিব নোৱাৰিলে। অগত্যা অনুগত ভণ্ডুৰা চাৰিজনক ভালকৈ শিকাই বুজাই থৈ আহিছিল। দেখা সাক্ষী হিচাবে সিহঁতক উপস্থিত কৰিলে। সিহঁতৰ কাৰো কথা কাৰো লগত নিমিলিল। তেতিয়া পঞ্চাননে কলে যে তেওঁ শপত খাবলৈ সাজু আছে। বৰ মেলৃকি অৰ্থাৎ অধ্যাপকে ৰায় দিলে যে শপত খাবলৈ দিয়াৰ আগতে সমাজে আনপক্ষৰ জবানবন্দী লব। সেয়ে স্থিৰ হল।

প্ৰথমে মনথিৰ মণ্ডলে আদ্যোপান্ত সকলো ঘটনা বৰ্ণালে। তাৰ পিছত কালি গধূলিৰ মেলত উপস্থিত থকা সকলে'ৰে সেই কথা সমৰ্থন কৰিলে। অৱশেষত ষড়াননে ৰাতি আশালতা বুলি মাককে দাঙি নিব খোজা ঘটনাটো কদমীৰ খাটখন দাঙি থৈ অহা চুবুৰীয়া চাৰিজনে উপযাচি কোৱাৰ লগে লগে মেলৰ মাজত মহা হুলস্থূল লাগি পৰিল। পঞ্চাননৰ ফলীয়া কেজনে দল পকালে। পঞ্চাননে সকলো কথা অস্বীকাৰ কৰি এইকথা তেওঁৰ বিৰুদ্ধে হিংসা মূলক ষড়যন্ত্ৰ বুলি কৈ শপত খাবলৈ ওলাল। তেওঁৰ বিশ্বাস আছিল যে তেওঁ ভিন্ ভিন্ গাঁওৰ পৰা অনা মেলৃকি বাৰজনে নিশ্চয় তেওঁৰ কথা মতে চলিব কিন্তু উপস্থিত ক্ষেত্ৰত দেখিলে যে তাৰে ছজনে নিৰপেক্ষ হিচাবে থাকি উচিত মাত মাতিছে। এই কথা প্ৰমাণ হল যে তেওঁৰ গোছৰ মিছা কিন্তু তেওঁৰ ফলীয়া ছজনে সেইকথা মানি নলয়। তেতিয়া পঞ্চাননে হঠাতে প্ৰস্তাৱ কৰিলে যে আজিৰ সমাজত অধ্যাপক মুক্তাৰাম বেদান্তবাগীশ সমাজপতি। গতিকে তেওঁ যি ৰায় দিয়ে মেলুৰৈ সকলৰ ভিতৰত মতভেদ

থাকিলেও সকলোৱে বিনা প্ৰতিবাদে তাক মানি লব লাগিব। তেওঁ ৰাতিপুৱাও মুক্তাৰামক কৈ আহিছিল যে কল্যাণ লবা মানুহ, নাজানি নুশুনি কিবা এটা দোষ কৰিছে যদিও তাক তেওঁ ক্ষমা কৰিব আৰু বাকী বিলাকৰ ওপৰত কৰা গোছৰো উঠাই লব যদিহে আশালতাক আকৌ তেওঁৰ ঘৰলৈ আনিবলৈ দিয়ে। তেতিয়া অধ্যাপকে কথা দিছিল যে পৰিস্থিতিটো দেখি শুনি তেওঁ তাকে কৰিবলৈ যত্ন কৰিব। পঞ্চাননে অধ্যাপকৰ এই কথা শিলৰ ৰেখাৰ দৰে ভাবি বিশ্বাস কৰিছিল।

পানী গভীৰ হলে খৰস্ৰোতাৰ তীব্ৰ সোঁতকো গহীন-মন্থৰ গতি দেখাৰ দৰে মুক্তাৰাম বেদান্তবাগীশ বিদ্যা আৰু বয়সৰ অনুপাতত‌কৈ বেছি ধীৰ আৰু স্থিৰ-গম্ভীৰ। সেই অঞ্চলৰ সকলোৱে তেওঁক সন্মান কৰে। তেওঁ কিন্তু মেল্‌কি নহয়, কোনো মেললৈ তেওঁ নাযায়। আজিৰ মেললৈ নহাকৈ থাকিব নোৱাৰে। তদুপৰি পঞ্চাননে তেওঁক বৰকৈ অনুৰোধ কৰি আহিছিল। তেওঁ মেলুৱৈ হবলৈ নাহি দৰ্শক হিচাবেহে আহিছিল।

পঞ্চাননৰ কথাত তেওঁ থিয়হৈ গহীন-গম্ভীৰ ভাবেৰে মাত লগালে "সমজুৱা সকল আৰু বেদবিদ্যানিধি দাদা, মেলত থাকি নামাতে উচিত, দোষে ছোৱে কিঞ্চিৎ কিঞ্চিৎ। মই মেল্‌কি নহওঁ গতিকে এই মেলত মেলুৱৈ হিচাবে নাহি দৰ্শক হিচাবেহে আহি-ছিলো। কিন্তু বাদীৰ ইচ্ছামতে সকলোৱে সন্মতি জনাই মোকেই যেতিয়া সমাজপতিৰ ভাৰটো দিয়া হল তেনেস্থলত ন্যায় বিচাৰত যি পালো তাকেহে কওঁ, শুনক—বাদীৰ এই গোছৰ নিতান্ত আক্ৰোহ আৰু হিংসামূলক, অসত্য অভিযোগ। তেওঁৰ অভিযোগ প্ৰমাণ

নহল। আনপিনে আশালতাক তেওঁৰ ঘৰলৈ নিবলৈ তেওঁ যি দাবী জনাইছে সেই দাবী মঞ্জুৰ কৰিব নোৱাৰি। কিয়নো তেওঁৰ যি দুৰ্ব্বৃত্ত পুতেকে মাককে…"

ইযাৰ বেছি শুনিবলৈ পঞ্চাননৰ ধৈয্য নাথাকিল। জাপমাৰি উঠি আটাহ পাৰি কলে "ৰাইজসকল, কেজনমান মেলুৱৈ আৰু মুক্তাৰামে বিবাদী পক্ষৰ ভেটী খাইছে। ন্যায় বিচাৰ নকৰে। মই সমাজপতি হিচাবে সকলো বিবাদী আৰু মুক্তাৰামক এঘৰীয়া কৰিলো। আজিৰ পৰা সিহঁত পতিত হৈ থাকিল। প্ৰায়শ্চিত্ত কৰি দণ্ড দি লগ নালাগেহি মানে আমাৰ কোনেও এই কেঘৰৰ লগত অহা-যোৱা পয্যন্ত কৰিব নোৱাৰে। মই আৰু কও…"

কিন্তু হাহাকাৰৰ মাজত তেওঁৰ মাত তল পৰিল। তেওঁৰ অনুচৰকেজন আৰু দুই এজন নিৰীহ মানুহৰ বাদে বাকীবোৰে গোৰ্গোৰাই উঠিল। হতাহতী হোৱাৰ ভয়ত পঞ্চাননে সৈতে তেওঁৰ দলটো ওলাই গল। সেই দিনাৰ পৰা গোপালপুৰ গাঁও দুখেলীয়া হ'ল।

— সাত —

অধ্যাপক মুক্তাৰাম বেদান্তবাগীশ বিদ্বান সৎ আৰু জ্ঞানী লোক। বিদ্বান হলেই সকলো মানুহ সৎ আৰু জ্ঞানী নহয়। বিদ্যা আৰু জ্ঞান ভিন্ ভিন্ গুণ। বহুত উচ্চ শিক্ষিত বিদ্বান মানুহে জ্ঞানৰ অভাৱত অসৎ আৰু অপকৰ্ম্ম কৰা দেখা যায়।

ভোগ, ঐশ্বৰ্য্য আৰু ক্ষমতাৰ লোভে বহুত উচ্চ শিক্ষিত মানুহক জোৰ কৰি অসৎ পথলৈ টানি নি কৰ্ম্মৰ নামত অকৰ্ম্ম আৰু ধৰ্ম্মৰ নামত অধৰ্ম্ম কৰায়। তেনেকুৱা ভোগৈশ্বৰ্য্য-ক্ষমতা-যশ-মান লিপ্সু বহুতে প্ৰবৃত্তিৰ তাড়নাত আত্মাৰ বিশুদ্ধ জ্ঞানকো নিৰ্ব্বাসন দি অসৎ আৰু অন্যায় কাম কৰি উচ্চ শিক্ষাৰ অপমৃত্যু ঘটায়। মুক্তাৰাম বেদান্তবাগীশ সামান্য ঢৌত টলংভটং কৰা টুলুঙা নাও নহয়, বৰ নাওৰ দৰে ধীৰ, স্থিৰ…

বেদান্তবাগীশ গুটি লগা গছৰ দৰে বিখ্যাত যেনেকৈ গধুৰ, তেনেকৈ স্বভাৱত গহীন গম্ভীৰ, ধৰ্ম্মত অচল-অটল, নিষ্ঠাবান, ব্যৱহাৰত শান্ত-শিষ্ট আৰু কথা-বাৰ্ত্তাত অমায়িক। লোকৰ ভাল কৰিব নোৱাৰিলেও আনৰ প্ৰৰোচনাত নাইবা নিজৰ স্বাৰ্থৰ বাবে তেওঁ কাৰো কেতিয়াও অনিষ্ট নকৰে। ঘৰে ঘৰে ঘুৰি পাতল কথা চোৰাই ফুৰি নিজক জাহিৰ কৰি ফুৰা বিধৰ মানুহ তেওঁ নহয়। তেওঁ পুৱা উঠি প্ৰাতঃভ্ৰমণৰ পৰা আৰম্ভ কৰি স্নানাহ্নিক পৰ্য্যন্ত সকলো প্ৰাতঃকৃত্য সমাপন অন্তে নিজৰ চৌহদতে পতা সংস্কৃত টোলত অধ্যাপনা কৰে। আবেলি আগ্ৰহান্বিত শিষ্য সকলৰ সৈতে বহি শাস্ত্ৰ অধ্যয়ন কৰে। মানুহ-তুনুহ আহিলে কথাবাৰ্ত্তা পাতে। কেতিয়াবা দুই এজন ছাত্ৰৰে সৈতে, কেতিয়াবা অকলে তেওঁ মুকলি পথাৰলৈ ফুৰিব যায়। উলটি আহি গা ধুই সায়ংসন্ধ্যা কৰি গধুলি আকৌ অধ্যাপনা কৰে। ইতিমধ্যে কোনোবাই কিবা দিহা-ভাৱসা লবলৈ আহিলে ভাবি চিন্তি সজ পৰামৰ্শ দিয়ে। চুবুৰীয়াৰ ঘৰত নৰিয়া-পাতি হলে নিজেগৈ খা-খবৰ লয়, দিহা পৰামৰ্শ দিয়ে আৰু আৱশ্যক দেখিলে আধলিটো-টকাটো উপযাচি

দি সময়ত সহায়ো কৰে। গতিকে পৰচৰ্চ্চা কৰিবলৈ বা লোকৰ চকুৰ গোন্ধ সুঙি ফুৰিবলৈ তেওঁৰ সময় আৰু আগ্ৰহ কোনোটোৱেই নাই।

অধ্যাপক অৱস্থাপন্ন মানুহ। নিজে বৰ বেছি বঢ়াব পৰা নাই যদিও পৈতৃক সম্পত্তি তেওঁৰ যথেষ্ট আছে। গোহালীৰ গৰু, ভঁৰালৰ ধান, বাৰীৰ শস্য, খেতিৰ শাক-পাচলি আৰু বাগিচাৰ ফুল আদি যেনিয়ে চায় তেনিয়ে ভৰপূৰ। খেতিবাতি আৰু গৃহস্থীৰ কাম চলাবলৈ তিনি-চাৰিজন চাকৰ তেওঁৰ ঘৰত সদায় থাকে। বান্দী-বেটী পূৰ্ব্বতে আছিল, আজিকালি নাই যদিও সময়ত ধান চাউল এমুঠি, তামোল-পান, জা-জলপান আদিৰে সা-সহায় পাই থকা দুখীয়া তিৰোতা দুই-চাৰিজনী আহি কাম-বন কৰি দি যায়হি। গৃহস্থালিৰ কামত চকু দিবলৈ বা ভালদৰে চলাবলৈ বেদান্তবাগীশৰ বিষয়-জ্ঞান হয়তো তাকৰ নাইবা বিষয়-জ্ঞান থাকিলেও আৱশ্যক সমূলি নাই। কিয়নো তেওঁৰ পত্নী কাঞ্চনমতী গৃহস্থী চলোৱা বিষয়ত পাৰ্গত। অধ্যাপকক সকলোৱে মান-সম্ভ্ৰম কৰি চলে সঁচা কিন্তু স্বাৰ্থসিদ্ধিৰ বাবে সকলোৱে কাঞ্চনমতীৰ বশ। তেওঁকহে সকলোৱে খাটিৰ কৰি বয়বস্তুৰ বাবে হাত পাতেহি। তদুপৰি তেওঁৰ উগ্ৰ স্বভাৱৰ বাবে সকলোৱে তেওঁক চাটুকাৰী কৰি সন্তুষ্ট ৰাখিবলৈ চেষ্টা কৰে। এনেকি মুক্তাৰামেও ঘৈণীয়েকৰ উগ্ৰ স্বভাৱৰ বাবে তেওঁক ভয় কৰে। তেওঁৰ কোনো কথাৰ ওপৰত মাতিবলৈ সাহ নকৰে আৰু বোবাৰ শত্ৰু নাই বুলি জানি নিমাতহৈ থাকি গৃহস্থীৰ ফালে উদাসীন ভাবে থাকে।

মুক্তাৰাম অধ্যাপকৰ ছোৱালী চাৰিজনী ডাঙৰ, লৰা দুটা সৰু।

মুমলীয়াটো কেচুৱা। প্ৰথম ছোৱালী ভানুমতী আশালতাতকৈ কেবা বছৰেও ডাঙৰ, বিয়াদি উলিয়াই দিছে। জোঁৱায়েক গুৱাহাটীত কলেজৰ প্ৰফেচাৰ। দ্বিতীয়জনীক অলপ আগধৰি বিয়া দিবলৈ কাঞ্চনমতীয়ে বৰ পুৰুষাৰ্থ কৰিও কৃতকাৰ্য্য হব পৰা নাই যদিও অঙহী-বঙহী আৰু মিতিৰ-কুটুমৰ দ্বাৰা প্ৰচেষ্টা চলাই আছে। মনোমত দৰা পালে তেতিয়াহে গিৰিয়েকৰ কাণ ছুৱাব। যা-যোগাৰ নাইবা অইন কিবা পৰামৰ্শ কৰিবলৈ গিৰিয়েকৰ সহায় তেওঁক সমূলি নালাগে। কবলৈ হলে গিৰিয়েক তেওঁৰ মনত সাক্ষী-গোপাল অথবা কাঠৰ পুতলা এটাহে।

পঞ্চাননে সমাপ্ত পতাৰ পিছদিনা। অধাপকে অধ্যাপনা শেষ কৰি ভিতৰলৈ যোৱাৰ লগে লগে মনথিৰ মণ্ডল পালেহি। তেওঁক বহিবলৈ দি লগুৱা এটাক ধপাত-তামোল আনিবলৈ আদেশ দি অধ্যাপক নিজেও বহিল। মণ্ডলে আৰম্ভ কৰিলে "শুনিছা বেদান্ত দাদা আশালতাক মোৰ ঘৰত ৰাখিম বুলি আমি স্থিৰ কৰিছো কিন্তু এটা ডাঙৰ বিপদত পৰিলো।"

"কেনেকুৱা বিপদ?" মুক্তাৰামে সুধিলে।

মণ্ডলে কলে "পঞ্চাননে তাৰ ফলীয়া তাৰ অনুগত ভঙুৱা দলটোৰে সৈতে সি কল্যাণ আৰু আশালতাৰ বিষয়ে মিছা বদনাম গাই গাঁওখনত তোলপাৰ লগাইছে।"

"কিয়? লগালে তোমাৰ কি হল? তাৰ কথানো কোনে বিশ্বাস কৰিব? কালি দেখোন মেলত গঞাৰ প্ৰায় বিলাক মানুহ উপস্থিত আছিল।"

"তুমিও আৰু!" মণ্ডলে কলে "বোলো দাদা, পঞ্চাননৰ স্বভাৱ

নাজানা হলা নেকি ? কালি কেবাবাৰো শপত যাব খোজা শুনা নাছিলা ? তাৰ পক্ষে কথা সলনি কৰানো কি টান কথা ? তাৰ ফটা মুখ। তাৰ জিভাই দিনকো ৰাতি বুলিবলৈ অলপো সঙ্কোচ নকৰে। কালি গোছৰ দিয়া শুনা নাছিলা জানো যে কল্যাণে তাৰ বাকচ ভাঙি ৰূপৰ বাচন, সোণ আৰু টকা ছকুৰি নে কিমান চুৰ কৰিছিল··· ?”

“পিছে সেই কথা জানো কোনোবাই বিশ্বাস কৰিছিল ? ভিখাৰীৰ ঘৰত ক'ৰ ৰূপৰ বাচন আৰু সোণ থাকেহঁ ? আকৌ তাৰ ছকুৰিহে নালাগে ঘৰত ছটকা আছেনে নাই সিও সন্দেহৰ বিষয়।”

মনথিৰে কলে “সেই কথা তুমি আমিহে জানো, সৰল হোজা ৰাইজে কিয় বিশ্বাস নকৰিব ? আজিৰ কথাটো কওঁ শুনা, আজি হেনো কৈ ফুৰিছে যে ব্যভিচাৰ কৰা সি নিজ চকুৰে দেখিছিলহি আৰু সেইবাবে আশালতাক চুলিত ধৰি টানি আনি তেতিয়াই ঘৰৰ পৰা খেদি দিছে। তাইৰ জাতি গৈছে। ব্যভিচাৰক প্ৰশ্ৰয় দি সি হেনো সমাজখন ধ্বংস কৰিব নোৱাৰে। ৰাতিপুৱাৰ পৰা আঠ দহজন মানুহ আমাৰ ঘৰলৈ আহিছিল, সকলোৰে মুখত একে আষাৰ কথা···”

“হুঁ” বলি উচ্চাৰণ কৰি বেদান্তবাগীশে হোকাত ভালকৈ কেই হোপা মান মাৰি কলে “কিন্তু মণ্ডলবাপু, তুমি এই সাধাৰণ কথাত ভয় খাইছা কিয় ? আশালতাৰ নিচিনা শান্ত-শিষ্ট ছোৱালী গাঁও-খনত আন এজনী নাই বুলি কোনে নাজানে ? আৰু চোৱা সৎ স্বভাৱৰ লৰা আৰু সকলোৰে মৰমৰ পাত্ৰ কল্যাণৰ মিছা বদনাম সি

-গালেই যেনিবা কোনে বিশ্বাস কৰিব ? ছালছিগা ভাণ্ডুৰী কেইজন-মানক বাদে তাৰ ফলীয়া কেইজন ভাল মানুহ আছে হেঁ ? বাকী গোটেই বিলাক দেখোন আমাৰ ফলীয়া মানুহ…"

মণ্ডলে কলে, "তুমি বুজা নাই যেদাত্তদা, ভয় কিয় কৰিমহেঁ ? মনথিৰ মণ্ডলে কাকো ভয় নকৰে। সি আখেজত এইবোৰ মিছা বদনাম গাই ফুৰিছে যদিও, মই মানে কল্যাণে তো কোনো দায়-দোষ কৰা নাই। আকৌ দোষ কৰা হলেও পঞ্চাননৰ দৰে ছালছিগা ভিকহুক মই কোনো পাবোৰা নকৰিলোহেঁতেন। মই ইচ্ছা কৰিলে তাক গোপালপুৰৰ পৰা খেদাই দিবলৈ বৰ বেছি পলম নালাগে। সেইবাবে মই তোমাৰ ওচৰলৈ অহা নাই। মোৰ বিপদ হলগৈ আশালতা সম্পৰ্কে…."

অধ্যাপকে কলে "তাইক তোমাৰ ঘৰত ৰাখা মণ্ডল বাপু। তেতিয়া হলে তাই মাক-বাপেকৰ ঘৰত থকাৰ দৰে পৰম সুখত থাকিব পাৰিব। ইয়াত মাতিবলৈ কাৰো কোনো অধিকাৰ নাই। পঞ্চাননে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে যে তাইক চক্ৰান্ত কৰি নি মাৰিব ধৰিছিল এতিয়া সেইকথা সকলোৱে ভালদৰে বুজিছে।"

"সেই কথাময়ো জানো।" মনথিৰে কলে "মোৰ ঘৰত তাই থাকিলে কোনেও আপত্তি নকৰে, বৰং সুখহে পাব। কিয়নো আশালতাক সকলোৱে ভাল পায়, মৰম কৰে। তাইৰ দুখ দেখি সকলোৱে অন্তৰত দুখ পাইছে। কিন্তু সমস্যা হল কি জানানে, আশালতাই মোক আৰু কল্যাণৰ মাকক বাবে বাবে অনুৰোধ কৰিব লাগিছে যে তাইৰ ঘৰটো অলপ মেৰামত কৰি দি তাইক তাতে অকলে থাকিব দিব লাগে।"

বেদান্তবাগীশে মুখৰ পৰা হোকাটো নমাই বৰ আচৰিতহৈ কলে "আশালতাই এনেকুৱা অনুৰোধ কৰিলে ? অসম্ভৱ কথা। তাই তাত অকলে কেনেকৈ থাকিব ? অইন কথা নাভাবে বাৰু, কিন্তু পশু প্ৰবৃত্তিৰ বড়াননে মাকক যি নগুৰ-নাগতি কৰিলে… নাই মণ্ডল বাপু, তেনে কাম নকৰিবা। মই বিশ্বাস কৰো, কল্যাণে বুজাই কলে তাই নিশ্চয় সন্মত হব।"

দীঘল হুমুনিয়াহ এটা কাঢ়ি মণ্ডলে কলে "নাই বেদান্তদা, কল্যাণৰ সকলো অনুৰোধ, কাবৌ-কোকালি, অভিমান, খং আদি অথলে গৈছে। তাই স্পষ্টকৈ কৈছে, আমাৰ ঘৰত কেতিয়াও নাথাকে। এই বিষয়ত হেনো আমাৰ কাৰো কথা নামানে। নিৰুপায়হৈ মই তোমাৰ ওচৰলৈ আহিলো এই কাৰণে যে তুমি সকলো কথা চিন্তা কৰি চাই দয়া কৰি তাইক তোমাৰ ঘৰত আশ্ৰয় দি ৰাখা। ইয়াৰ বাহিৰে আন একো উপায় মই বিচাৰি নাপালো। তুমি আশালতাৰ পেহাক। তোমাৰ বাহিৰে এই সংসাৰত আপোন বুলিবলৈ জানো তাইৰ কোনোবা আছে ?"

মুক্তাৰাম অধ্যাপকে এবাৰ মণ্ডলৰ মুখলৈ চালে। তাৰ পিছত হোকাটো মাটিত লগাই থিয়কৈ ধৰি থাকি অসহায় ভাবেৰে এবাৰ চাৰিওফালে চালে। বহুত সময়লৈ জলমূৰকৈ কিবা ভাবি মূৰ দাঙি অসহায় ভাবেৰে মণ্ডলৰ মুখলৈ চাই মাতটো আগতকৈ সৰু কৰি কলে "ঠিক কৈছা মণ্ডল বাপু, পেহীয়েক মৰিছে যদিও মই তাইৰ পেহাক আৰু মোৰ বাহিৰে আপোন বুলিবলৈ তাইৰ কেৱে কতো নাই। পিছে এতিয়া…" বুলিকৈ আকৌ হোকাটো তুলিলৈ হুহোপা মাৰিলে কিন্তু ধোঁৱা নোলাল। আগৰ দৰে

হোকাটো মাটিতথৈ কলে “শুনিছা মণ্ডল বাপু, মাক মৰাৰ সময়তেই তাইক আনি মই ইয়াতে ৰাখিব লাগিছিল আৰু সেই কথা মই অন্তৰত বৰকৈ ভাবিছিলোও। পিছে কওঁ শুনা, তোমাক ভাণ্ডি কৰলৈ বাধা নাই।” বুলি মাতটো আৰু সৰু কৰি কলে “একেটা ভয়ৰ নিমিত্তে তাইক তেতিয়া আনিবলৈ সাহ নকৰিলো আৰু সেই একেটা ভয়ৰ বাবে এতিয়াও ইয়ালৈ আনি ৰাখিব নোৱাৰো। তোমাকনো কি কম? তুমি নিশ্চয় জানা তাই মোৰ চকুৰ আগতে বৰ কষ্ট পাব, তাকে দেখি মই অন্তৰত বৰ দুখ পাম...” বুলিকৈ তলমূৰ কৰিলে।

মণ্ডলে বুজিবলৈ বাকী নাথাকিল যে ভয়টো কিহৰ? কাক মুক্তাৰামে ভয় কৰে? গাঁওখনৰ কাৰো লগত তেওঁৰ বেয়া ভাব নাই। কৰলৈ হলে, কৰো সৈতে বিশেষ সম্পৰ্কয়েই নাই। তদুপৰি তেওঁক সকলোৱে সন্মান কৰে, ভাল পায়। গতিকে অধ্যাপকৰ একমাত্ৰ ভয়ৰ কাৰণ হল তেওঁৰ উগ্ৰ-স্বভাৱৰ সহধৰ্মিণী কাঞ্চনমতী। তেওঁ যে আশালতাক অত্যাচাৰ কৰিব এই কথা ঠিক। অলপ সময়লৈ নিমাতহৈ থাকি মণ্ডলে কলে “তোমাৰ পেটৰ কথা বুজিবলৈ মোৰ বাকী নাই বেদান্ত দাদা। পিছে সমস্যা হল এয়ে যে আশাই মোৰ ঘৰত নাথাকে বুলি স্পষ্ট ভাবে কৈ দিছে আৰু তাইৰ ঘৰতো অকলে তাইক থাকিব আমি দিব নোৱাৰো। সেইবাবে মই ভাবিছিলো তোমাৰ ঘৰত ৰাখো বুলি, পিছে ইয়াতো যদি ৰাখিবলৈ তুমি সন্মত নোহোৱা তেনেহলে মই আৰু আন কোনো উপায় নেদেখো। বৰ বিমোৰত পৰিলো কি কৰা যায় তুমিয়েই এটা ভাল উপায় দিয়া বেদান্ত দাদা।”

এনে সময়তে নিজে তামোলৰ বঁটা হাতত লৈ আহি কাঞ্চনমতীয়ে মণ্ডলৰ শেষ কথাষাৰ শুনি সুধিলে "কিহৰ ভাল উপায় খুজিছাহে মণ্ডল বাপু ?" বুলি গিৰিয়েকৰ ফালে অৱজ্ঞাৰ চকু ফুৰাই আকৌ সুধিলে "কেলেই সদুপায় সুধিবলৈ আৰু মানুহ নাপালা নেকি ? এখেতে বেদ-বেদান্তত কি লেখা আছে তাকেহে মাতি শুনাব পাৰে, পুথিত নোহোৱা কথা ক'ৰ-পৰা কব ? হয়নে নহয় অধ্যাপক দেৱ··· ?" বুলি নিজৰ ৰসিকতাত নিজেই হাঁহিলে।

মণ্ডলেও মুখ টিপি হাঁহি কলে "এৰা বৌ, তোমাৰ মনত এওঁ নাবালক বুলিহে ভাবিলা হবলা। যি নহওক মই এটা সাংঘাতিক বিপদত পৰিহে তেওঁৰ সদুপদেশ লবলৈ আহিছো। পঞ্চাননে আশাতলাক আকৌ তাৰ বান্দী কৰি নিব নোৱাৰি কল্যাণ আৰু তাইৰ বিৰুদ্ধে নানান মিছা অপবাদ প্ৰচাৰ কৰি ফুৰিছে···"

তেওঁৰ কথাত বাধা দি অধ্যাপক গৃহিণীয়ে কলে "মই জানো, মণ্ডল বাপু, তোমাতকৈ আগেয়ে মই খবৰ পাওঁ। বগীৰ মাক মোৰ হাতৰ মুঠিৰ তিৰোতা, তাই সকলো কথা মোক কৈছে। পৰহি বিদ্যাৰ চুঙাই (পঞ্চাননৰ বেদ-বিদ্যানিধি উপাধিটো এওঁৰ মনত সহ্য নহয় বাবে সদায় বিদ্যাৰ চুঙা বুলি ব্যঙ্গ কৰি মাতে) দোভাগ নিশালৈ লটপটীৰ ঘৰত লটপটাই থাকোতে ইপিনে পুতেকে মাকক···" বুলি কথা শেষ নকৰি আটাইবোৰ দাঁত উলিয়াই হাঁহিলে।

হঠাতে গিৰিয়েকে মাত লগালে "পঞ্চাননে সিহঁতৰ ঘৰলৈ···"

বাধাদি কাঞ্চনমতীয়ে কলে "এৰা অধ্যাপক দেৱ, যায়।

পিছে এই বতৰা আপুনি বেদান্ত শাস্ত্ৰত বিচাৰি নাপাব আকৌ। তাৰ উপৰিও আৰু এটা বাতৰি কওঁ শুনা মণ্ডল বাপু, ষাড়মুৰাই সাদিনলৈ ইহঁতৰ ঘৰতে লুকাই আছিল, তাৰ পিছত হে গাওঁ এৰি গৈছে।"

মুক্তাৰামে আচৰিতহৈ কলে "বগীৰ মাকে ইমান দূৰ বদমাচী কৰিছে, অথচ তাইক তুমি সদায়···"

"মনে মনে থাকক।" বুলি তাচ্ছিল্যৰ সুৰত ঘৈণীয়েকে কলে। "তিৰোতাৰ চৰিত্ৰৰ বিষয়ে আপুনি কি বুজে? ই ব্যাকৰণৰ সূত্ৰ নহয় যে পাণিণিক পানী কৰি যাবে তাৰে আগত আওৰাই ৰবমতা বোলাই ফুৰিব পাৰে। এয়া হ'লগৈ পেটৰ কথা, নাড়ীৰ কথা, তাৰ পেঁচে পেঁচে, ভাঁজে ভাজে ভিন ভিন ৰূপত আঁৰ কাপোৰৰ আঁৰত থকাদি সাজুহৈ থাকে। তাৰে এটা পেঁচ সোলোকাই এটা ৰূপ দেখিব পাৰে কিন্তু বাকীবোৰ পেঁচৰ ফুটকে দেখিবলৈ নাপাব।"

মনথিৰ মণ্ডলে ডাঙৰকৈ হাঁহি মাৰি কলে "বৰ সকৰা কথা একাষাৰ ক'লাহে বৌ। পিছে তুমিও জানো নাৰী নহয় আৰু আমাৰ কল্যাণৰ মাক,..."

তামোলটো কটা হলত বঁটাটো মণ্ডলৰ ফালে আগবঢ়াই দি কাঞ্চনমতীয়ে কলে "এৰা মেয়ো নাৰী। মোৰো পেটে পেটে জিলাপীৰ পেঁচ আছেনে নাই সেই কথা তুমি নাজানিলেও আমাৰ এই নাবালক অধ্যাপকে নজনা নহয়, মণ্ডল বাপু।"

মনথিৰে অধ্যাপকৰ মুখলৈ চালে। অধ্যাপকে ঘৈণীয়েকৰ মুখলৈ অসহায় ভাবেৰে চালে। কথাষাৰ যে একেবাৰে সঁচা সেই কথা মুক্তাৰামে বঢ়িয়াকৈ জানে। আজি ইমান বছৰে তেওঁ

ঘৈণীয়েকৰ কোনো বিষয়ে ভলা-নলাকে নাপালে। কোন সময়ত কি টোপ গাঁঠি কাৰ মুখৰ আগত টিপিয়ায়, কোনখন ফান্দ কিদৰে ক'ত পাতি থৈ কাৰ ভৰিত বান্ধ লগায়, আৰু মুখামুখিকৈ সমুখ সমৰত শৰ প্ৰহাৰ কৰাৰ নিচিনা কোন পাত শেল কাৰ বুকুত নিক্ষেপ কৰে সেইবোৰ বেদান্তবাগীশৰ ধাৰণাৰ অতীত। তেওঁ অতি সহজ-সৰল জীৱন যাপন কৰোতা গো-বেচেৰাবিধৰ মানুহ, কূটনীতি তেওঁৰ মগজুৱে ঢুকি নাপায়। সেই কাৰণে ঘৈণীয়েকৰ ওচৰত তেওঁ যেন তাল পাতৰ চিপাহী নাইবা জাপানী প্লাষ্টিকৰ পুতলা। ঘৈণীয়েকৰ মন্তব্যত প্ৰতিবাদ কৰিবলগীয়া তেওঁৰ নাই, তথাপি আত্মসন্মানত আৰু পৌৰুষত অলপ আঘাত লাগিলত ঘৈণীয়েকৰ মুখলৈ কৰুণ অনুবোধৰ দৃষ্টিৰে চালে।

কাঞ্চনমতীয়ে তেওঁৰ পিনে এবাৰ কেৰাচকুৰে চাই মণ্ডলৰ মুখলৈ দৃষ্টি কৰি কৈ থাকিল "...পিছে সেইপিনেৰে তোমাৰ আশঙ্কাৰ কাৰণ সমূলি নাই। কিয়নো তোমাৰ কল্যাণৰ মাক আৰৌ আমাৰ শ্ৰেণীৰ ভিবোতা নহয় আৰু নাছিল আশালতাৰ মাক। এনেকুৱা আৰু বহুত আছে, সিবিলাক হ'ল সবলা-অবলা বিধৰ ... তদুপৰি আৰু বহুত শ্ৰেণীৰ নাৰী আছে..."

তেওঁৰ কথাত বাধা দি হাঁহি মনথিৰে সুধিলে "তেন্তে লটপটী, ৰগীৰ মাক আৰু তোমাৰ শ্ৰেণীটো..."

"ভুল কৰিলা মণ্ডল বাপু। সিহঁতৰ শ্ৰেণী হ'লগৈ নেগুৰ-কটা বিধৰ আৰু মোৰ মানে মই নিজৰ কথানো কি কম"

"নালাগে বো বুজিছো" বুলি মণ্ডলে কলে "তুমি কূটনৈতিক শ্ৰেণীৰ হয়নে নহয়?"

ছুয়োজনে হাঁহিলে। অধ্যাপক নিমাত। বৈণীয়েকে কলে "সেইবোৰ দাঁত ভগা শব্দ মই কি বুজোছে, আমাৰ পণ্ডিতৰ পেটতহে ঠাই খাই আছে। যি নহওক, এই বণীৰ মাক আৰু লট্‌পটীৰ কথা কওঁ শুনা, সিহঁতৰ যোৰ নাই, কটামুখী, নেওৰ-কাটী, পুৰিলেও পোৰা নাযায়, কাটিলেও কটা নাযায়, কাৰে মাছে তপত তেলত পৰিও জপিয়াই উঠি ভাঁজোতাৰ চকুত তপত তেল চটিয়াই দিয়াৰ দৰেই, যাক বোলে 'উলটি চোৰে গিৰিহঁতক বান্ধে'। পিছে মেয়ো বুঢ়ীমাক জানো কম? যাক বোলে 'এটা চকুৰে তেল বেচে আনটোৱে পানী', সিহঁতৰ পেটৰ কথা চেপি যাক আমাৰ পণ্ডিতৰ ভাষাত বোলে ছুই বা দোহন কৰি উলিয়াইছে এৰো। আন ঠাইত যিমানেই কেঁট ধৰি মুফুৰক মোৰ ওচৰ পাওঁক বেচেৰীহঁত তেনেই সেও। যি নহওক, আচল খবৰটো শুনা, বিত্তাৰ চুণ্ডাৰ পুতেক ষাঁড়মুৰাই আশালতাক নি প্ৰথমে ইহঁতৰ পঁজাতে লুকাই ৰাখিব খুজিছিল আৰু পেটে পেটে সিহঁতৰ সন্মতি ভাবো আছিল। পিছে মই তোমাৰ কথাকে বিষে পেটফুলাই দিলো যে—একেদিনাই তুমি পুলিচ আনি ছুয়োজনীকে পোতাশাললৈ পঠিয়াবা। তাকে শুনি সন্মত হোৱা দূৰৰ কথা তাকো ঘৰৰ পৰা খেদি দিলে।"

বেদান্তবাগীশে মাত লগালে "ইমান দূৰ? সিহঁত ছুজনী হেনো পঞ্চাননৰ হাতৰ মুঠিত অথচ পঞ্চাননৰ বিৰুদ্ধে সৈ পুতেকক সিহঁতৰ ঘৰত..."

"কৈছো নহয়, এইবোৰ কথাৰ আপুনি একোকে নুবুজে বুলি।" বৈণীয়েকে উত্তৰ দিলে "ষাঁড়মুৰা বিত্তাৰ চুণ্ডাৰ হাতৰ

মুঠিত সিহঁত দুজনী নহয়, তাৰ ওলোটাটোহে। সিহে সিহঁতৰ হাতৰ মুঠিত, যেতিয়াই ইচ্ছা তেতিয়াই বান্দৰ নচুৱাদি নচুৱাব পাৰে। সি সিহঁতৰ বশ, সিহঁতৰ পেটৰ কথা সি কেনেকৈ গম পাব? তাক বাধ্যত ৰখা অস্ত্র সিহঁতৰ হাতত। পাঁচমূৱাই তাৰ পলৰীয়া পুতেক ষাঁড়মূৱাক বিচাৰি সিহঁতৰ ঘৰলৈ নগৈছিল বুলি ভাবে নেকি? আৰু সেই সময়তে পুতেকে এজনীৰ ঘৰত আৰাম কৰি নিৰাপদে শুই আছিল।"

মণ্ডলে কলে "মোৰো ধাৰণা নাছিল যে..."

মুখৰ কথা কাঢ়ি নি কাঞ্চনমতীয়ে কলে "মাটিৰ জেঙাতকৈ এইবোৰ ৰহইচ ডাঙৰ মণ্ডল বাপু। কওঁ শুনা, সিহঁত দুজনী দেখাতহে নিছলা কিন্তু গাঁওখনৰ বেছি ভাগ গৃহস্থতকৈ ভালকৈ খোৱা বোৱা কৰে। কামবন নকৰি কথা পাগুলিয়াই যে গাঁওফুৰি নাৰদীয় কাম কৰি ফুৰে খায় কৰ পৰা? ষাড়মূৱা আৰু তাৰ লগৰীয়াকেজনে সকলো বস্তু যোগায়। পাঁচমূৱা বিষ্ঠাৰ চুঙাৰ পৰা আদায় কৰে টকা-পইচা। সেইবোৰ যি নহওক বাৰু, পৰহি সিহঁতে তাৰ পৰা দহটকা আদায় কৰিছে, কালি পাঁচ টকা আৰু আজি দহটকা। বগীৰ মাক পুৱাই আহিছিল টকা জমা থবলৈ..."

"অ', তুমিও সিহঁতক সহায় কৰানেকি বৌ?" মণ্ডলে সুধিলে।

"সহায় মানে" কাঞ্চনমতীয়ে কলে "সিহঁতৰ উপাৰ্জ্জনৰ ধনবোৰ মোৰ হাতত জমা থয়। অইন কথাত মই নাই। অৱশ্যে এটা কথাত আজি সিহঁতক মই সাৱধান কৰি দিছো, যাতে

আশালতা আৰু কল্যাণৰ মিছা কুৎসা গাই ফুৰুৰে। তাই পাঁচমুৱা বিস্তাৰ-চুডাৰ টকা খাইছে যদিও বদনাম গাই ফুৰুৰে বুলি শপত খাই গৈছে। পিছে তাইৰ কথাত অৱশ্যে বিশ্বাস কৰা টান।”

মণ্ডলে কলে “ইহঁতে কিমান দূৰ কি কৰিছে নাজানো কিন্তু ইতিমধ্যে পঞ্চানন আৰু তাৰ ভঙুৱা ছেলাবোৰে গোটেইখন তোলপাৰ লগাইছে, সেই বাতৰি মোৰ কাণ পাইছেহি। যি নহওক সেইবোৰলৈ আমুকাই ভয় নকৰো। ডাঙৰ সমস্যা এটাত পৰিহে বেদান্তদাদাৰ পৰামৰ্শ লবলৈ আহিলো।” বুলি আশালতাই তেওঁৰ ঘৰত নাথাকি তাইৰ নিজৰ ঘৰত থাকিব বুলি জেদ্ পতাৰ কথা কলে।

মণ্ডলৰ মুখে সমস্যাটোৰ কথা শুনি কাঞ্চনমতীৰ কূটনীতি বোৰে পেটৰ ভিতৰতে মূৰ দাঙি উঠিল। পঞ্চাননক তেওঁ অকল দেখিব নোৱাৰাই নহয়, মনে-প্ৰাণে ঘিণ কৰে। পঞ্চাননে ফুটনি মাৰি বৰ কথা কৈ ফুৰা অথবা তাৰ কোনোবা পিনে কিবা অলপ ভাল হোৱা শুনিলেও তেওঁৰ অন্তৰত পোৰণি উঠে। সমাজপতিৰ ওপৰত সদায় তাচ্ছিল্য আৰু হিংসাৰ ভাব এটা মনত পুহি ৰাখে। কিন্তু হিংসা প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ সুযোগ নাপায়। বগীৰ মাক আৰু লটপটীৰ বুকুৰ কুটুমহঁতে সিহঁতক কূটবুদ্ধি দি মাজে সময়ে অৱশ্যে নগুৰ-নাগতি কৰি মনত আনন্দ পায় কিন্তু অকল সেইখিনিয়ে তেওঁৰ বুকুৰ পোৰণি চেঁচা কৰিব নোৱাৰে। এই আটাইবোৰৰ মূলত পঞ্চাননে যে নিজে বেদবিদ্যানিধি পণ্ডিত বুলি দম্ভ কৰি ফুৰে আৰু গিৰিয়েকক

ভাচিছল্য কৰি সাধাৰণ বেদান্ত বুলি কৈ মানুহৰ আগত হাঁহে এয়েই কাৰণ। দ্বিতীয়তে আশালতাক জোৰ কৰি বান্দী কৰি নিয়াৰ কথা শুনাৰ পৰা ঈৰ্ষা ভাবটোৱে ফেঁট তুলি উঠিছিল। পঞ্চাননৰ প্ৰতি বগীৰ-মাক আৰু লট্‌পটিৰ মন বিষাক্ত কৰিছিল আৰু কি কৌশলেৰে তাৰ পৰা ৰেছিকৈ আদায় কৰিব লাগে তাকো শিকাই দিছিল। সম্প্ৰতি মণ্ডলৰ মুখে আশালতাৰ জেদৰ কথা শুনি ততালিকে কলে "তাইক তুমি অকলে তাইৰ ঘৰত ৰাখিব নোৱাৰা, পাঁচমুৰাই ঘৰত জুই লগাই পুৰি মাৰিব নাইবা তাৰ ষাড়মুৰা পুতেকে ৰাতি-চুৰ কৰি নিব, জানিবা। মাকক পৰহি কি কেলেঙ্কাৰীখন নকৰিলে !!"

মনথিৰে বেদান্তবাগীশৰ মুখলৈ চাই কলে "সেইকথা ময়ো বিশ্বাস কৰো…"

"ৰ'বা, মণ্ডলবাপু, আমাৰ পণ্ডিতে এইবোৰৰ উপায় শাস্ত্ৰত ক'ত বিচাৰি পাব? মই কওঁ শুনা, আশালতা আইটিক তুমি আমাৰ ঘৰত থোৱা। আমাৰ মহাপুৰুষ জানো তাইৰ পেহাক নহয়? আৰু সেই হিচাবে মই তাইৰ পেহীয়েক। মোৰ নিজৰ ছোৱালীৰ দৰে তায়ো থাকিব। পেহাকে নিৰামিষ আহাৰ কৰে, গতিকে একেলগে ভুয়োজনৰে চলি যাব, নে মই বেয়া কৈছো, দেউ?" বুলি গিৰিয়েকৰ মুখলৈ চাই মুখ টিপি হাঁহিলে।

তেওঁৰ কথাষাৰে বাকী দুজনৰ অন্তৰৰ গধুৰ বোজা দুটা যেন ফুমাৰি উকৰাই দিলে। ইমান সহজতে সমস্যাটোৰ সমাধান হোৱা দেখি দুয়োৰো মন ফৰকাল হ'ল। মণ্ডলে ভাবিছিল যে কাঞ্চনমতীক বুজাই-বঢ়াই কাবৌ-কোকালি কৰি সন্মত কৰাবলৈ

চেষ্টা কৰিব। আৰু অধ্যাপকে ভতালিকে আশালতাক আনি নিজৰ ঘৰত আশ্ৰয় দিবলৈ প্ৰবল ইচ্ছা থকা সত্বেও বৈণীয়েকৰ ভয়ত মণ্ডলক কোনো সমিধান দিব পৰা নাছিল আৰু প্ৰস্তাৱটো ঘৈণীয়েকৰ কাণ চুৱাব পৰা নাছিল। গৃহস্থালিৰ কোনো কথাত তেওঁৰ হাত আৰু মাত কোনোবিধেই নাই। আশালতাৰ দুখত দুখীহৈ তেওঁ অথনিৰ পৰা গধুৰ মনটোৰে নানান উপায় চিন্তা কৰিও পাৰ পোৱা নাছিল।

বং মনেৰে মণ্ডলে কলে "ধন্যবাদ বৌ, উত্তম উপায়, ইয়াতকৈ ভাল ব্যৱস্থা হব নোৱাৰে।"

"এৰা," বুলি বেদান্তবাগীশেও যদিও জানে যে বৈণীয়েকৰ পৰা আশালতাই যথেষ্ট কষ্ট পাব তথাপি কলে "তাই ইয়াত নিৰাপদে থাকিব পাৰিব।"

মণ্ডলৈ তামোলৰ বঁটাটো আগুৱাই দি কাঞ্চনমতীয়ে কলে "এতিয়া দেখিবা মণ্ডল বাপু, শত্ৰুপক্ষৰ মুখত ছাই পৰিব। ধৰ্ম্ম যদি আছে নিৰ্দ্দোষী, নিৰীহ, নিছলী ছোৱালীজনীৰ শাস্তি দিয়া আৰু মিছা কুৎসা ৰতনা কৰা পাপে পাঁচমুৱাকে পুৰি মাৰিব। তাৰ বাবে আজি গোসাঁইৰ সমুখত ঘিউৰ চাকি এটা দিম।"

মুক্তাৰাম বেদান্তবাগীশে মনথিৰ মণ্ডলৰ লগতে আহিল যদিও আশালতাই প্ৰথমে তেওঁৰ ঘৰলৈ যাবলৈও সন্মত হোৱা নাছিল। আটাইকেইজনে বহুত বুজাই বৰাই সন্মত কৰিলে। অধ্যাপকৰ লগত অনিচ্ছা সত্বেও তেওঁৰ ঘৰলৈ গল। এই কামত আইন বিলাকে সন্তোষ পালে, কেৱল অসন্তুষ্ট হ'ল কল্যাণ। বুজনি দিওঁতাৰ দলত নাথাকি দেউতাক আৰু মুক্তাৰাম অহাৰ সময়ৰ পৰা

সি আওচেৰীয়াকৈ বাৰীত থকা তাৰ অতিপ্ৰিয় লেতেকু গছজোপাত উঠি বহি আশালতাৰ ব্যৱহাৰকে চিন্তা কৰিছিল। সি বহুত ভাবিও বুজিব নোৱাৰিলে যে যি আশালতাই সকৰে পৰা বিনা ওজৰে কল্যাণৰ সকলো আদেশ মানি চলিছিল এনেকি সময়ত গালি আৰু মাৰ খায়ো ছাঁটোৰ দৰে তাৰ পাছ এৰিব নোৱাৰিছিল সেই আশাই তাৰ সকলো সজ পৰামৰ্শ, আৰু আদেশ কেনেকৈ অৱজ্ঞা কৰিলে? তাৰ কাকুতি-মিণতিলৈ তাই কাণকে নকৰিলে আৰু তাৰ খঙলৈও ভ্ৰূক্ষেপ নকৰিলে কেনেকৈ? পৰাজয়ৰ গানিত তাৰ মনটো টেঙা হৈ পৰিছিল। এবাৰ ইচ্ছা হৈছিল যে তাইৰ পিঠিত আগৰ দৰে ভুকু কেইটামান লগাই দি তাইৰ অবাধ্য দোষৰ দণ্ডদি সৈমান কৰে কিন্তু তাইৰ হাড়ে-ছালে-লগা শৰীৰটোলৈ চাই নিজৰ মনতে লাজ লাগিল। ভাবিলে এটা ভুকু মাৰা মানেই তাইৰ নিৰ্ঘাত মৃত্যু, ছিঃ সি এইবোৰ কি ভাবিছে! তাইৰ হয়তো মগজুৰ বিকৃতি ঘটিছে, নহলে তাই কেতিয়াও তাৰকথা নেপেলালে-হেঁতেন। হয়তোবা অইন কিবা কাৰণ আছে যাক তাই কল্যাণৰ আগত প্ৰকাশ কৰি নকয়। নিশ্চয় তাৰ মাক-বাপেকৰ ওপৰত তাইৰ অভিমান। তাইৰ প্ৰতি নিৰ্দ্দয়হৈ থকা মনটোৱে ততালিকে মাক বাপেকৰ প্ৰতি বিদ্ৰোহ কৰি উঠিল। লগে লগে মনত পৰিল আগৰ বাৰ অধ্যাপকে দিয়া যুক্তিৰ কথা, তেতিয়া তেওঁৰ প্ৰতিও খং উঠিল।

তাৰপিছত সকলো অপকৰ্ম্মৰ মূল পঞ্চাননৰ কথা মনত পৰি বুকুত জ্বলি থকা জুইকুৰাত যেন ঘিউহে পৰিল। ততালিকে নামিগৈ পঞ্চাননক বিচাৰি উলিয়াই প্ৰতিশোধ লবলৈ তাৰ ইচ্ছা

হ'ল কিন্তু সমুখত নথকাত ভাবিবলৈ বাধ্য হল যে কিদৰে তাক এশিকণি দিয়া ভাল হব ? আশালতাক কৰা নিগ্ৰহৰ লগতে কালিৰ পৰা যি জঘন্য আৰু মিছা অপবাদ গাই ফুৰি সি কল্যাণৰ নিৰ্ম্মল চৰিত্ৰত কলঙ্ক সানিলে তাৰবাবে তাক এনেকুৱা উগ্ৰদণ্ড দিব লাগিব যাতে তাৰ ভৱিষ্যত জীৱনটো অকামিলাহৈ থাকে। গতিকে ছুৰ.মুৰকৈ অলপ মাৰধৰ কৰি অহাতকৈ ভাবিচিন্তি জোখাৰে ব্যৱস্থা কৰিব বুলি সি স্থিৰ কৰিলে। আৰু তাৰ পুতেক নৰপশু ষড়ানন··· ? তাক হিংস্ৰ জন্তুৰ দৰে কোবাই হাত-ভৰি ভাঙি পঙ্গু নকৰে মানে নেৰে বুলি মনতে হুমিয়ালে।

তাৰ পিছত মনত পৰিল গঞাৰ কথা, সমাজখনৰ কথা। সমাজপাতি মানুহবিলাকে যদি আশালতাক পঞ্চাননৰ ঘৰত বথাৰ ব্যৱস্থা নকৰিলেহেঁতেন তেনেহলে তাইৰ এনেকুৱা দুৰ্গতি কেতিয়াও নহলহেঁতেন। গোটেই সমাজখনৰ প্ৰতি তাৰ মনটো বিৰোধীহৈ উঠিল। সি ভাবিলে, আশালতাক আৰু দুবছৰ পাছত বিয়া দিয়া হলে তাই বিধবা নহলহেঁতেন। মাক-বাপেক, দেশাচাৰ-কুলাচাৰ আদিৰ বাবেই তাইৰ দুৰদৃষ্টৰ একমাত্ৰ কাৰণ। সেইটোও এই সমাজখনৰে দোষ আৰু সেই দোষত যেতিয়া তাই বিধবা হল লগতে মাক-বাপেকক হেৰুৱাই নিছলাহৈ পৰিল তেতিয়াও ওলোটাকৈ এই সমাজখনৰে অনুশাসন। অথচ গাঁওখনত তাইৰ প্ৰতি নিমৰমীয়াল বা সহানুভূতি নথকা এজনো মানুহ নোলাৰ। তথাপি আজি ছমাহ ধৰি তাইৰ বিলৈ বিপত্তিৰ কথা পৰম্পৰে জানিও এদিনলৈও কেৰে খা-খবৰকে নললে। ইয়াতকৈ লাজৰ কথা কি হব পাৰে ?

প্ৰত্যেকটো প্ৰতিকূল ঘটনাই তাৰ অন্তৰখন তোলপাৰ লগাই থাকিল। তদুপৰি অবাবতে অযথা কলঙ্কবোৰ পাই মনটো ক'লা পৰাৰ লগতে মুখখনতো যেন ছাইহে সানি দিলে। মাকৰ কথা পেলাব নোৱাৰি ভাতৰ পাতত বহিল যদিও পেটলৈ ভাত-পানী যাব নোখোজে। দুই এগৰাহ গিলি বিছনাত পৰি থাকিলগৈ। ৰাতিৰ সাজতো মাকে হাতত ধৰি বিছনাৰ পৰা তুলি আনি ভাতৰ পাতত বহুৱাই দিয়াত কেগৰাহমান গিলি আকৌ বিছনাত দীঘল দি পৰিল। অন্তৰৰ অশান্তিত চকুত টোপনি নাই। ধৰফৰ-ছটফট, বাগৰা বাগৰি কৰি বহুত সময় কটালে। তাৰ পিছত তলকা মাৰি জোৰ কৰি টোপনিৰ চেষ্টা কৰিলে যদিও বিফল হ'ল। শেষত নিজৰ ওপৰতে তাৰ খং উঠিল। চিন্তাবোৰে তাক এৰা নিদিয়া হল। এটা জোৰ কৰি পাহৰিলেও আন দুটাই সেই ঠাই লয়হি। ধোঁৱাৰ মাজত, দুৱাৰ খিড়িকী বন্ধ কোঠালীত উশাহ-নিশাহ লব নোৱাৰাৰ দৰে তাৰ মনটোৱে কেনিও মুকলি হব নোৱাৰে, উশাহ নাপায়।

কল্যাণে এবাৰ ভাবিলে, পৰহি সি আহি ঠিক সময়ত নোপোৱা হলে দুখুনী আশালতাৰ কপালত কি যে দুৰ্দ্দশা হল হেঁতেন · ··· কিন্তু তাই তাৰ কথা নামানি নিজৰ জেদ্ বজাই ৰাখিলে। এনেকুৱা অকৃতজ্ঞ স্বভাৱ তাইৰ কেতিয়াৰ পৰা হ'ল? কিয় হল? আশাই এনে অবুজন, এনে অবাধ্য হব পাৰে বুলি সপোনতো ভৰা নাছিল, এনেকি এতিয়াও ভাবিব নোৱাৰে, কিন্তু তাৰ চকুৰ সমুখতে অসম্ভৱো সম্ভৱ হল। হতভাগিনী আশাৰ প্ৰতি তাৰ সকলো সহানুভূতি, মৰম বেথা লোপ পালে। তাৰ সলনি

প্ৰবল খণ্ডত অন্তৰখন দপ্ কৰে জ্বলি উঠাত সি মনতে প্ৰতিজ্ঞা কৰিলে, তাইৰ বিষয়ে কোনো কথা আৰু সি নাভাবে। ভৱিষ্যতে সি তাইৰ মুখ নাচায়। খা-খবৰ নলয়। আজিৰ পৰা তাইৰ লগত তাৰ কোনো সম্পৰ্ক নাই···

তাৰ পিছ দিনা। মাকৰ দুৰ্যোৰ আপত্তি নামানি কল্যাণ গুৱাহাটীলৈ গুচি গল। গুৱাহাটীলৈ যোৱাৰ আগে মাত এবাৰ লগাই যাবলৈ কালি তাক আশাই বৰকৈ অনুৰোধ কৰিছিল। সি তাইৰ সেই অনুৰোধ নাৰাখিলে। নিৰ্দিষ্ট দিনতকৈ সাদিন আগেয়ে গুৱাহাটীলৈ বাওনাহৈ যেন তাইক ডাঙৰ শাস্তি এটাহে দি যাব পাৰিলে তাকেই তাৰ অভিমানী মনটোৱে ধাৰণা কৰি কথঞ্চিৎ তৃপ্তি অনুভৱ কৰিলে।

আনপিনে। আশালতাই তাইক সৰুৰে পৰা গঢ়ি তোলা তাইৰ একমাত্ৰ আদৰ্শ কল্যাণ দাদা, যাক নিজৰ ককায়েকৰ নিচিনা আপোনজনৰ বাহিৰে পৰ বুলি কোনো দিনেই ভাবিব নোৱাৰে, যিজনে তাইক পঞ্চাননৰ বলিশালৰ পৰা এক্কে আষাৰ কথাৰে মুকলি কৰি আনি চিৰজীৱনলৈ নিৰাপদ আশ্ৰয় যাচিলে সেইজনৰ সকলো সজউপদেশ, বুজনি, অনুবোধ, অভিমান আৰু স্নেহ-প্ৰীতিৰ প্ৰবল বান্ধোনকো প্ৰত্যাখ্যান কৰিবলৈ লগতে মাকতো অধিক চেনেহী মণ্ডলণীৰ অকৃত্ৰিম চেনেহকে নেওচি গুচি যাবলৈ যে তাইৰ মনত কি তুমুল সংগ্ৰাম কৰি কোমল অন্তৰখন ক্ষত-বিক্ষত কৰিবলগীয়া হৈছিল তাক একমাত্ৰ তাইহে জানে আৰু জানে নেদেখাজনে। পঞ্চানন সমাজপতিয়ে তাৰ বিষ-মুখেৰে গাইফুৰা মিছা অপবাদ আৰু কলঙ্কবোৰৰ কিঞ্চুমান কল্যাণৰ দৰে তাইক

কাণতো নপৰাকৈ নাছিল। যোৱা দুদিন পঞ্চাননে মণ্ডলৰ আগ চোতালত আটাইপাৰি মিছা অভিযোগ কৰাও তাই ভিতৰত থাকিয়ে শুনিছিল। তথাপি তাইৰ মনত তাৰ অলপো প্ৰতিক্ৰিয়া নহল, অন্তৰত এটা ঢৌও নুঠিল, মুখৰ ৰং অলপো শেতা নপৰিল, কপালৰ এডাল সিৰো ফুলি নুঠিল। তাৰ কাৰণ আজি ছমাহৰ আগতে দুখ সাগৰত পৰি কোনো পিনে পাৰ নেদেখি ককবকাই কোনোমতে ওপণ্ডি থাকিবলৈ চেষ্টা কৰোতে পঞ্চাননে ভৰিৰে গচকি তাইক যি অতল তলিলৈ পঠিয়ালে তাৰ পৰা বাহিৰা জগৎখনৰ ৰূপ তাইৰ চকুত প্ৰতিভাত নহয়, কোনো কোলাহলো শ্ৰুতিগোচৰ নহয়। নিৰ্ব্বান্ধৱ, নিৰ্জন অতল সাগৰৰ তলিত তাই অকলে বাস কৰে যেন তাইৰ কোনো চেতনাই নাই, গছৰ মূঢ়াটোৰ দৰে ভাল-বেয়া, সুখ-দুখৰ সকলো অনুভূতিৰ পৰা যেন তাই বাহিৰত। নিয়মিত ভাবে নিষ্ঠুৰ পঞ্চাননৰ তৰ্জ্জন গৰ্জ্জন, বিনা দোষত আৰু বিনা কথাত কৰা অকথ্য গালি-শপনি আৰু নিগ্ৰহে আগৰ দৰে আজিকালি তাইৰ মনত আঘাত দিব নোৱাৰে, চকুৰে পানী নবয়।

মণ্ডলণীয়ে আশাৰ কোমল মুখখনিলৈ বাৰে বাৰে লক্ষ্য কৰিও যেতিয়া অবিচলিতহৈ থকা দেখিলে, তেতিয়া অতি আচৰিতহৈ তেওঁ ভাবিলে যে তাইৰ কোমল অন্তৰখনৰ ভাল-বেয়া, লাজ-মান আদি বুজা প্ৰবৃত্তিবোৰ হয়তো লোপ হৈছে। কিজানিবা তাইৰ অন্তৰখন শুকান মৰুভূমিহে তাত কোনো অনুভূতিৰ স্থানেই নোহোৱা হৈ পৰিছে, কিন্তু সেই কথা ঠিক নহয়। আশাই ভালকৈ বুজিছে যে তাইৰ অভিশপ্ত জীৱনত আৰু কেতিয়াও সুখৰ মুখ নেদেখে। সেইবাবে সুখৰ সংজ্ঞাও পাহৰি গৈছে।

আনপিনে ৰ'লগৈ কেৱল দুখ। পিছে দুখতেই যাৰ উৎপত্তি দুখতে যাৰ জীৱন গঢ়ি উঠে, দুখেই যাৰ জীৱনৰ সমষ্টি তাৰ পক্ষে দুখৰনো কি লঘু-গুৰু আছে? আধামৰা বলদ' বোৰক গাড়ীত জুটি দি যেতিয়া ওপৰা ওপৰিকৈ পিঠিত কোব লগোৱা হয় তেতিয়া মুখেৰে ফেন আৰু নেজৰ ফালে গোবৰ ওলালেও সি টানিবই লাগিব, তেহেলে গাড়ীত দহমোণেই বোজা থাকক বা কুৰি মোণেই থাকক সি কি হিচাব পায়? পানীতেই যাৰ উৎপত্তি-স্থিতি-লয় সিবোৰে দ-বামৰ কি হিচাব লব? আশালতাৰ জীৱনৰ একমাত্ৰ সম্বল দুখ, তাৰ পৰিমাপ তাই নকৰে, সেই বিষয়ত তাই নিৰ্ব্বিকাৰ সম্পূৰ্ণ উদাসীন কিন্তু তাইৰ অন্তৰৰ অনুভূতিবোৰ লোপহৈ যোৱা নাই। মণ্ডলগীয়ে তাইৰ অন্তৰ পাঠ কৰাৰ শক্তি নাই কেৱল বাহ্যিক ৰূপটো দেখি অন্তৰৰ কথা অনুমান কৰাৰ সাধ্যও তেওঁৰ নাই।

আশালতা ইয়াকৈ অহাৰ পিছতেই পঞ্চাননে আহি কল্যাণৰ ওপৰত যি মিছা অভিযোগ কৰিছে, তাৰ পিছদিনাও সমাজপাতি নিলাজভাবে যিবোৰ অপবাদ দিছে, সেইবোৰ গুনাৰ পৰাই তাইৰ চিন্তাত ভং নাই। নিজৰ নিমিত্তে তাই সমূলি নাভাবে। কপালত যি ঘটিবলগীয়া আছিল ঘটিছে আৰু যি ঘটিবলগীয়া আছে ঘটিব, সেই বিষয়ে তাই নাভাবে। সকলো দুখ-দুৰ্গতি-নিকাৰ ভুঞ্জিবলৈ এই কেমাহতে তাই মনটো প্ৰস্তুত কৰিলৈ সাজুহৈ আছে। কিন্তু কল্যাণৰ একে আষাৰ কথাই ইয়াকৈ তাইক টানি অনাৰ পিছৰ পৰা যি নতুন পৰিস্থিতিৰ উদ্ভৱ হল সেয়ে তাইক চিন্তাত পেলালে...

জ্ঞান হোৱাৰ আগৰে পৰাই যাক নিজৰ অতি প্ৰিয় আপোন জন বুলি মানি, বিনা দ্বিধাই তাৰ সকলো আদেশ পালি নিজৰ অজানিতে তাৰ আদৰ্শত গঢ়ি উঠিছে সেই কল্যাণ ভাইৰ মনত মহান আৰু তাৰ স্থান ভাইৰ অন্তৰত আন সকলোতকৈ ওখত। গতিকে গাঁওৰ প্ৰত্যেক মানুহৰ আগত, সমাজৰ আগত কল্যাণে ভাইৰ নিমিত্তে হেয় হোৱা কথাটো কোনোপধ্যেই তাই সহ্য কৰিব নোৱাৰে। তাই ভালকৈ বুজি পাইছে যে মণ্ডলৰ ঘৰত থাকিলে পঞ্চাননৰ বিহু মুখেৰে কল্যাণৰ প্ৰতি সদায় এইদৰে বিষাক্ত বাণ মাৰি থাকিব। সেই বিষে কল্যাণক দেই-পুৰি ক'লা কৰিব। গতিকে বহুত চিন্তাৰ পিছত তাই স্থিৰ কৰিছে যে নিজে যি কোনো বিপদ আৰু দুৰৱস্থা সাদৰে বৰণ কৰি লৈও কল্যাণক নিষ্কলঙ্ক কৰি ৰাখিব। তাইৰ কাৰণে তাক কলঙ্কিত হ'ব নিদিয়ে। যোৱা নিশা বিছনাত বাগৰি থাকি মনত শেষ সিদ্ধান্ত কৰিছে— '...নাই, মোৰ নিমিত্তে মোৰ কল্যাণ দাদাৰ ওখ শিৰ দোঁ খাবলৈ মই কেতিয়াও দিব নোৱাৰো...নিদিওঁ। এই ঘৰত মই থাকিব নোৱাৰো, কোনোমতেই নাথাকো...' কিন্তু মনৰ এই দৃঢ় সংকল্প তাই ভাঙি কব নোৱাৰে, নকয়। কল্যাণৰ প্ৰত্যেকটো কথা, প্ৰত্যেক বুজনি, প্ৰত্যেক আদেশ নিৰ্ব্বিবাদে বিনা প্ৰতিবাদে মানিবলৈ মনত প্ৰৱল বাসনা জন্মে কিন্তু অন্তৰখন ক্ষতবিক্ষত কৰিও মনৰ দৃঢ় সংকল্প অটুট ৰাখি বৰ কষ্টেৰে প্ৰত্যাখান কৰে। তাৰ কাৰণটো মণ্ডল-মণ্ডলনীক কোৱা দূৰৰ কথা কল্যাণকো ঘূণাক্ষৰেও জানিবলৈ নিদিলে। সি নিৰুপায়হে প্ৰথমে অভিমান কৰিলে, তাৰ পিছত খং কৰিলে, তাৰ পিছত পেটে পেটে হয়তো

ঘৃণাও কৰিছে, কৰক আপত্তি নাই। তথাপি তাই মনৰ দুৱাৰ নেমেলে, সংকল্পত তাই অটল-অচল···

মণ্ডল-মণ্ডলণীয়ে কোৱাকুই কৰিলে যে যোৱাবাৰ তেওঁলোকৰ গোপন পৰামৰ্শ শুনাৰ বাবেহে আশাই ইয়াত নথকা হ'ল। মণ্ডলণীয়ে মনত দুখ পালে। মণ্ডলো দুখীত হ'ল যদিও গলগ্ৰহৰ বোজাটো মুক্তাৰাম বেদান্তবাগীশৰ মূৰত জাপি দিবলৈ পাৰি পেটে পেটে ভালেই পালে। মুখেৰে কোনো কথা প্ৰকাশ নকৰিলেও তেওঁৰ মন মুকলি আৰু ফৰকাল হ'ল।

—আঠ—

মিছা অপবাদেৰে ভৰা কলঙ্কৰ গধূৰ বোজাটোৰ লগতে আশাই তাৰ কথা অবমাননা কৰি দিয়া দুখৰ দাণ্ডিৰ নোৱাৰা বোজাটো মনত ভাৰ বান্ধিলৈ কল্যাণ গুৱাহাটী পালেহি। সাময়িক মনৰ খণ্ডত তাইৰ প্ৰতি সকলো প্ৰীতি, মৰম-চেনেহ আৰু সহানুভূতি লোপ পোৱা বুলি ভাবি সি তাইৰ কথা ভৱিষ্যতে কেতিয়াও চিন্তা নকৰে বুলি প্ৰতিজ্ঞা কৰিছিল যদিও গুৱাহাটী পোৱাৰ লগে লগে সি সেই কথা পাহৰি গল। আকৌ নানাৰকমে তাইৰ এনেকুৱা দুৰ্ব্যৱহাৰৰ কাৰণ তাৰ মনতে এফালৰ পৰা বিশ্লেষণ কৰি চাবলৈ ধৰিলে কিন্তু কোনো সঙ্গত হেতু বিচাৰি নাপালে। তাইৰ এনেকুৱা অবাধ্যতাৰ কথা সি সপোনতো ভাবিব পৰা নাছিল। তদুপৰি হৈ যোৱা ঘটনাটোৰ কথা এতিয়াও যেন

তাৰ মনে বিশ্বাস কৰিবকে নোখোজে। অৱশেষত সি নিজৰ মনতে স্থিৰ কৰিলে যে তাইৰ মগজু বেয়া হৈছে। হয়তো ইয়াৰ পিছতে তাই একেবাৰে পাগলীহৈ পৰিব। তাকেই স্থিৰ কৰি তাইলৈ তাৰ পুতৌ উপজিল। 'বেচেৰী আশা…' কল্যাণে ভাবিলে, তাই পগলানো নহব কিয়? ইমানবোৰ ঘাত-প্ৰতিঘাত সহ্য কৰি মানুহ জানো পগলা নহৈ থাকিব পাৰে? প্ৰতিকূল সোঁতত সাঁতুৰি মানুহ কিমান সময়লৈনো ৰক্ষা পৰিব পাৰে?… প্ৰথম আৰু প্ৰধান জগৰীয়া তাইৰ নিষ্ঠুৰ ভাগ্য, নহলেনো তাইৰ মাক-বাপেকৰ অক্ষয় পুণ্য-সঞ্চয়ৰ অলীক বাসনা জাগিলেহেঁতেন কিয়? হৃষ্ট-পুষ্ট-বলিষ্ট ডেকা আশাৰ দৰাটোৱেই বা অপঘাতত মৰিলে-হেঁতেন কিয়? তাৰ পিছতে এটা এটাকৈ তাইৰ বাপেক-মাকক মাৰি নি তাইক অসহায়া. নিছলা অনাথিনী কৰিলেহেঁতেন কিয়?…

দ্বিতীয়তে জগৰীয়া, কল্যাণে ভাবিলে, সমাজখন আৰু তাৰ আচাৰ—নিয়ম-নিষ্ঠা। নহলে বিয়া কি বস্তু তাৰ সম্যক জ্ঞান হোৱাৰ পূৰ্ব্বেই তাইক সম্পূৰ্ণ অপৰিচিত মানুহ এজনৰ হাতত গটাই দি ধৰ্ম্মৰক্ষা কৰিবলৈ মন মেলিলেহেঁতেন কিয়? তাৰ পিছত সমাজ পতি পঞ্চাননৰ অন্যায় বিধি-ব্যৱস্থাকে মানিলৈ সমাজখনে তাইক হেচি-ঠেলি তাইৰ অনিচ্ছা সত্বেও জোৰ কৰি পঞ্চাননৰ ঘৰলৈ পঠোৱাটো সমাজখনৰ পক্ষে নিশ্চয় গুৰুতৰ অপৰাধৰ কাম জানো হোৱা নাই? কল্যাণৰ মাকৰ লগত থাকি নিজে এমুঠি বান্ধি খাই মানুহৰ দৰে জীয়াই থকা হলে তাইৰ বৈধব্য-ধৰ্ম্মটোনো কেনেকৈ ভ্ৰষ্টহৈ পৰিলহেঁতেন অথবা জাতি-চ্যুতহৈ কিয় নৰকত পৰিল হেঁতেন

সেই কথা তাৰ বোধগম্য নহল, তাৰ ৰহস্য আজিকোপতি সি বুজিব পৰা নাই। কিন্তু এই কথা সি বঢ়িয়াকৈ বুজিব পাৰিছে যে আশালতাৰ প্ৰতি কৰা সকলো বিধি বিধান পঞ্চাননৰ স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে আৰু হীন-ষড়যন্ত্ৰ মূলক। কল্যাণে ভাবিলে, পঞ্চাননে বাৰু নিজ স্বাৰ্থ সিদ্ধিৰ বাবে এনেকুৱা ব্যৱস্থা কৰিব খুজিলেই কিন্তু সমাজখনেনো কিয় তাৰ অন্যায় কামত বাধা নিদিলে? পঞ্চানন বেদ বিদ্যানিধি বামুণ, মুক্তাৰাম বেদান্তবাগীশো বামুণ। উভয়ে বিদ্বান কিন্তু আকাশ-পাতাল প্ৰভেদ। পঞ্চাননৰ গাত ব্ৰাহ্মণত্বৰ যি নটা গুণ থাকিব লাগে তাৰ এটাও নাই কিন্তু মুক্তাৰামৰ গাত আছে। তেন্তে তেওঁক সমাজৰ মুখিয়াল নাপাতি পঞ্চাননক পাতিলে কিয়? তদুপৰি গাঁওখনৰ বামুণৰ সংখ্যা নিচেই তাকৰ নহয়। যদি মণ্ডলৰ ঘৰত আশ্ৰয় ললে আশালতা জাতিচ্যুত হয় তেনেহলে ব্ৰাহ্মণ সমাজৰ সৎলোক এজনৰ ঘৰত ৰখাৰ বন্দবস্ত নকৰিলে কিয়? কল্যাণে বঢ়িয়াকৈ প্ৰমাণ পাইছে যে গোপালপুৰৰ প্ৰায় ভাগ মানুহেই সমাজপতি পঞ্চাননক দেখিব নোৱাৰে, অথচ সিবিলাকেই লগহৈ সমাজ পাতি বহি আশালতাক তাৰ ঘৰলৈ ঠেলি পঠিয়ালে। কল্যাণে ইয়াকো জানে যে বামুণী খুৰী আৰু আশালতাৰ প্ৰতি সকলোৰে অকৃত্ৰিম চেনেহ সহানুভূতি আছিল।

এইবোৰ বিৰুদ্ধ মুখী ঘটনাৰ ৰহস্য ভেদ কৰিব নোৱাৰি কল্যাণে প্ৰথম দিনা ঘৰ পাই মাকৰ মুখে সকলো শুনাৰ পিছত সুধিছিল "মা, আশাক যদি এতিয়াও সকলে ভাল পায় আৰু মৰম কৰে তেনেহলে তাইক কিয় সকলোৱে লগহৈ তাৰ ঘৰলৈ নিয়াত সম্মতি দিছিল?"

মাকে উত্তৰ দিছিল "তই লাহে লাহে বুজিবি বাচা, বিধবা-বিলাক সমাজৰ এটা গলগ্ৰহ। এটা ভয়ৰ কাৰণ। সেইবাবে গলগ্ৰহৰ বোজা অইনৰ মূৰত জাপি দি নিজে আঁতৰত থাকিবলৈ চেষ্টা কৰে।"

"কিন্তু মা," কল্যাণে সুধিছিল "বিধবা হোৱাটো দুখুনীসকলৰ নিজৰ দোষ নহয়। সমাজৰ দোষ, মাক-বাপেকৰ দোষ, প্ৰচলিত নীতি-নিয়মৰ দোষ নহয় জানো।"

মাকে উত্তৰ দিছিল "দোষ কাৰো নহয় বোপাই, যাৰ কপালত যি লিখা আছে সেয়ে ঘটে। ধৰিব গলে নিজৰ ভাগ্যৰ দোষ। সমাজৰ বা মাক-বাপেকৰ দোষ হব কিয়? দেশাচাৰ-কুলাচাৰ, ৰীতি-নীতি মানি সকলোৱে চলিবলৈ বাধ্য। সেইদৰেহে সমাজখন চলে। যদি কোনেও একো নামানি যাৰ যি ইচ্ছা যায় তাকে কৰি ফুৰে তেনেহলে ঘোৰ ব্যভিচাৰ হব, সমাজ ভাগি-ছিগি লোপহৈ যাব।"

"প্ৰত্যেক ঠাইতে গজগজীয়া সমাজ একোখন থাকোতে জানো ব্যভিচাৰ কম পৰিছে বা হোৱা নাই বুলি ভাবা মা? নোহোৱা হলে এইবোৰ মেল-মিটিং, মেল্‌কি আদিৰ কোনো আৱশ্যক নহলহেঁতেন। গতিকে যিবোৰ কাৰণত এনেবোৰ ঘটিবলৈ পাইছে তাৰ মূল কাৰণটো বিচাৰি উলিয়াই প্ৰতিকাৰ কৰিব নোৱাৰিলে এইবোৰ বাঢ়িহে যাব, নকমে। এতেকে প্ৰথমে সমাজ সংশোধন কৰাহে কৰ্ত্তব্য, নহয় জানো মা?" কল্যাণে সুধিছিল।

মাকে কল্যাণৰ যুক্তিৰ কোনো সদুত্তৰ বিচাৰি নাপাই কথাৰ মোখনি মাৰি কৈছিল "সেইবোৰ যাৰ কাম সেয়ে চিন্তা কৰিবহে

বাপ। আমি তাৰ কি বুজো? তাত আমাৰ হাত নাই। তই দুখে ভাগৰে আহিছ এতিয়া শুই থাক।"

মাকৰ 'তাত আমাৰ হাত নাই' কথাষাৰ আজিও কল্যাণৰ মনত পৰিল। সি ভাবিলে, কিন্তু কাৰ হাত আছে? সমাজ এখন সংস্কাৰ কৰাত মাক, সি আৰু এই লেখিয়া অসহায় মানুহ সকলৰ শক্তি সামৰ্থ্য নাই সঁচা কিন্তু তাৰ দেউতাক জানো এজন মুখিয়াল মানুহ নহয় আৰু তেওঁৰ সমান নহলেও আন কেবাজনো মেনৃকি আৰু জনাবুজা মানুহ গাঁওখনত আছে। আৰু লেখত পৰাৰ ভিতৰত আছে মুক্তাৰাম বেদান্তবাগীশ এই সকলো বিলাক অৱস্থাপন্ন মানুহ। এওঁবিলাক লগহৈ কৰিব নোৱাৰা কামতো একোৱেই নাই। তেনেহলে তেওঁলোকে কিয় তাকে নকৰে? সকলোৱে নিমাতহৈ থাকে কিয়? তাৰ মনটো বিৰাক্তহৈ উঠিল। আটাই বিলাকৰ ওপৰত খংটো দপ্ দপ্ কৰে জ্বলি উঠিল, মনটোৱে বিদ্ৰোহী ভাবলৈ মূৰ থিয় কৰিলে। কিন্তু নিৰুপায়, কৰবলৈ, বিদ্ৰোহ কৰিবলৈ বা গালি পাৰিবলৈ সমুখত কোনো নাই। সি গুৱাহাটীৰ পঁজা ঘৰত বহি চট্‌ফট্‌ ধৰফৰ কৰিছে।

মেচৰ আন মেম্বৰকেজন তেতিয়াও ঘৰৰ পৰা ওভতাৰ সময় হোৱা নাই। সেই ঘৰটোত তলা লগোৱা আছে। বখীয়া হিচাবে থকা মেচৰ একমাত্ৰ চাকৰ আৰু বান্ধনিৰ বাব খোৱা মানুহজনো খাই-বৈ দুৱাৰত তলা লগাই ওলাই গৈছে। কল্যাণৰ বাকচ আৰু বিচনাপত্ৰ ডাঙৰ ঘৰটোত থৈ গৈছিল। নিজৰ পঁজাৰ দুৱাৰ মেলি গুদা চালপীৰাখনত হাতৰ সুটকেচটোকে গাৰুৰূপে ব্যৱহাৰ কৰি দীঘল দি পৰি চাকৰ উভতি আহিব বুলি ভাবি

ৰাট চাই থাকোতে মনটো গোপালপুৰলৈ উভতি যোৱাত এইবোৰকে ভাবি বগৰাবাগৰি কৰি থাকোতে কিমান সময় উকলিল তাৰ গমকে নাপালে। ৰাতিপুৱা মাকে খুৱাই পঠোৱা এবাটি দৈ চিৰা কাহানিবাই পেটত পানী উঠি গৈছিল। তাৰ বাহিৰে কোনো বস্তুৱেই পেটত পৰা নাছিল। ভোকে-পিয়াহে তাক ৰৰকৈ কাতৰ কৰিছিল। তাৰ উপৰিও মনৰ অশান্তি, মূৰ গৰম আৰু স্নুটকেচক গাৰুকৰি শোওঁতে মূৰ আৰু ডিঙিৰ বিষে পীড়া কৰিছে। সকলো চিন্তা জোকাৰি পেলাই কল্যাণ উঠি বহিল। ঘামত চোলা তিতিছে, ভোকত পেটৰ নাড়ীয়ে কলমলাইছে, পিয়াহত অণ্ঠ-কণ্ঠ শুকাই তাক কাহিল কৰি পেলাইছে। পানী এগিলাচ পিবলৈ নিতান্ত আৱশ্যক লগতে গা ধুবলৈ পোৱা হলে বহুত পৰিমাণে স্নুস্থহে আৰাম পালে হয়তেন কিন্তু উপায় ক'তা? তেতিয়াহে তাৰ মনত পৰিল নৈখনৰ কথা। দুইতৰ পাৰতে তাৰ পঁজা ঘৰটোৰ কথা। ততালিকে উঠি স্নুটকেচৰ পৰা গামোচাখন উলিয়াইলৈ দুৱাৰত তলা লগাই সি নৈত গা ধুবলৈ গল। খৰধৰকৈ গাধুই নৈৰ পানী খাই যেতিয়া আকৌ পঁজাটো পালেহি তেতিয়া আবেলি চাৰি বাজিছে। মিছাকৈ চাৰিঘণ্টা সময় বাগৰি কটোৱা বাবে মনত অনুশোচনাও আহিল। চাকৰটো তেতিয়ালৈ ওভোতা নাই। ইপিনে পেটে বাৰুকৈয়ে বিদ্ৰোহ আৰম্ভ কৰিছে। গতিকে পলম নকৰি দুৱাৰত তলা লগাই হোটেলৰ বিচাৰি গল।

হোটেলৰাত পেট পূৰাই খাই পেটৰ পোৰণি কমিল, গাতো বল পালে কিন্তু মনৰ গধুৰ বোজাটো তেতিয়াও পাতল হোৱা নাই। কল্যাণে ভাবিলে, এতিয়া কি কৰা যায়? তেতিয়াই মনত পৰিল

ফুটবল আৰু পালোৱানী আখ্‌ৰাৰ কথা। মনতে ভাবিলে, কলেজ বন্ধ যেতিয়া খেলো বন্ধ গতিকে আখ্‌ৰালৈ যোৱাহে ভাল হ'ব। তাকে স্থিৰ কৰি বেগাই খোজ ললে। আখ্‌ৰাৰ ঠাই পাই দেখিলে তাতো কোনো নাই, হয়তো পালোৱান নিজ দেশলৈ গৈছে। উলটি খোজলৈ অলপ সময়ৰ পিছতে নৈৰ পাৰৰ আলি পাই উদ্দেশ্যবিহীন ভাবে বৰ বেগাই খোজ চলালে। বাটত কথা পাতি পলম কৰিবলৈ তাৰ কোনো বন্ধু-বান্ধৱ নাই আৰু নৈৰ ফালে চাই দৃশ্য উপভোগ কৰিবলৈও তাৰ মনৰ অৱস্থা নাই।

তেতিয়া পাঁচ বাজি গৈছে। কাতিমহীয়া বেলি কেতিয়াবাই মাৰ গল। সন্ধ্যাৰ আন্ধাৰে তেতিয়া চাৰিওফালে আগুৰি ধৰিছে কিন্তু বিজুলী চাকিৰ পোহৰত তাৰ নিজৰ গতিবেগ ৰাখি খোজ দিয়াত কোনো অসুবিধা নাই। চিপাহীয়ে কুইক মাৰ্চ কৰি যোৱাৰ নিচিনা আপোন মনেৰে গৈ ভৰলুমুখৰ ওচৰ পাওঁ পাওঁ— এনেতে পাছফালৰ পৰা বৰ বেগাই অহা ৰিক্স এখনে অনবৰত পেপা বজাই অহা তাৰ কানত পৰিল তাৰ ভিতৰৰ পৰা কোনোবাই কিবা চিঞৰি কৈ অহাও শুনিলে। কল্যাণ হঠাতে থিয় হল। ইতিমধ্যে ৰিক্স আগুৱাইছে। কল্যাণে বুজিলে তিৰোতাৰ মাত, অলপ বিকৃতহে ওলাইছে। সি ঘূৰি থিয়হৈ চালে। সি দেখিলে ৰিক্সত এজন ডেকা আৰু এজনী গাভৰু। ৰিক্সৱালাই তাৰ সকলো শক্তি প্ৰয়োগ কৰি ৰিক্স চলাইছে। ভিতৰৰ পৰা গাভৰুৱে বাৰে বাৰে চিঞৰি হুকুম দিলে ৰিক্স ৰখাবলৈ কিন্তু সি তাইৰ কথালৈ ভ্ৰূক্ষেপ নকৰি পাৰে মানে জোৰেৰে চলাই আছে…

বাটৰ মানুহ বিক্সাকে দূৰৰ পৰাই বাট এৰি দিছে। আলিৰ দাঁতিত থিয় হৈ থকা কেইজনমান ডেকাই দৃশ্যটো উপভোগ কৰি দাঁত উলিয়াই হাঁহিছে। হঠাৎ কল্যাণৰ হাত-ভৰিখনে আপোনা আপুনি সাজু হ'ল। সি মাজ আলিতে থিয়হৈ ফেৰ পাতিলে। বিক্সাৱালাই সমুখত বাধা দেখি বেগ কমাই কাষৰীয়াকৈ চলাই কল্যাণৰ দাঁতিৰে আগবাঢ়িব খুজিলে। কেৱল এক চেকেণ্ড মাত্ৰ কল্যাণে বাটচাব লাগিল। বিক্সা তাৰ ওচৰ পোৱাৰ লগে লগে থাপ মাৰি হেণ্ডেলত ধৰি ৰখাই কোনো কথা কোৱাৰ আগেয়ে বিক্সাৱালাৰ নাকত ঘোচাএটা মাৰিলে। অভাৱনীয় আক্ৰমণত সি পৰো পৰো হৈও নপৰি বিক্সৰ পৰা নামিবলৈ বাধ্য হ'ল। লগে লগে তাৰ গালত আৰু এঘোচা পৰিলত সি ভুখোজ পাছুৱাবলৈ বাধ্য হ'ল। হাত যোৰ কৰি সি কাকুতি কৰিলে "হুজুৰ, মোৰ গাত দোষ নাই। এই বাবুজীয়ে হামাক পাঁচ ৰুপৰা বকৃচিশ দিছে ঔৰ ৰাস্তামে ৰাখিবাৰ মানা কৰিছে···" বুলি বিক্সত বহি থকা ডেকাজনলৈ আঙুলিয়ালে।

"হয়নে ?" বুলি কল্যাণে বিক্সত চাহাবী পোছাক পিন্ধি বহি হাতত আধাপোৰা চিগাৰেট লৈ অবাকহৈ চাই থকা ডেকাৰ হাতত ধৰিলে। ইতিমধ্যে ডেকেৰীয়ে বিক্সৰ পৰা নামি চকুপানী মচিব ধৰিছিল।

ডেকাই গাজনি এটা মাৰিলে "ডেম্‌ইউ, বদমাচ গুণ্ডা, হাত এৰ, নহলে পুলিচত দিম।"

কল্যাণে হাত এৰি নিদি ব্যঙ্গ কৰি কলে "হয় নেকি ? পুলিচত দিবলৈ বহুত সময় পাবা। প্ৰথমে ঘটনাটো শুনো ব'বা।"

বুলি গাভৰুলৈ চাই কলে “ঘৰলৈ গৈ কান্দি থাকিবা। কি হৈছিল সোনকালে কোৱা ?”

কল্যাণৰ কৰ্কশ মাত শুনি ভয়তে তাইৰ চকুপানী বন্ধ হল। ইতিমধ্যে বাটকৰা মানুহ বিস্তৰ চাৰিওফালে জমা হৈছিল। কল্যাণে তাগিদ দিলে “সোনকালে কোৱা ?”

ডেকেৰীৰ কথা কব পৰা অৱস্থা নাছিল। কল্যাণৰ আদেশ শুনি কথমপি কেৰ্‌ঘেহাই উচ্চাৰণ কৰিলে “এওঁ মহিম। মোক চিনেমা দেখুৱাব বুলি লৈ আহিছিল কিন্তু বিস্তৰ চিনেমাৰ ফালে নগৈ এইফালে আহিব ধৰা দেখি মই সোধাত কৈছিল বোলে আজি এপাক ফুৰি আনন্দ উপভোগ কৰিব। কালিলৈ নিশ্চয় চিনেমা দেখুৱাব। সেইকথা শুনি মই বিস্তৰালাক বাৰে বাৰে...”

তাইৰ কথাত বাধা দি মহিমে কলে “কাৰ আগত কি কৈছা ? ছিঃ লাজ নালাগেনে ? চিনেমালৈকেই তো মই তোমাক নিব ধৰিছিলো। গুৱাহাটীতকৈ পাণ্ডুতহে আজি ভাল ছবি...”

“তাতোকৈ এইখনহে ভাল ছবি।” বুলি কল্যাণে গাৰ জোৰেৰে মহিমৰ গালত চৰ এটা মাৰিলে। নিৰুপায় মহিমে আজোৰ মাৰি কল্যাণৰ হাতৰ পৰা মুকলিহৈ বিপৰীত ফালে জাপমাৰি নামি পলাব ধৰোতে তাৰ গাত দৰ্শকৰ হাতৰ দুই এক চৰ চাপৰ-ঢকা পৰিল যদিও সি পলাই সাৰিল।

দৰ্শক বিলাকৰ ভিতৰত কোনোবাই বীৰ বসেৰে কৈছে “এৰি দিলা কিয়, ধৰা ধৰা, তাক মাৰিধৰি বান্ধি নি পুলিচক,...” আনফালে এজনে কৈছে, “তোমালোকে তাক ধৰি বান্ধিব নোৱাৰিলা, মই পোৱা হলে...” পাছৰ ফালে এজনে কৈছে

"তেওঁ হাতত ধৰি আছিল দেখিছে মই আগুৱাইগৈ নধৰিলো। মোৰ হাতত..." ডেকা এজনে লগৰীয়াৰ মুখলৈ চাই কৈছে "চিলাৰ মুখৰ পৰা সৰি বিলত পৰি এতিয়া ঘৰীয়ালৰ..." নতুনকৈ অহা পেটাল বাবু এজনে কৈছে "কিধৰ গয়া ডাকু, পাকৰাও, পুলিচ কাহা..." আন এজন ডেকাই কৈছে, "এতিয়া তাক মাৰিব কিয়? এই নাহোবোলা হেঁতেন সি জোৰ কৰি আনক..."

কল্যাণৰ কাণত দুই এটা মন্তব্য নপৰা নহয়। সি গাভৰুৰ হাতত ধৰি দৰ্শকৰ চক্ৰবেহুৰ বাজলৈ টানি আনি দীঘ বাৰ খোজ আহি হাত এৰি দি কঠিন মাতেৰে কলে "যোৱাগৈ এতিয়া।" বুলি নিজে উভতি খোজ ললে।

ডেকেৰীয়ে অভাৱনীয় ঘটনাত পৰি অভিভূত হৈ পৰিছিল। তাইৰ মনটো যেন অচেতন, বিমূঢ়। 'কিং কৰ্ত্তব্য বিমূঢ়' হৈ পৰিছিল। তাৰ কঢ়া আদেশ কাণত পৰাত তাৰ লগতে দুখোজ দি শেতা পৰা মুখখন ঘুৰাই ফেল্ ফেল্ কৰে তাৰ মুখলৈ চাই আজলীৰ দৰে সুধিলে "কলৈ যাম?"

প্ৰশ্ন শুনি কল্যাণৰ খংটোৱে মহিম আৰু বিস্ময়ভাৱৰ পৰা আহি ডেকেৰীৰ ওপৰত পৰিল। আগতকৈ কঠুৱা মাতেৰে কলে "কলৈ যোৱা মই কি জানো? য'লৈ ইচ্ছা তলৈ যোৱা। ঘৰলৈ নোযোৱা কিয়, তোমাৰ ঘৰ নাই নেকি?" সি নৰৈ দুই এখোজকৈ দি থাকিল।

তেতিয়াহে ডেকেৰীয়ে সম্বিত ঘূৰাই পাই কান্দোন মুৱাহৈ কলে "ওঁ...আছে ঘ-ৰ পিছে," বুলি ঢোক গিলি অসহায় ভাবে কল্যাণৰ মুখলৈ চাই কলে "যাওঁ...মানে অকলে কেনেকৈ

…" বুলি ডিঙিলৈ উঠি অহা সোপাটো ঢোক গিলি তললৈ নমাই ওলাব খোজা কান্দোনটো বৰ চেষ্টাৰে বন্ধ কৰি কলে "বাতিও হল…যাবও লাগিব বহুত…"

কল্যাণৰ মনত উষ্মা। তাইৰ ফালে সি এবাৰো চকু ঘূৰোৱা নাই। গাভৰুৱে লগ নেৰি তাৰ লগতে খোজ দিছে। তাইৰ অসংলগ্ন কথাবোৰ তাৰ কাণত পৰাত নাকেৰে 'হুঃ' বুলি উচ্চাৰণ ক'ৰি মুখ ঘূৰাই ভেতিয়াহে তাইৰ ফালে চাই তাইৰ সাজ পাৰ, ৰূপ-লাৱণ্য দেখি মনৰ খং চৰি মুখখন কঠিন কৰি কলে "অকলে যাব নোৱাৰা যদিনো ঘৰৰ পৰা বাহিৰ হৈছিলা কিয়? ক'ৰবাৰ বদমাচ এটাৰ লগত প্ৰলোভনত পৰি কিয় ঘৰৰ বাজ হৈছিলা? পৰৰ পইচাত চিনেমা চোৱাৰ চখ্…" অলপৰৈ আকৌ তাইৰ ফালে এবাৰ নিৰীক্ষণ কৰি কলে "ইপিনে বাটৰ মানুহ বলিয়া কৰা প্ৰসাধণৰ সৌৰভ বিলাইছা, পৰিধানৰ দেৱাঙ্গ ভূষণ সাজপাৰে উৰ্ব্বশী-মেনকাকো চেৰ পেলাইছে, ভৰিত ফেন্সী চপ্পল, হাতত ওলমিছে ধুনীয়া মোনা নে বেগ নাম নাজানো। এনেকুৱা প্ৰগতিৰ পৰ্ব্বতৰ কাঞ্চন-জঙ্ঘাত উঠি অকলে ঘৰলৈ যাব নোৱাৰা বুলি কলে কোনে পতিয়াব…খোজ কাঢ়িব নোৱাৰা যদি বিক্সাত উঠি যোৱা, মই আহিলো।" বুলিকৈ বেগ বঢ়াই দিলে।

কল্যাণৰ প্ৰত্যেক বাকাবাণে গাভৰুৰ বুকুত যেন এপাতকৈ শেলহে হানিলে। খণ্ডে-চুলিৰ আগ পালে। এনেকুৱা কথা তাই জীৱনত এয়া প্ৰথমবাৰলৈ শুনিলে। ইমান সাহস। চকুযুৰি এবাৰ দপ কৰে জলি উঠিল, পাৰিলে যেন তাক পুৰি মাৰিলে হেঁতেন কিন্তু জুই নজ্বলিল সিও দগ্ধ নহল তাৰ সলনি সি কেইখোজমান

আগুৱাই গল। প্ৰতিশোধ লোৱাৰ উপায় নাই। তাই থিতাতে থিয় হৈছিল····এনেকুৱা অভদ্ৰৰ লগত কোনোবা অভিজাত অভিমানিণী ভদ্ৰ মহিলা যাব পাৰে নেকি? তাই তলৰ ওঠটো দাঁতেৰে কামুৰি ধৰি তেজ ওলাব লগীয়া কৰিলে। কল্যাণ ছুটাঁৰমান আগুৱাই গল, এবাৰো তাইলৈ ঘূৰি নাচালে। মাজ বাটত তাইৰ অসহায় অৱস্থাটোলৈ হঠাৎ মনত পৰি তাই তাৰ ওচৰলৈ লৰ মাৰিলে। তাৰ সমুখত থিয়হৈ তাই থোকাথুকি মাতেৰে কলে "আপুনি মোক আগবঢ়াই ঘৰত থৈ যাব লাগিব।" • তাই সকৰ পৰাই অনুৰোধ কৰি কথা কব নাজানে। চিৰকলীয়া অভ্যাস মতে কোৱা কথাষাৰ দাবীৰ দৰে কল্যাণৰ কাণত লাগিল।

মনৰ পৰা সকলো চিন্তা মচি পেলাবলৈ কল্যাণে গাওঁৰ পৰা গুচি আহিল যদিও মনৰ গধুৰ বোজাটো নকমি বাঢ়িছিলহে। পুৱা ঘৰৰ পৰা ওলোৱাৰ পিছত কাৰো লগত একাষাৰ কথাও পাতিবলৈ সুযোগ নোপাৱাত মনৰ জুইতো মুহুমালেই বৰং মনটো আগতকৈও বিৰাক্ত হৈহে পৰিছিল। তাতে আকৌ বৰ্ত্তমান ঘটনাই ফোৰণ দিয়াত সি অধৈৰ্য্যহৈ পৰিছিল। গাভৰুৰ কথা শুনি বিৰক্ত ভাবে উচ্চাৰণ কৰিলে "কি আপদ ·····"

এইবাৰ ডেকেৰীৰ মন তিতি-বুৰি জুকলা। আপোনা আপুনি প্ৰাৰ্থনাৰ সুৰত কথা ওলাল "আপদ হলেও নিৰুপায় সচাঁকৈ কৈছো, মই অকলে যাব নোৱাৰো, মহিমে আকৌ লগ ধৰিব··· কাবৌ কৰিছো, আপুনি মোক আমাৰ ঘৰত···"

কল্যাণৰ মনটো কুমলিল সি কোমল সুৰত কলে "বোলো

অচিনাকি ডেকা এজনৰ লগত কোন সাহেবে যাব খোজে৷? মই ৰিক্স এখন মাতি দিওঁ তাতে উঠি নিৰ্ভয়ে ষোৱাগৈ।"

ডেকেৰীয়ে কলে "অচিনাকি হলেও আপোনাৰ লগত যাবলৈ মোৰ কোনো ভয়েই নাই। অকলে যোৱা দেখিলে মহিমে নিশ্চয় বাটতে..."

মহিমৰ নাম শুনি কল্যাণৰ মনৰ খুমাৰ খোজা খংটো আকৌ জ্বলি উঠিল। তাইৰ আশঙ্কা অমূলক নহয়। এনেকুৱা বদমাচ্-লম্পট-গুণ্ডাবোৰ বিশ্বাসঘাতক আৰু কাপুৰুষ হলেও চোৰাংকৈ কৰিব নোৱাৰা কোনো জঘন্য কাম নাই। কল্যাণে নিমাতহৈ থাকি ডেকেৰীৰ অনুৰোধত সম্মতি দিলে। ছুই এখোজ আগবাঢ়িল, এনেতে খালি ৰিক্স এখন যাব ধৰা দেখি তাই হাত দাঙিলে। ৰিক্সখন ওচৰত ৰোৱাত কল্যাণে উঠিবলৈ ইতস্ততঃ কৰা দেখি তাই ভাবিলে যে তাই প্ৰথমে উঠি বহিলে সি হয়তো পলাবও পাৰে। গতিকে তায়েই উদ্যোগীহৈ তাৰ হাতত ধৰি ৰিক্সত প্ৰথমে তুলি দি পাছত নিজে উঠি বহি ৰিক্সাৱালাক গন্তব্য স্থানৰ কথা কোৱাত সি ৰিক্স চলাই দিলে।

কল্যাণৰ-জীৱনত এনেকুৱা গাভৰু এগৰাকীৰ সান্নিধ্য লাভ কৰা এয়ে প্ৰথম। কবলৈ হলে গুৱাহাটীলৈ অহাৰ-ছমাহ হৈছে যদিও ৰিক্সত উঠিবলৈ আজিলৈকে তাৰ কোনো আৱশ্যক হোৱা নাছিল। গাভৰুৰ লগত গাতে গা লগাই ৰিক্সত বহাৰ কথাতো সি সপোনতো কল্পনা কৰিব পৰা নাছিল। কিন্তু হঠাতে অভাৱনীয়-ৰূপে সেয়ে ঘটি উঠাত তাৰ মনৰ বীৰৰস তেতিয়াই লোপ পালে। ৰিক্সৰ অকণমান গাদীখনত পাৰে মানে একাষৰীয়াহৈ বহিল যদিও

পূৰৰ সমূলি বজাই ৰাখিব নোৱাৰিলে। কিন্তু চলিব ধৰাৰ লগে লগে গাত লগা প্ৰতিটো স্পৰ্শই যেন তাৰ গাত একো চলুকৈ পানীহে চটিয়াই দিছে। নিৰুপায়হে কোনোমতে সময়কণ কটাই দিব পাৰিলেই ৰক্ষা বুলি ভাবি সি ধৰি অনা বান্দৰৰ দৰে বহি সমুখলৈ চাই থাকিল। গাভৰুৰ প্ৰথম সংস্পৰ্শত উঠা নিজৰ মনৰ শিহৰণ, আৰু তাইৰ প্ৰসাধণৰ সৌৰভে সৃষ্টি কৰা মাদকতাতকৈ নিজৰ লজ্জা-বিনম্ৰ মনৰ অসহায় অনুভূতিটোহে প্ৰবল হোৱাত পীড়া-দায়কহে উঠিল।

উভয়ে নিমাত। গাভৰুৰ মনত অপমানৰ গ্লানি আৰু অনুশোচনাৰ অগনি। লাজতে মূৰটো আপোনা আপুনি দোঁ খাইছে। ইপিনে পেটে পেটে উভয়ে উভয়ৰ পৰিচয় পাবলৈও ব্যাকুল। অলপ পিছত নিজৰ কৰ্ত্তব্য বুলি ভাবি গাভৰুৱেই মৌনতা ভঙ্গ কৰি কথা কলে "আপোনাৰ সহায়ৰ বাবে মই নথৈ কৃতজ্ঞ হৈ আপোনাক ধন্যবাদ জনাইছো। আকৌ এবাৰ কষ্ট দিয়াৰ ভাবে ক্ষমা কৰিব দেই।"

তাইৰ কথা শুনি কল্যাণৰ বৰ্ত্তমানে শীতল হোৱা মনত সুবুদ্ধি ওপজি কলে "মই খণ্ডতে যদি আপোনাক অশিষ্ট ব্যৱহাৰ কৰি মনত কষ্ট দিছো তেনেহলে মোকহে ক্ষমা কৰিব। মনত যেন বেয়া ভাব নাৰাখে।"

"বেয়া ভাব?" বুলি সেপ ঢুকি তাই কলে "বেয়া ভাব ৰাখিব লগীয়া কোনো কামতো আপুনি কৰা নাই। আপুনি মোৰ উদ্ধাৰ কৰ্ত্তা, বিপদত উপযাচি যি সহায় কৰিলে তাৰবাবে মই..."

তাইৰ কথাৰ মাজতে বাধা দি সি কলে "মোৰ কৰ্ত্তব্য মই কৰিছো, ইমানেই।"

তাই কৃতজ্ঞ চিত্তেৰে কলে "আপুনি মোৰ উদ্ধাৰ কৰ্ত্তা, তদুপৰি বয়সতো ডাঙৰ। গতিকে অলপ আগেয়ে কোৱাৰ দৰে তুমি তামাকৈ কথা কওক। মোৰ নাম মাধুৰী, আপুনি মোক সেই নামেৰে..."

কল্যাণে কলে "বেছ সেয়ে হব। পিছে কোৱাচোন তোমাক ফাঁকিদি নিয়া বিশ্বাসঘাতক কাপুৰুষ বদমাচজন কোন? তাৰ পৰিচয় মোক লাগে। সি তোমাৰ কি হয়?"

এই প্ৰশ্নটো কল্যাণে সুধিব বুলি মাধুৰীয়ে পেটে পেটে আশঙ্কা কৰিছিল। তাৰ মুখৰ পৰা প্ৰশ্নটো ওলোৱাৰ লগে লগে তাই মনত বৰ অস্বস্তি অনুভৱ কৰিলে। এবাৰ কল্যাণৰ মুখলৈ চালে। তাৰ দৃষ্টি সমুখৰ ফালে, দূৰলৈ...ডাল নথকা আলিটোৰ যিমান দূৰলৈ দেখা যায় সিমান দূৰলৈ মাজে মাজে বিদ্ৰূপ কৰি হাঁহি থকা বিজুলী চাকিবোৰৰ লগতে কল্যাণৰো এইটো বিদ্ৰূপৰ হাঁহিৰ দৰেই তাইৰ অন্তৰত খুন্দা মাৰিলে। তাই মুখ ঘুৰাই নৈৰ ফাললৈ চালে। আন্ধাৰৰ লগত নৈৰ পানীও অস্পষ্ট—ধোঁৱা বৰণীয়া লাগিল। মনটো কুঁৱলীয়ে ঢাকি ধৰিলে। উত্তৰ নিদিয়াকৈও থাকিব নোৱাৰে। শুকান ওঁঠদুটা চেলেকি তললৈকে কলে "তেওঁ...মানে তেওঁৰ নাম মহি...মৃ..."

'হুঁ' বুলি নাকেৰে উচ্চাৰণ কৰি কল্যাণে নিৰ্ব্বিকাৰ ভাবে সমুখলৈ চাই ৰহি থাকিল দেখি মাধুৰীয়ে তাৰ মুখলৈ চালে কিন্তু সি নিমাতহৈ একে ৰকমে থকা দেখি তাই ভাবিলে যে তাৰ প্ৰশ্নৰ

সম্পূৰ্ণ উত্তৰ দিয়া হোৱা নাই। সঁচা উত্তৰ দিব লাগিলে কবলৈ বাধ্য হব লাগে যে মহিম তাইৰ একো নহয়। কিন্তু এই সাধাৰণ কথাষাৰ উচ্চাৰণ কৰিবলৈ তাই টান পালে। সঁচা কথা এষাৰ কবলৈ যে ইমান বিপদত পৰিব লাগে তাক মাধুৰীয়ে আজিহে মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিব পাৰিলে। যদি সঁচা উত্তৰটো দিয়া যায় তাকে শুনি সি পুনৰ কি প্ৰশ্ন কৰিব পাৰে সেই কথা অনুমান কৰিব পাৰি লাজতে তাইৰ মাটিৰ তলত লুকাবলৈ ইচ্ছা হল। অথচ মহিমৰ লগত অবাধে চিনেমা চাবলৈ যোৱাটো যে তাইৰ পক্ষে গৰ্হিত কাম হোৱা নাছিল সেই কথা তাই ভালকৈ জানে কিন্তু একে আষাৰতে কল্যাণক বুজাই দিয়া অসম্ভৱ। ইপিনে তাৰ নিৰ্ব্বিকাৰ নীৰবতাই তাইক কন্দুৱাব লগীয়া কৰিলে। বাধা নথকা হলে নিশ্চয় কান্দিলেহেঁতেন। নিজৰ ওঁঠটো জোৰেৰে কামুৰি ধৰিলে কিন্তু সেইদৰে বেছি পৰলৈ ৰব নোৱাৰি অগত্যা আকৌ মাত উলিয়ালে "মানে···আমি তেওঁক মহিমদা···দাদা বুলি মাতো। সদায় আমাৰ ঘৰলৈ আহ-যাহ, খোৱা-বোৱা, ফুৰা-চকা···"

ইমান খিনিলৈ শুনি কল্যাণৰ নাকেৰে আকৌ এবাৰলৈ 'হু' উচ্চাৰিত হল। তাকে শুনি তাই ভিতৰি ভিতৰি ক্ষিপ্তহে উঠিল। 'হু' শব্দটোৰ সলনি সি কিবা এটা মন্তব্য, কিবা এটা অভিযোগ, নাইবা ধুষাৰ গালিকে পৰা হলেও তাই প্ৰতিবাদ কৰিবলৈ সুযোগ পালেহেঁতেন। ভেটিয়া আচল কথাটো বাখ্যা কৰি তাক বুজাই দিবও পাৰিলেহেঁতেন। অথচ সি তাকে নকৰি বাৰে বাৰে কি ভাবি বা 'হু' উচ্চাৰণ কৰে তাকে বুজিব নোৱাৰি তাৰ এই বিদ্ৰূপ

উচ্চাৰণ—যাক তাই বিদ্ৰূপ কৰা বুলিয়ে ভাবি লৈছে—শুনি অপৰাধিণীৰ দৰে মানিলৈ নিশ্চেষ্টহৈ থাকিবলৈ বাধ্য হৈছে।

বিক্সা চলিছে, মাজে সময়ে দুই এবাৰ পেঁপা বজাইছে। উভয়ে অলপ সময়লৈ নিমাতহৈ থাকিল। কল্যাণ নিমাতহৈ থাকিব পাৰে যদিও মাধুৰীয়ে মনত অস্বস্তি বোধ কৰি উচ্‌পিচ্‌ কৰি ভাবিলে 'এনে বিপদতো মানুহ পৰে।' নিমাতহৈ থাকিব নোৱাৰি অগত্যা তায়েই সুধিলে "আপুনি একোকে নামাতে দেখোন ?"

কল্যাণে তাৰ প্ৰশ্নৰ সৰল উত্তৰ নোপোৱাত তাৰ মনটো টেঙা হৈছিল। গম্ভীৰ ভাবে কলে "মাতিবলৈ কিটো আছে ?"

মাধুৰীয়ে কল্যাণৰ মনোভাব বুজিবলৈ অকণো পলম নালাগিল। মনত অসহ্য বোধ কৰিলে, তাৰ ওচৰৰ পৰা পলাব পৰা হেঁতেন…কিন্তু নিৰুপায়। আগৰ কথা তল পেলাবলৈ তাই তাৰ মুখলৈ চাই সুধিলে "অনুগ্ৰহ কৰি আপোনাৰ পৰিচয়…"

"কোনো আৱশ্যক নকৰে।"

তাই একেথিৰে তাৰ মুখলৈ চাই আছিল। সি খন্তেকলৈও তাইৰ ফালে চকু ঘূৰোৱা নাই, তাৰ দৃষ্টি সমুখৰ ফালে। তাই আচৰিত হল,…অতি আচৰিত হ'ল। তাৰ নিচিনা ডেকা এজনে তাইক ইমান অগ্ৰাহ্য কৰিব পাৰে বুলি তাইৰ এয়ে প্ৰথম অভিজ্ঞতা হল। তাতকৈ কিমান ৰূপে-গুণে, মাতে-কথাই, সাজে-পোছাকে উন্নত ডেকা তাইৰ স্তাৱক। চাটুকাৰী কৰি তাইক আকাশত তুলি থয়। তাইৰ এষাৰ প্ৰিয়বাক্য, এটা চাৱনি নাইবা এটা মিঠাহাঁহি পালেও সিহঁত কৃতজ্ঞভাবে উপচি পৰে, দুই এজনে যেন তাইক মূৰত তুলি নাচিবলৈও সাজু। অথচ এই গাঁৱলীয়া সাজপাৰেৰে হৃষ্ট-পুষ্ট

বলিষ্ঠ নিৰ্ভীক ডেকাজনে তাইক ইমান অৱজ্ঞা কৰিব পাৰে? তাইৰ অন্তৰত চাটিফুটি লাগিল। শুনাই দিবনেকি কেইষাৰ মান ভালকৈ? নাই নোৱাৰে, সি তাইৰ বিপদত অযাচিত সহায় কৰোতা—তাইৰ উদ্ধাৰ কৰ্ত্তা। সি যিমানেই অভদ্ৰ আৰু দাম্ভিক নহওক তাৰ প্ৰতি তাই কৃতজ্ঞ। তাইৰ মনৰ দম্ভ-মান-অহংকাৰ তাৰ ওচৰত লোপ পালে। তাই কোমল কণ্ঠেৰে কাকুতি কৰিলে "অনুগ্ৰহ কৰি আপোনাৰ নামটো…?"

কল্যাণৰ সংক্ষিপ্ত উত্তৰ ওলাল "নাজানিলেও কোনো লোকচান নহয়।"

"মোক যিজনে বিপদত উদ্ধাৰ কৰি ৰক্ষা কৰিলে তেনেকুৱা মহানজনৰ নামটোকো নজনাকৈ থাকিব পাৰোনে? আপোনাক কাবৌ কৰিছো, পৰিচয় দিয়ক।"

নিৰ্ব্বিকাৰ ভাবেৰে কল্যাণে উত্তৰ দিলে…"মোৰ নাম কল্যাণ।"

ইতিমধ্যে ৰিক্স মাধুৰীহঁতৰ পদূলিৰ ওচৰ পাইছিল। তাই পদুলিলৈ আঙুলিয়াই ৰিক্স ৰখাৰলৈ দি কল্যাণক কলে "এইটো আমাৰ ঘৰ। আপুনিও অনুগ্ৰহ কৰি নামি আহক, এপিয়লা চাহ খাইহে যাব পাৰিব।"

ইমান সময় কল্যাণে আশালতা আৰু মাধুৰী দুয়োজনীৰে মনৰ গৰ্ব্বৰ কথাকে ভাবি পেটে পেটে উত্তপ্তহে উঠিছিল। আশালতাই তাৰ চিৰদিনীয়া চেনেহ, উপকাৰ সকলো পাহৰি তাৰ উপদেশ-অনুৰোধ সকলো নেওচি গৰ্ব্ব ভাবে তাৰ ঘৰৰ নিৰাপদ আশ্ৰয়কো এৰি গুচি যাব পাৰিলে। আৰু এই মাধুৰী? তাই কৰবাৰ কোনোবা মহিম এজনৰ কুলপ্ৰদীপ, বিনা পইচাৰে চিনেমা চোৱাৰ

লোভত তাৰ লগত অবাধে গৈ নিজৰ বিপদ মাতি আনি অসহায় আৰ্ত্তনাদেৰে বাটকৰাৰ কাণ জলাকলা কৰিছিল। সি নিজৰ বিপদলৈ নাভাবি অকল উদ্ধাৰ কৰায়েই নহয়। নিৰাপদে তাইৰ ঘৰত থৈ যাবলৈ আহিছে অথচ তাই তাৰ প্ৰশ্নটোৰ সহজ সৰল উত্তৰ নিদি চালে-বেৰে কোবালে। ইয়াক মদগৰ্ব্ব নুবুলি কি বুলিব? মাজতে তাৰ ইচ্ছা হৈছিল যে সকতে আশালতাক শাসন কৰাৰ দৰে মাধুৰীৰ গালত দুই চৰ বহুৱাই দিয়ে কিন্তু সেই ভাব দমন কৰিলে। তাৰ বিৰূপ মনৰ উষ্মা মাধুৰীৰ কাতৰ অনুৰোধে বঢ়ালেহে। তাইৰ ফালে নাচাই, তাইৰ কথালৈ আওকাণ কৰি কঠুৱা মাতেৰে বিক্সৱালাক আদেশ দিলে "হেই বিক্সৱালা চলো ••"

আকৌ এটা আঘাত। মাধুৰীৰ মুখৰ ৰং কেঁহবাজৰ বস যেন হল। বিক্সৱালালৈ চাই কলে "অলপ ৰ'। মই ঘৰৰ পৰা পইচা আনি দিওঁ।" কল্যাণলৈ চাই হাতযোৰ কৰাৰ দৰে কলে "আপোনাক বহুত কষ্ট দিলো, ক্ষমা কৰিব। দয়াকৰি এবাৰ আমাৰ ঘৰলৈ…"

মুখৰ কথা কাঢ়ি নি কল্যাণে কলে "এতিয়া ইমান ভদ্ৰতা নেদেখুৱালেও হব। এই ডেকৰী বিলাক শাৰীৰিক অবলা হলেও মদগৰ্ব্বিত হিমালয়•• চলো বিক্সৱালা।" তাৰ নিজৰ মাতটো নিজৰ কাণতে বিকৃত শুনালে।

মাধুৰীৰ মুখত আগৰ পৰা বিক্স আঁতৰি গল। তাইৰ দৃষ্টিও বিক্সৰ পাছে পাছে অনুসৰণ কৰি গল। বিক্স নেদেখাহে যোৱাতো তাই সেইফাললৈ একেদৰে চাই থাকিল। তাইৰ চকুত

অগনি; অন্তৰত পৰাজয়ৰ গ্লানি, মন অচেতন, মূৰত বজ্রপাত হোৱাৰ দৰে খিতাতে থিয়হৈ থাকিল, অলৰ—অচল। আকৌ এবাৰ তলৰ ওঠটো কামুৰি ধৰিলে। এইবাৰ কোমল ওঠটো ফাটি তেজ ওলাল। কিমানবোৰ সুদৰ্শন ডেকাই তাইক অযাচিত মৰম দেখুৱাবলৈ আহি, প্রকাৰান্তৰে প্রণয় নিবেদন কৰি তাইৰ দ্বাৰা নির্য্যাতিত হৈও আশা এৰি নিদি তাইৰ মুখৰ সুমিষ্ট সম্ভাষণ এবাৰ পাবলৈ বঙা ওঠৰ সুমধুৰ হাঁহি এটা দেখিবলৈ, চকুৰ কটাক্ষ এটা পাই কৃতাৰ্থ হবলৈ লালায়িত হৈ থাকে অথচ এই কল্যাণ নাম কোৱা সাধাৰণ হজুৱা দাম্ভিক ডেকাটোৱে তাইক অপমান কৰিবলৈ সাহস কৰিলে। এনেকুৱা দাম্ভিক ডেকাৰ সাক্ষাত আৰু তাইৰ জীৱনত পৰাজয় এয়ে প্রথম। আজিৰ দিনটো তাইৰ ঘোৰ দুর্য্যোগৰ দিন বুলি বিশ্বাস হল।

এইদৰে আপোন পাহৰাহৈ একে ঠাইতে থিয়হৈ ভাবি চিন্তি তাই হয়তো আৰু বহুত সময়লৈ থাকিলেহেঁতেন কিন্তু তাইৰ মাকৰ বাবে ভাবৰ সমাধি ভঙ্গ হল। মাকে ড্ৰয়িং ৰুমত বহি ৰেডিওৰ গান শুনি থাকোতে তাই অহা খিড়কীৰে দেখিছিল। গান বন্ধ হোৱাৰ পিছতো তাই নহা দেখি চাই দেখিলে যে তাই নওলাতে থিয়হৈ ৰৈ আছে। লগত নাইবা ওচৰতো কোনো নাই মাকে বাৰাণ্ডালৈ ওলাই মাতিলে কিন্তু সেইমাত তাইৰ কাণত নোসোমাল। তেতিয়া মাকে নিজে নওলালৈ গৈ সুধিলে "ইমান পৰে কিয় ইয়াতে থিয়হৈ আছ, কাক বাটচাইছ মাধু?"

মাকৰ মাত শুনি মাধুৰীয়ে বাহ্যজ্ঞান ফিৰাই পালে। কোনো উত্তৰ নিদি মাকৰ কাষেৰে লৰিগৈ গোনেই ড্ৰয়িং ৰুমৰ চোফা

এখনত ধপহ কৰে বহি পৰিল। চকুৰ পানী ছুৱো গালেৰে বৈ যাবলৈ ধৰিলে। মাকে তাইৰ আচৰণ দেখি বেগাবেগিকৈ আহি তাইৰ ওচৰতে বহি এবাৰ ভালকৈ চকু ফুৰাই চালে। কোনো কথা বুজিব নোৱাৰি উত্ত্ৰাৱলহৈ সুধিলে "কি হৈছে মাধু? ক সোনকালে, কান্দিছ কিয় আই, নকৰ কেনেই,···কি হল?"

মাকৰ আদৰৰ মাত শুনি মাধুৰীয়ে প্ৰথমে আৰু জোৰেৰে কান্দিলে। শোকৰ বেগটো অলপ শাম কটাত কান্দোন কমিল। মাকে ইতিমধ্যে তাইৰ মূৰটো বুকুৰ মাজত সাৱটি ধৰি আচলেৰে চকুপানীবোৰ মচি দিলে। তাইৰ চকুপানী শুকাল, মাকৰ বুকুৰ মাজৰ পৰা মূৰটো আনি পোনহৈ বহিল। তাৰ পিছত অগ্নিবৰ্ষী মূৰ্ত্তি ধৰি প্ৰথমে এবাৰ কটু ভাষাৰে মহিমক গালি পাৰিলে।

মাকে আচৰিতহৈ কলে "মহিম? মহিম ক'তা? সিও লগতে আহিছে যদি কলৈ গল?"

মূৰটো পোন কৰি খঙেৰে মাকৰ মুখলৈ চাই মাধুৰীয়ে জেকাহি মাৰি কলে "মহিম ক'তা? আহিব সি আকৌ মোৰ আগলৈ? এই জোতাৰে তাক নোকোবাওঁ যদি চাবা···"

মাকে অবাকহৈ মাধুৰীৰ মুখলৈ চাই কলে "উৱা! কি হৈছে? কি কৈছে মহিমে, কি কৰিলে··· ?"

"কি কৰিলে?" বুলি গাজনি মাৰি মাধুৰীয়ে কলে "কি কবা নাই তোমাৰ আদৰৰ ছুৱাখোৱা কুকুৰে? আহকচোন এবাৰ, তাক তোমাৰ আগতে কি কৰো চাবা।" বুলি মহিমে কু-অভিসন্ধি কৰি তাইক নি ঠেকত পেলাই ক'ৰবালৈ লৈ যাব ধৰা কথা আৰু

নানান দুৰ্ব্যৱহাৰ কৰা বুলিও তিলকে তাল কৰি বৰ্ণাই আকৌ গালি পাৰিলে। তাৰ পিছত কলে কল্যাণে উদ্ধাৰ কৰি ঘৰত আগবঢ়াই থৈ যোৱাৰ কথা।

মাকে মহিমৰ সকলো দোষ ক্ষমাৰ উকৰাই দিবলৈ কলে "তই মিছাকৈ খং খাইছ মাধু। মহিমৰ কিজানি বেয়া উদ্দেশ্য নাছিল। সি পাক এটা মাৰি ঘূৰি আহিবৰ সময়ত চিনেমা দেখুৱাই আনিলে হেতেন। তই কিবা এটা ভাবি অধৈৰ্য্যহে বাটৰ মানুহক হঁহুৱাব পাৱনে ?"

"মনে মনে থাকা মা।" মাধুৰীয়ে ভেকাহি মাৰি কলে তোমাৰ আদৰৰ লাড়ুৱে দোষ কৰিব নোৱাৰে, মোৰহে দোষ, হয়নে ? তাৰ কুকৰ্ম্মৰ কথা শুনিও মোক বিশ্বাস নকৰি তাক সমৰ্থন কৰিলা ? মহিমক মূৰত তুলিলৈ নাচাগৈ যোৱা। ফুৰিবলৈ যদি যায় ইয়াতে নকলে কিয় ? বিক্সাৱালাক আগধৰি পাঁচটকা বকচিশ্‌ দি কিয় বাটত ৰখাবলৈ মানা কৰিছিল, আৰু মই ৰখাবলৈ চিঞৰাত কিয় তাক জোৰে চলাই থাকিবলৈ কৈছিল ? কল্যাণে সোধাত কিয় পাণ্ডুলৈ যাওঁ বুলি কৈছিল আৰু কল্যাণৰ চৰ খাই কিয় সি কাপুৰুষৰ দৰে পলাই গল ?"

মাধুৰীৰ কথাত প্ৰতিবাদ কৰিবলৈ মাকে ঠাই নাপালে। মাকে বুজিলে যে ঘটনা কিবা গুৰুতৰহে পৰিছে। পেটে পেটে ভয় হল কিজানি মাধুৰীয়ে তাইৰ কোনোবা বন্ধুৰ দ্বাৰা মহিমক অপমানহে কৰিলে। আতিগুৰি নাজানি কল্যাণক তালৈ কেনেকৈ মাতি নিলে জানিবলৈ সুধিলে "কল্যাণ নো কোন ? মহিমক সি মাৰিবলৈ সাহ কৰিলে ? কেনেকৈ সি তাত ওলাইছিলগৈ ?"

কল্যাণৰ বিষয়ে প্ৰশ্ন কৰাত মাধুৰীৰ সুৰটো সপ্তমৰ পৰা নামি গান্ধাৰলৈ আহিল। মাধুৰীৰ চিঞৰ শুনি বাটতে কল্যাণে বাধা দিয়াৰ পৰা আৰম্ভ কৰি মাজ বাটৰ ব্যঙ্গোক্তি আৰু পদূলি মুখত কৰি যোৱা কটূক্তিৰ কথাও বাদ নিদিয়াকৈ সকলো কথা বিবৰি কলে।

সকলো কথা মনোযোগেৰে শুনি মাকে সুধিলে "কিন্তু কোন এই কল্যাণ?"

আকৌ খং চৰি মাধুৰীয়ে উত্তৰ দিলে "মই কেনেকৈ কম? সি এজন হুজুৰা-হৃষ্ট পুষ্ট-বলিষ্ঠ-দাম্ভিক-উগ্ৰসাহসী ডেকা, শুনিলানে? বিস্তৃত বহু সাধ্য-সাধনাৰ পিছত কৃপা কৰি কৈছিল বোলে তাৰ নাম কল্যাণ… ।"

এনেতে সমৰ নামেৰে মনে-মনে মাধুৰীৰ কৃপাপ্ৰাৰ্থী, স্কাৰক ডেকা বন্ধু এজন সোমাই আহিল। তাৰ পৰিধানত লং পেণ্ট, গাত হাৱাইন শ্বাৰ্ট আৰু মুখত চিগাৰেট। মাধুৰীৰ মাকক দেখি মুখৰ চিগাৰেট হাতত লৈ আঙুলিৰে টিপি মুমাই জেপত থলে। মাধুৰীয়ে উচ্চাৰণ কৰা 'কল্যাণ' নামটো বাৰাণ্ডাৰ পৰা সি শুনিছিল। আগ্ৰহেৰে সুধিলে "কোন কল্যাণৰ কথা কৈছাহে মাধু?"

মাধুৰীয়ে অলপ খঙেৰে উচ্চাৰণ কৰিলে 'আহিল নহয়, উৰহীৰ ওৰ বিচাৰিবলৈ আকৌ এজন ম-স্ম…"

মুখৰ কথা কাঢ়ি নি মাকে কলে 'তই মনে মনে থাক মাধু।" সমৰলৈ চাই তেওঁ কলে "বহু বোপা, কল্যাণক এয়ো নিচিনে। এই মহিমৰ সৈতে চিনেমালৈ গৈছিল, পিছে হঠাতে ক'ৰবালৈ যাব লগীয়া হোৱাত তাৰ লগত…"

মাধুৰীয়ে গাজনি মাৰি কলে "ভেনেই মিছা কথা। এমথামান বাটকৰাৰ আগত কল্যাণে মহিমৰ গালত ধনঞ্জয় চৰ বহুৱাই…"

"মোক কবলৈ দে মাধু।" বুলি মাকে চকুৰ টিপতে তাইক শাসন কৰি সমবলৈ চাই কলে "কোনোবা কল্যাণ নামৰ ল'ৰা এটাৰ লগত এই ঘৰলৈ আহিল। তাক এয়ো হেনো নিচিনে আৰু আমাৰ ঘৰলৈ আহিবলৈ এই মতাতো হেনো নাহি পঢ়ুলিৰ পৰাই গুচি গল। ক'ৰ·বা চেৰা বলিয়া এটাৰ লগত আহিছিল। সেই নামৰ কোনোবা ভেকাক তই চিনি পাৱনে সমৰ ?"

— ৯ —

মাধুৰীৰ সমুখৰ ফালে থকা চকী এখনত বহি সমৰে তাইৰ মুখলৈ চাই কলে "কল্যাণ নামৰ এজনক জানো অৱশ্তে। পিছে যদি দ্বিতীয় কোনোবাজন সেই নামৰ আছে তাক চিনি নাপাওঁ। মানুহজন কেনে ? কি পোছাক পিন্ধিছিল বাৰু, কোৱাচোন মাধু ?"

মাধুৰীয়ে ভূমিকা নকৰি কলে "দেখিবলৈ সুদৰ্শন যদিও তোমালোকৰ দৰে ফিট্‌ফাট্‌ বাবু নহয়। স্বাস্থ্য বঢ়িয়া, বেহ শতক আৰত মানে তোমালোকৰ বহুতৰ দৰে আঠু-ভগা 'দ' আকৃতিৰ নহয় বুজিছা ? হৃষ্ট-পুষ্ট-বলিষ্ঠ। পিন্ধা চুৰিয়াখন আৰু খদ্দৰৰ পাঞ্জাপীটোৰ বাদে গাত আন কোনো সাজ পাৰ নাছিল। ভৰিত এযোৰ ক'লা জোতা, তাত বোধকৰো কিনাৰ দিনাৰ পৰা বং-চং লগোৱা নাই…"

"তেনেহলে সিয়েই হব পাৰে।" বুলি সমৰে সুধিলে "বাক কোৱাচোন মাধু, সি কি বলিয়ালি কৰিছিল ? তোমাক কিবা বেয়া কথা কৈছে ?"

"কি কৰিব আৰু..." বুলি হঠাতে মাধুৰীয়ে খিল্‌খিল্ কৈ হাঁহি পেলালে। তাৰ পিছত কলে "শুনিছা সমৰদা, কল্যাণে মহিমক এটাহে ধনঞ্জয় চৰ বহুৱাব পাইছিল, তাকে খাই কাপুৰুষে বিক্সৰ পৰা জাপ মাৰি নামি শিয়াল পলোৱাদি..."

মাকে বাধা দি কলে "তই মনে মনে থাকচোন মাধু, মই ভালকৈ কওঁ..."

চকু ঘোপা কৰি মাকলৈ চাই তাই কলে "তুমি কেনেকৈ কবা ? তুমি কিবা নিজে দেখিছিলা নেকি যে মোতকৈ ভালকৈ কব খোজা ?"

মাকে মাধুৰীৰ বাবে বাছনি কৰা পাত্ৰৰ ভিতৰত সমৰো এজন। সেইবাবে মাধুৰীৰ আজিৰ দুৰ্ঘটনাটো সমৰৰ আগত কৰলৈ আশঙ্কা কৰে। কিজানি এনে কেলেঙ্কাৰীৰ গোন্ধ পালে সমৰে মাধুৰীৰ আশা বিসৰ্জ্জনকে দিয়ে। তদুপৰি তাৰ বন্ধু মহলত জনাজাত হব লাগিলে তেওঁৰ বাছনিত উঠা বাকীকেজনো সৰি নপৰিব জানো ? সাত পাঁচ ভাবি মাকে বুদ্ধি এটা সাজি মাধুৰীক কলে "যাচোন আই, তই কাপোৰ সলাই বেগেতে সমৰলৈ ভাল চাহ পানী এপিয়লা কৰি লৈ আহগৈ..."

মাকৰ কথালৈ সমূলি কাণ নকৰি মাধুৰীয়ে কলে "শুনিছা সমৰদা,..." বুলি ঘটনাটো আদ্যোপান্ত বৰ্ণাই পেলালে। তাৰ লগতে কল্যাণৰ উগ্ৰ সাহস আৰু বীৰত্বৰ কথা যেন কৈ অন্ত

কৰিবই নোৱাৰে। অলপ আগেয়ে মাধুৰীয়ে মনে প্ৰাণে যাৰ মুণ্ডপাত কৰিবলৈ বাঞ্ছা কৰিছিল এতিয়া তাৰেই প্ৰশংসাত তাই পঞ্চমুখহৈ উঠিল।

মাধুৰীৰ বৰ্ণনা শুনি সমৰৰ মনত আনন্দ হৈছিল। সি কলে "ঠিক আমাৰ কল্যাণেই হয়। এনেকুৱা নিৰ্ভীক, উগ্ৰ সাহসী তাৰ বাহিৰে আন এজন আমি আজিলৈকে লগ পোৱা নাই। সি খেলতো ওস্তাদ। এনেয়ে তাৰ স্বভাৱ বৰ সৰল, কিন্তু কাৰো অন্যায় কাম সি সহ্য নকৰে। অন্যায় দেখিলে সি একোটা দলৰ বিৰুদ্ধে অকলেও থিয় হয়গৈ। পিছলৈ কি হব পাৰে সেইবোৰ ভাবি কোঁচ খোৱা মানুহ সি নহয়। মুখতকৈ হাত চলে বেছি। আজিকালি সি পালোৱানী আখ্ৰাতো ভৰ্ত্তি হৈছে।"

মাকে সুধিলে "সিনো ইয়াত ক'ত থাকে সমৰ, তই জাননে?"

"তাৰ থকা কথাটো" বুলি সমৰে কলে "আপুনি শুনিলে হয়তো বিশ্বাসকে নকৰিব মাহীদেও। সি থাকে এটা মেচত কিন্তু মেচৰ পকী ঘৰটোত তাৰবাবে ঠাইৰ নাটনি হোৱাত সি কি কৰিলে জানেনে? সেই মেচৰে চোতালৰ এচুকত আলিৰ কাষতে ডাঙৰ গছ এজোপাৰ তলত ঘেৰামী কাম-বন কৰা মানুহ এজন থকা পঁজা এটা খালি পৰি আছিল। তাকেই সি নিজ হাতেৰে মেৰামত কৰি লৈ থাকিবলৈ ললে। পঁজাটোত বাঁহৰ দুৱাৰ এখন আছে, খিড়িকী নাই। বেৰৰ ইকৰা কেডালমান বঢ়িয়াকৈ কাটি সি পোহৰ অহা কৰি লৈছে।"

মাধুৰী আৰু সমৰ দুয়োৰে মুখে কল্যাণৰ প্ৰশংসা শুনি মাকে পেটে পেটে আৰো এটাক বাছনিৰ তালিকা ভুক্ত কৰিব পাৰিব

বুলি ভাবি অলপ আগ্রহান্বিত হৈছিল কিন্তু তাৰ পিন্ধা-উৰা, খকা-মেলা আদিৰ কথা শুনি হতাশহৈ কলে "বেচেৰা দুখীয়া লৰা। কোনোমতে দিন কটাই দিব পাৰিলেই হ'ল। ক'ত পঢ়েনো এতিয়া ?"

"নহয় মাহীদেও।" সমৰে কলে "আপুনি ভবা কথা সঠিক নহল। তাৰ বাপেক মণ্ডল। গাঁওত মণ্ডলে বজা। কল্যাণৰ বাপেক বৰ অৱস্থাপন্ন মানুহ—মাটি-বাৰী, সা-সম্পত্তি ঢেৰ। কল্যাণলৈ বাপেকে মাহে এশকৈ টকা পঠিয়ায়। হোষ্টেলত ঠাই নাপালে, চহৰৰ ভিতৰৰ মেচ বোৰত হেনো তাৰ উশাহ বন্ধ হব খোজে। সেইবাবেহে সেই মেচত ঠাই লৈছেগৈ। অৱশ্যে ঠাইখন বৰ ভাল, নৈৰ পাৰতে। সমুখৰ ফাল তেনেই মুকলি, দিনে নিশাই বতাহ। পঁজা হলে কি হব, থাকিবলৈ বেছ আৰাম।"

মাকে মন্তব্য কৰিলে "কৃপণ হবলা—নহলে ভাল সাজপাৰ নি পিন্ধিলে হেতেন কেলেই ?"

"নহয়, মাহীদেও" সমৰে কলে "পোছাক আৰু ধুনপেচ মৰাতহে সি সমূলি খৰচ নকৰে। আনপিনে, মানে খোৱাত আৰু খুওৱাত সি যথেষ্ট খৰচ কৰে। কিমান দিন ফুটবল খেলৰ শেষত তাৰ খৰচত আমি কেজন মানে বেষ্টোৰাঁত খাইছো তাৰ হিচাব নাই। তাৰ মেচৰ মেম্বৰ কেজনক তাৰ খৰচত হেনো মাহে একোটাকৈ ভোজ খুৱায়! আমাৰ লগত একেলগে পঢ়ে। তাক আমি বৰ ভাল পাওঁ মাহীদেও।"

ইমান পৰে মাধুৰীয়ে কল্যাণৰ গুণৰ কথা শুনি তাৰ প্রতি

তাইৰ শ্ৰদ্ধা উপজিছিল। হঠাতে তাই মাত লগালে "তেওঁৰ মেচটো এবাৰ মোক দেখুৱাই দিবানে সমৰদা ?"

"কেলেই, তুমি তালৈ যাব খোজা নেকি মাধু ?" সমৰে সুধিলে।

মাধুৰীয়ে তপৰাই উত্তৰ দিলে "এবা নিশ্চয় যাম। তেওঁক মোৰ কৃতজ্ঞতা জনোৱাটো কৰ্ত্তব্য নহয় জানো ? তদুপৰি তেওঁৰ লগত ভালকৈ চা-চিনাকী হোৱা উচিত, নহয়নে মা ?"

মাকে কলে "তই যাব নালাগে মাধু। সমৰৰ সি বন্ধু যেতিয়া ইয়েই তাক আমাৰ ইয়ালৈ মাতি আনিব পাৰিব। কালিলৈ দুয়োজনে আবেলি ইয়াতে চাহ খাব। তাক লগতলৈ আহিবি দেই বোপা।"

সমৰে কলে "নহয় মাহীদেও, মানে কালিলৈ দুপৰীয়া মই খিলঞ্জলৈ যাম। গতিকে তাক লগত লৈ অহাও নহল আৰু মোৰ ভাগৰ চাহ মিঠাই খোৱাও নহল। যদি কয় ৰাতিপুৱা মাধুক নি চিনাকি কৰি দি মাতি আহিব পাৰো। এবাৰ সি আহিম বুলি কথা দিলে নিশ্চয় আহিব কিন্তু নাহো বুলিলে তাক অনাৰ সাধ্য কাৰো নাই, তাকো কৈ থলো হলে।"

উৎসাহেৰে মাধুৰীয়ে কলে "সেয়ে ভাল হব সমৰদা। তুমি পুৱা আহিবা। দুয়োজনে যামগৈ, নহয়নে মা ?"

"যাবিগৈ বাৰু। তইঁতে অলপ কথা পাত দেই সমৰ. মই তোলৈ চাহ আনোগৈ।" বুলিকৈ মাধুৰীৰ মাক ভিতৰ সোমাই গল।

তাৰ পিছদিনা। মাধুৰীৰে লগত সমৰে যেতিয়া কল্যাণৰ

মেচৰ সমুখ পালেগৈ তেতিয়া কল্যাণে তাৰ পঁজাৰ দুৱাৰত ভলা লগাই থৈ ক'ৰবালৈ যাব ওলাই আহিছিল। বাটতে সমৰে মাধুৰীৰ লগত চিনাকি কৰি দি কল্যাণৰ ঘৰৰ খা-খবৰ সুধিলে। তাৰ পিছত মাধুৰীৰ মাকৰ অভিপ্ৰায় জনাই যাবলৈ সমৰে কল্যাণক নিজৰ পৰাই অনুৰোধ কৰিলে।

কল্যাণে ৰাতিটোৰ ভিতৰতে বহুত ভাবি চিন্তি মনটো শান্ত কৰি সম্পূৰ্ণ নতুন মানুহ হৈছিল। তাৰ মনত যেন আগৰ সমস্যাবোৰৰ কোনো এটাও আৰু নাই। সমৰক লগ পাই বৰ ভালেই পালে। হাঁহি মাতি সি কথা পাতিলে। মাধুৰীয়ে একেথিৰে তাৰ মুখলৈ চাই থাকি সিহঁত দুজনৰ কথা-বাৰ্ত্তা আৰু কল্যাণৰ সৰল হাঁহি মুখখন দেখি কম আচৰিত নহ'ল। এই জনৰ গাত ৰাতিৰ উগ্ৰ সাহসী, বীৰদৰ্পী, দাম্ভিক কল্যাণৰ কোনো চিন চাবেই নাই। তাৰ সলনি দেখিলে সাধাৰণ হোজা, সৰল নিৰ্জ্জু স্বভাৱৰ অমায়িক আৰু হাঁহিমুৱা ডেকা এজন। তাই তাক সুধিবলৈ বা কবলৈ কোনো কথাকে বিচাৰি নাপালে। কেৱল সমৰে অনুৰোধ কৰাৰ পিছত নিজেও এবাৰ অনুৰোধ কৰিলে।

কল্যাণে প্ৰথমে বৰ আপত্তি কৰিলে। অৱশেষত সমৰৰ কথা পেলাব নোৱাৰি মাধুৰীহঁতৰ নিমন্ত্ৰণ ৰাখিবলৈ সম্মত হ'ল। কথা দিলে যে আবেলি পাঁচ বজাত উপস্থিত হবগৈ। তাৰ প্ৰতিশ্ৰুতি পাই সন্তুষ্ট মনেৰে সমৰ আৰু মাধুৰী উভতি গল।

যদিও সমৰে ভালকৈ বুজাই দি গৈছিল যে কথা দিছে যেতিয়া কল্যাণে নহাকৈ নাথাকে, তথাপি সেই কথাৰ ওপৰত নিৰ্ভৰ কৰি নাথাকি মাকৰ সৈতে পৰামৰ্শ কৰি মাধুৰীয়ে কল্যাণক আনিবলৈ

ঘোৰাবে স্থিৰ কৰি ধুনীয়া সাজ পাৰ পিন্ধি পখিলাজনীহে পদূলি মুখত বিস্ময়ত উঠিবলৈ ভৰি দাঙিছে। এনেতে দেখিলে কল্যাণে খোজ কাঢ়ি আহিব ধৰিছে। তাইৰ মনত বৰ আনন্দ হ'ল। কেইখোজমান আগবাঢ়ি বাটৰ পৰাই তাক সাদৰি নিলে।

কাতি মহীয়া বেলা। পাঁচ বজাৰ আগেয়ে মাধুৰীহঁতৰ ঘৰৰ বিজুলী চাকিবোৰ জ্বলাই দিন যেন কৰি থৈছিল। কল্যাণক আদৰি নি আধুনিক ৰুচিৰে সজোৱা ড্ৰয়িংৰুমত বহুৱাই মাধুৰীয়ে অবাৱতে 'ইলেক্‌ট্ৰিক-ফেন' চলাই দিলে। তাৰ পিছত লৰা-লৰিকৈ ৰেডিওটো খুলি দি আহি এবাৰ কল্যাণৰ ওচৰৰ চকীখনত বহিল। কল্যাণ আজি আহিব বুলি মাধুৰীৰ মনে সমূলি বিশ্বাস কৰা নাছিল। কিয়নো কালিৰ অবাঞ্ছিত ৰূঢ় ব্যৱহাৰৰ পিছত তাৰ প্ৰতি তাইৰ মনৰ ধাৰণা সম্পূৰ্ণ বিপৰীত হৈছিল। গধূলি বেলি মাৰগৈ পুৱা আকৌ নয়নাভিৰাম মনমোহা ৰূপেৰে উদয় হোৱাৰ দৰে ৰাতিটোৰ ভিতৰতে যে তাৰ প্ৰকৃতি সলনিহৈ এনেকুৱা শান্ত-শিষ্ট অমায়িক লৰা এজন হৈ পৰিব পাৰে তাইৰ মনে কেনেকৈ কল্পনা কৰিব? তাই হোৱা হলে এৰাতিৰ ভিতৰতহে নালাগে এমাহতো হয়তো নিজৰ এনেকুৱা পৰিবৰ্ত্তন আনিব নোৱাৰিলে হেঁতেন। কল্যাণক অহা দেখাৰ পৰা তাইৰ মন আনন্দত উত্ৰাৱল হৈ যেন সকলো পাহৰি কিহেৰে তাক সন্তুষ্ট কৰিব পাৰিব কি কৰিব লাগে বা নালাগে পাহৰি গৈছিল।

হঠাতে তাই বহাৰ পৰা উঠি আঁতৰত বাতৰি কাকত আৰু আলোচনীৰে থকা সৰু টেবিলখন আনি তাৰ সমুখত থলেহি। এইবাৰ তাৰ সমুখৰ ফালে বহি মিঠাহাঁহি এটা উপহাৰ দিলে।

সেই সময়তে ৰেডিওৰ অভিনয়ৰ নায়িকায়ো খিল্‌খিল কৰি হাঁহিছে। কল্যাণে সেই ফালে চালে। মাধুৰীয়ে অনুভৱ কৰিলে যেন তাইৰ অন্তৰৰ থৌকিবাথৌ ভাববোৰ দেখিছে কোনোবাই ব্যঙ্গ কৰি হাঁহিলে। হঠাতে তাইৰ মনত পৰিল যে মাকক বতৰাটো দিয়া নাই। থিয়হৈ কল্যাণৰ ওচৰলৈ গৈ কলে "আপুনি অকণমান অকলে বহকচোন, মাক বতৰাটো দি মই এতিয়াই আহিম।" বুলি তাৰ উত্তৰলৈ বাট নাচাই ভিতৰৰ ফালৰ পৰ্দা ঠেলি লৰ মাৰিলে।

কল্যাণে তাই যোৱাৰ ফাললৈ চালে। মাধুৰীৰ গাৰ পৰা পিছলি অহা পৰ্দাখনে তাইৰ গাৰ পৰা লৈ অহা সুগোন্ধৰ সৌৰভ তাৰ নাকলৈ পঠিয়াই দিলে। এই নতুন সুবাসটোৱে তাৰ অন্তৰ শাত পেলালে। মুখ ঘূৰাই আলোচনী এখন হাতত ললে যদিও নেমেলি হাতলে লৈ থাকিল। সি গুৱাহাটীলৈ অহাৰ ছমাহ হৈছে যদিও আজিলৈকে এনেকুৱা জাকজমক কোঠালীত ভৰি দি পোৱা নাছিল। কবলৈ হলে তাৰ জীৱনত এনেকুৱা কোঠালী দেখাৰ ভাগ্য তাৰ হোৱা নাছিল। ধুনীয়া ঘৰ আৰু পকি দালান বোৰ আলিৰ পৰা দেখিছে যদিও ভিতৰলৈ যোৱাৰ সুযোগ হোৱা নাছিল। মেৰৰ পঁজাটোত থাকে, কলেজলৈ যায়, হোষ্টেললৈ আহ-যাহ কৰে, খেল পথাৰত খেলে, মেল-মিটিং চায়, পালোৱাৰী আখ্‌ৰালৈ যায় আৰু মাজে সময়ে ষায় দোকান-ৰেষ্টোৰা আদিলৈ। সময় পালে আলিবাটেদি ফুৰিবলৈ যায়। তাৰ বাহিৰে ইমান ডাঙৰ নগৰখনত বাস কৰা মানুহবিলাকৰ লগত তাৰ চা-চিনাকি হোৱা নাইবা কাবোবাৰ ঘৰলৈ যোৱাৰ তাৰ কোনো আৱশ্যক নাই

আৰু আড্ডামাৰি ফুৰিবলৈ তাৰ সময়ো নাই। মাধুৰীহঁতৰ ড্ৰয়িং ৰুমত সোমায়েই, তাত পৰিপাটিকৈ সজাই থোৱা সুদৃশ্য সা-সজুলীবে ৰমকজমককৈ ৰখা ৰমণীয় সামগ্ৰীবোৰ আৰু তাৰ মাজতে চকুত চমক্ লগোৱা চক্‌চকীয়া, চক্‌মকীয়া বস্তুৰ চমকনিয়ে প্ৰথম দৰ্শনত কল্যাণৰ অনভ্যস্ত চকুত চমক লগালে। দাপোন আৰু তাৰ নিচিনা জিকমিকীয়া কেইপদমান বস্তুৰ ওপৰত পৰা বিজুলী চাকিৰ তীব্ৰ পোহৰ প্ৰতিফলিতহৈ চকুত ছাটমাৰি ধৰে···, সি অভিভূতহৈ পৰিল।

মাধুৰী ভিতৰ সোমাই যোৱা বাবে সি ভালেই পালে। অকলশৰীয়াকৈ কোঠালীটোৰ অপৰূপ ৰূপৰ সাজ-সজ্জাবোৰ মনোযোগেৰে নিৰীক্ষণ কৰিবলৈ সময় পাব আৰু কোনো নথকাত চাবলৈ লাজো নালাগে। আহল-বহল কোঠালীটো ধুনীয়া বস্তুৰে ঠাহখাই পৰিছে। এফালৰ পৰা সি চকুফুৰাই যাবলৈ ধৰিলে—মজিয়াত ৰঙা-পখৰা কাৰ্পেট এখন, তাৰ তিনিফালে গাদী পাৰা ধুনীয়া বহল চকী ছখন আৰু এফালে এখন স্প্ৰিং লগোৱা গদীৰ চোফা। মাজতে এখন ঘূৰণীয়া মেজ। চাৰিওফালে কেখনমান সৰু-মজলীয়া ধুনীয়া টিপয়, তাৰ ওপৰে ওপৰে একোটাকৈ ফুলদানীত সজাই থোৱা নানা বৰ্ণাকৃতিৰ গন্ধহীন বিলাতী ফুল, এচুকত এখন সৰু মেজত এটা ৰেডিও, তাৰে ওচৰতে থকা আলমাৰী এটাত নানা ধৰণৰ জাপানী পুতলা, কেইখনমান মণিপুৰী বাচন, ছুটামান সৰ্থেবাৰীয়া বানবাঁটি, এজোৰা জাপানী ফেন্সী পিয়লা, মাৰ্ব্বলৰ অশোক স্তম্ভ এটা, তাজমহল আৰু নানা ৰকমৰ জন্তুৰ সৰু সৰু প্ৰতিকৃতি·· মনোহাৰী দোকানৰ বস্তুতকৈ মন হৰণ

কৰে বেছি। আলমাৰীৰ ওচৰতে এখন চেল্‌ফত কেইখনমান কিতাপ, আলোচনী আৰু পুৰণা বাতৰি কাকতৰ দম। খিৰকী এখনৰ ওচৰত ডাঙৰ দাপোন এখন। এটা চুকত ছুডাল নগাজাঠি। বেৰবোৰত খিৰকীৰ ওপৰৰ বাতামত লগাই থোৱা হৰেক ৰকমৰ ফটো-ছবি-কেলেণ্ডাৰ আৰু খাচিয়া তুন এটাত এমুঠিমান পাখীলগোৱা শৰ। এফালে এটা ৱাল-ক্লক, তাৰ দুয়োফালে দুটা ধুনীয়া জাপিৰ ক্ষুদ্ৰ সংস্কৰণে জোৰ কৰি অসমীয়া কণ বজাই ৰাখিছে। চিলিঙত ইলেক্‌ট্ৰিক ফেন ঘূৰিব লাগিছে।

জাপি দুটা আৰু কাঁহৰ বাচন কেইপদ দেখি কল্যাণৰ মনত ভাব হল, যি জাপি নহলে এদিন অসমীয়া নাৰী-বোৱাৰী-জীয়াৰী ঘৰৰ বাহিৰ নোলাইছিল আৰু যিবোৰ বাচন-বৰ্ত্তন নহলে আ-আলহীৰ আগত দীনতা প্ৰকাশ পায়, আহাৰৰ জুতি কমে, পাকঘৰ শোভাহীন হয় সেই জাপি আৰু বাচনে আজি ড্ৰয়িংৰুম সজোৱা আহিলাৰূপে ব্যৱহৃতহৈ অসমীয়াত্ব বজায় ৰাখিবলৈ সহায় কৰিছে।

কল্যাণে মুখ ঘূৰাই দেখিলে, ডাঙৰ আৰ্চিখনৰ ওচৰতে টেবিল এখনত বহুত ফটো সজাই থোৱা আছে। আচিত পোহৰ প্ৰতিফলিত হৈ চিক্‌মিক কৰিছে। দূৰৰ পৰা চিনিব নোৱাৰি উঠিগৈ চালে। অইনবোৰ নিচিনিলেও কেবাখনতো অইনৰ লগত মাধুৰীৰ ফটোখন দেখিলে আৰু আন এখন গ্ৰুপ ফটোত থকা কালি মাৰ খাই পলোৱা মহিমৰ ফটোখন চিনিবলৈ পলম নালাগিল। কল্যাণে ধৰি ললে যে মাধুৰীহঁত নিশ্চয় বৰ ধনী মানুহ অথবা তাইৰ বাপেক কিবা ডাঙৰ বিষয়াও হব পাৰে।

খাটাংকৈ বুজিব নোৱাৰিলেও মনতে ধৰিললে যে আজিকালি বৰকৈ ব্যৱহাৰ হোৱা শব্দ 'বৰলোক'ৰ ভিতৰতে এওঁলোকো পৰে হবলা।

উভতি আহি আগৰ চকীত বহি কল্যাণে নিজৰ মনতে নিজে প্রশ্ন কৰিলে, তেনেহলে কালি কৰা কামটো অন্যায় হৈছিল নেকি? সি মনতে সমাধান কৰিলে, মহিমক চবোৱা কথাটো তাৰ অন্যায় যেন নালাগে, বৰং উচিত কর্তব্য কৰা হৈছিল কিন্তু খণ্ডৰ বেগত নাজানি মুবুজি মাজবাটতে মাধুৰীক ব্যঙ্গ আৰু কটূক্তি কৰা অনুচিত হৈছিল হবলা। অৱশ্যে খণ্ডত একোনাই হৈ লঘু গুৰু বিবেচনা কৰিবলৈ সময় নাছিল। তথাপি নিজক সি দোষী বুলি ভাবিব নোৱাৰে। সি ভাবিলে, হয়তো মাধুৰীৰ মাক-বাপেকে তাইক অপমান কৰা বুলি ধৰিলৈ তাক তিৰস্কাৰ কৰিবলৈ মাতি আনিছে। নিজৰ মূৰটো পোণ কৰি বুকুখন ফিন্দাইদি নিজৰ মনতে কলে, 'কোনো অন্যায় কাম মই কৰা নাই। চকুৰ আগতে দেখা অন্যায়ক কেতিয়াও সহ্য নকৰো। উচিত কামত কোনোবাই মিছাদোষ ধৰি তিৰস্কাৰ কৰিলেও মই পৰোৱা নকৰো"

কল্যাণে আলোচনী এখন হাতত তুলি ললে। সেই সময়তে মাক আৰু ভায়েক-ভনীয়েক হঁতৰ সৈতে মাধুৰী সোমাই আহিল। মাধুৰীৰ মাকক দেখি সি অপৰাধীৰ দৰে থিয় হল। নমস্কাৰ কৰিবও নাজানিলে, মুখেৰে কোনো কথাও নোলাল। হঠাতে তাৰ মাকৰ মুখলৈ মনত পৰিল। মাধুৰীৰ মাকৰ লগত তাৰ মাকৰ যেন কিবা এটা সাদৃশ্য আছে কিন্তু সাদৃশ্যটো চেহেৰা আৰু চাঁহি, মূৰৰ চুলি, গাৰ বং নে পৰিধাণৰ বীহা-মেখেলা স্থিৰ কৰিব নোৱাৰিলে।

চকল ডেকা কল্যাণৰ চেহেৰা দেখিয়েই মাধুৰীৰ মাকৰ মনটো প্ৰফুল্ল হল। চেনেহৰ হাঁহি মাৰি কলে "বহা বোপা, উঠিলা কিয় ? তুমিয়েই কল্যাণ ?"

মাজিয়াৰ গালিচাখনলৈ চকু নমাই কল্যাণে সংক্ষেপতে উত্তৰ দিলে "হয়…মোৰ নাম কল্যাণ।"

মাকে কলে "আয়ৈ দেহি! বঢ়িয়া নামটো আকৌ কালি মোৰ নাকটো বচাইদি নামৰ জোখাৰে আমাৰ কল্যাণ সাধিলা বোপাই। তোমাক কি বুলি শলাগিম ভাবি নাপাওঁ। বহা, বোপা কল্যাণ।"

কল্যাণে আশা কৰিছিল তিৰস্কাৰ কিন্তু পালে পুৰস্কাৰ। তাৰ মনোটোৰে তৃপ্তি পালে। বুজিলে যে মহিমক চৰাই তাইক উদ্ধাৰ কৰা কামটো তাৰ উচিত হৈছে। কিন্তু মাধুৰীক মানুহ-বিলাকৰ আগত অপমান কৰি আৰু পদূলিতো টান। কথাকৈ তাইৰ মনত কষ্ট দি সি ভাল কৰা নাই। সেইকাম তাৰ অন্যায় হৈছিল। হয়তো লাজতে মাধুৰীয়ে তাইক বেয়া ব্যৱহাৰ কৰা কথা মাকক কোৱা নাছিল। কোৱাহলে মাকে তাইক ধমক দিলে হেঁতেন আকৌ তাকো ক্ষমা নকৰিলেহেঁতেন। অন্ততঃ এনেকুৱা কামত তাৰ মাক হোৱা হলেতো তাইক গালি পাৰি ভূত কৰিলে হেঁতেন। যি নহওক, সি ভাবিলে, মাকৰ আগত তাই তাৰ ব্যৱহাৰৰ কথা নোকোৱা বাবে মাকৰ প্ৰশংসা পাইছে যদিও নিজৰ বিচাৰত মাধুৰীৰ ওচৰত সি দোষী। তাকে ভাবি সি মনতে লাজ পালে। তদুপৰি তাৰ সামান্য কামত মাধুৰীৰ মাকে বেছিকৈ প্ৰশংসা কৰা বুলিও তাৰ লাজ লাগিল। চকীখনত বহি সি তলমূৰকৈ থাকিল। মুখেৰে কোনো কথা নোলাল।

কল্যাণৰ অতি নম্ৰ আৰু লাজুকীয়া ভাব দেখি মাধুৰীৰ মাকৰ তাৰ প্ৰতি পুত্ৰো উপজিল। কালি তাৰ উগ্ৰ সাহ আৰু বীৰত্বৰ বিষয়ে মাধুৰী আৰু সমৰে যি বৰ্ণনা দিছিল সেই কথা বিশ্বাস কৰিবলৈ টানেই পালে। ভাবিলে এই নিৰ্জ্জু স্বভাবৰ লৰাটোৱে, যেয়ে মূৰ দাঙি স্বাভাৱিক ধৰণে কথাকে পাতিব নোৱাৰে সি তেনেকুৱা উদ্ধত স্বভাৱ দেখুৱাটো সম্ভৱনে? তাক দেখিলে অৱশ্যে শক্তি-সামৰ্থ্য থকা বুলি বুজিবলৈ পলম নালাগে কিন্তু এনেকুৱা লাজকুৰীয়া নিৰীহ, গো-বেচেৰা স্বভাবৰ লৰা বিলাকে নিজৰ শক্তি সামৰ্থ্যৰ উচিত ব্যৱহাৰ কৰা তেওঁ কেতিয়াও দেখা নাই। মনত খুহুৱনি থাকিল যদিও সেই বিষয়ে কোনো কথা নাপাতি কল্যাণৰ ঘৰৰ খা-খবৰ সুধিলে। মাক-বাপেক, ভায়েক-ভনীয়েক আদিৰ খবৰ তেওঁৰ প্ৰশ্নৰ উত্তৰত সংক্ষিপ্তকৈ কল্যাণে দি গল কিন্তু দুই এবাৰৰ বাহিৰে মূৰ দাঙি চাব নোৱাৰিলে। সাজ-পোছাক কৰি অহা মাধুৰীৰ ভায়েক-ভনীয়েকহঁতলৈও একোবাৰ চকু ফুৰাই তাৰ বিশ্বাস হল যে তাৰ ভায়েক-ভনীয়েকহঁত হঁহঁতকৈ বহু গুণে পাছ পৰা, স্বাস্থ্যৱান যদিও লেতেৰা। আৰু সি নিজে? সি ভাবিলে যে সি মাধুৰীৰ সমকক্ষ নহয়, নিম্নতৰ। এই আত্মদৈন্য ভাবে তাৰ মূৰটো আৰো অলপ দো খুৱালে।

"তুমি অকণমান সময় মাধুৰীৰ লগতে কথা পাতা দেই বোপা। মই সোনকালে আহিম। বুলিকৈ মাধুৰীৰ মাক ভিতৰ সোমাই গল। জীয়েক দুজনী আৰু পুতেকটোক সজাই-পৰাই অনাত সিহঁতে ভাবিছিল হয়তো কোনোবা এজন ডাঙৰ মানুহ আহিছে কিন্তু কল্যাণক দেখি মনত অৱজ্ঞা ভাব হল, তাতে আৰো সি মৰম

কৰি সিহঁতক এবাৰো কথাকে নুসুধিলে। সিহঁত তিনিও মাকৰ পাছে পাছে গল।

মাধুৰীয়ে কল্যাণৰ ওচৰতে থকা চকাখনত বহি তাৰ মুখলৈ চাই আছিল। মাক যোৱাৰ পিছতো মূৰ নুতুলি নিমাতহৈ থকা দেখি হাঁহি মাৰি অলপ ৰহস্য কৰি কলে "আপুনি দেখোন ধৰি অনা বান্দৰৰ দৰে নিৰ্জ্জু আৰু নিমাতহৈ বহি থাকিল, কল্যাণ দাদা?"

'উঁ' বুলি নাকেৰে উচ্চাৰণ কৰিলে যদিও সি উচপ্ খাই উঠাৰ দৰে হঠাতে মাধুৰীৰ মুখলৈ চালে। আশালতাৰ চিৰ পৰিচিত সুমধুৰ 'কল্যাণ দাদা' সম্বোধন আশাৰ কোমল মুখৰ পৰা ওলাই কাণ জুৰ কৰা যেন অনুভৱ কৰিলে। একে সুৰলা মাত, সুমধুৰ সুৰ। আশালতাৰ সাদৃশ্য এটা মাধুৰীৰ চেহেৰাটো বিচাৰি এবাৰ নিৰীক্ষণ কৰি চাই দেখিলে যে সমূলি মিল নাই। আশালতা যেন বাৰীৰ চৌহদৰ চাৰি সীমাৰ ঘাহ আৰু বননিৰ মাজত আপোনা-আপুনি লহপহকৈ বাঢ়ি গছে-পাতে বগাই থোপাথোপে ফুলি সৌন্দৰ্য্য আৰু সৌৰভ অযাচিতে বিলাই থকা কাঁইটীয়া লতা-গোলাপ জুপি আৰু মাধুৰী যেন চাহাবৰ বঙলাৰ সমুখত মালীৰ প্ৰাণহীণ হাতেৰে সযত্নে সজাই থোৱা, ৰমক-জমককৈ ফুলি ৰূপৰ গৰ্ব্বত নাচি থকা চিত্ৰ-বিচিত্ৰ গোন্ধহীন বিলাতী ফুলৰ সমাৰোহ। কল্যাণে ভাবিলে, বয়স আৰু কোমল কণ্ঠৰ সুমধুৰ সুৰটোৰ বাহিৰে আন বিষয়ত, অমাবস্যাৰ জঙ্গলৰ মাজৰ জোনাকী পৰুৱা আৰু আমোদত জ্বলোৱা ফুলজাৰীৰ দৰে কোনো মিল নাই— আকাশ পাতাল প্ৰভেদ···

বিজুলী চাকিৰ পোহৰটো দাপোনত প্ৰতিফলিতহৈ এফালি আহি মাধুৰীৰ গাত পৰিছে। ইচ্ছা কৰিয়ে তাই সেইখন চকীত বহিছিল নেকি কল্যাণে বুজিব নোৱাৰিলে। কিন্তু চকুত চমক লগোৱা সাজপাৰ আৰু চেহেৰাৰ ওপৰত বিজুলী পোহৰৰ জিলি-কণিয়ে সোণত সুৱগা চৰোৱা মাধুৰীৰ মধুৰ সৌন্দৰ্য্য দেখি সি বিমুগ্ধ হল।

তাক ভাবিবলৈ বেছি সময় মাধুৰীয়ে নিদিলে। তাই আশা কৰিছিল। 'ওঁ' শব্দৰ পিছত কল্যাণে নিশ্চয় কিবা কব কিন্তু সি নিমাতহৈ চাই থকা দেখি অস্বস্তি অনুভৱ কৰি সুধিলে "সংক্ষেপ উত্তৰ দিলে দেখোন কল্যাণ দাদা? কি ভাবিছে?"

লুক-ঢাক নকৰাকৈ ততালিকে কল্যাণে উত্তৰ দিলে "কি ভাবিম আৰু? তোমাৰ কথাকে ভাবিছো।"

তাই তাৰ এনে স্পষ্ট উত্তৰ শুনি থতমত খালে। তাই নিজৰ মনতে স্থিৰ নিশ্চিন্ত হৈ আছিল যে এতিয়াৰ পৰা কল্যাণ নামক জীৱটোও তাইৰ অন্যতম কৃপাপ্ৰাৰ্থী আৰু স্তাৱক হব কিন্তু তাৰ স্পষ্ট উক্তি শুনি তাই বৰ আচৰিতহৈ ভাবিবলৈ বাধ্য হল যে তাইৰ ধাৰণা নিৰ্ভুল নহয়। কিয়নো আজিলৈকে তাইৰ স্তাৱক বিলাকৰ ভিতৰত এনেকুৱা স্পষ্টবাদী এজনকো পোৱা মনত নপৰে। তথাপি তাইৰ সিদ্ধান্তটো সম্পূৰ্ণ সলনি নকৰি খন্তেকৰ বাবে শেতা পৰা মুখখন পূৰ্ব্বৰ দৰে কৰি মিচিকিয়াই হাঁহি সুধিলে "বাৰু কওঁকচোন কল্যাণদা, আপুনি কামত যেনে নিৰ্ভীক আৰু ছবমুৰীয়া মুখতো তেনে পোনপতীয়া নেকি?"

কল্যাণে ওলোটো প্ৰশ্ন কৰিলে "কিয় মাধুৰী, সঁচা কথা কবলৈ

ভয় কৰিবলগীয়া কিবা আছে যে আচল মনোভাব প্ৰকাশ নকৰি ঘূৰাই পঁকাই অৱান্তৰ কথাৰ অৱতাৰণা কৰি প্ৰশ্নটো তল পেলালে মানে আচল উত্তৰ নিদিলে ভদ্ৰতা বাঢ়ে ?"

ভয় কৰিবলগীয়া নাথাকিব পাৰে আকৌ বাজে কথাকৈ আচল কথাটো তলপেলাই থৈ দিলে ভদ্ৰতা নাবাঢ়িব পাৰে কিন্তু আপোনাৰ সৰল স্পষ্ট উত্তৰে সিজনৰ মনত কিবা কষ্ট দিব পাৰে নে নোৱাৰে তাকো ভাবি চোৱা উচিত নহয় বুলি কৰ খোজে নেকি ?"

কল্যাণে সহজ সৰল ভাবে উত্তৰ দিলে "আচৰিত কথা কলা। তোমাৰ কথা ভাবিছিলো দেখি কৈছো। তাত কষ্ট পোৱা যদি তুমি সুধিছিলা কিয় ? নে মই মিছা কলে ভাল পালাহেঁতেন ?"

কল্যাণৰ সহজ-সৰল উত্তৰ মাধুৰীৰ মনত ভাল লাগিল। ঠিকেই কৈছে কল্যাণে। আন আন বিলাকৰ দৰে আওপকীয়াকৈ তাইৰ মন যোগোৱা কথাকৈ আচল প্ৰশ্নৰ উত্তৰটো তল পেলাবলৈ কি দৰকাৰ ? কিন্তু মনত এই কথা ভাবিলেও মুখত হাৰ মনা বিধৰ ছোৱালী তাই নহয়। ততালিকে প্ৰশ্ন কৰিলে "বাৰু কওকচোন কল্যাণদা, কালি আপুনি অচিনাকী গাভৰু এগৰাকীক বাটৰ মানুহৰ আগত বিদ্ৰূপ কৰি তাইৰ মনত আঘাত দিয়া নাছিল নে ? তদুপৰি কাৰো-কোকালি নেওচি পদূলি মুৰত তাইক কটূক্তি কৰি গৈছিল। সেই শেলবোৰে তাইৰ অন্তৰত আঘাত কৰিব পাৰে বুলিও ভাবিব নোৱাৰিছিল নেকি ?"

কল্যাণে উত্তৰ দিলে "সঁচা কথা কবলৈ জানো ভাবি থাকিব লাগে ? ভিতৰৰ পৰা ওলাই আহিছিল, মুখেৰে কৈছিলো, কথা

সিমানেই। তাত যদি আঘাত পাইছিলা তেনেহলে মই নিৰুপায়। কোৱা যদি ক্ষমা খুজিব পাৰো কিন্তু মোৰ দোষ হৈছিল বুলি কেতিয়াও স্বীকাৰ নকৰো হলে।”

কল্যাণৰ সৰল উত্তৰ শুনি খঙৰ সলনি মাধুৰীয়ে হঠাতে খিল খিল কৰে হাঁহি উঠিল। তাৰ পিছত কলে “আপোনাৰ দোষ হোৱা বুলি স্বীকাৰ কৰিবও নালাগে আৰু সেই ক্ষেত্ৰত ক্ষমা খোজাৰ প্ৰশ্নও নুঠে। আপোনাৰ ওচৰত মই পৰম কৃতজ্ঞ। মাই কোৱা কথা ঠিক, আমাৰ নাক ৰক্ষা কৰি বৰ কল্যাণ কৰিছে। তদুপৰি আন এটা আগন্তুক বিপদৰ পৰা মোক ৰক্ষা কৰিছে।”

“কি বিপদৰ কথা কৈছা মাধুৰী?”

“কওঁ শুনক,” মাধুৰীয়ে উত্তৰ দিলে “অভাৱনীয় ৰূপে হঠাতে আপুনি মোক উদ্ধাৰ নকৰা হলে আৰু এমিনিট মানৰ ভিতৰতে মই বিজ্ৰৰ পৰা জাপ মাৰি পৰিম বুলি স্থিৰ কৰিছিলো। তেতিয়া হয়তো হাত-ভৰি ভাগি নমৰিলেও ঘুণীয়া হলো হেঁতন।”

“জাপ নামাৰি ভাল কৰিছিলা।” কল্যাণে কলে “তোমাৰ উচিত কাম কি আছিল জানানে? তুমি মহিমৰ ডিঙিত চেপি ধৰিব লাগিছিল···”

মুখৰ কথা কাঢ়ি নি মাধুৰীয়ে কলে “এৰা তেনে ইচ্ছাও এবাৰ হৈছিল পিছে তাক জানো মই বলে পাৰিলোহেঁতেন? সেই বাবে···”

“সেইবাবে···” কল্যাণে কলে “মই কবলৈ হলে যাতে এনেবোৰ গুণ্ডা-বদমাচ-লম্পট আদিৰ পৰা আত্মৰক্ষা কৰিব পাৰা, মহিমৰ নিচিনা কাপুৰুষবোৰক অনায়াসে পৰাস্ত কৰিব পাৰা তাৰ

নিমিত্তে তোমালোকে শাৰীৰিক চৰ্চ্চা কৰা উচিত আৰু সেই শক্তি লাভ নকৰা মানে যাৰে তাৰে লগত এইদৰে ফুৰা-চকা কৰা উচিত নহয়।”

মাধুৰীৰ মুখৰ ৰং অলপ ক’লা পৰিল। আগতকৈ গম্ভীৰ হৈ কলে “এটা কথা কল্যাণদাদা, যাৰে তাৰে লগত যোৱা বুলি আপুনি যি অৰ্থ কৰিছে সেয়া ঠিক নহয়। কালি মই বুজিহে হেকুৱাই সৰল ভাবে আপোনাৰ আগত কব নোৱাৰি আপোনাৰ পৰা টান কথা শুনিবলগীয়া হৈছিল। সেয়া মোৰে দোষ বুলি পিছত মই বুজি পাইছো। কওঁ শুনক, মহিমদা···মানে এই দুষ্ট মহিম আমাৰ কোনো সম্পৰ্কীয় মানুহ নহয় যদিও আপোন মানুহৰ নিচিনা। কাম নাথাকিলে তেওঁ মানে সি বেছিভাগ সময় আমাৰ ঘৰতে খাই-বহি-শুই কটায়। চাহ-মিঠাই খায়, মানে সি মিঠাই কিনি আনি খুৱায়। আমাৰ আটাইবোৰকে ফুৰাবলৈ নিয়ে। মাজে মাজে মাংস আৰু কেতিয়াবা ডাঙৰ মাছ একোটা কিনি আনি দিয়ে। কয় কি জানে? আমাৰ মাৰ হাতৰ বন্ধা আঞ্জা নাখালে হেনো তাৰ পেট নভৰে, খৰ্ নপলায়। গতিকে মাহৰ ভিতৰত প্ৰায় কুৰি পচিশ দিন সি ইয়াতে ভাত খায়।···”

আচৰিতহৈ কল্যাণে সুধিলে “কিয়, তাৰ ঘৰত আৰু কোনো নাই নেকি?”

“ঘৰত সকলো আছে। আজি এবছৰ নে দুবছৰ হ’ল বিয়াও কৰাইছে। পিছে সকলো থাকিলে কি হব? ঘৰত হেনো ভাল ৰান্ধনীয়েই নাই।”

"আচৰিত কথা!" কল্যাণে সুধিলে "মানুহজনে কি কাম কৰে? ইমানবোৰ খা-খৰচ ..."

মাধুৰীয়ে উত্তৰ দিলে "কিবা ঠিকাৰ কাম কৰে বুলি শুনো। উপৰিও কিবা কাৰবাৰ নে কি আছে সেইবোৰৰ ভু নাপাওঁ কিন্তু আমি দেখো যে সি বহুত ধন ঘটে। দুই এদিন জেপ ভৰাই টকা লৈ ফুৰে। কেতিয়াবা কেতিয়াবা আমাৰ মাৰ হাতত জমা ৰাখিবলৈও দি থৈ যায়।"

কল্যাণে একেথিৰে মাধুৰীৰ মুখলৈ চাই আছিল। কথাৰ লগে লগে বাৰে বাৰে কান্ধৰ ওপৰেদি আনি বুকুৰ ফালে ওলোমাই থোৱা দীঘল বেণীডাল লৰিছে আৰু বিজুলী চাকিৰ পোহৰত চিক্‌মিক্ কৰি থকা কাণৰ ইয়াৰিং যোৰ নাচিছে। বিজুলী বিচনিৰ বা'ত চিন্ধৰ ফিৰফিৰীয়া নীলা চাদৰখনত মলয়া বা'ত লুইতৰ পানীত ঢৌ উঠাৰ দৰে ঢৌ উঠিছে।

তাৰ ফালে মাধুৰীয়েও চাই আছিল। তাৰ তন্ময় ভাব দেখি মিচিকিয়া হাঁহিৰ জিলিকণি তুলি মাধুৰীয়ে সুধিলে "কি চাইছে কল্যাণদাদা?"

ভাইৰ প্ৰশ্নত কল্যাণে চক্ খাবলগীয়া বা লাজ পাবলগীয়া কোনো কাৰণ নেদেখিলে। কঁপালখন অলপ কোঁচাই চিন্তিতহৈ পৰা ভাবত উত্তৰ দিলে "তোমাকেই চাইছো হে। মোৰ মনত অলপ খুতৰনি লাগিছে। মানে আজি কিছুদিন আগতে ঠিক তোমাৰ নিচিনাই চেহেৰাৰ আৰু এনেকুৱা সাজপাৰেৰে অপেস্বৰা এগৰাকীয়ে নাচিছিল..."

"অ'..."বুলি মাধুৰীয়ে হাঁহিলে। তাৰ পিছত কলে "কিন্তু

সেই গৰকী মই নহয় দেই। মোৰ বাইদেওক দেখিছিলে। তেওঁ সম্প্ৰতি ইয়াত নাই। চিনেমাৰ ছবিত অভিনয় কৰিবলৈ কলিকতালৈ গৈছে। মই হলে অভিনয়-চভিনয় আদি ভাল নাপাওঁ। কেৱল গান বাদ্য আৰু লেখাপঢ়াহে মই ভাল পাওঁ। থাওঁক বাৰু,…পিছে কল্যাণ দাদা, শৰীৰ চৰ্চ্চাৰ কথা যে কলে তাকনো বাৰু কেনেকৈ শিকিব পাৰি? আপুনি মোক শিকাই দিয়াৰ ভাৰ লওক, অনুগ্ৰহ কৰি।”

কল্যাণে উত্তৰ দিলে “মই কেনেকৈ শিকাম? ময়ো আজি তিনি মাহ মানৰ পৰাহে শিকিবলৈ লৈছো। তুমি ইচ্ছা কৰিলে আমাৰ ক্লাবতে ভৰ্ত্তিহৈ শিকিবলৈ পাবা। আমাক মাৰাঠী পালোৱান এজনে শিকায়। আজি কিছুদিনৰ পৰা তাত দুজনীমান ছোৱালী ভৰ্ত্তি হৈছে। পিছে এটা কথা, আমাৰ পালোৱানে মাহিলী প্ৰত্যেকৰ দহ টকাকৈ লয়। তাৰ কমত…”

মাধুৰীৰ মনত দহ টকাৰ সংখ্যাটো যেন কোনো কথাই নহয়। অৱজ্ঞাৰে কৈ উঠিল “দহ টকাকৈ দিয়ানো কি ডাঙৰ কথা? আমাৰ দেউতাই বহুত টকা দৰমহা পায় নহয়। আপুনি জানে? আমাৰ নিমিত্তে ত্ৰিশ টকাকৈ দৰমহা দি গানৰ ওস্তাদ এজন ৰাখি দিছে। দেউতাই যিমান লাগে সিমান খৰচ কৰিব পাৰে। তেওঁতো এতিয়া কেৰাণী নহয়, ডাঙৰ অফিচাৰ·· ওভাৰচিয়াৰ নে কিবা এটা। ডাঙৰ মানুহ…”

“কিয় মাধুৰী, কেৰাণীবিলাক” কল্যাণে সুধিলে “তোমাৰ মতে মানুহ নহয় নে সৰু মানুহ বুলি কব খোজা?”

মুখস্থ কৰি থোৱা কিতাপৰ পাঠ গোৱাৰ দৰে মাধুৰীয়ে

তপৰাই কলে "মানুহ নহব কিয় ? মানুহ হয়, পিছে টকানো কিমান পায় ? খোৱা লোৱাৰ জোখাৰেই নহয় দেখোন। লাহ-বিলাহৰ বস্তু এপদ কিনা দূৰৰ কথা মাহেকত এদিনলৈ পিকনিক্, চিনেমা, থিয়েটাৰ আদি চাই আমোদ কৰিবলৈও নোজোৰে। আপুনি জানে ? আমাৰ দেউতাও পূৰ্ব্বতে কেৰাণী আছিল। মায়ে কোৱা শুনিছো, তেতিয়া আমাৰ হেনো যিহে দুৰবস্থা আছিল···পিছে হঠাতে ভাগ্যৰ চকা ঘূৰি গল হেনো। যুদ্ধৰ সময়ত মণিপুৰলৈ কোনেও যাব খুখুজিছিল হেনো কিন্তু দেউতাই মৰণত শৰণ দি তালৈ গৈছিল। তাৰ পৰা নিৰাপদে উভতি আহি দেউতা আৰু কেৰাণী হব নালাগিল। ডাঙৰ চাকৰিও পালে আৰু তেতিয়াৰ পৰাই টকা পইচাৰো সমূলি অভাৱ নোহোৱা হল। মাই এদিন কোৱা শুনিছো যে মাহে পাচ শ টকা নহলে আমাৰ ঘৰৰ খৰচকে নচলে। তাৰ বাদেও এইবোৰ বাহিৰা খা-খৰচ যে কিমান "

কল্যাণে অবাকহৈ শুনি আছিল। হঠাতে প্ৰশ্ন কৰিলে "আজি কালিনো তেখেতে কিমানকৈ দৰমহা পায় ?"

তপৰাই মাধুৰীয়ে উত্তৰ দিলে "এইবাৰ দৰমহা বাঢ়ি দুশৰ ওপৰ হৈছে হেনো।"

মাহিলী ঘৰ খৰচৰ অঙ্কটো শুনি কল্যাণ আচৰিত হৈছিল। দৰমহাৰ সংখ্যাটো শুনি অন্যমনস্ক হৈ পৰিল। দুশৰ ওপৰ মানে আঠৈ শও নহয়, কল্যাণে ভাবিলে, আঠৈ শ হোৱা হলে নিশ্চয় গৰ্ব্ব কৰি আচল সংখ্যাটো কলেহেঁতেন। যি নহওক, আঠৈশ বুলি ধৰি ললেও দেখোন নিমিলে! পাঁচশকৈ ঘৰৰ খৰচৰ ওপৰঞ্চিও

হেনো কিমান…তায়ো হিচাব নাপায়। অঙ্কটো তাৰ মনত বৰ জটিল বুলিয়েই বিশ্বাস হল। তদুপৰি এনেকুৱা ঘৰ-দুৱাৰ, সাজ-সৰঞ্জামৰ পয়োভৰ দেখি আগেয়ে সি অবাক হৈছিল।

"জানে কল্যাণদা?" বুলি মাধুৰীয়ে আকৌ কিবা কৰলৈ মুখ মেলিছিল, সেই সময়তে মাকে চাকৰটোৰে সৈতে মাংসৰকাৰী দুই প্লেটৰ সৈতে ওমলেট দুটা আৰু লুচি খনচেৰেক আনি মাধুৰী আৰু কল্যাণৰ সমুখত দি চাকৰটোক চাহ আনিবলৈ পঠালে। চিনা মাটিৰ বাঁটিত অনা পানী দেখুৱাই দি মৰমৰ মাতেৰে কলে "ইয়াতে হাতখন তিয়াই আৰম্ভ কৰাইক বোপাই। কাৰী চামুচেৰে খাব পাৰা পিছে চামুচেৰে লুচি খাবলৈ অসুবিধা পাবা। মাধু, তয়ো একেলগে খা…" বুলি কৈ তেওঁ আন এখন চকীত বহিল গৈ।

খোৱাৰ আগেয়ে কিবা আপত্তি কৰিব লাগিছিল নে নাই, অথবা মাধুৰীক প্ৰথমে খাবলৈ অনুৰোধ কৰা উচিত আছিল নেকি, নাইবা বেছিকৈ দিয়া বুলি মুখৰ আপত্তি দেখুৱাব লাগিছিল নেকি, তেনেবোৰ কথাৰ অভিজ্ঞতা সমূলি নথকাৰ বাবে খাবলৈ কোৱা মাত্রে কল্যাণে আৰম্ভ কৰিলেই।

মাধুৰীক অনুৰোধ নকৰাকৈ সি ততালিকে আৰম্ভ কৰা বাবে তাই পেটে পেটে হাঁহিলে যদিও মুখেৰে সেই ভাৱ প্ৰকাশ নকৰি মাকৰ মুখলৈ চাই কলে "শুনিছা মা, কল্যাণ দাদা ইতৰ এটা পালোৱাণী আখ্ৰা আছে। এওঁ তাতে শিকে। ময়ো তাত শৰীৰ চৰ্চ্চা মানে কুষ্ঠি শিকিম। মাহে দহ টকাকৈ দিব লাগে হেনো।

মাকে কলে "বাক এতিয়া খাই উঠচোন। পিছত মই কল্যাণ বোপাক সুধি চাম।" বুলিকৈ কল্যাণৰ ফালে চাই সি ওজৰ আপত্তি নেদেখুৱাই খাবলৈ আৰম্ভ কৰা দেখি মনত সন্তোষ পালে। মুখেৰে একো নামাতিলে। চিৰ চেনেহী মাতৃজাতিৰ অন্তৰৰ এইটো বিশিষ্ট স্বৰ্গীয় গুণ—নিজে কৰি-ধৰি, ৰান্ধি বাঢ়ি নিজে নাখায়ো আনক খুৱাইহে পৰিতৃপ্ত হয়। কল্যাণৰ কোমোৰাৰ দৰে পৰিপুষ্ট কোমল শৰীৰটোলৈ চাই-ভাবিলে, বেছ লৰাটো। এৰা, ল'ৰাৰ ঠেহ-পেঁচ, ওজৰ আপত্তি নাই—কথাই কামে, খোৱাই বোৱাই, তেনেই পোন পটীয়া…সৰল, অঁকোৱা-পকোৱা পথেৰে চলিব নাজানে। তেওঁৰ অন্তৰখন কল্যাণৰ প্ৰতি মৰমেৰে ওপচি পৰিল।

মাধুৰীয়ে 'পেটত ভোক মুখত লাজ' দেখুৱাই ধৰো নধৰোকৈ হাতখন আগবঢ়াই চামুচখন হাতত লৈ মাকক শুনাই কলে "মোক ইমানবোৰ কেলেই দিছা? মই খাব নোৱাৰিম।" বুলি কৈ চামুচেৰে এখন লুচিৰ অলপ ভাঙি কাৰীত জুবুৰিয়াই মুখত দিবলৈ আনিব খোজোতে টেবিলত পৰিল। মাকে চাই আছিল। তাইৰ কাণ্ড দেখি কলে "দেখিলি কি কৰিলি, টেবিল ক্লথতো গলেই, এতিয়া গাৰ কাপোৰো নষ্ট কৰিবি। বোপাৰ দৰে হাতেৰে নধৰ কেলেই?"

ষ্টাইল দেখুৱাবলৈ গৈ তাই নিজৰ কামত লাজ পাই কেৰাহিকৈ কল্যাণলৈ চালে। সি খোৱাত ব্যস্ত। তাইৰ কাম দেখি এবাৰ সেইফালে চাই কোনো মন্তব্য নকৰি খোৱাত মনোযোগ দিছে। মাকে তাইৰ গাৰ কাপোৰৰ কথা মনত পেলাই দিলত বাঁও হাতেৰে

কাপোৰ সামৰি চামুচ এৰি হাতেৰে খাবলৈ আৰম্ভ কৰিলে। অলপ সময়লৈ কাৰো মুখত মাত বোলে নাই। এখন লুচি শেষ কৰি ওমলেটত একামোৰ মাৰি মাধুৰীয়ে কলে “শুনিছা মা, কল্যাণ দাদা উগ্ৰ সাহসী আৰু শক্তিশালী বীৰ সঁচা পিছে তেওঁ মানুহৰ লগত বেছি কথা নাপাতে।”

মাকেও তাকে লক্ষ্য কৰিছিল। মাধুৰীৰ বাবে মাকৰ মনত মনোনীত তাইৰ ভাবী দৰা, চেলবেলীয়া বন্ধুবোৰৰ নিচিনা বাজে কথা কোৱা আৰু চাটুকাৰ কল্যাণ নহয়। ই যেন অন্য ধাতুৰে নিৰ্ম্মিত। আনবোৰৰ কোনোবা এজন হলে ইমান পৰে খোৱাতকৈও কথাৰ ফুলজাৰীৰে মুখৰিত কৰিলেহেঁতেন। তেওঁৰ মনৰ ভাবটো মুখেৰে ওলাল “কৰিব নোৱাৰাৰ বৰ কথা, খাব নোৱাৰাৰ বৰ হাতা ··যাৰ গাত শক্তি নাই তাৰ মুখৰ ফুটনি বেছি হয়েই।” বুলি কৈ ওচৰলৈ আহি আৰু দুখন লুচি কল্যাণৰ প্লেটত দি সুধিলে “তোমাৰ দেউতাৰাই কি কৰে কল্যাণ বোপা? ঘৰৰ অৱস্থা ভালনে?”

“দেউতা মণ্ডল।” কল্যাণে উত্তৰ দিলে “মাহে ত্ৰিশ টকা দৰমহা পায়। ঘৰৰ অৱস্থা ভালেই দিয়ক, মাটি-বাৰী ভালেমান আছে, লোণ-তেল, কাপোৰ-সূতা আদিৰ বাহিৰে বৰ বেছি বস্তু কিনিব নালাগে। ধান বেচি বছৰি তিনি চাৰি হাজাৰ মান টকা পায় হবলা। কোনোমতে চলে আৰু···”

দৰমহাৰ অঙ্কটো নগণ্য শুনি মাধুৰীৰ মাকৰ অৱজ্ঞাৰ ভাব ওপজিল যদিও সেই বিষয়ে কোনো কথা নকলে। লোণ তেল-কাপোৰ-সূতাৰ বাদে বিশেষ বস্তু নিকিনে বুলি শুনি আচৰিত হৈ

ভাবিলে, বস্তু বাহানি নিকিনিলে ইহঁতে থাকে কেনেকৈ? খায় কি? কেৱল লোণ-তেল আৰু ঘৰৰ চাউল মুঠি খায়েই ইহঁতনো জীয়াই থাকে কেনেকৈ? অসম্ভৱ যেন লাগে। অথচ মাধুৰীৰ আটাইকেইজন স্তাৰক বন্ধুতকৈ কল্যাণৰ স্বাস্থ্য নিখুত…হৃষ্ট-পুষ্ট বলিষ্ঠ। বৰ কৌতূহল ওপজিলত তেওঁ ৰ'ব নোৱাৰি কল্যাণক সুধি পেলালে "বাৰু কল্যাণ বোপা তোমালোকৰ যেনিবা ধান-চাউলৰ অভাৱ নাই আৰু লোণ-তেল কণ কিনি আনিলা, পিছে আন কোনো ভাল খাদ্য বস্তু নিকিনিলে তাবে চলে কেনেকৈ? সাৰ পদাৰ্থ আৰু ভাইটামিন যুক্ত খাদ্য নাখালে মানুহৰ স্বাস্থ্য ৰক্ষা হয় ক'ব পৰা…?"

অলপ হাঁহি কল্যাণে ক'লে আপুনি হবলা কেতিয়াও গাওঁ দেখা নাই? গাওঁৰ কথা শুনাও নাই হবলা…"

কথাৰ মাজতে মাধুৰীৰ মাকে কলে "ৰ'বা বোপাই মাজতে মই আন এটা কথা কওঁ। আমাৰ মাধুৰেতো তোমাক দাদা বুলিছেই আৰু মোৰো মনত তোমাক বঙহ যেন হে লাগিছে। সেইবাবে মই ভাবো তুমি মোক মাহীদেও বুলি সম্বন্ধ ধৰি মাতিব পাৰা দেখোন। তেতিয়া হলে তোমাক মোৰ লবাৰ নিচিনা বুলি ভাবিবলৈ পাই বৰ সুখ পাম। নে মই বেয়া কৈছো, কল্যাণ?"

কল্যাণে এনেকুৱা ধনী আৰু সম্ভ্ৰান্ত মহিলাৰ লগত ইতি পূৰ্ব্বে কথা কোৱা দূৰৰ কথা দেখা সাক্ষাতকে পোৱা নাছিল। কোঠালীত সোমাই বহাৰ পৰা তাৰ পেটে পেটে ভয় আছিল, কথা-বাৰ্ত্তা পাতোতে বা কি অপৰাধ কৰি পেলায়। তদুপৰি তাৰ শাৰীৰিক শক্তি আৰু তেজস্বী মন থাকিলে কি হব, অচিনাকী

মহিলা এগৰাকীৰ লগত প্ৰথম পৰিচয়তে সম্বন্ধ ধৰি মতাৰ কথাকে নাই, এনেকি মন খুলি স্বাভাৱিক ভাবে কথা পতাৰ বাবেও শিক্ষা দীক্ষা বা অভিজ্ঞতা তাৰ সমূলি নাই। ইমান পৰে মাধুৰীৰ মাকৰ দিহামতে যেন সি আদেশ পালন কৰিছে গৈছিল। তেওঁ উপযাচি তাক আপোন কৰি লোৱাত তাৰ মনটো ভাল লাগিল। নিজৰ স্বাভাৱিক প্ৰকৃতিটো ফিৰাই পালে। বং মনেৰে সি উত্তৰ দিলে "বেয়া কোৱা নাই, মাহীদেও। কথা কি জানেনে? আপোনাক প্ৰথমে দেখা পায়েই আমাৰ মাৰ লগত কিবাকিবি সাদৃশ্য থকা যেন অনুভৱ কৰিছিলো..."

তিনিওজনে একেলগে আনন্দৰ হাঁহি মাৰিলে। মাকে আৰু দুখন লুচিৰে সৈতে এটা ওমলেট কল্যাণৰ পাতত দি কলে "বৰ সুখ পালো বোপা, কিজানিবা আমি দুয়োজনী পূৰ্ব্বজন্মত বাই-ভনীয়েই আছিলো। বেছ, বঢ়িয়া হল। ক' এতিয়া কল্যাণ, তোৰ গাঁওৰ কথা শুনো?"

"কওঁ শুনক মাহীদেও।" কল্যাণে আগৰ কথাৰ লগতে আৰম্ভ কৰিলে "চহৰতকৈ আমাৰ গাঁওতহে নতুন আৰু খাঁটী খাদ্য বেছিকৈ খাবলৈ পোৱা যায়। আপুনি দেখাও নাই, শুনাও নাই, কেনেকৈ জানিব? আমাৰ ঘৰৰ কথাকে কওঁ শুনক— আমাৰ গোহালীৰ পাচজনী গাই। তাৰে কেতিয়াবা দুজনী কেতিয়াবা তিনিজনী খীৰতী থাকে। চাৰি পাঁচ সেৰ গাখীৰ ওলায়। তাৰে দৈ ঘিউ সকলো হয়। তদুপৰি ছাগলীও আছে নহয়, তাৰ গাখীৰ, পাঠাৰ মাংস। ইয়াৰ উপৰিও আছে হাঁহ পাৰ। গতিকে বুজিবই পাৰিছে গাখিৰ ঘিউ কণী মঙহ আদিৰ

অভাৱ তো নহয়েই, মায়ে ওচৰ চুবুৰীয়াকো বিলায়। মাছ অৱশ্যে নিতৌ পোৱা নাযায় যদিও মাজে সময়ে পোৱা যায়। শাক-পাচলি তো উভৈনদী। বাৰীৰ ফল মূল শাকপাচলি খাই শেষ কৰিব নোৱাৰো। তামোল পান খোৱাৰ জোখাৰে ৰাখি বছৰি দুই চাৰশ টকাৰ বেচেও। ঘৰৰ গুৰ আপোনালোকৰ চহৰীয়া চেনিতকৈ বেছি মিঠা মাহীদেও। গতিকে...”

মাধুৰীৰ মাকে একান্ত মনেৰে শুনি আছিল। সন্তুষ্ট মনেৰে কলে “বুজিছো কল্যাণ, গতিকে কিনাৰ প্ৰশ্ন নুঠে। পিছে খেনো খেনোৱে কয় বোলে গাঁওবোৰত হেনো খোৱা বোৱা ভাল বস্তুৰ তেনেই অভাৱ...”

মুখৰ কথা কাঢ়ি নি কল্যাণে কলে “হবও পাৰে, যদি কোনোবাই গৰু গাই নোপোহে, যত্ন কৰি শাকপাচলি আদিৰ খেতিবাতি নকৰে, তেনেকুৱা ধোদৰ পচলা বিলাকে খাব ক'ৰ পৰা? কিনিবলৈ হয়তো ধনো নাথাকে। কিন্তু মই হলে আজিলৈকে তেনেকুৱা দুখীয়া গাঁও দেখা নাই, মাহীদেও।”

মাধুৰীৰ মাকে কলে “তই মোৰ মনৰ ভাৱ সলনি কৰি দিলি অ' বোপাই। তহঁতৰ গাঁওলৈ এবাৰ যোৱাৰেই ইচ্ছা হয় পিছে হৈ নুঠিব। যি নহওক, তই কিন্তু সদায় আহিব লাগিব, নিতৌ এবাৰ দেখা দিবিহি।”

তই তকৰাকৈ কথাকৈ মাধুৰীৰ মাকে কল্যাণক যেন আপোন কৰি বান্ধিয়ে পেলালে। তাৰ মনটো ভাল লাগিল। সি কলে “সদায় আহিব নোৱাৰিম মাহীদেও, মোৰ বহুত কাম...”

বাধা দি মাধুৰীয়ে কলে “আহিবই লাগিব। নিতৌ, বুজিছে

কল্যাণদা, নিতৌ নাহিলে মই নিজেগে ধৰি লৈ আহিম।"

কল্যাণে পেটে পেটে ভয় খালে। হঠাত আশালতাৰ কথাটো মনত পৰিল। পঞ্চাননে কি মিছা কলঙ্কটোকেইনো তাক নিদিলে। মাধুৰী তাৰ তালৈ যোৱা দেখিলে ইয়াতো আকৌ কোনোবাই কিবা লগাওক, তেতিয়া তাৰ গুৱাহাটীতো থকা টান হব। তাৰ মনৰ ইমান সময়ৰ উৎসাহ কোঁচ খালে। সঙ্কুচিত সুৰত কলে "মোৰ কাম বহুত। প্ৰত্যেক দিনে খেল থাকেই, তদুপৰি পালোৱানী আখ্ৰাৰ্লৈ নগলেও নহয়। গতিকে নিতৌ অহা দূৰৰ কথা ঘনাই অহাও টান। কেতিয়াবা সময় পালে আহিম নিশ্চয়। নাহিলেও কিন্তু তুমি মেছলৈ কেতিয়াও নাযাবা দেই। নানা জনে নানা কথা কব পাৰে।"

সেই সময়তে চাকৰটোৱে চাহ লৈ আহিল। মাধুৰীৰ মাকে চাহপানী বাকি দুয়োজনকে দি ওচৰতে বহি নিজৰ কথাৰ মোনাখন মেলিলে। আটাইবোৰ নিজৰ কথা, খা-খৰচৰ বাহাদুৰি, আভিজাত্যৰ আত্মগৌৰৱ তদুপৰি ছোৱালীহঁতৰ আধুনিকতা, শিক্ষা-দীক্ষা গান বাদ্য, থিয়েটাৰ চিনেমা একালৰ পৰা বৰ্ণাই গল। কোনো কোনো বিধ দুবাৰকৈও বৰ্ণালে। বিশেষকৈ খানাপিনা, পাৰ্টি, পিকনিক ইত্যাদিত তেওঁ কৰা ব্যয় বহুল কামবোৰ নিখুঁত ভাবে বৰ্ণালে। তথাপি যেন তেওঁৰ আত্ম সন্তুষ্টি হব নোখোজে। কল্যাণে ব'লাগি তেওঁৰ মুখলৈ চাই বৰ মনোযোগেৰে শুনি আছিল। সি অবিশ্বাস কৰিবলৈ বা তেওঁৰ কথাত সন্দেহ কৰিবলৈ কোনো হেতু নাপাই পেটে পেটে বৰ আচৰিতো হল। ৰাজৰ ঘড়ীয়ে সাতকোৰ মৰা দেখি সি কথাৰ মাজতে হঠাৎ থিয়

হৈ যাবলৈ ওলাল। তেওঁৰ কথাত হঠাতে ৰসভঙ্গ কৰা বাবে ক্ষুন্ন হল যদিও মুখত প্ৰকাশ নকৰি কলে "তোৰ পলম হ'ল নেকি বাচা?" বুলি তেৰোঁ থিয় হল।

কল্যাণে থিয় হোৱাৰ লগে লগে মাধুৰীয়েও থিয় হৈছিল। সি উত্তৰ দিয়াৰ আগেয়ে মাকৰ প্ৰশ্নটো তল পেলাই তাই কলে "কল্যাণ দাদাৰ লগত মইতো কথা হবলৈকে সময় নাপালো। কালিলৈ কিন্তু আপুনি আহিবই লাগিব, মোক আখ্ৰালৈ নিনিলেই নহব।"

মাধুৰীৰ মাকে কলে "এৰা, বোপাই কালিলৈ আবেলি তিনি বজাতে আহি ইয়াতে চাহ জলপান খাবি আৰু তই যেতিয়া ভাল বুলি কৈছ মাধুকো তইঁতৰ ক্লাবত ভৰ্ত্তি কৰি দেইঁক।"

তিনিওজনে বাৰাণ্ডা পাইছিলহি। কল্যাণে কলে "বাৰু দেখা যাওক, আমাৰ পালোৱান যদি ইয়াত আছে তেনেহলে লৈ যামহি।" বুলি কৈ কোনো ৰকমৰ বিদায় সম্ভাষণ নকৰাকৈ বেগ দিলে।

কল্যাণ যোৱাৰ ফালে মাক-জীয়েকে একেথিৰে চাই আছিল। সি নেদেখাহৈ যোৱাত টান মাতেৰে মাধুৰীয়ে প্ৰশ্ন কৰিলে "দেখিলা মা?"

হুমুনিয়াহ এটা কাঢ়ি মাকে কলে "দোখলো মাধু। ল'ৰাটো দেখাত যেনে দেখনিয়াৰ সেই জোখাৰে শৰীৰত শকতি আৰু মনত সাহ-পিত আছে কিন্তু সকলো থাকিলে কি হব, গ্ৰাম্য তেনেই হোজা। আমাৰ সমাজখনত মিলিজুলি পোৱা নাই, পিছে সময়ে হলে তাৰ বৰ প্ৰশংসা কৰে..."

মাকৰ কথাৰ মাজতে মাধুৰীয়ে কলে “সমবদাৰ প্ৰশংসা কাঢ়ি কৰি থোৱা। গাঁওৰ পৰা আহিছে মাথোন। উন্নত সমাজৰ গোন্ধকে পোৱা নাই। স্বাভাৱিক মদগৰ্ব্ব এটা আছে। জুইৰ তাপ নোপোৱা তীখাৰ দৰে খিটখিট্ কৰে। বপুৰাই কেদিনমান আহ-যাহ কৰক চোন, নাকী লগোৱা বলধৰ দৰে নহয় যদি মই কি কৈছো...” বুলি আত্মতৃপ্তিৰ হাঁহি মাৰিলে। দুয়োজনীয়ে ভিতৰ সোমাই গল।

— দহ —

কল্যাণে মাধুৰীহঁতৰ ব্যয় বহুল ভাবেৰে সজোৱা বহা চৰা বা আধুনিক ড্ৰয়িংৰুম, উন্নত ধৰণৰ গৃহস্থালী আৰু ৰুচি কাৰক জলপান খাই লগতে মাধুৰীৰ মাকৰ অকৃত্ৰিম চেনেহসনা মাতকথাৰ বান্ধোনত আপোনজন হৈ পৰি অন্তৰ পুলকিত হৈছিল যদিও তাতকৈ আচৰিত হৈছিল মাধুৰীয়ে কোৱা আয়-ব্যয়ৰ সংখ্যাটো ভাবি। বাৰে বাৰে ভাবিও এই জটিল অঙ্কটোৰ সমাধান কৰিব নোৱাৰিলে যে মাহিলী দুশৰ ওপৰ আৰ্জ্জি পাচশৰ ওপৰ খৰচ কৰে কেনেকৈ? মাধুৰীৰ মাকে তেওঁৰ সংসাৰখনৰ কথা উদঙকৈ বৰ্ণাই দেখুৱাইছে। মাটি-বাৰী সম্পত্তিৰ ভিতৰত থকা ঘৰ-মাটিখিনিয়ে সাৰ। তাৰবাদে ভিল মানো নাই। গতিকে চাউলৰ পৰা আৰম্ভ কৰি ঢেঁকীয়া-কচু-জলকীয়া পৰ্য্যন্ত কিনি নাখালে ৰক্ষা নাই। কানি কাপোৰ আদি ঘৰ জানিলেও নবয়, কম দামী মোটা কাপোৰৰ সাজ পাৰ ব্যৱহাৰ

নকৰে। মাধুৰী আৰু মাকৰ কোনোটো কথাকে সি অবিশ্বাস কৰিব নোৱাৰে, নিজ চকুৰে দেখি অবিশ্বাস কৰে কেনেকৈ? জেনেহলে? তাকেই সি এখনিৰ পৰা ভাবিছে, বেহা-বেপাৰো নাই যে বাৰিষাৰ পানীৰ দৰে হো-হোৱাই আহি লোহাৰ পেৰাত সোমাব। এই চিন্তাটোৱে তাক ইমান অন্যমনস্ক কৰিছিল যে কেতিয়া সি মেচ পালেহি কবকে নোৱাৰে। চোতালতে থিয়হৈ থকা পৰমেশ নামৰ মেচৰ মেম্বৰ এজনক দেখি সি বৰ আনন্দ পালে। মাত-কথাৰ লগ এজন পালে। দুয়োজনে নৈৰ পাৰে পাৰে টহল দিবলৈ ধৰি কল্যাণে কালি গধূলিৰ পৰা ঘটা ঘটনাবোৰ এফালৰ পৰা বৰ্ণাই গল। কথাৰ মাজে মাজে পৰমেশে সোধা দুই এটা প্ৰশ্নৰ উত্তৰো দিলে।

তাৰ কথাবোৰ মনোযোগেৰে শুনি পৰমেশে কলে "তাইক উদ্ধাৰ কৰা কামটোত তুমি প্ৰশংসাৰ যোগ্য। মই হোৱা হলে কেতিয়াও নোৱাৰিলোহেঁতেন। যি নহওক, তুমি কিন্তু অকলে এনে উগ্ৰসাহ কৰাটো উচিত হোৱা নাছিল দেই। আকৌ কি নাম কলা গুণ্ডাটোৰ?"

"মহিম…"

"এৰা মহিম" পৰমেশে কলে "তাক চৰাবলৈ গলা কেলেই? নাজানা নেকি 'সাপে নাপাহৰে কঁকালৰ কোব…' গুণ্ডাই জানো চৰৰ কথা পাহৰিব? সি তোমাৰ চিৰশত্ৰুহৈ থাকিল, কেতিয়াবা সুযোগ পালে শুদাই নেৰে কিন্তু…"

দম্ভ কৰি কল্যাণে কলে "শুদাই নেৰি নো সি মোক কি লোণ-তেল সানি গিলি থবহে? তাৰ নিচিনা এটা কিয় পাঁচটা

কাপুৰুষকো কল্যাণে পৰোৱা নকৰে জানিবা। শুনিছা পৰমেশ, তুমি শক্তিহীন বুঢ়া মানুহৰ দৰে কথা কৈছা কিয়? পিছলৈ সি মোৰ চিৰ শত্রু হব পাৰে অথবা ঘটনা থলিতে তাৰ হাতত মাৰ খাই আধামৰা হয় নে নাই, এনেবোৰ কথা ভাবি পলম কৰা হলে তাইক উদ্ধাৰ কৰাৰ সময়কে নাপালোহেঁতেন। এনেবোৰ কামৰ উপস্থিত কৰ্ত্তব্য ঠিক সেই মুহূৰ্ত্ততে নিৰ্দ্ধাৰণ কৰিব নোৱাৰিলে সুযোগ আঁতৰি যায়। যি নহওক পিছলৈ তাৰ নিচিনা ভদ্ৰবেশধাৰী, পইচা থকা শক্তিহীন গুণ্ডাই মোৰ কি কৰিব পাৰে সেই কথা ভবাই নাই। সম্প্ৰতি মই বিমোৰত পৰিছো এটা অঙ্ক মিলাব নোৱাৰিহে…"

"কি কলা? অঙ্ক…" বুলি আচৰিতহৈ পৰমেশে কলে "তুমিতো কলেজত চায়েঞ্চ লোৱা নাই।"

"সেই কাৰণেহে আৰু বেছি মক্কিলত পৰিছো, ভাই।" কল্যাণে কলে "কওঁ শুনা, এজন মানুহে মাহে দুশৰ ওপৰ দৰমহা পাই মাহে পাঁচশৰ ওপৰ খৰচ কৰে ক'ৰ পৰা? তুমিতো অঙ্কত পাৰ্গত, ইয়াৰ সমিধান কি?"

পৰমেশে হাঁহিলে। তাৰ পিছত কলে "গছত গৰু উঠা কথা শুনি বিশ্বাস কৰা আজি তোমাকহে দেখিলো কল্যাণ…"

"গছত গৰু উঠা…?"

"তাৰ মানে," পৰমেশে কলে "মানুহজনে ফুটনি মাৰি তোমাৰ আগত বৰ মানুহ বোলাব খুজিছে বুলি অনায়াসে বুজিব পাৰি। তাৰ ঘৰলৈ গলে দেখিবা ভিতৰত চকুৱাৰ বেৰ, হয়তো গুদাই-নিকাই এমুঠি গিলি…"

"ভুল বুবুজিবা, পৰমেশ।" কল্যাণে ক'লে "মই ভিতৰলৈ মানে তেওঁৰ ঘৰলৈ আজি গৈছিলো।" বুলি ড্ৰয়িং ৰুমৰ সাজ-সজ্জা, খোৱা-বোৱা আৰু সাজ-পোছাক আদিৰ কথা বৰ্ণালে। তাৰ পিছত ক'লে "দেউতাক তো এতিয়া কেৰাণী নহয়, অফিচাৰনে ওভাৰচিয়াৰ তেনে ধৰণৰ কিবা। সেয়া তাইৰ মনৰ গৰ্ব্ব যদিও খা-খৰচ সম্পৰ্কে মিছা কোৱা যেন নালাগিল।"

"অ', বুজিলো দিয়া।" পৰমেশে ক'লে "তোমাৰ দেখিছো বিষয়-জ্ঞান মানে সাংসাৰিক অভিজ্ঞতা সমূলি নাই। বুজিছা. যদি তেওঁ কিবা অফিচাৰ তেনেহলে দুৰ্নীতিৰ ৰজা আৰু যদিহে ওভাৰচিয়াৰ তেনেহলেতো কথাই নাই…"

কল্যাণে মুখ মেলি থাকিল। তাৰ পিছত ক'লে "একোকে বুবুজিলো দিয়া।"

"তোমাৰ দোষ নাই, নুবুজিবৰে কথা।" পৰমেশে ক'লে "মানে নেদেখিলে, নুশুনিলে, নাজানিলে বুজিবা ক'ৰ পৰা? কওঁ শুনা, আলাউদ্দিনৰ প্ৰদীপৰ গল্প পঢ়িছা নহয়. এইবোৰেও চাকৰিৰ লগতে তেনেকুৱা বস্তু এগছ পায় আৰু তেওঁলোকৰ ক্ষমতাটোৱেই হৈছে সেইগছ বস্তু বা হুইপ…আমাৰ ভাষাত চাবুকহে…" বুলি ডাঙৰকৈ হাঁহি ক'লে "ধৰা দুৰ্নীতিৰ ৰজা মানে যিবোৰ মহাজনে দুৰ্নীতিৰে পেট মোটা কৰে সিহঁতক চাবুক মাৰিলেই হ'ল। মহাজনে যদি চুৰ কৰে ধৰাতো পৰিবই, অফিচাৰেতো চকুমুদি শুই নাথাকে। ধৰা এজন দুৰ্নীতিৱালা মহাজনে যদি পাচ হাজাৰ চুৰি কৰে ধৰা নপৰিলে ৰক্ষা, পৰিলে অফিচাৰক তাৰে হাজাৰ টকা দিলেই খালাচ। তেওঁৰো মুখ বন্ধ আৰু তাৰো ৰবাজ। এইদৰে

মাহে দহ হাজাৰ টকা 'পাক্‌বাও' কৰিব পাৰিলে তোমাৰ সাধাৰণ দুই-চাৰি মাহুৰ দৰমহাক তেওঁ কি খাটিৰ কৰিব ? গতিকে তোমাৰ অঙ্ক আৰু অমিল হৈ নাথাকে, হয়নে নহয় ?"

"হ'বও পাৰে, কথাষাৰে গাত ধৰিছে অৱশ্যে।" কল্যাণে ক'লে "তেনেহ'লে এইবোৰৰতো টকা ৰাখিবলৈ ঠায়েই নাই হ'বলা…"

পৰমেশে ক'লে "কওঁ শুনা, আচলতে টকা সিবোৰৰ নাই। দৰমহাখিনিৰে হয়তো চল্লিশ পঞ্চাশ হাজাৰ মানৰ লাইফইন্সিওৰ কৰি ৰহি আছে। আনপিনে গুপ্ত ধন গুপ্ত ভাবে আছি হয়তো ঘৈণীয়েকৰ গুপ্ত ভঁৰালৰ আন্ধাৰ চুকত পৰি নিৰাপদে শুই আছে, নাইবা ঘৈণীয়েক-লৰা-ছোৱালীৰ নামত বেঙ্কত জমা হ'বও পাৰে, অথবা সিহঁতৰ নামত মাটিবাড়ী কিনি খৰচ কৰিবও পাৰে। সেইবোৰৰ তুমি আমি কি তলানলা পাম, কৰ্ত্তৃপক্ষয়ো যাক ধৰিব নোৱাৰে…"

আচৰিতহৈ কল্যাণে ক'লে "তুমিতো বহুত কথায়েই জানাহে পৰমেশ !"

"ইচ্ছা কৰা হ'লে আৰু সুযোগ পোৱা হ'লে তুমিও জানিলাহেঁতেন। পিছে তুমিতো কেৱল ফুটবল-ক্ৰিকেট পালোৱাণী লৈয়েই ব্যস্ত। তাৰ পৰা দুখে ভাগৰে আহি দীঘলদি পৰি থকা নে কি কৰা নাজানো। কাৰোবাৰ লগত আড্ডামাৰি বাজে কথা চোবোৱাতো এদিনলৈও নেদেখিলো। যি নহওক, তুমি দেখি অহা মানুহজন কোনহে, নামটো কি ?"

"কিয় যাবা নেকি তেওঁৰ ঘৰলৈ ?" কল্যাণে ক'লে "যাবও

পাবা, কিজানি তোমালোকৰ শ্ৰেণীৰে হবলা, কব নোৱাৰো দেই। মানে তেওঁৰ সৈতে মোৰ সাক্ষাৎ হোৱা নাই। মাক-জীয়েকৰ সৈতেহে পৰিচয়, তেওঁলোকে খুৱাইছে, কথা পাতিছে।”

পৰমেশে সুধিলে “আপ-টু-ডেট্ হয়নে নহয়?”

কল্যাণে প্ৰশ্ন শুনি বিমোৰত পৰিল। আপ্-টু-ডেট্ মাধুৰী-হঁতৰ নিচিনা বিলাকক কয় নে তাতকৈও কিবা বেছি গুণ থাকিব লাগে সি নাজানে। লাজ নকৰি সি সঁচাকৈ কৈ পেলালে “আপ্-টু-ডেট্ বা কিহক কৈছা মই নাজানোহে পৰমেশ। কোনবোৰ গুণ থাকিলে নো তোমালোকে আপ্-টু-ডেট্ কোৱা বুজাই দিয়াচোন?”

পৰমেশে ডাঙৰকৈ হাঁহি মাৰিলে। তাৰ পিছত হাঁহি হাঁহিয়ে কলে “হেৰা ভোদাৰাম, ফুটবলতে নিজক নিবদ্ধ কৰি ৰাখ ফুটবলটোৰ নিচিনা পাতলহৈ থাকি ভৱিষ্যতে কি লাভ হবহে? সংসাৰৰ অভিজ্ঞতা লভিবলৈ যত্ন কৰা। কোৱাচোন মানুহজনৰ নাম কি, কোন খিনিত থাকে? মই নিজেই পৰিচিত হমগৈ।”

“কেলেই কিবা দৰকাৰ আছে জানো?” বুলি পেটে পেটে অলপ ভয় খাই কল্যাণে কলে “কেতিয়াবা দেখা কৰা যদি মোৰ কথা তুলিয়াবাইঁক দেই ভাই।”

পৰমেশে এইবাৰ আৰু ডাঙৰকৈ হাঁহিলে। আলিৰ দাঁতিত শুই থকা দমৰা গৰুটোৱে তাৰ হাঁহিত চক্ খাই জাপ মাৰি উঠি চেকুৰ মাৰিলে। মুখত এমোকোৰা হাঁহি লৈয়েই পৰমেশে কলে “বেচেৰা পুতৌ। বোলো গুৱাহাটীত ছমাহ থাকিনো তুমি কি দেখিলা, কি শিকিলা? আজিলৈকে মেচৰ মেম্বৰ এজনকে

চিনি নাপালা? কওঁ শুনা, মই মেট্রিক পাছ কৰি খৰচৰ অভাৱত পঢ়া এৰি দি ইন্সিওৰৰ এজেন্সী লৈ কাম কৰিছিলো। দুবছৰ ভাল ‘বিজনেছ’ কৰি ঘৰৰ অভাৱ-অনাটন দূৰ কৰাৰ ওপৰিও ভনী এজনীক বিয়া দিলো। ভাই দুটা আৰু এজনী ভনীক পঢ়াব ধৰিছো। সিহঁত মাৰ সৈতে ঘৰতে থাকে, মানে নগাওঁত আমাৰ ঘৰ। মই মেট্রিক দিয়াৰ পিছতে দেউতা ঢুকাল। দুবছৰৰ পিছত গুৱাহাটীৰ কলেজত নাম লগালোহি। সম্প্রতি দ্বিতীয় বছৰ চলিছে, জানাই নহয় মই চেকেণ্ড ইয়েৰত?”

“ওঁ” কল্যাণে সৰুকৈ উচ্চাৰণ কৰিলে।

পৰমেশে কৈ গল কলেজত পঢ়িছো বুলিও মই ইন্সিওৰেন্স বিজনেছ নকৰাকৈ থকা নাই। নগাওঁত কেইটামান কেচ কৰি কেইদিন মান আগেয়ে আহিলো, যদি কলেজ খোলাৰ আগেয়ে দুই এটা ইয়াতো কৰিব পাৰো। কোৱা এতিয়া তোমাৰ মানুহজনৰ নাম-ধাম।”

মাধুৰীহঁতৰ ঘৰৰ অৱস্থানটো বুজাইদি কল্যাণে কলে “মানুহজনৰ নাম সুখেন্দ্র বৰুৱা। ডাঙৰ ছোৱালী জনী চিনেমাৰ প্লে কৰিবলৈ গৈছে, নাম মঞ্জিৰা বৰুৱা। দ্বিতীয় জনী মাধুৰী, কালিৰ ঘটনাৰ নায়িকা, ফাষ্ট ইয়েৰত পঢ়ে। তৃতীয়া-চতুৰ্থা-পঞ্চমা স্কুলত পঢ়ে। ভায়েক দুটা, সিহঁতো স্কুলত পঢ়ে।”

বং মনেৰে পৰমেশে কলে “বঢ়িয়া খবৰ দিলা কল্যাণ, ধন্যবাদ সম্প্রতি দিলো আকৌ ইয়াৰ পিছত মিঠাই খাবলৈ সাজুহৈ থাকা··· নহয় নহয়, এদিন তোমাক বেলৰে ৰেষ্টোৰাঁত ভিনাৰ খুৱাম জানিবা।”

কল্যাণে অবাকহৈ পৰমেশৰ মুখলৈ চালে। তাৰ মুখ আনন্দত উজ্জ্বল দেখি সুধিলে "খবৰটোৰ পৰা কি লাভ পালা যে দহটকা খৰচ কৰিব ওলালা ?"

পৰমেশে কলে "এয়া ডাঙৰ খবৰ বুজিছা ? আগেয়ে যিমানেই নকৰক নতুনকৈ তেওঁৰ মই অন্ততঃ পাঁচ হাজাৰৰ ইঞ্চিয়ৰ কৰাম চাবা"

এনে সময়তে চাকৰটো আলিলৈ আহি ভাত খাবলৈ মাতিলে। খোৱাবোৱা কৰি নিজৰ পঁজালৈ আহি কল্যাণে বিছনাত পৰি লেম দুমাই দিলে। পৰমেশৰ লগত ইতি পূৰ্ব্বে এনেকৈ কথাবাৰ্ত্তা পতাৰ সুযোগ পোৱা নাছিল। তাৰ লগত কথা পাতি কল্যাণে আজি নজনা কথা বহুত জানিলে।

অলপ পৰ তলকা মাৰি থকাৰ পিছত তাৰ টোপনিৰ মোজ লাগি আহিল। সেই সময়তে আলিত কুকুৰ এটাৰ বৰ বিকৃত মাতেৰে ভুকুভুকনি শুনি তাৰ অৰ্দ্ধসুপ্ত অৱস্থাৰ পৰা সি চকুখাই সাৰপালে। চকুমেলিলে, সিহঁতৰ ঘৰৰ কুকুৰটো বুলি প্ৰথমে ভ্ৰম হল। পঁজাৰ বেৰৰ জলঙাৰে জোনৰ পোহৰ সোমোৱা দেখি তাৰ মনত পৰিল গুৱাহাটীত আছে বুলি। কুকুৰটোৱে অলপ পিছুৱাই গৈছে যদিও ভুকিব এৰা নাই। তাৰ ঘৰৰ কুকুৰ লখাইলৈ মনত পৰিল। লখায়ে তাৰ লগ কেতিয়াও নেৰিছিল। তাৰ মৰমৰ ভায়েক-ভনীয়েক-আশালতা আৰু লখাই এই সকলোটিয়েই তাৰ অনুগত প্ৰিয় লগৰী আছিল। হঠাতে বাকীকেইটাক তললৈ ঠেলি দি আশালতাৰ ছবিখন তাৰ মনত স্পষ্টহৈ ভাহি উঠিল। তাৰ মনৰ সুপ্ত খংটোৱে মূৰ জোকাৰি

থিয়হৈ উঠিল। ভাবিলে তাই তাক পঞ্চাননে দিয়া মিছা অপবাদ আৰু কলঙ্কৰ আঘাততকৈও বেছি আঘাত দিছে। তাৰ মৰম ভৰিৰে গচকি; সদুপদেশ, অনুবোধ প্ৰত্যাখান কৰি তাক অপমান কৰি মৰ্ম্মান্তিক যন্ত্ৰনা দিছে। অথচ আশা আৰু লখাই, আজি কিমান বছৰ ধৰি তাৰ ছাঁটোৰ দৰে অনুগত ভক্ত আৰু লগৰী আছিল। ধমকৰ কথাই নাই মাৰ খায়ো উভয়ে তাৰ লগ নেৰিছিল। সেই আশা, তাইতকৈ তাৰ মৰমৰ লখায়ে ভাল। আশালতাই তাৰ মুখৰ টান কথা শুনি বা লপা-থপা খাই কান্দি অভিমান কৰি তাৰ পৰা অলপ আঁতৰি তাৰ ফালে পাছমুখ দি ভেম পাতি বহি থাকিলে তাইক নানান মিঠা কথাৰে প্ৰবোধ দি অভিমান ভাঙি আকৌ আগৰ নিচিনা কৰিব পাৰিছিল কিন্তু লখাইক মাৰ দিলে সি করুণ দৃষ্টিৰে তাৰ ফালে চাই কান্দি তাৰ সমুখৰ পৰা গলেও ওচৰতে কৰবাত লুকাই থাকি তাৰ কেৱল এবাৰ মাত্ৰ মাত শুনিবলৈ আগ্ৰহেৰে বাটচাই ৰৈ থাকিছিল। তাৰ মুখৰ পৰা 'লখাই' বুলি শব্দ ওলোৱাৰ লগে লগে কাঁড় অহাদি লৰি আহি তাৰ ভৰিত দীঘল দি পৰিছিল। স্কুললৈ গলে খেলিবলৈ গলে সিও পাছে পাছে গৈছিল। তাক মানা কৰিলে বাটতে আঠুকাঢ়ি পৰি সতৃষ্ণ নয়নে কল্যাণ আঁতৰি নাযায় মানে একে ঠাইতে একেৰাহে চাই থাকিছিল—কিজানিবা আহবুলি তাক মাতেই। লখাইলৈ তাৰ বৰ মৰম লাগিল। সিদিনা ছমাহৰ মূৰত কল্যাণক প্ৰথমে দেখি তাৰনো কি আনন্দ কিযে ফূৰ্ত্তি। একোবাৰ আঠুকাঢ়ি পৰে, একোবাৰ পাছঠেং দুখনত থিয়হৈ আগ ঠেঙেৰে ককালত সাবটি ধৰে—কোং

কোণ্ডায়, গোঁ গোঁৱাই নানা প্ৰশ্ন সোধে তাৰ ভাষাত খা-খবৰ কয়, মৰম কৰি সুঙে, কল্যাণৰ আঠুত তাৰ মূৰ দি আৰাম কৰে। এইবাৰ সি যেন কাল্যাণৰ লগকে এৰিব নোখোজে। এৰিলেই যেন কল্যাণ পলাই যাব। কালি গুৱাহাটীলৈ আহিবৰ সময়ত সি মানা কৰা সত্বেও লখায়ে তাৰ পাছ নেৰে। গাঁও এৰি আহি পথাৰ খনৰো আধামান আহিলত আকৌ তাক উভতিব কোৱাতো লখাই উভতি নগৈ বহুত দূৰে দূৰে থাকি তাক অনুসৰণ কৰি পথাৰখন পাৰহৈ আহিছিল। অৱশেষত কল্যাণে তাক ওচৰলৈ মাতি আনি গা-মূৰত হাত বুলাইদি বুজাই বঢ়াইহে ওভোতাই পঠিয়াব পাৰিছিল। লখায়ে মানুহৰ দৰে মাতিব নোৱাৰে, কথা কব নাজানে। তথাপি তাৰ ভাষাৰে কয় তাৰ প্ৰাণৰ কথা। তাৰ আত্মা আছে, সকলো জানে বুজে কিন্তু আশালতা? তাই মানুহ, তাইৰ আন সকলো আছে নাই আত্মা। তাই কৃতজ্ঞতা হীনা, প্ৰাণহীনা অমানুহ··· কল্যাণে মনতে উচ্চাৰণ কৰিলে, এতেকে তাইতকৈ লখাই শতগুণে ভাল, অন্তৰ ওপচি পৰা মৰমী, ভদ্ৰলোক···

কল্যাণে বাগৰ সলাই টোপনি যাবলৈ চেষ্টা কৰিলে কিন্তু টোপনি নাহে। তাৰ খংটো আশাৰ পৰা পিছলিগৈ পঞ্চাননৰ ওপৰত পৰিল। মনতে হুমিয়ালে, পঞ্চানন আৰু তাৰ অনুগত নিৰ্ব্বোধ ভঙুৱা দলক সি নিশ্চয় সাংঘাতিক দণ্ড দি প্ৰতিশোধ লব···এবাৰ ভাবিলে তাৰ মাক-বাপেকৰ হাক বাধা নামানি হঠাৎ শুচি অহাটো তাৰ অন্যায় হৈছে কিন্তু হঠাৎ শুচি নহাহলেও সি গাঁওত কাৰো আগত নাক দেখুৱাব নোৱাৰিলেহেঁতেন। পঞ্চাননে

প্ৰচাৰ কৰা মিছা কলঙ্ক গাঁওৰ দুই এজনে বিশ্বাস নকৰিলেও দহজনে বিশ্বাস কৰিছে। এই সকলৰ চকুৰ ঘৃণ্য দৃষ্টি, মুখৰ নিন্দা ব্যঙ্গ বিদ্ৰূপ সি সহ্য কৰিব নোৱাৰে, মূৰ থিয় কৰি আগৰ দৰে পোনহৈ বুকু ফিন্দাই চলিব নোৱাৰে। ভাবিলেই তাৰ মূৰ দোঁ খায়, অন্তৰ ক'লা পৰে। লাজতে তাৰ আন্ধাৰ চুকত থাকিবলৈ দৰকাৰহৈ পৰিলহেঁতেন কিন্তু বাদুলীৰ দৰে সি থাকিব নোৱাৰে আৰু মানুহৰ আগত ওলালেও যেন নাকটো কটা যায়। আনপিনে, তাৰ নিৰ্দ্দোষিতা প্ৰমাণ কৰিবলৈ তাৰ কোনো হাতেই নাই, সি নিৰুপায়। আশালতাই তাৰ উপদেশ মানি সিহঁতৰ ঘৰতে থকা হলেও সি হয়তো উপায় এটা পালেহেঁতেন কিন্তু তাই জেদ্ পাতি গুচি গলত গাঁওৰ মানুহ বিলাকে নিশ্চয় তাক দোষী বুলি ভাবি লৈছে। কল্যাণে মনতে ধৰি 'ললে তাৰ দেউতাক আৰু মাকে আশাৰ বিষয়ে অৱাস্তৱ কথাবোৰ তাইৰ আগত আলোচনা কৰাৰ বাবেহে তাই সিহঁতৰ ঘৰত নাথাকিল। তাৰ কথা ৰাখিব নোৱাৰিলে। কিন্তু দোষ তাৰ মাক-বাপেকৰ আৰু কু-পৰামৰ্শ দিয়া অধ্যাপক মুক্তাৰামৰ। তাৰ খং উঠিল, মাক-বাপেক, মুক্তাৰাম আৰু গাঁওৰ মেলকি বিলাকৰ ওপৰত লগতে গোটেইখন গঞাৰ ওপৰত। এই সকলে দয়া মমতা, সহায়-সহানুভূতি, ধৰ্ম্ম-নিষ্ঠা, সদাচাৰ সজ ব্যৱহাৰ আদি মানৱীয় গুণবোৰ পৰিহাৰ কৰি ধৰ্ম্মৰ নামত, পৰহিতৰ নামত, অধৰ্ম্ম আৰু অহিত কৰি, কদাচাৰ কুব্যৱহাৰ কৰি, কল্যাণৰ নামত অকল্যাণ কৰি নিৰ্দ্দয় নিষ্ঠুৰ অনুশাসনেৰে তাইক হত্যা কৰিবলৈ চেষ্টা কৰিছে কিয়...?

আশালৈ তাৰ অন্তৰত সহানুভূতিও উপজিল কিন্তু তাইৰ প্ৰতি বিৰূপ ভাবটোৱে আগৰ ভাবটো হেচি ছলপেলাই মূৰ দাঙি উঠিল। সি ভাবিলে, নাই তাৰ আগৰ প্ৰতিজ্ঞাৰ লৰচৰ নহয়. তাইৰ কোনো খা-খবৰ ভৱিষ্যতে নলয়। তাৰ সিদ্ধান্তত অটল অচলহৈ থাকিব।

কল্যাণে বাগৰ সলাই ঘুমটি যাবলৈ চেষ্টা কৰিলে। তাৰ টোপনি নাহে, গৰম সমূলি নাছিল যদিও তাৰ অন্তৰৰ অশান্তিত পিয়াহ লাগিল। মূৰ শিতানৰ ফালে থোৱা* পানী গিলাচ হাতমেলি আনি একে উশাহতে পি পেলালে। শৰীৰটো চেঁচা হল কিন্তু মূৰৰ গৰম আৰু মনৰ চট্‌ফটনি অকণো শাম নাকাটিলে গিলাচটো হাতত‌লৈ অলপ সময় বহিয়েই থাকিল। আৰু বেছি পানী থকা হলেও সি পি পেলালেহেঁতেন। মূৰত যেন জুইহে জ্বলিছে। কুমৰ বগ ছুডালে ধপ্ ধপ্ লগাইছে। নৈলৈ গৈ কেইটামান ডুব মাৰি আহিবৰ মন গল। গিলাচটো থৈ উঠি সি বাহিৰ ওলাল। নৈৰ পৰা চেঁচা বতাহ আহিব লাগিছে। আলিত ভৰি দিয়াৰ লগে লগে বতাহত তাৰ গা শিৰ শিৰাই উঠিল, জাৰেই লাগে। মূৰটোও যেন সেমেকি আহিবলৈ ধৰিলে ছখোজমান দিয়াৰ পিছতে মনত পৰিল গধূলি পৰমেশৰ লগত ফুৰা, তাৰ পিছতে মাধুৰী আৰু তাইৰ মাকৰ আদৰ চেনেহ আৰু আন্তৰিকতা। মাধুৰীৰ মাকক বৰ ভাল মানুহ বুলি বিশ্বাস হল যেন চিৰচেনেহী জননী। অলপ সময়ৰ ভিতৰতে তাক চেনেহৰ অক্টোপাশৰ বন্ধনত পেলাই নিজৰ লৰাৰ লগতে একে আসনতে বহুৱাই ললে। তাৰ মাকেও নিশ্চয় অচিনাকি লৰা এটা পাই

ইমান কম সময়ৰ ভিতৰত এনে বান্ধোনত পেলাব নোৱাৰিলে হেঁতেন। মাধুৰীৰ মাকৰ কিবা এটা বিশেষ গুণ আছে, যিটো তাৰ মাকৰ গাত দেখা নাই। মাধুৰীৰ মাকৰ জীৱন নির্ব্বাহ, চলন-ফুৰণ, আচাৰ ব্যৱহাৰ কথাবাৰ্ত্তা সকলো উন্নত ধৰণৰ। তেওঁলোকৰ সমাজখনেই মানে যদিহে ইয়াতো কিবা সমাজ আছে তেন্তে উন্নত ধৰণৰ। আৰু মাধুৰী? তায়ো বেছ ভাল ছোৱালী, বংচালী গাভৰু, শিক্ষিতা আৰু প্ৰগতিশীলা, সঙ্কোচ বিহীনা। কল্যাণৰ মনে গাঁওৰ ছোৱালী গাভৰু বিলাকৰ লগত বিজাই চালে। গাঁৱলীয়া গাভৰু হোৱাহলে কল্যাণৰ সৈতে এনেদৰে নিসঙ্কোচ ভাবেৰে কথা পতা দূৰৰ কথা তাৰ দুইএটা প্ৰশ্নৰ উত্তৰ দিওঁতে চাদৰৰ আঁচলখনকে কামুৰি ফালিলেহেঁতেন। মাধুৰী আৰু মাকৰ কথা ভাবি তাৰ মনটো পুলকিত হৈ পৰিল। সি ভাবিলে, তেওঁলোকৰ সংস্পর্শ লৈ অহাৰ সুবিধা পাইছে যেতিয়া মাক জীয়েকৰ আন্তৰিকতা পূর্ণ অনুৰোধ ৰাখি কলেজ নোখোলা-কেদিনলৈ এবাৰকৈ তেওঁলোকৰ ঘৰলৈ যোৱা বেয়া নহব। তেতিয়া হলে পৰমেশে কোৱা সাংসাৰিক অনভিজ্ঞতাও নিশ্চয় কমিব আৰু মনৰ গ্লানিৰে সৈতে আশালতাৰ কথাও পাহৰিব পাৰিব…তাৰ অজ্ঞাতসাৰেই ভৰি দুখনে তাক পঁজালৈ টানি আনিছিল। তৃপ্ত মনটোৰে সি বিছনাত দীঘল দি পৰিল।

তাৰ পিছদিনা। ৰাতিপুৱা পাওকটিৰে চাহ পানী খাই উঠি পৰমেশ ওলাই গলত সি অকলশৰীয়াহৈ পৰাত বিছনাতে দীঘলদি পৰিল। গুণ গুণ কৰে নিজৰ মনতে একাকি কবিতা আওৰালে। তেতিয়াই তাৰ নিজে লিখা কবিতালৈ মনত পৰি একে চাবেই উঠি

বাকচটো মেলি তাৰ ভিতৰৰ পৰা বহীছুখন উলিয়াই ললে। এটা কবিতাৰ, আনটো গল্পৰ। প্ৰথমে কবিতাৰ বহীখনকে মেলিলৈ হাতত কলমটো লৈ অলপ সময় আৰাধনা কৰিলে কিন্তু বিফল হল কবিতাই ধৰা নিদিয়ে...ইচ্ছা কৰিলেই জোৰ কৰি টানি আনি বহীৰ পাতত আবদ্ধ কৰি ৰখাৰ শক্তি নাই। গতিকে সেই আশা এৰি বহীখন আঁতৰাই থৈ আনখন মেলি ললে। বেছি পৰলৈ ভাবি থাকিব নালাগিল। লেখিবলৈ আৰম্ভ কৰি দিলে। মূৰ নোতোলাকৈ আৰু অলপো জিৰণি নোলোৱাকৈ সি কলম চলাই থাকিল। কিমান সময় উকলিল কব নোৱাৰে। এটা পৃষ্ঠা শেষ হওঁ হওঁ...

এনে সময়তে কানি-ছুৱৰীহৈ থকা ছুৱাৰখন অলপ মেলি মাধুৰীয়ে এখন ভৰি আৰু মূৰটো ভিতৰ কৰি পাছফালৰ পৰা মাত লগালে "কল্যাণ দাদা··· ?"

কল্যাণে চক্‌খাই পাছমুৱাকৈ চাই থিয় হবলৈ চেষ্টা কৰিলে। তাৰ বুকুখনে ধপধপালে। ইতিমধ্যে মাধুৰীয়ে সোমাই আহি তাৰ পাছফালৰ পৰা ছুয়ো কান্ধত হাত ছুখন দি বহুৱাই মুখেৰে কলে "নাই মুঠিব কল্যাণদা, বহক···" বুলি তাৰ সমুখত থকা বিছনাত বহি দাঁত জিলিকনি হাঁহি মাৰিলে।

কল্যাণ বাকৈয়ে 'নাৰ্ভাচ' হৈ পৰিল। মুখেৰে মাত একাষাৰকে নোলাল। কি কৰিব নকৰিব স্থিৰ কৰিব নোৱাৰি সি বহি থকা লোৰ চকীখনৰ পৰা থিয়হৈ এবাৰ সেইখনলৈ চাই নাক কোঁচালে। তাৰ পিছত অসহায় ভাবে পজাটোৰ ভিতৰখনত চকু ফুৰালে। তাৰ পজাৰ ভিতৰত আন এখন চালপীৰা পাৰিবৰ জোখাৰেহে মুকলি

ঠাই আছে। সম্পত্তিৰ ভিতৰত সি বহা লোৰ চকীখন, অকণ-মান মেজখন, বিছনাখন আৰু মূৰ শিতানৰ ফালে ট্ৰাঙ্কটোৰ ওপৰত সুটকেচটো থোৱা আছে। কল্যাণৰ মনলৈ বুদ্ধি এটা আহিলত কলে "তাত বহিব না···মানে মই সৌ ঘৰৰ পৰা ভাল চকী এখন আনো ব'ব···"

তাৰ কথাত বাধা দি খিল্‌খিল্‌কৈ হাঁহি মাধুৰীয়ে কলে "অ' আই, নালাগে নালাগে, ভাল চকীৰে কি হব? মোৰ বাবে নেকি কল্যাণদা, মই ইয়াতে আপোনাৰ বিছনাতে বহি বেছ আৰাম পাইছো। আপুনি উঠিল কেলেই, বহকচোন কথা পাতো।"

কল্যাণৰ মনৰ ভয় বাঢ়িল। এওঁ কয় কি! ইয়াতে বহি কথা পাতি পলম কৰিব খোজে? মিছা অপবাদৰ বোজাটোলৈ পলাই অহাৰ আজি তৃতীয় দিন। ইয়াত এওঁক এইদৰে দেখিলে তাৰ ফালে হৈছে আৰু। আকৌ এটা অপবাদ ইয়াত প্ৰচাৰ হব লাগিলে ইয়াৰ পৰাও পলাবলৈ বাধ্য হব। গাঁওলৈ, তাৰ ঘৰলৈ যাব নোৱাৰে। তেতিয়া কৰিব কি, যাব কলৈ? ভাগ্য ভাল যে পৰমেশ ওলাই গৈছে কিন্তু ওচৰ-চুবুৰীয়া বোৰবো তো চকু আছে, বাটেৰে আহ-যাহ কৰাবোৰে বা কি ভাবিব? ভয়ে ভয়ে অলপ কঁপা মাতেৰে সুধিলে "আপুনি ইয়ালৈ আহিল কিয়? কালি মই কিবা বোলেনে আহিবলৈ মানা কৰি আহিছিলো নহয়···"

তাইৰ হাঁহিৰে অকণমানি পজাটো মুখৰিত কৰি কলে "উৱা, বাতিটোৰ ভিতৰতে সকলো পাহৰি গল নে মই হঠাতে কিবা ডাঙৰ মানুহ এগৰাকীহে পৰিলো। দুদিন তুমি তামাকৈ মাতি

এতিয়া আপোনা-আপুনিত্ত ধৰিলে দেখোন কল্যাণদা? পিছে আপুনি থিয়হৈ থাকিল কেলেই, বহক আৰু', নহলে কথা পাতো কেনেকৈ?...

কল্যাণৰ বিমূঢ় ভাবটোৱে সমূলি এৰা দিয়া নাই। কালি মাধুৰীহঁতৰ ড্ৰয়িংৰুমৰ পৰিপাটি সাজ-সজ্জাৰ অপৰূপ শোভা দেখি আহি নিজৰ এই দীন-হীন পৰিবেশলৈ হঠাতে তাই আহি পৰাত দৈন্য ভাবটোৱে মনত পীড়া দিছে। তাৰ লগত অপযশৰ আশঙ্কা তো আছেই। তাৰ শাৰীৰিক বল-শক্তি যেন কৰ্পূৰৰ দৰে উৰি গল। কৈফিয়ৎ হিচাপে অলপ অস্বাভাবিক মাতেৰে কলে "মানে মই হোষ্টেলত ঠাই নাপাই আৰু আন ভাল ঠাই অৰ্থাৎ ভাল মেচ বিচাৰি নাপাই অগত্যা এই পজাটোতে থাকিবলৈ বাধ্য হৈছো। মই মানে কিবাবোলেনে আপোনাৰ.. নহয়, তোমাৰ অৰ্থাৎ তোমালোকৰ নিচিনা উ-উ-উন্নত ভদ্ৰ···ভদ্ৰ অৰ্থাৎ মহিলাক বহুৱাবলৈ স-সা-সজুলি ·"

মাধুৰীৰ হাঁহিয়ে তাৰ কথা ভগ পেলালে। লগতে সিও ভলমূৰ কৰিলে। মনত-খং উঠিল, সাধাৰণ কথাষাৰকো সি কিয় ঠিকমতে কব নোৱাৰিলে বুলি ভাবি। লাজতে তাৰ কাণ দুখন ৰঙা পৰিল। মাধুৰীয়ে তাৰ বিব্ৰত অৱস্থাটো বুজি নিজেই লাজ ভাঙি দিলে "অ' আই, কল্যাণদা, আপোনাৰ ওচৰত মই ভদ্ৰ মহিলাহে পৰিলো? আপুনি লাজ কৰিবলৈ কিটো আছে? মই কও শুনক" বুলি মুখ টিপি দুষ্ট হাঁহি মাৰি কলে "আপুনি মোক বৰণ কৰিও অনা নাই, নিমন্ত্ৰণ কৰিও অনা নাই। মই নিজে স্বেচ্ছাৰে আহিছো আপোনাৰ লগত দেখা কৰি দুষাৰ কথা পাতি

তৃপ্তি লভিম বুলি। মোক ভাল চকীত বহুৱাই সম্যাবোহেৰে অভ্যৰ্থনা কৰাৰ আৱশ্যকো নাই আৰু তাকে কৰিব মোৱাৰি লাজ পোৱা বা বিব্ৰত হোৱাবো কাৰণ নাই। কৈছো নহয় আপোনাৰ গাখীৰৰ ফেনৰ দৰে পাতি থোৱা কোমল বিছনাখনত বহি মই আৰাম পাইছো। মোৰ লগত দূৰত্বৰ ব্যৱধান ৰাখি কথা কলেহে কিন্তু মই বেয়া পাম। কালিৰ দৰে আপোন ভাবেৰে কওক চোন বাৰু ."

কল্যাণৰ মাতটো বহুত পৰিমানে স্বাভাৱিক হল। মনৰ সঙ্কোচ কমি আহিল। প্ৰশ্ন কৰিলে "কিন্তু তুমি হঠাতে ওলালা কিয় মাধুৰী দেৱী..."

"ৰক্ষা কৰক কল্যাণদা, মই দেৱী চেৱী নহয় দেই। দেৱী বুলিলে মোৰ ভয় আৰু দুখো লাগে। আমাৰ লগতে পঢ়া কেতকী মন দেৱীৰ চেহেৰা দেখি মোৰ পুৰ্তো ওপজে। মনতে ভাবো, ভাগ্য ভাল যে মই দেৱী নহলো।" বুলি হাঁহিলে।

এই কথা শুনি কল্যাণেও হাঃ হাঃ কৰে খোলা হাঁহি মাৰিলে। তাকে দেখি মাধুৰীৰ মনটো ভাল লাগিল। কল্যাণে নিজৰ সত্ত্বা ঘুৰাই পাই সুধিলে "কিন্তু তুমি ইয়ালৈ আহিলা কিয়? মানুহে দেখিলে কি কব বাৰু?"

মাধুৰীয়ে পাতল ভাবেৰে কলে "মানুহৰ চকু আছে যেতিয়া দেখিব আৰু মুখ আছে যেতিয়া কবও। আমি কাৰো চকুত কাপোৰ বান্ধি দিব নোৱাৰো, মুখতো সোপা দিব নোৱাৰো। পাহাৰত খুন্দা মাৰি বতাহে পাহাৰ বগৰায় নে নিজে উলটি ভিন পথ লয় কওকচোন? কথায়েকৰ ঘৰলৈ ভনীয়েক আহিলে

নাইবা বন্ধুৰ ওচৰলৈ বান্ধৱী আহিলে অথবা গুৰুৰ কাষলৈ শিষ্যা আহিলে মানুহৰ মাতিবলৈ কি অধিকাৰ আছে। আপুনি মিছা ভয় কৰি নাৰ্ভাচ হোৱাৰ প্ৰয়োজন নাই, কল্যাণদা।”

তাৰ গাঁওৰ ঘটনালৈ কল্যাণৰ মনত পৰিল। গাঁওত ওলোটাহে হ'ল মানে বতাহে খুন্দামাৰি পাহাৰকহে বগৰাই দিলে নিজে উলটি নগল। মাধুৰীয়ে ফুঁমাৰি উৰাই দিব খোজে যদিও ইয়াতো তেনে হব নোৱাৰে বুলি কল্যাণ সন্দেহ মুক্ত নহয়। সুধিলে “কিন্তু মাধুৰী, মাহীদেও অৰ্থাৎ তোমাৰ মা'য়ে মানা কৰা নাই আহিবলৈ নে মনে মনে মানে নোকোৱাকৈ আহিছা ?”

“ভয় নাই কল্যাণদা।” মাধুৰীয়ে উত্তৰ দিলে “সেই দুবিধৰ কোনো বিধেই নহয় জানিব। মায়েই মোক পঠিয়াইছে। আজি দুপৰীয়াৰ সাজ আমাৰ ঘৰতে খাবলৈ অনুৰোধ কৰি পঠাইছে আপুনি আপত্তি কৰিলেও তেওঁ নুশুনে বুলি কৈছে আৰুময়ো নেবো জানিব। তাৰ পিছত মোৰ নিজা দাবী এটাও আছে জানিব...”

মাধুৰীৰ মুখৰ দাবী শব্দটো শুনি কল্যাণে ভাবিলে মানুহে প্ৰিয়-পৰিজন আৰু এৰাব নোৱাৰা সুহৃদৰ ওচৰতহে দাবী কৰিব পাৰে। ইহঁতে তাক একে দিনাই সেই দুবিধৰ কিবা এবিধ বুলি ধৰি ললেই। তাৰ মনটো ভাল লাগি গল। অলপ অন্য মনস্ক হৈ পৰাত তাইৰ শেষৰ ফালৰ বাক্যটো নুশুনি সুধিলে “দাবী নে ? কিহৰ দাবী মাধুৰী ?”

“মানে,” মাধুৰীয়ে উত্তৰ দিলে “ভাত খাই উঠি তাতে জিৰাই

শতাই আবেলিৰ চাহ জলপান খাই মোৰ ছুজনী বান্ধবীৰ সৈতে আমাক লগত লৈ গৈ আপোনাৰ পালোৱানী ক্লাবত ভৰ্ত্তি কৰি দিব লাগিব।"

কল্যাণে কলে "তোমাৰ দাবী যেতিয়া মানিবলৈ বাধ্য। পিছে নিমন্ত্ৰণৰ কথাটোৰ পৰা মোক ৰেহাই দিয়া। কালি খাই আহিছো নহয়, আকৌ কেতিয়াবা খামগৈ। আজি নাযাওঁ। এতিয়া তুমি যোৱা দেই মাধুৰী।"

মাধুৰীয়ে গাকত কিলাকুটি থৈ আকৌ অলপ আৰাম কৰি বহি খিল্ খিল্‌কৈ হাঁহি মাৰিলে। তাৰ পিছত ৰহস্য কৰি কলে "আপুনি মাৰামাৰি কৰিবৰ সময়তহে বীৰ, আনফালে তেনেই ভয়াতুৰ শিশু। মোক খেদিব পাৰিলেই ৰক্ষা পৰে বুলি ভাবিছে যদি ভুল, কল্যাণদা। কওঁ শুনক, আহিছো যেতিয়া আপোনাৰ লগত কথা পাতি আপোনাকো লগতলৈহে যাম। এৰি যাম বুলি ভাবিছে নেকি? আপুনি নগলে মা'য়ে ভাত নাখায় আৰু ময়ো আপোনাক লগত নিব নোৱাৰিলে ইয়াৰ পৰা নুঠো।"

কল্যাণে নিজৰ ভয়াতুৰ অপযশটো গুচাবলৈ যত্ন কৰি আগতকৈ স্পষ্টবাদী ভাব দেখুৱাই কলে "কি ভয়াতুৰ দেখিলাহে? আচল কথা হ'ল, তোমাৰ লগত কথা পাতিবলৈ কোনো কথাকে বিচাৰি নাপাওঁ। সেইবাবে যাব কৈছো। নিমন্ত্ৰণৰ কথাটোলৈ এইদৰে জেদ পাতিলা কিয়?"

"অ', মই বুজা নাছিলো কল্যাণদা।" বুলি কৃত্ৰিম গাম্ভীৰ্য্যৰে তাই কলে "পাতিবলৈ কথা নাই যদি নাপাতিব বাৰু।" বুলিকৈ কল্যাণৰ বহী এখন হাতত্তলৈ পাত লুটিয়াই কলে "এয়া···এইখন

দেখোন বেছ কবিতাৰ বহী। আকৌ সিখনতনো কি লিখি আছিল, কলেজৰ নোট নিশ্চয় নহয়, কি কয় কল্যাণদা?"

কল্যাণে লাজুকীয়া হাঁহিৰে উত্তৰ দিলে "এৰা নোট নহয়, এইখন গল্পৰ বহী। মাজে সময়ে মন গলে ঘহি বহি গল্পকে লিখো আৰু তেতিয়াবা কিবা ভাব আহিলে কবিতাও লেখিবলৈ চেষ্টা কৰো।"

মাধুৰীয়ে সুধিলে "এতিয়াই দেখোন কৈছিল বোলে মোৰ লগত পাত্তিবলৈ কথাকে বিচাৰি নাপায়। পিছে গল্পবোৰনো কেনেকৈ লিখে? কাৰ কিহৃত চাই লেখে বাৰু?

আচৰিতহৈ কল্যাণে কলে "চাই লিখিম কিয়? নকল কৰি গল্প লেখিব পাৰি নেকি? চকুৰ আগতে দেখি শুনি থকা ঘটনাবোৰ লেখিলেই দেখোন একোটা গল্পহৈ পৰে। বকুল গছৰ তলত থাকি বকুলফুলৰ মালা চুৰ কৰিব লাগেনে খুজি আনিব লাগে? যিমান ইচ্ছা বুটলিলৈ মালা গাঠি পিন্ধা..."

"তেনেহলে গল্পবোৰো বকুলফুলৰ দৰে সৰি থাকে?"

তাতোকৈ বেছি মাধুৰী, গল্পবোৰ তোমাৰ আগেপাছে, চাৰিও-পিনে চকুৰ আগতে ভাহি থাকে, নাচি থাকে। কেৱল ধৰা আৰু তোমাৰ বহীত আবদ্ধ কৰি থোৱা। সময়ত তুমি ছয়োখন হাতেৰে ছুটা কাপ ধৰিলেও লেখি শেষ কৰিব নোৱাৰা..."

"তথাপি ভাবি ভাব মূৰ ঘমাব লাগে নিশ্চয় কিন্তু ইমান কষ্টনো কৰিব লাগিছে কেলেই? আমাৰ লগতে পঢ়া এজন লেখকে দেখোন বঙলা কিতাপ আৰু আলোচনীবোৰত ওলোৱা গল্পবোৰ হুবহু নকল কৰি নিজৰ বুলি চলাইদি বাহাচুৰি লয়।

অৱশ্যে তাৰ নামবোৰ সলনি কৰি নিজৰ ভাবাৰে অনুবাদ কৰে। তাৰবাদে কাহিনীৰ এনেকি বহুত শব্দবো অকণো সলচৰ নহয়। তেওঁ কয় যে সকলো মানুহৰ আকৃতি যেনেকৈ একে ৰকমৰ সেইদৰে সকলো গল্পও একে ৰকমৰ, কেৱল ঠাই বিশেষৰহে সালসলনি। একে ঘটনা সকলো ঠাইতে ঘটিব পাৰে।"

কথাষাৰ শুনি কল্যাণৰ অলপ খং উঠিল। সি কলে "তামোল এখন চোবাই খোৱা আৰু কোনোবাই চোবাই পেলোৱা চোবাটো বুটলি খোৱা একে কথানে মাধুৰী? উভয়ে তামোল যদিও তাত পাৰ্থক্য নাই বুলি কোৱা নেকি? মই কওঁ শুনা—ভিন ভিন দেশৰ মানুহৰ আকৃতি একেৰকমৰ থাকিব পাৰে কিন্তু আচাৰ-ব্যৱহাৰ, খাদ্যাখাদ্য, ধৰ্ম্মাধৰ্ম্ম আৰু নীতি-নিয়ম কেতিয়াও একে হব নোৱাৰে। গতিকে যিটো ঘটনা কলিকাতাত ঘটিছিল সেই একেটা ঘটনা গুৱাহাটী নাইবা তেজপুৰত ঘটিব বুলি তোমাৰ নকলনবীশ বন্ধুৱে কব নোৱাৰে। জাতি, সমাজ আৰু ঠাই ভেদে ভিন ভিন হবই লাগিব।

ইমান পৰৰ মূৰত কৃত্ৰিম গাম্ভীৰ্য্য এৰি মাধুৰীয়ে মিঠা হাঁহিৰে কলে "আপুনি কেৱল একেটা বিষয়তে উগ্ৰপন্থী নহয় কল্যাণদা, সকলো বিষয়তে দেখিছো একে। অৱশ্যে এটা বিষয়ত হলে তেনেই নাবালক···অসহায় শিশুৰ দৰে···"

"তাৰ মানে?"

"তাৰ মানে নিজেই বুজি লওক।"

"বুজিব নোৱাৰিহে সুধিছো আৰু'···"

মাধুৰীয়ে কল্যাণৰ মুখলৈ চালে। চকুৱে চকুৱে পৰাত উভয়ে

মুখ জিলিকনি হাঁহি মাৰিলে। মাধুৰীয়ে কলে "সেই বিশেষ বিষয়ৰ কথাটো নিজে বুজি পাওক, মই কৈনো কিয় শত্ৰু হওঁ? প্ৰথমে এটা উত্তৰ দিয়ক চোন, পৰহিৰ ঘটনাৰ সময়ত আলিত ইমান বোৰ বাটৰুৱা আছিল, কোনোবাই জানো মোক সহায় কৰিবলৈ আগ বাঢ়িছিল? পিছে, আপুনি কি সাহসেৰে দুজন মানুহৰ বিপক্ষে ফেৰ পাতিছিল?"

কল্যাণে অতি সহজ ভাবে উত্তৰ দিলে "অ, সেই সাধাৰণ কথাটোৰ বিষয়ে? তাৰ বিষয়ে কবলগীয়া কি আছে? দুজন কিয় দহজন থাকিলেও কল্যাণে অন্যায়ৰ বিৰুদ্ধে অকলে থিয় হবলৈ পৰোৱা নকৰে জানিবা।"

মাধুৰীয়ে কলে "সেই কাৰণে মই আপোনাক উগ্ৰপন্থী বুলি কৈছো আৰু আপোনাৰ দুৰ্জ্জয় সাহস দেখি অভিভূতহৈ পৰিছো থাওক বাৰু, কওক চোন কল্যাণদা, কবিতা লিখা সম্পৰ্কে আপোনাৰ অভিমত আৰু পৰামৰ্শ কি?"

"কেলেই, কবিতা লিখা নেকি তুমি? মোৰ অভিমত বা পৰামৰ্শ নো কি লাগে? মনলৈ ভাব আহিলেই তুমি কবিতা লেখিব পাৰিবা কিন্তু তাৰবাবে সাধনা লাগিব। তাতে আকৌ প্ৰাণৰ প্ৰেৰণাহে আচল বস্তু, সেইফেৰা নাথাকিলে নহব।"

"আপোনাৰ এই অভিমতত একেমত হব নোৱাৰিলো দেই কল্যাণদা। এৰা, কবিতা ময়ো লিখো আৰু প্ৰায় সদায়েই লিখো। ই আপোনাৰ গল্প লিখাতকৈ তেনেই উজু। কিয়নো কবিতাবোৰ পূৰ্ব্বাপৰ মানে তেনেই আদিযুগৰ পৰা আধুনিক যুগলৈকে একে ভাঁৱ-ধাৰাতেই চলি আহিছে। কেৱল শব্দৰ কচৰৎ মানে

শব্দবোৰ ওলট-পালট কৰি কৰবাত নিজেও নুবুজা ৰকমৰ দুৰ্বোধ্য কৰি বহুৱাওক, কৰবাত আকৌ তেনেই উজু কৰি পেলাওক, ফুলদানিত নানা তৰহৰ ফুল আনি সজোৱাৰ নিচিনা কেবাখনো কাব্যৰ পৰা আহৰণ কৰি সজাই দিয়ক, একেবাৰে নতুন ধৰণৰ উচ্চ ভাবমূলক কবিতা হৈ পাৰিব। তাহানি কবি বাল্মীকিৰ দিনৰ পৰা কবিতা, হয়তো তাৰ আগৰ পৰাও, কোনোবাই কেতিয়াবা লিখিছিল, তাকেই পৰবৰ্ত্তী কাল বোৰত ঘূৰাই পকাই নানা ৰং ৰহণদি সজাই পৰাই নিতৌ নতুনকৈ উলিয়াই আছে। ধৰক, যেনেকৈ একে গাখীৰৰ একে ছানা—তাৰে আপুনি ৰসগোল্লা লাড্ডু, লালমোহন, পান্তোৱা বা সন্দেশ আকৃতিৰে…"

কথাৰ মাজতে কল্যাণে হাঁহি দিলে। তাৰ পিছত কলে "কবিতা সম্পৰ্কে তোমাৰ নতুন অভিমত দেখি পুতৌ কৰিবৰ মন গৈছে মাধুৰী। ছানাৰ মিঠাইবোৰৰ কথা যে কলা তাক কৰিবলৈ ভাবৰ উৎসও নালাগে, প্ৰাণৰ প্ৰেৰণাও নালাগে। এবাৰ শিকি ললে সেইদৰে কৰি থাকিব পাৰিবা। কিন্তু কবিতাত সেই নিয়ম নাখাটে মানে চুৰকৰি ধাৰকৰি অৰ্থাৎ তোমাৰ কথাৰে নকল কৰি কবিতা লিখিব পাৰে, আৰু বহুতে লিখেও কিন্তু সেইবোৰ তুলাপাততে উৰলি যায়। কিতাপ আকাৰে ওলালে বা কিমান নিগনিৰ খাদ্য হয় কেনেকৈ জানিবা। যি নহওক, এই নকলনবীশ সকলৰ কেইজনে নামজ্বলা কবিহৈ দেশবৰেণ্য হব পাৰিছে কব পাৰানে?"

মাধুৰীয়ে কলে "আপুনি কথাষাৰ 'ছিৰিয়াছলি'. ললে কিয় কল্যাণদা? আমি তো আৰু নামজ্বলা কবি হোৱাৰ আশাৰে

কবিতা নিলিখো। আমাৰ উদ্দেশ্য বন্ধু-বান্ধৱী মহলত পঢ়ি শুনাই সিহঁতক দেখুৱাই বাহাদুৰি লোৱা আৰু দ্বিতীয়তে আলোচনীলৈ পঠোৱা। যদি কেনেবাকৈ কোনোবাটো সম্পাদকৰ চকুত খোচ মাৰি তেওঁৰ আলোচনীৰ পাতত জিলিকি উঠে সেয়ে আমাৰ গৰ্ব্বৰ গৌৰীশঙ্কৰ। গতিকে আপোনাৰ ভাবৰ উৎস নাইবা প্ৰাণৰ প্ৰেৰণাৰ প্ৰয়োজন আমাৰ নাই।"

"তেনেহলে" কল্যাণে কলে..."তুমি কবিতা নিলিখাহে উচিত মাধুৰী . "

"হেৰি কল্যাণদা," মাধুৰীয়ে মিনতি কৰি কলে "অনুগ্ৰহ কৰি আপুনি মোক মাধু বুলি মাতিলে বৰ ভাল পাম। ঘৰত আৰু বন্ধু-বান্ধৱীৰ দলত সকলোৱে মোক মাধু বুলি মাতে।"

কল্যাণে অলপ ভাবিলে তাৰ পিছত কলে "কিন্তু মইতো তোমাৰ বন্ধু-বান্ধৱীৰ দলৰ মানুহ নহও। গতিকে সেই নামেৰে মই নামাতো। যদি সংক্ষিপ্ত নামেৰে মাতিব লাগে তেন্তে তোমাক মধু বুলি মাতিব পাৰো, অৱশ্যে বেয়া নোপোৱা যদি "

ৰংমনেৰে মাধুৰীয়ে কলে "অ' আই, বেয়া পাম কেলেই? আপুনি যেনেকৈ প্ৰাণৰ প্ৰেৰণাৰে কবিতা লিখে সেইদৰে প্ৰাণৰ প্ৰীতিৰে দিয়া মধু নামে মোৰো কাণত মৌ বৰষি অন্তৰখন শাঁত কৰিব।"

কল্যাণে কিবা ভাবি লাজ পালে। তাৰ গাল-মুখ-কাণ সিন্দুৰৰ দৰে ৰঙাহৈ উঠিল। হঠাতে সি থিয়হৈ কলে "তুমি আহিলা, ইপিনে মোৰ ভগা-পঁজাত বহুৱাবলৈ নাই ঠাই, নাই সা-সজুলি। যি হল, হল বাৰু। পিছে এতিয়া কিহেৰে অভ্যৰ্থনা

কৰি সম্মান ৰাখো… ?” বুলি ওলাই যাবলৈ এখোজ দি কলে “আমাৰ চাহ-চেনি-গাখীৰ সকলো ভাল কিন্তু যিহে চাকৰ, সি চাহ কৰিলে মুখত দিব নোৱাৰি।

“সেইবুলি আপুনি চাহ কৰিবলৈ যাব নোৱাৰে, বহুকচোন কথা পাতো। চাহতকৈ বেছি সোৱাদ পাম, পিয়াহো পলাব।”

কল্যাণে ঘূৰি আকৌ বহি কলে “চাহ কৰিবলৈ মই গৈয়েই বা কি কৰিম? মই আকৌ তাতকৈয়ো কেঁচা। গুৱাহাটীলৈ অহাৰ আগেয়ে কোনো দিনেই মই নিজে চাহ কৰি খোৱা নাছিলো। কবলৈ হলে গাঁওত চাহ আমি প্ৰায় নাখাওঁ বুলিলেই হয়।”

আচৰিতহৈ মাধুৰীয়ে কলে “চাহ-নোখোৱাকৈ কেনেকৈ থাকে? মূৰ নাকামোৰেণে? কি খায় গাঁৱত?”

“মূৰ… ? চাহ নাখালে মূৰ কামোৰে নেকি? মই জনা নাছিলো মানে কোনো দিনেই মোৰ মূৰ কামোৰণি উঠা নাই। আমি কি খাওঁ সুধিছা? কওঁ শুনা, আমি খাওঁ গাখীৰ-কলেৰে কোমল চাউল, সান্দহ বা চিৰা। আৰু এনেয়ে মানে সময়ে-অসময়ে কুঁহিয়াৰ, বগৰী, অমৰা, মধুৰী-আম, লেতেকু, পণিয়ল, জলপাই আদি যেতিয়াই যিহৰ বতৰ হয় তেতিয়া সেই বস্তু খাওঁ। আম-কঠালৰ দিনত তো তাৰেই পেট ভৰাই দিওঁ। চাহৰ কথা মনতেই নপৰে…”

লোভাতুৰ নয়নেৰে মাধুৰীয়ে কল্যাণৰ মুখলৈ একেৰাহে চাই আছে। তাৰ কথাত অবিশ্বাসৰ থল নাই। তাৰ পিছত ওঠ

টিপি লাজুকীয়া হাঁহিৰে কলে “আমাৰ মানে ছোৱালীবোৰৰ পক্ষে আটাইবোৰ দেখোন লোভনীয় বস্তু কল্যাণদা—বিশেষকৈ টেঙা ফলবোৰৰ নাম শুনি মোৰ জিভাৰ পানী ওলাব খোজে। আপোনাৰ কথা শুনি আপোনালোকৰ ঘৰতে গৈ থাকিবলৈ মন গল দেখোন কল্যাণদা। এতিয়া উপায় ··?” তাই কটাক্ষ কৰিলে।

অলপ ভয় পাই কল্যাণৰ মনৰ ফুৰ্ত্তিটো কমি কলে “কিন্তু মধু, নাই তালৈ যাব নোৱাৰা। বৰ মস্কিল, মানে বিপদ এটা আছে অৰ্থাৎ তাত এখন সমাজ আছে। সেই সমাজখনৰ মাজত তিষ্টি থকাটো বৰ দুৰূহ।”

“কেলেই?” আচৰিতহৈ মাধুৰীয়ে সুধিলে।

কল্যাণে উত্তৰ দিলে “কেতিয়াবা কম বাৰু। সম্প্ৰতি ৰেষ্টোৰাঁৰ পৰা ছুপিয়লা চাহ অনাও বৰা মধু।” সি থিয় হল।

বাধা দি মাধুৰীয়ে কলে “নালাগে কল্যাণদা, আপুনি সাজপাৰ কৰি ওলাওক। যাওঁতে বাটতে ৰেষ্টোৰাঁত খাই যাম, সেয়ে ভাল হব।”

নাযাওঁ বুলিছিল যদিও মাধুৰীৰ অনুৰোধ এবাৰ নোৱাৰি অগত্যা কল্যাণে গাত কামিজটো সুমাইলৈ দুৱাৰত তলা লগাই তাইৰ সৈতে ওলাই গল।

— এঘাৰ —

আলিবাট পাই কল্যাণ আগবাঢ়িল। অলপ দূৰৈগে পাছ ফালৰ পৰা মাধুৰীয়ে কোমল মাতেৰে মাতিলে "কল্যাণদাদা!"

কল্যাণে কোনোবাই দেখে বুলি ভয়তে আৰু গাভৰু এগৰাকীৰ সৈতে বাজহুৱা আলিৰে যাব ধৰা লাজতে তাইৰ লগত সমানে খোজ নিদি বেগাই গৈছিল। কেইখোজমান আগবাঢ়িব পাৰিলে আলিৰ কেঁকৰিটো ঘূৰি অলপ নিৰ্ভয় হ'ব পাৰে। মেচৰ ওচৰ চুবুৰীয়াবোৰে সেইপিনে গলে নেদেখে। কোনোবাই দেখিছে যদি আৰু বা কি কেলেঙ্কাৰীখন হয়গৈ সেই কথাক ভাবি সি অন্যমনস্কও হৈছিল। আশালতাৰ মঙ্গলৰ বাবে সিদিনা তাইক লগত লৈ আহি কিযে মিছা অপবাদত পৰি গাঁও এৰি পলাই আহিল ··হঠাতে পাছফালে চিৰপৰিচিত কণ্ঠস্বৰেৰে 'কল্যাণদাদা' বুলি উচ্চাৰণ কৰা মাতটো আশালতাৰ যেনেই লাগি চক খাই ঘূৰি চালে। সি নিজৰ ভুল বুজিব পাৰিলে কিন্তু মাধুৰীয়ে সি চক্ খাই উঠাও নেদেখিলে আৰু তাৰ মনৰ ভাবো নুবুজিলে।

"সেই ফালেদি পোনাব খোজে নেকি?" মাধুৰীয়ে সুধিলে।

"এৰা," কল্যাণে কলে "এই পিনেৰে গলে সোনকালে নাপাম জানো?"

মাধুৰীয়ে কলে "সোনকালে পাবলৈ লৰি যোৱাৰ কোনো আৱশ্যক হোৱা নাই কল্যাণদা। এপাক ফুৰি যাওঁগে বলক। পানবজাৰত মোৰ কিবা সুবিধমান বস্তু কিনিবলগীয়াও আছে।

তাৰ পিছত ৰেষ্টোৰাঁত চাহ-টাহ খাই উঠি লাহে ধীৰে ডুপৰীয়াগৈ পালেও হব। নে আপোনাৰ কিবা আপত্তি আছে?" কল্যাণ থিয় হলত মাধুৰী ওচৰ চাপিলহি।

"আপত্তি .." বুলি কল্যাণে সেপ ঢুকি আকৌ কিবা কবলৈ মুখ মেলোতে মাধুৰীয়ে যেন তাৰ আগেয়ে কলে "এৰা, আপত্তি নাই বুলি জানো। পিছে দয়া কৰি অলপ লাহে লাহে খোজ দিয়ক কল্যাণদা, ফুটবল 'প্লেয়াৰৰ স্পীডত' যাব লাগিলে মোৰ ফালে আধ্যা পৰিব। নহলে ৰিক্সকে এখন লোৱা যাওক।"

ৰিক্সৰ নাম শুনি কল্যাণৰ বুকু কঁপি উঠিল। দিনৰ পোহৰত গাভৰু এজনীৰ সৈতে ৰিক্সত উঠি যোৱা কথা সি ভাবিবও নোৱাৰে। নিৰুপায় হৈ কল্যাণে অগত্যা নিজৰ অনিচ্ছা সত্বেও মাধুৰীৰ কথা ৰাখি খোজ লেহেম কৰি দি কলে "ৰিক্স কেলেই, খোজ কাঢ়িব নোৱাৰিবা নেকি?"

"লাহে লাহে গলে কিয় নোৱাৰিম? আপোনাৰ গতিবেগৰ লগত খোজ মিলাই হলে যাব নোৱাৰো। এৰা, এয়া ভাল বেগ হৈছে, কথা পাতি যাবও পাৰিম, ভাগৰো নালাগে।" বুলি মাধুৰীয়ে কল্যাণৰ নিচেই ওচৰলৈ আহি কথাৰ জোলোঙাখন মেলিলে। কল্যাণে বুজিলে যে তাই মাকৰ সমান হব পৰা নাই যদিও বেছ কথা চহকী। তাইৰ কথাৰ ভঁৰালটো যেন কোনোমতে উদং হব নোখোজে। মাক-দেউতাক, ভায়েক-ভনীয়েক, আদিৰ বৰ্ণনা শেষ কৰি নিজৰ কথা কলে যে আক ডেৰ বছৰৰ পিছত মেডিকেল পঢ়িবগৈ। দেউতাকে পঠাব খোজে দিল্লীলৈ, মাকৰ অমত। ডেওঁৰ মতে ডিব্ৰুগড়েই ভাল। মাকৰ কথা দেউতাকে

পেলাব নোৱাৰে। হঠাত সুধিলে "বাৰু আপুনিও যাবনে কল্যাণদা মেডিকেল পঢ়িবলৈ… ?"

"মইনে ?" টোপনিৰ পৰা সাৰ পোৱাৰ দৰে কিবা চিন্তাত মগ্ন হৈ থকা কল্যাণে সুধিলে "ক'লৈ ?"

"ডিব্ৰুগড় মেডিকেল কলেজলৈ ? তেতিয়া বঢ়িয়া হব, নহয়নে ?"

"মোৰ উপায় কতা ? মইতো চায়েন্সত ছীট নাপালো মাধুৰী।"

"অ' হয়। পিছে আকৌ মাধুৰী কৈছে কিয় ?"

"মনত নাছিল, মধু…"

"এতিয়াৰ পৰা পাহৰি নাযাব কিন্তু। নহলে মই খং কৰিম।" বুলি মাধুৰীয়ে এইবাৰ চিনেমা পাৰ্টি-বন্ধু-বান্ধৱী আদিৰ কথা বৰ্ণালে। কল্যাণৰ ভাগ্য ভাল যে তাই কেৱল সৰু-সুৰা দুই এটাহে 'হয়নে নহয়, বুজিছে ?' আদি প্ৰশ্ন কৰি গল আৰু তাৰ উত্তৰত 'এৰা, ওঁ' আদি উচ্চাৰণ কৰি সি ৰক্ষা পালে। ৰেল ষ্টেশ্যনৰ ওচৰ পোৱাত কল্যাণে সুধিলে "ষ্টেশ্যনলৈ আহিলা কিয় ?"

তেতিয়াহে কথাৰ সমুদ্ৰৰ পৰা বাহিৰ ওলাই মাধুৰীৰ তন্ময়তা ভাগিল। কল্যাণৰ দৰে নিৰ্ব্বাক শ্ৰোতা পাই তাই ইমান তন্ময়হে পৰিছিল যে তাই কেনি গৈছে কবই নোৱাৰে। হাঁহি মাৰি নিজৰ দোষ ঢাকি কলে "আপোনাৰ লগত এপাক ফুৰাহে উদ্দেশ্য। ইয়াত মোৰ কোনো কাম নাই। পিছে আহিলোৱেই যেতিয়া ওভাৰ ব্ৰিজত উঠি অলপ আৰাম কৰোগৈ বলক—বৰ ভাল লাগিব।"

ওভাৰ ব্ৰিজত উঠি দুবাৰ ইমূৰ-সিমূৰলৈ টহল দিলে। মাধুৰীৰ কথা ঠিক। কল্যাণৰ মনটো ফৰকাল হ'ল। ইয়ালৈ আহিবৰ তাৰ সময়ো নাছিল, ইচ্ছাও নগৈছিল। আজিহে প্ৰথমে ইয়াত উঠি পালে। সোঁমাজত থিয়হৈ দুয়োজনে চালে। উজনি মুৱা মেল যাবলৈ সাজু হৈছে। মূৰৰ টোপোলাৰে মুটীয়াবোৰ, হাতে-কান্ধে টোপোলাৰে বং বেৰঙৰ যাত্ৰী বিলাকৰ বুঢ়া-ডেকা, বুঢ়ী-গাভৰু, লৰা-ছোৱালী ; লৰা-ঢপৰা, হেচা-ঠেলা, কাজিয়া-পেচাল, গণ্ডগোল, হাই-হাহাকাৰ, ফেৰীৱালাৰ চিঞৰ-বাখৰ, আৰু যে কিমান কি—গাৰ্ডৰ হুইছেল, ইঞ্জিনৰ বিকট আটাহ। তাৰ পিছত ৰেলখনে শব্দ কৰি চলিবলৈ আৰম্ভ কৰি ক্ৰমে চেকুৰ মাৰি নেদেখা হৈ গল। তেতিয়ালৈকে দুয়োজনে নিমাতহৈ আছিল। ৰেল নেদেখা হৈ যোৱাত মাধুৰীয়ে সুধিলে "কেনে লাগিল কল্যাণদা ?"

কল্যাণৰ মনটো পুলকিত হৈছিল। উত্তৰ দিলে "বৰ ভাল লাগিল মধু। তোমাৰ যহত আজি প্ৰথমে ইয়ালৈ উঠিলো।"

মাধুৰীয়ে কলে "আমি মাজে সময়ে দুই এদিন আহো অৱশ্যে। বৰ আনন্দ পাওঁ। বলক এতিয়া পানবজাৰলৈ যাওঁ।"

পানবজাৰ পাই মনোহাৰী দোকান এখনত সোমাই তাই কেইপদমান বস্তুৰ নাম কলে। দোকানীয়ে বস্তুবোৰ আনি সমুখৰ মেজত ৰাখিলে। চাই চিতি মাধুৰীয়ে পছন্দ কৰি কল্যাণৰ সমুখত দি কলে "চাওকচোন কল্যাণদা, এইবোৰ আপোনাৰ পছন্দ হয়নে ?"

কল্যাণ হতবাক হল। এইবোৰ বস্তু কিনা দূৰৰ কথা ইতি-পূৰ্ব্বে হাতত লোৱাবো সুযোগ ঘটা নাছিল। কি অভিমত দিব !

বুদ্ধি কৰি উত্তৰ দিলে “তোমাৰ ব্যৱহাৰৰ বস্তু, তোমাৰ পছন্দমতে কিনাহে ভাল, মধু।” বুলি সেইবোৰ হাতত লৈ একোবাৰ চাই ললে।

মাধুৰীয়ে মিচিকিয়াই হাঁহি সৰুকৈ কলে “এতিয়া যেনিবা গা এৰা দিলেই। পিছে বিয়া কৰাবৰ সময়ত কৰিব কি, গা এৰা দিব পাৰিব জানো? ন-বৌক কিনি দিব নালাগিবনে?”

কল্যাণৰ বুকুখনে ধপ্ধপাই উঠিল। দোকানীজন ওচৰত নাই, ফাৰাকতহে গৈছে। মনলৈ সাহ আহিল। ৰহস্য কৰি কলে “বিয়া যদি কোনোবা খেদেলী-লেতেৰী-ফেদেলী বিধৰ লগত হয় তেতিয়া সিহঁতে এইবোৰ খুজিবলৈ সপোন দেখিলেহে সাধনি ধৰিব পাৰিব। আনপিনে যদি তোমাৰ নিচিনা...” তাৰ লাজ-টোৱে আগুৰি ধৰিলে। জিভাৰ আগটোত কামুৰি ধৰি মুখ ঘূৰাই আলিৰে যাব ধৰা মটৰখনলৈ চালে।

মাধুৰীয়ে তাৰ ভাব বুজি পালে। হঠাতে উপমা দিবলৈ গৈ বপুৰাই ঠেকত পৰি লাজ পাইছে। মনত আনন্দ উপভোগ কৰি গহীন মাতেৰে সুধিলে “কথা অসমাপ্ত ৰাখি কি চাইছেনো কল্যাণ দা? কওক মোৰ নিচিনা মানে কি? মোক কিবা গালি পাৰিব খুজিছিল? নে মোৰ নিচিনা ছোৱালী বিয়া নকৰায় বুলি কব খুজিছিল?”

বিপদত পৰিল যদিও কল্যাণে মিছা কব নোৱাৰে আৰু ঘূৰাই পকাই কোৱাও অভ্যাস তাৰ নাই। তাইৰ প্ৰশ্নৰ উত্তৰ নিদিলেও তাই মনতে কিবা ভাবিব। গতিকে কৈ পেলালে “সেই ছুবিধৰ এবিধো নহয়। মই কব খুজিছিলো যে তোমাৰ নিচিনা বোৰে নিজৰ বস্তু নিজে পছন্দ কৰি কিনিব পাৰিব।”

ৰহস্য কৰি মাধুৰীয়ে গহীন মাতেৰে কলে “অ’ বুজিলো এতিয়া, মোৰ নিচিনাবোৰৰ কথা ভাবিছিল, মোক বিয়া কৰোৱা কথা ভবা নাছিল ?”

কল্যাণৰ গাল-মুখ-কাণডুখন সেন্দুৰ যেন ৰঙাহৈ পৰিল, তাৰ মুখলৈ চাই মাধুৰীয়ে আনন্দ উপভোগ কৰি মনতে গালে ‘বেচেৰা·· তেনেই সৰল, লৰামতীয়া’। সেই সময়তে দোকানীয়ে কেছ-মেমো লৈ আহিল। সেইখন লৈ ভেনিটীবেগৰ পৰা দহটকীয়া নোট এখন উলিয়াই তাক দি বস্তু কেইপদ তাতে সুমাই ললে।

দুয়ো ওলাই আহি আলিত ভৰি দিয়াৰ লগে লগে কল্যাণে নিজৰ মনত উচ্‌পিচাই থকা কথাটো কৈ পেলালে “তুমি মুখৰ মাততে দহটকা পানীত পেলালা মাধুৰী।”

মাধুৰীয়ে অভিযোগ কৰিলে “আকৌ মাধুৰী কৈছে ;”

“পাহৰি গৈছিলো···”

“আকৌ নাপাহৰিলেই মই ভাল পাম।” মাধুৰীয়ে কলে “পিছে কল্যাণদা, টকা দহটা পানীত পেলোৱা বুলি কিয় কলে ? এবটল ‘বচেৰা-ৰোজ’ চেণ্ট, এচিচি ‘ফিমেল ফেমাচ’ কিউটেক্স, এডাল ‘ফ্ৰান্স-বিউটি’ লিপষ্টিক, আৰু এদজন ‘হেয়াৰ পিন’ৰ দাম আন দোকানত অন্ততঃ বাৰ টকা ললেহেঁতেন। এইখনত বহুত সস্তা দেখিছে···”

“সেই কথা মই কোৱা নাই। মই কৈছো হাতৰ মুঠিতে লুকোৱা তোমাৰ এই বস্তু কেইটাৰ দহটকা মূল্যৰ কথাহে, তাৰে তোমাৰ হাতৰ সোনাখনৰ চুক এটাও নভৰিল।”

মাধুৰীয়ে অলপ উষ্মা প্ৰকাশ কৰি কলে “সোনা নকব, এইটোৰ

নাম নাজানে ? ভেনিটীবেগ। চুক এটা নতবাৰ কথা কি কৈছে ? এয়া মোৰ হাতৰ আঙুঠিত আধা তোলা সোণহে আছে। বাথৰে সৈতে পৰিছে আশীটকা। বস্তুৰ আয়তন চাই মূল্য হয় নেকি ? আপুনি নাজানে, এই কেইটা বঢ়িয়া বস্তু। কেৰাণীৰ ছোৱালীয়েতো কিনা দূৰত থাওক চকুৰেও দেখা নাই হবলা।”

কল্যাণে মাধুৰীৰ গৰ্ব্বভৰা মুখলৈ চাই কলে “কেৰাণীৰ ওপৰত তোমাৰ নিশ্চয় আন্তৰিক ঘৃণা বা খং আছে, মধু। সদায় কেৰাণীৰ ছোৱালীক তাচ্চিল্য কৰা দেখিছো।”

“নহয় কল্যাণদা, বিশ্বাস কৰক, তাচ্চিল্য কৰি কোৱা কথা নহয়, সঁচা কথাহে কৈছো। আপুনি চাই আহকচোন, তেওঁলোকে কি কি ভাল বস্তু খাব-লবলৈ পায়, কি কি আমোদ প্ৰমোদ উপভোগ কৰিব পাৰে, কেইদিন কেইটা পাৰ্টি দিব পাৰে ? মুঠ কথা কবো বুলি কি ভাল কাম কৰিব পাৰে ?”

তাইৰ কথাত বাধা দি কল্যাণে কলে “ব’বা মধু, মই কওঁ শুনা, কেৱল কেৰাণীৰ ছোৱালীয়েই নহয়, শতকৰা পচানব্বৈ জনৰ লৰা ছোৱালীয়ে তোমাৰ নিচিনা অযথা ধন ভাঙি তুমি কোৱাৰ দৰে মজা উপভোগ কৰিব নোৱাৰে। তাৰ ভিতৰত শতকৰা দুজনমানহে কেৰাণীৰ ছোৱালী হব পাৰে। বাকীবিলাক আন চাকৰিয়াল, ব্যৱসায়ী, অথবা খেতিয়ক। গতিকে মই বিমান দূৰ বুজিব পাৰিছো তোমাৰ মনৰ উষ্মা শতকৰা দুজন মানুহৰ প্ৰতিহে। তাৰ কাৰণটো বুজিবলৈ এতিয়া বাকী নাই, মধু।”

“বুজিছে যদি কওকচোন কাৰণটো কি ?”

কল্যাণে সৰলভাবে পোন পটীয়া উত্তৰকে দি পেলালে “ইয়াকে

বুজিলো যে তুমিও এদিন কেৰাণীৰ ছোৱালী আছিলা। সম্প্ৰতি ভাগ্যগুণে ধোবাৰ নীলৰ থালিত পৰি নীল বৰণীয়া শিয়াল হব পাৰিছা।"

মাধুৰীৰ মুখখনে কেঁহৰাজৰ ৰসৰ দৰে ৰং ধৰিলে। কল্যাণৰ মুখৰ পৰা ওলোৱা সৰল, সঁচা কথাষাৰে যে শেলপাটৰ দৰে তাইৰ বুকু ভেদ কৰি মৰ্ম্মস্থলত ইমান জোৰে আঘাত হানিব প'ৰে সেই কথা তাই বুজি পোৱা নাছিল। সি মিছাও কোৱা নাই আৰু ব্যঙ্গ বা কটূক্তিও কৰা নাই। গতিকে অস্বীকাৰ কৰিবও নোৱাৰে তাক খং কৰাৰো উপায় নাই। তদুপৰি বাট নাই প্ৰতিবাদ কৰিবলৈ। কথাষাৰে যিমানেই আঘাত নকৰক হাঁহিমুখে বুকু পাতি লবলৈ আৰু যিমানেই তিতা নালাগক সহজভাবে হজম কৰিবলৈ তাই বাধ্য হল। তাই মনটো প্ৰকৃতিস্থ কৰি কলে "কেৰাণী শব্দটো হঠাতে ওলাল যদিও কথাষাৰ হলে তেনে ভাবত কোৱা নাছিলো কল্যাণদা। বিশ্বাস কৰক, মই আটাইবোৰৰ কথাহে কৈছিলো।"

"বিশ্বাস কৰিলো মধু কিন্তু এই ক্ষেত্ৰতো মোৰ কবলগীয়া যুক্তি এটা ওলাল। মানে মই আগেয়ে কোৱা শতকৰা পচানব্বৈ জনৰ ভিতৰত বেছি ভাগে তোমালোকতকৈ বেছি ধনী মানুহ আছে। সিবিলাকৰ মাহেকীয়া বা বছৰেকীয়া বাজেটত ধাৰ নহৈ সদায় বাহিহে হয়। বেঙ্কত সদায় শকত ডিপোজিট থাকে। ইচ্ছা কৰিলে তোমালোকতকৈ বেছি খৰচ কৰিব পাৰে কিন্তু তেওঁলোকে অযথা অপব্যয় নকৰে। তাৰ পিছত বাকী অংশ মানুহৰ কথা মানে যিবিলাক নিৰ্ধনী সেই বিলাকৰ কথা কওঁ শুনা, সিবিলাকৰ

ধন ভঙাৰ শক্তি-সামৰ্থ্য নাই সেই কাৰণে তোমালোকৰ দৰে অতিৰিক্ত আমোদ-প্ৰমোদ উপভোগ কৰাৰ কথা নাইবা ব্যয়বহুল অনাৱশ্যকীয় খাদ্যাখাদ্য খাই সুন্দৰ শৰীৰক ব্যাধি মন্দিৰ কৰাৰ কথা মনলৈকে নানে। আৰু জানানে মধু, এই ব্যয় বহুল জীৱন নিৰ্ব্বাহলৈ চাই দুই এজনক বাদে হা-হুতাশ কৰা মানুহ তুমি কমেই বিচাৰি পাবা।"

মাধুৰীয়ে কলে "আপোনাৰ কথা ঠিক হব পাৰে কিন্তু কল্যাণদা, এনেকুৱা সুন্দৰ জীৱনটো সুখ স্বাচ্ছান্দৰে উপভোগ কৰিব নোৱাৰি যদি দুখতে কটাব লগীয়া হল তেনেহলে জীৱনৰ সাৰ্থকতা ক'ত ?"

"জীৱনৰ সাৰ্থকতা মানে তুমি কি বুজাব খুজিছা মই ধৰিব পৰা নাই, মধু। লাহ-বিলাহত দুয়োহাতে ধন অপব্যয় কৰাটোৱেই যদি তোমাৰ মতে জীৱনৰ সাৰ্থকতা বুলি কব খোজা সেই কথা মই মানি নলও।"

মাধুৰীয়ে কলে "স্বীকাৰ কৰিবলৈ বাধ্য। ধৰক গৰু-ছাগলীয়েও খায় আৰু মানুহেও খায়। এতেকে গৰু-ছাগলীৰ দৰে কোনোৰকমে খাই-বৈ জীয়াই থকাটোকে যদি জীৱনৰ উদ্দেশ্য বুলি কব খোজে তেনেহলে উভয়ৰ মাজত পাৰ্থক্য কি থাকিল ?"

কল্যাণে হাঁহি কলে "ঠিক কৈছা মধু কিন্তু কথাষাৰৰ অৰ্থ ওলোটাকৈ কৰিলা। আচল অৰ্থটো মই কওঁ শুনা—মানুহে গৰু-ছাগলীৰ দৰে কেৱল খোৱা-বোৱাতে অমূল্য জীৱনটো ব্যস্ত কৰি নাৰাখি ভাল কামত লগাই জীৱন সাৰ্থক কৰিব লাগে। তেহেলৈ তুমি শাক-ভাতকে খোৱা বা বাদছাহী খানাকে খোৱা

সেইটো কোনো ডাঙৰ কথা নহয়। কাম কৰাৰ নিমিত্তে মানুহ জীয়াই থাকিব লাগে আৰু জীয়াই থকাৰ কাৰণে স্বাস্থ্যৰক্ষাৰ নিমিত্তেহে খাব লাগে। গতিকে জীয়াই থকাহে ঘাই লক্ষ্য, খোৱাতো নহয়।"

মাধুৰীয়ে দৃঢ় কণ্ঠেৰে আপত্তি কৰি কলে "কেতিয়াও নহয়, মই আপোনাৰ কথা নামানো কল্যাণদা। মই জানো আৰু এখন কিতাপতো পঢ়িছিলো—আনন্দ উপভোগেই প্ৰকৃত জীৱন। সেয়েই মানুহৰ প্ৰধান বা চৰম লক্ষ্য হোৱা উচিত। নহলে…"

মুখৰ কথা কাঢ়ি নি কল্যাণে কলে "নহলে জীৱনটো অসাৰ্থক হব বুলি তুমি কব খুজিছা। কিন্তু মই কওঁ শুনা—অকল খোৱা লোৱা বা আমোদ-প্ৰমোদে মানুহক অনাবিল আনন্দ দিব নোৱাৰে। আনন্দৰ মূলতে সুস্থ মনটোহে। অসুস্থ মন সদায় অসন্তুষ্ট। অসন্তুষ্ট মনলৈ আনন্দৰ আগমন হব নোৱাৰে। তুমি কোৱা ভাল খোৱা-লোৱা-আনন্দ উপভোগ আদিৰ কোনো ধৰা-বন্ধা সূত্ৰ নাই মধু। ধৰা, তুমি হয়তো বজকৰা কেক-বিস্কুট-চপ-কাটলেট ইত্যাদিৰে চাহ খাই ভাল খাদ্য খোৱা বুলি ভাবি আত্মতৃপ্তি লাভ কৰিব পাৰা কিন্তু মই হলে এবাঁটি খাঁটি গাখীৰেৰে এখামোচ গুৰ, ছুটা পকা কলৰ লগত কোমল চাউল বা চিৰা সানি খাইহে বেছি পৰিতৃপ্ত হম আৰু নিসন্দেহে প্ৰমাণ কৰিব পাৰিম যে তোমাতকৈ মোৰ খাদ্য উত্তম। তাৰ পিছত লাহ-বিলাহৰ সাজপাৰ আৰু সামগ্ৰীৰ বিষয়ে কওঁ…"

"কি কব?" অলপ উত্তেজিত হৈ মাধুৰীয়ে কলে "সেইবোৰ বস্তু নালাগে বুলি আপুনি কেতিয়াও কব নোৱাৰে কল্যাণদাদা।"

"কিয় নোৱাৰিম মধু ?" কল্যাণে কলে "ধৰা এতিয়াই তুমি যি চাৰিপদ বস্তু কিনিলা সেইবোৰৰ নাম আমি শতকৰা পচানব্বৈ জনেই নাজানো। মোৰ কথাকে কওঁ শুনা—মই মণ্ডলৰ লৰা। দেউতাই মাহিলী ত্ৰিশ টকাহে দৰমহা পায়। সেই আটাইবোৰ টকাকে আমাৰ খৰচ কৰিবলৈ ঠাই নাই। খেতিৰ ধান, মাহ, বাৰীৰ শাকপাচলি. ফল-মূল, ঘৰৰ গাখীৰ আদিৰে চলিযায়। ধান আৰু বাৰীৰ তামোল-পাণ আদি বেচি বছৰি যি চাৰি হাজাৰ মান পায় তাৰে হয়তো মাটি কিনে নহলে জমা ৰাখে। পিছে কোনেও কব নোৱাৰে যে আমাৰ স্বাস্থ্য বেয়া। মোৰ যিজনী ভনী আছে তাই তোমাতকৈ বয়সত বহুত সৰু যদিও তাইৰ এটা ভুকু সহ্য কৰাৰ শক্তি তোমাৰ শৰীৰত নাই জানিবা। ৰূপৰ ফালেৰে কব লাগিলে তাই দেখিলেই চকুবোৱা বিধৰ। মুখত ৰং সনা বা প্ৰসাধন কৰি পাখিলী হোৱা কথা তাই দেখাতো নায়েই শুনাও নাই। তোমাৰ এই লেখিয়া মহামূল্যবান বস্তুবোৰ তাইহে নালাগে আমাৰ মা-দেউতায়ো দেখা নাই। তাইৰ গালৰ ভেজ ফুটি ওলাওঁ ওলাওঁ হৈ থাকে। অথচ মই দেখিছো ইয়াত বহুত ছোৱালীৰ গালত কিবা সানি ৰঙচুৱা কৰি লয়। কিন্তু ললে কি হব ? খৰে খোৱাৰ নিচিনা ওখোৰা মোখৰা গাল বোৰক জানো স্বাভাৱিক ৰূপ দিব পাৰে ? তোমাৰ লিপষ্টিকেৰে ৰক্তগোলাপ যেন কৰি থোৱা ওঠ দুটা জানো স্বাভাৱিক ৰঙৰ। মোৰ ভনীৰ ওঠদুটা এনেয়ে তেজী-ৰঙা। গতিকে দেখিবলৈ ধুনীয়া, নহয় জানো ? তাৰ পিছত শুনা, আমোদ-আহ্লাদ উপভোগ আদিৰ কথাযে কৈছা সেই বিষয়ে তোমাৰ কোনো অভিজ্ঞতা নাই।"

"কিয় কল্যাণদা ?"

"কাৰণ তোমাৰ ঘৰৰ, প্ৰিয় পৰিজনৰ, বন্ধু বান্ধৱীৰ আৰু ইয়াত দেখা শুনা, নাম নজনা বিধৰ পৰিচিত-অৰ্দ্ধপৰিচিত কিছুমানৰ বাহিৰে আন অভিজ্ঞতা তোমাৰ সমূলি নাই। চহৰৰ পৰা তোমাৰ জীৱনত জানো কেতিয়াবা গাঁওলৈ গৈছা ? গতিকে নজনা-নুশুনা কথালৈ তুমি লোকক সমালোচনা কৰিব নোৱাৰা। এইদৰে অপব্যয় নকৰিও, পাৰ্টি-পিকনিক চিনেমা আদি উপভোগ কৰাৰ ভাগ্য নঘটিলেও সকলোৱে আনন্দ উপভোগ কৰে জানিবা। আৰু মই কওঁ তোমালোকতকৈ কোনো গুণে কম নহয়। জীৱনৰ সাৰ্থকতাৰ কথা সুধিছিলা নহয় ? তাৰ উদাহৰণ নো দুই এটা কি দিম, তুমি বিচাৰি চালে ভুৰি ভুৰি উদাহৰণ পাবা যে তোমালোকৰ শ্ৰেণীৰ মানুহতকৈ দুখীয়া শ্ৰেণীৰ মানুহৰ পৰাহে বহুত খ্যাতিমন্ত পুৰুষে সময়ৰ বালিত খোজ থৈ যাব পাৰিছে। এতেকে জীৱনৰ সাৰ্থকতাৰ আচল অৰ্থ কি তুমি নিজেই ভাবি চোৱা, মধু ?"

কল্যাণৰ কথাত প্ৰতিবাদ কৰিবলৈ যুক্তি বিচাৰি নাপাই অন্তৰথনৰ দৰে মাধুৰীৰ মুখখনো ক'লা পৰিল। তথাপি তাইৰ মনৰ গৰ্ব্বটোৱে হলে সেও মানিব নোৱাৰি ভাবিলে যে কল্যাণক নিশ্চয় জব্দ কৰিবই লাগিব। কল্যাণৰ উক্তি সঁচা আৰু যুক্তি সাকৰা হলেও মাধুৰীৰ মনে তাক মানি লব নোৱাৰে—নলয়। কিন্তু এতিয়া তাইৰ টেঙা মনটোৱে অবাস্তৱ তৰ্ক নকৰি সময় আৰু সুযোগলৈ বাটচোৱাহে উচিত হব। তাকে স্থিৰ কৰি কলে "বলক কল্যাণদা, মোৰ ডিঙি শুকাল আৰু আপোনাকো চাহ খুৱাম বুলিছিলো নহয়, সোৱা ভাল ৰেষ্টোৰাঁ......"

ভাল মনত পেলাই দিলা মধু। ইমান সময় কথাৰ নিচাত পাহৰিয়েই আছিলো বেয়া নাপাবাদেই। পিছে খুওৱা কৰ্ত্তব্যটো মোৰহে, তোমাৰ নহয়।"

দুয়োজনে ৰেষ্টোৰাঁৰ ভিতৰ সোমাই আওচেৰীয়াকৈ থকা টেবিল এখনৰ ওচৰত বহিল। কল্যাণে কলে "পিছে মধু, তোমাৰ ৰুচি কিহত কোৱাচোন, কি কি অৰ্ডাৰ দিওঁ বাৰু?" টেবুলত সজাই থোৱা মেনুখনলৈ আঙুলিয়ালে।

মাধুৰীয়ে কলে "আপোনাৰ যদি মই আলহী ভেনেহলে আপোনাৰ ৰুচি মতে অৰ্ডাৰ দিলেই হব, মোৰ আপত্তি নাই।"

কল্যাণে কলে "বেছ কলা মধু, ধন্যবাদ। মই অৰ্ডাৰ দিবলৈ হলে সাধাৰণ ভাবেহে হব কিন্তু। অতিৰিক্ত হলে আকৌ দুপৰীয়া খোৱা টান হব। এতেকে দুখনকৈ পৰঠা, একপ্লেটকৈ কাৰী, এটাকৈ ওমলেট আৰু এপিয়লাকৈ ওভালটিন। হবনে?"

হাঁহি মাৰি মাধুৰীয়ে চকু দুটা ডাঙৰকৈ মেলি কলে "সৰ্ব্বনাশ কল্যাণদা ৰক্ষা কৰক। আলহীক আপ্যায়িত কৰিব খোজেনে শত্ৰু শালিব খোজে? ইমানবোৰ সুমাব লাগিলে মোৰ পেট ফাটি যাব। মোৰ বাবে কেৱল ওমলেট এটাৰে ওভালটিন একাপ হলেই যথেষ্ট হব। অৱশ্যে তাৰ লগত দুখন বিস্কুট অথবা এটা কেক চলাই দিব পাৰো কোনোমতে।"

কল্যাণে ৰহস্য কৰি কলে "পেটৰ মোনাখন ইমান অকণমান যদি মিছাকৈ খাওঁ খাওঁ কৰা কিয়হে মধু? নাখালেও পাৰা দেখোন। বাৰু সংশোধন কৰি তোমাৰ মতেই 'লাইটফুড'ৰ অৰ্ডাৰ

দিওঁ। এটা চপ্, এখন ওমলেট, এটা কেক আৰু এপিয়লা ওভালটিন।" বুলি বয়টোক অৰ্ডাৰ দিলে।

সেই সময়তে নিজৰা নামৰ বাংঢালী গাভৰু এজনীয়ে হাতৰ সোণালী কাৰুকাৰ্য্য কৰা ভেনিটীবেগ আৰু কাণৰ কাণফুল নচুৱাই হালিজালি নাচিবাগি ভিতৰ সোমাই দূৰৰ পৰাই চিঞৰ মাৰি দিলে "হেল্লো মাধু?"

"হেল্লো জৰা বহাহি।" বুলি গাভৰু ওচৰ পোৱাত মাধুৰীয়ে পৰিচয় কৰাই দিলে "এখেত কল্যাণদাদা আৰু এওঁ মোৰ বান্ধৱী জৰা, পূৰা নাম নিজৰা।"

নিজৰাই দুয়োহাত দাঙি মিঠাহাঁহি মাৰিলে। লগে লগে কল্যাণে হাত দাঙিলে কিন্তু হাঁহি নোলাল মুখ গম্ভীৰ। নিজৰা বহিল। তাৰ পিছত মাধুৰীৰ ফালে মুখ কৰিলে যদিও কল্যাণলৈ বক্ৰকটাক্ষ হানিলে কিন্তু শৰপাট উফৰি আহি তৃণত সোমাল। কল্যাণে বয়টোৱে অনা খাদ্যলৈ চাই আৰু এজনৰ বাবে আনিবলৈ কলে। তাইৰ প্ৰথম শৰপাট বিফল হোৱাৰ পিছত নিজৰাই এবাৰ মাথো কল্যাণৰ ওপৰত সন্ধানী চকু ঘূৰাই আনি তাৰ সাধাৰণ সাজ-পোছাক দেখি নাকটো অকণমান কোঁচালে। মনটো নিৰুৎসাহ হল। তাই মাধুৰীৰ লগত কথা পাতিবলৈ চেষ্টা কৰিলে। কল্যাণৰ বিতং পৰিচয় লবলৈ মনটোৱে খুটখুট কৰিলে যদিও সুধিবলৈ সাহ নকৰি সুযোগলৈ বাটচাই বল।

কল্যাণে লক্ষ্য কৰিলে যে নিজৰাৰ ধুন-পেচ মাধুৰীতকৈ বহু গুণে চৰাহে। গাৰ বংটো যদিও সাওবৰণীয়া তাক বগা কৰাৰ আশাৰে বৰ বেছিকৈ চূণকাম কৰি চালত বকা-কোমোৰাৰ

ৰং ধৰাইছে। টেমী যেন গাল দুখনত সেন্দুৰীয়া ৰং ঘঁহাত হ’বলা বেগুণীয়া ৰং ধৰিছে—এতিয়াই যেন ক’ৰবাত চৰ খাইহে আহিছে! অন্ততঃ কল্যাণে পেটে পেটে তেনেযেনহে ভাবিলে। মূৰৰ তেল নোপোৱা চুলিবোৰ আউল লগা মুগা সূতাৰ দৰেই জট লগাৰ বাবেই নে চুটি বুলিয়েই নে ফেশ্বনৰ বাবেই, কল্যাণে নাজানে, চাৰিওফালৰ পৰা মাজমূৰলৈ তুলিনি জাপি-জুপি পিন মাৰি জাপিটোৰ আকৃতি কৰি লৈছে। ‘কেয়াৰফুলী কেয়াৰলেচ’কৈ লোৱা দেবাঙ্গভূষণ চেলেংখনত বতাহ লাগিলেতো কথাই নাই ঢৌ তুলি চিলা উৰি যাব খোজে, বতাহ নালগিলেও কথা কোৱাৰ লগে লগে ইচ্ছাকৃত গাৰ ভঙ্গিত বুকুৰ পৰা পিছলি পৰি যাতে দৰ্শকৰ লোভ লোলুপ দৃষ্টি আকৰ্ষণ কৰিব পাৰে সেই বিষয়ে সম্পূৰ্ণ সচেতন। কঁকালৰ পৰা বুকুৰ ওচৰলৈকে নিবাৰৰণেৰে বুজন অংশ এটা নগ্ন কৰি প্ৰদৰ্শনী পতাত শ্লীলতাই ‘ফাটমেলা বসুমতী যাওঁ ৰসাতল’ বুলি কোনোবা পাতালত লুকাইছেগৈ। বুকুৰ ওপৰত পিন্ধা নাইলনৰ অকণমানি চোলা বা হাফ-ব্লাউছটো চোলা নুবুলি গোলাপী ৰঙৰ ভাঙৰ গগল্‌চ্‌ এজোৰ বুলিলেহে মানায় বেছি। আগেয়ে নেদেখা নুশুনা অপৰূপ ৰূপটো দেখি বিস্মিত কল্যাণে ভাবিলে এইটো বা কোন দেশৰ কি নতুন ষ্টাইলে পাশ্চাত্যকো পদাঘাতেৰে পৰাজয় কৰি আবিৰ্ভাব হ’ল? প্ৰদৰ্শনী খন তাৰ সমুখত পাতিদি মনোযোগেৰে তাৰ প্ৰতি অমনোযোগীহৈ মুখখন কোণীয়া কৰি মাধুৰীৰ লগত কথা পাতিছে যদিও মিনিটত দহবাৰকৈ গাৰ ভঙ্গীৰে কাপোৰ পিছলাই পেলোৱা আৰু হাতখনে অযত্নে তুলি লোৱা কচৰৎ দেখুৱাইছে। কাণৰ কাণফুল বা

ৰিং—যাক সৰু-সুৰা খাৰু বুলিলেহে মানায়—সেই দুটাই তাই মুখ লৰোৱাৰ তালে বেতালে গালত খুন্দিয়ায়···চুমা খায় নে চৰায় কল্যাণে বুজিব নোৱাৰে। গল আৰু হাত নিৰাভৰণ। কেৱল বাঁও হাতত অকণমান ৰিষ্ট-ওৱাচ এটা সোণোৱালী সৰু জিজৰিৰে বান্ধি লৈছে। হাতৰ মুঠিত তীব্ৰ সুবাসৰ সৌৰভে আমোলমোল কৰা এছেন্স সনা চিক্কৰ ৰুমাল নামৰ বস্তুটোৱে এবাৰৰ ঘাম মচিবলৈও নোৱাৰে। নখবোৰ দীঘলকৈ ৰাখি মেণিকিওৰ কৰা।

ৰৱশীত টোপ পেলাইথৈ গৰৈ মাছে গিলিবলৈ অহা দেখিলে অৱজ্ঞাৰে টানৰ নোখোজাৰ ভাব দেখুৱাৰ দৰে কল্যাণলৈ টোপ পেলাই মাধুৰীৰ লগত কথাৰ ফুলজাৰী উৰাইছিল যদিও নিজৰাই কল্যাণৰ প্ৰতি কেৰাহি চকুৰে লক্ষ্য ৰাখিছিল। সি তাইৰ বেশ ভূষালৈ দৃষ্টি কৰা দেখি অইন বহুতো ডেকা বন্ধুৰ নিচিনা গৰৈ মাছৰ চিকাৰ বুলি ভাবি ললে কিন্তু বেছি সময়লৈ এইদৰে থাকিব নালাগিল।

আৰু এজনৰ বাবে খাদ্যলৈ দুমিনিট পিছতে বয়টোৱে আনি টেবিলত থলে। কল্যাণে কলে "খোৱা মাধুৰী আৰু আপুনিও আৰম্ভ কৰক।" বুলি জেপৰ পৰা টকা তিনিটা উলিয়াই বয়টোৰ হাতত দিলে।

মাধুৰীয়ে পোনেই ওভালটিন দুঢোকমান মাৰি ডিঙিটো তিয়াইলৈ কলে "আৰম্ভ কৰা জৰা, মোৰ ডিঙি শুকাই গৈছে।"

নিজৰাই পেটত ভোক, মনত সন্তোষ, মুখত লাজ দেখুৱাই আপত্তি কৰি কলে "ইস্ মোলৈনো অনালে কেলেই, মোৰ খোৱাৰ

ইচ্ছা সমূলি নাই, কেৱল অভ্যাসতে সোমালোহি। তুমি কফি এপিয়লা খাই ললোহেঁতেন।"

কল্যাণে কলে "তেনেহলে আপোনাৰ নিমিত্তে এপিয়লা কফি..."

কথা বিপৰীত হোৱা যেন দেখি নিজৰাই মনতে প্ৰমাদ গণিলে। সি ভদ্ৰতা দেখুৱাই দুই এবাৰ অনুৰোধ নকৰা বাবে অভদ্ৰ হোৱা আদি বিশেষণো মনতে দিলে যদিও ইপিনে হাত আগুৱাই ওভালটিনৰ পিয়লাটো ওচৰ চপাই মুখেৰে কলে "নালাগে নালাগে, ধন ভাঙি অনালে যেতিয়া হেচি ঠেলি হলেও খামেই।"

কল্যাণে আপত্তি কৰিলে "ধন ভাঙিলে আভোকত খাই অসুখ কৰাতকৈ নোখোৱাহে উচিত। আনপিনে, নষ্ট কৰা নাই যেতিয়া কলেই বয়টোৱে ফিৰাই নিব।"

নিজৰাই মনে মনে ভাবিলে 'ক'ৰ অসভ্য অকৰা অভদ্ৰ হোৱা গাৱলীয়া অ' এইভাল। ভদ্ৰ-মহিলাক বিনীত ভাবেৰে এবাৰ অনুৰোধ কৰিব নাজানে।' হাতেৰে খাদ্যৰ প্লেটখন ওচৰ চপাই লগে লগে মুখেৰে কলে "আপোনাৰ শ্ৰদ্ধা-প্ৰীতিৰে আগবঢ়োৱা বস্তু ফিৰাইদি আপোনাক অসম্মান কৰিব পাৰোনে? যোৱাৰ সময়ত কাৰ্মচাৰী হুজমী-দাৱাই এপালিকে খাই যাম দিয়ক। আপোনাৰ মৰম নেওচিব নোৱাৰো।"

কল্যাণে তাইৰ কাম দেখি আৰু কথা শুনি অতিকৈ আচৰিত হ'ল। মাধুৰীয়ে কল্যাণৰ পোন পতীয়া ব্যৱহাৰ আৰু নিজৰাই নিজে খন্দা খালত নিজে পৰি বিপদগ্ৰস্তা হোৱা দেখি মনত

কৌতুক অনুভৱ কৰিলে। তাইৰ হাঁহিটোৱে জিভাৰ গুৰিলৈ উঠি আহিল কিন্তু হাঁহিব নোৱাৰিলে। দোপ মাৰি গিলি ভিতৰলৈ নিবও নোৱাৰে। ওভালটিনত সোহা মাৰিলে সি হাঁহিৰে ওলাই টেবিলৰ খাদ্য আৰু বাকী-দুজনৰ গায়ে মুখে চিটিকি পৰি তেনেই একাকাৰ কৰিব ভাবি পিয়লাটো থৈ নিজৰ প্লেটখন সমুখলৈ আনি চামুচখন হাতত লৈ মিছাকৈ চপটো ভাঙিবলৈ চেষ্টা কৰ' ভাও দেখুৱাই তলমূৰকৈ থাকিল। ওলাই অহা হাঁহিটো বলেৰে বন্ধ কৰিবলৈ চেষ্টা কৰাত তাইৰ গাল-মুখ ৰঙা পৰিল। অৱশ্যে বেছি পৰ সেইদৰে থাকিব নালাগিল। নিজৰাই প্লেট চপাই অনাৰ লগে লগে চামুচেৰে কাটি ওমলেট এটকুৰা মুখত সুমাই ভৰা মুখেৰে মাধুৰীক সুধিলে "পিছে মাধু, তোমাৰ এই দাদা জনক চহৰ দেখুৱাই লৈ ফুৰিছা? গাঁওৰ পৰা কেতিয়া আহিলনো? আগেয়ে চহৰ দেখা নাছিল নিশ্চয়, মোৰ অনুমান ঠিক হৈছেনে নাই কোৱা..."

কল্যাণৰ ছুয়োকুমৰ ৰগ ছুডাল টনটনীয়াহৈ উঠিল। খঙেৰে কিবা এষাৰ ওলাব খুজিলে। সেই মুহূৰ্ত্তে সুবিধা পাই ইমান পৰে মাধুৰীৰ মুখৰ ভিতৰত বন্ধহৈ থকা হাঁহিটোৱে ফটকা ফুটাদি ওলাই পৰিল। খিল্ খিল্ কৰে শব্দে হাঁহিবলৈ ধৰিলে। লগৰ দুজনৰ উপৰিও দূৰত বহি চাহ খাই থকা কেইজনেও থাকলৈ এবি সেই ফালে চালে। প্ৰবল ভাবটো ওলাই যোৱাত মাধুৰীৰ চকুৰেও পানী ওলাল। কমালেৰে পানী মচি অলপ সুস্থিৰ হল। নিজৰ কামত অলপ লাজ নোপোৱাও নহয়। সৌ মানুহ কেজনে বা কি ভাবিছে? যি ভাবে ভাবক, নিৰুপায়...

এনেকৈ হঁহা দেখি প্ৰকৃত কাৰণটো নাজানি নিজৰাও কম আচৰিত হোৱা নাছিল। মাধুৰীৰ লগতে তায়ো মুখ টিপি হাঁহি সুধিলে "হাঁহিৰ কাৰণ কি আছে? মানুহবোৰক চকু খুৱাই ইমান হাঁহিলা কিয় মাধু?"

পেটত থকা বাকীখিনি হাঁহিও ধীৰেৰে উলিয়াই মাধুৰীয়ে উত্তৰ দিলে "তুমিয়ে হঁহুৱালা জৰা, উস্ পেট বিষাই গল।" বুলি পেটত অলপ হেচি ধৰি কলে "থাওক বাক, যি হবৰ হল। কওঁ শুনা, তোমাৰ অনুমান সমূলি ঠিক নহল। এখেত কলেজত পঢ়ে, ফুটবলৰ নাম থকা প্লেয়াৰ, জানা?"

মাধুৰীৰ কথা শুনি নিজৰাই ভাবিলে যে তাইৰ মিছা অনুমান শুনিহে মাধুৰীয়ে হাঁহিছে। লগে লগে তাই মনোভাব সলনি কৰি ভাবিলে, নিজৰ ধন ভাঙি খুৱাব পৰা অৱস্থা যেতিয়া গৰৈ নহে মাজুবো হব পাৰে। কল্যাণৰ ভৰিৰ পৰা মূৰলৈ এবাৰ নিৰীক্ষণ কৰি দ্বিতীয় বাৰলৈ কটাক্ষ শৰ নিক্ষেপ কৰি ব্যৰ্থ হল। কল্যাণৰ মুখ গম্ভীৰ, দৃষ্টি তীব্ৰ, হাতত তুলি লোৱা চামুচ হাততে আছে ব্যৱহাৰ কৰাৰ কোনো চেষ্টাই কৰা নাই। তাই মাধুৰীলৈ চাই কোমল সুৰত কলে "হয় নেকি মাধু। পিছে তুমি এতিয়ালৈ দাদাৰ জংলী হাব-ভাবটো গুচাব পৰা নাই দেখোন?"

শুকান হুটা মাতেৰে কল্যাণে কলে "কৈ দিয়া মধু-বনফুল কাইটীয়া হলেও সুবাস থাকে আৰু চহৰৰ বাগিচাৰ চিত্ৰ-বিচিত্ৰ নিৰ্গন্ধ ফুলৰ দৰে এদিন পানী নিদিলেই লেৰেলি নাযায়।"

কল্যাণৰ কঠুৱা কথাষাৰে নিজৰাৰ বুকুত অলপ জোৰেই খুন্দা মাৰিলে। বিদ্ৰূপাত্মক যদিও কল্যাণৰ ভাষা পৰিমাৰ্জ্জিত। আন

পিনে তাই মাৰ্জ্জিত ভাষাৰ মুখ দেখা নাই। তাৰ বিদ্ৰূপে তাইৰ জেদ্ বঢ়ালে। মনতে সংকল্প কৰিলে তাক এশিকনি দিব।

মাধুৰীয়ে অলপ আগেয়ে কল্যাণৰ যুক্তিত প্ৰতিবাদ কৰিব নোৱাৰি বাধ্যহৈ তাৰ কথাত মনে মনে আছিল যদিও ভিতৰি ভিতৰি মনটো টেঙাহৈ আছিল আৰু কেনেকৈনো কল্যাণক জব্দ কৰিব পাৰে তাৰে উপায়ো চিন্তিছিল। অভাৱনীয়ৰূপে নিজৰাক লগ পাই বুদ্ধি পালে। সাহ বাঢ়িল শৰীৰত যেন শক্তিৰো সঞ্চয় হল। নিজৰাক তাই পেটে পেটে সমূলি ভাল নাপায়। কল্যাণে নিজৰাক জব্দ কৰা দেখি মনত বৰ আমোদো পাইছিল সঁচা কিন্তু হঠাতে নিজৰাৰ আক্ৰমণ আৰু কল্যাণৰ প্ৰতিঘাত দেখি কল্যাণক জব্দ কৰাৰ আশাৰে নিজৰাৰ আশ্ৰয়লৈ তাৰ বিৰুদ্ধে অভিযোগ কাৰলে "শুনিছা জৰা কল্যাণদাৰ মতে প্ৰসাধনৰ সামগ্ৰী কিনি টকা, পানীত পেলোৱা হয়। আমাতকৈ মানে চহৰৰ মানুহতকৈ ৰূপে গুণে-স্বাস্থ্যই হেনো গাঁৱলীয়া বিলাকহে ভাল আৰু আনন্দ উপভোগো তেওঁলোকৰ বহু গুণে বেছি।"

নিজৰাই উচ্চাৰণ কৰিলে "আয়ৈ দেহি! পুঁতৌ..."

"পুতৌ বুলি মইহে কোৱা উচিত।" কল্যাণে মন্তব্য কৰিলে।

"কিয়?" নিজৰাই সুধিলে "আমি ভাল খাদ্য, উন্নত সাজপাৰ আৰু বেছি আমোদ-প্ৰমোদ উপভোগ কৰি আগবঢ়া বাবে নেকি?"

"হুঁঃ" বুলি বিকৃত ভাবে উচ্চাৰণ কৰি কল্যাণে যেন এসোপা বিষ নাকেৰে উলিয়াই পঠিয়ালে, তাইৰ মুখলৈ। তাৰ পিছত কলে "ভাল খাদ্যৰ নামত বাৰে মিহলি ভেঁজাল বস্তু, শুকান আৰু আধা গেলা পচা শাক-পাচলি, নেপালি গুৱালে গাখীৰ বুলি বেচা

নৰ্দ্দমা-খালৰ পানী, যিউ বুলি বেচা ভিজিটেবল আৰু দোকানৰ মিঠাই নামেৰে কুখাদ্যবোৰহে। খাঁটি ভাল খাদ্য কাকবোলে চহৰৰ মানুহে দেখাই নাই। তদুপৰি গাঁওৰ পৰা যদি এদিন ধান-চাউল-শাক পাচলি-কণী-হাঁহ-পাৰ আদি নাহে সেইদিনাই চহৰীয়া তালপাতৰ চিপাহী আৰু পখিলীসবৰ বিলাতী ফুলৰ দৰে অৱস্থা হব।”

সেই পিনেৰে যুঁজিবলৈ আহিলা নাপাই নিজৰাই আন পথ ললে। চকুৰে মুখে অশ্লীল ভাবৰ হাঁহি এটাৰে কল্যাণৰ মুখলৈ চাই সম্মোহন শৰ নিক্ষেপ কৰি মাধুৰীলৈ চাই কলে “বনমানুহ বিলাক বৰ বৰ বনস্পতিৰ ওপৰত বজা, সভ্য জগতৰ লগত জানো চা-চিনাকি আছে? শুনিছা মাধু, বনমানুহক পোহন ধৰাৰ মই বঢ়িয়াকৈ জানো। বেছি নালাগে তুমি দাদাক দুদিনৰ বাবে মোৰ হাতত দিয়া, দেখিবা যে…”

কল্যাণৰ খঙে চুলিৰ আগ পালেগৈ। ছোৱালী নহৈ ল'ৰা হোৱাহলে নিজৰাৰ ডিঙিত চেপি ধৰিলেহেঁতেন। কাণ-মুখ ৰঙা হৈ উঠিল। হাতত লৈ থকা চামুচখন প্লেটত থৈ থিয় হৈ কলে “হেৰা, তুমি ভদ্ৰামিৰ মুখা পিন্ধি চিত্ৰ-বিচিত্ৰ পখিলী সাজি চিকাৰ বিচাৰি ফুৰিলে তাক সভ্য জগতৰ মানুহ নোবোলে। শিষ্টাচাৰ যাৰ অন্তৰত নাথাকে তাৰ ভদ্ৰতাৰ মুখা খহি পৰি কদৰ্য্য নগ্ন ৰূপটো উদং কৰি দেখুৱাবলৈ সৰহ সময় নালাগে। শালীনতাৰ কাণ্ড-জ্ঞান এৰি, অৰ্দ্ধনগ্ন ৰূপৰ প্ৰদৰ্শনী বাটে-পথে দেখুৱাই ফুৰি সভ্য বুলি গৌৰৱ কৰিলে সভ্য জগতক অপমান কৰা হয়। লজ্জাহীনা নাৰী আৱৰণ-হীনা…কদৰ্য্যা। বৰ বৰ বনস্পতিয়ে দেশখন শস্য-শ্যামলা কৰি জীৱ জন্তুক ৰক্ষা কৰে। পৰোপকাৰ

মহত্তৰ লক্ষণ···সৰু মুখত বৰকথা শোভা নাপায়। মেখেলা পিন্ধি নহা হলে এতিয়াই বনমানুহৰ প্ৰকৃতিটো দেখুৱাই দিলোহেঁতেন। স্থানং ত্যাগেন দুৰ্জনঃ।” বুলিকৈ বেগেৰে ওলাই গল।

মাধুৰী আৰু নিজৰা যেন শিল পৰা কপৌ। তীব্ৰ হলাহলে যেন দুয়োকে অচেতন কৰি পেলালে। কল্যাণ দুৱাৰৰ বাহিৰহৈ যোৱাৰ পিছত মাধুৰীয়ে বাহ্যজ্ঞান ফিৰাই পালে। থিয় হৈ ভেনিটীবেগটো হাতত লৈ “কল্যাণদা, ৰব ময়ো গৈছো” বুলি খোজ লব খোজোতে নিজৰাই তাইৰ হাতত ধৰি বাধা দিলে।

“বহা মাধু”, নিজৰাই কলে “বনমানুহ খেদি লাভ নাই। দুদিনমান পুৰণি হবলৈ দিয়া, দেখিবা আপোনা-আপুনি আহি তোমাৰ ভৰিত···”

খঙেৰে মাধুৰীয়ে কলে “হাত এৰি দিয়া। তুমি ইমান অসভ্য নিজৰা? লাজ নালাগে যাৰে তাৰে লগত ইয়াৰ্কি মাৰিবলৈ? তেওঁ ঠিকেই কৈছে, শিষ্টাচাৰ আৰু লাজ যাৰ নাই সেই বোৰে ভদ্ৰ বুলি সৰু মুখেৰে বৰ কথা কৈ···”

অৱজ্ঞাৰ হাঁহি মাৰি নিজৰাই কলে “থোৱা থোৱা, বহুত দেখিছো, এই লেখিয়া কথা-চহকী বীৰ। পিছতো তেওঁৰ বাণী আওৰাবা। সম্প্ৰতি খাদ্যবোৰ চেঁচাহৈ যায়···”

“খাদ্য?” বুলি বিকৃত মাতেৰে উচ্চাৰণ কৰি মাধুৰীয়ে কলে “তুমি অকলে গিলি থাকা! মই তেওঁক লগ ধৰোগৈ।”

নিজৰাই খং আৰু ব্যঙ্গ মিলাই কলে “অ’ ইতিমধ্যে প্ৰাণৰ দেৱতা কৰি লৈছা? তোমালোক দুয়োজনে গলে মই দুৱাপাত চেলেকি থাকিম বুলি ভাবিছা নেকি?”

"তোমাৰ ইচ্ছা।" বুলি আজোৰ মাৰি হাত এৰুৱাইলৈ মাধুৰী বেগেৰে ওলাই গল। আলিত কেওপিনে চাই কল্যাণক নেদেখিলে। দুখে, ক্রোধে, ঘৃণাই তাইক একোনাই কৰি পেলালে। কিন্তু এখনত উঠি তাই তাক জোৰেৰে চলাবলৈ নির্দ্দেশ দিলে।

কল্যাণ যি বাটেৰে যোৱা সম্ভৱ সেই বাটেৰে চলাবদি তাক বাটত লগ নাপালে। মাধুৰী নিসন্দেহ যে কল্যাণ সিহঁতৰ ঘৰলৈ নিশ্চয় নাযায়। তথাপি তাক বিচাৰি মেচলৈ যোৱাৰ সাহস তাইৰ তিলমানো নাই। বিশেষকৈ যি খং, ঘৃণা আৰু উত্তেজনা লৈ সি ওলাই আহিছে এনে সময়ত তাইক দেখিলে নিশ্চয় গালিৰে ভূত কৰিব। গতিকে নিজৰ ঘৰলৈ গল। তাই দেখিলে ড্ৰয়িং ৰুমৰ দুৱাৰ বন্ধ। পোনেই ভিতৰলৈ গল। আজি মাকে নিজ হাতে বান্ধিব ধৰিছে আৰু বান্ধনিয়ে আলপৈচান ধৰিছে। মাধুৰীক দেখি আখলৰ ওচৰৰ পৰাই মাকে সুধিলে "কল্যাণক লৈ আহিছ মাধু? তাৰ লগত কথা পাতগৈ যা, মই অলপ সময় এৰি যাব নোৱাৰো।"

মাকৰ কথাৰ উত্তৰ দিব নোৱাৰি মাধুৰীয়ে বান্ধনিক এপিয়লা ওভালটিন আনিবলৈ আদেশ দি পোনেই শোৱা কোঠালৈ গৈ বিছনাত দীঘল দি পৰিল। বান্ধনিয়ে অলপ পিছত ওভালটিন আনি দিলত ততালিকে গিলি বোহ-ঘৰত পৰাদি আকৌ শুই থাকিল। অলপ সময়ৰ পিছত হাত আজৰি হোৱাত মাকে প্রথমে গৈ ড্ৰয়িংৰুমত চাই কল্যাণক নেদেখি মাধুৰীক বিচাৰি আহিল। তাই বোহ পাতি শোৱা দেখি মাকে বুজিবলৈ বাকী নাথাকিল যে

কিবা এটা ডাঙৰ ঘটনা ঘটিছে। হয়তো বা কল্যাণে তাইক বেয়া ব্যৱহাৰ কৰিছে। তাকে ভাবি মাকে মনত অলপ অপমান বোধ কৰিলে। আচল কথাটো কি তাকে জানিবলৈ মাধুৰীৰ ওচৰলৈ আহি মৰমেৰে সুধিল "কি হল অ' আই? কল্যাণে কিবা বেয়া কথা কৈছে?"

"ওঁহো···" মাধুৰীৰ সংক্ষিপ্ত উচ্চাৰণ।

মাক আশ্বস্ত হল। ভাবিলে, কল্যাণ ভাল লৰা, সি কেলেই তাইক বেয়া ব্যৱহাৰ কৰিব? কিন্তু তাইৰ হল কি? ফুটাই সুধিলে "কি হৈছে কচোন আই? শুনিছ মাধু, সোনকালে ক' মোৰ আজ্ঞা খন বেয়া হব। ক আক'···"

"কব নোৱাৰো যোৱা। মোক দিগদাৰ নিদিবা, মূৰ কামুৰিছে।"

মাকে বুজিলে, ইয়াৰ ভিতৰত কিবা এটা ৰহস্য আছে। তাই যদি কল্যাণক আনিব নোৱাৰিলে সেই কথাৰ পোনপতীয়াকৈ নকৈ তাইৰ মূৰ কামোৰণি উঠিব কেলেই? মাকে ভালকৈ জানে যে উপায়ান্তৰ হলে বহুত ছোৱালীৰ নিচিনা মাধুৰীও মূৰ কামোৰা বুলি বিছনাত দীঘলদি পৰেহি। ইয়াৰ দৰবো মাকে নজনা নহয়। গতিকে অকলে ভাবিবলৈ সময় দি মাক ৰান্ধনী ঘৰলৈ গল।

মাক ওলাই যোৱাৰ লগে লগে মাধুৰীৰ চকুপানী ওলাল। দুখত নহয়—খঙত, পৰাজয়ৰ গ্লানিত। তাইৰ মনৰ দম্ভ পূৰামাত্রাই আছে। আজিলৈকে তাইৰ সংসর্গলৈ অহা কোনো এজন ডেকায়ো তাক অলপো খর্ব্ব কৰিব পৰা নাছিল। এনেকি

বহুতে তাইৰ হাতত লাঞ্ছিত হৈও তাইৰ অন্যায় আব্দাৰ সমৰ্থন কৰি বিনাবাক্যব্যয়ে আদেশ পালন কৰি পৰিতুষ্ট কৰিছে। কিন্তু একমাত্ৰ ব্যতিক্ৰম এই কল্যাণ। তাৰ ওচৰত তাইৰ প্ৰথম পৰাজয়, এদিনো নহয়···দুদিন।

তাই তাক জব্দ কৰিবলৈ, তাৰ দম্ভ চূৰ্ণ কৰিবলৈ পেটে পেটে যি পাঙিছিল সকলো ওলোটাহে তাইকহে জব্দ কৰিলে। তাইক তেনেই নিৰুপায় কৰিলে। চকুপানী মচি তাই ভাবিলে, কল্যাণ যেন ৰ'দৰ তাপ লাগি ভাপ ওলাই পিছলহে থকা প্ৰকাণ্ড শিল। তাত বগোৱা দূৰৰ কথা খোপনিবো ঠাই নাই। তাকে ভাবি তাইৰ জেদ্ চৰিল, মনৰ অহংকাৰে মূৰ দাঙি উঠিল। তাই মনতে প্ৰতিজ্ঞা কৰিলে, কল্যাণৰ দৰ্প তাই ধূলি মাটি কৰিহে এৰিব। এতিয়াৰ পৰা সেয়ে হব তাইৰ প্ৰধান লক্ষ্য।

মনস্থিৰ কৰি মাধুৰী উঠি প্ৰসাধন কৰিবলৈ ধৰিলে।

———

— বাৰ —

মাকে বান্ধনিক কিবা কিবি দিহা দি মাধুৰীৰ মূৰ কামোৰণি গুচোৱা মন্ত্ৰ এটা মনতে আলচি অলপ সময়ৰ পিছত আহি দেখিলে যে মাধুৰীয়ে উঠি প্ৰসাধন কৰিব ধৰিছে। মাকে মূৰ কামোৰণি জনাব আৱশ্যক নহল। তেওঁ আহি পোৱাৰ লগে লগে এফালৰ পৰা তাই সকলো ঘটনা বৰ্ণালে। তাৰ পিছত পাৰেমানে নিজৰাক গালি পাৰিলে।

সকলো কথা শুনি মাকে কলে "নিজৰাৰ লগত লগ হৰলৈ ইয়াৰ আগেয়ে তোক দুদিনো হাক দিছিলো নে নাই মাধু? তাই দুশ্চৰিত্ৰা বুলি মই অনুমান কৰো। ইপিনে নাই ধন, নাই বিদ্যা—প্ৰবেশিকা তিনিবাৰলৈ দিও কোনোমতে পাছ কৰিব নোৱাৰিলে। তোতকৈ তাই বয়সত বহুত ডাঙৰ, হয়তো মাগ্নিবাতকৈও ডাঙৰহে হব। আমাৰ সমাজখনত মিলিবলৈ বা তইঁতৰ লগত সমানে ফেৰমাৰি চলিবলৈ তাই কেউপিনে উপযুক্তা নহয়। তাইৰ সৈতে তই লগ হৈ নিজক তললৈ নমাইছ মাধু।"

"জানো মা?" মাধুৰীয়ে কলে "তাই যি ষ্টাইলত ফুৰে, যেনে দম্ভ অহংকাৰ কৰি কথা কয়, যেন লাখপতিৰহে ছোৱালী।"

মাকে কলে "লাখপতি বাপেকৰ কথাটো মই বঢ়িয়াকৈ জানো। দেউতাৰৰ লগত দেখা হলেই তাৰ মুখৰ বিড়ীটো পেলাই দি চিগাৰেট খুজি লয়। কেতিয়াবা হেনো দেউতাৰৰ জেপত নাথাকিলে মুখৰ আধাপোৰা টুকুৰাটোকে খুজিনি হোপে। এয়ে লাখপতি বাপেকৰ অৱস্থা। অৱশ্যে এসময়ত কানিৰ নে কিহবাৰ ব্যৱসায় কৰি যথেষ্ট ধন ঘটিছিল হেনো। পিছে পাপৰ ধন পৰাচিতত যাবলৈ সৰহ পৰ নালাগিল। নানান অপব্যয় কৰি কেদিন মানতে সকলো শেষ কৰি দেউলীয়া হল। এতিয়া হেনো কোনো বেহা-বেপাৰো নাই. আৰ-তাৰ পৰা খুজি-মাগি খায় নে চুৰি কৰি খায় কোনে কব? আজি এবছৰৰ পৰা হেনো অসুখতো পৰি আছে। তাৰ ছোৱালীয়ে আকাশেৰে উৰি ফুৰিব খোজে কেনেকৈ?"

মাধুৰীয়ে কলে "নিজৰাই আকৌ কি কয় জানা মা? তাইৰ

হেনো টকাৰ অভাৱেই নাই। থিয়েটাৰ কৰি পায়, নাটি পায়, ৰেডিওত প্লে কৰি পায়, আৰু যে কিমান ফুটনি মাৰে! পিছে আচল কথা কি জানা মা? দোকান আৰু ৰেষ্টোৰাঁৰ সমুখেৰে তাই ঘূৰি চাই ফুৰে, কোনে ক'ত কি কিনিব লাগিছে, কত বহি বহি খাব লাগিছে। কোনোবাখন দোকানত মুখচিনা কোনোবাই কিবা কিনিব ধৰিলে পোনেই ওচৰ পায়গৈ। তায়েই বস্তু পছন্দ কৰি দিয়া ভাৰ লয়। লগতে নিজৰ বাবেও কিবা কিনে। কিন্তু পইচা দিবৰ সময়ত ধুনীয়া ভেনিটীবেগটোৰ ভিতৰত মনিবেগটো নাপায়। বাটতে পৰি যোৱা বুলি কয়।"

মাকে কলে "আৰু তেতিয়া লাজত পৰি সিজনেই দিবলৈ বাধ্য হয়, নিলাজী-নাককাটী, হতছিৰি যাইতী…"

"আৰু ইপিনে", মাধুৰীয়ে কলে "দূৰৈৰ পৰা যেতিয়া দেখে যে কোনোবাই ৰেষ্টোৰাঁত সোমাল, তেতিয়াই চোঁচালৈ পোনেই ওচৰ চাপি এখন চকীত বহি পৰেগৈ। চকু ছুটাওতো কম নহয় যেন শগুণৰ দৰে…"

"নামাতিলে কেনেকৈ ওচৰ চাপে? অ' আই চিকো…"

"ইস্ ভাল কথা সুধিছা মা! আজিৰ কথাকে কওঁ শুনা", মাধুৰীয়ে কলে "ক'ৰবাত বৈ থাকি আমাক দেখা পাইছিল নিশ্চয়, আমি বহাৰ কিজানি আধামিনিটো হোৱা নাছিল। ব্যস্তভাবে তাই সোমাই দুৱাৰৰ ওচৰৰ পৰা অইন কোনো ফালে নাচাই আমি বহা আওচেৰীয়া চুকটোলৈ কিয় চালে? 'হেল্লো মাধু' বুলি লৰি গল। তাৰ পিছত 'পেটত ভোক, মুখত লাজ' কৰি থিহে আৰম্ভ কৰি ঠেকত পৰিল…" বুলি মাধুৰীয়ে ৰেষ্টোৰাঁত ইহঁতৰ নিচিনা

সশব্দে হাঁহিবলৈ ধৰিলে। মাকে তাইৰ মুখলৈ ভেবা লাগি চাই থাকিল। তাইৰ হাঁহি নবয়, হেঁকটি উঠিল, পেট বিষালে। পেটত হেচি ধৰি আকৌ হাঁহিলে।

মাকে কলে "মনে মনে থাক, মাধু, ইমান হাঁহিব নাপায়।"

"উস্ ৰাম, মৰিলো, মা" বুলি মাধুৰীয়ে টেমা এটাত থকা লং এটা উলিয়াই মুখত দিলে। চকুৰ পানীবোৰ মচি আকৌ কলে "তুমি নাহাঁহিবা কেনেকৈ মা? ৰেষ্টোৰাঁতো মই হাঁহি ৰাখিব নোৱাৰি মানুহবোৰৰ আগতে এইদৰে হাঁহি শেষত লাজত পৰিলো। সেই মানুহবোৰে বা কি ভাবিছিল। কওঁ শুনা, কল্যাণ পোণ-পতীয়া মানুহ, কথাৰ মেৰপাক কি বুজে? তাইৰ আপত্তি শুনি..." বুলি ঘটনাটো বৰ্ণাই উঠাত মাকেও হো হো কৰে হাঁহি দিলে। দুয়োৰে হাঁহিৰ বেগ কমাত মাধুৰীয়ে কলে "তাৰ পিছত কল্যাণে গালি পাৰি তাইক ভূত কৰি থৈ ওলাই গল। ময়ো যেতিয়া তাইৰ হাতৰ পৰা আজোৰ মাৰি একৰাই ওলাই আহিলো তেতিয়াও তাই তাতে বহি থাকিল। হয়তো তিনিওজনৰ খাদ্য অকলে খাইথৈ আহিব, নহলে কিছুমান তাইৰ ফোপোলা ভেনিটী-বেগত যে সুমাই লৈ নাযাব তাৰেই বা কি ঠিক আছে?"

"যেনেকৈ মৰে মৰক, তাইৰ কথা নকবি। আৰু শুন মাধু, আজিৰ পৰা কেতিয়াও তাইৰ লগ তো নহবিয়েই, নামাতিবিও দেই। বুজিছ আই, যাৰ লাজ নাই..."

বাধা দি মাধুৰীয়ে কলে "কল্যাণেও তাইক ইয়াকেই কৈছিল" বুলি কল্যাণে কোৱা প্ৰত্যেক কথা হুবহু উচ্চাৰণ কৰি মাকক শুনালে। তাৰ পিছত কলে "এমখা মানুহৰ আগত এনেকুৱা

গালিহে নালাগে কিবা এষাৰ বেয়া কথা মোক কোৱা হলেও মই হলে তাতেই মৰি থাকিলো হেঁতেন। ধন্য কল্যাণ, তাৰ বাহিৰে কোনেও এইদৰে তাইৰ নাক কাটি কলাখাৰ চটিয়াব নোৱাৰিলে হেঁতেন। কিন্তু চোৱাচোন মা সি ওলাই আহিবৰ সময়ত মোক এষ'ৰ মাততো লগাব লাগিছিল ?"

"মই বুজিলো মাধু", মাকে কলে "কল্যাণৰ গাত সমূলি দোষ নাই। তই তাইক বান্ধৱী বুলি কোৱাটো বৰ ভুল হৈছে। সি যদি তোকো তাইৰ স্বভাৱৰ দৰে ভাবি লয়, তাক দোষ দিব নোৱাৰো। আনপিনে চা, ল'ৰাটো অতি সৰল কিন্তু এনেয়ে হলেও ভদ্ৰামি দেখুৱাই কথা কব নাজানে। তাৰ যিহে খং উঠিছিল, সেই মূৰ গৰমৰ সময়ত তোক মাতিবলৈ তাৰ কেনেকৈ মনত পৰিব ? তই তাৰ লগে লগে উঠি অহা উচিত আছিল। যি হবৰ হৈ গল। এতিয়াই তই যা, তাক মাতি আনগৈ মাধু।"

মাকৰ কথা মাধুৰীৰ মনত লাগি নিজৰ ভুল বুজি মনটো সেমেকিল। কল্যাণক মাতিবলৈ যোৱাৰ তাইৰো ইচ্ছা হল কিন্তু তাই ভয় কৰিলে যে অকলে গলে সি কেতিয়াও নাহে। সেই বাবে মাককো লগতে যাবলৈ অনুৰোধ কৰিলে। কিন্তু মাকে কলে যে তেওঁ বন্ধাবঢ়া কাম এৰি যাব নোৱাৰে। তেতিয়া দুয়ো স্থিৰ কৰিলে যে দেউতাকেই মাধুৰীৰ সৈতে যাওক। কল্যাণৰ বিষয়ে মাকে কালি গিৰিয়েকক কৈছিল। আজি নিমন্ত্ৰণ কৰা কথাও তেওঁ জানে। বস্তু বাহানি যোগাৰ কৰিও দিছে।

সুখেন্দ্ৰ বৰুৱাই কিবা এখন কিতাপ পঢ়ি আছিল। ঘৈণীয়েকে আহি কোৱা মাত্ৰেই কিতাপখন থৈ থিয় হল। ঘৈণীয়েকৰ কথা

তেওঁ পেলাব নোৱাৰে। চোলাটো পিন্ধি মাধুৰীৰ সৈতে তেতিয়াই ওলাই গৈ ৰিক্স এখনত উঠি বহিল। ৰিক্স কল্যাণৰ মেচৰ পদূলিত ৰখাই নামিব খোজোতে মাধুৰীয়ে দেখিলে যে কল্যাণে নৈত গা ধুই ভিজা কাপোৰেৰে আৰু জিভা গামোচাখন কান্ধত পেলাইলৈ উদং গাৰে আহিব ধৰিছে। তাই দেউতাকক তাক আঙুলিয়াই দেখুৱালে। তাৰ ফালে চাই তাৰ হৃষ্ট-পুষ্ট-বলিষ্ঠ অৱয়বটো দেখি সুখেন্দ্ৰ বৰুৱাৰ বৰ ভাল লাগিল। তেওঁ অকলে ৰিক্সাৰ পৰা নামি দুখোজমান আগুৱাই গৈ নিজেই নিজৰ পৰিচয় দি মাত দিলে "তুমিয়েই কল্যাণ, বাপা? মই সুখেন্দ্ৰ বৰুৱা, মাধুৰ দেউতাক।"

"হয় নেকি?" বুলি কল্যাণে হাতযোৰ কৰি তাৰ পিছত সুধিলে "এতিয়া দুপৰীয়া কিয়বা আহিল? মই আকৌ নৈত গা ধুইহে বৰ তৃপ্তি পাওঁ। গা ধুবলৈ গৈছিলো ..."

ভূমিকা নকৰি সুখেন্দ্ৰ বৰুৱাই কলে "শুনিছা বাপা, তোমাক নিমন্ত্ৰণ কৰিবলৈ ৰাতিপুৱাই মাকে মোক কৈছিল পিছে মই এঠাইলৈ যাব লগীয়া হোৱাত আহিব নোৱাৰিলো। মাধুৰীৰ হতুৱাই মাতি পঠাইছিল হেনো। এতিয়া আকৌ তোমাক লগতে লৈ যাবলৈ মোক পঠিয়াইছে। মাধুও আহিছে, সৌ ৰিক্সতে বহুৱাই থৈছো। এতিয়া তুমি আমাৰ লগতে যাব লাগে। নগলে নেৰো। যদি নোযোৱা আমি গোটেই গিৰিয়ৰৰ মানুহ লঘোনে থাকিম।"

কল্যাণে অথনি মনতে স্থিৰ কৰি আহিছিল যে ভৱিষ্যতে এই সকলৰ লগত সংশ্ৰৱ আৰু নাৰাখে। উপযুক্ত সময়ত ঠিক মতে দুআষাৰ শুনাই দি আহি মনটো ভালেই লাগিছিল। মাধুৰীক

মাত এবাৰ নলগোৱাকৈ আছি অন্যায় কৰা বুলি সি পেটে পেটে ভাবিছিল যদিও নিজকে এইবুলি প্ৰবোধ দিছিল যে ভৱিষ্যতে যেতিয়া কোনো সংশ্ৰৱকে নাৰাখে সেই ক্ষেত্ৰত যি হবৰ হৈ গল, সেই কথা ভাবি লাভ নাই। মাধুৰীয়ে খং কৰিছে আৰু খং কৰা তাইৰ পক্ষে স্বাভাৱিক কিন্তু তাইনো কিয় এনেকুৱা এজনীক আদৰি ওচৰত বহুৱাইছিল আৰু নিজৰা নামৰ সেই জনী যদি মাধুৰীৰ বান্ধৱী তেনেহলে উভয়ে একে প্ৰকৃতিৰ হোৱা কোনো আচৰিত কথা নহয়। কল্যাণে কি উত্তৰ দি বৰুৱাক ওভোতাই পঠাব পাৰে তাকে ভাবিলে। সঁচা কথা কৈ পঠাবলৈ তাৰ অলপ লাজ লাগিল।

সুখেন্দ্ৰ বৰুৱাই তাৰ নোযোৱা ভাবটো অনুমান কৰি কলে "তিতা গাৰে বেছি পৰলৈ থাকিলে অসুখ কৰিব বাপা। তুমি ভিতৰলৈ গৈ কাপোৰ পিন্ধি আহাঁ। আমি বিস্নতে বহো পলম কৰা দেখিলে আকৌ যদি মাধুৰ মাকো ওলায়হি তেতিয়া তেওঁ কষ্ট পাব। বেচেৰীয়ে নিজেই আজি সকলো বান্ধিছে।"

কল্যাণে আপত্তি কৰিব নোৱাৰি ভলমূৰকৈ তাৰ পজালৈ গল। ধুতি, গেঞ্জি আৰু কমিজটো গাত সুমাইলৈ ততালিকে ওলাই আহিল। ইতিমধ্যে বৰুৱাই আন এখন বিস্ন লৈছিল। সি তেওঁৰ লগতে বিস্নত উঠি বহিল। প্ৰয়োজনে কথা পাতি যাবলৈ ধৰিলে।

ঘৰ পাই তিনিওজনে ড্ৰয়িংৰুমত সোমাল। মাধুৰীয়ে কলে "কল্যাণদা, আপুনি দেউতাৰ লগত কথা পাতকদেই। মই মাক খবৰটো দি আহোঁগৈ।" কল্যাণে মূৰ জোকাৰি সমতি দিলত

তাই পৰ্দ্দা ঠেলি মনৰ আনন্দত ভিতৰলৈ লৰ মাৰিলে। তাইৰ ভাব আছিল যে কল্যাণ তো নাহেই, তদুপৰি নিশ্চয় কিছুমান কটু-কথা দেউতাকৰ সমুখতে তাইক শুনাই দিব। এতিয়া কোনোবিধ নহৈ গুলোটা হোৱা দেখি তাইৰ মনত বৰ সন্তোষ। মাধুৰী ভিতৰ সোমোৱাৰ এমিনিট পিছতে মাক আহি হাঁহিমাৰি কল্যাণক মৰম সম্ভাষণ জনাই গল। মাধুৰীৰ মাকৰো মনত সন্দেহ আছিল, কল্যাণ কিজানি নাহেইবা।

তাৰ অলপ পিছতে মাকৰ সৈতে নতুন সাজপাৰেৰে মাধুৰী আহি দুয়োজনকে ডাইনিং ৰুমলৈ মাতি নিলে। লৰা ছোৱালীকেইটাক ইতিমধ্যে খুৱাই বুৱাই তুলিছিল। দেউতাক, মাধুৰী আৰু কল্যাণ বহিলত মাকে আজি একেলগে নবহি পৰিবেশন কৰিবলৈ ধৰিলে। অথনিৰ ঘটনাটোৰ বিষয়ে পাহৰি যোৱাৰ নিচিনা কল্যাণে কোনো কথা তুলিয়ালে দেখি মাধুৰী আৰু মাকৰ মনৰ আশঙ্কা দূৰহৈ মন ফৰকাল হল।

সমুখত খাদ্য পেলাইথৈ অযথা আপত্তি দেখুৱাই অথবা নানা বাবেভচহু কথা পাতি পলম কৰা বিধৰ লৰা কল্যাণ নহয়। তদুপৰি তাৰ ভোকো বাৰুকৈয়ে লাগিছিল। আগত পোৱা মাত্ৰেই সি আগ্ৰহেৰে খাবলৈ আৰম্ভ কৰি দিলে। আন দুজনে খাওক বা বহি থাকক, তাৰ চাবলৈ সকাম কি? খাৰ, দাইল, ভজা. শাক, লাব্ৰা, শেষ কৰিলত পাতত পৰিল মাছ, মাংসৰ আঞ্জা, ডিমাৰ দম আৰু পোলাও, পাঁপৰভজা তাৰ পিছত টেঙা শেষত অকণমান পৰমান্ন আৰু দৈ। কল্যাণে বৰ পৰিতৃপ্তিৰে খালে। কবলৈ হলে এনেকুৱা অতিৰিক্ত আয়োজনৰ আৰু ব্যয় বাহুল্য আম্বিৰ-

নিৰামিষৰ সংমিশ্ৰণৰ ভোজ কল্যাণে ইতিপূৰ্ব্বে খোৱা নাছিল। বৰ পৰিতৃপ্তিৰে সি খালে আৰু মাধুৰীৰ মাকৰ চেনেহৰ জোৰত পৰি অলপ অতিৰিক্ত ভোজনো হল। মাতৃ জাতিয়ে নিজে খোৱাতকৈ খুৱাইহে তৃপ্তি পায় বেছি। আকৌ আলহীক যদি জোৰকৈ জোখৰ বেছি খুৱাব পাৰে সেয়েই তেওঁবলাকৰ পৰিতুষ্টি। কল্যাণৰ খোৱা দেখি মাধুৰীৰ মাকৰ মন সন্তুষ্ট হ'ল। গিৰিয়েকেও দুই এবাৰ চকু ঘুৰাই চাই বৰ সুখ পালে।

আনপিনে মাধুৰীয়ে যেন সকলো খাদ্যৰ অলপ অচৰপ চাকিহে চাইছে। কল্যাণৰ আধাও খাব নোৱাৰি বহুত পৰৰ আগেয়ে খোৱা শেষ কৰি বং মনেৰে কল্যাণৰ খোৱালৈ চাই নিজেও সন্তুষ্ট হৈছে। সুখেন্দ্ৰ বৰুৱাও খোৱাত পাকৈত। ঘৈণীয়েক খুওৱাত পটু, অলপ অচৰপকৈ পাতত পেলাই দি নানা ধৰণৰ গল্প নাইবা হাঁহিৰ কথাকৈ খাওতাৰ পেটৰ ভোক বঢ়োৱাটোও যেন তেওঁৰ কৰ্ত্তব্য। মাধুৰীয়ে উঠো উঠো কৰিও উঠিব নোৱাৰি অগত্যা দুটা আঙুলীৰে চিকুটি অলপ অচৰপ মুখতো দিছে।

খোৱা শেষ হোৱাত তামোলৰ বঁটাটোৰে সৈতে তিনিওজনক ড্ৰয়িং ৰুমত বহুৱাই থৈ মাধুৰীৰ মাক ভিতৰলৈ সোমাল। কল্যাণ আৰু বৰুৱাই তামোল একোখন মুখত সুমালে। মাধুৰীৰ তামোল খোৱাৰ অভ্যাস নাই। দুই একাষাৰ কথা পাতি বৰুৱা ভিতৰ সোমাই বিছনাত দীঘল দিলেগৈ।

কল্যাণ আৰু মাধুৰী অকলশৰীয়া হলত কথা পাতিবলৈ ধৰিলে। অথনিৰ ঘটনা কাৰো মুখেৰে নোলোৱা বাবে পৰিস্থিতিটো সুখময় হল। কল্যাণক মাজে সময়ে সোধা দুই এটা প্ৰশ্নৰ সমিধান

দিয়াৰ বাহিৰে নিজৰ পৰা কৰ লগীয়া কথা তাৰ বিশেষ নাই বুলিলেও হয়। মাধুৰীৰ কথা কোনোকালে কোৱা শেষ নহয়। তাইৰ কথাবোৰত কল্যাণে বিৰক্ত নহৈ আমোদ পালে। এঘণ্টাৰ পিছত মাকেও যোগ দিলেহি। তেওঁৰ কথাৰ অক্ষয় জোলোঙাখন মেলি দিয়াত সময় কেনি উৰি গল বক্তা আৰু শ্ৰোতাই গমকে নাপালে। মাধুৰীয়ে এবাৰ ভিতৰলৈ গৈ ওলাই আহি মাকক মনত পেলাই দিয়াত মাকে ঘড়ীলৈ চাই দেখিলে যে আবেলি তিনি বাজিছে। থিয়হৈ কল্যাণলৈ চাই কলে "তই অলপ সময় বহদেই বোপা, মই চাহ জলপানৰ যোগাৰ কৰোগৈ।" তেওঁ লৰালৰিকৈ ভিতৰ সোমাই গল।

চাহ খোৱা শেষ হলত চাৰি বাজিল। মাকে দহটকা কল্যাণৰ হাতত দি কলে "এয়া ফীজৰ টকা ল' কল্যাণ। তই মাধুক লগতে নি পালোৱানী ক্লাবত ভৰ্ত্তি কৰি দিব লাগে। তাৰ পিছতো সদায় এই পিনেদি আহি একেলগে যাবিহঁক দেই।"

কল্যাণে কলে "আজি লগতে নিব পাৰিম কিন্তু সদায় মই লগতলৈ যাবহি নোৱাৰিম মাহীদেও। ফুটবল খেল থাকিলে মই ক্লাবলৈ নাযাওঁ। তদুপৰি মোৰ আন কাম বহুত। এওঁ বান্ধৱীহঁতৰ সৈতে..."

তাৰ কথাত বাধা দি মাধুৰীয়ে কলে "সদায় নিয়াৰ কথা এতিয়াই ভাবিব নালাগে বাৰু। প্ৰথমে দুদিনমান চা-চিনাকি কৰি দিয়ক। তাৰ পিছৰ কথা পিছত ভাবিম। আপোনাৰ যেচো চিনো নহয়..."

মনতে ভয় পাই কল্যাণে কলে "চিনিলেও তুমি কেতিয়াও মেচলৈ নোযোৱাহে মই ইচ্ছাকৰো মাধুৰী..."

"আকৌ মাধুৰী কলে ?" তাই অভিযোগ কৰিলে।

"পাহৰিছিলো মধু। এৰা, তুমি মেচলৈ নাযাবা। আমি কেবাজনো তাত ..."

হাঁহি মাৰি মাধুৰীয়ে কলে "বাঘতো নাথাকে, মানুহহে থাকে। গতিকে ভয়নো কিহৰ কল্যাণদা ? যি নহওক, দৰকাৰ নহলে নাযাওঁ বাৰু।" দুয়োজনে একেলগে ওলাই গল।

অলপ পিছত সুখেন্দ্ৰ বৰুৱা শুই উঠিল। বান্ধনিয়ে চাহ জলপান দিলেহি। ঘৈণীয়েকে অলপ দূৰত বহি কলে "আজি মাধুৰীক কল্যাণহঁতৰ পালোৱানী ক্লাবত ভৰ্ত্তি হবলৈ পঠিয়ালো।"

বৰুৱাৰ চকু কপালত উঠিল। হাতৰ পিয়লাটো নমাই থৈ কলে "কিহত ভৰ্ত্তি হবলৈ পঠিয়ালা।"

মাকে মুখৰ তামোলৰ পিকখিনি গিলি কলে "আচৰিত হবলৈ একোনাই দিয়ক। কল্যাণহঁতৰ এটা পালোৱানী আখৰা আছে। তাত বহুত ছোৱালীয়েও ব্যায়াম শিকে। তায়ো শিকিব খুজিছে, শিকক, ভৱিষ্যতে উপকাৰ হব।"

"হুঁ" বুলি বৰুৱাই বিস্কুট এখন চোবাই চাহ দুঢোক পি কলে "উপকাৰ কি সোপাটো হব ? কুস্তি শিকাই তাইক ৰণলৈ পঠিয়াবা নেকি ?"

"ৰণলৈ নাযাব পাৰে কিন্তু শৰীৰ চৰ্চ্চা কৰাৰ পৰা স্বাস্থ্যৱতী আৰু শক্তিশালী হৈ থাকিলে কিবা অপকাৰ হয় বুলি কয় নেকি ? সময়ত আত্মৰক্ষাৰ বাবেওতো কামত আহিব পাৰে। পৰহি

কল্যাণেও তাকে কৈছিল। নে বেয়া বুলি আপোনাৰ কবলগীয়া কিবা আছে ?”

চাহ পিয়ালাৰ আধামান শেষ কৰি বৰুৱাই বহুত পৰলৈ নিমাতহৈ থাকি শেষত কলে “মোৰ আপত্তি থাকিলেও তুমি জানো কেতিয়াবা খাটিব কৰা ? ছোৱালীহঁতক তোমাৰ ইচ্ছামতে নচুৱাব ধৰিছা, নচুওৱা। মইতো সিহঁতৰ অভিভাৱক নহওঁ, দৰ্শক আৰু খা-খৰচ যোগোৱা মহাজনহে। সেইবাবে মোৰ কিবা কৰ্ত্তৃত্ব আছে জানো ? মঞ্জিৰাক এইদৰে শিকলি খুলিদি তুমি পঢ়াবও নোৱাৰিলা আৰু আজিকোপতি বিয়া দিবও নোৱাৰিলা বা নিদিয়া। সম্প্ৰতি অবাধ গতিত অচিন পথেৰে তাই অজান গন্তব্য অভিমুখে ভ্ৰমি ফুৰিছে। কোনে জানে ইয়াৰ পৰিণাম অমৃত নে গৰল…”

দৃঢ় মাতেৰে ঘৈণীয়েকে কলে “নকব দেওহে নকব। মোৰ চকু-কাণ নাই বুলি কব খোজে নেকি ? তাইৰ ভালৰ নিমিত্তে চিন্তা কৰিহে মই তাইক নাচ-গান শিকিব দিছো। তাই অভিনয়ত নাম কৰিছে, এতিয়া চিনেমাতো ছবিখন ওলালে চাবচোন, কিমান নাম হয়, কিমান ভাল ভাল ঢুকি নোপোৱা পাত্ৰই উপযাচি আহি আপোনাক…”

বাধা দি গিৰিয়েকে কলে “হেৰা মঞ্জিৰাৰ মাক, বৰ বেছি গুণ কীৰ্ত্তন মোক নুশুনালেও হবহে। তুমি ঠাওৱোৱা সমান মূৰ্খ মই নহওঁ জানিবা। মঞ্জিৰাৰ বেলিকা যি কৰিলা এতিয়া মাধুৰীৰ মূৰটো নাখাবা। মাধুৰীক বিয়া দি পেলোৱা। তাৰ পিছতো ইচ্ছা কৰিলে তুমি পঢ়োৱা, মোৰ আপত্তি নাই বৰং সুখ পাম। আৰু এবাৰ কথা কওঁ, তুমি শুনিবও পাৰা, নুশুনিবও পাৰা। মোৰ

কৰ্ত্তব্য হিচাবেহে কম। কল্যাণ সজ স্বভাব চৰিত্ৰৰ হৃষ্ট-পুষ্ট-বলিষ্ঠ আৰু ৰূপবান ডেকা। মই তাক দেখি আৰু ঘৰৰ খা-খবৰলৈ ভালেই পাইছো। যদি ইচ্ছা কৰা তেনেহলে লাহে ধীৰে খা-খবৰ কৰি চাব পাৰো। মাধুৰ বাবে সি নিশ্চয় উপযুক্ত দৰা হব, যদিহে সিহঁতৰ গুৰি গোষ্ঠি…থাওক বাৰু, এই বিষয়ে চিন্তা কৰিবলৈ অলপ সময় আছে।"

"আন বিষয়ত ময়ো আপোনাৰ লগত একমত" ঘৈণীয়েকে কলে "কিন্তু কি জানেনে। সি একেবাৰে হোজা গাঁৱলীয়া আৰু বৰ অভং ধৰণৰ। তাৰ লগত মাধুৰ সুখ হব বুলিনো ভাবো কেনেকৈ? আনপিনে সি মণ্ডলৰ ল'ৰা,…"

বাধা দি গিৰিয়েক কলে "হেৰা শুনিছা? অমুক কেৰাণীৰ ল'ৰা, অমুক মণ্ডলৰ ল'ৰা ইত্যাদি বদনাম গোৱাটো তোমাৰ স্বভাৱহে পৰিছে। বৰ বেয়া কথা। এতিয়া তোমাৰ ছোৱালী বোৰৰো সেই স্বভাৱ হৈ পৰিছে। তুমি পাহৰি গৈছা যে তোমাৰ গিৰিয়েৰাও কেইবছৰমান আগতে সামান্য কেৰাণী আছিল। এবাৰ কথা জানানে? তুমি তাক মণ্ডলৰ ল'ৰা বুলি নাক কোঁচাব খোজা সঁচা কিন্তু মই যি বুজিলো কল্যাণৰ বাপেকৰ তোমাৰ নিচিনা চাৰিঘৰ গৃহস্থক কিনি লব পাৰা সামৰ্থ্য আছে।"

ঘৈণীয়েকে কোনো উত্তৰ নিদি অলপ সময়লৈ তল মূৰ কৰি থাকিল। চাহখোৱা শেষ কৰি বকৰাই তামোল এখন মুখত সুমাই ভাবপৰা আঁতৰি গল। এই দৰেই ভেওঁলোকৰ গাৰ্হস্থ্য জীৱন অতিবাহিত হয়। সুখেন্দ্ৰ বকৰাৰ সদুপদেশ বা ওজৰ আপত্তিৰ প্ৰতি ঘৈণীয়েকে কোনোদিনলৈ কৰ্ণপাত নকৰে। তেওঁৰ

বৰ বেছি উপদেশ নিদি কেৱল মাজে সময়ে দুই এটা কথা আঙুলিয়াই দিয়ে মাথোন। তেওঁ সদায় প্ৰমাণ পাই আহিছে যে ঘৈণীয়েকে তেওঁক কেৱল টকা আনি যোগান ধৰা মহাজন আৰু ফাই-ফৰমাচত খটুৱা আজ্ঞাবাহী অনুগতৰ বাহিৰে মানুহ বুলি গণ্য নকৰে। সেই নিমিত্তে পৰাপক্ষত তেৱো উপযাচি অৱণ্য-ৰোদন নকৰি ফৰমাচ মতে টকা আৰু বয়বস্তুৰ যোগান ধৰি নিজ কৰ্ত্তব্য সমাপন কৰে। অতিথিৰ দৰে খোৱাবোৱা কৰি নিজৰ চাকৰিলৈ যায়। গধূলি হলে ক'ৰবালৈ ওলাইগৈ মদ খাই নিচা কৰি উভতি আহি কেতিয়াবা কোঠাৰ ভিতৰত সজাই থোৱা ভাত খায়, কেতিয়াবা নোখোৱাকৈ শুই থাকে। বেছি ভাগ তেওঁৰ ৰাতিৰ সাজ খোৱা নহয়েই।

ইফালে আকৌ ঘৈণীয়েকৰ মনটো উৰ্দ্ধগামী। মানুহৰ আগত গিৰিয়েকক হলে কথাৰ জখলাৰে আকাশত তুলি থয় আৰু ছোৱালী হঁতৰ গুণ-কীৰ্ত্তন কৰোতে নিজৰ লেজ ডাল আকাশত লগোৱা ধৰণে আৰম্ভ কৰে। গিৰিয়েকে কেৰাণীবাবৰ পৰা অফিচাৰলৈ প্ৰমোচন পোৱা দিন ধৰি কেৰাণী শব্দটোৱে যেন তেওঁৰ কাণত বিন্ধে, নাক আপোনা আপুনি কোঁচ খায়। কথাই কথাই অইনৰ আগত কেৰাণী শব্দটো অলপ বিকৃত কৰি তাচ্ছিল্য ভাবত উচ্চাৰণ কৰে। মনত অৱজ্ঞাৰ ভাব এটা পুহি ৰাখে। তেওঁৰ ছোৱালীহঁতক কেনেকৈ প্ৰগতিৰ জখলাত তুলিদি অগ্ৰগতি কৰি 'আলট্ৰা-মডাৰ্ণ ষ্টাইলত' ৰাখি বাহাদুৰি কৰিব পাৰে মনত সদায় তাৰেই চিন্তা কৰে। যিমান বিলাক চাটুকাৰ, স্তাৱক তেওঁৰ ঘৰলৈ আহে সেই বিলাকৰ লগত ঘনিষ্ট সম্পৰ্ক পাতিবলৈ এৰি

দিয়ে। ভাল বেয়াৰ বাচ-বিচাৰ নকৰি মঞ্জিৰাক অবাধে মিলাজুলা কৰিবলৈ এৰি দিছে। বং ধেমালি, আমোদ-প্ৰমোদ, পিকনিক-পাৰ্টি, থিয়েটাৰ-চিনেমা আদি মাক-জীয়েক কোনেও বাদ নিদিয়ে। বেছি ভাগে লোকৰ পইচাৰ ওপৰতে এইবোৰ চলায়। সম্প্ৰতি বৰ জীয়েক মঞ্জিৰাই চিনেমা তাৰকা হবলৈ কোনো এটা প্ৰতিষ্ঠানৰ লগত যোৱাত তেওঁৰ বুকুখন এহাত মান যেন ফিন্দখাই উঠিছে, আনন্দ মতলীয়া মনটোৱে মহাকাশত নৃত্য কৰে। মানুহৰ আগত গৰ্ব্ব কৰে, চিনেমা তাৰকা আৰু আকাশৰ তৰাৰ ভিতৰত তৰাতকৈ তাৰকাৰ জেউতি যশ-মান বৈ পৰা...

'আগৰ হাল যেনি যায় পাছৰ হালেও সেই বাট লয়।' মাকৰ দাম্ভিক কথা বোৰ আয়ত্ত কৰি বাইদেয়েকৰ আকাশেৰে উৰি ফুৰা আদৰ্শ দেখি মাধুৰীও সেই পথেৰে খোজ দি আছে যদিও তাইৰ মনৰ ৰুচি মঞ্জিৰাৰ সৈতে নিমিলে। পঢ়া শুনাত মাধুৰীৰ ৰাপ আছে গতিকে পঢ়া শুনাত ভাল। পেটে পেটে ডাক্তাৰী বিদ্যা শিকি ডাক্তৰহৈ নাম কৰাৰ আশা এটা পুহি আছে। আমোদ-প্ৰমোদ, পিকনিক-পাৰ্টি, চিনেমা-থিয়েটাৰ আদি উপভোগ কৰাৰ আগ্ৰহ যথেষ্ট আছে যদিও বায়েকৰ নিচিনা নিজে নাচি-গাই, থিয়েটাৰ কৰি চিনেমাত নামি যশ-মান লোৱা বা চিনেমা তাৰকা হোৱাত স্পৃহা সমূলি নাই। মাকে অৰণ্যে গানৰ টিউটৰ ৰাখি আটাইবোৰ লৰা ছোৱালীক গান-বাদ্য শিকোৱাৰ বন্দবস্ত কৰিছে।

মাধুৰী দাম্ভিকা। তাই এই গুণটো উত্তৰাধিকাৰ সূত্ৰে মাকৰ পৰা পোৱা। দাম্ভিকা হলেও তাই অৱস্থা বুজি সকলোৰে সৈতে মিলিব পৰা জোখাৰে অমায়িক স্বভাৱ এটা আছে। তদুপৰি

মানুহক বশ কৰিব পৰা কিবা এটা সহজাত গুণ তাইৰ আছে। যিবিলাক ডেকা লৰা মাধুৰীৰ সান্নিধ্যলৈ আহে সেইবিলাকে সহজতে তাইৰ বশহৈ কৃপাপ্ৰাৰ্থী-স্তাৱক হৈ পৰে। মাকৰ গোপন অভিলাষ যে মাধুৰীৰ কৃপাপ্ৰাৰ্থী দলৰ পৰা সৰ্ব্বাঙ্গ সুন্দৰ চাই এজনক বাচি উলিয়াই তাইক বিয়া দিব। সেই নিমিত্তে ভক্তৰ দল বঢ়োৱাৰ আশাত ক্ৰমে জালখন বহল কৰি থাকে। বৌ-বৰালী বিধৰ এটা ভালকৈ জালত পৰা দেখিলেই মাকে জাল কোচাঁই তুলি থব। এয়ে তেওঁৰ মনৰ সংকল্প।

বাৰাণ্ডাত বহি মাধুৰীৰ মাকে গিৰিয়েকে কোৱা কথাকে এবাৰ নিজৰ মনতে আলচ কৰিছিল। সেই সময়তে মাধুৰীৰ দুজন ভক্ত বন্ধু আহি ড্ৰয়িংৰুমত কাকো নেদেখি ভিতৰ বাৰাণ্ডা পালেহি। মাকে সিহঁতক তাতে বহিবলৈ দি মুখৰ মৰমত গলাই পেলাই সন্তুষ্ট কৰিলে। তাৰ পিছত মাধুৰীৰ খবৰ কলে যে তাই আজিৰ পৰা কুস্তি শিকিব। সেইটো বিখ্যাত ফুটবল প্লেয়াৰ কল্যাণৰ ক্লাব। সিয়েই তাইক লগতলৈ গৈছে। কল্যাণৰ গুণৰ কথা জনাই নজনাই বং চৰাই বৰ্ণালে। মাধুৰীয়ে যে কল্যাণৰ নিচিনা এজনক লগ পালে সেয়া তাইৰ ভাগ্য বুলিহে প্ৰকাৰান্তৰে কৰখোজে যদিও প্ৰথম দিনা লগ পোৱা ঘটনাটো হলে সমূলি উল্লেখ নকৰিলে।

মাধুৰীৰ মাকৰ কথা শুনি উভয় শ্ৰোতাৰ মন বৰফ হল। প্ৰকাশ্যে ইজনে সিজনক নকলেও উভয়ে মাধুৰীৰ ভক্ত আৰু কৃপাপ্ৰাৰ্থীও। উভয়ে মনত ধৰি ললে যে কল্যাণ নামৰ ডেকাজনে মাকৰ ইমান প্ৰশংসা পাইছে যেতিয়া মাধুৰীৰ হৃদয় জয় কৰিবলৈ

বেছি পৰ নালাগে। তাক প্ৰতিদ্বন্দ্বী হিচাবে ধৰি লৈ মনত ঈৰ্ষা উপজিল। মুখেৰে মাধুৰীৰ মাকৰ কথাবোৰৰ সমৰ্থন কৰা যেন দেখুৱালেও অন্তৰ ক'লা পৰিল। বেছি পৰলৈ বহি নাথাকি তেওঁ খুৱাব খোজা চাহ জলপান, মিছা কাৰণ এটা দেখুৱাই, প্ৰত্যাখান কৰি থিয় হ'ল। যোৱাৰ সময়ত তেওঁক ভালৰি লগাবলৈ কৈ গল যে সিহঁতেও পালোৱানী ক্লাবত ভৰ্ত্তি হবগৈ।

আনপিনে, কল্যাণে মাধুৰীৰ সৈতে ক্লাবলৈ যোৱাৰ সময়ত তাইৰ লগতে ভৰ্ত্তি হব খোজা বান্ধৱী তুলৰাকীৰ ঘৰলৈ গৈ উলিয়াই নিবলৈ অস্বীকাৰ কৰি অকল তাইক 'নি ভৰ্ত্তি কৰি দিলেগৈ। প্ৰথমে তাইৰ মনৰ উৎসাহ কমিছিল যদিও ক্লাবত তিনিজনী তাইৰ সম বয়সীয়া গাভৰু লগ পাই মনলৈ আকৌ উৎসাহ আহিল। অন্তৰখন আনন্দেৰে ভৰি পৰিল। তাৰ পিছদিনাৰ পৰাহে তাইক শিকাব ধৰিব গতিকে এঠাইত থিয়হৈ আনবিলাক ছাত্ৰই শিকা আৰু অভ্যাস কৰা চাবলৈ ধৰিলে। এবাৰ ওস্তাদে ঘূৰোৱা লাঠিৰ গোঁ গোঁৱানি মাতে তাইক বিস্মিত কৰিলে। কল্যাণৰ হাত ওস্তাদৰ নিচিনা পাকৈত হোৱা নাই যদিও তাৰ খেল দেখি তাই মুগ্ধহৈ মনতে ভাবিলে, তাই জানো তাৰ নিচিনাকৈ শিকিব পাৰিব? খেল শেষ হোৱালৈকে তাই আটাইবোৰৰ কুস্তি চাই থাকিল। ছোৱালীকেজনীয়েও বহুত শিকিছে। দেখিয়েই তাই বুজিছে যে তাইতকৈ সিহঁত তিনিজনীৰ বল বেছি।

খেল সামৰি কল্যাণে চোলা-চুৰিয়া পিন্ধি যাবলৈ সাজু হ'ল।

মাধুৰীয়ে ওচৰলৈ আহি কলে “বৰ ভাল লাগিল কল্যাণদা, ময়ো আপোনাৰ দৰে শিকিব পাৰিম নে ?”

“চেষ্টা কৰিলে মোতকৈ বেছি শিকিবও পাৰিবা।” বুলি কল্যাণে কলে “তুমি এতিয়াও যোৱা নাই কেলেই ? সৌ তোমাৰ নতুন বান্ধৱী বিলাকৰ লগতে যোৱাগৈ মধু।”

“বান্ধৱী এতিয়াও হোৱা নাই, সিহঁতবা কৌনপিনে যায় ?” বুলি মাধুৰীয়ে কলে “আপোনাৰ লগতে উভতিম। কেইটামান কথাও জানিবলগীয়া আছে।”

কল্যাণৰ মনত ভয়, তাইৰ সৈতে আহ-যাহ কৰা দেখিলে বা কোনে কি ভাবে ? গতিকে এৰাই যাব পাৰিলেহে যেন সি ৰক্ষা পৰে। মাধুৰীৰ কথা শুনি ততালিকে সি কলে “মোৰ এতিয়া যোৱা নহব, মই মানে বেলেগ বাটেৰে...”

মাধুৰীয়ে কল্যাণৰ চেলু হুবুজা নহয়। তাই আকৌ অনুৰোধ কৰিলে “আপোনাৰনো কি অসুবিধা হব ? কেইমিনিট মান পলমেই হল বেনিবা, তাত কোনো লোকচান হব বুলি মই নাভাবো। আহক কল্যাণদা, কাবৌ কৰিছো...”

অগত্যা এৰাব নোৱাৰি সাঙোৰৰ পৰা মুৰ সোলোকা দিবলৈ চেষ্টা কৰি নোৱাৰি অনিচ্ছাৰে সাঙোৰৰ আনটো বলদৰ সৈতে খোজ দিবলৈ বাধ্যহোৱা নতুন বলদৰ দৰে কল্যাণে খোজ ললে মাধুৰীৰ আগে আগে। মাধুৰীয়ে তাৰ সমানে বেগ দিব কেনেকৈ ? অগত্যা বাটতে চিঞৰ মাৰে, “ৰ'ব কল্যাণদা...” তাইৰ মাত শুনি ঘূৰি চায়, মনত বিৰক্তি বোধকৰে। তথাপি খোজ লেহেম কৰি দিবলৈ বাধ্য হয়। মাধুৰী ওচৰ চাপি আহিল কিন্তু সি

অইনৰ নিচিনা তাইৰ গাৰ ওচৰেৰে যাবলৈ নাৰাজ। পাৰেমানে ব্যৱধান ৰাখিবলৈ চেষ্টা কৰে কিন্তু সম্ভৱহৈ নুঠে। আলিবাটটো অকল সিহঁত দুজনৰ কাৰণেতো নহয়। অইন যান-বাহন আৰু বাটকৰা ঢেৰ। মাধুৰীৰ প্ৰশ্নৰ উত্তৰ দি দি কল্যাণ আগ বাঢ়িল কিন্তু পেটে পেটে আশঙ্কা, বাটৰ মানুহবিলাকে এইদৰে তাইৰ লগত গাতে গা লগাই যোৱা বাবে বা কি ভাবিছে? লাজতে আধামৰাহৈ কল্যাণে মাধুৰীহঁতৰ নঙলা মুখ পাই "যাও মধু" বুলি চোঁচা লব খোজা দেখি তাই বাধা দি এবাৰ ঘৰলৈ নি ওভালটিন খুৱাবলৈ চেষ্টা কৰি বিফল হল। তাইৰ লগত নঙলাত থিয়হৈ ভালকৈ দুষাৰ কথা কৈ যোৱাৰো তাৰ সৎ সাহস নাই। উচ্‌পিচ্‌ কৰিব ধৰা দেখি মাধুৰীয়ে কলে "আপুনি যোক সদায় লগতলৈ যাবদেই কল্যাণদা।"

"নোৱাৰো নোৱাৰো, মোৰ বহুত..."

বাধা দি মাধুৰীয়ে কলে "ইচ্ছা কৰিলে কিয় নোৱাৰিব? অকণমান চেনেহ চকুৰে চাওকচোন কল্যাণদা। আপোনাৰ সজ উপদেশ মতে মই ক্লাবত ভৰ্ত্তি হলো, এইকণ উপকাৰনো নকৰিবনে?" কাতৰ ভাবেৰে তাই কল্যাণলৈ চালে।

তাইৰ সকাতৰ প্ৰাৰ্থনা তাৰ অন্তৰত পৰশিল যদিও আকৌ এটা কলঙ্কৰ ভয়ে সেই ভাব তল পেলাই দিয়াত সি কলে "হেৰা মধু, তুমি অন্যায় আব্দাৰ নধৰিবা। মোৰ বহুত কাম, কেতিয়া কৰ পৰা কোন বাটেৰে ওলাওঁগৈ তাৰ স্থিৰতা নাই। বিশেষকৈ কলেজ খুলিলে খেলত লাগিম। তেতিয়া..."

মাধুৰীয়ে জানে, তাৰ দুৰ্ব্বলতা কণ ক'ত। বুদ্ধি এটা সাজি

কলে "বাৰু কল্যাণদা, কলেজ নোখোলে মানেতো .লৈ যাবহি পাৰে..."

"ওঁহো ।"

তাই গহীনহৈ মিহি সুৰত কলে "আপুনি কষ্ট কৰি আহিব নালাগে বাৰু। মই সাজি-কাচি আপোনাৰ মেচত লগ ধৰিমগৈ। তাৰ পৰা একেলগে যাম ।"

তাইৰ শৰপাটে অব্যৰ্থ ভাবে তাৰ বুকুত খুন্দা মাৰিলে। তাৰ বুকু কঁপিল। ইয়াত বা কোন পঞ্চানন ওলাই কি কেলেঙ্কাৰীখন কৰে ? কেনেবাকৈ যদি প্ৰফেচাৰ সকলৰ কাণত পাৰব লাগিল তেনেহলে কল্যাণ পলাই যাবলৈও ঠাই নাই। নিৰুপায় হৈ সি সম্মতি দিলে "কলেজ নোখোলে মানে এই চাৰিদিন মই নিজে ইয়ালৈ আহি তোমাক লগতলৈ যাম বাৰু। পিছে মাধুৰী..."

"মাধুৰী কলে ?"

"এৰা মধু। পিছে মধু মোৰ তোমাক মানে সাৱধান অৰ্থাৎ তোমাক সাৱধান কৰি দিলো, আমাৰ মেচলৈ তুমি কেতিয়াও নাযাবাদেই।" বুলি উত্তৰলৈ বাট নাচাই বেগ দিলে। কৌতুক অনুভৱ কৰি মাধুৰীয়ে অকলে অকলে হাঁহি ভিতৰলৈ গল।

কল্যাণে যেতিয়া মেচ পালেহি তেতিয়া আন্ধাৰ হৈছিল। পৰমেশে নিজৰ কামত ঘূৰি ফুৰে। বান্ধনিও নাই, বজাৰলৈ গৈছে চাগৈ। নিজৰ পঁজাৰ দুৱাৰ মেলি সি ভিতৰ সোমাল। ভাগৰ লাগি আহিছে, চাহ এপিয়লা পোৱাহেঁতেন.. কিন্তু উপায় নাই। আন্ধৰতে বিছনাত দীঘলদি পৰিল। দোকানলৈ গৈ চাহ খোৱাৰ

প্ৰবৃত্তি নহল। লেম জ্বলাবলৈ এলাহ লাগিল। শৰীৰটো অৱশ লাগিছে।

মনটোৱে মাধুৰীৰ কথাকে ভাবিলে। আজিৰ দিনটোৰ খতিয়ান কেৱল মাধুৰীৰ সান্নিধ্য। ঘিউ জমি ববফহে থাকিলেও জুইৰ তাপত গলে। অন্তৰত আশঙ্কা থাকিলেও তাইৰ সাহচৰ্য্যই তাৰ মন প্ৰফুল্লিত নকৰা নহয়। তাইৰ চেনেহৰ দাবী আৰু বাৰে বাৰে উচ্চাৰণ কৰা কোমল কণ্ঠত 'কল্যাণদা' শব্দটোৱে কাণত মৌ বৰষি বাৰে বাৰে আশালতালৈ মনত পেলাই দিয়ে। হঠাৎ দুই এবাৰ আশাৰ মুখৰ পৰা ওলোৱা যেন লাগে। ঘৰত থকাত দিনটোৰ ভিতৰত আশালতাই অসংখ্যবাৰ 'কল্যাণদা' সম্বোধনেৰে যেনেকৈ কাণ জুৰ পেলাইছিল সেইদৰে ব্যতিব্যস্তও কৰি তুলিছিল আৰু সময়ত বিৰক্তও কৰিছিল। সেই পিনেৰে আশালতাৰ লগত মাধুৰীৰ যথেষ্ট মিল হল। আন কোনো ফালেৰে মিল নাই যদিও অকল সেইবাবেই হয়তো মাধুৰীৰ অন্যায় জুলুম আজি কল্যাণে সহ্য কৰিব পাৰিছে।

কল্যাণে ভাবিলে, কিন্তু মাধুৰী এইদৰে তাৰ গাত জোক লগা দিলে কেলেই ? তাৰ কামত কৃতজ্ঞতা জনোৱাৰ পৰ্ব্ব কালি গধূলিয়েই শেষ হৈছিল। মাক-বাপেক আৰু মাধুৰীৰ ব্যৱহাৰ আৰু কাম তাৰ মনত অতিৰিক্ত বুলিয়েই ধৰি ললে। তথাপি সি ভাবিলে যে সিহঁতৰ ঘৰৰ লগত পৰিচিত হবলৈ পাই আৰু উন্নত সমাজ এখনৰ আচাৰ-ব্যৱহাৰ, ষ্টাইল আদিৰ লগত পৰিচিত হবলৈ সুযোগ পোৱা কথাটো তাৰ পক্ষে কম লাভৰ কথা নহয়। এইবোৰ বিষয়ে সি তেনেই অনভিজ্ঞ। তাক আভিজ্ঞতা লাগে

কিন্তু সেইবুলি সি মাধুৰীৰ সৈতে লোক লোচনৰ সন্মুখেদি অবাধে ঘূৰি ফুৰিবলৈ তাৰ মনোবল নাই।

হঠাতে তাৰ নিজৰালৈ মনত পৰে। ক্লাবলৈ যোৱাৰ সময়ত মাধুৰীয়ে তাইৰ পৰিচয় দিয়াত তাৰ মনটো ঘৃণাৰে উপচি পৰিছিল। আকৌ কেতিয়াবা লগ পালে তাই তাক নামাতিব বুলিয়ে ভাবে কিন্তু কটা নাকটো হাততলৈ যদি কেতিয়াবা মাতেহে তেতিয়াহলে কি ব্যৱহাৰ কৰিব সি মনতে আলচি স্থিৰ কৰি থৈছে।

কল্যাণে বিজালে আশালতা, মাধুৰী আৰু নিজৰাৰ স্বভাৱৰ কথা। বেচেৰী আশালতা, মাউৰী, দুখুণী সা-সহায় হীনা আশালতা, ভাবিয়েই কল্যাণৰ পুতৌ উপজিল। কি কষ্টেৰে, কিমান নিগ্ৰহৰ মাজত যে তাই জীৱটো বচাই ৰাখিবলগীয়া হৈছে। তাৰ অন্তৰখন কলা পৰিল। ইমান প্ৰপীড়ণৰ মাজত তাই যদি অভিমান কৰি কল্যাণৰ কথা নামানিলে সেই কামত কল্যাণে তাইৰ খা-খবৰ নলওঁ বুলি, মুখ নাচাওঁ বুলি ভীষ্মৰ প্ৰতিজ্ঞা কৰা তাৰ অনুচিত হৈছে। যদি সকৰে পৰা তাই সুখৰ কোলাত ডাঙৰ হবলৈ পালেহেঁতেন তেনেহলে ৰূপে-গুণে মাধুৰীতকৈ বহুগুণে চৰা হলহেঁতেন। বিষাদৰ দীঘল হুমুনিয়াহ এটা তাৰ বুকু ভেদি ওলাই আহিল।

সি মাধুৰীৰ কথা ভাবিলে যে তাই ৰূপত যেনেকৈ ধুনীয়া সেইদৰে মনৰ দম্ভকণো পূৰা মাত্ৰাই আছে। তথাপি তাইৰ মনটো যে কোমল আৰু সৰল এই কথা কল্যাণে প্ৰমাণ পাইছে। তাইৰ দম্ভ হয়তো বংশগতও হব পাৰে, সঙ্গদোষৰ পৰাও হব

পাৰে অথবা পাৰিপাৰ্শ্বিক অৱস্থায়ো তাইক অহংকাৰৰ আকাশত তুলিব পাৰে। আচলতে তাইৰ মনৰ ছুটাৰূপ সি ধৰা পেলাইছে। বাহিৰৰ আৱৰণখনৰ আঁৰত মাধুৰীৰ মধুৰ মনৰ প্ৰকৃত লাৱণ্যময়ী ৰূপটো সমুদ্ৰ তলীৰ মাণিকৰ দৰে লুকাই আছে।

নিজৰাৰ কথা মনত পৰি কল্যাণে নাক কোঁচালে। ক্লেদ কালিমাৰে ভৰা তাইৰ অন্তৰৰ অপবিত্ৰ ভাব নৰ্দ্দমাৰ অস্বাস্থ্যকৰ গোন্ধৰ দৰে মুখৰ ভঙ্গী আৰু ইতৰ কথা বাৰ্ত্তাই প্ৰকাশ কৰে।

সেই সময়তে বাহিৰত বান্ধনিৰ মাত শুনি কল্যাণ চাহ এটোপাৰ আশাৰে ওলাই গল।

— তেৰ —

তাৰ পিছদিনা। ৰাতিপুৱা শুই উঠাৰ পৰাই কল্যাণৰ মনটো আজি বৰ প্ৰফুল্ল হৈছিল। কালি শোৱাৰ সময়ৰ এই কেদিনৰ নিত্য নতুন নানান বিচিত্ৰ ঘটনাৰ সমাবেশৰ কথা নিজৰ মনতে সমালোচনা কৰি থাকোতে কেতিয়া টোপনি আহিছিল নাজানে আৰু তাৰ পিছতো যদি কোনোবা কল্পনা ৰাজ্যত তাৰ মনটোৱে বিচৰণ কৰি ফুৰিছিল তাৰো কথা সম্ভূলি কৰ নোৱাৰে। কিন্তু সপোনতে সি এটা যে ডাঙৰ কাম কৰি পেলালে এই কথা তাৰ বৰ বঢ়িয়াকৈ মনত আছে। সপোনত কৰা বুলি ভাবিবলৈও তাৰ বেয়া লাগে কিয়নো সপোনত সাত ৰজাৰ ধন মাণিক পালেও সাৰ পাই চকুমেলাৰ লগে লগে অসাৰ

সপোন বুলি প্ৰতিপন্ন হয়। কিন্তু তাৰ আজিৰ সপোন সমূলি অসাৰ হৈ পলাই যোৱা নাই। তাৰ মনত সকলো কথা বাস্তৱত কৰা বুলিহে ধাৰণা হৈছে আৰু তাৰ পৰা ক্ষুদ্ৰ অংশ এটাও সি পাহৰি যোৱা নাই। হাতত কাপ ললেই আটাইবোৰ হুবহু লেখি পেলাব পাৰিব, সেয়ে তাৰ আনন্দৰ কাৰণ···

কল্যাণে এখন উপন্যাস লিখিছে। এই কেদিনৰ ঘটনাকে উপলক্ষ্য কৰি আশালতা মাধুৰী আদিক পটভূমিত ৰাখি কাহিনী এটা সি লিখি পেলাইছে। অৱশ্যে সচিত নহয়, সপোনত আৰু তুলাপাতত নহয়, মনত। হওক সপোনত, তথাপি তাৰ প্ৰত্যেক কথা মনত আছে যেতিয়া লিখি উলিয়াবলৈনো কিমান পৰ লাগিছে? ইতিপূৰ্ব্বে সি গল্প আৰু কবিতাৰ নামত কিবাকিবি লিখিছিল যদিও সেইবোৰ তাৰ চঞ্চল স্বভাৱৰ খামখেয়ালী আৰু কেঁচা হাতৰ কচৰৎ। সেইবোৰৰ বেছি ভাগ তাৰ নিজৰে ভাল নলগাত পুৰি ছাই কৰি পেলাইছে। কিন্তু আজিৰ সপোনৰ মধুৰ কাহিনীয়ে তাৰ মনটোক যেন আকাশত তুলি নচুৱাইছে। তাক সি পাহৰিব নোৱাৰে। অৱশ্যে কাহিনীৰ পৰিসমাপ্তি হোৱাৰ আগেয়ে সি সাৰ পালে যদিও তাৰ মন উৎফুল্লহে হল। আজিহে সি প্ৰাণৰ প্ৰকৃত প্ৰেৰণা পালে। কল্যাণ সদায় বাস্তৱ বাদী কৰ্ম্মী, ভাৱ-প্ৰৱণতাই তাক টানিব পৰা নাছিল কিন্তু আজি কিহবাই যেন তাক অতৰ্কিতে তুলি আনি নতুন ৰসৰ ৰহঘৰাত পেলাই দিলেহি।

মনৰ আনন্দত কল্যাণ পৰমেশৰ সৈতে চাহ খাবলৈ বহি আজি পাওকটিৰ সলনি নিজৰ পইচাৰে কণীসিদ্ধ, কেক-বিস্কুট

আদি অনাই খালে। বাকী দুজনকো খুৱালে। পৰমেশ অলপ আচৰিত নোহোৱা নহয় কিন্তু কল্যাণৰ খামখেয়ালী স্বভাৱৰ সৈতে সি পৰিচিত। সহজ ভাবেই গ্ৰহণ কৰি কল্যাণৰ ফুৰ্ত্তিৰ কাৰণটো কি জানিবলৈ ব্যতিব্যস্ত কৰি তুলিলে।

পৰমেশৰ প্ৰশ্নৰ কি উত্তৰ দিব কল্যাণে সততাই ভাবি নাপায় তাৰ মনত অপাৰ আনন্দ হোৱাৰ কাৰণটো পৰমেশক জনাবলৈ নিতান্ত অৱান্তৰ, সেই কথা সি ভালকৈ বুজে। সি সপোনতহে উপন্যাস লিখিছে, সচিতত এতিয়াও হাতত কাপকে লোৱা নাই। এনেকি বহী-কাকতকে কিনা নাই। গতিকে আনন্দত উত্ৰাৱলহৈ নাচিবলৈ একোৱেই নাই—যেন গছত কঠাল, গোঁফত তেল। গতিকে আচল কাৰণটো কব নোৱাৰি উত্তৰ দিলে "এহ কিমানবো এই টেঙা পাওৰুটি সোপা গিলিবাহে ? দেখিলেই মোৰ আতোক হয়। ভালকৈ খোৱাৰ মন গল, খাওঁদিয়া আৰু ··"

কল্যাণে পাওৰুটি গিলি সুখ নাপায় বুলি পৰমেশে আগৰ পৰাই জানে। তাৰ কৈফিয়ৎ শুনি অবিশ্বাসৰ কাৰণ নাপাই ধন্যবাদ জনাই খালে। খোৱাৰ অন্তত পৰমেশ তাৰ কামত ওলাই গল আৰু কল্যাণে পলম কৰিব নোৱাৰি তেতিয়াই গৈ ডাঙৰ চাই দুখন বহী কিনি লৈ আহিল।

পঁজাৰ দুৱাৰখন জপাইদি সি বহীদুখন আগত আৰু কলমটো হাততলৈ বহিল। বহী এখন মেলি ললে, লিখিবলৈ সাজু হল কিন্তু কলম নচলে। তেতিয়াহে তাৰ ভাব হল যে যিমান উজু বুলি ভাবিছিল লিখা কথাটো সিমান উজু নহয় বৰং তাৰ ওলোটাহে। এই কথা ঠিক যে সপোনত লিখা আখ্যানটো

তাৰ বচ়িয়াকৈ মনত আছে কিন্তু আৰম্ভণীটো কোনখিনিৰ পৰা কিদৰে কৰিব লাগে বহুত ভাবিচিন্তিও সমূলি স্থিৰ কৰিব নোৱাৰে। একো একোবাৰ কলমে কাকত স্পৰ্শ কৰে কিন্তু কিহবাই যেন হাতখন টানি আনে। আকৌ ভাবে ঠিক কোন খিনিৰ পৰা আৰম্ভ কৰিলে ভাল হয়। সপোনত লিখা কথাটো কোনখিনিৰ পৰা আৰম্ভ কৰিছিল সুঁৱৰিবলৈ চেষ্টা কৰে কিন্তু কোনোমতে মনত নপৰে। এবাৰ স্থিৰ কৰিলে যে আশালতাক লৈয়ে প্ৰথমে আৰম্ভ কৰা যাওক, কিন্তু তাৰ পিছতে মনটোৱে জিকাৰ মাৰি উঠিল, ছিঃ মানুহে কি ভাবিব ? তাতকৈ মাধুৰীক উদ্ধাৰ কৰাৰ পৰাই লিখা ভাল কিন্তু তেতিয়াহলে আশালতা বাদ পৰি নাযাব জানো ? তাইক বাদ পেলাই লিখিবলৈ তাৰ মনে নকয়। সি ডাঙৰ সমস্যাত পৰিল। বহুত সময়ৰ মূৰত এবাৰ ওলাইগৈ নৈৰ পাৰৰ পৰা ততালিকে ঘূৰি আহি আকৌ বহিল। গা ধোলাই হাৱা খাই ফুৰিলে ক'ৰ কাহিনী লিখা হব ? বহিল যদিও তাৰ সমস্যাৰ সমাধান নহল। ভাবি চিন্তি বহিয়েই থাকিল। হাতত কাপ সমুখত তুলাপাত······

পৰমেশে আহি যেতিয়া বাহিৰৰ পৰা মাতিলে তেতিয়া সপোন ভাগি একে জাপে উঠি ওলাই গল। বেলি প্ৰায় দুপৰেই হলহি। দুয়োজনে নৈলৈ গা ধুবলৈ গল। যথা সময়ত ভাত-পানী খাই আকৌ এবাৰ চেষ্টা কৰিলে যদিও কৃতকাৰ্য্য নহল। তথাপি সি হতাশ নহৈ ভাবিলে যে আৰম্ভণিটো কৰি লব পাৰিলেই 'আৰ কাঁহা' ? পাছৰ ফালে সকলো ঠিক হৈয়েই আছে যেতিয়া অনায়াসে শেষ কৰিব পাৰিব। হতাশ হোৱাৰ পাত্ৰ কল্যাণ নহয়।

মনৰ উৎসাহ নকমিল। আবেলি তিনি বজাৰ লগে লগে চুন্নাৰত তলা লগাই সি ওলাই গল।

মাধুৰীহঁতৰ ড্ৰয়িংৰুমৰ সমুখ পাই তাই খঙেৰে চিঞৰি কোৱা শুনিলে "লৈ যোৱা তোমাৰ টকা। মই তোমাৰ ভঁৰালীও নহয়, বান্দীও নহয়। তোমাৰ টকা খৰচ কৰিবলৈ মোৰ কি দৰকাৰহেঁ? দেউতাই মোক টকা দিব নোৱাৰে? এওঁ মোক টকা দেখুৱাই ভালৰি লগাব আহিছে..."

কল্যাণে চুপি থাকি কথা শুনাৰ অভ্যাস নাই। মাধুৰীৰ কথাৰ মাজতে সি ভিতৰ সোমাল। তাক দেখি তাই কলে "বহক কল্যাণদা, চাওকচোন এওঁ মোক দুশ টকা ভেটী দি অপমান কৰিবলৈ..."

তাইৰ কথাৰ মাজতে বাধা দি, সিজনে কলে "মই ভেটী কিহৰ বাবে দিম? অপমান কৰা হল ক'তা? মই তোমাক থ বলৈহে দিছো। যাৰে তাৰে আগত যিহকে তিহকে কোৱা কিয়হে মাধু?"

"এতিয়া কোৱাত লাজ পোৱা যদি টকা দুশ যাচি মোৰ ভৰিত ধৰিব খুজিছিলা কিয় হোঁ.. মিছা কবলৈ লাজ নালাগে?"

সিজনে কল্যাণ থকা দেখি লাজ পাই তাইৰ কথা ঘুৰাবলৈ চেষ্টা কৰি সুধিলে "এওনো ক'ৰ কল্যাণদা ওলালহি মাধু? কাজিৰঙা অভয়াৰণ্যৰ পৰা আহিছে নেকি?"

মাধুৰীয়ে মুখ বিকটাই বিদ্ৰূপ কৰি কলে "গালৰ বিষ কমিল বাবে পাহৰি গলা নেকি মহিমদা? চিনি নোপোৱা ভাও ধৰিলা যদি কওঁ শুনা, চাৰি দিনৰ আগেয়ে যে বিস্কুত তোমাক চৰাইছিল,

তেঁৱেই এওঁ। এতিয়াই কৈছিলা নহয় যে এওঁক হল পালে মাৰি ধৰি শাস্তি দি কাণত ধৰি নি জেলত সুমাই থবা? আগবাঢ়ি যোৱা এতিয়া সুযোগ পাইছা।"

মহিমে অভ্যাসতে গালখনলৈ হাত নিলে। লগে লগে তাৰ মুখৰ ৰঙো সলনি হল আৰু একে সময়তে বিজাতীয় ক্ৰোধেৰে সি কল্যাণৰ মুখলৈ চাই কিবা এটা অস্ফুট শব্দ কৰিলে, যাক বাকী দুজনৰ এজনেও নুবুজিলে। কল্যাণে মাধুৰীৰ মুখৰ কথা শুনি তাৰ হাতখন মুঠি বান্ধি বুকুৰ ওচৰলৈ তুলি দুৱাৰৰ ওচৰৰ পৰা আৰু দুখোজ ভিতৰলৈ আগবাঢ়িল। হঠাৎ মহিমে থিয়হৈ ভিতৰৰ ফালৰ দুৱাৰৰ পৰ্দ্দা ঠেলি সোমাই যাওঁতে কৈ গল "টকাখিনি বৌৰ হাতত থব দিওঁগৈ..."

কল্যাণে পৰ্দ্দাৰ ওচৰলৈগৈ অলপ ফাঁক কৰি চাই তাক নেদেখি উভতি আহি চকী এখনত বহি কলে "কাপুৰুষ...পলাই ভালেই কৰিলে।" বুলি তাচ্ছিল্যৰ হাঁহি এটা মাৰি শান্ত হল। তাৰ মুখৰ হিংস্ৰ ভাবটো গুচি স্বাভাৱিক ভাব আহিল। মাধুৰীলৈ চাই সুধিলে "পিছে, ৰহস্যটো কি মধু?"

মাধুৰীয়ে উত্তৰ দিলে "কওঁ শুনক কল্যাণদা, মাৰসৈতে মই ইয়াতে বহি আছিলো। প্ৰায় পোন্ধৰ মিনিটমান আগেয়ে মহিম আহি সোমায়েই কোনেও নোসোধাকৈয়ে কৈফিয়ৎ দিলে যে এইকেদিন তেওঁ ইয়াত হেনো নাছিল। টকা আদায় কৰিবলৈ খিলঙলৈ গৈছিল। কালি গধূলি উভতি আহিছে আৰু আজি পুৱাই হেনো কামাখ্যালৈ গৈছিল। তাৰ পৰা পূজাৰ প্ৰসাদ পঠা এটা লৈ বাহিৰে বাহিৰে ইয়ালৈ আহিছে। বহুত বিলাক মিঠাইও

লগত লৈ আহিছে। আমাৰ মায়ে তেওঁৰ কথা বিশ্বাস কৰিছে যদিও মই হলে সমূলি বিশ্বাস কৰা নাই। যি নহওক বস্তুবোৰ সামৰিবলৈ মা ভিতৰ সোমাই যোৱাত মহিমে মোক কলে বোলে 'মধু তোমাৰ ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা খুজিছো, সিদিনাৰ ঘটনাটো পাহৰি যোৱা। মোৰ কোনো অসৎ অভিপ্ৰায় নাছিল। এপাক ঘূৰি চিনেমালৈ আহিলোহেঁতেন, সেয়েই প্ৰকৃত সঁচা কথা।' তেতিয়া মই সুধিলো যে যদি তোমাৰ অসৎ অভিপ্ৰায় নাছিলেই তেনেহলে কিয় গোপনে ৰিক্স্ৱালাক পাঁচ টকা দিছিলা আৰু মোৰ কথা নামানি জোৰেৰে ৰিক্স চলাবলৈ দিছিলা কেলেই?"

আগ্ৰহেৰে কল্যাণে সুধিলে "পিছে সি কি উত্তৰ দিলে?"

মাধুৰীয়ে কলে "সি উত্তৰ দিলে বোলে সেইটো একো ডাঙৰ কথা হোৱা নাছিল। ধেমালি কৰি মোক ভয় খুৱাই ৰহস্য কৰিবলৈ তেনে কৰিছিল। তেতিয়া মই কলো যে বাটত তেওঁ বাধা নিদিয়া হলে তুমি মোক নিশ্চয় ক'ৰবালৈ নিলা হেঁতেন। ৰিক্স্ৱালাই পাগুলৈ নিয়াৰ কথা কৈছিল। সঁচানে মিছা কোৱা?"

"পিছে, পিছে সি কি কলে?" উত্তেজিত ভাবেৰে কল্যাণে সুধিলে।

"কি কব আৰু?" মাধুৰীয়ে কলে "সি মোৰ প্ৰশ্নৰ উত্তৰ নিদি বীৰত্ব দেখুৱাই খং কৰি কলে বোলে সিদিনা বাধা দিয়া গুণ্ডাটোক এবাৰ লগ পোৱা হলে অথবা নাম-ঠিকনা জানিব পৰা হলে তাক মাৰি ধৰি শাস্তি দিব। কাণত ধৰি টানি নি জেলত সুমাই থব। পুলিচৰ পৰা ওপৰৱালালৈকে এনেকি

মন্ত্ৰী পৰ্য্যন্ত সকলো হেনো তেওঁৰ খাটিবৰ মানুহ। তাৰ কথাত সহ্য কৰিব নোৱাৰি মই কৈছিলো যে তেওঁ যদি তোমাক লগ পায় তেতিয়া বহি খোৱাৰ ভিকাচন মাৰিব চাবা…”

হঠাতে কল্যাণে থিয়হৈ আকৌ দুৱাৰলৈ চোঁচালে পৰ্দ্দা দাঙি চাই কলে “ক’তনো লুকাল বদমাচে? জেললৈ যোৱাৰ আগতে যদি তাৰ দাঁত দুটা ভাঙিব নোৱাৰো…” •

এনে সময়তে মাধুৰীৰ মাক ভিতৰ ফালৰ পৰা আহি কল্যাণক দেখি দূৰৈৰ পৰাই কৈ আহিল “অ’ কল্যাণ বোপা আহিলি? বহ, বহ…”

মাধুৰীয়ে সুধিলে “মহিম ক’ত মা?”

মাকে উত্তৰ দিলে “মন্ত্ৰী এগৰাকী এতিয়াই পাবহি হেনো। সি লগ ধৰিবলৈ লৰালৰিকৈ গল। চাহ এপিয়লা খাই যাবলৈকো তাৰ সময় নাই হেনো।”

মাধুৰীয়ে কলে “গোকাট মিছা। কাপুৰুষে শিয়াল পলোৱাদি পলাল মা; কল্যাণদা অহা দেখি। মিঠাইবোৰ দি সি চাহ খুজিছিলনে নাই? আকৌ ৰাতিৰ সাজ ইয়াতে পঠাৰ মাংসৰে খাব বুলি কৈছিল নহয়, আহিব নে নাহে?”

মাকে উত্তৰ দিলে “এৰা কৈছিলে হয়, পিছে এতিয়া কৈ গল বোলে মন্ত্ৰীৰ লৈতে ঘুৰোতে তাৰ হয়তো বহুত ৰাতি হৈ যাব পাৰে। যদি সময় কৰিব পাৰে ঠিক সময়ত মানে দহ বজাৰ ভিতৰতে পাবহি আৰু সেই সময়ত নাপালে তালৈ ৰখি নাথাকি তাৰ সাজ থৈ দি আমাক খাইবৈ শুই থাকিব কৈছে।”

“সকলো মিছা কথা। ভয়তে সি নাহে। কল্যাণদা নহা

হলে সি ইয়াতে শুই থাকিলে হেঁতেন। এতিয়া ভাবিছে, সকলোৱে শুলে মনে মনে আহি তোমাক মাতি সি ছুৰাপাত চেলেকি যাব। নহলে পুৰা চেলেকিবহি। পিছে মা, টকা দুশ তোমাক দি গল হবলা ; হয়নে ?"

মাকে উত্তৰ দিলে "দুশ নহয়, পাঁচশ দিথৈ গৈছে। তাৰ হেনো সম্প্ৰতি দৰকাৰ নহয়।"

মাধুৰীয়ে হাঁহিলে। তাৰ পিছত কলে "বদমাচৰ আচল প্ৰকৃতিটো তুমি এতিয়াও বুজা নাই মা। কওঁ শুনা", বুলি অথনি মাক ভিতৰলৈ যোৱাৰ পিছৰ পৰা কল্যাণ আহিলত পলাই যোৱালৈকে সকলো কথা বৰ্ণাই উঠি কলে "এতিয়া বুজিলানে মা, সি শিয়ালৰ দৰে লেজ কোঁচাই পলাই সাৰিল। আজিতো নাহেই কালিলৈ আহিব বুলিও মই নাভাবো।"

কল্যাণে কলে "মধু, মই পলম কৰিব নোৱাৰো। ক্লাবলৈ যোৱা যদি ব'লা।"

"ব'ব কল্যাণদা, মই দুমিনিটতে ওলাই আহোগৈ।" বুলি তাই থিয় হল।

মাকে কলে "মাধু, কল্যাণৰ সৈতে চাহ-জলপান খাই যা। পানী উতলি আছে, পলম নহয়।"

কল্যাণে কলে "শুদা চাহ এপিয়লা খোৱাত আপত্তি নাই, কিন্তু জলপান মই নাখাওঁ, মাহীদেও।"

মাকে অনুৰোধ কৰিলে "বাক জলপান নাখাব যদি নালাগে কিন্তু আজি ৰাতিৰ সাজহলে ইয়াতে খাবই লাগিব কল্যাণ বোপা।"

কল্যাণে দৃঢ় ভাবেৰে কলে "তেনেকথা হবই নোৱাৰে মাহিদেও। কল্যাণে মহিমৰ পঠাৰ মাংস নাখায়, সুবিধা পালে কোতিয়াবা তাৰ কেঁচা মগুহ..."

ততালিকে মাধুৰীয়ে কলে "ঠিক কথা মা, কল্যাণদাই তো নাখায়েই ময়ো তাৰ কোনো বস্তু নাখাওঁ—হাতেৰে স্পৰ্শ নকৰো জানিবা, এতিয়াই কৈ থলো কিন্তু।"

মাধুৰীৰ প্ৰতিজ্ঞা শুনি কল্যাণ পেটে পেটে সন্তুষ্ট হ'ল। তাইৰ প্ৰতি শ্ৰদ্ধা জন্মিল। ক্লাবলৈ যোৱাৰ সময়ত বাটে বাটে মাধুৰীয়ে মহিমৰ বিষয়ে বহুত কথা কলে। আজি কল্যাণে আগদিনাৰ দৰে বেছি ফাৰাকহৈ যাবলৈ চেষ্টা কৰা নাই। আহিবৰ সময়তো বিনা আপত্তিৰে তাইক ঘৰত আগবঢ়াই দি তাইৰ অনুৰোধ মতে এপিয়লা ওভালটিন খাই গল। মাকে বন্ধাত ব্যস্ত আছিল যদিও এবাৰ ওলাই আহি তাক মাত এষাৰ লগাই গল। কল্যাণ মেচলৈ উলটিল।

তাৰ পিছ দিনা। আবেলি মাধুৰীক ক্লাবলৈ নিবলৈ আহোতে মাধুৰীয়ে থিয়ই থিয়ই তাক সংবাদটো পৰিবেশন কৰিলে "শুনিছে কল্যাণদা, মোৰ অনুমান ঠিক। মহিমে পুৱা ন মান বজাত আহি কালিৰ বাহী খাদ্যবোৰ চেলেকি গৈছে। তেতিয়াই তাক ধুমাবমান ভালকৈ শুনাই দিছো হলে।"

"তাক কথা শুনাই তুমি কি কৰিবা?" কল্যাণে কলে "লাজ থকা মানুহক কথা শুনাইহে লাভ আছে। তোমাৰ মহিম..."

বাধা দি মাধুৰীয়ে দৃঢ় মাতেৰে কলে "মোৰ বুলি নকব কল্যাণ দাদা!"

"নকওঁ বাক। পিছে শুনা, সি এটা কাপুৰুষ আৰু ভদ্ৰতাৰ মুখা পিন্ধা নৰপশু জানিবা। মোৰ মেচৰ বন্ধু পৰমেশে তাৰ খা-খবৰ লৈছিল। পৰমেশে ইণ্ডিয়ৰ ব্যৱসায়ৰ কামত ফুৰোতে বহুতৰ লগত চা-চিনাকি হোৱাৰ সুবিধা পায়। তেওঁ কলে যে মহিমক নামে-মানুহে নিচিনে যদিও কামাখ্যাৰ ওচৰত নতুনকৈ সজোৱা বঙলা এটাত দুদিনো তেওঁ লগ পাইছে। মানে, সেই বঙলাটো এজন উচ্চপদ বিষয়াৰ অৰ্থাৎ পালিমন্ত্ৰী বিধৰ মানুহৰ। তেওঁ খিলঙতে থাকে যদিও নামি আহি ইয়াতে দুই এদিন থাকি যায়।"

"মহিম তালৈ··· ?"

"মোক কবলৈ দিয়া মধু।" কল্যাণে কলে "মহিম তেওঁৰ এজন পূজাৰী। নানা ৰকমে পূজা কৰি তেওঁক সন্তুষ্ট কৰি বৰ লয় অৰ্থাৎ ঠিকা-ঠাকুলি, পাৰ্মিট-লাইচেঞ্চ আদি পায়। যি নহওক, কালি দুটা পঠা আনিছিল, তাৰে এটা তাতে ৰাখি আনটো তোমালোকৰ ইয়ালৈ আনিছিল। অৱশ্যে পঠা কামাখ্যাৰ পৰা অনা সঁচা কিন্তু মহিম কামাখ্যালৈ যোৱা নাছিল, পাণ্ডাই লৈ আহিছিল।"

মাধুৰীয়ে কলে "লোকৰ মূৰত কঠাল ভাঙি···"

কল্যাণে কলে "লোকৰ ধনেৰে সি বাহাদুৰি কৰে সঁচা, নহলে বিনা কথাতে উপযাচি তোমাক দুশ, মাহীদেওক পাচ শ টকা দি তাৰ সম্প্ৰতি দৰকাৰ নাই বুলি এবিধে যাব নোৱাৰিলেহেঁতেন। এতিয়া তুমিও তাৰ মতলবটো অনুমান কৰিব পাৰিছা নিশ্চয় ?"

আচৰিতহৈ মাধুৰীয়ে কলে "সমূলি অনুমান কৰিব পৰা নাই, কল্যাণদা। অনুগ্ৰহ কৰি কওক চোন ?"

কল্যাণে কলে "এইবোৰ কথাত ময়ো তেনেই অনভিজ্ঞ মধু আৰু তোমাৰ নিচিনাই অনুমাণ কৰিব পৰা নাছিলো। কিন্তু পৰমেশ চালাক-চতুৰ ব্যৱসায়ী মানুহ। তেওঁৰ অভিজ্ঞতা বহুত। তেওঁ মোক এটা ইঙ্গিত দিছিল, থাওক বাৰু, তোমাক কোৱা অনুচিত।"

"কওক কল্যাণদা, কাবৌ কৰিছো…" কল্যাণক হাতত ধৰি নি চকী এখনত বহুৱাই ওচৰতে আন এখন চকীত বহি মাধুৰীয়ে আকৌ অনুৰোধ কৰিলে "কওকচোন কি কৈছিল আপোনাৰ বন্ধুৱে ?"

কওঁ নকওঁ কৰি কল্যাণে কলে "সেই দিনা গধূলিৰ ঘটনাৰ বিষয়ে তেওঁ মোক সুধিছিল যে মহিমে যদি তোমাক তালৈকে নি ফুৰি চাকি আহিলেহেঁতেন বুলি অনুমান কৰে তেতিয়া মই কিবা কৰলগীয়া থাকেনে ? মই…"

উত্তেজিতহৈ মাধুৰী থিয় হৈ বাৰাণ্ডাৰ ফালে থকা দুৱাৰৰ ওচৰলৈ গৈ আকৌ ঘূৰি আহিল। মুখেৰে কলে "ঠিক কথা, ঠিক…ঠিক…" আকৌ এপাক ঘূৰি ধপহ কৰে চকীখনত বহি দাঁত কামুৰি কলে "লগ পোৱা হলে তাক মই জোঁতাৰে গালত কোবালোহেঁতেন। আপুনি কালিয়েই কোৱাহলে, এৰা থাবলৈ পুৰা অহাৰ সময়তে তাক…"

কল্যাণে কলে "কালি ময়ো জনা নাছিলো মধু। আজি দুপৰীয়াহে পৰমেশে মোক কলে। এনেবোৰ কথাৰ আও ভাও মই সমূলি নাপাইছিলো। যি নহওক, এতিয়া উত্তেজিতহৈ লাভ নাই। ক্লাবলৈ যাবা নে মই অকলে যাম ?"

"নিশ্চয় যাম কল্যাণদা, সদায় যাম। মোক শক্তি লাগে। মহিম পগুক মাৰিবলৈ আপোনাৰ নিচিনা শক্তি লাগে। শক্তি মতী হব নোৱাৰো মানে ক্লাবলৈ যোৱা বন্ধ নকৰো।" বুলি কৈ মাধুৰী ভিতৰলৈ গৈ সাজুহৈ ওলাই আহিল। দুয়োজনে ক্লাবলৈ গল।

তিনি দিনৰ পিছত কলেজ খুলিলে। কল্যাণৰ অৱসৰ কমিল। কলেজলৈ যোৱা-অহা আৰু পঢ়া আদি কৰ্ত্তব্যৰ ওপৰিও সদায় ফুটবল খেল থাকেই। তাৰ লগতে অন্যান্য খেল ধেমালিও নথকা নহয়। তদুপৰি মেল-মিটিং আৰু নিতৌ ন-ন হুজুগবোৰ আছেই। পালোৱানী ক্লাবলৈ সদায় আহিব নোৱাৰে। সপ্তাহত প্ৰত্যেক দেওবাৰে আহে, যদিহে কোনো বাধা নপৰে।

মাধুৰীহঁতৰ ঘৰলৈ যাবলৈ তাৰ সময়েই নাই। তাইৰ কথা মনতো নপৰে। ৰবিবাৰে আখ্ৰাত সময়ত তাই আহি পোৱাৰ আগেয়ে তাৰ কুস্তি শিকা শেষ কৰি খেল পথাৰলৈ লৰ মাৰে। কোনো দিনা হয়তো পলমকৈ থাকিলে দেখাও হয়। মাধুৰীয়ে অভিযোগ, খং, অভিমান কোনো বিধকে কৰিবলৈ বাকী নেৰে। তাৰ পিছত আকৌ মেচলৈ যাব বুলি ভয়ো দেখুৱায়। সেই বিষয়ে কল্যাণৰ মনৰ দুৰ্ব্বলতা আৰু ভয় বাৰুকৈয়ে আছে। এবাৰ সাপে খালে কেচুলৈকো ভয়, ইয়াত বা আকৌ কোনে কি অপযশ ৰটাই তাক লোক চকুৰ আগত হেয় কৰে কেনেকৈ জানিব। সি বাৰে বাৰে তাইক মেচলৈ নাযাবলৈ অনুৰোধ কৰে আৰু কথা দিয়ে যে সুযোগ পালেই মাধুৰীহঁতৰ ঘৰলৈ এদিন সি নিশ্চয় যাব।

আনপিনে মাধুৰীৰো কলেজ খোলাৰ পিছত অৱশৰৰ সময় কমি গৈছে। ঘৰত কল্যাণৰ কথা ভাবিবলৈকে সময় নাপায়। ৰাতিপুৱা পঢ়িব লাগে। তাৰ পিছতে লৰালৰিকৈ আধাপেটিকৈ খাই কলেজলৈ লৰ মাৰে। আবেলি ইজন সিজন বন্ধু-বান্ধৱী-চাটুকাৰ দুই এজন সদায় আছেই। বহি কথাবাৰ্ত্তা পাতোতেই সময় কেনি উৰি যায় কবই নোৱাৰে। নিতৌ আখৰালৈ নোযোৱাকৈ নাথাকে। তাইৰ স্বাস্থ্যৰ উন্নতিও হৈছে, মনোবলো বাঢ়িছে সচা কিন্তু দেৱী প্ৰতিমাৰ দৰে স্তাৱক সকলৰ আগত বহি পূজা লোৱা লোভনীয় প্ৰথাটো হলে এৰিব পৰা নাই। তদুপৰি সিহঁতৰে উদ্যোগ আৰু খৰচত চিনেমা চোৱা, পাৰ্টিলৈ যোৱা আৰু কেতিয়াবা পিক্‌নিক খোৱা আদি উপভোগৰ কামবোৰ আগৰ দৰে চলি আছে।

অৱশ্যে তাৰ মাজতে কল্যাণৰ কথা হঠাতে তাইৰ মনত নপৰাও নহয়। দুটা কাৰণত তাৰ কথা মাধুৰীৰ মনত পৰে। ভাল ভাল পোছাক পিন্ধি, স্নো পাৱদাৰ সানি বাপেকহঁতৰ পইচাৰ চিগাৰেটৰ ধোৱা উৰুৱাই ধুনপেচ মাৰি সুদৰ্শনহে অহা ভক্ত বিলাকৰ নিচিনা কল্যাণে তাইৰ অন্তৰত আসন এখন অধিকাৰ কৰিব পৰা নাই আৰু সেইবাবে তালৈ মনত নপৰাটো স্বাভাবিক কথা। তাইৰ মনত পৰে কল্যাণ এই সকলৰ ওলোটা স্বভাৱৰ হোৱা বাবে। প্ৰথম দিনাই তাইৰ মনত কল্যাণ এজন দাম্ভিক আৰু অহংকাৰী বুলি যি সাঁচ বহিছিল সেই ভাৱটো দৃঢ় হয়। তাৰ পিছত তাৰ দৰ্প চূৰ্ণ কৰিব বুলি মনত যি সংকল্প বা প্ৰতিজ্ঞা কৰিছিল তাকো পূৰণ কৰিব বুলি মনত এবাৰ ভুমিয়ায়। সেই

সংকল্প তাই বিসৰ্জ্জন দিয়া নাই আৰু নিদিয়ে; কেৱল সময় আৰু সুযোগলৈ বাট চাইছে।

দ্বিতীয়তে তাইৰ মনত পৰে তাইক উদ্ধাৰ কৰাৰ সময়ত দেখা তাৰ নিৰ্ভীক আৰু বীৰ প্ৰকৃতিটোৰ বাবে। লগে লগে তাইক সদুপদেশ দি শৰীৰ-চৰ্চ্চা কৰাৰ বন্দবস্ত কৰি দিয়া বাবে। এই বিষয়ে তাই কল্যাণৰ ওচৰত কৃতজ্ঞ আৰু আন্তৰিক শ্ৰদ্ধাৰে তাৰ প্ৰতি তাইৰ মন ভৰপূৰ।

প্ৰায় দুমাহ ধৰি কল্যাণ আখ্‌ৰালৈ আহিব পৰা নাছিল। ইপিনে মাধুৰীৰ চাৰিজন কৃপা প্ৰাৰ্থী বন্ধুয়েও তাইৰ মনত ভালৰি লগাবলৈ হওক নাইবা নিজ নিজ শাৰীৰিক উন্নতিৰ কাৰণেই হওক গোপন অভিলাষ একোটা মনত বান্ধিলৈ পালোৱানী ক্লাবত নাম লগালে। ভৱিষ্যতে যি নহওক সম্প্ৰতি তাইৰ সান্নিধ্য পাব, সেইটো জানো কম লাভ? ফুলৰ মৌ চুহিব পাওক বা নাপাওক মাখিবোৰে জানো গোন্ধতে আকৃষ্টহৈ ফুলে ফুলে ঘূৰি নুফুৰে? সিবিলাকেও মাধুৰীক ঘৰৰ পৰা লৈ যোৱা আৰু ক্লাবৰ পৰা লগতে আহি তাইক ঘৰত আগবঢ়াই থৈ যোৱাৰ উপৰিও তাইৰ ফাই ফৰমাচ খাটি সদায় সন্তুষ্ট কৰি নিজে কৃতাৰ্থ হয়।

আখ্‌ৰাত অৱশ্যে তাই সদায় কল্যাণক লগ পোৱাৰ আশা কৰে কিন্তু নাপায়। পালোৱানক সুধি জানিব পাৰে যে সি বহু দিন আখ্‌ৰালৈ অহা নাই। তাই পূৰ্ব্বতে কল্যাণৰ মেচলৈ তাক বিচাৰি যায় বুলি ভয় দেখুৱাইছিল যদিও সময়ৰ অভাৱত যোৱাটো হৈ নুঠে। ক্লাবৰ পৰা উভতি ঘৰ পালে তাৰ কথা ভাবিবলৈ সময়কে নাপায়।

দুমাহৰ মূৰত এদিন দেওবাৰে সোনকালে উভতিব বুলি ভাবি মাধুৰীয়ে আনদিনাতকৈ এঘণ্টা আগেয়ে আখ্ৰালৈ গৈ দেখিলে যে কল্যাণে পালোৱানৰ লগত সমানে লাঠি খেলিব ধৰিছে। তাই নিজৰ সাজ পোছাক লৈ সাজু হবলৈ পাহৰি একে ঠাইতে থিয়হৈ ৰ'লাগি দুয়োজনৰ খেল চাই থাকিল। উচ্চ ধৰণৰ খেল দেখি তাই বিমুগ্ধ হল। কল্যাণৰ খেল দেখি তাই বিস্মিত হৈ ভাবিলে যে ইমান দিন অভ্যাস এৰি বহি থাকি সি আজি পালোৱানৰ সৈতে কেনেকৈ ইমান সময়লৈ খেলি তিষ্টি থাকিব পাৰিছে। তদুপৰি অকল আত্মৰক্ষা কৰিয়েই থকা নাই দক্ষতাৰে প্ৰতিপক্ষক আক্ৰমণো কৰিছে। তাইৰ এজন ভক্তই তাইৰ সৈতে ঘৰৰ পৰা আহিছিল। সিও তাইৰ ওচৰতে থিয়হৈ মুগ্ধ হৈ চাই আছিল। মনত বা কি ভাবিছিল কোনে কব? অলপ সময়ত পিছত আৰু দুজন বন্ধু পালেহি। সিহঁতে বন্ধু জনেৰে সৈতে খেল চাই থকা দেখি মনত পেলাই দিলে "মাধু, তুমি মুখ মেলি খেল চাই আছা দেখোন? সাজু হোৱাই নাই, কেতিয়া শিকিবা, কেতিয়া যাবা? আমি আজি নেখেলো মানে খেল নিশিকো। এয়া চিনেমাৰ টিকট লৈ আহিছো নহয়।

মাধুৰীয়ে সিহঁতৰ ফালে নোচোৱাকৈয়ে ডেকাহি মাৰি কলে—যতীন দা, আমনি নকৰিবা। টিকট কিনিছা যদি কিনিছা, মোৰ কি হল? যোৱাগৈ তোমালোক, মই আজি চিনেমালৈ নাযাওঁ।"

বাকী দুজনৰ মুখৰ মাত হৰিল। ভাবিলে, হঠাতে এইৰ হল

কি? আজি দুদিন আগৰ পৰাই যাম বুলি কথা দি থৈছে। এনেকি পুঁৱা আঠ বজাতো এবাৰ সন্মতি দিছিল। এতিয়া মত সলনি কাৰলে কিয়? যি জনৰ লগত আহিছিল তাৰে কিবা ফুচুলনি বুলি ভাবি তাৰ ওপৰত খং উঠিল। ইপিনে বাজহুৱা ঠাইত তাইক কাবৌ-কোকালি কৰিবও নোৱাৰি বিমোৰত পৰিল। সিহঁতে বাঢ়িয়াকৈ জানে যে তাই নাযাওঁ বুলি জেদ পাতিলে নিবলৈ কাৰো বাপেকৰ সাধ্য নাই। সেইবাবে তাইৰ খং নোতোলাই অলপ পৰলৈ সিহঁতে নিমাতহৈ থাকিল।

এনে সময়তে কল্যাণ আৰু পালোৱানে-খেল শেষ কৰি 'হেণ্ডশ্বেক' কৰিলে। তাৰ পিছত পালোৱানে কল্যাণৰ পিঠিত হাত দি হয়তো ধন্যবাদ বা উৎসাহ কিবা দিলে, যাক ইমান দূৰৰ পৰা শুনা নাযায়। মাধুৰীয়ে দেখিলে দুয়োজনৰ ফিৰফিৰিয়া স্পোৰ্টিং গেঞ্জি দুটা তিতি গাত লিপিট খাই ধৰিছে। আটিল মাংস-পেশীবোৰ দেখি মনত সন্তোষ জন্মে। পালোৱান আদহীয়া, কলা আৰু মূৰ খুৰোৱা কিন্তু প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গই শক্তিৰ প্ৰমাণ দিয়ে। আন পিনে কল্যাণ নতুনকৈ যৌৱনত ভৰি দিয়া দেখিলেই চকুবোৰা অৱয়বৰ কোমল কমনীয় ল-নি অঙ্গ-প্ৰত্যঙ্গৰে মনমোহা ডেকা, যেন লহপহকৈ বাঢ়ি উঠা গছপুলিটোহে, দেখিলে কুমলীয়া পুলিটোৰ দৰে নিশকতীয়া বুলি ভাব হয় কিন্তু কামত তাৰ গুলোটা দেখি মাধুৰী পৰম বিস্মিতহৈ ভাবিছিল, এৰা ইয়াকে কয় শৰীৰ-চৰ্চ্চা। চেষ্টা কৰিলে তায়ো যে এদিন এনেকুৱা শক্তিমতী হব নোৱাৰিব তাৰ কোনো মানে নাই বুলি কল্যাণে তাইক ইতিপূৰ্ব্বে দুদিনো

আশ্বাস আৰু উৎসাহ দিছিল। তাইৰ মনলৈ সন্দেহ আহি ভাবিলে, পাৰিব জানো তায়ো এনেকুৱা শক্তিৰে ওস্তাদ নাইবা কল্যাণৰ লগত অলপ সময়ৰ কাৰণে হলেও ফেৰ পাতিবলৈ? যি নহওক, কল্যাণে বাৰু আজি দুমাহৰ অনভ্যাসৰ পিছতো কেনেকৈ পালোৱানৰ লগত ইমান সময়লৈ একেবাহে খেলিব পাৰিলে? তাই মনতে ভাবিলে, কি আছে তাৰ শৰীৰৰ ভিতৰত? কি আচৰিত......

সেই সময়তে তাইৰ বন্ধুজনৰ কথাত তাইৰ মনৰ সমাধি ভাগি তাৰ ফাললৈ চাই তাৰ প্ৰশ্নটো পূৰাকৈ নুশুনাৰ বাবে উত্তৰ দিব নোৱাৰিলে যদিও তিনিওজন বন্ধুৰ মুখলৈ একোবাৰ চাই নিজকে নিজে ওঠটিপি হাঁহিলে। বন্ধুকেইজনে আচল ভাবটো বুজিব নোৱাৰি কৃতাৰ্থ হল। তাইৰ মনৰ ভাবটো জনা হলে কিন্তু মুখ কেখন ক'লা পৰিল হেঁতেন। কিয়নো তাই সিহঁতলৈ চায়েই তাইৰ মনৰ সমস্যাৰ সমাধান বিচাৰি পালে। কল্যাণৰ শৰীৰত কি আছে তাই বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিলে। লগৰীয়া বন্ধু বা ভক্ত স্তাৱক বিলাকে স্নো-পাউদাৰ সানি ফিৰফিৰিয়া হাৱাইন শ্বাৰ্ট উকৱাই আহি ঘণ্টাৰ পিছত ঘণ্টা অলাগতিয়াল পাতল কথা চোবাই কিমানটা চিগাৰেট পোৰে, তাইক সন্তুষ্ট কৰিবলৈ মাক-বাপেকৰ ধনেৰে কিমান বাজে খৰচ কৰে, পাৰ্টি দিয়ে, চিনেমা দেখুৱাই মন ভুলাবলৈ চেষ্টা কৰে, এজনে আনজনৰ সৈতে যেন খৰচৰ প্ৰতিযোগিতাহে চলায়। মাধুৰীয়ে নিজৰ মনতে তুলনা কৰি চাই ভালকৈ বুজি পালে যে কল্যাণৰ গাত ইহঁতৰ কোনো এটা গুণেই নাই যদিও তাৰ বাহিৰে

ভিতৰে যি আছে এই বন্ধু নামধাৰী স্তাবক সকলৰ গাত নাই। কল্যাণ আৰু এই সকল যেন বাহিৰে ভিতৰে নাহৰ আৰু মদাৰ।

বন্ধুকেজনক যাবলৈ কলে যদিও এজনেও যোৱাৰ আগ্ৰহ নেদেখুৱাই বৈ থাকিল। মাধুৰীয়ে আগবাঢ়িগৈ কল্যাণক কলে "কল্যাণদা, মই কেৱল দহমিনিট অভ্যাস, কৰিম। আপুনি বৈ থাকিব দেই। নহলে মই পোনেই আপোনাৰ মেচলৈ গৈ লগ নাপাওঁ মানে তাতে বহি থাকিম জানিব।" বুলিকৈ তাই সিহঁতৰ বাবে আঁৰি থোৱা পৰ্দ্দাৰ আঁৰলৈ গল।

কল্যাণে তাইৰ কথা শুনি ভয় খালে। তাই যিহে নিৰ্ভীকা আৰু জেদী ছোৱালী মেচলৈ গৈ বাটচাই বহি থকা তাইৰ পক্ষে একো আচৰিত নহয়। তাই মানুহৰ মনৰ সন্দেহ বা নিন্দাৰ ফালটো নাভাবিব পাৰে বা সি মনত পেলাই দিলেও খাটিৰ নকৰি উকৰাই দিব পাৰে কিন্তু তাৰপক্ষে......ভাবিলেই তাৰ বুকুখনে জিকাৰ মাৰি উঠে। বাধ্যহে সি তাইৰ অনুৰোধ আদেশ বুলি ধৰি পালন কৰিলে। সি তাইলৈ বাটচাই থাকিল।

প্ৰায় পোন্ধৰ মিনিটৰ পিছত মাধুৰী ঘামি-জামি ওলাই আহিল। তেতিয়ালৈকে বৈ থকা বন্ধুকেজনো আগবাঢ়ি আহিল। অলপ খং মনেৰে তাই কলে "তোমালোকক অথনিয়েই যাব কোৱা নাছিলো জানো? মই এতিয়া এখেতৰ লগত যামগৈ। তোমালোকে ইচ্ছা কৰিলে যাব পাৰা, নহলে ইয়াতে বৈ থাকা।" এই কথাৰ ওপৰত সিবিলাকে মাতিবলৈ কথা নাপাই কল্যাণৰ প্ৰতি হিংস্ৰ চকুৰে চাই ভিজা মেকুৰী একোটাৰ দৰে আঁতৰি গল।

কল্যাণ আৰু মাধুৰীয়ে খোজ ললে। আলিত উঠিয়েই মাধুৰীয়ে প্ৰবল অভিমানেৰে কলে যে কল্যাণে আজি অতদিন ধৰি তাইৰ ঘৰলৈ অহা নাই। ক্লাবলৈ আহিবলৈ কেলেই এৰি দিলে? সি যদি নাহে মাধুৰীক কিয় ইয়াত ভৰ্ত্তি কৰি দিছিল? এনেকুৱা বহুত প্ৰশ্নৰ উত্তৰ দিবলগীয়া হব পাৰে বুলি কল্যাণে আগধৰিয়ে ভাবিছিল।

কল্যাণে শান্ত ভাবেৰে সঁচা কৈকিয়তকে দিলে "আহিবলৈ মোৰ সময় ক'ত মাধুৰী?..."

"আকৌ মাধুৰী বুলি কলে?" তাই ভেকাহি মাৰি উঠিল।

"এৰা, মধু..." কল্যাণে হাঁহি কলে "মোৰ ভুল হৈছিল মানে পাহৰি গৈছিলো, মধু...মধু। শুনিছা মধু, তোমালোকৰ ঘৰলৈ যোৱাৰ কথা পাহৰিয়েই গৈছিলো। তুমি হয়তো বেয়া পাবা কিন্তু সঁচা কথা মাহীদেউৰ কথাও এতিয়াহে মনত পৰিল। আমাৰ মালৈও আজি বহুদিন চিঠিকে লিখিব পাহৰিছো..."

মাধুৰীয়ে খং নকৰি হাঁহি দিলে। লগতে সিও হাঁহি আকৌ কলে "কি কৰিবা, নিৰুপায়। ইতিমধ্যে আমাৰ কলেজৰ দলত ডিব্ৰুগড়লৈ গৈছিলো। শুনি সুখ পাবা যে আমি ভালদৰে জিকি আহিছো। আমাৰ দল আকৌ দিল্লীলৈ যোৱাৰ কথা, তাৰ বাবে সদায় প্ৰেক্‌টিচ চলিব ধৰিছে, সময় সমূলি উলিয়াব নোৱাৰো যে..."

বাধা দি মাধুৰীয়ে ৰহস্য কৰি কলে "মাকলৈ চিঠি লিখিব যাৰ মনত নপৰে তাৰ মনত সামান্য মধুৰ কথা কি পৰিব। থাক থাক নালাগে, পিছে ভাত-পানী খাবলৈ সময় পায় তো?"

"ভাত-পানী এবা যেন দেখিছা নেকি ?"

"নাই দেখা অৱশ্যে। এবিলে নো পালোৱানৰ সমানে খেলিব পাৰেনে ? বাৰু কওকচোন কল্যাণদা, ইমান দিনলৈ প্ৰেকৃটিচ এৰি থকাৰ পিছত আজি হঠাতে আহি তেওঁৰ লগত সমানে যুঁজ কৰিলে কেনেকৈ ? সমানে যুঁজিব পৰা হৈছে যাৰে ক্লাবলৈ নাহিলেও হয় হবলা ?"

"সমানে যুঁজিব পৰা হবলৈ আৰু বহুত বছৰ লাগিব। তদুপৰি এতিয়াও শিকিবলৈ মোৰ বহুত বাকী আছে। ওস্তাদক মোৰ সমান তললৈ নমাই আনি তেওঁক অপমান নকৰিবা মাধুৰী……"

"আকৌ… ?" খং কৰি মাধুৰীয়ে কল্যাণৰ মুখলৈ চালে।

"বহুদিনৰ অব্যৱহাৰত পাহৰি ভুল হৈছে। বেয়া নাপাবা দেই, মধু। মুখত কৈছো যদিও মোৰ কিতাপ খনত হলে…" বুলি কল্যাণে হঠাতে কথা বন্ধ কৰি কলে "আজি বৰ ভোক লাগিছে, ব'লা ৰেষ্টোৰাঁত সোমাওঁ, মধু।"

"ৰেষ্টোৰাঁ কেলেই ? এতিয়া আমাৰ ঘৰ পামেই নহয়। নিৰিবিলি ভাবে কথা পাতি খামগৈ বলক কল্যাণদা।" বুলি আগ্ৰহেৰে মাধুৰীয়ে সুধিলে "আপোনাৰ কিতাপ মানে? কি কওঁ বুলি কথা লুকালে, কল্যাণদা ?"

কল্যাণে উত্তৰ দিলে "নুলুকাও বাৰু, এসময়ত কম দেই মধু। পিছে, তোমাৰ বাইদেৱৰা উভতি আহিলনে অভিনয় কৰি ?"

"অ' আপুনি নাজানে, জানিবনো ক'ৰপৰা ? মাকলৈ চিঠি লিখিবলৈ যাৰ সময়ে নুকুলায়, অইনৰ খা-খবৰ লবলৈ নিশ্চয়

মনতেই নপৰে। বাইদেও কেতিয়াবাই আহিল। আৰু…থাকক বাৰু নকওঁ, আপোনাৰ যেতিয়া আগ্ৰহ নাই…"

"কোৱা মধু, আগ্ৰহ নহব কিয়? তোমাৰ কথাবোৰ আগ্ৰহেৰে শুনি আছো।"

"এতিয়া শুনিছে হয়, পিছে জনাৰ আগ্ৰহ থকাহলে জানো ইমান দিনে এদিনৰ বাবেও আমাৰ ঘৰলৈ যাব নোৱাৰিলেহেঁতেন?"

কল্যাণে কলে "মোৰ অৱস্থাটো তুমি সমূলি বুজা নাই মধু। নোকোৱা যদি নালাগে, নুশুনিলে মোৰ পেটলৈ ভাত নাযাব বুলি ভাবিছা নেকি? মই…"

কল্যাণৰ খঙলৈ মাধুৰীয়ে পেটে পেটে বৰ ভয় কৰে। তাৰ কথাত বাধা দি তত্তালিকে হাঁহি মাৰ তাই কলে "ঔ' আই, খং উঠিল নেকি কল্যাণদা? মোৰে শপত খং নকৰিব চোন। কিমানবোৰ কথা আপোনাক কওঁ বুলি আজি ইমান দিনে মই সাঁচি ৰাখিছো, নকৈ পাৰোনে? কওঁ শুনক, সেই নিলাজ মহিমে আপোনাক দেখাৰ পিছদিনাৰ পৰা আৰু আমাৰ ঘৰ মুৱা হোৱা নাছিল। পিছে বাইদেও অহাৰ পিছত এদিন তেওঁক ৰেষ্টোৰাঁৰ সমুখত লগ পাই হেনো বৰ আদৰ কৰি মাতি নি খুৱালে আৰু তাতেই আপোনাৰ খা-খবৰ সুধিলে। আপোনাৰ নাম শুনি বাইদেও তো অবাক। কিয়নো বাইদেৱেতো আপোনাক দেখাই নাই। আপুনি নোযোৱা বুলি জানিব পাৰি সেই দিনাৰ পৰাই কাপুৰুষে আকৌ আমাৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ ধৰিছে। আগৰ নিচিনাই হাব-ভাৱ দেখুৱাই খা-খৰচ কৰে, বৰং আগতকৈও বেছিকৈ কৰে আৰু প্ৰায়েই চিনেমালৈ লৈ যায়…"

"তাৰ লগত আকৌ চিনেমালৈ যোৱা ?" মাজতে কল্যাণে আচৰিতহৈ সুধিলে।

"মই ?" মাধুৰীয়ে মহিমৰ প্ৰতি তাচ্ছিল্য কৰি কলে "সেই জন্তুটোৰ লগত ? চিনেমালৈ··· ?" বুলি হঠাতে হাঁহি পেলালে। তাৰ পিছত কলে "এটা মজাৰ কথা কওঁ শুনক, এদিন মই ভিতৰৰ বাৰাণ্ডাত বহি মোৰ ভনীজনীৰ লগত কেৰম খেলি আছিলো। হাতত কিহবাৰ টোপোলা এটাৰে সৈতে সি পোনেই সোমাই আহি দূৰৰ পৰাই ডাঙৰকৈ হাঁহি 'গুড্ মৰ্ণিং মাধু, এয়া কি আনিছো চোৱা···হোঁৱা···তোমালোক দুজনী এফালে, মই অকলে খেলো···' বুলি দুখোজমান আগবাঢ়িল। ময়ো মাটিৰ পৰা চেঙেল এপাত হাতত লৈ 'ৰ'বা, দুজনী নালাগে, মই অকলে তোমাৰ গাল ফালিব পাৰিম' বুলি থিয় দিলো। সি থতমত খাই থিয় হল। চোঁচা লৰলৈ ধৰোতে কেৰমবৰ্ড বাগৰিল। সিপিনে মা ওলাই আহি তাৰ আগত থিয় দি মোক বকিলে আৰু সেই সুযোগতে সি কোঠাৰ ভিতৰলৈ সোমাই গল। সেই দিন ধৰি সি মোক মাতিবলৈ সাহ কৰা নাই। মোক দেখিলে তলমূৰকৈ অইন ফালে সোমায়। কিন্তু এতিয়া সি সদায় তাতে যায় আৰু প্ৰায় ভাগে তাতেই কটায়। আৰু এটা ডাঙৰ কথা, থাওক বাৰু পিছত শুনিব···"

"পিছলৈ ৰাখিব নালাগে, এতিয়াই কোৱাচোন। কি ডাঙৰ কথা, মাধু ?" কল্যাণে সুধিলে।

মাধুৰীৰ বন্ধু-বান্ধৱী দেখাত বহুত যদিও পেটৰ কথা ভাঙি কবলৈ কোনো নাই, কাকো তাই বিশ্বাস নকৰে কিন্তু কল্যাণক হলে তাইৰ নিজৰ আপোন যেন লাগে। তাৰ প্ৰতি তাইৰ

মনোভাব দুইৰকমৰ। দাম্ভিক আৰু অহংকাৰী বুলি ভাবিলৈ তাৰ দৰ্প চূৰ্ণ কৰাৰ সংকল্প এটা মনত সাঁচি ৰাখিছে যদিও তাৰ শক্তি-সাহস আৰু পোনপতীয়া সহজ-সৰল আচৰণে তাইক মুগ্ধ কৰিছে। তাই তাক বিশ্বাস কৰে, জানে যে সি পাতল কথা চোবাই ফুৰা মানুহ নহয়। গতিকে তাইৰ মনৰ সকলো গোপন কথাৰ ভঁৰালটো তাৰ আগত উবুৰিয়াই দিবলৈ মন যায়। বহু দিনৰ মূৰত তাক পাই হিয়া উদঙাই গোপন কথাবোৰ বৰ্ণাব পাৰিলেই যেন তাই মনত তৃপ্তি পায়। আলিবাটৰ মানুহবোৰলৈ চাই তাই কল্যাণৰ নিচেই ওচৰলৈ আহি সৰুকৈ কলে "কথাটো গোপন। সৌ পিনেদি ঘূৰি যাওঁ বলক কল্যাণদা।"

আগতকৈ বহুত নিৰ্জ্জন আলিটোৰে ঘূৰি কল্যাণৰ গাতে গা লগাই আগবাঢ়িব ধৰি তাই কলে "কথাটো আপুনি কতো হুলিয়াব দেই কল্যাণদা। মহিমে বাইদেওক বিয়া কৰাবলৈ ইচ্ছা কৰিছে, মানে সোণৰ হাৰ এগছ বাইদেওক দিছেই আৰু মাক জনাইছে যে বাইদেওক সি বিয়া কৰাব..."

কথাষাৰ শুনি আচৰিতহৈ থিতাতে থিয়হৈ কল্যাণে সুধিলে "কেনেই, তাৰ ঘৈণীয়েক কেতিয়া মৰিলনো?"

"অ' আই মৰাবুলি কোনে কলে? ঘৈণীয়েক ঢুকোৱা নাই। তাইক সি এৰি দিব হেনো অৰ্থাৎ সি তাৰ ঘৰত আৰু নাথাকে, বেলেগ ঘৰ লৈ বাইদেওৰ সৈতে থাকিব। পোহপালৰ বাবে অলপ অচৰপ দি থাকিব। মাক আৰু ভায়েকহঁতো আছে নহয়। এতিয়াও তো সি নিজৰ ঘৰত নাথাকে বুলিলেও হয়। মানে আজিকালি ৰাতিৰ সাজো আমাৰ ঘৰতে খাই উঠি ঘৰলৈ যায়।

দিনত দুই তিনি ঘণ্টা ক'ৰবালৈ যায় তাৰ বাহিৰে বাকী সময় ছোৱা খাইবে শুই কটায়। বাইদেওক লৈ কেতিয়াবা অকলে আৰু মাজে সময়ে ভাই-ভনীহঁতৰ সৈতে ফুৰিবলৈ নাইবা চিনেমালৈ যায় হবলা। মই সেইবোৰত নাই, কাকো নেসোধোও।"

"কিন্তু বিয়া দিবলৈ তোমাৰ মা-দেউতাৰা জানো সন্মত হৈছে মধু?"

"সন্মত নহব কিয়? মাক দেখোন সি টকাৰে পুতিছে। আৰু মাৰ কথাৰ ওপৰত দেউতাৰ তো মাতিবলৈ সাহসেই নাই। সিয়েই হেনো মন্ত্ৰীক ধৰি এই চাকৰিটো দিয়াইছিল আৰু এতিয়াও কৰবাত কিবা টকা বেছিকৈ পোৱাই দিছে। গতিকে যাৰ জহুত শাখা সিন্দুৰ তাক ভোকোহা এন্দুৰ কৰিব পাৰেনে? কিন্তু মোৰে শপত কল্যাণদা আপুনি..."

কল্যাণে কলে "শপত দিব নালাগে মধু। মই লোকৰ অপযশ ৰতি ফুৰা মানুহ নহওঁ। পিছে এটা কথা মই ভাবি পোৱা নাই, মহিমে ইমান অপব্যয় কৰিবলৈ টকা কত পায়? সি কি কাম কৰে বাৰু?"

"সি আচলতে কি কৰে ময়ো নাজানো। বি, এ, পাছ কৰাৰ পিছত চাকৰি এটা পাইছিল আৰু ৰবকৈ ভেটী খোৱা বাবে তাক বহুত ঠাইত বগৰাই লৈ ফুৰাইছিল কিন্তু 'চোৰে নিয়া গৰুৰ বাটে বাটে ঘাঁহ' হোৱাৰ দৰে তাৰো হেনো কোনো অসুবিধা নহল। দৰমহাতকৈ বহুত গুণে হেনো বাহিৰাকৈ মাৰে। শেষত চাকৰি যাবলগীয়া হোৱাত নিজেই হেনো কাম ইস্তফা দিলে। তাৰ হলে কোনো অসুবিধাই নহল। কিয়নো মানুহজন যোগাৰী, সিপিনে

গুৰিতো মানুহ আছে। ঠিকা-ঠুকলি, পাৰ্মিট আদি নানান ব্যৱসায় তাৰ হাতত থকা বুলি কয় কিন্তু আমি জনাত সেইবোৰ সি কেতিয়াও নিজে নকৰে। অইনক বেচে আৰু ওপৰতে ফাও মাৰি এইদৰে ছুয়ো হাতেৰে খৰচ কৰে। সৌৱা চাওক কল্যাণদা,” বুলি আঙুলিয়াই দেখুৱালে।

অলপ দূৰৰ পৰা কল্যাণে দেখিলে যে মাধুৰীৰ বায়েক আৰু ভায়েক-ভনীয়েক হঁতক লৈ মাহিমে মটৰত উঠি কোনোবাফালে গল। মাধুৰীয়ে কলে “এই খন মটৰ মহিমে কিনিছে। মোক হলে তাত উঠিব মাতিবলৈ সাহ কৰা নাই দেই...”

ছুয়োজনে মাধুৰী হঁতৰ ঘৰ পালেগৈ। কল্যাণক ড্ৰয়িং ৰুমত বহুৱাই থৈ মাধুৰীয়ে ভিতৰলৈ লৰ মাৰিলে। অলপ পিছতে মাক তালৈ আহি প্ৰথমে আদৰ-সাদৰ কৰি কথা কলে। তাৰ পিছত ইমান দিন নহা বাবে অভিযোগ অভিমান আদিও কৰিলে। মাধুৰী আহিলত মাকে থিয়হৈ কলে “কল্যাণ, তই মাধুৰ লগত কথা পাত দেই। মই জলপান আনো...”

বাধা দি মাধুৰীয়ে কলে “নালাগে মা, তোমাৰ মহিমে অনা কেক বিস্কুট কল্যাণদাই নাখায়, ময়ো নাখাওঁ জানাই নহয়। বান্ধনিক ওমলেট আৰু পাপৰ ভাজি দিবলৈ কৈ আহিছো। ওভালটিনো দিব।”

মাকৰ মনটো অলপ অসন্তুষ্ট হল। আকৌ বহি কথা কবলৈ ধৰিলে। মাধুৰীৰ মুখে খবৰ শুনাৰ পৰা কল্যাণৰ তাইৰ মাকৰ প্ৰতি অশ্ৰদ্ধা ভাব এটা আহিছিল। তেওঁৰ কথাৰ মাজত ছুই এবাৰ ‘ওঁ’ উচ্চাৰণ কৰাৰ বাহিৰে বিশেষ কোনো কথা কবলৈ

তাৰ ইচ্ছা নহল। খাদ্য আহিলত খোৱা শেষ কৰি সি বিদায় ললে।

গধূলি পঢ়িবলৈ কিতাপ উলিয়াই ললে যদিও কল্যাণে সমুখত কিতাপ মেলিলৈ বহি থাকিল। তাৰ মনত নানা ভাবৰ উদয় হল। বিশেষকৈ তাৰ গাঁওৰ সমাজ খনৰ কথা, পঞ্চানন আৰু হাতে ভৰিয়ে সমাজ বান্ধোনত শৃঙ্খলিতা, নিৰ্য্যাতিতা আশালতাৰ কথা, আকৌ ইয়াত মাধুৰীৰ মাক-দেউতাক, বায়েক, মহিম, তদুপৰি মাধুৰী আৰু তাইৰ উপাসক বন্ধুৰ দলৰ কথা। অৱশেষত তাইৰ বান্ধৱী বুলি চিনাকী দিয়া নিজৰাৰ কথা। এই বোৰকে লৈ কিবা এটা তুলনা কৰি চাবলৈও চেষ্টা কৰিলে·কিন্তু কাৰো কথা কতো নিমিলে। ই যেন এটা নমিলা অঙ্ক, দুৰ্ব্বোধ্য জটিল সাঁথৰ আৰু আতি-গুৰি হীন সমাধান কৰিব নোৱাৰা সমস্যা···

সোনকালে ৰাতিৰ সাজ খোৱা হল মেচৰ আন বিলাকৰ কোনোবাই শুলে, কোনোবাই আকৌ কিতাপ মেলি ললে, দুই এজনে গল্প কৰিবলৈ ধৰিলে। কল্যাণৰ তাৰে কোনো বিধ কৰিবলৈ ইচ্ছা নগল। নিজৰ পঁজালৈ আহি সিদিনা কিনি অনা বহী এখন উলিয়াই ললে। ইতিমধ্যে তাৰ উপন্যাস লেখা কাম আৰম্ভ হৈছিল যদিও কেইপাত মানৰ বেছি লেখিব পৰা নাছিল। অতিৰিক্ত প্ৰবিশ্ৰম কৰি আহিলে ৰাতিৰ সাজ খোৱাৰ পিছতে ভাগৰুৱা শৰীৰটোৱে বিছানাত দীঘল দি পৰিলে তো কথাই নাই চকীত বহি থাকিলেও চকু মুদ খাই আহে। বেছি পৰিশ্ৰম নকৰিলে টোপনি নধৰে যদিও মনলৈ সকলো সময়তে ভাব নাহে, সময়ে সময়ে আহিলেও অনভিজ্ঞ বশতঃ অপৈণত হাতেৰে মনৰ

ভাব প্ৰকাশ কৰি লিখিব নোৱাৰে। বৰ চেষ্টা কৰি অলপ অচৰপ লেখিলেও ভাষাৰ ওপৰত অধিকাৰ নথকা বাবে ভাবি চিন্তি থাকোতে ভাববোৰে আকৌ পলাই পত্ৰং দিয়ে। তথাপি সি হতাশ নহৈ যেতিয়া যিমান পাৰে তাকে লেখিয়ে সন্তুষ্ট থাকে। এইখনেই তাৰ লেখা উপন্যাস বা কিতাপ। তাকে লৈয়ে নিজৰ মনত গৌৰব বোধ কৰে। অথনি মাধুৰীৰ আগত হঠাতে এইখনৰ কথাকে উল্লেখ কৰি আচল কথাটো মনত পৰাত ভাঙি কবলৈ লাজ কৰিছিল।

কল্যাণে বহী মেলিলৈ কলম হাতত ললে যদিও আজি তাৰ ভাবৰ খেলি-মেলি লাগিল। কোনটো আগে লেখিব কোনটো পাছলৈ নিব স্থিৰ কৰিব নোৱাৰে। সকলো ঘটনা একেলগে ওলাই আহিব খোজে। তাৰ ফলত এটা আখৰো বহীত নপৰিল। সেইদৰে কিছু সময় বহি থকাত আপোনা আপুনি তাৰ চকু মুদ খাই আহিল। বহী-কলম থেকেচা মাৰি থৈ সি শুই থাকিল।

তাৰ পিছতো দৈনন্দিন কৰ্ত্তব্যৰ মাজত অৱসৰ মতে দুই এদিন সি কলম হাতত লয়, এপাত দুপাত কেতিয়াবা লিখে। পৰীক্ষাৰ ওচৰ চাপিলহি। তেতিয়া সেইবোৰ এৰি কেইদিনমানলৈ একাগ্ৰতাৰে সি পঢ়াত লাগিল। এইদৰেই বছৰটো শেষ হল। পৰীক্ষাৰ অন্তত বিশ্ববিদ্যালয়ৰ খেলুৱৈ দলৰ এজনহৈ নিৰ্ব্বাচিত হোৱাত সি নাগপুৰলৈ যাবলগীয়াত পৰিল। ইপিনে তাৰ নিজৰো ইচ্ছা আছিল আৰু মাক-বাপেকেও বাৰে বাৰে লিখিছিল ঘৰলৈ সোনকালে যাবলৈ কিন্তু হৈ নুঠিল। উভতি আহি যাব বুলি চিঠি লিখি দি গুচি গল।

দুসপ্তাহৰ মূৰত নাগপুৰৰ পৰা উভতি আহি সি পোনেই ঘৰলৈ গল। দুৰ্ভাগ্যবশতঃ তাৰ মাকৰ চিৰ-চেনেহী মুখ খনৰ দৰ্শন কল্যাণে নাপালে। সি গৈ পোৱাৰ দুদিন আগতে মাক আৰু ডাঙৰ ভনীয়েকজনী কলেৰা হৈ মৰিল। অকল গোপাল-পুৰতে নহয় সেই অঞ্চলটোতে মহামাৰি লাগি ভালেমান মানুহ মৰিল। দুই এঘৰত বাদে গোপালপুৰত প্ৰায় সকলো ঘৰতে মানুহ মৰিল। মুক্তাৰাম অধ্যাপকৰ এজনী জীয়েক আৰু টোলৰ ছাত্ৰ এজন মৰিল কিন্তু সদায় নৰিয়াৰ লগতে থাকি সেৱা শুশ্ৰূষা কৰা আশালতাৰ হলে কোনো অমঙ্গল নহল। আশালতা নমৰিল, আৰু নমৰিল পঞ্চানন, কদমী অথবা ষড়ানন। ইয়াকে কয় যিজন মৰিব লাগে কণা যমে তাক দেখাকে নাপায়।

মাকৰ মৃত্যুৰ বাতৰি পাই কল্যাণৰ মূৰত বজ্ৰপাত হল। তাৰ বাহ্য জ্ঞান লুপ্ত হল। প্ৰবল ভূমিকম্পই যেন তাৰ সকলো ছাৰখাৰ কৰি দিলে। সি দিনে ৰাতিয়ে কান্দে, ঘৰৰ বাহিৰলৈ নোলায়। দুদিনতে যেন তাৰ বয়স বহুত বাঢ়ি গল। মনতে সদায় সি কামনা কৰে মাকক তাক লাগে, মাক নহলে যে সি জীয়াই থাকিব নোৱাৰে, কণ কণ ভায়েক-ভনীয়েক হত যে মৰি যাব। কলৈ গলে কি কৰিলে মাকক ওভোতাই আনিব পাৰিব? কোনো সুবুদ্ধি নাপায়, সদুপদেশ দিওঁতা কোনো নাই। ভায়েক ভনীয়েক হঁতৰ মুখলৈ চাব নোৱাৰে, কি বুলি প্ৰবোধ দিব ভাষা বিচাৰি নাপায়। অসহায়, নিৰুপায় কল্যাণৰ একমাত্ৰ কান্দোনেই সম্বলহৈ পৰে। মাক মৰিলে কেনে আঘাত, কি সাংঘাতিক যন্ত্ৰণা পায় সি বুজি পালে। আজিহে সি উপলব্ধি কৰিলে,

আশালতাই বাপেক-মাকক হেৰুৱাই কি সাংঘাতিক যন্ত্ৰণা ভোগ কৰি আছে। তাইৰ প্ৰতি সহানুভূতিৰে তাৰ অন্তৰখন ভৰি পৰি বিষাদৰ হুমুনিয়াহ কাঢ়িলে—বেচেৰী আশালতা ··

মনথিৰ মণ্ডলকো যেন কোনোবাই আচাৰ মাৰি আকাশৰ পৰা কোনোবা অন্ধকাৰ পাতালৰ গৰ্ত্তত পেলাই দিলে। কোনোফালে ঢেঁও পোহৰ দেখা নাপায়। যি প্ৰদীপৰ পোহৰত সংসাৰৰ ঘোপমৰা আন্ধাৰ আৰু খলাবমা পথত নিৰ্ব্বিঘ্নে খোজদি আছিল সেই বন্তি নুমালত অমাবস্যাৰ অন্ধকাৰে চাৰিওফালৰ পৰা গ্ৰাস কৰিলে। কেনি যাব কি কৰিব দিহা নাপায়, লৰচৰ কৰিব নোৱাৰে যেন জড়ভৰত। ঘৰখনত তেনেই পয়মাল। চাকৰ-বাকৰ পলাইছে, বয়বস্তু-গৰু গাইৰ থানথিত নাই, সকলো ছাড়খাৰ। লৰাছোৱালীৰ বিলাই-বিপত্তি চাই থাকিবও নোৱাৰে প্ৰতিকাৰ কৰিবও নোৱাৰে, প্ৰবোধ দিবও নাজানে। কণ কণ কেইটাৰ অবৰ্ণনীয় দুখ-দুৰ্গতি দেখি মনটো গলি যায়, পাৰে মানে সুখ দিবলৈ চেষ্টা কৰে। কল্যাণেও দেউতাকৰ লগত সিহঁতক সুখ শান্তিত ৰাখিবলৈ চেষ্টা কৰে সঁচা কিন্তু এজনৰো অভিজ্ঞতা ন থকা বাবে হৈ নুঠে। তদুপৰি ক'ৰ বস্তু ক'ত পৰি আছে ঘৰখনত কি আছে কি নাই সেইবোৰৰ ভু নাপায়। অৱশেষত শাহুৱেকৰ ঘৰত থকা বাঁৰী জেশাহুৱেকক অৰ্থাৎ কল্যাণৰ জেঠায়েকক কাবৌ কাকুতি কৰি নিজৰ ঘৰলৈ আনি সৰু লৰা-ছোৱালী কেইটাৰে সৈতে ঘৰখন গটাই দিব পাৰি কিছু পৰিমানে সুস্থ হল। বা'-মাৰলীয়ে ওলট-পালট কৰি থৈ যোৱা বাঁহপাতৰ দৰে চেদেলি ভেদেলি হৈ পৰা ঘৰখন আংশিক ভাবে পৰিপাটী হল।

কল্যাণে যথা সময়ত মাকৰ আদ্য শ্ৰাদ্ধ আদি সমাধা কৰিলে। মণ্ডলণীৰ মৃত্যুৰ পিছৰ পৰাই আশালতাই নিতৌ একোবাৰকৈ আহি যি পাৰে সহায় কৰিবলৈ চেষ্টা কৰিছিল কিন্তু তাই নগুলাৰ পৰাই চকুপানীৰে বাট নেদেখাহে আছে। মণ্ডলণীক তাই মাকতো অধিক ভাবিছিল। তদুপৰি কল্যাণৰ বৰ্ত্তমান অৱস্থাটো দেখিলে তাই সমূলি সহ্য কৰিব নোৱাৰে, হুক্ হুক্কৈ কান্দোন ওলায় আৰু লৰালৰিকৈ ঘৰৰ আন্ধাৰ চুকত সোমাই কান্দি থাকে। কান্দোনৰ বেগ কমিলে বাকী কেইটাক যি পাৰে অলপ দা-সহায় কৰিবলৈ চেষ্টা কৰে যদিও কল্যাণৰ ওচৰলৈ যাবকে নোৱাৰে। সিও আশালতাক দেখিলে বৰ নোৱাৰে, ধাৰাসাৰে চকুলো ওলায়। যদিও উভয়ে উভয়ক কবলৈ বহুত কথা থাকে তথাপি মুখেৰে মাত নোলায়। চকুপানীৰেই যেন ইজনে সিজনক বুজায়। শ্ৰাদ্ধৰ কাম-বন আদিও আশালতাই বহুত কৰি দিলে কিন্তু কল্যাণৰ আঁতৰে আঁতৰে থাকিল। আনপিনে কল্যাণেও তাইক সযত্নে এৰাই ফুৰিলে।

কল্যাণে স্থিৰ কৰিছিল যে সি আৰু নপঢ়ে কিন্তু দেউতাকে নামানে। অগত্যা দেউতাকৰ জোৰত বাধ্য হৈ গুৱাহাটীলৈ গৈ সি দ্বিতীয় বাৰ্ষিকত ভৰ্ত্তি হ'ল। জেঠায়েকেও তাক কথা দিলে যে তেওঁ থাকে মানে তাৰ ভায়েক ভনীয়েকহঁতৰ কোনো কষ্ট নহয়। এইবাৰ সি হোষ্টেলত ঠাই পাইছিল কিন্তু এবছৰ ধৰি বাস কৰা তাৰ অতি পৰিচিত পঁজাটো এৰি যাবলৈ মনে নামানিলে। বিশেষকৈ সময় অসময় নামানি যেতিয়াই তেতিয়াই মাকলৈ মনত পৰি চকুপানী ওলায় যেতিয়া নিৰ্জ্জন পঁজাটোত অকলশৰীয়াকৈ

থকাৰ বাহিৰে আন উপায় নাই। তদুপৰি নৈৰ পাৰত থাকি দুখে ভাগৰে মনৰ অশান্তিৰ গধুৰ বোজাটোৰে যেতিয়াই তেতিয়াই গুলাইগৈ নৈৰ পাৰত থকা ডাঙৰ গছজোপাৰ তলত বহি অলপ আৰাম লব পাৰে, গা-মূৰ শীতল কৰি মনটো শান্ত কৰিবলৈ সুবিধা পায়......

-- ধৈৰ্য্য --

ঘৰৰ পৰা কল্যাণ এইবাৰ সম্পূৰ্ণ নতুন প্ৰকৃতিৰ মানুহ এজন হৈ উভতি আহিল। মুখৰ হাঁহি লোপ পাইছে, মনৰ উৎসাহ মাৰ গৈছে। খোৱা বোৱাত আগ্ৰহ নাই, অভ্যাস মতে দুবেলা চাহ আৰু ভাতৰ পাতত বহেগৈ। অকলশৰে থাকে, কাৰো লগত কথা নাপাতে। বেছি ভাগ সময় নৈৰ পাৰত থকা প্ৰকাণ্ড আহত গছ জোপাৰ গুৰিত বহি থাকেগৈ। নিয়মমতে কলেজলৈ আহ-যাহ কৰে, বাকীখিনি সময়ত কাৰো আগত মুখ নেদেখুৱাৰ বাবে আওচেৰিয়াহে পলাই ফুৰে। বলখেলত সমূলি ইচ্ছা নাই আৰু বলখেলৰ ওপৰত মনত যেন বিৰক্তি আৰু ঘৃণা ওপজিছে। কিয়নো তাৰ মনত এটা দৃঢ় ভাব জন্মিছে যে নাগপুৰলৈ বল খেলিব নগৈ ঘৰলৈ যোৱা হলে নিশ্চয় তাৰ মাক নমৰিলহেঁতেন। সি সেৱা শুশ্ৰূষা কৰি নিশ্চয় বচাব পাৰিলেহেতেন। কিয়নো সি পিতাকৰ মুখে শুনিছিল যে মাক ভনীয়েকৰ বিশেষ কোনো চিকিৎসা নহলেই। কবিৰাজৰ বড়ি দুটা খুওৱাৰ বাহিৰে অইন

কোনো চিকিৎসা কৰাৰ সুযোগ নাপালে। সেইবাবে কল্যাণে মনতে ভাবে যে সি উপস্থিত থকা হলে চাৰি মাইল দূৰত থকা ডাক্তৰক বেছি টকা দি হলেও প্ৰথমে তালৈ আনিব পাৰিলেহেঁতেন। মণ্ডলে এবাৰ চাকৰক পঠিয়াইছিল কিন্তু অঞ্চলটোত ব্যাপক ভাবে কলেৰা হোৱাৰ বাবে ডাক্তৰৰো সময় নাই আহিবলৈ। দ্বিতীয় বাৰলৈ পঠাবলৈ মানুহকে নাপালে। চাকৰবোৰ পলাল গাঁওৰ মানুহ নিজ নিজ ঘৰত ব্যস্ত। কাৰো বাতৰি কেৰে নলয়, লবলৈ সময় নাপায়। এই কথাকে লৈ সি সদায় মনত অনুতাপ কৰে। সি স্থিৰ সিদ্ধান্ত কৰি লৈছে যে সকলো অপৰাধ তাৰ নিজৰ আৰু সেই দোষ হবলৈ পালে সি বিদেশলৈ বল দেখিবলৈ যোৱা বাবে। তদুপৰি সি ভাবে যে বছাব নোৱাৰিলেও ঘৰলৈ যোৱা হলে অন্ততঃ মাকৰ মুখখন শেষ বাৰলৈ হেঁপাহ পলুৱাই চাব পাৰিলেহেঁতেন। এই দুখ তাৰ মনত চিৰকাললৈ ৰৈ গল।

বল নেখেলে বুলি সি মনত দৃঢ় সংকল্প কৰিছে যদিও কোনো কোনো দিন লগৰীয়া খেলুৱৈ সকলে কলেজৰ পৰাই জোৰ কৰি কল্যাণক টানি লৈ যায়। দৃঢ়ভাবে নালাগিলে সংসাৰত কোনো কামতে কৃতকাৰ্য্য লাভ কৰিব নোৱাৰি। লোকৰ জোৰত পৰি ?গে খেলত নামিলেও নিস্তেজ মন এটা লৈ উৎসাহৰ অভাৱত আগৰ নিচিনাকৈ সি খেলিব নোৱাৰে। লেজত ধৰি বল নিদিয়া, ভাবত খেলি কোনোমতে সময়খিনি কটাই দিয়ে। তাৰ খেলৰ মান একেবাৰে তল খাপৰ হোৱা দেখি লগৰীয়াবোৰেও লাহে লাহে তাক জোৰ নকৰা হল।

পৰীক্ষাৰ দুমাহমান আগৰ পৰাই কল্যাণে পালোৱানী আখ্‌ৰালৈ যোৱা নাছিল। এতিয়াও সেইমুৱা নহল। গতিকে কলেজলৈ যোৱা সময়ৰ বাহিৰে সম্প্ৰতি তাৰ অৱসৰ বহুত। এই প্ৰচুৰ অৱসৰৰ সময় খিনিৰ বেছি ভাগ পঢ়াৰ দুৱাৰ মাৰি কটায়। মাকলৈ ভাবি হা-হুমুনিয়াহ পেলায়, বৰ বেছি হলে কান্দে, কেতিয়াবা অসময়তো শুই থাকে। কেতিয়াবা আকৌ তাৰ লেখা বহীখন উলিয়াই কিবাকিবি লিখেও। কেতিয়াবা আকৌ অহইনে দুপুৰা সময়ত উদ্দেশ্য বিহীন ভাবে বহু দূৰলৈ ফুৰিব যায়। গধূলি আৰু এনেকি কেতিয়াবা বেছি নিশা হলেও উদাস মনটো লৈ নৈৰ পাৰত থকা আহুত গছজোপাত আউজি বহি কিবা ভাবি থাকেগৈ।

মাধুৰী আৰু তাইৰ মাকৰ কথা কেতিয়াবা কেতিয়াবা কল্যাণৰ মনত পৰে। খা-খবৰ লৈ আহিবলৈ একোবাৰ ক্ষীণ ইচ্ছাও হয় কিন্তু তাৰ পিছতে সেই ইচ্ছা দমন কৰি পেলায়। তাৰ কাৰণ মাধুৰীৰ সান্নিধ্য লাভৰ আশাই তাক আকৰ্ষণ কৰিব নোৱাৰে। তদুপৰি প্ৰথম দিনাৰ সাক্ষাতত মাধুৰীৰ মাকৰ সৈতে তাৰ মাকৰ কিবা এটা সাদৃশ্য ভালকৈয়ে সি অনুভৱ কৰিছিল। গতিকে সি ভাবে যে দেখা কৰিলে নিশ্চয় পাহৰিব খোজা মাকৰ শোকটো পুনৰায় কেবাগুণে বেছিকৈ উথলি উঠিব। হয়তো সহ্য কৰিব নোৱাৰি সি কান্দি পেলাব। গতিকে তাৰ মনত ভয় লাগে—বৰ ভয় লাগে···

ইতিমধ্যে মাধুৰীয়ে কেবাদিনো তাক বিচাৰি মেচলৈ গৈছিল কিন্তু তাইৰ দুৰ্ভাগ্যৰ বাবে যি কেদিন মেচলৈ আহিছিল তাবে

এদিনলৈও কল্যাণৰ সৈতে তাইৰ দেখা নহল। দেওবাৰ নাইবা অইন বন্ধৰ দিনত দুপৰীয়া পৰত তাই মনতে ভাবি গৈছিল যে নিশ্চিন্ত মনেৰে শুই থকা কল্যাণক তাই গাত ধৰি জগাই দি আচৰিত কৰিব কিন্তু তাৰ দুৱাৰত লগাই থোৱা তলাটো দেখি তাই নিজেই প্ৰত্যেক বাৰে আচৰিতহৈ উভতিব লগীয়াত পৰিছিল। আনপিনে, পালোৱানী ক্লাবলৈ সদায় গৈ তাতো তাক লগ নাপায়। পালোৱানৰ মুখে খবৰ পায় বোলে আজি প্ৰায় হমাহ ধৰি কল্যাণ সেইমুৱা হোৱা নাই। সেই কথা শুনি তাইৰো ক্লাবলৈ যোৱাৰ আগ্ৰহ চেঁচা পৰি আহিবলৈ ধৰিছে। অৱশ্যে বন্ধু বান্ধৱী আদিৰ লগত আগৰ নিচিনাই ফুৰ্ত্তি-আনন্দ উপভোগ আদি চলি আছে সঁচা কিন্তু কল্যাণক বহু দিন লগ নোপোৱাৰ কাৰণে তাইৰ পেটৰ কথাবোৰ ভাঙি কবলৈ সুবিধা নোপোৱাত কথাৰ ভৰালটো গধুৰহৈ পৰিছে। মনটোৱে উচ্‌পিচ্‌ কৰে।

এদিন দেওবাৰে ৰাতিপুৱা চাহ খাই উঠি কল্যাণে দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি বহীখন উলিয়াই লিখিবলৈ আৰম্ভ কৰিছিল। সেই সময়তে মাধুৰীয়ে আহি প্ৰথমে দুৱাৰখন ঠেলি চাই বুজিলে যে বন্ধ কৰি থৈছে। তাই আশা কৰা মতে হঠাতে ভিতৰ সোমাই তাক আচৰিত কৰিব নোৱাৰি বেৰৰ জলঙাৰে জুমি চাই অলপ সময়লৈ ৰৈ থাকি সৰুকৈ মাত লগালে "কল্যাণ দাদা..."

তাই অহা কথা কল্যাণে গম পোৱা নাছিল। কাণৰ কাষতে যেন মাতটো শুনি সি চক খাই উঠি পাছফালে ঘূৰি চাই তাইক নেদেখি দুৱাৰলৈ চাই দুৱাৰ বন্ধ থকা দেখি বুজিলে যে তাই বেৰৰ

বাহিৰৰ পৰা মাতিছে। ততালিকে উঠিগৈ দুৱাৰ খুলি দি মাতলে “আহা মাধুৰী, ভিতৰলৈ আহা।”

দুৱাৰ মুখত তাই থমকি ৰৈ নাকী সুৰেৰে কলে “আকৌ মাধুৰী কৈছে?”

একে উশাহতে কল্যাণে কলে “এৰা মধু। পাহৰিছিলো, দোষ হৈছে, ক্ষমা কৰিবা। আহা মধু ভিতৰলৈ আহা, বহাহি।”

ভিতৰ সোমাই মাধুৰীয়ে তাৰ মুখলৈ চাই আচৰিতহৈ কঁপা মাতেৰে সুধিলে “আ-আপোনাৰ কিবা…কি অসুখ হৈছিল কল্যাণদা? কি হৈছিল…হৈছে…কল্যাণদা?”

মাধুৰী মেচলৈ অহা বাবে আজি তাৰ আগৰ নিচিনা ভয় লগা নাই আৰু ব্যৱহাৰতো সমূলি সঙ্কোচ নাই। তাইৰ হাতত ধৰি লোহাৰ চকীখনত আদৰি বহুৱাই দি কলে “দয়া কৰি এখন্তেক বহাদেই মধু, মই চোলাটো গাত সুমুৱাইলৈ…”

“অ’ আই,” “বুলি হাঁহি মাৰি বহিখনলৈ চাই মাধুৰীয়ে কলে “আজি দেখোন একেবাৰে বিনয়ৰ অৱতাৰ। ইপিনে দেখিছো বহীখনৰো আধা-আধি লিখি ভৰালে। বুজিলো, ডাঙৰ কবি হবলৈ চেষ্টা কৰিছে নহয়? নহলেনো আজিৰ নিচিনা এই বাহিৰৰ কমনীয় আৰু ৰমনীয় মুক্ত প্ৰভাতী প্ৰকৃতিৰ সৌন্দৰ্য্য ৰাজিক অৱহেলা কৰি দুৱাৰ জপাইলৈ পজা ঘৰৰ আন্ধাৰ চুকত বহি সাহিত্য চৰ্চ্চা কৰি থাকিব পাৰিলেহেতেন নে? অসুখীয়া গাৰে এইবোৰ কৰি বৰ অন্যায় কৰিছে কল্যাণদা। এতিয়াও আপোনাৰ শৰীৰ সুস্থ হোৱা নাই, কি অসুখ হৈছিল বাৰু?” কথা কৈ

থাকোতে তাই তাৰ মুখলৈ নাচাই আগ্ৰহেৰে বহীখনৰ পাত লুটিয়াই চাবলৈ ধৰিলে।

কল্যাণে তাইৰ পাছফালে বেৰত আঁৰি থোৱা খদ্দৰৰ চোলাটোলৈ হাত মেলি "এখন্তেক বহাচোন মধু, সকলো কম।" বুলি চোলাটো হাতত লৈ গম্ভীৰ মাতেৰে কলে "শুনিছা মধু তোমাৰ প্ৰভাতী প্ৰকৃতিৰ প্ৰখৰ তীব্ৰ তেজে যাৰ চকুক পীড়া দিয়ে, কমনীয় ৰমনীয় সৌন্দৰ্য্য উপলব্ধি আৰু উপভোগ কৰিবলৈ যাৰ অন্তৰত অনুভূতিৰ অভাৱ, সি ফেঁচা আৰু বাদুলীৰ নিচিনাকৈ অন্ধকাৰ চুকত সোমাই চকু মুদি থকাৰ বাহিৰে গত্যন্তৰ আছেনে মধু?"

মাধুৰীয়ে আচৰিতহৈ পাছৰফালে চালে। কল্যাণে চোলাটোৰ ভিতৰত মূৰ সুমাইছে। তাই মুখ ঘূৰাই বহীখনৰ পাত লুটিয়াব ধৰি কলে "আপোনাৰ কথা নুবুজিলো কল্যাণদা..."

পাছফালে থাকিয়ে কল্যাণে কলে "লাহে লাহে বুজিবা মধু। আকৌ এটা ভুল কৰিছা, মানে কবি হবলৈ চেষ্টা কৰা কথাষাৰ ভুল হৈছে মধু। কিতাপ এখন মানে উপন্যাস হওক বা নহওক কাহিনী এটা লিখিবলৈ আৰম্ভ কৰা বুলি তোমাক এদিন কৈছিলো। সিও শেষ হবনে নহয় নাজানো। সেইখন তাৰে বহী বুজিছা?"

বৰ আগ্ৰহেৰে মাধুৰীয়ে সুধিলে "হয় নেকি? এদিন যে পিছত কম বুলি কথা সামৰি থৈছিল এতিয়া মনত পৰিছে, কল্যাণদা। এইখনেই সেই উপন্যাস? বঢ়িয়া হব। শেষ নহব কিয়? সোনকালে শেষ কৰক কল্যাণদা। কিমান দূৰ আগ বাঢ়িছে?"

কল্যাণে কলে "কিমান দূৰ আগবাঢ়িছো আৰু কেতিয়াবা শেষ হ'বনে নহয় ময়ো নাজানো মধু। কিয়নো ইয়াৰ পৰিণতি কত মই ভাবি পোৱা নাই। নায়িকাই চকুৰ আগত সৰিয়হৰ ফুল দেখুৱাই আঁতৰি যাবলৈ পাওঁতে নৌ পাওঁতেই বা'মৰালী আহি গোটেইখন ওলট-পালট কৰি চেদেলি-ভেদেলী কৰি দিয়াত প্ৰতিকূল সোঁতত সাতুৰি নাতুৰি নায়কে ঢোকে ঢোকে পানী খাই পেট উখহি গণ্ডাটোপ হৈ পৰিল। এতিয়া লেখকে তাক উদ্ধাৰ কৰিবলৈ কোন পোতাশ্ৰয়ৰ পৰা বা কি সাহায্যৰ বন্দৱস্ত কৰিব লাগে..." বুলি কল্যাণ নিমাত হ'ল।

মাধুৰীয়ে গাম্ভীৰ্য্যৰে কলে "শুনি কিন্তু মোৰ বৰ ভাল লাগিছে কল্যাণদা। পঢ়িবলৈ হাবিলাস হ'ল। যদি সোনকালে শেষ কৰিব নোৱাৰে যিমান খিনি হৈছে তাকেই দিয়ক। মই একেদিনাই শেষ কৰি ওভোতাই দিম। তেতিয়া আকৌ লিখি থাকিব।"

"তোমাৰ কোনোটো অনুৰোধ ৰাখিব নোৱাৰো, বেয়া নাপাবা দেই মধু। অৰ্থাৎ সি নিজে শেষ নহয় মানে মই শেষ কৰিব নোৱাৰিম আকৌ শেষ নহয় মানে তোমাক দিব নোৱাৰো। সঁচা কথা কবলৈ হলে সম্প্ৰতি মই এইখন হাতৰ ওচৰৰ পৰা দূৰলৈ পঠাব নোৱাৰো। বুজিছা মধু, চকুৰ আঁতৰ কৰিব নোৱাৰো।" বুলি কৈ কল্যাণে মাধুৰীৰ আগফাললৈ আহি থিয় হ'ল।

হাঁহি মাৰি মাধুৰীয়ে কলে "আপোনাৰ কথাৰ সুৰটো শুনি ভাল লাগিছে কল্যাণদা, মানে একেবাৰে প্ৰিয়তমা জীৱন সঙ্গিনীক বুকুৰ মাজৰ পৰা এৰিব নোৱাৰা ধৰণে কথাষাৰ.. ..." বুলি আকৌ হাঁহিলে।

কল্যাণৰ মুখত হাঁহি নোলাল। মুখ গম্ভীৰ কৰি অলপ সময়লৈ বহীখনলৈ চাই থাকিল। তাৰ পিছত হুমুনিয়াহ এটা কাঢ়ি কলে "হয়তো তোমাৰ কথা, ঠাট্টাৰ ছলতে কোৱা হলেও সঁচা হবও পাৰে শেষলৈ। পিছে, এইবোৰ কথা সম্প্ৰতি থাকক। তুমি আহিলা ভালেই হল, মধু। তোমালোকৰ খা-খবৰ পাবলৈ মই উদগ্ৰীবহৈ..."

তাৰ কথাত বাধা দি অভিমান কৰি মাধুৰীয়ে কলে "এৰা, সেই নিমিত্তেহে আমাৰ ঘৰ মুৱা হবলৈ এৰিছে হবলা। আখৰাত লগ নাপাওঁ, মেচলৈ আহি লগ নাপাওঁ। যায়বা কলৈ, কবেবা কি কোনেও কব নোৱাৰে..."

তাইৰ কথাত্‌ বাধা দি কল্যাণে কলে "সকলো কৈফিয়ৎ দিম মধু। এতিয়া ব'লা, তোমাৰ লগত ফুৰিবলৈ আজি মনগৈছে, বৰ ইচ্ছা হৈছে। আজি আৰু তোমাৰ লগত একেলগে ফুৰিবলৈ মোৰ সমূলি শঙ্কা নাই...উঠা বেগেতে।"

মাধুৰী অবাক হল। নিজৰ কাণকে যেন বিশ্বাস কৰিব নোৱাৰে। কয় কি কল্যাণে? যিজনে তাইৰ সৈতে একেলগে ফুৰিব যাবলৈ কিমান আপত্তি কৰিছিল, ক্লাবলৈ সেই কেদিন তাইৰ সৈতে অহা-যোৱা কৰাৰ সময়ত সদায় তাইৰ পৰা বহুত ব্যৱধান ৰাখি দূৰে দূৰে যাবলৈ চেষ্টা কৰিছিল, মেচলৈ আহিবলৈ যিজনে তাইক বাৰে বাৰে মানা কৰিছিল, সেই কল্যাণে আজি তাইৰ লগত একেলগে ফুৰিবলৈ নিৰ্ভয়ে প্ৰস্তাব কৰে? ইয়াতকৈ আচৰিত কথা কি হব পাৰে?

তাই ঘৰৰ পৰা ওলোৱাৰ সময়তে ভাবি আহিছিল যে কল্যাণে

তাইক দেখিলেই উচ্‌পিচ্‌ কৰিবলৈ আৰম্ভ কৰি ততালিকে তাইক ওভোতাই পঠিয়াবলৈ চেষ্টা কৰিব। আৰু তাই তেতিয়া আৰাম কৰি বহি কথা পাতিব খুজিলে নিশ্চয় সি লগত আহি ঘৰত থৈ যাবলৈ চেষ্টা কৰিব। তাই মনতে আলচি আহিছিল যে বাটলৈ আহি তাক জোৰ কৰি ফুৰিবলৈ লৈ যাব আৰু ঘুৰাই-ফুৰাই আনি চুপৰীয়াৰ সাজ একেলগে খোৱাবোৱা কৰি, আবেলি চাহ-জলপান খুৱাই চিনেমালৈ নিব। হাজাৰ আপত্তি কৰিলেও তাক নিষ্কৃতি নিদিয়ে আৰু তাৰ বাবে অৱলম্বন কৰিব লগীয়া বুদ্ধি-কৌশল বোৰো মনতে সাজু কৰি ৰাখিছে। ইমান দিনলৈ নোযোৱাৰ হোৰ তুলিহে এৰিব আৰু তাৰ দম্ভ চূৰ্ণ কৰাৰ প্ৰথম পৰ্ব্ব আজিয়েই সমাধা কৰিব। এইবোৰ ভাবি নিজৰ মনতে নিজে হাঁহি তাই প্ৰফুল্লহে আহিছিল। তাৰ প্ৰস্তাবত অতিকৈ বিস্মিতহে মাধুৰীয়ে ৰহস্য কৰি ওলোটা প্ৰশ্ন কৰিলে "কিন্তু কল্যাণদা, আপোনাৰ বন্ধু-বান্ধৱ, চুবুৰিয়া আৰু বাটৰ মানুহবোৰৰ চকুত ধূলি আৰু মুখত সোপা দিব কেনেকৈ? ফুৰিব যাব নালাগে ইয়াতে বহি কথা পাতো।"

দৃঢ় কণ্ঠেৰে কল্যাণে কলে "দেখিব বুলি জানো আৰু পাছত কিবা বদনাম গাবও পাৰে। গালেও গাওক তাৰ বাবে কাকো পৰোৱা নকৰো। কিন্তু যদিহে কোনোবাই সমুখত কিবা কবলৈ সাহ কৰে সি নিশ্চয় হাতে হাতে প্ৰতিফল পাব। বলা মধু, পলম নকৰো।"

দুয়োজনে ওলাই গৈ আলিবাট পালে। মাধুৰীয়ে কল্যাণৰ গাতে গা লগাই খোজ দিবলৈ ধৰিলে। আজি সেইদৰে যাবলৈ

তাৰ কোনো আপত্তিয়েই নাই। সি নিৰ্ব্বিকাৰ। তাৰ পৰিবৰ্ত্তন দেখি মাধুৰীয়ে অতি বিস্মিত হৈছিল যদিও মনত তৃপ্তি পালে। কিন্তু তাৰ পৰিবৰ্ত্তনৰ নো কাৰণ কি তাই বুজিব নোৱাৰিলে। কৰলৈ হলে তাই বুজিবলৈ বা সুধিবলৈ সমূলি চেষ্টাকে নকৰিলে। কিয়নো তাই কল্যাণক ইমান দিনে লগ নাপাই তাক কবলৈ সাঁচি থোৱা কথাবোৰৰ মোনাখন ৰব বেছিকৈ ভৰপূৰ হোৱাত কেতিয়া কৈ উদং কৰিব পাৰে সেই একমাত্ৰ চিন্তা লৈয়েই তাই ব্যস্ত। দাম্ভিকা মাধুৰীয়েতো তাইৰ উপাসক বন্ধুবোৰক নিজৰ সমকক্ষ বুলি নাভাবে। গতিকে বিশ্বাস কৰি কোনো গোপন কথাও সিঁহতৰ আগত ভাঙি কব নোৱাৰে। জ্বলি থকা প্ৰদীপত পতঙ্গ জাহ দিয়াৰ দৰে, অথবা ৰাজহাঁহৰ দৰে ডিঙি মেলি সিবিলাকে নিজেই আহি তাইৰ ওচৰত সেও হৈ পৰে। ইচ্ছা কৰিলে সিবিলাকৰ পৰা তাই দান গ্ৰহণ কৰিব পাৰে কিন্তু প্ৰতিদান দিব নোৱাৰে-নিদিয়ে। গতিকে গোপন কথা ভঙাৰ প্ৰশ্ন নুঠে। কিন্তু কল্যাণ সম্পৰ্কে তাইৰ মনৰ ধাৰণা সম্পূৰ্ণ বেলেগ। তাক মদগৰ্ব্বী বুলি ভাবিলৈ দৰ্প-চূৰ্ণ কৰাৰ চেষ্টাত আছে যদিও অন্তৰত তাৰ প্ৰতি শ্ৰদ্ধা আৰু এখন ওখ আসন আছে। সি পাতল নহয়, তাৰ গুৰুত্ব তাই ভালমতে উপলব্ধি কৰিব পাৰে। বাটত খোজ দিয়েই অইন কোনো ফাললৈ ভ্ৰুক্ষেপ নকৰি বৰ আগ্ৰহেৰে তাই কথাৰ মোনাখন মেলিলে "শুনিছে কল্যাণ দাদা··· ?"

মাকৰ মৃত্যুৰ লগে লগে যেনেকৈ গৃহস্থালীখনৰ অন্ধকাৰ আৰু উদং অৱস্থা হল সেইদৰে কল্যাণৰ অন্তৰখনো তেনেই উদং আৰু

ক'লাহে পৰিছিল। ইয়াৰ আগেয়ে গোপন কথা বা প্ৰাণৰ কথা বুলিবলৈ যদি কিবা আছিল তাক সি গম নাপাইছিল। কিয়নো তাৰ সুখ-দুখ, ভাল বেয়া সকলো কথা একালৰ পৰা নিঃশেষে মাকৰ আগত কৈ তাৰ কথাৰ ভঁৰালটো উদং কৰিছিল। খং-অভিমান আদি কৰা, পৰামৰ্শ সোধা, তৰ্ক আদি কৰা সকলো কামতে মাকেই আছিল তাৰ একমাত্ৰ অৱলম্বন। গতিকে কোনো বিষয়ে সি অভাৱ অনুভৱ কৰিব লগীয়া হোৱা নাছিল। কেৱা মাহো মাকক লগ নাপাই সাঁচি থোৱা আৰু নাগপুৰৰ পৰা ঘূৰি আহি লাভ কৰি অহা কিমানবোৰ কথা সাঁচিবলৈ বৰ আশা কৰি সি মাকৰ ওচৰলৈ গৈছিল কিন্তু তাৰ সকলো আনন্দ উৎসাহ, আশা-আকাঙ্ক্ষাবে সৈতে অন্ধকাৰৰ অতল তলিত নিজেই মাৰ গল। সি ভালকৈ উপলব্ধি কৰিলে যে এই বিশাল বিশ্ব-ব্ৰহ্মাণ্ডৰ ভিতৰত আপোন বুলিবলৈ, নিজৰ বুলিবলৈ তাৰ কেৱে কতো নাই। বৰ্ত্তমান তাৰ অন্তৰৰ দুখৰ কথাবোৰ শুনি এষাৰ সহানুভূতি দেখুৱাবলৈ গোপাল-পুৰত আশালতা থাকিও ঢুকি পোৱাৰ বাহিৰত। গতিকে ব্যথা ভৰা মনটোৱে নিদাৰুণ শোকৰ বোজাটো অকলে বহন কৰিবলৈ ফুৰিব লগীয়া তেনেই অসহায় অৱস্থাত পৰি কোনো ফালে পোহৰৰ বেঙুনি সি দেখা নাছিল। হঠাতে মাধুৰীয়ে আহি দৰ্শন দিয়াত তাৰ মনত ভাব হল যে একমাত্ৰ মাধুৰীয়ে তাৰ আপোনজন। তাইৰ আগত তাৰ দুখৰ বোজাটো মেলিলে তাৰ ভাৰখনৰ ওজন নিশ্চয় পাতলিব। সেইবাবেই সি মাধুৰীৰ লগত ফুৰিব যোৱাৰ প্ৰস্তাৱ কৰিছিল। আজি প্ৰায় দুমাহ ধৰি কাৰো লগত সি কথা এষাৰকে পাতিব পৰা নাই। গতিকে বাটত খোজ দিয়াৰ পাছতে

সিও তাৰ কথাৰ মোনাখন মেলিবলৈ খুজিছিল, সেই সময়তে তাইৰ কল্যাণ দাদা মাত শুনি মনটো ভাল লাগি কলে "শুনিছো মধু, কোৱা ?"

কল্যাণৰ ভাগ্য বিপৰ্য্যয়ৰ কথা মাধুৰীয়ে তেতিয়ালৈকে শুনা নাছিল। তাৰ চেহেৰা দেখি ভাবিছিল হয়তো তাৰ কিবা অসুখ হৈছিল। গতিকে তাৰ অসুখৰ কথা পিছত শুনিলেও কোনো লোকচান নহয়। কল্যাণৰ 'মধু' সম্বোধনে তাইৰ মনত তৃপ্তি দিলে। বৰ উৎসাহেৰে তাই কৈ যাবলৈ ধৰিলে। প্ৰথমে কলে যে তাইক বিয়া কৰাব বুলি মাকৰ আগত প্ৰস্তাৱ কৰাৰ ভিতৰত দুজনে পৰীক্ষাত ফেলহৈ আৰু তাইৰ আগত মাক দেখুৱাবলৈ তো সাহ কৰা নায়েই, মাককো কোনো খা-খবৰ দিয়া নাই। বুলিকৈ এবাৰ তাচ্ছিল্যৰ হাঁহি মাৰি আকৌ কলে "শুনিছে কল্যাণদা, তৃতীয়জনে ভালকৈ বি, এ, পাছ কৰিছে। চৰ ডিপুটী বা মাটি-হাকিম হোৱাৰ আশাও আছে হেনো। সি আকৌ মাক নকৈ প্ৰথমে মোৰেই আগত প্ৰস্তাৱ কৰিছিল আৰু ময়ো তাক নামৰ মুখে বিদায় দিলো।"

"কিয় মধু ?"

হাঁহি এটা মাৰি মাধুৰীয়ে কলে "কি কম কল্যাণদা, তাক দেখিলেই মোৰ নাকটো কোঁচ খায়, শুনেই আপচু, এটা যেন নোদোকা গাহৰিহে। গালে-নাকে সমান, ডিঙি বুলিবলৈ নায়েই। হাত-ভৰিকেইখন নাথাকিলে প্ৰকাণ্ড কোমোৰা এটা বুলি কলে ঠিক মিলি যায়।" বুলি আকৌ তাই হাঁহিলে। বৰ দুখতো কল্যাণৰ মুখত আজি দুমাহৰ পিছত হাঁহিৰ ভাব বিৰিঙিল।

"চতুৰ্থ কেণ্ডিডেটৰ কথা শুনক," মাধুৰীয়ে কলে "সি এজন চাহ-খেতিয়কৰ লৰা। টকা-পইচা যথেষ্ট আছে আৰু খা-খৰচ কৰাত তেনেই হাত মুকলি। পঢ়া শুনাত ভাল, দেখিবলৈ সুদৰ্শন। পিছে কথা কি জানেনে কল্যাণদা, তাক দেখিলে পুতৌহে ওপজে।"

কল্যাণে তাইৰ মুখলৈ চালে। তাইৰ দৃষ্টি নৈৰ ফালে। "কিয় মধু, মোৰ মনেৰে…" কল্যাণৰ কথা শেষ নহল।

মাধুৰীয়ে কলে "ৰ'ব, মোক কবলৈ দিয়ক কল্যাণদা! সি মোতকৈও এবেগেত চুটি। ডাড়ি-গোঁফৰ চিনেই নাই। তাক নাবালক বুলি চেনেহ কৰিব পৰা যায় অৱশ্যে কিন্তু স্বামী বুলি কেতিয়াও ভাবিব নোৱাৰিম। মোৰ ভাই পোপক দেখিছে নহয়, সি আজিকালিও ক'ৰবাৰ পৰা আহিলে পোনেই মাৰ ডিঙিত ধৰি কোলাত বহি অলপমান চেনেহ খাই উঠিহে আন কথা। এইজন কেণ্ডিডেটক দেখিলেই মোৰ পোপৰ কাণ্ডলৈ মনত পৰে।"

কল্যাণৰ আন্ধাৰ মুখখন অলপ পোহৰ হল। হাঁহি নোলাল যদিও মাধুৰীৰ কথাত কৌতুক বোধ কৰি কলে "তাৰ কপাল বেয়া। যি নহওক, তুমি হবলা এতিয়া দৰা বাছনি কৰি ফুৰিছা মধু?"

"মই কিয় বাছনি কৰি ফুৰিম? সিহঁতৰ নিজৰ কালৰ পৰা হেতা-ওপৰা লগাইছে কল্যাণদা। কিজানি এজনৰ মানস প্ৰতিমাখন মুখৰ আগৰ পৰা চিলাই নিয়াদি আন এজনে থাপ, মাৰি লৈ যায়গৈ। আৰু মজাৰ কথা কি জানেনে, সিবিলাকে মোৰ মতামতলৈ নাভাবেই। 'শো-কেচ'ৰ পুতলা যেন মুখহে

পোনেই মহাজনৰ ওচৰলৈগৈ দৰভাও কৰাৰ দৰে পোনেই মাৰ ওচৰলৈ গৈ প্ৰাৰ্থনা জনায়। প্ৰত্যেকেই হেনো মোৰ মত আছে বুলি মাক কয়। মোৰ ইমান খং উঠে কল্যাণদা, কি কম? দুদিন দুজনক তো মাৰ সমুখতে টেঙা খুৱাই পঠিয়াইছো।"

কল্যাণে কলে "মজাৰ কথায়েই হয়। বেছ প্ৰতিযোগিতা চলাইছে দেখিছো।"

"এতিয়া পঞ্চম জনৰ কথা কওঁ শুনক, সি বেছ ভালকৈ এম, এ, পাছ কৰিছে। প্ৰফেচাৰ নাইবা হাকিম অথবা আন কিবা ভাল চাকৰি পাব বুলি হেনো নিশ্চিত।"

"তেনেহলে সিয়েই তোমাৰ উপযুক্ত দৰা হব মধু!"

"ৰ'ব, কল্যাণদা, গাড়ীখন ঘোঁৰাৰ আগে আগে দৌৰাব খোজে কেলেই?" বুলি মাধুৰীয়ে কলে "মোক কবলৈ দিয়ক..." বুলি খিল্‌খিল্‌কৈ হাঁহি কলে "জানে কল্যাণদা? সি মোৰ দুজনী বান্ধৱীৰ লগত ইতিপূৰ্ব্বে ভাব জমাইছিল। তাৰ পিছত দুয়ো গৰাকীকে অপছন্দ কৰি এৰি অহা কথা মই আগধৰিয়ে জানো। তাৰে প্ৰতিশোধ ময়ো বাঢ়িয়াকৈ শোধালো..." বুলি আকৌ হাঁহিলে।

"ৰব অন্যায় কৰিছা বুলিহে মই কওঁ মধু। দৰা বাছনি কৰাৰ অধিকাৰ যেনেকৈ আছে কইনা পছন্দ-অপছন্দ কৰাৰ অধিকাৰো তাৰ নিশ্চয় আছে।"

"ঠিক কৈছে, কল্যাণদা, এৰা অধিকাৰ আছে সঁচা। পিছে সি প্ৰথমে উপযাচি গৈ ভাব কৰি শেষত অপছন্দ কৰাটো জানো তাৰ উচিত হৈছিল? তদুপৰি বান্ধৱীহঁতক অপছন্দ কৰাৰ

বাবেই মই তাক প্ৰত্যাখ্যান কৰা কথা সঁচা নহয়। আৰু কাৰণ আছে। কওঁ শুনক, তাৰ আকৃতিটো ফিল্ডৰ মাজত নিচান আঁৰিবলৈ পোতা বাঁহ ডালৰ দৰে। নাকটো এটা বৰশী।” বুলি তাইৰ কিবা কথা মনত পৰি হাঁহিলে। তাৰ পিছত কলে “মই তাক একেবাৰে বিদায় দিয়া নাই কল্যাণদা। কি কৈছিলো জানে? মই কৈছো যে নাকটোত স্প্ৰিং এডাল লগাই যদি পোন কৰি আহিব পাৰে আৰু মোৰ লগত হতাহতি যুঁজ কৰি যদি জিতিব পাৰে তেনেহলে মই তাৰ প্ৰাৰ্থনা বিবেচনা কৰিব পাৰো।”

“প্ৰাৰ্থনা, মধু?” বুলি কল্যাণে মাধুৰীৰ বৰ্ণনা শুনি হাঁহি পেলালে। তাৰ পিছত কলে “তুমি তাক যুঁজ কৰাৰ কথা যেনিবা কব পাৰিলা কিন্তু বৰশী নাকৰ কথা কেনেকৈ উচ্চাৰণ কৰিলা, মধু?”

দুয়োজনে একেলগে হাঁহিলে। আজি ইমান দিনৰ মূৰত মাধুৰীৰ কথাবোৰ শুনি কল্যাণৰ মনটো পাতল লাগিল। ইতিমধ্যে সিহঁতে বহু দূৰ পাইছিলহি। গছ এজোপাৰ তলত নৈৰ ফালে মুখ কৰি বহিল। ঠাইখন ভাল আৰু নিৰ্জ্জন। নৈৰ সিপাৰে বহুত দূৰলৈ দেখা যায়, প্ৰাকৃতিক দৃশ্যবোৰ মনোৰম। ঘাঁহৰ ওপৰতে লেপেটা কাঢ়ি বহি মাধুৰীয়ে কলে “বেছ বতাহ, বৰ আৰাম লাগিছে, কল্যাণদা।”

“ওঁ” কল্যাণে কলে “পিছে বৰশী নকাই তোমাক খণ্ডেৰে গালি পাৰি নগলনে?”

“অ” আই, গালি পৰাহে নালাগে সি মোৰ হাঁহি দোখ

কৃতাৰ্থ হৈ গৈছে, জানে? মানে তাৰ নাকলৈ চাই ইঁহা বুলি সি ভাবিবই পৰা নাই। এনেকুৱা স্পষ্টবাদিনী জীৱন সঙ্গিনীহে হেনো তাক লাগে। ইয়াত থকা কেদিন সদায় অহা-যোৱা কৰি আছিল। সম্প্ৰতি হাকিমৰ চাকৰিৰ চেষ্টাত শ্বিলঙত আছেগৈ। ইতিমধ্যে প্ৰণয় নিবেদন কৰি নৈবেদ্য আগবঢ়াই দুখন চিঠিও দিছে…"

কল্যাণে কলে "মোৰ মনেৰে তুমি তাক প্ৰত্যাখ্যান কৰা অনুচিত হব মধু। ভাল চাকৰি পাব। ক্ষমতা আৰু দৰমহাৰ অঙ্ক উভয়বিধ নিশ্চয় লোভনীয় হব।"

"আপুনি নাজানে কল্যাণদা।" মাধুৰীয়ে কলে "বৰশীনকাৰ কিতাপৰ বিদ্যা থাকিব পাৰে কিন্তু বিষয় জ্ঞান সমূলি নাই। ডিগ্ৰীৰ জোৰত হাকিম হবও পাৰে কিন্তু ভাল বিচাৰক কেতিয়াও হব নোৱাৰে চাব। তত্নপৰি শুনক, বিয়া কৰালে তাৰ জীৱনটো এটা গলগ্ৰহতহে পৰিণত হব। নাকৰ কথাকৈ আৰু দুৰ্ব্বল শৰীৰৰ কথাকৈ ব্যঙ্গ কৰি হাঁহিলে সি যদি বুজিব নোৱাৰি গুলোটাকৈ প্ৰেমত পৰা বুলিহে ধৰি লয় তেন্তে তাক কি বিশেষণ দিব লাগে আপুনিয়েই কওকচোন? ছোৱালীৰ মন সি কি বুজিব?"

"তোমাৰ কথা সঁচা হবও পাৰে অৱশ্যে।"

"হব পাৰে নহয়, হয়েই কল্যাণদা। তাৰ পিছত আৰু এটা মূল্যবান কথা আপোনাক কওঁ শুনক, সি বহুত দৰমহাৰ কিবা চাকৰি এটা পাব বুলি ধৰি ললো বাৰু। পিছে তাৰ আটাইখিনি দৰমহাৰ টকা নিজৰ দৰৱ আৰু বলকাৰক নিকট কিনোতে খৰচ

হৈ যাব। ঘৈণীয়েকৰ সুখৰ কাৰণে, আমোদ-প্ৰমোদৰ বাবে অথবা লাহ-বিলাহৰ সামগ্ৰী কিনি মন যোগাবৰ বাবে টকা ক'ত পাব? সেইবোৰ এৰিলেও, মই হলে ভাবো যে সি বিয়া কৰোৱাই উচিত নহব। কিয়নো···, থাওক বাৰু, তাৰ কথা আৰু নকওঁ।"

কল্যাণে তাইৰ শেষৰ কথাষাৰ বুজিব নোৱাৰিলে যদিও সেই বিষয়ে কোনো কথা উল্লেখ নকৰি সুধিলে "তেনেহলে তোমাৰ বিয়াৰ বন্দবস্ত আন কোনোবাৰ লগত হৈছে নেকি মধু?"

মাধুৰীয়ে হাঁহি মাৰি কলে "ইমান দিনে গোপন কথা কবলৈ পোৱা নাছিলো, আজি পাইছো কল্যাণদা। পেটৰ কথা আপোনাৰ আগত ভাঙি কবলৈ ভয় নাই বুলি মই বঢ়িয়াকৈ জানো। মায়ে টোপ পেলাই ৰখি থাকে যেতিয়া গিলিবলৈ আহোঁতাৰ নো অভাৱ কিয় হব? পিছে মই মাক স্পষ্টকৈ জনাই দিছো যে মই বিয়া কাকো নকৰাওঁ। মেডিকেল কলেজত পঢ়ি উঠি তাৰ পিছত দেখা যাব। মায়ে হলে নামানে আৰু যত্নৰ ক্ৰটিও নকৰে। আচল কথা কি জানেনে কল্যাণদা? কি কাৰণে কব নোৱাৰো এই বিলাকক মই মানুহ বুলি গণ্য কৰিবলৈ ভাল নাপাওঁ। বান্ধৱ আছে, নচুৱাওঁ—ইমানেই। বিয়াখন পাতি সোনকালে উলিয়াই দিবলৈ দেউতাৰ ইচ্ছা যদিও মাৰ ভয়ত নিমাতহৈ থাকে।"

"ব'বা মধু, তোমাৰ কথা বুজিলো। পিছে মঞ্জিৰাৰ বিয়া মহিমৰ লগত হৈ গল নেকি?"

"এতিয়াও হোৱা নাই কল্যাণদা। শুনিছো তাৰ ঘৈণীয়েকৰ

হেনো ছোৱালী এটি উপজিছে...” কল্যাণে কিবা কবলৈ মুখ মেলা দেখি বাধা দি কলে “কোনো কথা সুস্থধিব, মই যি শুনিছো ঠিক তাকেহে কৈছো। মহিমে হলে পোহনীয়া কুকুৰৰ দৰে এতিয়াও অহা-যোৱা কৰি আমাৰ ঘৰৰ আনবোৰৰ হুকুমৰ গোলাম হৈ চলি আছে। কেৱল মোৰ আগত কোনো কথা কবলৈ সাহতো নকৰেই, সমুখত মোক দেখিলেই তলমূৰ কৰি আঁতৰি যায়।”

মাধুৰী নীৰৱ হৈ কল্যাণৰ মুখলৈ চালে। তাৰ দৃষ্টি নৈৰ ভাটীৰ ফালে দূৰলৈ, বহু দূৰলৈ·· ···। তাই বুজিলে যে সি তাইৰ শেষৰ কথাবোৰ ভালকৈ শুনা নাই। অন্য মনস্কহৈ কিবা ভাবি আছে। তাৰ মুখলৈ অলপ সময় চাই থাকিল। উভয়ে নিমাত। দুমিনিট মান সেইদৰে থাকি হুমুনিয়াহ কাঢ়ি তাই সুধিলে “কি ভাবিছে কল্যাণদা ?”

কল্যাণৰ দৃষ্টি লাহে লাহে ঘূৰাই আনি উদাস ভাবেৰে মাধুৰীৰ মুখলৈ চাই কোনো উত্তৰ নিদি লাহে লাহে সি তলমূৰ কৰিলে। তাকে দেখি তাই আকৌ সুধিলে “আপুনি কিয় এনেকুৱা হ’ল ? কি হৈছিল কল্যাণদা ? তেনেই শুকাই খীনাই খেৰ যেন হৈছে, আগৰ চেহেৰাৰ আধাও নাই। খবৰ লবলৈ আহি দুৱাৰৰ তলাটো দেখি কিমান দিন যে হতাশহৈ উভতি গৈছো। পালোৱানী ক্লাবলৈ ছমাহমান যোৱাই নাই হেনো। বাটে পথে লগ নাপাওঁ। ইমান দিনে আমাৰ ফালে এদিনৰ বাবেও যোৱা নাই। অসুখ ক’ত হৈছিল ইয়াত নে ঘৰত ? মোৰে শপত কল্যাণদা, সকলো কথা কওক······”

দীঘল হুমুনিয়াহ এটাৰে "হুঁ" বুলি উচ্চাৰণ কৰি কল্যাণে কলে "শপত দিবই নালাগে মধু। কওঁ বুলিয়েই তোমাক মাতি আনিছো। তোমাক দেখা মাত্রকে মোৰ মনত বিশ্বাস ওপজিল যে ভৰা কলহৰ পানী পেলাই পাতল কৰাৰ নিচিনা তোমাৰ আগত সকলো কথাকৈ মোৰ অন্তৰৰ গুৰু ভাৰখনৰ কিছু পৰিমাণে হলেও লঘু কৰিব পাৰিম। নহলে আজি কবলৈ এই সংসাৰত মোৰ কোনো নাই মধু, যাৰ লগত মনখুলি এষাৰ কথা পাতিব পাৰো।"

মন ডাঠ কৰি আছিল যদিও শেষৰ ফাললৈ তাৰ মাতটো কঁপি গল। অথাই পানীত পৰিলে খেৰ-কুটাকো ডাঙৰ আশ্রয় জ্ঞান কৰাৰ নিচিনা নিসঙ্গ-অসহায় অৱস্থাত পৰি তাইকে পৰম আশ্রয় জ্ঞান কৰি তাইৰ পৰাই যেন তাৰ মনটোৱে সকলো আদায় কৰি লব খোজে। সজ পৰামৰ্শ, সহানুভূতি, মনৰ সাহ-বল সকলো যেন মাধুৰীয়ে তাক দিব পাৰে। কথা কবলৈ আৰম্ভ কৰাৰ লগে লগে এই বিশ্বাস তাৰ মনলৈ আহিল।

তাৰ মাতৰ অস্বাভাৱিকতা শুনি ততালিকে তাই নৈৰ ফালৰ পৰা মুখ ঘূৰাই তাৰ মুখলৈ চাই দেখিলে যে ইতিমধ্যে তাৰ মুখত কোনোবাই যেন এসোপা ছাইহে সানি দিলে। তাইৰ মনটো চিৰিং কৰি উঠিল। তেতিয়াও তাই বুজিব নোৱাৰি ভাবিলে যে কল্যাণৰ নিচিনা দেহে-মনে শক্তিশালী ডেকাজনক এই কেদিনৰ ভিতৰতে কোন দৈত্য-দানৱে নিষ্ঠুৰ ভাবে নিগ্রহ কৰি এনেকুৱা নিছলা অৱস্থা কৰিলে। তাইৰ মনটোৱে যেন কল্যাণৰ অন্তৰত সোমাই তাৰ গোটেইখন অন্তৰ চাই আহিব খোজে। মুখেৰে

কোনো কথা কৰলৈ বিচাৰি নাপাই একেথিৰে তাৰ মুখলৈ চাই থাকিল।

কল্যাণে তাৰ মাতটো পাৰে মানে স্বাভাৱিক কৰিলে যদিও গধুৰ কথাবোৰ আগৰ দৰে লানি ধৰি ওলাব নোখোজে। বৰ জোৰত পৰি এটা দুটাকৈহে শব্দ ওলাব ধৰিলে। উদাস মনটো পাৰেমানে সংযত কৰিলে যদিও ভাইৰ মুখলৈ চোৱাৰ শক্তি নহল। উদাস দৃষ্টিৰে নৈৰ ফালে চাই সেই মাতেৰেই সি তাৰ মাক-ভনীয়েকৰ মৃত্যুৰ কথা বৰ্ণাই শেষ কৰিলে। তাৰ পিছত দুখ-কষ্টত আধামৰাহৈ কথামপি জীয়াই থকা ভায়েক-ভনীয়েকহঁতৰ কথা বৰ্ণালে। গৃহস্থালিৰ পয়মাল অৱস্থা, ছাৰখাৰ হৈ যোৱা বস্তু বাহানি আদিৰ কথাও দুবষ্ট বৰ্ণালে। তাৰ পিছত বহু সময়লৈ উদাস নয়নেৰে নৈৰ ফাললৈ চাই থাকি আকৌ কলে "এতিয়া...এতিয়া মোৰ অৱস্থা, সৌৱা...সৌযে কাঠৰ টুকুৰাটো নৈত এবাৰ ওপৰলৈ উঠি আকৌ নামি উটি যাব ধৰিছে, অবিকল তেনেকুৱা হৈছে। অঠাই-অকূল সাগৰত পৰি..." আৰু তাৰ মাত নোলায়। ডিঙিত কিহবাই সোপা দিলে। বৰ পুৰুষাৰ্থ কৰি ওলাই আহিব খোজা কান্দোন বন্ধ কৰিলে।

তাৰ খোকাথুকি মাতটোৱে আৰু বিবৰ্ণ মুখৰ চেহেৰাটোৱে মাধুৰীৰ কোমল অন্তৰখন সেমেকাই দিছিল। মনৰ দুখৰ কথা অবাধে ভাঙি কৰলৈ সি একমাত্ৰ ভাইকহে বৰ গছ পাতি জিবোৱা দেখি প্ৰথমেই অন্তৰৰ আটাইখিনি সহানুভূতি ঢালি দি তাৰ শোকৰ কাহিনী শুনি আছিল। শেষৰ ফাললৈ ভাইৰ সমবেদনাৰ উঁবালটো

নিঃশেষে উবুৰিয়াই দিলে। সমাপ্ত কৰি কব নোৱাৰা তাৰ করুণ কণ্ঠৰ কথাবোৰ তাইৰ কাণত অসহায় আৰ্ত্তনাদৰ দৰেই ধ্বনিত হলত তাই আৰু সহ্য কৰিব নোৱাৰিলে। তাক সান্ত্বনা দিবলৈ বৰ চেষ্টা কৰিও মাত উলিয়াব নোৱাৰিলে, কিহবাই যেন বুকুত খুন্দা মাৰি ধৰিছে। এতিয়াই যেন তাইক মাৰি পেলাব। তাইৰ ওঠ দুটা কঁপিল। মুখেৰে বিকৃত মাতেৰে উচ্চাৰিত হল "আয়ে দেহি…" তাৰ পিচতে কান্দিবলৈ ধৰিলে?

তাইৰ সমবেদনাৰ চকুলো দেখি কল্যাণৰ চকুলোৱে আৰু বাধা নামানিলে। তাই আৰু কল্যাণৰ মুখলৈ চাব পৰা নাছিল। সিও তাইৰ মুখৰ পৰা দৃষ্টি আতৰাই আনফাললৈ চাই উচুপি থাকিল। তাৰ মৰুভূমিৰ দৰে হোৱা অন্তৰখনত নীৰৱ সান্ত্বনাৰ শীতল পানী, ঘৰত থকাকেদিন, চটিয়াইছিল আশাৰ কান্দোনে। সি তাইৰ চেনেহৰ পৰিচয়, প্ৰাণৰ অকৃত্ৰিম পৰশ পাইছিল তাইৰ চকুলোৰ মাজেদি আৰু তাৰ সমুখত মুখ উলিয়াবলৈ অসমৰ্থ হৈয়ো আৰে আৰে ঘূৰি থাকি তাৰ প্ৰতি আৰু তাৰ অসহায় ভায়েক-ভনীয়েকহঁতৰ প্ৰতি আশাতিৰিক্ত ভাবে কৰা আশাৰ সেৱা-শুশ্ৰূষা কামবোৰৰ যোগেদি। তদুপৰি তাৰ মাতৃ বিয়োগত তাইৰ করুণ হৃদয়ত কি প্ৰচণ্ড আঘাত পাইছিল আৰু কল্যাণৰ দুৰৱস্থা দেখি তাইৰ মৰ্ম্মস্থলত কি মৰ্ম্মান্তিক কষ্ট পাইছিল তাৰ প্ৰমাণ তাই তাৰ লগত কথা পাতিব নোৱাৰা কামেই দিছিল। তাইৰ বাহিৰে সমবেদনা দেখুৱাবলৈ গোপালপুৰত আন কোনো নোলাল। আনপিনে গুৱাহাটীলৈ অহাৰ পিছতো আজি ইমান দিনে তাৰ সহপাঠি, সহখেলুৱৈ, বন্ধু-বান্ধৱৰ পৰাও পাতল ধৰণৰ মুখৰ প্ৰবোধ বাক্য উচ্চাৰণ কৰাৰ

বাহিৰে তাৰ দুখত দুখীহৈ আন্তৰিক সমবেদনা জনাবলৈও কোনো এজন নোলাল। সেয়েই সি সকলো সুদিনৰ বন্ধুৰ সঙ্গ সম্বন্ধে পৰিহাৰ কৰি অকলশৰীয়াহৈ ফুৰি দৃঢ় ভাবে ধৰি লৈছিল যে এই বহল বিশ্ব-ব্ৰহ্মাণ্ডত তাৰ দুখত সমদুখী হবলৈ কেও নাই। এক মাত্ৰ আশালতা আছিল যদিও থাকিও নথকাৰ দৰে হৈছে।

কিন্তু তাৰ ধাৰণা ভুল হল। সি পালে···কুবেৰৰ ধনৈশ্বৰ্য্যতকৈও মূল্যবান ৰত্ন সি আজি লাভ কৰিলে। মাধুৰীৰ মধুৰ প্ৰাণৰ পৰশ পাই তাৰ বিষাদৰ লগতে হৃবিষৰ চকুলো ওলাল। আজি এই বিশাল লুইতৰ পাৰত নিৰ্জ্জন গছতলত শোকত মুহ্যমান, দুখ আৰু হতাশাত ম্ৰিয়মান, অসহায়-অনাথ কল্যাণে অমূল্য ৰত্ন লাভ কৰিলে—মাধুৰীৰ কোমল কৰুণ অন্তৰ ফাটি ওলাই পৰা এটা তপত হুমুনিয়াহ আৰু চেনেহৰ গঙ্গা-যমুনাহৈ বৈ পৰা দুধাৰি-চকুলো। তদুপৰি তাৰ দুখৰ সমবেদনাত তাইৰ অন্তৰৰ অন্তঃস্থলৰ পৰা ওলাই অহা এষাৰ সহানুভূতি-'আয়ে দেহি!' ইয়াতকৈ বেছি মূল্যবান ৰত্ন তাৰ মনত আন একোৱেই নাই—থাকিব নোৱাৰে···

আশালতা আৰু মাধুৰী। সি ভাবিলে, আশালতা যেনিবা আছিল সৰু-কালিৰ পৰা তাৰ খেলৰ লগৰী, শাসন আৰু মৰমৰ পাত্ৰী। কল্যাণ আৰু তাৰ মাকৰ চেনেহৰ ছাঁত তাই লহপহকৈ বাঢ়ি উঠিছিল। কিন্তু মাধুৰী? মাধুৰীতো তাৰ কোনো নহয়, তেন্তে তাৰ দুখত তাইৰ অন্তৰত অনুকম্পা জাগে কিয়? শোকত উচুপিহৈ তাই কান্দে কিয়? মুখেৰে এষাৰ সান্ত্বনাৰ বাণী কিয় উলিয়াব নোৱাৰে? পাতল মুখৰ কৃত্ৰিম আৰু বেথা ভৰা মধুৰ

অন্তৰৰ অকৃত্ৰিম সহানুভূতিৰ পাৰ্থক্য সি ভালকৈ বুজি পালে। আজি মাধুৰীয়ে তাক চেনেহ ডোলেৰে বান্ধি আপোন কৰি ললে।

আজিহে কল্যাণে মাধুৰীৰ মনোৰম মুখখনিলৈ মনোনিবেশ কৰি-চাই তাইৰ মহৎ অন্তৰখন পাঠ কৰিবলৈ চেষ্টা কৰিলে। ইমান দিনে এনেকুৱা মনোযোগেৰে নিৰীক্ষণ কৰিবলৈ তাৰ কোনো আৱশ্যক হোৱা নাছিল। কল্যাণে বুজিলে যে তাইৰ বাহিৰা ৰং-চং আৰু দাম্ভিকা প্ৰকৃতিৰ কাৰ্য্যকলাপ দেখি সি মনতে যি স্থিৰ কৰিছিল তাই তাৰ সম্পূৰ্ণ বিপৰীত। কঠিন শিলৰ ভিতৰত শীতল পানীৰ অক্ষয় ভাণ্ডাৰ থকাৰ দৰে মাধুৰীৰ বাহ্যিক দাম্ভিকা-প্ৰকৃতিৰ অভ্যন্তৰত থকা অন্তৰখন কোমল, কৰুণ, কমনীয়— অমূল্য বস্তু বিশেষ। একেথিৰে কল্যাণে তাইৰ মুখলৈ চাই আছিল। মাধুৰীৰ গালেৰে বৈ পৰা পানীৰ টোপালৰ ওপৰত গছৰ পাতৰ মাজেৰে অহা ৰ'দৰ কিৰণ-ৰেখা এটা পৰি চিকমিকাই উঠিল আৰু প্ৰতিফলিতহৈ কল্যাণৰ চকুত তিৰবিৰাই দিলে।

কল্যাণৰ মনত পৰিল, শোকাক্লিষ্ট আৰু চিন্তা-ভাৰাক্ৰান্ত বুকুখন লৈ সিদিনা গোপালপুৰৰ পথাৰত থকা নিৰ্জ্জন সৰোবৰৰ তীৰত গছ এজোপাত আউজি বহি থাকোতে মৃদু-মলয়াৰ আলোড়ণত পানীত উঠা ক্ষুদ্ৰ তৰঙ্গ ৰাজিৰ ছেৱে ছেৱে মৃদু-নৃত্য কৰি হিয়া উপচি থকা মধু-ভাণ্ডটো অৰ্দ্ধোন্মিলিত কৰি দিবাকৰলৈ নৈবেদ্য পাতি নিবেদন কৰি উপাসনা কৰি বৈ থকা কমলিনীৰ কমনীয় গোলাপী পাহ এটাত চিটিকি পৰা মুক্তাৰ নিচিনা ৰূপালী টোপালটোত পৰি প্ৰতিফলিত হোৱা অৰুণৰ তৰুণ কিৰণে তাৰ

চকুত তিৰবিৰাই দি শোকাভিভূত চিন্তাক্লিষ্ট কল্যাণক [illegible] কৰি দি উত্তপ্ত-উদাস মনটো কিছু পৰিমাণে শাঁত পেলাইছিল।

হঠাতে সি অন্যমনস্ক হৈ পৰিল। তাৰ মনটোৱে সিদিনাৰ দৃশ্য আৰু আজিৰ দৃশ্যৰ কিবা এটা মিল অনুসন্ধান কৰি চালে— মাধুৰীৰ কিশলয় সদৃশ গোলাপী গাল আৰু পদুমনীৰ কমনীয় গোলাপী গালৰ সুন্দৰ সাদৃশ্য আছে। মুক্তাৰ বিচিনা পানীৰ টোপাল দুটা হুবহু একে। সি অন্তৰত অনুভৱ কৰিলে, মনোমুগ্ধকৰ পদুমীৰ হিয়াভৰা সুধা ভাণ্ডটোৰ আৰু নয়ন জুৰ কৰা ৰূপলাৱণ্য বৈ পৰা মাধুৰীৰ অন্তৰত সযতনে সংৰক্ষিত মধু-ভাণ্ডটোৰ মাজত সাদৃশ্য থকাই নহয়, অবিকল একে। উভয়ে যেন অক্ষয় অব্যয় দুৰ্লভ অমৃতৰ ভাণ্ডাৰেৰে ভৰপূৰ। হঠাতে আগতকৈ স্বাভাবিক মাতেৰে সহজ ভাবে সি উচ্চাৰণ কৰিলে "পাইছো মধু, মোক যি লাগে তাকেই পাইছো। এতিয়া আৰু মোৰ দাৰিদ্ৰ্য গুচিল মধু।"

বিস্মিত মাধুৰীয়ে কমালেৰে চকু-মুখ মচি তাৰ আনন্দ ভাব দেখি আৰু স্বাভাবিক মাত শুনি নিজেও বহু পৰিমাণে প্ৰকৃতিস্থ হল যদিও কল্যাণৰ মনোবিকাৰ হোৱা বুলি সন্দেহো উপজিল। তাকে ভাবি চেনেহৰ মাতেৰে সুধিলে "কি লাগিছিল আৰু কি পালে কল্যাণদা? কিহৰ দাৰিদ্ৰ্যৰ কথা কৈছে? কিহৰ অভাৱ আপোনাৰ···?

কল্যাণে উত্তৰ দিলে "কওঁ শুনা মধু, যি হেৰুৱালো তাক আৰু ইহ জনমত ঘূৰাই নাপাওঁ। গতিকে সেই বিষয়ে যি দুখ তাক নীৰৱে সহ্য কৰিবই লাগিব, হয় নে নহয়?"

"ঠিক কৈছে কল্যাণদা। মই জানো, সেইখিনি মনোবল আপোনাৰ আছে। তাৰ বাহিৰে অইন অভাৱনো আপোনাৰ…"

"ব'বা মধু, সৌ-অনন্ত আকাশখনলৈ চোৱা, মোৰ অভাৱো তেনেকুৱা অনন্ত। মোক লাগে, অক্ষয়-অব্যয়, ঐশ্বৰ্য্য সম্পদ, যাৰ দ্বাৰা গোটেই বিশ্ব-ব্ৰহ্মাণ্ড জয় কৰিব পাৰা যায়, তেনেকুৱা পৰশমণি আৰু তাৰেই সন্ধান মই পালো। এতিয়া মই দীন-হীন দৰিদ্ৰ নহওঁ·· সাত ৰজাৰ ধন, মণি-মাণিকো ইয়াৰ সমকক্ষ নহয়, মধু?"

মাধুৰীয়ে একেথিৰে কল্যাণৰ মুখলৈ চাই থাকিল। তাৰ বিষয়ে তাইৰ মনৰ সন্দেহটো নাতৰিল। কিন্তু তাৰ কথা আৰু ব্যৱহাৰত অকণো খুঁত নাপাই সৰল ভাৱেৰে সুধিলে "এনেকুৱা অমূল্য, অতুল ঐশ্বৰ্য্যনো কি? কত আছে? আপুনি কেনেকৈ সন্ধান পালে? মোকো ভাগ দিয়ক কল্যাণদা… ?"

"কওঁ শুনা মধু, সমবেদনাৰ এটুপি উপত চকুলো, অকৃত্ৰিম অন্তৰৰ পৰা ওলোৱা এটা উপত হুমুনিয়াহ আৰু বেথা ভৰা মনৰ পৰা ওলোৱা চেনেহী মুখৰ এষাৰ সহানুভূতি। ইয়াতকৈ মূল্যবান বস্তু একোয়েই নাই মধু। আৰু ক'ত পালো শুনিবানে? গোপালপুৰত পাইছিলো দুখুনী অভাগিনী আশালতাৰ মৰ্ম্মস্থানৰ পৰা আৰু গুৱাহাটীত পালো মাধুৰীৰ মধুৰ অন্তৰৰ অন্তঃস্থলৰ পৰা। ইয়াৰ বাহিৰে বিৰাট বিশ্বব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ বালি-চাহি কল্যাণৰ দুখত এটুপি উপত চকুলো যাচিবলৈ কোনোবা আছে বুলি প্ৰমাণ নাপালো মধু।"

নৈৰ দুকুল টোকা বাঢ়নীয়া পানীৰ দৰে পৰিতৃপ্তিৰে মাধুৰীৰ

মনটো ভৰপূৰ হ'ল। আনন্দৰ আৱেশত অলপ পৰলৈ নিমাতহৈ থাকি কল্যাণক যেন বুকুৰ ভিতৰত বহুৱাই ল'লে। মনত অতিকৈ সন্তোষ যদিও তাৰ প্ৰশংসাত লাজো নলগা নহয়। অলপ ভাবি কথাৰ মোৰ ঘূৰাই ক'লে "ইতিমধ্যে আপুনি দাৰ্শনিক কবি বা তেনেকুৱা কিবা এবিধ হৈ পৰিল কল্যাণদা। যি নহওক, সম্প্ৰতি ঘৰলৈ যাওঁগৈ বলক, ভোকে-পিয়াহে মোক কাতৰ কৰিছে।"

"বলা মধু" কল্যাণে ক'লে "আজিহে মই মোৰো ভোক লগা অনুভৱ কৰিছো। পিছে ৰেষ্টোৰাঁলৈ নাযাওঁ, তোমালোকৰ ঘৰতে কিবা অলপ খাওঁগৈ বলা।" বুলিকৈ দুয়োজনে খিয়হৈ খোজ ল'লে। অলপ দূৰগৈ ৰিক্সা এখনত উঠি বহিল।

(ইয়াৰ পিছত ২য় খণ্ড ওলাব ধৰিছে)

—লিখকৰ আন আন উপন্যাস—

নিয়তিৰ নিৰ্ম্মালি—	(২য় তাঙ্গৰণ)	৩·৫০
প্ৰণয়ৰ স্মৃতি—	(ঐ)	৩·৫০
প্ৰাণৰ পৰশ—	(ঐ)	৪·২৫
মুক্তিৰ পথেদি—		১·২৫

মণি মাণিক প্ৰকাশ
গুৱাহাটী